
শীতৰ কুঁৱলী ফালি
ঐতিহাসিক বৰপুখুৰীলৈ
আলহী পখিৰ আগমন ...

# প্ৰ ৱা হি নী

## শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০০৬-২০০৮

সম্পাদিকাদ্বয় ঃ আকাশজ্যোতি দাস, বিনীতা চেতিয়া



# প্ৰ ৱা হি নী

## শিৱসাগৰ ছোৱালী কলেজ আলোচনী

## ২০০৬-২০০৮



Entrance to the College


College Library Building


Rongpur Chatry Nivash
(The two storeyed College Hostel Building)


Home Science Building with Sanskriti Play School and Mushroom Production Centre


Science Building



Beauty Parlour cum Centre for Beautician Training and Personal Grooming Building



# প্ৰ ৱা হি নী

## শিৱসাগৰ ছোৱালী কলেজ আলোচনী

## ২০০৬-২০০৮

**উপদেষ্টা মণ্ডলী**

শ্ৰীযুতা কুসুম ফুকন
শ্ৰীযুত প্ৰাঞ্জল ৰাজখোৱা
শ্ৰীযুতা সংগীতা হাজৰীকা
শ্ৰীযুত কিশোৰ কুমাৰ দেউৰী
শ্ৰীযুত প্ৰবীন শৰ্মা



**সম্পাদিকাদ্বয়**

আকাশজ্যোতি দাস (২০০৭) বৰ্ষ
বিনীতা চেতিয়া (২০০৮) বৰ্ষ

# প্ৰবাহিনী

## শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০০৬-২০০৮

### সম্পাদনা সমিতি

উপদেষ্টা মণ্ডলী ঃ-
শ্ৰীযুতা কুসুম ফুকন
শ্ৰীযুত প্ৰাঞ্জল ৰাজখোৱা
শ্ৰীযুতা সংগীতা হাজৰীকা
শ্ৰীযুত কিশোৰ কুমাৰ দেউৰী
শ্ৰীযুত প্ৰবীন শৰ্মা

সভাপতি ঃ-
ড° হেমন্ত কুমাৰ ফুকন

সম্পাদিকাদ্বয় ঃ-
আকাশজ্যোতি দাস
বিনীতা চেতিয়া

***Sibsagar Girls' College Annual Magazine, edited by A. Das and B. Chetia published by Sibsagar Girls' College on behalf of College Students Union.***




অংকন ঃ চালমা চুলতানা, স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ

**অলংকৰণ ঃ** অনিল বৰুৱা

**মুদ্ৰণ ঃ** বিনায়ক অফ্‌ছেট,
শংকৰ মন্দিৰ পথ, শিৱসাগৰ
ফোন ঃ ৯৮৫৪০ ৩২৮১৪

সামগ্ৰিক পৰিকল্পনা ঃ
সংগীতা হাজৰীকা
কিশোৰ কুমাৰ দেউৰী
প্ৰবীন শৰ্মা

ডিটিপি ঃ মিছ চাহিদা বেগম ( মাইনা)।

## উছৰ্গা

যি সকলৰ অক্লান্ত প্ৰচেষ্টা, বদান্যতা আৰু ত্যাগৰ ফলত এই মহাবিদ্যালয়খনি গঢ় লৈ উঠিছে, তেখেত সকলৰ হাতত এই আলোচনীখন তুলি দিয়া হ'ল।

## শ্ৰদ্ধাঞ্জলি

২০০৬-২০০৮ বৰ্ষত অসমী আইৰ যিসকল সু-সন্তানক আমি হেৰুৱালো।

## কৃতজ্ঞতাৰ শৰাই

— মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু অধ্যক্ষ মহোদয়লৈ।

— আলোচনী বিভাগৰ সম্পাদনা সমিতিৰ সমূহ সদস্য সকললৈ।

— বিনায়ক অফচেটৰ সমূহ কৰ্মকৰ্তালৈ।

Pranab Gogoi
Minister,
Judicial, Legislative, H & T and Sericultı
Dispur, Guwahati.

Ph. : 2262294 (O)
2262992 (R)

D.O. No ........................

Date : ............................

শিৱসাগৰ এখনি ঐতিহ্যমণ্ডিত জিলা। সমগ্র জিলাখনৰ ভিতৰতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ শৈক্ষিক ফলাফলৰ দিশত এটা সু-নাম আছে। ইয়াৰ মূলতে হ'ল শিক্ষক ও ছাত্র উভয় পক্ষৰ একাগ্রতা আৰু জ্ঞান পিপাশা। আহিব লগা বছৰৰ সমূহত বিগত বৰ্ষ বিলাবকৈও মহাবিদ্যালয় খনৰ শিক্ষাৰ মানদণ্ড আৰু ফলাফল উন্নত হওঁক।

মহাবিদ্যালয় খনিৰ ছাত্ৰী একতা সভাৰ ২০০৭-২০০৮ বৰ্ষৰ বছেৰেকীয়া আলোচনীখনি প্ৰকাশৰ ব্যৱস্থা কৰাত মই অত্যন্ত সুখী হৈছো। মই আশা ৰাখিছো আলোচনীখন উন্নত সাহিত্যকৰ্মৰে গাম্ভীৰ্য্যপূৰ্ণ হ'ব আৰু উদীয়মান সকলক উজ্জ্বল ভৱিষ্যত গঢ়াত প্ৰেৰণা যোগাব। পুনৰ আলোচনীখন সকলোদিশত সৰ্ব্বাঙ্গসুন্দৰ হওঁক তাৰ শুভ কামনা যাচিলো।

Prof. K.K. Deka, MSc.,M.Ed.,Ph.D.
'Stazorovka' (USSR) Vice-Chancellor

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone : 0373-2370239(O)
Fax : 0373-2370323
e.Mail: kkdekadu@yahoo.com

No.DU/VC/073/09/198 Date: 20.01.2009

## শুভেচ্ছা বাণী

প্ৰতি

শ্ৰীমতী বিনীতা চেতীয়া,
সম্পাদিকা
আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

প্ৰিয় শ্ৰীমতী বিনীতা,

মই জানিবলৈ পাই অতি আনন্দিত হৈছো যে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ ২০০৭ আৰু ২০০৮ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ ওপৰিও সমাজৰ বিভন্ন দিশৰ ওপৰতো আলোকপাত কৰিব পাৰে।

মই আশা কৰিছো, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনিয়ে ছাত্ৰীসকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব। আলোচনীখন সৰ্বাংগ সুন্দৰ হওক, তাৰে শুভ কামনাৰে —

কন্দৰ্প কুমাৰ ডেকা 20/1/09
(কন্দৰ্প কুমাৰ ডেকা)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# অধ্যক্ষৰ মনৰ কথাৰে...



মহাবিদ্যালয় এখনৰ দাপোন হ'ল মহাবিদ্যালয়খনৰ আলোচনীখন। আলোচনীখনেই বহন কৰে মহাবিদ্যালয়খনৰ প্ৰকৃত উন্নতিৰ পৰিচয় আৰু ভৱিষ্যতৰ আশাৰ ৰেঙণি। মহাবিদ্যালয়ৰ আলোচনীৰ পাততেই লিখা আৰম্ভ কৰা ছাত্ৰ-ছাত্ৰীসকল ভৱিষ্যতে এজন পৈনত লিখক হ'ব পাৰে। সাম্প্ৰতিক সময়ত কলেজ এখনৰ আলোচনী এখন সময়মতে প্ৰকাশ কৰাতোও এটা অতি টান কাম। যি নহওক, শিৱসাগৰ ছোৱালী কলেজ বাৰ্ষিক আলোচনীখন (২০০৭ আৰু ২০০৮ বৰ্ষ) প্ৰকাশ কৰিবলৈ লোৱা হৈছে। অধ্যক্ষ হিচাবে আলোচনীখন যাতে সৰ্বাংগ সুন্দৰহৈ প্ৰকাশ হ'ব পাৰে, তাৰেই শুভ কামনা যাঁচিছো।

# সম্পাদনা সমিতি

## প্ৰৱাহিনী

## শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০০৬-২০০৮



ড° হেমন্ত কুমাৰ ফুকন

সভাপতি



শ্ৰীযুতা কুসুম ফুকন

উপদেষ্টা



শ্ৰীযুত প্ৰাঞ্জল ৰাজখোৱা

উপদেষ্টা



শ্ৰীযুতা সংগীতা হাজৰিকা বৰা

উপদেষ্টা



শ্ৰীযুত কিশোৰ কুমাৰ দেউৰী

উপদেষ্টা



শ্ৰীযুত প্ৰবীন শৰ্মা

উপদেষ্টা



শ্ৰীমতী বিনীতা চেতিয়া

সম্পাদিকা

# সম্পাদকীয় কলম...



"অনন্ত অপাৰ মহা শব্দ শাস্ত্ৰৰ
মহাসিন্ধু মথি
আমি আহৰণ কৰো জ্ঞানৰ অমৃত
মহা মহা জীৱনৰ গৰিমাৰ সৌধ ৰচোঁ
ৰামধেনুৰ ৰহণে জীৱন বোলাই।"

কবিৰ ভাষাৰেই কওঁ —

জীৱনৰ ডেউকাত সাতোৰঙী ৰামধেনুৰ বোল সাজি চিৰবৰণীয়া হ'বলৈ কাৰ জানো হেঁপাহ নাজাগে? এই অদম্য হেঁপাহক তথা মধুৰ আবেগৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়ছোৱাক পৰিপূৰ্ণতা প্ৰদান কৰে কলেজীয়া জীৱনে। এই কলেজীয়া জীৱনক অধিক সুদূৰপ্ৰসাৰী কৰি তোলে প্ৰতিবছৰ প্ৰকাশ পোৱা মহাবিদ্যালয়ৰ একোখন মুখপত্ৰই। দুচুকুত অলেখ স্বপ্ন বান্ধি মহাবিদ্যালয়ৰ চৌহদত ভৰি দি জ্ঞানৰ সৌধ সাজিবলৈ জাক পাতি অহা আলোকপিয়াসী ছাত্ৰ-ছাত্ৰীৰ মুখপত্ৰ বা আলোচনীয়ে। স্বাধীনভাৱে লেখকৰূপে নিজকে প্ৰতিষ্ঠিত কৰাৰ প্ৰথম পদক্ষেপ হিচাপে কলেজৰ আলোচনীসমূহে এক সফল ভূমিকা গ্ৰহণ কৰিছে। শিক্ষাৰ্থী একোজনৰ কষ্টসাধ্য তথা চিন্তা প্ৰসূত কোনো ৰচনা, প্ৰবন্ধ, গল্প, কবিতা বা অন্য যিকোনো লিখনী প্ৰকাশৰ ক্ষেত্ৰত এই কলেজ আলোচনীবিলাকে প্ৰধান ভূমিকা গ্ৰহণ কৰে। ভৱিষ্যতৰ কোনো এজন বিশিষ্ট গৱেষক সাহিত্যিকৰ এনে কলেজ আলোচনীত প্ৰকাশিত কোনো লিখনীয়েই সৰ্বপ্ৰথম লিখনি হ'ব পাৰে। কলেজ আলোচনীত সৰ্বপ্ৰথম কৃতীয়েই তেনে একোজন বিশিষ্ট সন্তান সৃষ্টিত অৰিহণা যোগাব পাৰে। তেনে অৰ্থত কলেজ আলোচনীৰ মহত্ব কিমান সেয়া সহজতেই অনুমেয়। শিক্ষাৰ্থীসকলৰ একো একোটা শক্তিশালী লিখনীয়েই সমাজলৈ আনিব পাৰে শান্তি-সম্প্ৰীতিৰ এক অনুপম বাতাবৰণ। আজিৰ সময়ৰ যন্ত্ৰনাৰপৰা মুক্তিক সঁচা অৰ্থত উদ্ধাৰ কৰাত সহায় কৰিব পাৰে তেওঁলোকৰ শক্তিশালী শব্দসম্ভাৰে। সেইবাবে আলোচনী একোখন সমাজৰ অতন্দ্ৰ প্ৰহৰীস্বৰূপ। প্ৰচলিত সমাজ ব্যৱস্থাৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন দিশৰ কথা এই আলোচনীসমূহেই হৈছে সমাজৰ দাপোন স্বৰূপ।

সাহিত্যই একোটা জাতিৰ জাতীয় চৰিত্ৰ সংশোধনত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে লাগিব সাহিত্য-চৰ্চা কৰাৰ প্ৰবল ধাউতি। কিন্তু অসমীয়া জাতিয়ে সাহিত্য-চৰ্চা কৰাৰ প্ৰবল ধাউতি। কিন্তু অসমীয়া জাতিয়ে সাহিত্য সাহিত্য-চৰ্চাৰ মাজেৰে একোটা জাতিক কিদৰে আগবঢ়াই নিব পাৰিব সেইটোহে এটা ডাঙৰ প্ৰশ্ন ........।

অভিযোগ উঠে একবিংশ শতিকাতো নৱপ্ৰজন্ম কিয় উচ্ছৃংখল হৈ উঠিছে? এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। নিঃসন্দেহে পৰিস্থিতিসলনি হৈছে, সলনি হৈছে বিশ্ব অৰ্থনীতিৰ সংজ্ঞা আৰু সমীকৰণ। বিজ্ঞানে জীৱন ধাৰণৰ প্ৰণালী পৰিৱৰ্তন কৰাৰ লগে লগে মানৱ সভ্যতাত অসংখ্য বধ্যভূমিয়ে গা কৰি উঠিছে। এই পৰিৱৰ্তিত প্ৰেক্ষাপটত আজি নতুন প্ৰজন্ম দিক্‌ভ্ৰান্ত, উচ্ছৃংখল হৈ পৰিছে। কেৰিয়াৰ কেন্দ্ৰিক মানসিকতাই যুৱ সমাজক সুবিধাবাদৰ অৱস্থান লবলৈ বাধ্য

কৰাইছে। আজিৰ অসমত শিক্ষিত নিবনুৱা ভয়াবহ ৰূপত বাঢ়িছে। কৰ্মসংস্থাপনৰ আশাত কেৱল উন্মাদ হৈ দৌৰি ফুৰিছে। হতাশাত ভুগি হাতত তুলি লৈছে মাৰণাস্ত্ৰ। নিঃসংগ, উদাসীন উত্তৰ-পুৰুষৰ মনত আশা-নিৰাশাই সামাজিক অনিশ্চয়তাৰ জন্ম দিছে। এনে বিপন্ন আৰু ৰোগক্ৰান্ত পৰিস্থিতিত প্ৰকৃত সত্য আৰু সুন্দৰৰ সন্ধান দি মানুহক মানৱতাৰ দুৱাৰ মুকলি কৰি আনন্দময় জগতলৈ ধাৱিত কৰিব পৰা সাহিত্য সৃষ্টি সম্ভৱ জানো! নীতি নৈতিকতাহীন, জাতীয় স্বাৰ্থৰ প্ৰতি উদাসীন এটা প্ৰজন্মৰ হাতত কিদৰে দেশ জাতিৰ ৰক্ষা হ'ব, ভৱিষ্যতৰ হাতত আজিৰ প্ৰজন্মই কি এৰি যাব সেয়া সন্দেহৰ বিষয় হৈ পৰিছে।

কিন্তু সকলোবোৰ দোষ কেৱল নতুন প্ৰজন্মৰ ওপৰত জাপি দিলেই নহ'ব। ইয়াৰ বাবে এটা পদ্ধতিগত বিচাৰ-বিশ্লেষণৰ অতি প্ৰয়োজন। অতি পৰিতাপৰ বিষয় যে, এই নতুন প্ৰজন্মক আজি বাট দেখুৱাব কোনে? আজিৰ সমাজ ব্যৱস্থাটো সম্পূৰ্ণৰূপে হৈ পৰিছে ক্ষমতাকেন্দ্ৰিক। কেইজনমান দুনীৰ্তিপৰায়ণ অসাধুৰ ক্ষমতাৰ দখলত বন্দী হৈছে আজিৰ ৰাজনৈতিক ব্যৱস্থাটো। দিকভ্ৰান্ত, বিবেকভ্ৰষ্ট অগ্ৰচামে ইতিমধ্যে নিজৰ স্বাৰ্থৰ বাবে দেশ, জাতীৰ ভৱিষ্যতক বন্ধকত ৰাখি জাতীয় সম্পদবোৰ কিদৰে লুটিব পাৰে তাকেহে দেখুৱাই গৈছে। যিচামৰ হাতত দেশ ৰক্ষাৰ ভাৰ ন্যস্ত কৰা হৈছে তেওঁলোকে কোনোধৰণৰ নৈতিকতাৰ প্ৰতিফলন স্পষ্টৰূপত দাঙি ধৰিব পৰা নাই। বৰঞ্চ দেশ ৰক্ষাৰ নামত কোটি কোটি টকা আত্মসাৎ কৰিছে। এনে অৱস্থাত 'নতুন প্ৰজন্মই জগৰীয়া' বুলি চিঞৰি অগ্ৰজসকলে হাত সাৰিলে নহ'ব।

সাম্প্ৰতিক সময়ত ভয়ানক ৰূপত বাঢ়ি অহা শিক্ষিত নিবনুৱাৰ সমস্যাটো প্ৰসংগত চালি জাৰি চালে বৰ্তমান শিক্ষা ব্যৱস্থাটোকে দায়ী বুলি অহা শিক্ষিত নিবনুৱাৰ সমস্যাটোৰ প্ৰসংগত চালি জাৰি চালে বৰ্তমান শিক্ষা ব্যৱস্থাটোকে দায়ী বুলি ক'ব পাৰি। কাৰণ, বৰ্তমান শিক্ষা ব্যৱস্থাটো সপূৰ্ণৰূপে হৈ পৰিছে চাকৰিমুখী। চাকৰি অবিহনে জীৱনটো অসাৰ, বেকাৰ। কোনো কাৰিকৰী বা বৃত্তিমূলক কামৰ প্ৰতি আগবাঢ়ি যাবলৈ মানসিক প্ৰস্তুতি নাই অথবা মূলধনৰ অভাৱ। আজিৰ লাখ লাখ নিবনুৱাই অস্থিৰভাৱে জীৱন কটাইছে ঘৰতে বহি বহি। এনেক্ষেত্ৰত শিক্ষা ব্যৱস্থাতোত যদি কাৰিকৰী শিক্ষাৰে স্ব-নিৰ্ভৰশীল হোৱাৰ বাধ্যতামূলক পাঠ আগবঢ়ালেহেঁতেন। তেন্তে নিশ্চিত ৰূপে আজিৰ অসমীয়া যুৱকে দিকভ্ৰান্ত হৈ ভ্ৰমি ফুৰিবলগীয়া নহলহেঁতেন।

আজিৰ পৃথিৱীত হিংসাৰ দাবানলে এফালৰ পৰা যিদৰে গোটেইখন পুৰি ছাৰখন কৰি নিব ধৰিছে তাক নিৰ্বাপিত কৰাৰ তীব্ৰ বাসনা, শান্তিৰ পটভূমি গঢ়াৰ দায়িত্ব সমাজৰ নতুন প্ৰজন্মই লবই লাগিব। পৰিবৰ্ত্তিত পৰিস্থিতিত নতুন প্ৰজন্মই সমাজৰ বাট পিচল হ'লেও, এখন সুস্থ সমাজ প্ৰতিষ্ঠাৰ স্বাৰ্থত আজিৰ নতুন প্ৰজন্ম সচেতন আৰু দিকদৰ্শী হ'বই লাগিব। ইয়াৰ বাবেই প্ৰাচীৰ যিয়েই নহওঁক কিয় আমি দুৱাৰ মুকলি কৰিবই লাগিব। আমাৰ বিবেক আৰু বুদ্ধিয়ে যিটো শুদ্ধ আৰু সত্য বুলি ভাৱে আৰু যি কথাই আমাৰ ৰাজ্যৰ সকলো মানুহৰে কল্যাণ সাধন কৰে, যিবোৰ বান্ধোনে ৰাজ্যখনৰ সকলো মানুহকে একগোট কৰি ৰাখিব পাৰে। সেইবোৰ কথাকে আমি উদঙাই দেখুৱাব লাগে। বৰ্তমান ক্ষয়িষ্ণু সমাজৰ গড্ডালিকা প্ৰবাহে বাট নেদেখুৱাই। নিজৰ বাট আমি নিজেই বিচাৰি ল'ব লাগিব। কিন্তু আমি আমাৰ প্ৰতিটো খোজকেই উচিত বাবে চোৱা উচিত যাতে ই নিভাঁজ আৰু সুশৃংখলিত হয়।

সাহিত্যৰ দৰে এখন বিশাল জগতত আৰোহণ কৰাৰ সামৰ্থ্য তেনেই সীমিত। এখন মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকাৰ দৰে এটা গুৰু দায়িত্ব বহন কৰি নিজ সামৰ্থ্য অনুসাৰে কাৰ্য সম্পন্ন কৰিবলৈ প্ৰয়াস কৰিছিলোঁ। অৱশ্যে ইয়াত কিমানদুৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। মোৰ শ্ৰদ্ধাৰ উপদেষ্টা মণ্ডলী তথা শিক্ষগুৰুসকলৰ সহায়-সহযোগিতা, আৰ্শীবাদৰ অবিহনে আলোচনীখনে কেতিয়াও প্ৰকাশৰ মুখ নেদেখিলেহেঁতেন। তাৰোপৰি লেখিকাসকলৰ সহযোগিতাৰ ফলস্বৰূপেই পূৰ্ণতা পালে আলোচনীখনে। তেখেত সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

**শ্ৰী বিনীতা চেতিয়া**
সম্পাদিকা
আলোচনী বিভাগ



# সূচীপত্র

প্র ৱা হি নী
শিৱসাগৰ
ছোৱালী কলেজ
আলোচনী
২০০৬-২০০৮

## প্ৰবন্ধ


| | | |
|---|---|---|
| ❑ এক অভিনৱ শিক্ষা প্ৰতিষ্ঠান বিশ্বভাৰতী | শ্ৰীযুতা মুকুতা বৰকাকতি | ১৫ |
| ❑ গ্ৰীক মহাকাব্য ইলিয়াদ আৰু ওদিছিৰ চমু বিৰৰণ | প্ৰবীন শৰ্মা | ১৯ |
| ❑ অসমৰ টুৰুংসকলৰ চাং কেন উৎসৱ | শ্ৰীযুত শান্তনা দুৱৰা সন্দিকৈ | ২১ |
| ❑ আধুনিকতাৰ প্ৰভাৱত হেৰাই যোৱা ঢেঁকীশাল | জুটীকা গগৈ | ২৫ |
| ❑ অসমীয়া সমাজৰ কিছুমান পৰম্পৰাগত লোকবিশ্বাস | চিত্ৰজ্যোতি মালাকাৰ | ২৭ |
| ❑ বিহুগীতত প্ৰেমৰ প্ৰকাশ | বাবলী বেগম | ২৯ |
| ❑ পাণ্ডিত্যৰ আকৰ আনন্দৰাম বৰুৱা | বন্দিতা বৰগোহাঞি | ৩১ |
| ❑ অসমৰ জাতীয় উৎসৱ 'বহাগ বিহু' এক বিশ্লেষণ | কৰিশ্মা বড়া | ৩৩ |
| ❑ ইতিহাসৰ ঐতিহ্যপূৰ্ণ কীৰ্তিস্তম্ভ নেঘেৰিটিঙৰ শিৱ-মন্দিৰ | নীলাক্ষী বড়া | ৩৫ |
| ❑ প্ৰদূষণ আৰু ল'ব লগা সচেতনতা | গায়ত্ৰী শইকীয়া ৰাজখোৱা | ৩৭ |
| ❑ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ | পল্লৱী বড়া | ৩৯ |
| ❑ অসমীয়া লোক-সংস্কৃতিত তামোল-পাণৰ প্ৰয়োজনীয়তা | গীতাঞ্জলী কলিতা | ৪২ |
| ❑ সমাজ সংগঠক আৰু সমাজ সংস্কাৰকৰূপে মহাপুৰুষ শংকৰদেৱ | শ্ৰুতিধৰা বড়া | ৪৪ |
| ❑ মিচিংসকলৰ ঐনিতমৰ গতীশৈলী | দীপালি টায়ে | ৪৬ |
| ❑ ৰংপুৰ ৰংপুৰ | ৰাহানা বেগম | ৪৮ |
| ❑ বৰ্তমানৰ ৰাজনীতিত ভাল মানুহৰ উপস্থিতিৰ প্ৰয়োজনীয়তা | বাবলী গগৈ | ৫০ |
| ❑ আজিৰ যুৱ সমাজ আৰু আধ্যাত্মিকতা | মিতালী শইকীয়া | ৫২ |
| ❑ বৈপ্লৱিক আৰু সাংস্কৃতিক দিশত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা | সীমা কাকতি | ৫৪ |
| ❑ অসমীয়া সমাজ সংস্কৃতি আৰু বিষ্ণু প্ৰসাদ ৰাভা | হিমাদ্ৰী কটকী | ৫৭ |
| ❑ N.C.C -ৰ বিষয়ে দুআষাৰ | দিপীকা গগৈ | ৫৯ |
| ❑ Crime And Punishment | প্লাবিতা দাস | ৬০ |
| ❑ Report By Department of Education | চালমা চুলতানা | ৬২ |
| ❑ Whither Indian Economy bullish Or Bearish? | Ajanta Borah | ৬৬ |


## কবিতাৰ কৰণি


৭৩-৯২


## গল্প গুচ্ছ


| | | |
|---|---|---|
| ❑ শীতৰ পথাৰত নৱানিৰ ৰ'দৰ পম খেদি | পিকুমণি গগৈ | ৯৬ |
| ❑ আই হেভ টু ছে ইউ চামথিং .... | অঞ্জলি শইকীয়া | ৯৯ |
| ❑ সোঁৱৰণি নিদিবি আমনি | ত্ৰিবেণী দত্ত | ১০২ |
| ❑ উত্তৰণৰ পথেদি শশাংক-কৌশিকহঁত | শিৰোমণি দিহিঙীয়া | ১০৭ |

| | | |
|---|---|---|
| ❑ জোনাকক মৰমে ৰিঙিয়াই | জিনামণি শইকীয়া | ১১১ |
| ❑ থমকিব খোজা দুভৰি ন'ৰল থমকি | স্বপ্না লাহন | ১১৩ |
| ❑ এটা গল্পৰ পল্ট বিচাৰি | প্ৰিয়ংকা ৰাজকুমাৰী | ১১৫ |
| ❑ জীৱনৰ সুৰ | ভাগ্যশ্ৰী নেওগ | ১১৭ |
| ❑ পাৰ্থিব বিভীষিকাৰ অন্তত | কৃপাক্ষী চাৰুকীয়া | ১১৯ |
| ❑ মহানগৰী আৰু তাই | জয়শ্ৰী দত্ত | ১২১ |
| ❑ ভাৱনাৰ সিপাৰত মই | আকাশজ্যোতি মহন্ত | ১২৩ |
| ❑ নিৰাশাৰ মাজত উদ্ভাসিত আশাৰ ৰেঙণি | সংগীতা বৰুৱা | ১২৪ |
| ❑ এচমকা পোহৰৰ অপেক্ষাত | ৰীতামণি ৱেইন | ১২৬ |
| ❑ অপেক্ষা | লক্ষ্যমণি দত্ত | ১২৮ |
| ❑ বিশ্বাস অবিশ্বাসৰ মাজত হেৰাই যোৱাৰ সপোন | চিত্ৰলেখা দত্ত | ১৩০ |
| ❑ প্ৰেমৰ পোছাক | তনুশ্ৰী দত্ত | ১৩২ |
| ❑ পৰিত্যক্ত হৃদয় | নয়নমণি বুঢ়াগোঁহাই | ১৩৪ |
| ❑ এপাহ তলসৰা শেৱালি | ৰিজু বৰগোঁহাই | ১৩৬ |
| ❑ মৃত্যুৰ সিপাৰে | মুনমী বৰঠাকুৰ | ১৪১ |


## অনুভৱৰ আঁচোৰ


| | | |
|---|---|---|
| ❑ পথৰ লগৰী.. | যমুনা বৰগোঁহাই | ১৪৫ |
| ❑ হৃদয়ৰ সেউজীয়াত অনুভৱৰ টোপাল টোপাল বৰষুণ | পিকুমণি গগৈ | ১৪৭ |
| ❑ সময় অমূল্য ধন | মামুন বড়া | ১৪৯ |
| ❑ শৰতৰ পদূলিত | জিণামনি শইকীয়া | ১৫০ |
| ❑ দুখ যেন সুখতকৈ অধিক শক্তিশালী | ময়ুৰী শৰ্মা | ১৫১ |


## ভ্ৰমণ


| | | |
|---|---|---|
| ❑ শ্বিলং, চেৰাপুঞ্জী ভ্ৰমণৰ মিঠা অভিজ্ঞতাবোৰ | মিনতি খনিকৰ | ১৫৫ |
| ❑ মোৰ দিল্লী ভ্ৰমণৰ অভিজ্ঞতা | ববিতাজ্যোতি নেওগ | ১৬০ |
| ❑ দক্ষিণ ভাৰতৰ এভুমুকি | প্ৰাৰ্থনা ভূএগ্ৰা | ১৬৪ |


## নষ্টালজিয়া


| | | |
|---|---|---|
| ❑ স্মৃতিৰ সেউজীয়া পৃষ্ঠা... | বিতুমণি নাওহলীয়া | ১৭১ |
| ❑ শৈশৱ— এক ৰঙীন স্কেছ | গায়ত্ৰী খাৰঘৰীয়া | ১৭৩ |


## প্ৰতিবেদন

প্ৰতিবেদন — ১৭৪-১৯৬

# প্ৰবন্ধ বীথিকা....





## ....কোথা কি কাণ্ড







Electioneering in the College




College Annual Sports




Chorous by the Students on the occasion of Fresh-men Social



Colourful Procession on the occasion of College Establishment Day



Students participating in the Youth Festival in Dibrugarh University



College Hunchari Team



March pass by the Students on the occasion of Annual Sports




College Team taking part in the Youth Festival 2008 in Debraj Roy College, Golaghat.



Prime Minister Dr. Monmohan Singh is being feliciated on his visit to the college




Central Minister B.K. Handique and State Law Minister Pranab Gogoi are seen in a Special Occasion



Literateur and Ex-President of Asom Sahitya Sabha Chandra Prasad Saikia in a Special Occasion



Extention Service by the Sibsagar Girls' College in Meteka



Historic Piyoli Phukan Park maintanance by the Department of History



Beautician and Personal Grooming maintained by Departement of History




Flood Relief in Dikhowmukh by Sibsagar Girls' College

মুকুতা বৰকাকতী
মুৰব্বী অধ্যাপিকা
বুৰঞ্জী বিভাগ

# এক অভিনৱ শিক্ষা প্ৰতিষ্ঠান

# বিশ্বভাৰতী

পুৰণি দিনৰ কিছুমান স্মৃতি অতিকৈ মধুৰ হয়। মোৰো শান্তি নিকেতনত দুবছৰীয়া শিক্ষাজীৱনৰ অভিজ্ঞতা এতিয়াও স্মৃতিৰ মণিকোঠাত সযতনে সাঁচি থৈছো। এই অভিজ্ঞতাখিনি বহুদিনৰ পৰা ছাত্ৰীসকলক জনাবলৈ আশা পুহি ৰাখিছিলো আৰু সেইখিনিকে আজি লিখিবলৈ ওলাইছো।

গুৱাহাটীৰ সন্দিকৈ কলেজৰ পৰা স্নাতক পৰীক্ষা দিয়াৰ পাচত শান্তি নিকেতনত পঢ়াৰ এটা হেঁপাহ আছে বুলি জানি মোৰ ভিনদেউ কবি, সমালোচক শ্ৰীভবেন বৰুৱাই তেখেতৰ "সোণালী জাহাজ" নামৰ (সাহিত্য একাডেমী পুৰস্কাৰপ্ৰাপ্ত) কবিতাৰ পুথিখন প্ৰকাশৰ কামত কলিকতালৈ যাবলৈ ওলোৱাত, মোকো নামভৰ্ত্তিৰ বাবে শান্তি নিকেতনলৈ লগতে লৈ যায়। তালৈ গৈ গম পালো যে, প্ৰৱেশ পৰীক্ষা দিব লাগিব। কোনো প্ৰস্তুতি নথকাকৈ পৰীক্ষা দি, আসন পোৱা নোপোৱা দোমোজাত থাকি, ফলাফলৰ তালিকাত মোৰ নামটো দেখি খুব ভাল লাগিল।

শান্তি নিকেতনলৈ মই পঢ়িবলৈ যোৱাৰ এটা কাৰণ আছিল যে, বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ শ্ৰেণীত পঢ়াৰ সমান্তৰালভাৱে, তাৰ কলা ভৱনত ভাস্কৰ্য্যত চাৰ্টিফিকেট পাঠ্যক্ৰম কৰা। কিন্তু মোৰ দুৰ্ভাগ্য, সেইবছৰত বিশেষ কোনো কাৰণত 'বিদ্যাভৱনত' ছাত্ৰ-ছাত্ৰীয়ে একে সময়তে ভাস্কৰ্য্যত চাৰ্টিফিকেট পাঠ্যক্ৰম কৰাতো বন্ধ কৰা হৈছিল। গতিকে মোৰ সেই আশাপূৰণ নহ'ল। কিন্তু ছাত্ৰী নিবাসত থকা মোৰ সহপাঠী ছাত্ৰীসকলৰ পৰা নানা হাতৰ কাম শিকাৰ সুবিধা লাভ কৰিলো। এনেদৰে তাত শিক্ষাগ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে 'কলাভৱনত' শিক্ষা লাভ নকৰাকৈও, বহুতো হাতৰ কাম দেখি দেখিয়েই শিকি পেলাইছিল।

শান্তি নিকেতন কলকাতা মহানগৰীৰ পৰা প্ৰায় ১৩৬ কিঃমিঃ আৰু বোলপুৰ ৰেল ষ্টেচনৰ পৰা ২/৩ কিলোমিটাৰ মান দূৰত অৱস্থিত। নবেল পুৰস্কাৰপ্ৰাপ্ত কবি ৰবীন্দ্ৰনাথ ঠাকুৰে তাতেই 'বিশ্বভাৰতী' বিশ্ববিদ্যালয় স্থাপন কৰিছিল। বৰ্তমান ই এখন আন্তৰ্জাতিক মানৰ বিশ্ববিদ্যালয়ত পৰিণত হৈছে। 'বিশ্বভাৰতী' নামটোৰ পৰাই এইকথা স্পষ্ট যে ইয়াত প্ৰাচ্য আৰু পাশ্চাত্য শিক্ষা সংস্কৃতি লালিত-পালিত হৈ আছে। ১৮৮৬ চনত কবিগুৰুৰ পিতৃ মহৰ্ষি দেবেন্দ্ৰ নাথ ঠাকুৰে তাত এখন আশ্ৰম স্থাপন কৰিছিল। ১৯০১ চনত তাতেই ৰবীন্দ্ৰ নাথে পৰীক্ষণমূলক ভাৱে মাত্ৰ পাঁচজন

ছাত্ৰক লৈ এখন পাঠশালা আৰম্ভ কৰে। তেওঁৰ চেষ্টা সফল হোৱাত, কালক্ৰমত সেই পাঠশালাই গৈ এখন বিশ্ববিদ্যালয়ত পৰিণত হয়।

'বিশ্বভাৰতীত' প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি, কলা, বিজ্ঞান, কৃষি বিজ্ঞান, সঙ্গীত, হস্তবিদ্যা, ভাস্কৰ্য আদি বিষয়ত আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ সুবিধা আছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাচত ১৯৫১ চনত ভাৰতৰ সংসদে এখন আইন প্ৰণয়ন কৰি 'বিশ্বভাৰতী'ক কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ মৰ্য্যদা প্ৰদান কৰে। তেতিয়াৰ পৰা ভাৰতৰ ৰাষ্ট্ৰপতি তাৰ 'পৰিদৰ্শক' (Visitor), বঙ্গৰ গৰ্ভণৰ 'প্ৰধান' (Rector), আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী ইয়াৰ আচাৰ্য্য (Chancellor)। 'বিশ্বভাৰতী'ৰ উপাচাৰ্য্যক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। তাত থকা শিক্ষাৰ বিভিন্ন শাখা-প্ৰশাখা বোৰ হৈছে।

**পাঠভৱন** ঃ

পাঠভৱনত প্ৰাথমিক শিক্ষাৰ পৰা উচ্চতৰ মাধ্যমিকলৈকে প্ৰাচীনকালৰ ব্ৰহ্মচৰ্য্য আশ্ৰমৰ আৰ্হিত শিক্ষা লাভ কৰিব পাৰি। মুকলি আকাশৰ তলত 'আম্ৰকুঞ্জত' আমগছৰ মাজে মাজে, কঠত বহি আশ্ৰম সদৃশ পৰিবেশত শিক্ষালাভ কৰাৰ অভিজ্ঞতাই বেলেগ। জৱাহৰলাল নেহৰুৰ দুহিতা ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়েও সৰুতে কিছুদিন পাঠভৱনত শিক্ষা লাভ কৰিছিল। উচ্চশিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলেও ইচ্ছা কৰিলে কেতিয়াবা শ্ৰেণীকোঠাৰ বাহিৰত শিক্ষাগ্ৰহণ কৰিব পাৰিছিল। গৰম বেছি বাবে তাত ৰাতিপুৱা ৬ বজাত পাঠদান আৰম্ভ হৈ, ১ বজাৰ ভিতৰত শ্ৰেণীসমূহ সমাপ্ত হয়। প্ৰাকৃতিক পৰিবেশত, কুলি, কেতেকীৰ সুৰীয়া গীত শুনি, বাহিৰত শিক্ষালাভ কৰাৰ দিনবোৰৰ কথা মোৰ আজিও মনত পৰে।

**বিদ্যাভৱন** (College of Humanities) ঃ

বিদ্যাভৱনত স্নাতকৰ পৰা স্নাতকোত্তৰলৈকে কলা বিষয়ক পাঠ্যক্ৰমত শিক্ষা লাভ কৰাৰ সুবিধা আছে। **হিন্দীভৱনত,** হিন্দী বিষয়ক উচ্চ শিক্ষা, **চীনাভৱনত** চীনদেশীয় শিক্ষা-সংস্কৃতিত বুৎপত্তি লাভ, উৰীয়া, অসমীয়া আদি দেশীয় ভাষা, ফৰাছী, জাৰ্মানৰ দৰে বিদেশী ভাষাতো তাত আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণ কৰিব পাৰে।

**শিক্ষাভৱনত** (College of Science) ঃ

শিক্ষাভৱনত বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা লাভ কৰে। বিনয় ভৱনত (Teacher's Training College) আকৌ স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰীধাৰী, শিক্ষকতাক বৃত্তি হিচাবে লবলৈ বিচৰা ছাত্ৰ-ছাত্ৰীসকলে, আন ঠাইলৈ নগৈ তাতেই প্ৰশিক্ষণ লোৱাৰ সুবিধা আছে। শান্তি নিকেতনৰ পৰা কিছুদূৰত থকা শ্ৰীনিকেতনৰ পল্লী সংগঠন বিভাগত (Centre for Rural Service and Studies) গ্ৰাম্যঞ্চলত কাম কৰাৰ প্ৰশিক্ষণ আৰু পল্লী শিক্ষা সদনত (College of Agriculture) কৃষি বিষয়ক শিক্ষা লাভ কৰিব পাৰি। শ্ৰীনিকেতনেই মাটিৰ সুন্দৰ সুন্দৰ ৰঙ-বিৰঙৰ পাত বনোৱা এটি অনুষ্ঠান আছে। মই তাৰ পৰা অনা দুবিধ বস্তু মোৰ আয়ে এতিয়াও সযতনে সাঁচি থৈছে।

**কলাভৱন** (College of fine Arts and Crafts) ঃ

কলাভৱনত ছাত্ৰ-ছাত্ৰীসকলে শিল্প, ভাস্কৰ্য্য, ফ্ৰেচকো (কেঁচা প্লাষ্টাৰত অংকিত চিত্ৰ) আদি বিষয়ত শিক্ষা গ্ৰহণ কৰিব পাৰে। বৰ্তমান অসমৰ প্ৰতিষ্ঠিত বহুতো শিল্পীয়ে কলাভৱনতেই শিক্ষা লাভ কৰিছিলে। তাৰ দুজন বিখ্যাত শিল্পী নন্দলাল বোস, ৰামকিঙ্কৰ আদিৰ ভাস্কৰ্য্য শান্তি নিকেতনৰ ঠায়ে ঠায়ে দেখা পোৱা যায়। তেওঁলোকৰ সেই সৃষ্টিৰ মাজেৰে আজিও তেওঁলোক জীৱন্ত হৈ আছে।

**সঙ্গীত ভৱন** (College of Music and Dance) ঃ

সঙ্গীত ভৱনত নৃত্য আৰু সঙ্গীতৰ শিক্ষা লাভ কৰিব পাৰি। মই বিদ্যাভৱনত শিক্ষা লাভ কৰি থকা সময়তে, সঙ্গীত ভৱনত অসমৰ বিখ্যাত কণ্ঠশিল্পী শ্ৰীমতী শান্তা উজীৰে তাত প্ৰায় এবছৰমান কাল সঙ্গীত শিক্ষা লাভ কৰিছিলে।

শান্তি নিকেতনত ভ্ৰমণকাৰী সকলক আকৰ্ষণ কৰিব পৰা বহুতো বস্তু আছে। তাৰ ভিতৰত বিভিন্ন প্ৰজাতিৰ গছ-গছনি, পুৰণি ঘৰ, সংগ্ৰহালয় আদি। কবিগুৰুৱে পৃথিৱীৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি অনা নানান ফলফুলৰ গছ সম্ভৱত এতিয়াও তাত আছে। 'হিমঝুৰি' নামৰ এজোপা গছৰ নাম মোৰ মনত আছে (নামটো কবিয়ে দিয়া), বগা বৰণৰ থোপা /থোপা লগা মালাৰ দৰে তাৰ ফুলবোৰ যেন হিমবাহহে বাগৰি আহিছে। যিজোপা 'চাতিম' গছৰ তলত মহৰ্ষি দেবেন্দ্ৰ নাথ ঠাকুৰে ধ্যান কৰিছিল সেই গছতল 'চাতিমতলা' নামৰে বিখ্যাত।

সমাবৰ্ত্তনৰ (Convocation) সময়ত, তাত প্ৰাৰ্থনা কৰিহে অন্যান্য কাৰ্যসূচী আৰম্ভ কৰা হয়। সমাৱৰ্ত্তনত 'বিশ্বভাৰতী'ৰ আচাৰ্য্য হিচাবে ভাৰতৰ প্ৰধানমন্ত্ৰী উপস্থিত থাকে। তেনেধৰণৰ অনুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে বাতিকৰ কাম কৰা এক বিশেষ ধৰণৰ কাপোৰ (Shawl) গাত লোৱাতো নিয়ম।

এটা পুৰণি দুমহলীয়া ভৱন য'ত এসময়ত কবিগুৰুৰ পৰিয়ালে বাস কৰিছিল, মই প্ৰথম পঢ়িবলৈ যাওঁতে তাতে আমাৰ বুৰঞ্জী বিভাগৰ শ্ৰেণীবোৰ হৈছিল। তাৰ সন্মুখতে প্ৰাৰ্থনা ঘৰ আছে। ই বিভিন্ন ৰঙৰ চিচাৰে নিৰ্মিত এটি আকৰ্ষণীয় ঘৰ, যাক মন্দিৰ বোলা হয়। দেবেন্দ্ৰ নাথ ঠাকুৰে ১৮৬৩ চন ইয়াক নিৰ্মাণ কৰিছিল। ঠাকুৰ পৰিয়াল ব্ৰহ্মধৰ্মী আছিল বাবে এই মন্দিৰত কোনো দেৱদেৱীৰ মূৰ্ত্তি নাই। তাত প্ৰত্যেক বুধবাৰে প্ৰাৰ্থনা হয়। জমিদাৰৰ ঘৰত জন্ম গ্ৰহণ কৰা কবিৰ নানান ধৰণৰ চখ আছিল। ঋতু পৰিবৰ্ত্তনৰ লগেলগে থাকিবলৈ তেওঁ, কিছুমান বেলেগ বেলেগ ধৰণৰ সাজি লৈছিল। বসবাসৰ উপযোগীকৈ সজা, এই আটাইকেইটি ঘৰ একেটা complex তে আছে— যাক 'উত্তৰায়ণ' বুলি কোৱা হয়। প্ৰত্যেকটো ঘৰৰে একোটা সুন্দৰ সুন্দৰ নাম আছে যেনে- উদয়ন, কোৰ্ণাক, শ্যামলী, উদিচি, পুনশ্চঃ আদি। কোৰ্ণাকত উৰিষ্যাৰ শিল্পকলাৰ প্ৰভাৱ আছে। শ্যামলীটো গ্ৰীষ্মকালত গৰমৰ পৰা ৰক্ষা পাবলৈ মাটিৰে সজা ঘৰ। উদিচি সজাৰ পাচত পুনৰ এটি ঘৰ সজা বাবে তাৰ নাম দিলে পুনশ্চঃ। উদয়নৰ সন্মুখত এজোপা আম গছ আছিল, যিজোপা এক বিশেষ পদ্ধতিৰে (তাৰ বান্ধি) বেঁকাকৈ ওপৰলৈ বৃদ্ধি হব নোৱাৰা কৰি থৈছিল। সেই সময়ত আজিৰ দৰে 'বনচাই' জনপ্ৰিয় হোৱা নাছিল বাবে গছজোপা দেখি আমি আচৰিত হৈছিলো। তাৰ ওচৰতে এটি পকাৰ সৰু জলাধাৰ আছে, তাত জাপানীসকলৰ আৰ্হিত ভেট আৰু অন্যান্য জলজ ফুল, কাষে কাষে ঢেকীয়াজাতীয় আলঙ্কাৰীক গছ লগোৱা আছিল। তাৰ কাষতে বহি হেনো কবিগুৰুৱে তেওঁৰ নানান অমৰসৃষ্টি ৰচনা কৰিছিল। প্ৰত্যেকটো ঘৰতে কবিয়ে ব্যৱহাৰ কৰা বস্তু, তেও আঁকা ছবি, সেইসময়ৰ বিখ্যাত বিখ্যাত ব্যক্তিসকলৰ শান্তি নিকেতন ভ্ৰমণৰ ফটো, ভাস্কৰ্য্য আদি সুন্দৰকৈ সংৰক্ষণ কৰি থোৱা আছে। কবিয়ে লিখি যাওঁতে, নিজৰ হাতৰ আখৰবোৰত কিবা শব্দ কাটিবলগীয়া হলে তাক ইমান সুন্দৰকৈ কাটিছিল যে লিখাখিনিয়ে এখন সুন্দৰ ছবিৰ দৰে হৈ উঠিছিল।

শান্তি নিকেতনত, পণ্ডিত সদৃশ্য শিক্ষাগুৰুসকলৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাইছিলো। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত তাত এক ওচৰ সম্পৰ্ক স্থাপিত হয়, যিটো আজিকালি দেখা পোৱা নাযায়। 'চাৰৰ' সলনি শিক্ষাগুৰুসকলক তাৰ ছাত্ৰ-ছাত্ৰীসকলে 'দাদা' সম্বোধন কৰে। আমাৰ বিভাগীয় মুৰব্বী অধ্যাপক অত্যন্ত মেধাবী শ্ৰীঅশীন দাসগুপ্ত, কিছুবছৰ আগতে অসুস্থ হৈ নপৰাহেঁতেন, আজি ভাৰতৰ মুধাফুটা বুৰঞ্জীবিদসকলৰ ভিতৰত নিঃসন্দেহে এক স্থান অধিকাৰ কৰিলেহেঁতেন। আন এজন অধ্যাপক তাৰাশঙ্কৰদা (তাৰা শঙ্কৰ বন্দোপাধ্যায়) কিছুবছৰ আগতে 'অৰুণাচল বিশ্ববিদ্যালয়'লৈ বিশেষ কামত আহোঁতে উৰাজাহাজতে হাৰ্টএটেক হৈ মৃত্যুবৰণ কৰা বাতৰি, কাকতৰ পৰা জানিব পাৰি আপোনজনক হেৰুওৱাৰ দুখত মূয়মান হৈছিলো। কেবাবছৰো কোনো কোনো অধ্যাপকৰ লগত শিক্ষা সম্পৰ্কীয় বিষয়ত মোৰ চিঠিৰ আদান প্ৰদান আছিল। ইমান ব্যস্ততাৰ মাজতো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক চিঠি দিবলৈ সময় উলিওৱাৰ পৰা, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি তেখেতসকলৰ অভিভাৱকৰ দৰে মৰম চেনেহৰ সম্পৰ্ক থকাৰ কথা উপলব্ধি কৰিব পাৰি।

শান্তি নিকেতনত থাকোতে, সেই সময়ৰ বাংলা সাহিত্যৰ বিখ্যাত লিখক- আশাপূৰ্ণা দেৱী, মৈত্ৰেয়ী দেৱী, সমৰেস বসু, শঙ্কৰ, সুনীল গঙ্গোপাধ্যায় তথা বিখ্যাত সঙ্গীতজ্ঞ, নৃত্য বিশাৰদৰ সঙ্গীত সন্ধিয়া, বঙ্গৰ চলচিত্ৰ শিল্পী সৌমিত্ৰ চট্টোপাধ্যায়, ৰঞ্জিত মল্লিক, সুমিতা মুখাৰ্জী আদিক দেখাৰ সৌভাগ্য হৈছিল। এদিন সন্ধিয়া কলাভৱনৰ ওচৰত বেঞ্চ এখনত পুৰুষ মহিলা এহাল বহি থকা অৱস্থাত আৰু চাৰিওফালে কলাভৱনৰ ছাত্ৰ-ছাত্ৰী কেইজনমানে মাটিত বহি খোল বজাই লোকগীত গাই থকাত কৌতুহলবশত ওচৰ চাপি গৈ দেখো যে স্বনামধন্য চিত্ৰ পৰিচালক সত্যজিৎ ৰয় আৰু তেখেতৰ পত্নীয়ে খুব মনোযোগেৰে তেওঁলোকৰ গীত শুনি আছে। ইমান ডাঙৰ এজন চিত্ৰ পৰিচালক, তেখেতসকলৰ বদান্যতা দেখি আমি মুগ্ধ হ'লো। এনেধৰণৰ সৰু বৰ বহুত অভিজ্ঞতাই সেই সময়ত হৈছিল,

যাক লিখি শেষ কৰিব নোৱাৰি।

ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ওপৰিও আন এজন নোবেল পুৰস্কাৰপ্ৰাপ্ত অৰ্থনীতিবিদ শ্ৰীঅৰ্মত্য সেন আৰু এসময়ৰ বঙ্গৰ বিখ্যাত অভিনেত্ৰী সুচিত্ৰা সেনৰো ঘৰ শান্তি নিকেতনতে। তাত এটা 'পল্লী' আছে য'ত কলকাতাত বসবাস কৰা চহকী মানুহে সজা ডাঙৰ ডাঙৰ ঘৰ আছে। অৱসৰ সময়ত বা তাত হোৱা বিভিন্ন উৎসৱৰ সময়ত যেনে- বসন্ত উৎসৱ, বৃক্ষৰোপন, হলাকৰ্ষণ, বৰ্ষামঙ্গল, পৌষমেলা আদি উপভোগ কৰিবলৈ তেওঁলোক আহে। বসন্ত উৎসৱৰ দিনা (ফাকুৱা) প্ৰত্যেক ছাত্ৰ ছাত্ৰীয়ে হালধীয়া বৰণৰ পোচাক পৰিধান কৰি, গীত গাই গাই (ৰবীন্দ্ৰ সঙ্গীত) শোভাযাত্ৰা কৰি অম্ৰকুঞ্জত উপস্থিত হৈ দৌল উৎসৱ পালন কৰে। শুকান মৰুভূমি সদৃশ্য ঠাইখনি কবিগুৰুৱে বৃক্ষৰোপন উৎসৱৰ প্ৰচলন কৰি চিৰসেউজীয়া কৰি তুলিলে, অথচ আমি আজি গছ-গছনি কাটি চিৰসেউজীয়া অসমখনৰ কি অৱস্থা কৰিলো। তাৰ মানুহে সহজ সৰল জীৱন যাপন কৰিছিল। মহিলাসকলে মুৰত জাপি একোটা পিন্ধি, চাইকেল চলাই যাৱতীয় কাম কাজবোৰ কৰিছিল। ছাত্ৰ ছাত্ৰীসকলেও হাৱাই চেণ্ডেল বা উদং ভৰিৰে, কাপোৰৰ কান্ধত ওলোমাই লোৱা বেগ একোটাত প্ৰয়োজনীয় কিতাপ পত্ৰ ভৰাই শ্ৰেণীকোঠা, লাইব্ৰেৰী, বজাৰ-সমাৰলৈ যায়। ঠাইডোখৰ প্ৰদুষণমুক্ত আছিল বাবে ছাত্ৰ-ছাত্ৰীসকলে নিঃসঙ্কোচে উদং ভৰিৰে খোজ কাঢ়ি ঘুৰিছিল। বহু বছৰ বাগৰি গ'ল। এতিয়া হয়তো তাতো আধুনিকতাৰ প্ৰভাৱ পৰিছে।

শান্তি নিকেতনত বৰ্তমান ২৫ টা ছাত্ৰ ছাত্ৰীনিবাস আছে। প্ৰত্যেকটোৰে কবিতা কবিতা লগা একোটা নাম যেনে দহটা বাহু থকা চক্ৰ সদৃশ এটা নিবাসৰ নাম 'দশচক্ৰ' কেইটামান কবিগুৰুৰ দিনৰে অতি প্ৰাচীন। অতিথিশালা আছে চাৰিটা। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পাঠশালাৰ পৰা আৰম্ভ কৰি স্নাতকোত্তৰ লৈছে প্ৰায় ৬,৫০০ জন। আৱাসিক বিশ্ববিদ্যালয় (Residential University) বাবে অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী নিবাসত থাকে। মই অধ্যয়ন কৰোতে মূল ভোজন কক্ষত ভাগ ভাগকৈ হাজাৰ হাজাৰ ছাত্ৰ ছাত্ৰীয়ে শৃঙ্খলাবদ্ধ ভাৱে দুপৰীয়া আৰু ৰাতিৰ আহাৰ গ্ৰহণ কৰিছিল তাত কোনো হুলস্থুলীয়া পৰিবেশ নাই, খাদ্যৰ মানো যথেষ্ট উন্নত আছিল।

২০০৮ চনৰ ৩০ অক্টোবৰত অসমত বোমা ফুটি বহু মানুহ মৃত্যুমুখত পৰাৰ দিনা গধুলি মোৰ ফোনটো বাজি উঠিল— মোৰ একালৰ শান্তি নিকেতনৰ ৰুমমেট মালবিকা বিশ্বাসৰ মাতটো কলকাতাৰ পৰা ভাহি আহিল। জানিব বিচাৰিছিল, মই ঠিকে আছোতো। যৌৱনৰ পৰা আমি এতিয়া পৌঢ়া হলো। প্ৰায় দুটা দশকতকৈও অধিক কাল আমাৰ দেখা দেখি নাই। দুখন প্ৰদেশৰ, ভিন্ন ভাষা সংস্কৃতিৰ হৈয়ো আমাৰ মাজত থকা মৰমৰ এনাজৰীডাল আজিও চিঙি যোৱা নাই। Globalization ৰ বাবে পৃথিৱীখন হেনো সৰু হৈ গৈছে। কিন্তু আমেৰিকাৰ পৰা অহা শম্পা, অঞ্জনা, মিনু, মধুস্মিতা, শুক্লাহঁত ইমান ওচৰত থাকিও আজি দূৰত। 'পৌষালী' নামৰ সৰু হোটেলখনৰ মালিক ৰঞ্জিত দাৰ পত্নী তেজপুৰীয়া অসমীয়া গাভৰু আছিল। সম্পূৰ্ণ বাঙালী ভাষা সংস্কৃতি গ্ৰহণ কৰা সেই মানুহ গৰাকীয়ে মোক ভনীয়েকৰ দৰে মৰম কৰিছিল। কেতিয়াবা এই মানুহবোৰক লগ পামনে বাৰু? বিদ্যাভৱনৰ ওচৰত থকা মুক্ত আকাশৰ তলত মুকলি মঞ্চত উপভোগ কৰা অনুষ্ঠানসমূহ, বিদ্যাভৱনৰ স্তম্ভ (Tower) ত থকা প্ৰাচীন সেই ঘড়ীটোৰ শব্দ, পদুম ফুলৰ আকৃতিৰ আমাৰ বুৰঞ্জী আৰু ইংগোলজী বিভাগৰ নতুন বিল্ডিং দুটাৰ কথা মনত পৰিলে এতিয়াও নষ্টালজিক হৈ পৰো।

ঃঃঃঃঃঃ

# গ্ৰীক মহাকাব্য

# ইলিয়াদ আৰু ওদিছিৰ

## এক চমু বিৱৰণ

**প্ৰবীন শৰ্মা**
অধ্যাপক, বুৰঞ্জী বিভাগ

প্ৰাচীন গ্ৰীকসকলে বীৰসকলৰ কীৰ্তিকলাপ ইত্যাদিক লৈ বিভিন্ন গীত ৰচনা কৰিছিল আৰু তাঁৰ বাদ্যযন্ত্ৰ বজাই সেইবোৰ গাইছিল। গ্ৰীকসকলৰ ট্ৰয় নগৰৰ অভিযান সম্পৰ্কে বহুতো গীত ৰচিত হোৱা দেখা যায়।

এছিয়া মাইনৰ উপকুলত অৱস্থিত ট্ৰয় আছিল এক অভেদ্য মহানগৰী। বিভিন্ন গ্ৰীক উপজাতিয়ে নিজৰ নিজৰ অধিপতি নেতৃত্বত এই মহানগৰখন আক্ৰমণ কৰিছিল। কিন্তু ট্ৰয় মহানগৰখন অভেদ্য হোৱাৰ বাবে বাৰেপতি ব্যৰ্থ হব লগা হয়। গ্ৰীকসকলে সাগৰৰ পৰা তেওঁলোকৰ জাহাজসমূহ পাৰলৈ টানি আনিছিল। গ্ৰীকসকলে ট্ৰয় নগৰখন দহ বছৰ ধৰি অৱৰোধ কৰি থৈছিল।

ট্ৰয় নগৰ অভিযান সম্পৰ্কে ৰচিত গীতবোৰক লৈয়ে পৰৱৰ্তী কালত 'ইলিয়াদ' আৰু 'ওদিছি' ৰচিত হয়। জনশ্ৰুতি মতে বিখ্যাত অন্ধকবি হোমাৰে (আচল নাম হোমৰোছে) সেই সমস্ত গীত সংকলন কৰে আৰু পৰিমাৰ্জিত ৰূপত ডাঙি ধৰে। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত মহাকাব্যদুখনি লিপিবদ্ধ কৰা হয়।

'ইলিওন' ট্ৰয় নগৰৰ আন এটা নাম আছিল আৰু ইলিওন নগৰৰ নাম অনুসৰি মহাকাব্যখনৰ নাম 'ইলিয়াদ'। এই মহাকাব্যখনৰ ট্ৰয় নগৰ অৱৰুদ্ধৰ দশম বছৰৰ কাহিনী বৰ্ণনা কৰা হৈছে।

সুৰ্দীঘ কাল ধৰি ট্ৰয় নগৰ অৱৰুদ্ধ কৰাৰ পিছত গ্ৰীক সৈন্যসকলৰ মনোবল ভাঙি যায়। সৈন্যবাহিনীক উদ্দীপিত কৰাৰ উদ্দেশ্য ,গ্ৰীক নেতৃবৰ্গই এক সভা আহ্বান জনালে। থেছিতেছ নামৰ এজন সাধাৰণ যোদ্ধাই সম্ভ্ৰান্ত লোকসকলৰ বিপক্ষে এক অভিযোগ আনিলে; তেওঁলোকেই লুণ্ঠনৰ সমস্ত বয়বস্তু আত্মসাৎ কৰিছে বুলি খোলাখুলিকৈ ক'লে। এনেতে অন্যতম সেনাপতি ওদিচিউছে থেচিতেদক নিৰ্মম ভাবে প্ৰহাৰ কৰিলে আৰু বাধ্যত পৰি সৈনিক জনৰ মুখৰ মাত হৰিল। অৱশেষত ট্ৰয় নগৰী অৱৰোধ চলাই যাবলৈ ৰণুৱাসকল মান্তি হ'ল।

গ্ৰীক আৰু ট্ৰয় নগৰ বাসীৰ মাজত তুমুল ৰণ লাগিল। গ্ৰীকসকলে নিজৰ সৈন্যবাহিনীক অতি দক্ষতাৰে চলাব ধৰিলে। গ্ৰীকসৈন্যবাহিনীত আমিলেচৰ নিচিনা সেনাপতি আছিল। অন্যহাতে ট্ৰয় নগৰ বাহিনীৰ সেনাপতি

আছিল হেক্টোৰ। এই যুদ্ধখনত গ্ৰীক দেৱ-দেৱীসকলে নিজৰ পচন্দ অনুসৰি ভক্তসকলক সহায় কৰিছিল। যিকি নহওক হেক্টোৰৰ হাতত আমিলেছৰ মৃত্যু হয়।

গ্ৰীকসকলে ট্ৰয় নগৰ ধ্বংস কৰিবলৈ নানান চল চাতুৰীৰ আশ্ৰয় ল'লে। ওদিছিউচৰ মন্ত্ৰনা মতে তেওঁলোকে এটা প্ৰকাণ্ড ঘোঁৰা সাজে। ঘোঁৰাটোৰ পেটত কিছুমান গ্ৰীক সৈন্য সোমাই থাকিল আৰু কিছুমান সৈন্যয়ে ওচৰৰ দ্বীপ এটাত আশ্ৰয় ল'লে। ট্ৰয়বাসীয়ে এই কাঠৰ ঘোঁৰাটো প্ৰাচীৰ ভাঙি ভিতৰলৈ লৈ গৈ,নগৰৰ ভিতৰত থৈ দিলে। ৰাতি ট্ৰয় নগৰবাসী নিদ্ৰিত অৱস্থাত, কাঠৰ ঘোঁৰাটো পেটৰ পৰা গ্ৰীক সৈন্যবোৰ ওলাই প্ৰাচীৰৰ দুৱাৰ খুলি দিলে। বাকী নগৰৰ বাহিৰত থকা গ্ৰীকসৈন্যসকল নগৰত সোমাল। নিদ্ৰিত ট্ৰয় নগৰবাসীক গ্ৰীকসকলে হত্যা কৰিলে আৰু মহিলা, শিশুবোৰক বন্দী কৰি থলে। তেওঁলোকে গোটেই নগৰখনকে জুই লগাই দিলে আৰু ধনসম্পত্তিবোৰ লুটপাত কৰি গ্ৰীচ অভিমুখে ৰাওনা হ'ল। এইয়া আছিল "ইলিয়াদ" মহাকাব্যৰ মূল কাহিনী।

" ওদিচি" মহাকাব্যৰ বিষয় বস্তু হ'ল আকৌ ইলিয়াদ মহাকাব্যৰ পৰৱৰ্ত্তী ঘটনা। ট্ৰয় নগৰৰ ধ্বংসৰ পাছত ওদিছিউচ ট্ৰয় নগৰীৰ পৰা তেওঁ সেই মাতৃভূমিলৈ উভতি অহাৰ সময়ত যিবোৰ ৰোমাঞ্চকৰ ঘটনা ঘটিছিল তাৰে বৰ্ণনা এই মহাকাব্যত পোৱা যায়।

বাৰখন জাহাজত উঠি ইথাকাৰ যোদ্ধাসকল ঘৰমুৰা হ'ল। তেতিয়াও ট্ৰয় নগৰীৰ ধ্বংসস্তুপৰ পৰা উমি উমি জুই জ্বলি আছিল। হিম চেচা, উত্তৰ বায়ুৰ দেৱতাই ধুমুহাৰে প্ৰলয় সৃষ্টি কৰিলে , ফলত গ্ৰীকসকলে বাট হেৰুৱালে। ওদিছিউচ আৰু তেওঁ লগৰীয়াসকল দুবাৰ দৈত্যবোৰৰ বিপদ নামি আতক হ'ব লগা হয়। দৈত্যবোৰে প্ৰকাণ্ড শিলৰ দ্বাৰা এঘাৰখন জাহাজ ভাঙি চুৰমাৰ কৰে আৰু তাত থকা ৰণুৱাসকলক মাৰি পেলায়। অকল ওদিছিউৰ জাহাজখনে মাথোন দূৰৰ সাগৰলৈ কথমপি পলাই সাৰিল। ওদিছিউৰ মন্ত্ৰীসকলে বিজুলি ঢেৰেকণিৰ দেৱতা জিউছক বিতুষ্ট কৰি তুলিছিল। সেয়েহে তেওঁ ওদিছিউৰ জাহাজখনো ভাঙি দিলে। ওদিছিউৰ কোনোমতে জাহাজৰ মাচুলত ধৰি ধৰি আহি সাগৰৰ পাৰ পালেহি।

দহ বছৰ বিভিন্ন ঠাইত ভ্ৰমি ফুৰাৰ পিছত ওদিছিউছে ইঠাকাত দৈৱ্যক্ৰমে পালেহি। গাহৰী চৰোৱা এজন দাসৰ লগত তেওঁ প্ৰথম দেখা সাক্ষাৎ হয়। এই দাসজনৰ আচলতে জন্ম হৈছিল এক স্বাধীন পৰিয়ালত; কিন্তু তেওঁক চালুকীয়া অৱস্থাতে কিনিছিয় লোকসকলে ধৰি নি পিথাকাত বিক্ৰী কৰি দিয়ে। ওদিছিউৰ অনুপস্থিতিৰ সময়তে তেওঁৰ সমস্ত ঘৰ দুৱাৰ অন্যান্য সম্ভ্ৰান্ত ব্যক্তিসকলে আত্মসাৎ কৰি লৈছিল। সেয়েহে তেঁও এটা মগনীয়াৰ বেশত নিজৰ ঘৰত প্ৰৱেশ কৰে। তাৰ পাছত অবাঞ্ছিত অতিথিবোৰক হত্যা কৰি ওদিছিউছে আকৌ ইথাকাত ৰাজত্ব কৰিবলৈ ল'লে। ওদিছিউচৰ ৰাজত্বৰ আৰম্ভণিৰে মহাকাব্যখন অন্ত পৰিছে।

গ্ৰীক ইতিহাস অনুশীলনত মহাকাব্য দুখনে তাৎপৰ্য আছিল অতি গভীৰ। অৱশ্যে হোমাৰৰ কাব্যত কল্পিত কাহিনীৰ সৈমান ইমান বেছি যে বিশেষজ্ঞসকলে বহু দিনলৈকে সমগ্ৰ ঘটনাসমূহ এক মনে সজা ঘটনা বুলিয়ে ভাবি আছিল।

পৰৱৰ্তী কালত এচিয়া, মাইনৰত সাগৰৰ এখন পাহাৰৰ প্ৰায় ওচৰতে খনন কাৰ্য্য চলাই আছে। তেতিয়াহে গম পোৱা গ'ল যে সেই পাহাৰত বিভিন্ন সময়ত অন্ততঃ দহবাৰৰ বেছি বসতি স্থাপন কৰিছিল। প্ৰত্যেক বসতিৰ বিশিষ্ট লক্ষণ বিচাৰি পোৱা গৈছে। বিভিন্ন ঘৰ দুৱাৰৰ চিহ্ন নাইবা মাটিত পোত গৈ থকা নানা বস্তু। ট্ৰয় নগৰীৰ ধ্বংসাৱশেষ বিচাৰি পোৱা গৈছে। তাত বিৰাট অগ্নি কাণ্ডৰ চিন মোকাম আছে। খনন কাৰ্য্যৰ পাছত দেখা গ'ল যে এসময়ৰ ট্ৰয় নগৰীৰ অস্তিত্ব আছিল আৰু ইয়াক ধ্বংস কৰা হৈছিল। খ্ৰীষ্টপূৰ্ব প্ৰায় বাৰশ চনত গ্ৰীকসকলে ট্ৰয় নগৰৰ বিপক্ষে অভিযান চলাইছিল। কল্পিত কাহিনীবোৰক বাদ দিলে আমি মহাকাব্য দুখনৰ পৰা প্ৰাচীন গ্ৰীকসকলৰ জীৱন ধাৰণৰ প্ৰণালী, ঘৰ-দুৱাৰ, শ্ৰম সঁজুলি অস্ত্ৰ-শস্ত্ৰ লোকাচাৰ প্ৰভৃতি সম্পৰ্কে জানিব পাৰো। হোমাৰৰ এই কাব্যদুখনে গ্ৰীক ইতিহাসত ইমানেই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল যে খ্ৰীষ্টপূৰ্ব একাদশ নৱম শতিকাক হোমাৰীয় যুগ বুলি কোৱা হয়। বিশ্ব সাহিত্যৰ মহৎ সৃষ্টি বুলি হোমাৰৰ কাব্যদুখনি এতিয়াও সমাদৃত। ▶▶

**শান্তনা দুৱৰা সন্দিকৈ**
অধ্যাপিকা, অসমীয়া বিভাগ

# অসমৰ টুৰুংসকলৰ চাং কেন উৎসৱ

**প্ৰস্তাৱনা ঃ**

ভাৰতৰ উত্তৰ-পুৱ প্ৰান্তত অৱস্থিত অসমৰ অসমীয়া ভাষা আৰু সংস্কৃতিয়ে সমন্বয়ৰ স্বাক্ষৰ বহন কৰি আহিছে। অসমত আৰ্যসকলৰ উপৰিও চীন-তিব্বতীয় আৰু দ্ৰাৱিড় ভাষী লোকসকলে অতীজৰে পৰা একেলগে বসবাস কৰি আহিছে। সেয়েহে ভাষা-সংস্কৃতিৰ দিশত উভয়ে উভয়ৰ দ্বাৰা প্ৰভাৱিত হৈছে। অসমত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ ভিতৰত টুৰুংসকল অন্যতম। ভাষাতাত্বিক বিচাৰত তেওঁলোক চীন-তিব্বতীয় ভাষা পৰিয়ালৰ শ্যাম চীন শাখাৰ অন্তৰ্গত আৰু নৃতাত্বিক বিচাৰত তেওঁলোক মঙ্গোলীয় গোষ্ঠীৰ। এই শ্যাম-চীন শাখাৰ অসমৰ অন্যান্য লোকসকল হৈছে ঃ আহোম, খামতি, ফাকিয়াল, খাময়াং আৰু আইতনীয়া। শ্যামা চীন শাখাৰ এই লোকসকল অসমত 'টাই' নামেৰে জনা যায়। টাই জনগোষ্ঠীৰে টুৰুংসকলে অসমৰ-যোৰহাট জিলাৰ তিতাবৰৰ পথাৰ শ্যাম গাওঁ, টিপমীয়া শ্যাম গাঁও আৰু পহুকটীয়া শ্যাম গাঁও, গোলাঘাট জিলাৰ বছাপথাৰ (অভংপথাৰ) আৰু ৰাজপুখুৰী টুৰুংগাওঁ, কাৰ্বিআলং জিলাৰ বালিপথাৰ শ্যাম গাওঁ এই মুঠ ছখন গাঁৱত বসবাস কৰি আছে।

টুৰুংসকল মূলতঃ কৃষিজীৱী আৰু অসমৰ অন্যান্য টাইসকলৰ দৰে থেৰাবাদী বৌদ্ধধৰ্মী। তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা মধ্যমীয়া ধৰণৰ। তেওঁলোকে ভাষাৰ ক্ষেত্ৰত ঘৰুৱা জীৱনত নিজা টুৰুং ভাষা আৰু ৰাজহুৱা জীৱনত অসমীয়া ভাষা ব্যৱহাৰ কৰে। সংস্কৃতিৰ ক্ষেত্ৰত দেখা যায় যে অসমৰ অসমীয়া ভাষীসকলৰ লগত টুৰুংসকলৰ স্বকীয় বিশেষত্ব পৰিলক্ষিত হয়। টুৰুংসকলৰ সমাজত ধৰ্মীয় উৎসৱৰ বাহিৰে সামাজিক উৎসৱ নাই বুলিলেও হয়। যি দুই এটা আছে সেয়াও ধৰ্মীয় সামাজিক প্ৰথা মিশ্ৰিত। তেওঁলোকে পালন কৰা ধৰ্মীয় উৎসৱৰ ভিতৰত পয়-অকোৱা, চাং কেন, মাইক-চুমফাই, পয়-নীনচি আদিয়েই প্ৰধান। এই গৱেষণা পত্ৰত তেওঁলোকৰ কেৱল 'চাং-কেন' উৎসৱৰ বিষয়েহে আলোচনা কৰা হৈছে। গৱেষণা পত্ৰখনি টাই সম্পৰ্কীয় কেইখনমান পুথিৰ সহায় লৈ আৰু ক্ষেত্ৰ অধ্যয়ন কৰি প্ৰস্তুত কৰা হৈছে।

**চাং-কেন উৎসৱ ঃ**

নববৰ্ষৰ আগমনৰ লগে লগে প্ৰকৃতিয়ে পুৰণি সাজ সলাই নতুন সাজ পিন্ধি মোহময়ী ৰূপ ধাৰণ কৰে। অসমত কুলি চৰাইৰ মাত আৰু ঢোল, পেঁপা গগণাৰ মাতে নতুন বছৰ অহাৰ জাননী দিয়ে। প্ৰকৃতি চঞ্চলা হোৱাৰ দৰে ডেকা-গাভৰুৰ মনো চঞ্চল হয়। ঠিক এনে সময়তে অসমৰ টুৰুংসকলে অতি উলহ-মালহেৰে এটি উৎসৱ পালন কৰে। নতুন বছৰক আদৰণি জনাই উদ্যাপন কৰা এই উৎসৱটিকে টুৰুংসকলে 'পয়-চাং-কেন' বা 'চাং-কেন' উৎসৱ বুলি কয়। এই 'চাং-কেন' উৎসৱৰ মূল উদ্দেশ্যই হৈছে নৱ-বৰ্ষৰ আৰম্ভণিতে বুদ্ধ মূৰ্তিসমূহৰ সংস্কাৰ সাধন। টুৰুংসকলে পৰম্পৰাগত ধৰ্মীয় ৰীতি অনুসৰি বিহাৰৰ ভিতৰত থকা বুদ্ধ মূৰ্তিসমূহক বাহিৰলৈ আনি স্নান কৰোৱায়। সেয়েহে চাংকেন তেওঁলোকৰ ধৰ্মীয় উৎসৱ। অসমৰ অন্যান্য টাইসকলৰ লগতে বৌদ্ধধৰ্মী টুৰুংসকলেও টাই ভাষাত লিখা পঞ্জিকা 'ছাগ্ৰেইটৰ সময় অনুসৰি 'চাং-কেন' উৎসৱ প্ৰতিবছৰে পালন কৰি আহিছে। সাধাৰণতে এই 'ছাগ্ৰেইট ত বছৰটোৰ ৰাশিফল বিভিন্ন উৎসৱ পালনৰ সময় আৰু ভৱিষ্যতবাণী আদি উল্লেখ থাকে।

মূল 'চাং-কেন' উৎসৱ পালন কৰাৰ দহ পোন্ধৰ দিনমানৰ আগৰ পৰাই গাঁৱৰ ৰাইজে একগোট হৈ বিহাৰৰ চৌহদ পৰিষ্কাৰ কৰি বিহাৰটোত ৰং তেল সানি চকুত লগা কৰে। বিহাৰৰ চৌহদত বাঁহ আৰু তিৰপালেৰে সৰুকৈ এটা অস্থায়ী বিহাৰ সাজে। এই অস্থায়ী বিহাৰক টুৰুংসকলে 'ক্যাং ফা' অৰ্থাৎ স্নান ঘৰ বুলি কয়। অস্থায়ী বিহাৰৰ সোঁ মাজতে এখন বেদী প্ৰস্তুত কৰা হয় আৰু বেদীৰ কাষে কাষে ঘূৰণীয়াকৈ বুদ্ধ মূৰ্তিবোৰ ৰখা হয়। ইয়াৰ পাছত অস্থায়ী বিহাৰত থকা বেদী আৰু স্থায়ী বিহাৰটো সংযোগ হোৱাকৈ চাৰি পাঁচফুট মান ওখ আৰু বাৰ চৈধ্য ইঞ্চিমান বহল এফালে মেলখোৱা এখন দীঘল কাঠৰ নাও থোৱা হয়। বেদীটোৰ সোঁমাজত এৰি চকৰি অৰ্থাৎ কুং পান' এনেদৰে সংস্থাপন কৰা হয় যাতে নাৱত চলা পানীবোৰ আহি চকৰিটোত পৰেহি। চাকৰিটোত পানী পৰাৰ লগে লগেএক চাপৰ সৃষ্টি হৈ চকৰিটো ঘূৰিবলৈ ধৰে। চকৰিটো ঘূৰাৰ লগে লগে পানীবোৰ চকৰিটোৰ চাৰিওকাষে সমান পৰিমাণে বাগৰি আহি বুদ্ধ মূৰ্তিসমূহৰ গাত পৰেহি। পুৰুষসকলে উৎসৱৰ এনে পূৰ্ব প্ৰস্তুতি চলোৱাৰ দৰে মহিলাসকলেও উৎসৱৰ কেইবাদিনো আগৰ পৰাই কাপোৰ ধোৱা, ঘৰ -চাফচিকুণ কৰা, পিঠা খুন্দা আদি কামবোৰ বৰ উলহ-মালহেৰে কৰে।

এই উৎসৱ চ'ত মাহৰ সংক্ৰান্তিৰ দিনা আৰম্ভ কৰা হয়। উৎসৱৰ আৰম্ভণিৰ দিনটোক টুৰুংসকলে 'পয়-হেপ্' বুলি কয়। এই পয় হেপ দিনা 'ছাগ্ৰেইট ত উল্লেখ থকা সময় অনুসৰি স্থায়ী বিহাৰৰ পৰা অস্থায়ী বিহাৰলৈ বুদ্ধ মূৰ্তিবোৰ স্থানান্তৰিত কৰা হয়। বিহাৰৰ ভিক্ষুজনে বুদ্ধ মূৰ্তিবোৰ স্থানান্তৰিত কৰাৰ সময় আৰু পুনৰ ভিতৰলৈ সোমোৱাৰ সময় ৰাইজক আগতীয়াকৈ জনায় থয়। ৰাইজে বুদ্ধ মূৰ্তিবোৰ স্থানান্তৰিত কৰিবলৈ আঁহোতে হাতে হাতে ধূপ-মমবাতি, ফুল, আখৈ সুগন্ধি পানীৰ পাত্ৰ আদি লৈ আহে। (ক্ষেত্ৰ অধ্যয়ন কৰি দেখা গৈছে যে ৰাইজে বিহাৰলৈ বুলি আঁহোতে পুৰুষ আৰু মহিলা দুটা ভাগত বিভক্ত হৈ আহে) মূৰ্তিবোৰ স্থানান্তৰিত কৰাৰ সময়ত গাঁৱৰ ডেকাহঁতে গাঁৱৰ পৰা ভূত-প্ৰেত আদি আঁতৰি যাবলৈ গুলী, ফট্‌কা আদি ফুটাই ৰং ৰহইচ কৰা দেখা যায়। বিহাৰৰ ভিক্ষুজনে মূল বুদ্ধ মূৰ্তি আৰু বয়সস্থসকলে সৰু সৰু বুদ্ধ মূৰ্তিবোৰ দাঙি আনি বেদীৰ সন্মুখত বুদ্ধ, ধৰ্ম আৰু সংঘৰ নামত তিনিখন শৰাই সজায় দিয়ে। ভিক্ষুজনে শৰাই তিনিখন ভগৱান বুদ্ধৰ নামত উচৰ্গা কৰি উপস্থিত ৰাইজক পঞ্চশীল আৰু অষ্টশীল প্ৰদান কৰে আৰু তাৰ পিছতহে সমবেত অন্যান্যসকলে একাদিক্ৰমে লগত লৈ অহা সুগন্ধি ফুল আৰু পাত দিয়া পানীবোৰ নাৱত ঢালি দিয়ে। নাৱত ঢলা পানীবোৰ নাৱৰ মেলখোৱা ফালেদি আহি চকৰিটোত পৰাৰ লগে লগে চাপৰ সৃষ্টি হৈ চকৰিটোৱে ঘূৰি ঘূৰি বুদ্ধ মূৰ্তিবোৰৰ গাত পানী ছটিয়াই দিয়ে। এনেদৰেই বুদ্ধ মূৰ্তিবোৰক স্নান কৰোৱা হয়। সুগন্ধি ফুলৰ সুবাস মিশ্ৰিত পানীৰে বুদ্ধ মূৰ্তিবোৰক স্নান কৰোৱাই নববৰ্ষৰ বাবে সংস্কাৰ সাধন কৰোৱাৰ মুহূৰ্তত তাত সমবেত হোৱা সকলোৱে ইজনে সিজনৰ গালৈ পানী ছটিয়াই শুভেচ্ছা জ্ঞাপন কৰে। (ডেকা গাভৰুসকলেও এই উৎসৱত মনৰ মানুহজনক পানী ছটিয়াই শুভেচ্ছা জনাবলৈ গোপনে আশা পালি থাকে।)

বুদ্ধ মূৰ্তিসমূহক স্নান কৰোৱাৰ পাছত বিহাৰত সংৰক্ষণ কৰি থোৱা নতুন পুৰণি সকলো পুথি

চাফা কৰি ৰাইজে প্ৰতীক স্নান কৰোৱায়। প্ৰতীক স্নান কৰাওঁতে পুথিসমূহ স্থায়ী বিহাৰৰ ভিতৰতে একে ঠাইতে গোট কৰি এডাল দীঘল বেত পুথিসমূহৰ ওপৰত ৰাখি সেই বেতডাল খিৰিকীৰে বাহিৰলৈ উলিয়াই দিয়ে।এই বেতডালত প্ৰথমতে বিহাৰৰ ভিক্ষুজনে আৰু তাৰ পিছত উপস্থিত ৰাইজে পানী ঢালিয়েই পুথিসমূহক প্ৰতীক স্নান কৰোৱায়। এই বুদ্ধ মূৰ্তিসমূহক স্নান আৰু পুথিসমূহক প্ৰতীক স্নান কৰোৱা কাৰ্য তিনিদিনলৈকে চলি থাকে। এই তিনিদিন টুৰুংসকলে ব্ৰতৰ দিন বুলি গণ্য কৰি সকলোৱে নিৰামিষ আহাৰ গ্ৰহণ কৰে।

এই চাং-কেন উৎসৱৰ তিনিও দিনতে গাঁৱৰ বয়সস্থ মহিলাসকলে বিহাৰটো মচি-কাচি চাফ্- চিকুণকৈ ৰাখিবলৈ যত্ন কৰে। তদুপৰি তেওঁলোকে তিনিওদিন বিহাৰৰ গাতে লাগি থকা পেগুদা বোঁধি বৃক্ষৰ গাত পানী ঢালে। এনে কৰিলে পুণ্য অৰ্জন হয় বুলি মহিলাসকলে বিশ্বাস কৰে। অন্যহাতে এই তিনিও দিনতে নিতৌ ৰাইজে সন্ধিয়া সময়ত বিহাৰলৈ আহি মূল বিহাৰ আৰু অস্থায়ী বিহাৰৰ চাৰিওফালে ধূপ,মমবাতি আদি জ্বলাই পোহৰ কৰি ৰাখে।

এই উৎসৱৰ তৃতীয় দিনা টাই- '*ছাইগ্ৰেইটৰ*' সময় অনুসৰি পুনৰ ৰাইজে বুদ্ধ মূৰ্তিসমূহ স্থায়ী বিহাৰত আগতে ৰখা ঠাইত স্থাপন কৰে।. প্ৰথম দিনা ৰাইজে লগত লৈ অহা পাত্ৰবোৰৰ পৰা নাৰত পানী ঢালি পুনৰ পাত্ৰবোৰ পানীৰে পূৰ্ণ হ'বলৈ বুদ্ধ মূৰ্তিবোৰৰ কাষত ৰাখি থৈ আহে। বুদ্ধ মূৰ্তিবোৰৰ গাত পৰা পানী ছিটিকি পৰি পাত্ৰবোৰ পূৰ্ণ হয়। এই পূৰ্ণ পাত্ৰৰ পানীখিনিক টুৰুংসকলে '***নামচিতা***' বুলি কয়। তেওঁলোকে এই পানীখিনি বৰ পবিত্ৰ আৰু ঔষধি গুণযুক্ত বুলি বিশ্বাস কৰে। তৃতীয় দিনা বুদ্ধ মূৰ্তিবোৰ ভিতৰলৈ নিয়াৰ পাছতে প্ৰত্যেকেই নিজৰ নিজৰ পানী পূৰ্ণ পাত্ৰবোৰ বৰ সযতনে ঘৰলৈ আনি প্ৰাৰ্থনা গৃহত সংৰক্ষণ কৰি থয়। কিবা অসুখ-বিসুখ বা অপায়-অমঙ্গল হ'লে তাৰে পানী অকণমান খাই গাত ঘহি দিলে সকলো বেমাৰ-আজাৰ বা অপায়-অমঙ্গল দূৰ হয় বুলি তেওঁলোকি বিশ্বাস কৰে।

এই উৎসৱৰ চতুৰ্থদিনা গাঁৱৰ বয়সস্থ মহিলাসকলে আবেলি সময়ত বিহাৰত গোট খাই '*চাওইন-নেং*'(বৰাভাত) আৰু পিঠা আদি তৈয়াৰ কৰে। এনেদৰে প্ৰস্তুত কৰা পিঠাসমূহ হৈছে-'*খাওমুন*'(তেলদিয়া পিঠা), 'খাওলাম'(চুঙা পিঠা) '*খাউপুক*'(খুন্দা পিঠা), 'তেংতেপ'(তৰা পাত বা কৌপাতত তিনিচুকীয়াকৈ বনোৱা পিঠা) ইত্যাদি। সেই পিঠাবোৰ আৰু বৰাভাত পিছদিনা বিহাৰৰ ভিক্ষুক দান কৰে। পিঠা আৰু বৰাভাত ভিক্ষুজনে ভক্ষণ কৰাৰ পাছতহে অন্যান্য সকলে ভক্ষণ কৰে। সেইদিনা গধূলি ৰাইজে বিশেষকৈ পুৰুষসকলে বিহাৰৰ ভিক্ষুজনক পৰিস্কাৰ সুগন্ধি মিশ্ৰিত পানীৰে ভৰি হাত ধুৱাই সন্মান প্ৰদৰ্শন কৰি তেওঁক বিভিন্ন বস্তু দান কৰে। তাৰ পাছত ভিক্ষুজনে বুদ্ধ,ধৰ্ম আৰু সংঘৰ নামত তিনিখন শৰাই উৰ্চগা কৰি মঙ্গল স্তোত্ৰ পাঠ কৰি ৰাইজক আৰ্শীবাদ দিয়ে। তেনেসময়ত পাঠকে মাটিত পানী ঢালি বসুমতীক প্ৰাৰ্থনা জনায়। ইয়াৰ পাছত ৰাইজে ভিক্ষুৰ পৰা পঞ্চশীল আৰু অষ্টশীল গ্ৰহণ কৰে।

**চাং-কেন উৎসৱ মূলতঃ** ধৰ্মীয় উৎসৱ হ'লেও এই উৎসৱৰ কেইদিনা সকলোৱে যথেষ্ট ৰং-ৰহইচ কৰা পৰিলক্ষিত হয়। উল্লেখ কৰি অহা হৈছে যে মূৰ্তিসমূহ স্নান কৰোৱাৰ সময়ত ইজনে-সিজনৰ গালৈ পানী ছটিয়াই আনন্দ কৰে। সেই কেইদিন তেওঁলোকে বাটেদি যোৱা সকলোকে আনকি আলহি-অতিথিকো পানী ছটিয়াই ধেমালি কৰি নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে। নৱবৰ্ষত প্ৰকৃতিয়ে নতুন সাজ পিন্ধাৰ দৰে টুৰুংসকলেও নতুন বস্ত্ৰ পৰিধান কৰে। গাঁৱৰ কণিষ্ঠসকলেও জ্যেষ্ঠসকলৰ হাত-ভৰি সুগন্ধি পানীৰে ধুৱাই সেৱা লয়। জ্যেষ্ঠসকলেও কণিষ্ঠসকলক আৰ্শীবাদ দি হাতত সূতা বান্ধি দিয়ে। ডেকা-গাভৰুহঁতে লগ-লাগি নৃত্য-গীত কৰে। গাভৰুসকলে ডেকাসকলক প্ৰীতিৰ চিন স্বৰূপে '***দুগ্নিমা***' অৰ্থাৎ গামোছা প্ৰদান কৰে। এই আনন্দ উৎসৱতে ডেকা-গাভৰুৰ মাজত মনৰ আদান-প্ৰদান ঘটে আৰু শেহান্তৰত প্ৰণয় পাশত আৱদ্ধ হৈ তেওঁলোকৰ মাজত বিবাহ হয়। যি কি নহওক অসমীয়া সকলে ব'হাগ বিহুত ইঘৰে-সিঘৰলৈ ফুৰিবলৈ যোৱাৰ দৰে টুৰুংসকলেও ইঘৰে-সিঘৰলৈ ফুৰিবলৈ যায়। আলহি-অতিথিক খাওলাম, খাওতেক, তেংতেপ, খাওপুক, চাহ, তামোল আদিৰে শুশ্ৰূষা কৰা হয়। তেনেদৰেই টুৰুংসকলৰ 'চাং-কেন' উৎসৱৰ সামৰণি পৰে।

**উপ-সংহাৰ ঃ**

ভাষাৰ লগত ভাষাৰ সংঘৰ্ষ যেনেকৈ আমোদজনক। অসমীয়া সংস্কৃতিত বিভিন্ন প্ৰজাতীয় উপাদান থকাৰ দৰে বিভিন্ন প্ৰজাতীয়সমূহৰ সংস্কৃতিতো অসমীয়া সংস্কৃতিৰ প্ৰভাৱ

পৰিছে। টুৰুংসকলৰ 'চাং-কেন' উৎসৱতো অসমীয়া 'ব'হাগ বিহু'ৰ প্ৰভাৱ কম-বেছি পৰিমানে পৰা পৰিলক্ষিত হয়। বৰ্তমান ব'হাগ বিহুৰ হুঁচৰিৰ দৰে তেওঁলোকৰ ডেকা-গাভৰুসকলে ঘৰে ঘৰে নৃত্য-গীত কৰি দান-দক্ষিণা গ্ৰহণ কৰা দেখা যায়। হুঁচৰিৰ নীতি-নিয়ম পালন নকৰিলেও হুঁচৰিৰ দৰেই ঢোল, পেঁপা, গগণা, তাল আদি লৈ ডেকা-গাভৰুসকলে ৰং-ৰহইচ বাবেই এনে নৃত্য-গীত পৰিবেশন কৰে। এই নৃত্য-গীতসমূহৰ লগত অসমীয়া বিহু নৃত্য-গীতৰ সাদৃশ্য আছে। অন্যহাতে অসমৰ অন্যান্য জনজাতীয়সকলে বিহু সন্মিলন সমূহত অংশগ্ৰহণ কৰাৰ দৰে টুৰুংসকলেও এই সন্মিলনসমূহত বিভিন্ন গীত-নৃত্য-বাদ্যত অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাইছে। তদুপৰি জা-জলপানৰ ক্ষেত্ৰত অসমীয়া চিৰা-দৈ,কোমল চাউল,তিলপিঠা, ঘিলা পিঠা আদিও *'চাং-কেন'* উৎসৱত ব্যৱহাৰ কৰে। টুৰুংসকল অসমৰেই স্থায়ী বাসিন্দা হিচাপে এনেদৰে ব'হাগ বিহু প্ৰভাৱ তেওঁলোকৰ *'চাং-কেন'* উৎসৱত পৰিলেও এই উৎসৱৰ মূল ধৰ্মীয় কাম-কাজবিলাক বিলাক কিন্তু সুচাৰুৰূপেই পালন কৰা দেখা যায়। আধুনিক শিক্ষাৰে শিক্ষিত হৈ বৰ্তমান বিশ্বায়নৰ যুগত উপনিত হৈও টুৰুংসকলে এনেদৰে তেওঁলোকৰ নিজা পৰম্পৰা,ভাষা-সংস্কৃতি জীয়াই ৰাখিব পৰাটো সঁচাকৈয়ে আদৰণীয় আৰু প্ৰশংসনীয়।


**প্ৰসংগ পুথি ঃ**

১। তাই সংস্কৃতি;সম্পাদক ঃ পুষ্প গগৈ আৰু বগেন গগৈ।

২। তাই সংস্কৃতিৰ ৰূপৰেখা; লীলা গগৈ।

৩। অসমৰ ভাষা ; ভীমকান্ত বৰুৱা।

৪। টুৰুংসকলৰ চমু ইতিবৃত্ত; লেচাম টুৰুং


---

**সূচকৰ নাম আৰু ঠিকনা ঃ**

১। চাও চানু শ্যাম, পথাৰ শ্যাম গাঁও, তিতাবৰ,যোৰহাট।

২। চাও দেউৰাম শ্যাম, পথাৰ শ্যাম গাওঁ, তিতাবৰ, যোৰহাট।

৩। নাং লিলি শ্যাম, পথাৰশ্যাম গাওঁ, তিতাবৰ, যোৰহাট।

---

জুটিকা গগৈ
স্নাতক প্ৰথম বৰ্ষ

# আধুনিকতাৰ প্ৰভাৱত হেৰাই যোৱা

# ঢেঁকীশাল

আধুনিকতাৰ প্ৰভাৱত হেৰাই যোৱা সংস্কৃতি বুলিলে আমাৰ উপৰি পুৰুষৰ ককা-আইতাহঁতক দিনলৈকে গ্ৰাম্য অঞ্চলত আমি যিবিলাক সংস্কৃতি দেখা পাইছিলো সেইবিলাকৰ বিষয়ে উল্লেখ কৰিব লাগিব। আমাৰ গ্ৰাম্য অঞ্চলত আমি দেখি অহা কিছুমান সংস্কৃতি বৰ্তমান হেৰাই যোৱাৰ দৃষ্টি গোচৰ হৈছে। এইবিলাকৰ ভিতৰত ঢেঁকীশাল, তাঁতশাল, জুইশাল আৰু আমাশাল আদিৰ বিষয়েও উল্লেখ কৰিব লাগিব।

আমাৰ গ্ৰাম্য অঞ্চলত প্ৰধানকৈ ঢেঁকীশালৰ ব্যৱস্থা আমি দেখিছিলো। এই ঢেঁকীশাল আছিল অসমীয়া সমাজৰ এক সংস্কৃতি স্বৰূপ। ঢেঁকীশালখন গ্ৰাম্য অঞ্চলৰ কৰ্মপ্ৰেৰণা তথা আনন্দ উৎসৱৰ থলী। ঢেঁকীশালখনৰ প্ৰধানকৈ ধান-চাউলৰ লগত সম্পৰ্ক আছিল। ঢেকীশালখন তৈয়াৰ কৰা হয় খেৰৰ চালিৰে। সাধাৰণতে ঢেঁকীশালখন আগফালৰ পিৰালিত, পিছফালৰ পিৰালিত অথবা মাৰল ঘৰত বা এটা আছুতীয়াকৈ কোঠা সাজি লোৱা হয়। ঢেঁকীশালত এখন অলপ ওখ বাঁহৰ চাং থাকে যত যাৱতীয় বয়-বস্তু তুলি থোৱা হয়। ঢেঁকীৰ বাবে বুঢ়া শিলিখা কাঠ উত্তম আৰু নিয়মৰ ঢেঁকী সাতহাত দীঘল হ'ব লাগে।

এসময়ত গাঁৱৰ মানুহৰ ঘৰত পুৱতী নিশাৰ পৰা আগবেলাতো ঢেঁকীৰ মাত শুনিবলৈ পোৱা গৈছিল। পুঁৱতী নিশা ঢেঁকীৰ মাত শুনাৰ লগে লগে মাক বা ঘৰৰ ডাঙৰসকলে ল'ৰা-ছোৱালীক পঢ়িবলৈ বুলি জগাই দিছিল। এই ঢেঁকীৰ লগত অসমীয়া সমাজৰ এক লোক বিশ্বাস, পৰম্পৰা আৰু সংস্কৃতি জড়িত হৈ আছে। খেতিৰ বতৰত বহুদিন বৰষুণ নিদিলে বা অতিপাত খৰাং হ'লে গাঁৱৰ খেতিয়ক ডেকাঁহতে কাৰোবাৰ ঘৰৰ ঢেঁকী চুৰি কৰি নি পথাৰত ওভোতাই পোতেগৈ। তেতিয়া হেনো ইন্দ্ৰ দেৱতাই চকু মেলি চাই বৰষুণ দিয়ে। এই কৰ্মৰ যোগেদি অসমীয়া সমাজৰ এখন হাঁহি আৰু ৰং তামাচাৰে ভৰা গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছিল। এই আনন্দৰ মাজেৰে গাঁৱৰ ডেকাসকলৰ একতা, ভাতৃত্ববোধ তথা মৰম চেনেহৰ এনাজৰীৰে বান্ধি ৰাখিছিল। কিন্তু বৰ্তমান সময়ত বস্তুবাদী আধুনিকতাৰ যান্ত্ৰিক জীৱনে মানুহক অতীতৰ সহজ-সৰল গ্ৰাম্য জীৱনৰ পৰা আঁতৰাই আনিছে। ফলস্বৰূপে মানুহ হৈ পৰিছে আত্ম কেন্দ্ৰীক তথা ব্যক্তিকেন্দ্ৰীক।

অতীতত ঢেঁকীশালখন আছিল তিৰোতা আৰু গাভৰুসকলৰ মনৰ ভাৱ আদান-প্ৰদানৰ কেন্দ্ৰ স্বৰূপ। ঢেঁকীশালখনতে মৰমৰ ননদ-বৌৱেক, লগ-সমনীয়া গাভৰু, বোৱাৰী মাজত ভিন্ন কথাৰ মেল বহে। অতীতৰ ননদ আৰু বৌৱেকৰ সম্পৰ্ক আছিল বাই-ভনীৰ দৰে নিবিড়। দুয়ো আছিল সুখ-দুখৰ সমভাগী। ঢেঁকীশালত ধান বানোতে বা পিঠা খুন্দোতে ফুটি উঠিছিল সুখ-আনন্দৰ হাঁহি আৰু দুখ বেদনাৰ চকুলো। ননদে মনৰ গোপন কথাবোৰ সংগোপনে বৌয়েকক প্ৰাণ খুলি কৈছিল প্ৰত্যুত্তৰত বৌৱেকেও সময় চাই তাৰ সমাধান তথা ননদক সহায় কৰিছিল। কিন্তু বৰ্তমান ব্যস্ততাপূৰ্ণ কৰ্মময় জীৱনত ননদ-বৌৱেকৰ সম্পৰ্ক লাহে লাহে বিপৰীতমুখী হৈ আহিছে। বিশেষকৈ অতীতৰ যৌথ পৰিয়ালৰ সলনি বৰ্তমান পৰিয়ালবোৰ পতি-পত্নী আৰু সন্তানেৰে একোটি সৰু পৰিয়াললৈ ৰূপান্তৰিত ঘটিছে। যাৰ ফলত মৰম স্নেহেৰে ভৰা ঢেকীশালখনিত লাহে লাহে ননদ-বৌৱেকৰ পৰা হেৰাই গৈছে। এই ঢেঁকীশালতে সৃষ্টি হৈছিল অসমীয়াৰ লোকসংস্কৃতি বিয়া নাম, আই নাম, বিহু নাম আদি। যেতিয়া জা-জোৱালি, ননদ-বৌৱেক, লগ-সমনীয়া বোৱাৰী গাভৰু হ'তে ঢেকীশালৰ প্ৰাঙ্গণ ৰং-টামাচাৰে উৎসৱমুখৰ কৰি তোলে, তেতিয়া তেওঁলোকৰ মুখৰ পৰা নিগৰিত হৈ এষাৰি মৌ বৰষা বিয়া নাম, বিহু নাম ওলায়। ঢেঁকীত ধান বনাৰ দৰে কষ্টকৰ কামকো এষাৰি বিহু নাম বা বিয়া নামেৰে সজীৱ কৰি তুলিছিল কৰ্মময় চহা গ্ৰাম্য জীৱন। যি বিহু নাম, বিয়া নামে অসমীয়া সংস্কৃতিৰ ভৰাল চহকী কৰি থৈছিল। ঢেঁকীশালৰ প্ৰাঙ্গণৰ বিয়া নামত স্বতঃস্ফুটভাৱে জিলিকি উঠিছিল বিচিত্ৰ ৰূপ, ভিন্ন সুৰ, সুখ-দুখৰ আনন্দৰ কথা, হৃদয় পৰশা মাত, কথা আৰু সুৰ। ইয়াৰোপৰি তিৰোতা আৰু গাভৰু জীৱনৰ অন্য এক ৰূপ এই বিয়া নামৰ যোগেদি প্ৰতিফলিত হৈছে। ঢেঁকীৰ আদৰ কমি যোৱাৰ লগে লগে আমাৰ ঐতিহ্যমণ্ডিত লোকসংস্কৃতিসমূহ লাহে লাহে বিলুপ্তি গৰাহলৈ প্ৰৱেশ কৰিছে। যি লোক সংস্কৃতিয়ে যুগে যুগে অসমীয়া জাতিৰ স্বকীয়তা তথা নিজস্ব ৰূপ আন জাতিৰ আগত প্ৰদৰ্শন কৰি আহিছে।

ঢেঁকীৰ লগত বিজ্ঞান ভিত্তিক বহু কথাও জড়িত হৈ আছে। উদাহৰণস্বৰূপে পুৰণি কালত চিকিৎসা ব্যৱস্থা বৰ্তমানৰ দৰে উন্নত নাছিল। সেয়ে আমাৰ আইতাসকলে কোৱা শুনিছো যে সেই সময়ত ন-দ মহীয়া গৰ্ভাৱতী তিৰোতাই ঢেঁকী দিলে হেনো ভাল। আৰু এই কথা কাৰ্যত পৰিণত কৰিছিল। ফলস্বৰূপে সন্তান প্ৰসৱৰ সময়ত তিৰোতাগৰাকী হেনো কোনো ডাঙৰ বিপদৰ সন্মুখীন হোৱা নাছিল।

ঢেঁকী শালৰ লগত অসমীয়া জাতিৰ সম্পৰ্ক এক এৰাব নোৱাৰা সম্পৰ্ক। বিশেষকৈ বিহুৰ সময়ত ইয়াৰ গুৰুত্ব অধিক বাঢ়ে। বিহুৰ এসপ্তাহ মানৰ আগৰ পৰাই ঢেঁকীশাল গমগমাই থাকে। বিভিন্ন ধৰণৰ জা-জলপান খুন্দিবলৈ গাঁৱৰ পাঁচ-সাত জনী গাভৰু লগ লাগি চিৰা, পিঠা, সান্দহ, হুৰুম খুন্দে। ৰঙালী বিহুৰ ৰঙেৰে ঢেঁকীশাল গমগমীয়া হৈ থাকে। সময়ৰ পৰিবৰ্তনৰ লগে লগে গাঁৱৰ জীৱন এৰি মানুহ চহৰ, নগৰমুখী হ'ব ধৰিছে। ফলস্বৰূপে ঢেঁকীশালত বিহুটি আদৰাৰ বাবে যি ৰং তামাচা হাস্যৰস তথা নানা ৰঙী কথাৰে ভৰা গাঁৱলীয়া গাভৰুৰ বৈচিত্ৰৰে ভৰা জীৱন এতিয়া শূন্য হৈ পৰিছে।

যুগৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ জীৱন ধাৰনৰো পৰিবৰ্তন ঘটিছে। আজি বহুদিন হ'ল ঢেঁকীশালৰ এই হৃদয়ভৰা, মন প্ৰাণ ভৰি নিয়া আনন্দ নোহোৱা হ'ল। কৰ্মময় কৃষি জীৱি গ্ৰাম্য জীৱনৰ অতীতৰ আনন্দ আৰু আমোদজনক কথাবোৰ স্মৃতিৰ কোনোবা অজান কোণত বিলীন হৈ গ'ল। এতিয়া ঢেঁকীশালত আইতাৰ পুৰণি সাধু সাধু যেন লগা কথাবোৰ; কাহিনীবোৰ শুনিবলৈ কাৰো আজৰি নাই, হয়তো তেওঁলোকৰো আহৰি নাই। গাঁৱে গাঁৱে ঢেঁকীশাল নোহোৱা হৈ যোৱা নাই। ক'ৰবাত বঢ়া-টুটা হৈছে। এইয়া কৰ্মৰ পৰিবৰ্তন। এতিয়াও অতীজৰে পৰা পৰম্পৰাগত ভাৱে থকা আমাৰ ঢেঁকীশালখনে গাঁৱৰ ঘৰখন শুৱনি কৰি ৰাখিব। য'ত আছে হাঁহি আৰু আনন্দৰে ভৰা এমুঠি সুখৰ ৰং, মাথো ৰং .......।

(বিঃ দ্ৰঃ তৰা গগৈ কাকতিৰ প্ৰৱন্ধৰ আলমত।)

চিত্ৰা জ্যোতি মালাকৰ
স্নাতক প্ৰথম বৰ্ষ

# অসমীয়া সমাজৰ কিছুমান পৰম্পৰাগত লোকবিশ্বাস

**জ্ঞানৰ বন্তিৰ পোহৰত জীৱনক জীয়াই ৰাখিব খোজাৰ মাজতে মানুহবোৰ এখোজ আগবাঢ়ে, জীৱনৰ সুন্দৰ ৰূপৰো বিকাশ ঘটায়। বিশ্বাস, দৈনন্দিন জীৱনৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, আবেগ-অনুভূতি আদিয়ে সামাজিক জীৱনৰ মাজেদি বিদ্যাবুদ্ধিৰে পৰিপুষ্ট হৈ সুন্দৰ ৰূপত প্ৰকাশ পাবলৈ বিচাৰে। ব্যক্তি আৰু সমাজ সাঙোৰ খাই থকা সমাজৰ বিভিন্ন দিশত বিকাশৰ থলীয়েই হ'ল সংস্কৃতিৰ কঠীয়াতলি।**

আমি অতীজৰে পৰা কিছুমান পৰম্পৰাগত নীতি নিয়ম মানি আহিছো যিবোৰে আমাৰ সমাজক সুচাৰু ৰূপে জীয়াই ৰাখিছে এই নীতি নিয়ম সমূহৰ মাজত কিছুমান অন্ধবিশ্বাস নথকা নহয়, যদিও কিছুমান লোকবিশ্বাসে আমাৰ সমাজক জীয়াই ৰাখিছে। লোকবিশ্বাসসমূহৰ আঁৰতো নাযাবি, 'নাখাবি' অসুচি' ইত্যাদি শব্দৰে বৈজ্ঞানিক দৃষ্টি ভংগী লুকাই থাকে। লোকবিশ্বাসবোৰে লোক সংস্কৃতিক জীৱন্ত কৰি ৰাখে।

আমাৰ সমাজত বিভিন্ন ঘটনা, জীৱ-জন্তু, চৰাই চিৰিকটি, শৰীৰৰ অংগ-প্ৰতংগ, নাৰী-পুৰুষ আদিৰ লগত জড়িত অনেক লোকবিশ্বাস আছে। সমাজভেদে লোকবিশ্বাস সমূহৰ ভেদা-ভেদ দেখা যায়। লোকবিশ্বাস, ৰীতি-নীতি, জন্ম কৃত্য, বিবাহ-পদ্ধতি আদিৰ তাৰতম্যৰ ফলতে সমাজৰ সুকীয়া ৰূপ নিৰূপিত হৈছে। আমাৰ অসমীয়া সমাজত তিৰোতাগৰাকীক পৰিয়াল এটা সুকলমে পৰিচালনা কৰি নিবলৈ প্ৰধান দায়িত্ব দিয়া হয় আৰু সেয়েহে অসমীয়া প্ৰবচনত কোৱা হৈছে তিৰীয়ে গিৰী অৰ্থাৎ তিৰোতাগৰাকী সুলক্ষ্মী হ'লে পৰিয়াল এটা সুকলমে পৰিচালিত হয়। তেনেদৰে ক্ষুদ্ৰৰ পৰা বৃহতলৈ আহি সুশৃংখলভাৱে পৰিচালিত হয় এখন সমাজ। আমাৰ সমাজত প্ৰচলিত নাৰীৰ লগত জড়িত কেইটামান লোকবিশ্বাস তলত উল্লেখিত কৰা হ'ল।

- ৰাতিপুৱা গৃহিণীগৰাকীয়ে সকলোতকৈ আগতে উঠি বাহী চোতাল সাৰিব লাগে। লোকবিশ্বাস আছে যে পৰিয়ালৰ জ্যেষ্ঠজনে বা গিৰিয়েকে বাহী চোতাল গচকিলে আয়ুস টুটে।
- গৰ্ভৱতী তিৰোতা শ্মশানৰ মাজেদি গলে গৰ্ভপাত হ'ব পাৰে বুলি বিশ্বাস আছে। সন্তান ভূমিষ্ঠ হোৱাৰ পিচৰে পৰা মাকগৰাকীৰ কাষত জুঁই একুৰা জ্বলাই ৰখা হয়। যাতে ভূত-প্ৰেতে নৱজাতকৰ অনিষ্ট সাধন কৰিব নোৱাৰে।
- ছোৱালী জন্ম হ'লে কামে বনে পাৰ্গত হ'বৰ বাবে বেৰত ঢকিওৱা বা ঢেঁকী দিয়া হয়।
- সন্তান জন্ম দিয়াৰ পিছত পষেকলৈকে মাকগৰাকীক নৰসিংহ, ভেদাই লতা, নহৰু খুওৱা হয়। এই তিনিবিধ বস্তু খালে নাড়ী সোনকালে শুকায় বুলি জনবিশ্বাস আছে।
- গৰ্ভৱতী অৱস্থাত নাৰীয়ে খাবলৈ মন কৰা বস্তু খাবলৈ নাপালে সন্তানৰ লালটি ওলাই থাকে বুলি জনবিশ্বাস আছে।
- গৰ্ভৱতী অৱস্থাত নাৰীয়ে ভেকুলি নাইবা অন্য জীৱজন্তু বধ কৰিব নাপায়। কিয়নো এনে কৰিলে সন্তানৰ মুখখন মৃত ভেকুলীৰ দৰে মেল খাই থাকে বুলি বিশ্বাস আছে।
- গোহালি সাৰোতে তিৰোতাৰ মেখেলা, ভৰি বা বাঢ়নীটোৰ গৰু বন্ধা পঘাডালত লাগিলে গৰুৰ ৰোগ হ'ব পাৰে বুলি বিশ্বাস।
- ছোৱালী সন্তান জন্ম হ'লে একৈশ দিনৰ দিনা নাম প্ৰসংগৰ মাজেৰে অশৌচ খেদোৱা হয়। জনবিশ্বাস মতে সেইদিনাৰ পৰা ঘৰখন শুদ্ধ হোৱা বুলি গণ্য কৰা হয়।
- কাণ বিন্ধোৱাৰ পিছত যদি সন্তানটিৰ মাকে জালুক দাঁতেৰে কামুৰি কাণ বিন্ধোৱা ঠাইত লগায় তেন্তে কাণ নপকে বুলি বিশ্বাস আছে।
- ছোৱালী পুষ্পিতা হোৱাৰ সময়ত আঁখে ভাজোতে আঁখে নুফুটাটো অশুভ লক্ষণ।
- অসমীয়া সমাজত বাপেক গৃহী ছোৱালী আৰু মাক গৃহী লৰা ভাগ্যৱান বুলি বিশ্বাস কৰা হয়।
- 'সান্দহ খুন্দা' অনুষ্ঠানত জ্বলোৱা চাকি নুমাই গলে দৰা কইনাৰ অমংগল হয় বুলি বিশ্বাস কৰা হয়।
- 'জোৰণত' কইনাক সেন্দুৰ পিন্ধোৱাৰ সময়ত সেন্দুৰ পৰি গলে সেৱাও অমংগলৰ চিন।
- 'আঠ মঙলা' অনুষ্ঠানত দৰাপক্ষক তিতা, টেঙাৰ, আঞ্জা দিয়াটো নিষেধ। এই দুয়োবিধ খুৱালে দৰাঘৰৰ লগত কইনাঘৰৰ সমন্ধ তিতা, টেঙা হব পাৰে বুলি বিশ্বাস কৰা হয়।

---

# বিহুগীতত প্ৰেমৰ প্ৰকাশ

**মিছ বাবলী বেগম**
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ



*"বহাগ মাথো এটি ঋতু নহয়
নহয় বহাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ।"*
— ড° ভূপেন হাজৰিকা।

বছৰে বছৰে বহাগ আহে বহাগ যায়। এই বহাগতে শ্যামলী প্ৰকৃতি সাজি কাচি নতুন ৰূপেৰে নৱযৌৱনা প্ৰাণ চঞ্চল গাভৰু হয়। গছ গছনিয়ে আৱৰণ সলায়। ডেকা-গাভৰু উত্ৰাউল হৈ উঠে; অন্তৰৰ আনন্দ উজাৰি দিয়ে, হিয়া বিনিময়ৰ বাবে। বিহুৱা ডেকাই লাহৰীজনীৰ খোপাত এপাহি কপৌফুল গুজি দিয়াৰ আশাত মতলীয়া হৈ পৰে। প্ৰকৃতিত ঘটে প্ৰেমৰ বিনিময়, হিয়া দিয়া নিয়া।'

বিহুগীত অসমীয়াৰ হাড়ে হিমজুৰে লগা বস্তু। প্ৰকৃতিৰ পৰশত স্পন্দিত হোৱা অনুভূতিৰ বহিঃ প্ৰকাশৰ কাৰণেই বিহুগীতৰ জন্ম। প্ৰকৃতিৰ উন্মাদনাই, কুলিৰ মাতে আৰু ঢোলৰ ধিনিকি-ধিন-দাও শব্দই আমাৰ ডেকা-গাভৰুৰ মনৰ আৱেগ ৰোধিব নোৱাৰে।

সেয়েহে কোনোবা নাৰী কবিয়ে ৰচি পেলায় ঃ

*চ'তে গৈয়ে গৈয়ে বহাগে পালেহি
নাহৰ ফুলিবৰ বতৰ,
ফুল পানী ছিগাত ঐ ঢোলৰ মাতে শুনি
থেকেছি ভাঙি যাঁও যঁতৰ।*

অসমীয়া শিপিনীয়ে 'মৰমৰ দীঘ দি, চেনেহৰ বাণি বৈ, হেঁপাহৰ আচুৰে চেনাইলৈ ফুলাম বিহুৱান বোৱাৰ কথা বিহুনামত উল্লেখ আছে।

*ৰাতি দুপৰলৈ কাটি সূতালাহি*
*ধনলৈ বিহুৱান বলো,*
*ৰঙাকৈ আঁচুৰে বাছি পানে কটা*
*টিপতে লুকুৱাই থলো।*

লুইতৰ পানীয়ে পথাৰ শ্যামল কৰাৰ উপৰি লুইতৰ পাৰতে ডেকা-গাভৰুৱে পিৰীতিৰ বৰঘৰ সাজে। নৈৰ ঘাটত চেনেহীয়ে মনৰ ভাৱ প্ৰকাশ কৰে এনেদৰে ঃ

*লুইতৰ বালি বগী ঢকেঢকী*
*কাছই কণী পাৰে লেখি*
*গাতে জুই জ্বলিছে সৰিয়হ ফুটিছে*
*চেনাইক পানী ঘাটত দেখি।*

প্ৰতিজনী অসমীয়া গাভৰুৰ মৰমৰ তাঁত শালখনৰ কথা, খেতি-বাতিৰ কথা, আই বোপাইৰ হকা-বাধা, সামাজিক নীতি নিয়মৰ বান্ধোন তথা গাৱলীয়া অৰ্থনীতিৰ কথাও গীতৰ সকিয়নিতে নোলোৱাকৈ থকা নাই।

*আজি গধুলিকৈ নাহিবি সোণাই ঐ*
*নোপোৱা পদুলিত মোক*
*পৰহিলৈ গধুলি আহিবি লাহৰি*
*ফালি থম বেৰৰে চুক।*

ইমানখিনিলৈকে আগবাঢ়িও কেতিয়াবা ডেকা-গাভৰুৰ মনৰ আশা পূৰণ নহয়। তেতিয়া হয়তো মনৰ বেজাৰত গাই উঠে কোনোবা ডেকাই —

*কিনো খাই পাহৰিম তোকে ঐ লাহৰী*
*কিনো খাই পাহৰিম তোক*
*মিচিমি আহিব বৰ বিহ আনিব।*
*তাকে খাই পাহৰিম তোক।*

যিদৰে লুইতৰ চাপৰিৰ নৈসৰ্গিক সৌন্দৰ্যই ডেকা-গাভৰুৰ 'ঘৰতো নবহে মন সমনীয়া পথাৰতো নবহে মন'ৰ অৱস্থা কৰে। সেইদৰে ধাননি পথাৰৰ পৰশত ডেকা-গাভৰুৰ অন্তৰত প্ৰেমৰ উন্মেষ ঘটে। ধাননি পথাৰত উদয় হোৱা মনৰ অনুভূতিৰ অলেখ চিত্ৰ বিহুগীতত আছে।

*দকৈ পথাৰত ধান দাই আছিলো*
*ঘিলা চকলীয়া মুঠি।*
*সকলোকে দেখো তোমাক নেদেখা*
*ঢাপৰে ওপৰত উঠি।*

এইদৰে বিহুগীতৰ যোগেদি ডেকা-গাভৰুৰ সকলে মৰমৰ জনক হিয়া উবুৰিয়াই সকলো কথা ক'ব খোজে। ৰঙালী বিহুত প্ৰকৃতি হৈ পৰে চঞ্চল। প্ৰকৃতিৰ এই উন্মাদনাই আমাৰ বিহুৱা সকলকো চঞ্চল কৰি তোলে। সেইয়ে, হয়তো তেওঁলোকে চেনাইক পানী ঘাটত দেখি এফাঁকি নাম গালে গাভৰুজনীয়ে জানো তাৰ উত্তৰ নিদিয়াকৈ থাকিব পাৰে।

*মাৰেও জানকে বাপেৰেও জানকে*
*জানক তোৰ সোদৰৰ ভাই*
*আমাৰ দুইটাৰে দেহা হ'ল একোটা*
*ভিন পৰ কৰোতা নাই।*

যৌৱনৰ তৰণিত বসন্তৰ বা লাগি কাৰোবাৰ মন হয় চিৰিলি চিৰিলি। খৰি অনাৰ চলেৰে কোনোবাই ঘনে ঘনে নৈৰ ঘাটলৈ বা কিয় যায়?

*চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো*
*নৈৰে নিৰলস পানী*
*খৰি অনাৰ চলেৰে নৈৰ ঘাট পালোগৈ*
*তোমাক দেখিম বুলি জানি।*

এনেদৰে অহাবাৰ বিহুত কোনোবাই কাৰোবাক আপোন কৰি লোৱাৰ প্ৰতিশ্ৰুতি গাইছে

*এইবাৰ বহাগত বিধাতাই নিদিলে*
*নাছিল কপালতে লিখা।*
*অহাবাৰ বহাগত পাতিমেই ঘৰখন*
*নেৰিবা মনৰে আশা।*

এইদৰেই ৰঙালীৰ ৰোমাণ্টিক ক্ষণত প্ৰেম প্ৰীতিৰ মিলনকেই মুখ্য ৰূপত সজাই ডেকা-গাভৰুৱে গীত আৰু নৃত্যৰে পৃথিৱীৰ বুকুলৈ সৃষ্টি ৰহস্য কঢ়িয়াই আনে। এই প্ৰেম ৰসেৰে সিক্ত সুন্দৰ বিহুগীতবোৰে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিছে আৰু গতিশীল বিচিত্ৰ অসমীয়া সংস্কৃতিক ইন্ধন যোগাইছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত মানুহে পুৰণিকলীয়া জীৱন-যাপন গতি সলনি কৰি লৈছে যদিও ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, মিলনৰ বাসনা এইবোৰ চিৰ নতুন হৈয়ে থাকিব। আৰু প্ৰেমিক-প্ৰেমিকাৰ মনৰ মাজেদি নতুন নতুন গীত প্ৰৱাহিত হৈয়ে থাকিব। যিহেতু বিহুগীত যৌৱনৰ উৰণীয়া কল্পনাবিলাসী মনৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি। ▶▶

**বন্দিতা বৰগোহাঞি**
স্নাতক প্ৰথম বৰ্ষ

# পাণ্ডিত্যৰ আকৰ আনন্দৰাম বৰুৱা

উনবিংশ শতিকাৰ অসমত বিদ্বান লোকৰ জন্ম হৈছিল, সেইকেইজনৰ ভিতৰত আনন্দৰাম বৰুৱা আছিল অন্যতম। ভাৰতীয় অসামৰিক সেৱাত নিযুক্ত হোৱা প্ৰথম জন অসমীয়া তথা ভাৰতৰ ভিতৰত পঞ্চমজন ব্যক্তি হিচাবে চিহ্নিত হোৱা, অসাধাৰণ পাণ্ডিত্যৰ সমুজ্বল আনন্দৰাম বৰুৱাৰ জন্ম হৈছিল ১৮৫০ চনৰ ২১ মে'ত উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰ মজিন্দাৰ পৰিয়ালত। তেওঁৰ পিতৃৰ নাম আছিল গংগাৰাম বৰুৱা আৰু মাতৃ দুৰ্লভেশ্বৰী বৰুৱা।

আনন্দৰাম বৰুৱাই স্কুলীয়া শিক্ষা গুৱাহাটী গৰ্ভৰমেণ্ট চেমিনাৰী, বৰ্তমান কটন কলেজিয়েট স্কুলত গ্ৰহণ কৰি ১৮৬৪ চনৰ ডিচেম্বৰ মাহত মাথো চৈধ্য বছৰ বয়সত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেতিয়াৰ এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ প্ৰেছিডেন্সি কলেজত নাম লগায়। চৈধ্য বছৰ বয়সৰ ভিতৰতে তেওঁ হৰগোবিন্দ শৰ্মা আৰু কালি প্ৰসাদ শৰ্মা নামৰ দুজন পণ্ডিতৰ তলত ঘৰতে সংস্কৃত শিক্ষা লাভ কৰিছিল। এইটো বয়সতেই আনন্দৰাম বৰুৱাই সংস্কৃত ভাষাত ৰচিত 'অসমকোষ' কণ্ঠস্থ কৰি সকলোকে চমক খুৱাইছিল। সেই সময়ত কোনেও কল্পনা কৰিব পৰা নাছিল যে এইজন ল'ৰাই উনবিংশ শতিকাৰ শেষৰ মহান সংস্কৃত ভাষাৰ গৱেষক পণ্ডিত ৰমেশ চন্দ্ৰ ৰাজা ৰাজেন্দ্ৰ লাল মিত্ৰ, স্বামী দয়ানন্দ সৰস্বতী, পণ্ডিত ইন্দ্ৰজী ভৱানী আৰু ছাৰ ৰামকৃষ্ণ গোপাল ভান্দাৰকাৰৰ সমপৰ্যায়ৰ পণ্ডিত হ'ব। সংস্কৃত বিষয়টো ল'ৰাকালৰে পৰা তেওঁৰ অতি প্ৰিয় আছিল আৰু সেয়ে কলিকতাৰ প্ৰেছিডেঞ্চি কলেজত পঢ়া কালতো তেওঁ ইয়াক এটা পাঠ্য বিষয় হিচাপে লৈছিল। ইংলেণ্ডৰ পৰা হেমচন্দ্ৰ বৰুৱাই ১৮৭২ চনত বি. এছ. চি, বাৰ-এট-ল আৰু আইছি এছ কৰি ঘুৰি আহি যেতিয়া ভাৰতত অসামৰিক প্ৰশাসকৰ জীৱন আৰম্ভ কৰে তেতিয়াই তেওঁ সংস্কৃতৰ মহাকাব্য আৰু অন্যান্য ধ্ৰুপদী পুথিবোৰ অধ্যয়ন কৰাৰ লগতে ভাষাতত্ত্ব সম্পৰ্কেও গভীৰ চৰ্চাতি লিপ্ত হয় আৰু গৱেষনামুলক পুথি প্ৰণয়ন কৰিবলৈ আৰম্ভ কৰে। ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া হোৱাৰ পিছত তেওঁ বিভিন্ন পদৱীত অসম আৰু অবিভক্ত বংগদেশত সেৱা আগবঢ়ায়। তাৰ ভিতৰত ১৮৭২ চনৰ শৰৎ কালত শিৱসাগৰ জিলাৰ এছিষ্টেণ্ট কমিছনাৰ, ১৮৭৩ চনৰ পৰা বংগৰ বিভিন্ন ঠাইত এছিষ্টেণ্ট মেজিষ্ট্ৰেট, ৰমেশ চন্দ্ৰ দত্ত আৰু আনন্দৰাম বৰুৱা একেলগে জিলাধিপতি হোৱা প্ৰথম ভাৰতী। এই দুজন দক্ষতাৰ গুণতেই আন ভাৰতীয়সকলৰ বাবে সেই পদত অধিষ্ঠিত হোৱাৰ পথ সুগম হৈ উঠে।

আনন্দৰাম বৰুৱাই কেইবাখনো অতি মূল্যবান আৰু কালজয়ী গ্ৰন্থ প্ৰকাশ কৰি থৈ গৈছে। তাৰ ভিতৰত 'মহাবীৰ চৰিতম্' 'সৰস্বতী কণ্ঠভৰণম, নামলিংগনোশাসনম্' লগতে স্বকীয় শুৱলা সংস্কৃত ভাষাত ৰচিত টিকা ভাষ্য

"জানকীৰাম ভাষ্য" ইত্যাদি। তেওঁৰ অন্য কেইখন গ্ৰন্থৰ ভিতৰত সংস্কৃত সাহিত্যত ভৱভূতিৰ স্থান' প্ৰাচীন ভাৰতৰ ভূগোল ইত্যাদি। তেওঁ সংস্কৃত ইংৰাজী এখনি অভিধান প্ৰণনয়নৰ কাম ১৮৭৩-৭৮ত হাতত লয় আৰু ১৮৭৭ চনত ইয়াক সম্পূৰ্ণ কৰে। ইয়াৰ উপৰিও সংস্কৃত ভাষাৰ বাৰটা খণ্ডত সংস্কৃত ব্যাকৰণ ৰচনা কৰি তেওঁৰ সময়ৰ সংস্কৃত পণ্ডিতসকলৰ তুলনাত এক কীৰ্তিমান আৰু বিষ্ময়কৰ কাম কৰি থৈ গৈছে। তেওঁৰ মৃত্যুৰ আগতে গ্ৰন্থখনৰ দুটা খণ্ড তেওঁ নিজেই প্ৰকাশ কৰি ছন্দায়ন আৰু অভিধানিক অলংকাৰেৰে পৰিপূৰ্ণ কৰি গৈছে আৰু এই খণ্ড দুটা সম্পৰ্কত ভূয়সী প্ৰশংসা কৰিছিল ইউৰোপীয় পণ্ডিত মেকমুলাৰে। এই গৰাকী মহান পণ্ডিতৰ মৃত্যু হয় ১৮৮৯ চনৰ ১৯ জানুৱাৰীত। তেওঁৰ জীৱনৰ চমু দৈৰ্ঘৰ অৰ্দ্ধ সময় তেওঁৰ প্ৰশাসনিক আৰু সাহিত্য কৰ্মত নিয়োজিত হয়। আনন্দৰাম বৰুৱাই চৰকাৰী কৰ্মৰ ব্যস্ততাৰ মাজতো তেওঁৰ সৃজনীমূলক পাণ্ডিত্যৰ প্ৰভূত বিকাশৰ স্ফুৰণ ঘটিছিল। তেওঁৰ জীৱন আছিল কঠোৰ শ্ৰম আৰু ঐকান্তিক নিষ্ঠাৰ জ্বলন্ত প্ৰতীক স্বৰূপ। তেওঁ নিঃসন্দেহে এগৰাকী সৰ্বোত্তম অসামৰিক বিষয়া আৰু মহান পণ্ডিত যি অসমৰ বাবে অদ্বিতীয় আছিল। জীৱনৰ একক লক্ষ্য আনন্দৰাম বৰুৱাৰ চৰিত্ৰৰ আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ গুণ আছিল। ইয়েই তেওঁক কৰি তুলিছিল প্ৰতিৰোধ্য। তেওঁৰ কোনো বৈচিত্ৰ্য নাছিল, অতি কম বিশ্ৰাম লৈছিল। অসমৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা তথা আদৰ্শৰ প্ৰতীক বুদ্ধিদীপ্ত আৰু প্ৰখৰ মেধা শক্তিসম্পন্ন এইগৰাকী পুৰোধা দিপ্তীমন্ত পুৰুষৰ জীৱন আছিল এক উল্কাৰ তীব্ৰ পোহৰ গতিপথত জ্বলি জ্বলি যেন সমগ্ৰ মানৱ জাতিকে মূহুৰ্তৰ বাবে পোহৰাই তুলিলে আৰু দৃষ্টিৰ বাহিৰলৈ গতি কৰি অদৃশ্য হৈ গ'ল। এইজন মহান পণ্ডিত তথা প্ৰশাসনীয় বিষয়াৰ মৃত্যুত বৃটিছ লণ্ডন মিউজিয়ামৰ প্ৰফেছৰ ছেছিল বেণ্ডেলে শোক প্ৰকাশ কৰি প্ৰেৰণা কৰা বাণী উল্লেখনীয়। তেওঁ লিখিছিল ঃ "কাৰোবাৰ যদি সাহিত্যৰ প্ৰতি এটা স্বভাৱগত উচ্ছাস আছে, তেন্তে চৰকাৰী বা আন কামৰ বোজাই যে ইয়াক মষিমূৰ কৰিব নোৱাৰে। এই বিষয়ত আনন্দৰাম বৰুৱাৰ জীৱনটো যে উদাহৰণীয় সেই কথা মই নকৈ নোৱাৰো। নীতিগত ভাৱে ভাৰতীয় ছিভিল ছাৰ্ভিছৰ সাহিত্যৰ ক্ষেত্ৰত বৰঙণি নিচেই তাকৰ। কিন্তু আনন্দৰাম বৰুৱাৰ বাৰ বছৰ কালৰ কৰ্মৰাজি মৃত প্ৰখ্যাত শাসক কলব্ৰুক, বাৰনেল আৰু অল্পখ্যাত জীৱিত গ্ৰিয়েৰছন, ফ্লিট আৰু আৰ ছি টেম্পলৰ সমগোষ্ঠীয়।" ▶▶





# অসমৰ জাতীয় উৎসৱ 'বহাগ বিহু' এক বিশ্লেষণ

কৰিশ্মা বড়া
স্নাতক প্ৰথম বৰ্ষ

পৃথিৱীৰ প্ৰায়বোৰ সমাজতে বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ অনুষ্ঠান পালন কৰা হয়। এটা ঋতু, আন এটা ঋতুলৈ সংক্ৰমণ হোৱাৰ সময়ত একো একোটা উৎসৱ জনসমাজে পালন কৰি আহিছে। এই লোক উৎসৱ অনুষ্ঠানসমূহ সামাজিক আচৰণৰ বহিঃপ্ৰকাশ মাথোন। প্ৰকৃততে, বিশেষ ধৰণৰ তাৎপৰ্যপূৰ্ণ সময়ত অনুষ্ঠিত অনুষ্ঠানৰ পৌনঃ পুনিকতাই হ'ল উৎসৱ।

"পণ্ডিতসকলৰ মতে, আধুনিক উৎসৱ-অনুষ্ঠানসমূহ আদিম মানৱৰ দ্বাৰা অনুষ্ঠিত ঐন্দ্ৰজালিক ক্ৰিয়াকাণ্ডৰ উত্তৰ জীৱিতা মাত্ৰ। আদিম মানৱ সমাজত ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ড উদ্‌যাপিত হৈছিল অজেয় আৰু ভয়াবহ প্ৰাকৃতিক শক্তিক সন্তুষ্ট কৰিবলৈ, দিনবোৰ দীঘল কৰিবলৈ, কঠোৰ শীতক দূৰ কৰিবলৈ, খেতি পথাৰ, হাবি-অৰণ্য, আকাশ-বতাহ, জল-স্থল আদিৰ দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ। বৃষ্টিৰ দেৱতাক সন্তুষ্ট কৰাটোও উৎসৱ অনুষ্ঠানৰ অন্যতম লক্ষ্য আছিল। অন্যহাতে, এই উৎসৱ অনুষ্ঠানৰ জৰিয়তে পথাৰৰ উৰ্বৰতা বৃদ্ধিৰ বাবেও যাদুমূলক ক্ৰিয়াৰ সম্পাদনা কৰা হৈছিল।"

কৃষি প্ৰধান সমাজত পূজা উপাসনা, নৃত্যগীত পৰিৱেশনৰ প্ৰধান উদ্দেশ্য আছিল উৰ্বৰতা বৃদ্ধি। 'যাদুমূলক ক্ৰিয়াৰো মূল উদ্দেশ্য আছিল কৃষিৰ উন্নতি কামনা।' সেয়ে দেখা যায় পৃথিৱীৰ প্ৰায়বোৰ উৎসৱেই যাদুমূলক ক্ৰিয়া কাণ্ডৰ পৰা বিকশিত হোৱা উৎসৱ। পৃথিৱীৰ এই উৎসৱ অনুষ্ঠানসমূহ সংস্কৃতিৰ এক অপৰিহাৰ্য অংগ।

অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত পৰম্পৰাগত উৎসৱ অনুষ্ঠানলৈ লক্ষ্য কৰিলে দেখা যায় যে, এই উৎসৱ অনুষ্ঠানসমূহৰ অন্তৰালত আদিম মানৱৰ বিশ্বাস আৰু ধৰ্ম নিহিত হৈ আছে।

'বিহু' উৎসৱ আৰ্য নে আৰ্যভিন্ন সংস্কৃতিৰ অন্তৰ্গত সেই কথাৰ সঠিক সিদ্ধান্ত আজি পৰ্যাপ্ত হোৱা নাই। দীৰ্ঘদিন ধৰি গৱেষকসকলে নিজ নিজ মত সমৰ্থন কৰি কোনোৱে ইয়াক আৰ্যমূলীয় আৰু কোনোৱে আৰ্যভিন্ন বুলি আখ্যা দিব বিচাৰে। কিন্তু ইয়াৰ এটাও সিদ্ধান্ত সৰ্বজনগ্ৰাহ্য স্বীকৃত নহয়। আমাৰ মতে, বিহুক আৰ্য বা আৰ্যভিন্ন বুলি

গোষ্ঠীভুক্ত নকৰি পোনপটীয়াভাৱে ইয়াক ঋতুকালীন কৃষি উৎসৱ বোলাই শ্ৰেয়। কাৰণ, ঋতুৰ আগমন বা পৰিৱৰ্তন এক প্ৰাকৃতিক পৰিঘটনা। বসন্ত ঋতুৰ এই পৰিঘটনাই প্ৰকাশ লাভ কৰে বহাগ বিহুত। বছৰৰ আৰম্ভণিতে বিভিন্ন বৃত্তিৰ লোকে বিভিন্ন ধৰণেৰে আত্মপ্ৰকাশ লাভ কৰে কাৰণে সেই উপাদানবোৰ বহাগ বিহুত পৰিলক্ষিত হয়। একে ঋতুৰ দ্বাৰা প্ৰভাৱিত হ'লেও ভৌগোলিক, সামাজিক, ৰাজনৈতিক, আৰ্থিক আদি কাৰণতো একেটা বহাগ বিহুৰে কিছুমান আঞ্চলিক বৈশিষ্ট্যও বিদ্যমান। তদুপৰি বিহু যিহেতু ঋতুকালীন উৎসৱ, গতিকে আহোমসকল অহাৰ আগতেও বসন্ত কালত নিশ্চয় এই অঞ্চলৰ মানে অৰ্থাৎ, নামনি অঞ্চলৰ অধিবাসী সকলে গীতপদ গোৱা পৰম্পৰাসমূহ পালন কৰিছিল। আহোম স্বৰ্গদেউ সকলৰ সময়ত হয়তো ইয়াক 'বিহু' বুলি কোৱা নাছিল। যেনেকৈ 'অসম' নামটোও আহোম সকল অহাৰ পাছত যোগ হ'ল, থিক তেনেকৈ বিহু শব্দটোও পিছত সম্পৃক্ত হ'ব পাৰে। অসমৰ অজন জাতীয়সকলৰ মাজত বিহু শব্দৰ প্ৰয়োগ যেনেদৰে আছে তেনেদৰে জনজাতীয়সলৰ মাজত বৈচাগু, বায়খো, বিচু, বিষুৱা আদি শব্দৰ প্ৰচলন দেখা যায়। বসন্ত ঋতুৰদ্বাৰা প্ৰভাৱিত ভাৰতবৰ্ষৰ অন্যান্য ঠাইতো বেলেগ বেলেগ নামেৰে এই ঋতু কালনী উৎসৱ বা পৰম্পৰা ৰাজিক বুজোৱা হয়। অঞ্চল আৰু জনগোষ্ঠীভেদে এই বসন্ত উৎসৱৰ ক'ৰবাত আৰ্যমূলীয় উপাদান আৰু ক'ৰবাত আৰ্যভিন্ন উপাদান বেছি। য'ত যেনেকুৱা গোষ্ঠীভুক্ত বা বিশ্বাসযুক্ত মানুহ থাকে ত'ত তেনেকুৱা ধৰণে উৎসৱটোৱে স্বৰূপ ধাৰণ কৰে।

অসমৰ অজনজাতীয় লোক-সকলৰ মাজত প্ৰচলিত বহাগ বিহুলৈ লক্ষ্য কৰিলে দেখা যায়, বহাগ বিহুৰ প্ৰথমদিনা যি 'গৰুবিহু' তাৰ লগত অথৰ্ববেদত থকা 'গৱাময়ন' উৎসৱৰ সম্পৰ্ক থকা বুলি গৱেষকসকলে ক'ব বিচাৰে। বিশিষ্ট গৱেষক ড° হেমন্ত কুমাৰ শৰ্মাই উল্লেখ কৰি যোৱা মতে অৰ্থবেদৰ 'গৱাময়ন' উৎসৱ মহাবিষুৱ তিথিত উদ্‌যাপিত হৈছিল। সেই উৎসৱত গৰুক যথাবিধি অনুসৰি গা-পা ধুৱাই আবেলি গৰুৰ মঙ্গলৰ অৰ্থে যজ্ঞ কৰা হৈছিল। তদুপৰি অথৰ্ববেদতেই গৰুক হিংস্ৰ জন্তুৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে খাদিৰ গছৰ ডালেৰে কোবোৱাৰো বিধি আছে। এই প্ৰসঙ্গতে ক'ব পাৰি যে অসমত প্ৰচলিত গৰু বিহুৰ দিনা গৰুক গা ধুৱাই সেৱা সৎকাৰ কৰি সন্ধিয়া নতুন পঘাৰে বন্ধা আৰু গোহালিৰ সন্মুখত গধূলি যাগ দিয়া কথাখিনিয়ে বেদৰ 'গৱাময়ন' উৎসৱৰ ঐতিহ্যকে বহন কৰা যেন লাগে। প্ৰখ্যাত লোক সংস্কৃতিবিদ অধ্যাপক ড° প্ৰফুল্ল দত্ত গোস্বামীৰ মতে, অথৰ্ববেদ আৰু ঐতৰেয় ব্ৰাহ্মণত হেনো যাগ-যজ্ঞ কৰা এটা বিশেষ দিনৰ নাম আছিল বিষুবন। এই বিষুৱন কৰা যাগযজ্ঞই হেনো সূৰ্যৰ গতি নিয়ন্ত্ৰণ কৰি শস্যৰ বীজ গজাত সহায়ক হৈছিল। অৰ্থাৎ খেতি-বাতিৰ ব্যৱস্থাৰ বাবেই অতীতত যাগ্-যজ্ঞ কৰাৰ পৰম্পৰা আছিল। বিষ্ণুপুৰাণৰ মতে সূৰ্য বসন্ত আৰু শৰৎ ঋতুৰ মধ্যত শেষ ৰাশি নাইবা তুলা ৰাশিলৈ গ'লে বিষুৱ হয়। দেখা যায়, বৈদিক কালৰ 'বিষুৱ'ৰ পৰাই অসমীয়াত 'বিহু' শব্দৰ উৎপত্তি হোৱা বুলি ক'ব বিচাৰে। আনহাতে, আকৌ অথৰ্ববেদত যি গো-পূজাৰ কথা কোৱা হৈছে তাৰ লগত সূৰ্যৰ সম্পৰ্ক আছে। ঋক্‌বেদত সূৰ্যকে বৃষভ বোলা হৈছে। আৰু অথৰ্ববেদতো ৰোহিত সূৰ্যক বৃষভ আখ্যা দিয়া হৈছে। ঠিক তেনেদৰে ব্ৰাহ্মণ গ্ৰন্থত এটা ৰঙচুৱা ষাড়গৰুক সাবিত্ৰীৰ মূল বুলি কোৱাৰ লগতে হৰপ্পা সভ্যতাতো বৃষভ পূজাৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা গৈছে। গতিকে বেদৰ 'গো' বা 'বৃষভ' পূজাৰ লগত সূৰ্যপূজাৰ সম্পৰ্ক থকাৰ অনুমান হয়।

বহাগ বিহুৰ গৰু বিহু দিনাখন গধূলি গৰুক যি নতুন পঘাৰে বন্ধা হয় সেই পঘাত মৰাপাটৰ লগত তৰাগছৰ আঁহ মিহলি কৰা হয়। লোকপ্ৰবাদ মতে, পূৰ্বতে হেনো ব্ৰাহ্মণে তৰাগছত লগুণ থৈ মানুহৰ মঙ্গলৰ অৰ্থে 'গো' ৰূপ ধাৰণ কৰিছিল। সেই কাৰণেই বছৰৰ মূৰত হ'লেও গৰুক পঘাৰ লগত লগুণ দিয়া পৰম্পৰাটো আছে।

নতুন প্ৰজন্মৰ ৰুচি আৰু চিন্তা-চৰ্চাৰ পৰিবৰ্তন হোৱাৰ লগে লগে আমাৰ পৰম্পৰাগতভাৱে চলি অহা উৎসৱ পৰ্ব আদিৰো পৰিৱৰ্তন ঘটিছে। গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱনৰ মাজত পাৰ্থক্য প্ৰায় নোহোৱাহে আহিছে। কৃষিজীৱী সমাজত পৰিৱৰ্তনে গ্ৰাস কৰি উঠিছে। কৃষিজীৱী, বুদ্ধিজীৱী আৰু শিল্পীজীৱীসকলৰ সংমিশ্ৰণত এটা মিশ্ৰ সংস্কৃতিৰ জন্ম হৈছে। আঞ্চলিক ভিন্নতা, সুকীয়া সামাজিক তথা ৰাজনৈতিক পটভূমি, প্ৰব্ৰজন, আদিৰ ফলত একেটা ঋতুতে অনুষ্ঠিত উৎসৱ হ'লেও বিচিত্ৰ পৰম্পৰাই বিহুক বাৰেৰহনীয়া কৰি তুলিছে। ▶▶

নীলাক্ষী বড়া
স্নাতক প্ৰথম বৰ্ষ
বুৰঞ্জী বিভাগ

# ঐতিহ্যপূৰ্ণ কীৰ্তিস্তম্ভ নেঘেৰিটিঙৰ শিৱ মন্দিৰ

বৰ্তমান অসমত শাক্ত ধৰ্মাৱলম্বী লোকৰ সংখ্যা হ্ৰাস হ'ব ধৰিলেও কিন্তু ইতিহাসৰ পৰা জানিব পাৰি যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ হোৱাৰ আগলৈকে শাক্ত ধৰ্মৰ প্ৰচলন আছিল। কছাৰী, দেউৰী, চুতীয়া, ভুঞা, লালুং আদি জাতিৰ লোকসকলে দেৱী গোঁসানী পূজা কৰিছিল। অসমৰ ভিন ভিন অঞ্চলত নৰ বলি প্ৰথাৰ প্ৰচলন চলিছিল। কিন্তু চুহিংপংফা ওৰফে স্বৰ্গদেউ গৌৰীনাথ সিংহই (১৭৮০-৯৪) খ্ৰীঃত এই কু-কৰ্ম অৰ্থাৎ নৰ বলি দিয়া প্ৰথা বন্ধ কৰি দিয়ে। তেৰশ শতিকাত অসমত প্ৰৱেশ কৰা আহোম সকলে কি ধৰ্মত দীক্ষা গ্ৰহণ কৰিছিল তাক সঠিকভাৱে পণ্ডিতসকলে ক'ব নোৱাৰে। কিন্তু এইটো কথা সঁচা যে, এই আহোমসকল হিন্দু ধৰ্মাৱলম্বী লোক নাছিল। অসমত থকা থলুৱা খিলঞ্জীয়া লোকসকলৰ আচাৰ ব্যৱহাৰ, ধৰ্মীয় পৰম্পৰা আদিত একগোট হৈ আহোম সকলৰ আগৰ ধৰ্মত স্থানীয় দেৱ দেৱতা আদি সোমাই পৰিল। তেওঁ লোকেও দুৰ্গা পূজা, লক্ষ্মীপূজা, শিৱ পূজা, বিষ্ণু পূজা আদি কৰিবলৈ ল'লে। আহোমসকলে অসমত প্ৰৱেশ কৰাৰ আগতে বিভিন্ন অঞ্চলত যেনে শোণিতপুৰ, কামৰূপ আদিত বহুলভাৱে শিৱ পূজাও চলিছিল। কামৰূপৰ বশিষ্ঠাশ্ৰম, উমানন্দ, তেজপুৰৰ গোপেশ্বৰ, মহাভৈৰৱ, ৰুদ্ৰপদ, ভৈৰৱপত হলেশ্বৰ, নাগ শংকৰ আৰু এঘাৰ শ শতিকাৰ আগৰ অসংখ্য শিৱ মন্দিৰৰ ভগ্নাংৱশবিলাকে তাৰেই সাক্ষী দিয়ে।

আহোম স্বৰ্গদেউসকল এই মন্দিৰ বিলাকৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ছশ বছৰীয়া আহোমসকলৰ ৰাজত্বৰ কালছোৱাত স্বৰ্গদেউসকলৰ ভিতৰত কেইবাজনো স্বৰ্গদেউৰ দেৱী পূজাৰ প্ৰতি আসক্তি জন্মাত বিভিন্ন ঠাইত দেৱী দ'ল নিৰ্মাণ কৰি তাত দেৱী উপাসনা কৰিবলৈ সুবিধা কৰি দিছিল। ছশ বছৰীয়া আহোম সকলৰ ৰাজত্বৰ

কালছোৱাত আহোম স্বৰ্গদেউসকলে বেলেগ বেলেগ দেৱতাৰ বাবে বেলেগ বেলেগ মন্দিৰ নিৰ্মাণ কৰি থৈ যোৱা দেখা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি শিৱ উপাসনাৰ বাবে শিৱসাগৰত নিৰ্মাণ কৰি থৈ যোৱা ঐতিহ্যপূৰ্ণ শিৱ মন্দিৰৰ কথা উল্লেখ কৰিব পাৰি। পিছে গোলাঘাটৰ নেঘেৰিটিঙৰ শিৱ মন্দিৰটোৰ এটি ব্যতিক্ৰমী মন্দিৰ। এই মন্দিৰটোৰ গাতে লগাই সন্মুখত এটাকৈ বাটচ'ৰাৰে সৈতে চাৰি কোণত চাৰিটা সৰু দ'ল আছে। বিষ্ণু, দেৱী, গণেশ আৰু সূৰ্য দেৱতাক পূজা অৰ্চনা দিয়াৰ বাবে এই দলটোৰ কাষতে সুবিধা কৰি দিয়া আছে। প্ৰধান মন্দিৰটোত শিৱ লিংগ স্থাপন কৰি তাত শিৱ পূজা কৰাৰ সুবিধা আছে। এই লিংগ প্ৰায় তিনি ফুট ওখ আৰু তিনিফুট শকত। এই লিংগক বান লিংগ বুলিও কোৱা হয়। বিদেশী পৰ্যটকসকলৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু স্বৰূপ শিৱসাগৰত থকা দ'ল বিলাকতকৈ বেছি সুন্দৰ দ'লৰ বেৰত কটা মূৰ্তিবিলাক উজ্জ্বল আৰু স্পষ্ট। এই শিৱ মন্দিৰটোৰ নিৰ্মাণ সম্পৰ্কে বুৰঞ্জীত সঠিকভাৱে পাবলৈ টান যদিও এঠাইত উল্লেখ কৰিছে যে, অষ্টম বা নৱম শতিকাত দিহিং নদীৰ দক্ষিণ পাৰত এটা শিৱ মন্দিৰ আছিল। প্ৰাকৃতিক দুৰ্যোগত পৰি এই মন্দিৰটো ভাগি পৰে আৰু তাত থকা শিৱ লিংগটো গভীৰ জংঘলৰ মাজত ঢাক খাই পৰে। পিছত বুদ্ধি স্বৰ্গ নাৰায়নে এই লিংগৰ সম্ভেদ পাই তাৰ ওপৰত এটা মন্দিৰ নিৰ্মাণ কৰি দিয়ে। ১৬৫৪-১৬৬২ চনৰ ভিতৰত যেতিয়া দিহিং আৰু লুইত মিলি বৃহৎ বৰনৈ বুকুলৈ গতি সলাই সেই সময়তে শিৱ লিংগৰ সহিতে মন্দিৰটি পানীত ডুব যায়। আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ ওৰফে চুৰেমফাই ইয়াৰ সম্ভেদ পাই বৰ্তমান থকা ঠাইতে ১৭৫১-১৭৬৯ চনৰ ভিতৰত এটা ধুনীয়াকৈ বা কুন্দতকটাকৈ মন্দিৰ নিৰ্মাণ কৰি ডুব গৈ থকা লিংগ তাত প্ৰতিষ্ঠা কৰি দিয়ে। এই মন্দিৰটো উত্তৰ ভাৰতৰ প্ৰচলিত নাগ শৈলীত নিৰ্মাণ কৰা। উল্লেখযোগ্য যে পানীত ডুব গৈ থকা মন্দিৰটো ইটা আৰু শিলৰ ব্যৱহাৰ কৰিয়েই নিৰ্মাণ কৰা হৈছে। মন্দিৰলৈ উঠি যোৱা খটখটিটোত পুৰণা শিল আৰু ইটা দেখিবলৈ পোৱা যায়। এই দেও লগা মন্দিৰটোৰ পূজাৰীজনক কান্যকুব্জৰ পৰা অনা হৈছিল। এই মন্দিৰৰ পূজাৰীজনক ৰজাই বৰঠাকুৰ উপাধি দি সন্মান জনাইছিল। মুখ্য পূজাৰীৰ সহকাৰীজনক পাত্ৰ ঠাকুৰ বোলা হয়। দ'লৰ ফুল, মালা, আদি সংগ্ৰহ কৰাত চকু দিবলৈ, মন্দিৰৰ ৰক্ষণা-বেক্ষণ আৰু মেৰামতি কামত তত্বাবধান ল'বলৈ আৰু দৰ্শনাৰ্থীক সহায় সহযোগ আগবঢ়াবৰ বাবে যথাক্ৰমে মলীয়া বৰুৱা, দেৱালীয়া বৰুৱা আৰু দেৱগএগ্ৰা বৰুৱা আদি বিষয়াসকলক নিয়োগ কৰিছিল। দ'লৰ সম্পৰ্কীয় কামত নিয়োগ কৰা পূজাৰী বিষয়া বা পাইক সকলক মাটিবাৰী দি ৰজাই সংস্থাপন কৰি দিছিল। ৰজাই দিয়া মাটী-বাৰীৰ চিন আজিও দেখিবলৈ পোৱা যায়। এই মন্দিৰটোৰ প্ৰতি জনসাধাৰণৰ মাজত আজিও শ্ৰদ্ধা ভক্তি দেখিবলৈ পোৱা যায়।

অসমৰ সংস্কৃতিবান ৰাইজে বিশ্বাস কৰে ইয়াত পূজা-পাতল দিলে সন্তানহীন যুগ্ম জীৱনলৈ সন্তানৰ আগমন ঘটে, অৰ্থহীন লোকৰ হাতলৈ অৰ্থ সোঁত বয়, উপযুক্ত সময়ত প্ৰাণ পাশৰ বাবে মনঃপুত প্ৰাৰ্থী লাভ কৰিব পাৰে আৰু বহুদিন ধৰি প্ৰণয় পাশত আৱদ্ধ নোহোৱাকৈ থকা লৰা বা ছোৱালীৰ সোনকালে বিবাহ সম্পন্ন হৈ যায়।

এনে ধৰণৰ বিশ্বাস থকাৰ বাবেই ৰংপুৰত থকা আহোম স্বৰ্গদেউৱে নেঘেৰিটিঙৰ শিৱ মন্দিৰৰ নিৰ্মালি পুৱাই গ্ৰহণ কৰিহে আহাৰ লৈছিল বা ভক্ষণ কৰিছিল। ▶▶

# প্ৰদূষণ
# আৰু ল'ব লগা সচেতনতা

**গায়ত্ৰী শইকীয়া ৰাজখোৱা**
স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ



যোৱা কেইবাটাও দশক ধৰি আধুনিক সভ্যতাৰ জখলাত উৰ্দ্ধগামী মানুহৰ বিভিন্ন কাৰ্য্যকলাপে বায়ুমণ্ডলৰ ৰাসায়নিক অনুপাতৰ এনে পৰিৱৰ্তন ঘটাইছে যে ই মানুহ তথা অন্য জীৱিত প্ৰাণীৰ স্বাস্থ্য, নিৰাপত্তা আৰু স্থিতিৰ প্ৰতি এক ভয়াবহ প্ৰত্যাহ্বান হৈ থিয় দিছে। প্ৰগতিৰ এক অবাঞ্ছনীয় ফলশ্ৰুতিত ক্ৰমে বৃদ্ধি পাই অহা পৰিবেশ প্ৰদূষণৰ পৰা হাত সৰাৰ একমাত্ৰ উপায় হ'ল প্ৰকৃত সচেতনতা। প্ৰগতিৰ প্ৰধান আহিলা হ'ল উদ্যোগ। জাতীয় জীৱনত ই অতি প্ৰয়োজনীয় আৰু অনস্বীকাৰ্য। সেয়ে 'ধ্বংসবিহীন প্ৰগতিৰ' ধ্বজা প্ৰদূষণৰ ভয়াবহতা আৰু ব্যাপকতাৰ হাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে সকলোৰে মূল লক্ষ্য হোৱা উচিত।

আধুনিক মানৱে সৃষ্টি কৰা সমস্যাসমূহৰ এক অন্যতম সমস্যা হৈছে বায়ু প্ৰদূষণ। সকলো ধৰণৰ উদ্যোগিক আৱৰ্জনা, যান-বাহনৰ ইঞ্জিনৰ পৰা নিৰ্গত হোৱা বৰ্জিত উপাদান সমূহ, কৃষি কাৰ্যত ব্যৱহৃত ৰাসায়নিক দ্ৰব্যসমূহ, বিভিন্ন পৰীক্ষামূলক বিস্ফোৰণত উৎপাদিত বিষাক্ত পদাৰ্থসমূহ, যুদ্ধ আৰু যুদ্ধ প্ৰস্তুতিৰ জৰিয়তে ঘটা প্ৰদূষণ আদিয়ে আমাৰ চৌদিশৰ বায়ুমণ্ডলক ক্ৰমে ধ্বংসৰ ৰক্তবীজত পৰিণত কৰি আহিছে। প্ৰতিবছৰে দুহেজাৰ মিলিয়ন টন কাৰ্বন-ডাই-অক্সাইড ১৩০ মিলিয়ন টন চালফাৰ-ডাই অক্সাইড আৰু একেধৰণে হাইড্ৰ'কাৰ্বন, নাইট্ৰোজেন অক্সাইড, আৰ্চেনিক দৰে অপদ্ৰব্যৰ পৰিমাণ ক্ৰমে বায়ুমণ্ডলত বৃদ্ধি পাই আহিছে। জলীয় বাষ্পৰ লগত মিহলি হৈ এই দ্ৰব্যবোৰে এচিদ বৰষুণ, এচিদ কুঁৱলী, এচিদ বৰমা, এচিদ নিয়ৰ আদিৰ সৃষ্টি কৰে। 'ৰাসায়নিক কুষ্ঠ' বুলি

জনাজাত এই 'প্ৰক্ৰিয়া' বৰ্তমান উত্তৰ আমেৰিকা আৰু ইউৰোপৰ বাবে দৈনন্দিন ঘটনা যদিও গণ বিজ্ঞান সমিতি' অসমৰ সংবাদ অনুসৰি কেইবছৰ মানৰ আগত আনকি গুৱাহাটীৰ দাতিকাষৰীয়া চন্দ্ৰপুৰতো এনে এচিদ বৰষুণ আৰু এচিদ কুঁৱলী হোৱাৰ ঘটনা প্ৰত্যক্ষ হৈছিল।



একেখিনি খেতি মাটিত উপৰ্যুৎপৰি কৰা কৃষি কাৰ্য্য, অতিৰিক্ত পশু চৰোৱা অভ্যাস। নিম্নতম জলসিঞ্চন আদিৰ দৰে কাৰণত মৰুভূমিৰ পৰিসৰ ভয়াবহ ভাৱে বৃদ্ধি পাইছে। প্ৰতি বছৰে বাৰ মিলিয়ন হেক্টৰ মাটিত এনে প্ৰতিক্ৰিয়া পৰিলক্ষিত হয় আৰু কৃষিকাৰ্য্যত ব্যৱহাৰ অনুপযোগী হৈ পৰে।

বৰ্তমান তেল আৰু কয়লাৰ দৰে জীৱাশ্ম ইন্ধনৰ বিভিন্ন ধৰণৰ দহনৰ ক্ৰমবৰ্দ্ধমান হাৰৰ দ্ৰুত ফলশ্ৰুতিত ইন্ধন সমূহৰ ৰাসায়নিক বান্ধনীত সোমাই থকা কাৰ্বন-ডাই-অক্সাইড বায়ুমণ্ডলত তাৰ পৰিমাণ বৃদ্ধি হৈছে। এই কাৰ্বনডাই অক্সাইড গেছে কিছুমান অৱলোহিত ৰশ্মি, ধূলিকণা আৰু অন্যান্য গেছীয় উপাদান ধৰি ৰাখে। ইয়াৰ আন এটা গুৰুত্বপূৰ্ণ ভূমিকা হৈছে পৃথিৱীক প্ৰয়োজনীয় তাপৰ যোগান ধৰা। সেয়ে ক্ৰমে পৃথিৱীৰ উষ্ণতাত বৃদ্ধি পায় আহিছে। এই প্ৰক্ৰিয়াক Green House Effect অথবা সেউজগৃহ প্ৰভাৱ বুলি বিজ্ঞানত অভিহিত কৰা হৈছে। গ্ৰীষ্মমণ্ডলৰ অৰণ্য অঞ্চলৰ জ্বলনৰ ফলশ্ৰুতিটো কাৰ্বন-ডাই অক্সাইড গেছৰ পৰিমাণ বৃদ্ধি পাই আহিছে। অহা শতাব্দীৰ মাজ ভাগত হয়তো এনে উষ্ণতা বৃদ্ধিৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে মেৰু অঞ্চলৰ উষ্ণতা ৭° চেণ্টিগ্ৰেডলৈ উৰ্দ্ধগামী হ'ব। ফলশ্ৰুতিত পৃথিৱীখন খৰাং হৈ পৰিব আৰু তাৰ বিপৰীতে মেৰু অঞ্চলৰ বৰফ গলি পৃথিৱীৰ অধিকাংশ প্লাৱিত হ'ব।

প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ বাবে পৰিৱেশ প্ৰদূষণৰ নিয়ন্ত্ৰণ আৰু ৰোধ কৰাৰ বাবে সকলো সজাগ হোৱাটোৱেই বৰ্তমানৰ সময়ৰ আহ্বান। এনে নিয়ন্ত্ৰণ আৰু প্ৰদূষণ ৰোধৰ বাবে অৱলম্বন কৰিব লগীয়া কেইটামান গুৰুত্ব পূৰ্ণ যোজনা এনে ধৰণৰ —

১। ট্ৰপিকেল বা গ্ৰীষ্ম মণ্ডলৰ অৰণ্যাঞ্চল সংৰক্ষণ আৰু বৃক্ষৰোপনৰ হাৰ বৃদ্ধি কৰা।

২। পেট্ৰ'ৰাসায়নিক উদ্যোগ সমূহৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰা।

৩। উপযুক্ত শিক্ষা, প্ৰশিক্ষণ আৰু গৱেষণাৰ ব্যৱস্থা কৰা আৰু মানৱৰ মাজত সচেতনতা বৃদ্ধি কৰা।

৪। নৱীকৰণীয় শক্তিৰ উৎসবোৰৰ নিৰ্ভৰতা হ্ৰাস কৰা।

৫। দৰিদ্ৰতা দূৰীকৰণ কৰা।

৬। প্ৰদূষণৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ।

৭। নিউক্লীয় শক্তিৰ উৎপাদন, নিউক্লীয় অস্ত্ৰ আৰু নিউক্লীয় যুদ্ধৰ ওপৰত প্ৰকৃত নিয়ন্ত্ৰণ।

৮। অজ'ন স্তৰৰ সুৰক্ষা।

৯। সীমিত জীৱন যাপনৰ ব্যৱস্থা কৰা।

এনেধৰণে বিভিন্ন যোজনা গ্ৰহণেৰে প্ৰদুষণ নিয়ন্ত্ৰণ তথা ৰোধ কৰাৰ সময় সমাগত। নহলে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বোৱতী ধাৰাই ক্ৰমে উন্নতিৰ শিখৰলৈ লৈ যোৱা মানৱ সভ্যতাক প্ৰদূষণৰ ধ্বংস যজ্ঞই চাৰখাৰ কৰিবলৈ হয়তু বেছিপৰ নালাগিব। ◗◗



# ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

**পল্লৱী বড়া**

স্নাতক দ্বিতীয় বৰ্ষ

হাবিত ফুলা কেতেকী ফুলৰ গোন্ধে আমাৰ দেহ মন উন্মনা কৰাৰ দৰে এজন ব্যক্তিৰ ব্যক্তিত্বই এখন দেশৰ লগতে সমগ্ৰ বিশ্বকে আনন্দ দিব পাৰে। তাৰ কাৰণে সেই ব্যক্তিজন সৰুকালৰ পৰাই সদাচাৰী, বিনয়ী, ধৈৰ্যশীল, সাহসী আৰু জ্ঞানী সৰ্বগুণৰ অধিকাৰী আছিল ড° সৰ্বপল্লী ৰাধাকৃষ্ণন। যাৰ বাবে তেওঁক বিশ্বই চিনি পাইছিল আৰু মহান দাশনিক, বিশ্ববিশ্ৰুত পণ্ডিত, শিক্ষাবিদ, সুৰাজনীতিবিদ আদিৰ খ্যাতি লাভ কৰিছিল। ফুল মানুহৰ ওচৰলৈ নাযায়, মানুহহে ফুলৰ ওচৰলৈ যায়। এপাহ ফুলৰ যি সৌন্দৰ্য্য, সেই সৌন্দৰ্যই মানুহক আকৰ্ষণ কৰে, তেনে এপাহ ফুলৰ নিচিনাই আছিল ৰাধাকৃষ্ণণ যাৰ ব্যক্তিত্ব আজিও জ্ঞান মন্দিৰত জিলিকি আছে।

এইজনা মহান, দাৰ্শনিক, বিশ্ববিশ্ৰুত পণ্ডিত, শিক্ষাবিদ, সু-ৰাজনীতিবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱে ১৮৮৮ চনৰ পাঁচ ছেপ্তেম্বৰ তাৰিখে মাদ্ৰাজৰ (বৰ্তমান চেন্নাই) ৰ পৰা চাবিশ মাইল দুৰত অৱস্থিত তিৰুতানি নামৰ এখন সৰু চহৰত সৰ্বপল্লী বীৰ স্বামীৰ ঔৰসত আৰু শিৱা কামস্মাৰ গৰ্ভত জন্ম গ্ৰহণ কৰে। জাতিত তেওঁলোক ব্ৰাহ্মণ আছিল সেই বাবেই হয়তো নিয়ম-নীতি, আচাৰ-

বিচাৰ বেছিকৈ মানি চলিবলগীয়া হৈছিল। যাক কোৱা হয় নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়াল বুলি। পৰম্পৰাগত ভাৱে চলি অহা নিয়ম এটা মাক-দেউতাকৰ লগতে শিশু ৰাধাকৃষ্ণনেও নিৰ্বিবাদে মানি চলিছিল। সাধাৰণতে এটা শিশুক ঘৰখনে বা মাক-দেউতাকে যি শিক্ষা দিয়ে শিশুটিয়ে সেই শিক্ষাকে গ্ৰহণ কৰে। সেয়ে ৰাধাকৃষ্ণনে নৈষ্ঠিক ব্ৰাহ্মণ কুলত জন্ম লোৱা কাৰণে ব্ৰাহ্মণীয় নীতি-নিয়মকে মানি চলিছিল আৰু সেই পৰিবেশ আৱেষ্টনীৰ মাজতে ডাঙৰ হৈছিল।

ৰাধাকৃষ্ণনৰ দেউতাকৰ অৱস্থা সিমান টনকিয়াল নাছিল। কাৰণ দেউতাক বীৰস্বামী আছিল স্থানীয় জমিদাৰ এজনৰ অধীনৰ ৰাজহ কৰ্মচাৰী। এটা সৰু চাকৰিৰে এটা ডাঙৰ পৰিয়াল ভৰণ-পোষণ দিবলৈ যাঁওতে ৰাধাকৃষ্ণনৰ দেউতাক আৰ্থিকফালৰ পৰা বহু সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল যদিও ৰাধাকৃষ্ণনৰ দেউতাক এটা কথাত বৰ সচেতন আছিল। সেয়া হৈছে শিক্ষা। তেওঁ জানিছিল জীৱনত শিক্ষাৰ সমান একো বস্তুৱেই হ'ব নোৱাৰে। সেয়ে বোধকৰো অভাৱ অনাটনৰ মাজতো ৰাধাকৃষ্ণনৰ শিক্ষাৰ প্ৰতি পাৰ্য্যমানে যত্ন লৈছিল।

শৈশৱৰ সোণৰ চেঁকুৰা বুটলি ফুৰোতেই ৰাধাকৃষ্ণনৰ আঠ বছৰ কাল পাৰ হ'ল। এদিন দেউতাকে তেওঁক তিৰুপতিৰ লুথেৰাণ মিশ্যন স্কুলত নামভৰ্তি কৰি দিলে। ১৮৯৬ চনত প্ৰাথমিক বিদ্যালয়লৈ গৈছিল আৰু মিশ্যন স্কুলতেই জ্ঞানৰ মন্দিৰত বন্তি জ্বলায়। ৰাধাকৃষ্ণনৰ পঢ়াৰ প্ৰতি থকা ধাউতিয়ে সকলোকে আনন্দ দিব পাৰিছিল। পাঁচ বছৰ কাল লুথেৰান মিশ্যন হাইস্কুলত পঢ়া শেষ কৰি তেখেতে ১৯০০ চনত ভেলোৰ কলেজত নামভৰ্ত্তি কৰে। ভেলোৰ কলেজত ১৯০৪ চনলৈকে উচ্চ শিক্ষা গ্ৰহণ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। ১৯০৪ চনৰ পৰা ৰাধাকৃষ্ণনে মাদ্ৰাজৰ খ্ৰীষ্টান মহাবিদ্যালয়ত নামভৰ্তি কৰি দৰ্শন শাস্ত্ৰক মুখ্য বিষয় হিচাপে লৈ মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। বিশ্ববিদ্যালয়ৰ ভিতৰত অনাৰ্চসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা কাৰণে ড° চেমুৱেল সাথিয়ানাথন সোণৰ পদক ৰাধাকৃষ্ণনক প্ৰদান কৰে।

আৰ্থিকভাৱে ৰাধাকৃষ্ণনে অভাৱৰ মাজত হাবু-ডাবু খালেও মনৰ মাজত লুকাই থকা একাগ্ৰতা আৰু সততাক অভাৱৰ মাজলৈ সোমাবলৈ দিয়া নাছিল। তেওঁ আত্মবিশ্বাস, আত্মসাহস আৰু ভগৱানৰ ওচৰত অগাধ বিশ্বাস ৰাখি অভাৱ-অনাটনৰ মাজতো শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিছিল। বি.এ. পাছ কৰাৰ পাছত ৰাধাকৃষ্ণনে এম এ পঢ়িবলৈ বিশ্ববিদ্যালয়ত নাম লগালে। মেধাৱী ছাত্ৰ আছিল বাবে ৰাধাকৃষ্ণনে বিশ্ববিদ্যালয়ত শিক্ষকৰ মৰম-স্নেহ বাৰুকৈয়ে লাভ কৰিছিল। ৰাধাকৃষ্ণনে সু-খ্যাতি অৰ্জন কৰি বিৰল কৃতিত্বৰে নিজৰ মেধা শক্তিৰ পৰিচয় দি দৰ্শন বিভাগত এম এ পাছ কৰিছিল। এম এ পঢ়ি থকাৰ সময়তে তেওঁ সৎ চিন্তা সৎ আদৰ্শ আৰু ঐকান্তিক প্ৰচেষ্টাৰ কাৰণে মৌলিক প্ৰবন্ধ লিখিবলৈ সক্ষম হয় আৰু ১৯০৮ চনত সেই প্ৰবন্ধ কিতাপ আকাৰে প্ৰকাশ কৰি উলিয়াই ডক্টৰেট ডিগ্ৰী লাভ কৰে।

বিভিন্ন আলৈ আহুকালৰ মাজেদি ৰাধাকৃষ্ণনে শিক্ষা জীৱন শেষ কৰি কৰ্মময় জীৱনৰ পাতনি মেলে। "অভাৱেই আৱিস্কাৰৰ মূল" ৰাধাকৃষ্ণনে দৈনন্দিন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিততে অৰ্থোপাৰ্জনৰ কথা ভাবিবলগীয়া হৈছিল। অশেষ চেষ্টা আৰু কষ্টৰ মূৰকত তেওঁ মাদ্ৰাজ এডুকেশ্যনেল চাৰ্ভিচত এটা সৰু চাকৰি যোগাৰ কৰি কৰ্মজীৱনৰ পাতনি মেলে। সৰু হ'লেও ৰাধাকৃষ্ণনে সেই চাকৰিটোৰেই ব্যস্ত জীৱনৰ শুভাৰম্ভনি ঘটালে। এজন মেধাসম্পন্ন ব্যক্তিক তেনে এটা চাকৰিয়ে সন্তুষ্ট দিব পৰা নাছিল। সেয়ে ১৯০৯ চনত সেইটো চাকৰিৰ পৰা ওলাই আহি মাদ্ৰাজৰ প্ৰেচিডেন্সী কলেজৰ দৰ্শন বিভাগৰ অধ্যাপক হিচাপে মহান শিক্ষা জীৱনৰ শুভ উন্মোচন কৰিলে।

১৯০৯ চনৰ পৰা ১৯১৭ চনলৈকে ৰাধাকৃষ্ণনে মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজত শিক্ষকতা কৰি আছিল। ১৯১৮ চনত তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ত দৰ্শন অধ্যাপক ৰূপে নিযুক্তি পায়। ইয়াতে তেওঁ একনিষ্ঠাৰে শিক্ষকতা কৰে। তাৰ পাছত ১৯২১ চনত ছাৰ আশুতোষ মুখপাধ্যায়ৰ আমন্ত্ৰণ ক্ৰমে কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শনৰ মুৰব্বী অধ্যাপকৰূপে দহ বছৰ অধ্যাপনা কৰে। ১৯২৭ চনত ৱালটেয়াৰত থকা অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তনত অনুষ্ঠানত ৰাধাকৃষ্ণনক ভাষণ দিবৰ বাবে আমন্ত্ৰণ কৰে। ১৯২৩ চনত অক্সফোৰ্ডৰ মানচেষ্টাৰ কলেজৰ অধ্যক্ষ প্ৰফেচৰ ইষ্টলিউ কাৰপেণ্টাৰ চাহাবে পদত্যাগ কৰাত

বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে সেই পদ অলংকৃত কৰে। ১৯৩১ চনত অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে ৰাধাকৃষ্ণনে আসন গ্ৰহণ কৰে। পুনৰ ১৯৩৬ চনত ৰাধাকৃষ্ণনে মাত্ৰ তিনিবছৰৰ বাবে লণ্ডনৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত 'প্ৰাচ্যধৰ্ম আৰু নৈতিক শাস্ত্ৰ'ৰ অধ্যাপক ৰূপে প্ৰতিষ্ঠিত হয়। অক্সফোৰ্ড বিশ্ববিদ্যালয়ত এওঁৱেই প্ৰথম ভাৰতীয় অধ্যাপক।

১৯৩৯ চনত ৰাধাকৃষ্ণন ভাৰতলৈ ঘূৰি আহি বাৰানসী হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত অধিষ্ঠিত হয়। এইজন ব্যক্তি ১৯৪০ চনত বৃটিছ একাডেমীৰ 'ফেলো" হিচাপে নিৰ্বাচিত হয়। ভাৰতৰ স্বাধীনতা লাভ কৰাৰ পাছত অৰ্থাৎ ১৯৪৮ চনত ৰাধাকৃষ্ণনে ভাৰত চৰকাৰে পাতি দিয়া বিশ্ববিদ্যালয় আয়োগৰ সভাপতি হয়। আয়োগৰ সভাপতি হোৱাৰ পাছত তেখেতে ভাৰতীয় শিক্ষা পদ্ধতিলৈ বৰঙণি যোগোৱাৰ বিশেষ সুবিধা পায়। অৱশ্যে এই কামত বেছিদিন তিকি থাকিব নোৱাৰিলে।

১৯৪৯ চনত ৰাধাকৃষ্ণনে ছোভিয়েট ৰাছিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে গধুৰ দায়িত্ব বহন কৰে। ১৯৫২ চনত ৰাধাকৃষ্ণন স্বাধীন ভাৰতৰ উপৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয় আৰু উপৰাষ্ট্ৰপতি হিচাপে বিশেষ দক্ষতাৰে ৰাজ্যসভাত অধ্যক্ষতা কৰে। এজন সুদক্ষ আৰু কৰ্মকুশলী ব্যক্তিয়ে নিজৰ কৰ্মৰাজিৰ মাজেদি ১৯৬২ চনত ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে ৰাষ্ট্ৰপতি পদ অলংকৃত কৰে। ৰাষ্ট্ৰপতি হৈ ৰাধাকৃষ্ণনে অতি সুচাৰুৰূপে নিজৰ জ্ঞান-বুদ্ধিৰ মাজেদি আহৰণ কৰা দক্ষতাৰে এখন ৰাষ্ট্ৰক সু-শাসন দিব পাৰিছিল।

আধ্যাত্মিক শিক্ষাৰ পথ প্ৰদৰ্শক ৰাষ্ট্ৰনেতা তথা দাৰ্শনিক হিচাপে নিজৰ পৰিচয় দি ১৯৬৭ চনত ৯ মে তাৰিখে এইজনা পুৰোধাই কৰ্মৰত জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। কৰ্মই যাৰ জীৱন' এই আপ্তবাক্যশাৰী ৰাধাকৃষ্ণনৰ জীৱনৰ প্ৰতিটো পদক্ষেপত উদ্ভাসিত হৈ পৰিছিল।

আমি এষাৰ কথা জানো যে এজন ৰজাক নিজৰ দেশতহে পূজা কৰে। কিন্তু পণ্ডিত এজনক, শিক্ষাবিদ এজনক সকলো দিশতে বা বিশ্বতেই পূজা কৰে অৰ্থাৎ সন্মান যচা হয়। ৰাধাকৃষ্ণনেও নিজৰ শিক্ষাৰ জৰিয়তে ভাৰতৰ উপৰিও অন্য দেশতো সন্মানৰ অধিকাৰী হ'ব পাৰিছিল। ৰাধাকৃষ্ণন আছিল সাধাৰণতে জীৱন যাপন কৰা অসাধাৰণ ব্যক্তি। সেয়ে তেওঁৰ চিন্তা আছিল অতি উচ্চখাপৰ। ইংৰাজী এষাৰ কথা আছে "Simple living and high thinking" এই কথাষাৰ ৰাধাকৃষ্ণনৰ জীৱনত প্ৰতিফলিত হোৱা দেখা যায়। সদালাপী, নিৰহংকাৰী, নিৰ্মল চৰিত্ৰৰ ৰাধাকৃষ্ণনে ৰাষ্ট্ৰপতি হৈ দেশৰ কাৰণে, জনগণৰ উন্নতি কাৰণে যি চিন্তা কৰিছিল সেয়া ভাৰতৰ কাৰণে এক গৌৰৱময় অধ্যায় হৈ ৰ'ব।

ৰাধাকৃষ্ণন সৰু অৱস্থাৰ পৰাই বিদ্যানুৰাগী হোৱাৰ কাৰণে ধন, পুণ্য আৰ্জন কৰাৰ উপৰিও সন্মান আৰু যশস্যা সমগ্ৰ বিশ্বতেই এখন নদীৰ দৰেই প্ৰবাহিত কৰিব পাৰিছিল। চিৰজ্যোতিষ্মান ভোটা তৰাৰ দৰে ভাৰতৰ নীল আকাশত জিলিকি ৰ'ল নিজৰ একাগ্ৰতা ধৈৰ্য আৰু কঠোৰ পৰিশ্ৰমৰ ফলত। তেখেতে ছাত্ৰ-জীৱনৰ পৰাই নিদ্ৰা, তন্দ্ৰা, ভয়, ক্ৰোধ, আলস্য আৰু দীৰ্ঘসূত্ৰীতা এই ছয় দোষৰ পৰা সদায়ে আঁতৰ হৈ আছিল আৰু সেইকাৰণেই শিক্ষাবিদ, দাৰ্শনিক, সাহিত্যিক, সু দক্ষ ৰাজনীতিবিদ, সুবক্তা আদি উপাধিৰে ভূষিত হ'ব পাৰিছিল।

কৰ্ম জীৱনৰ পৰা অৱসৰ লোৱাৰ পাছত ১৯৭৫ চনৰ ১৬ এপ্ৰিল তাৰিখে নিশা ১২ বাজি ৪৫ মিনিটত ৰাধাকৃষ্ণনে ভাৰতবাসীৰ লগতে সমগ্ৰ বিশ্বকে কন্দুৱাই পৰলোকলৈ গতি কৰে। ' ফুল মৰহি যোৱাটো ফুলৰ ধৰ্ম' কিন্তু ফুলৰ যি সৌৰভ সেই সৌৰভ কোনেও কোনো কাৰণতে কেতিয়াও পাহৰিব নোৱাৰে।" স্মৰণীয় গুণেৰে সুবাসিত দাৰ্শনিক, পণ্ডিত, কৃতি শিক্ষক ৰাধাকৃষ্ণনৰ জীৱনকীৰ্তি যুগমীয়া কৰি ৰাখিবৰ কাৰণেই তেখেতৰ জন্ম দিৱস ৫ ছেপ্তেম্বৰ তাৰিখটো সমগ্ৰ ভাৰততে 'শিক্ষক দিৱস' হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লোৱা হয় আৰু আজিও তেখেত মৰিও অমৰ হৈ বিশ্ববন্দিত হয় প্ৰতি পাঁচ ছেপ্তেম্বৰত।

*"ভাগি গ'ল বীণখনি ছিগি গ'ল তাঁৰ*
*ৰৈ গ'ল মাথো অমিয়া সুৰৰ ঝংকাৰ।"*



# অসমীয়া লোকসংস্কৃতিত
# তামোলপাণৰ প্ৰয়োজনীয়তা

**গীতাঞ্জলী কলিতা**

স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিভাগ

অসমীয়া লোক-সংস্কৃতিত তামোল পাণে এক উল্লেখযোগ্য ভূমিকা পালন কৰিছে। অতীজৰে পৰা বৰ্তমানলৈকে তামোল পাণ অসমীয়া মানুহৰ মাজত এক অবিচ্ছেদ্য বস্তু হিচাপে পৰিগণিত হৈছে।

তামোল পাণৰ অবিহনে বিয়া, সকাম, মাহেকীয়া, দহা-কাজ, হিন্দুসকলৰ পূজা পাতল, গোঁসাই ঘৰ, থান-নামঘৰলৈকে কোনো এটা কামেই সূচাৰুৰূপে কৰিব নোৱাৰি। কিয়নো গুৱা-পান হৈছে অসমীয়া মানুহৰ এক পুৰণি সম্পদ।

তামোল পাণৰ অসমত বিশেষ প্ৰচলন। প্ৰত্যেক অসমীয়া মানুহৰ বাৰীত তামোল পাণ ৰোৱাটো এটা ধৰা বন্ধা নিয়ম। গতিকে অসমীয়াত এষাৰ বচন আছে এনেদৰে —

আগফাল শুৱনি কাকিনী তামোল  
পাচফাল শুৱনি পাণ।”

আমাৰ ধৰ্মানুষ্ঠান আৰু সামাজিক উৎসৱত তামোল পাণ এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। পূজাৰ নৈবেদ্যতো তামোল পাণ এক অপৰিহাৰ্য উপচাৰ। গুৰু গোঁসাইলৈ বা সদৌ ৰাইজলৈ তামোলৰ শৰাই আগবঢ়োৱা হয়। উৎসৱ অনুষ্ঠানত বা অপায় অমঙ্গলৰ সময়ত গুৰু ঘৰলৈ, নামঘৰলৈ, দেৱতা-অপদেৱতালৈ তামোল পাণ আগবঢ়োৱা হয়। আলহি-অতিথিক সৰ্ব প্ৰথমে গুৱা পাণেৰে অভ্যৰ্থনা কৰা হয়। তামোলখনৰ যোগেদি গুৰুৰ আশীৰ্বাদ লাভ কৰা হয়। তামোল পাণৰ আদান-প্ৰদানত বন্ধুত্ব সম্পৰ্ক গঢ়ি উঠে। তদুপৰি ৰাজহুৱা অপৰাধত পৰিলেও তামোল-পাণ এযোৰ দি দোষ খণ্ডন কৰিব পাৰি।

ডেকা-গাভৰুৰ প্ৰেম নিবেদন, বিবাহ আৰু বিবাহ বিচ্ছেদৰ সময়তো তামোল পাণে উল্লেখনীয় ভূমিকা পালন কৰিছে। প্ৰাচীন কালত ডেকা-গাভৰুৱে তামোল-পাণৰ বিনিময়েৰে ইজনে সিজনক প্ৰেম নিবেদন কৰিছিল। বিহু গীততো এনে প্ৰেম প্ৰীতিৰ আবেগ পোৱা যায় এইদৰে ঃ

*কিনো তামোলখনি*
*দিলা মোৰ মইনা*
*অতি চেনেহেৰে খালো।*
*সেই নো তামোলখনি*
*খাবৰে পৰা*
*তোমাৰ লগত চিনাকি হ'লো।*

বিবাহৰ নিমন্ত্ৰণ কাৰ্যতো তামোল পাণৰ প্ৰয়োজন। তামোল পাণৰ যোগেদি বিহুগীতৰ তিৰোতাৰ কলাসুলভ মনৰ পৰিচয় পোৱা যায় এইদৰে ঃ

*আগফাল শুৱনি*
*কাকিনী তামোল*
*পাচফাল শুৱনি পাণ।*
*বৰঘৰ শুৱনি*
*গাভৰু ছোৱালী*
*উলিয়াই দিবলৈ টান।।"*

বিয়াৰ ভালেমান কাৰ্য-কলাপত তামোল পাণৰ ব্যৱহাৰ মন কৰিবলগীয়া। বিয়াৰ কেইদিনা দৰা-কন্যাই এযোৰ পাণ তামোল আৰু এখন চুৰিকটাৰী লগত ৰাখিব লাগে। বিবাহ অনুষ্ঠান শেষ হলে দৰা কন্যাই এই তামোল পাণ আৰু চুৰি কটাৰী পৰিৱৰ্তন কৰিব পাৰে। বিয়াত দৈয়ন দিওঁতেও পাণৰ প্ৰয়োজন হয়। তদুপৰি অসমীয়া মানুহৰ শৰণ-ভজনৰ ক্ষেত্ৰতো গুৱা পাণৰ প্ৰয়োজন হয়।

পাণ কেইবা প্ৰকাৰৰো। উদাহৰণস্বৰূপে— জাতি পাণ, নগা পাণ, গান পাণ, কাৰ্বি পাণ, বাংলা পাণ ইত্যাদি। অৱশ্যে এটা কথা সত্য যে নিৰ্দিষ্ট ঠাইক লৈ পাণৰ নামাকৰণ কৰা হয়।

অৱশ্যে পাণ তামোল কাটি খোৱাৰ নিৰ্দিষ্ট নিয়ম আছে। উদাহৰণস্বৰূপে ঃ পাণৰ আগটো; সিৰাবোৰ আৰু ঠাৰি কাটি খাব লাগে। পাণৰ আগটোৱে বেমাৰ আনে, সিৰে মানুহৰ আয়ুস কমায় আৰু ঠাৰি খালে কথা পাহৰে বুলি অসমীয়া সমাজৰ লোক বিশ্বাস। সেইদৰে তামোলৰ কনটো খালে অতি সোনকালে মাতৃৰ বিয়োগ ঘটে বুলিও অসমীয়া সমাজৰ লোক বিশ্বাস। তদুপৰি একেজোপা তামোলত পাণ ৰুলে সেই পাণে কোনো মুৰ্মুষ ৰুগীকো আৰোগ্য কৰিব পাৰে।

আমাৰ প্ৰতিটো কাৰ্যতে গুৱা-পাণৰ প্ৰযোজ্য হয়। উদাহৰণস্বৰূপে ঃ ঋতুমতী হোৱা কোনো লোকৰ গাত আই /বসন্ত পিঠা খোৱা আদিয়ে দেখা দিলে, কোনো লোকৰ চকুৰ অসুখ হ'লে এই ক্ষেত্ৰত সৰ্বপ্ৰথমে গোপিনীসকলক গুৱা-পাণৰ শৰাই আগবঢ়োৱা হয়।

ভাওনা, সবাহ আদিতো মানুহক গুৱা-পাণেৰে নিমন্ত্ৰণ কৰা হয়। কাতি বিহু, লক্ষ্মীপূজা, দীপাৱলী আদিতো প্ৰত্যেক মানুহে তেওঁলোকৰ নিজৰ ভঁৰালত এখন আগলি কলপাতত এগছি মাটি চাকিৰ সৈতে এযোৰ তামোল পাণেৰে সেৱা জনায়। এই প্ৰথা অতীজৰে পৰা চলি আহিছে আৰু যিসকলে তামোল পাণৰ আদৰ জানে তেওঁলোকে এই কাৰ্য বৰ্তমানেও কৰিবলৈ পাহৰা নাই।

অসমৰ কৃষক ৰাইজে শস্য চপোৱাৰ প্ৰাক্ মুহূৰ্তত নিজ নিজ পথাৰত তেওঁলোকে মৌলিক জীৱনৰ খাদ্যস্বৰূপে ৰোৱা ধানগছৰ ওচৰত যাতে পোক-পতঙ্গই খায় সেইবোৰ অনিষ্ট নকৰে, সেই পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবৰ বাবেও এখনি আগলি কলপাতত এগছি বন্তিৰ সৈতে এযোৰ তামোল পাণেৰে সেৱা জনায় যাতে তেওঁলোকৰ খেতি সফল হয়।

কিছুমান অসমীয়া কৃষক ৰাইজে অনবৰতে ঘৰত হাত সাৰটি বহি নাথাকি তামোল পাণ ৰুই সেই তামোল পাণ বিক্ৰী কৰি নিজৰ অৰ্থনৈতিক দুৰৱস্থাও বহু পৰিমাণে লাঘৱ কৰা দেখা গৈছে। কিন্তু, অতি পৰিতাপৰ কথা এইয়ে যে কিছুমান শিক্ষিত যুৱকে নিজৰ অৰ্থনৈতিক দুৰৱস্থাৰ পৰা নিজকে স্বাৱলম্বী কৰিবৰ বাবে তথা ঘৰখনৰো অৰ্থনৈতিক দুৰৱস্থা নিৰাময় কৰাৰ উদ্দেশ্য সুখ্যাতিৰে বি. এ., এম এ উত্তীৰ্ণ হৈও চৰকাৰী চাকৰি নাপাই তামোল পাণৰ ওপৰতে ভিত্তি কৰি জীৱন গঢ়াৰ সংকল্প লৈছে।

যি কি নহওঁক, অসমীয়া মানুহে গুৱা-পাণৰ আদৰ ভালকৈয়ে জানে আৰু ভৱিষ্যতেও গুৱা-পাণে অসমীয়া লোক সংস্কৃতিত এক নিবিড় সম্পৰ্ক গঢ়ি তুলিব পাৰিব বুলি মোৰ দৃঢ়বিশ্বাস। ▶▶

# সমাজ সংগঠক আৰু সমাজ সংস্কাৰক ৰূপে

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

**শ্ৰুতিধাৰা বড়া**
স্নাতক প্ৰথম বৰ্ষ

মহাপুৰুষ শঙ্কৰদেৱ, এই নাম উচ্চাৰণৰ লগে লগে আমাৰ মনলৈ আহে এক শ্ৰদ্ধা তথা সেৱাৰ মনোভাৱ। অসমৰ জাতীয় জীৱনত, অসমীয়া জাতি গঠনত বিপুল অৰিহণা আগবঢ়োৱ এইজনা চিন্তামনিষী এফালে সমাজ সংগঠক আৰু সমাজসংস্কাৰক। কেৱল সমাজ সংগঠক আৰু সংস্কাৰক বুলি ক'লেই এই চিন্তামণিষী জনাৰ তথা আমাৰ গুৰুজনাৰ পৰিচয় সম্পূৰ্ণ নহয়। তেওঁ একেধাৰে ধৰ্ম প্ৰচাৰক, কবি, নাট্যকাৰ, সুৰকাৰ, গীতিকাৰ, জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা। ইমান বোৰ গুণৰ অধিকাৰী " সৰ্বগুনাকাৰ" এই ব্যক্তিজনাৰ অৱদানৰ কেইটিমান দিশৰ ওপৰত এই প্ৰবন্ধত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

অসমৰ এক অস্থিৰ সামাজিক আৰু ধৰ্মীয় পৰিবেশত জন্ম গ্ৰহণ কৰি বহুদেৱতাৰ ঠাইত এক দেৱতাৰ উপাসনাৰ প্ৰৱৰ্তন আৰু নানা মতবাদৰ সলনি সৰল বিশুদ্ধ ভাগৱতী ধৰ্ম মতবাদ স্থাপন কৰাৰ উদ্দেশ্যে, সাহিত্য সৃষ্টিৰ দৰে মহান কৰ্ম কৰি অসমীয়া ভাষা সাহিত্যতৰ ভঁৰাল সমৃদ্ধি কৰি গৈছে। ধৰ্ম প্ৰচাৰৰ এই প্ৰক্ৰিয়াৰ যোগেদি সমাজখনক সৎ আৰু শুদ্ধ পথত পৰিচালিত কৰিবৰ বাবে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিলে। পুৰণি অসমৰ ইমুৰৰ পৰা সিমুৰলৈ পৰিভ্ৰমণ কৰি সহজ সৰল ধৰ্মৰ একেডাল দোলেৰে জনতাক বন্ধাৰ সফল আৰু প্ৰথম অভিযান চলাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কিৰাট, কছাৰী, গাৰো, মিৰি, যবন, অহম, মুলুক, ৰজক, টুৰক, কোবাছু, ম্লেছ, চন্দাল, সকলোকে এক শৰণীয় ধৰ্মত দীক্ষিত কৰি জাতীয় একতাৰ ভেটিত থিয় দিবলৈ সুবিধা দিলে। এনেদৰে এখন বিক্ষিপ্ত সমাজ জীৱনৰ ছবি এক ধৰাতললৈ আনি শংকৰদেৱে সৰল ভাষাৰে জনগণক ক'লে ঃ

" ব্ৰাহ্মণ চণ্ডালৰ নিবিচাৰি কুল
দাতাত চোৰত যাৰ দৃষ্টি এক তুল।"

মানুহৰ সমাজত থকা জাতিভেদ ভাৱ, ধনী-দুখীয়াৰ প্ৰভেদ দূৰ কৰি সকলো প্ৰাণীৰ অন্তৰতে " ভগৱান বিৰাজমান" কথাষাৰ প্ৰতিপন্ন কৰি সকলো প্ৰাণীৰ প্ৰতি সমদৃষ্টি নিক্ষেপ

কৰি জনসাধাৰণক প্ৰেৰিত কৰি মানুহৰ মাজত সমতাৰ ভেটি স্থাপন কৰিবৰ বাবে যি প্ৰচেষ্টা চলালে সি সমাজ সংগঠনৰ দিশত বিশেষ প্ৰভাৱ পেলালে।

প্ৰথমতে, অঙ্কীয়া নাট ভাওঁনা প্ৰৱৰ্তন কৰি, বৰ নামঘৰৰ ভেটি স্থাপনৰ যোগেদি ধনী দুখীয়া, উচ্চ নিচ, সকলোৰে বাবে একে কঠ-কুঁহিলাৰ আসন প্ৰদান কৰি যি উদাৰ নৈতিক মনোভাৱ পোষণ কৰিলে ইয়ে আজিও অসমৰ জাতীয় জীৱনত যুগাত্মক প্ৰভাৱ প্ৰদান কৰি আছে। বৰ্তমান অসমৰ সংঘৰ্ষ জৰ্জড়ীত পৰিস্থিতিটো মহাপুৰুষ শঙ্কৰদেৱৰ সমাজ-সংস্কাৰ আৰু সমাজ সংগঠনৰ সুদৃঢ় ভেটিয়ে বিশিষ্ট আসন দখল কৰাই নহয়, মানবীয় মূল্যবোধৰ অপচয় এই সন্ধিক্ষণতো অসমৰ বহু মানুহৰ মাজত মানবীয়তা অটুত ৰখাত শ-শ বছৰ পুৰণি শঙ্কৰী আদৰ্শই বিশেষ ভূমিকা গ্ৰহণ কৰি আছে।

দ্বিতীয়তে, বহু দেৱতাৰ পূজা উপাসনাৰ ঠাইত এক ঈশ্বৰক প্ৰতিষ্ঠা কৰি ধৰ্মীয় বিক্ষিপ্ততা আৰু বামপন্থী আচাৰ অনুষ্ঠানৰ পৰা জনতাক আঁতৰাই আনি ভগৱৎ মুখী কৰি তুলিলে। জনসাধাৰণক ভগৱৎ মুখী কৰাৰ এই কাৰ্যই মানুহৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰাৰ লগতে স্ত্ৰী শূদ্ৰ সকলোৱে বুজিব পৰাকৈ ৰচনা কৰা গীতা ভাগৱতৰ তত্বত গধুৰ কথাবোৰে জনপ্ৰিয়তা লাভ কৰি অসমৰ ধৰ্মাকাশ ৰজনজনাই উঠিল। কীৰ্তন ঘোষা পদেৰেঃ

*"প্ৰথম প্ৰণামো ব্ৰহ্মৰূপী সনাতন*
*সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ন।"*

শঙ্কৰদেৱে গীত-নাট, অভিনয় কলাৰ যোগেদি কলা সংস্কৃতিৰ এক নতুন জাগৰণ আনে আৰু জনসাধাৰণৰ মনত সৌন্দৰ্যবোধ জগাই সংস্কৃতি সচেতন কৰি তোলে। এটা জাতি তেতিয়াই ঐক্যবদ্ধ আৰু সমাজবদ্ধ হৈ উঠে যেতিয়াই সেই জাতিটো অন্তৰত কলাসুলভ ভাৱনাই ঠাই পায়। শঙ্কৰদেৱৰ কলাত্মক অৱদানে সেই সময়ৰ নিৰক্ষৰ জনসাধাৰণৰ মনত সৌন্দৰ্য চেতনা জগাই তুলি সত্ৰ অনুষ্ঠান স্থাপন কৰি সত্ৰীয়া নৃত্য গীত, মুখা শিল্প তথা সত্ৰীয়া পৰম্পৰাৰ যি ভেটি নিৰ্মাণ কৰিলে সেই ভেটিয়ে মানুহৰ মাজত একতাৰ ভাৱ সুদৃঢ় কৰিলে।

অসমৰ জনসাধাৰণৰ মাজত প্ৰবাহিত হৈ থকা বিভিন্ন আত্ম বিশ্বাস, কু-সংস্কাৰ, ব্যয়বহুল ধৰ্মানুষ্ঠান, যাগ-যজ্ঞ, বলী বিধানৰ অৱসান ঘটাই বহু দেৱতাৰ মাজত এক দেৱতাৰ সন্ধান দি সামাজিক কলুষ কালিমাৰে ভৰপুৰ অসমীয়া সমাজখনৰ সংস্কাৰ সাধন কৰিলে। অসমীয়া জাতীয় জীৱনত কৰ্ম সংস্কৃতি গঢ়ি তোলাতো গুৰুজনাই বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হয়। সমাজৰ ল'ৰাৰ পৰা বুঢ়ালৈকে প্ৰতিজন ব্যক্তিয়ে শাৰীৰিক আৰু মানসিক উৎকৰ্ষ তথা প্ৰতিভা বিকাশৰ বাট মুকলি কৰি দিলে। শঙ্কৰী সংস্কৃতিত অন্যতম অৱদান গায়ন-বায়ন, অঙ্কীয়া ভাওনা, মুখা-শিল্প, মূৰ্তি-কলা, অভিনয়, নিত্য আদিৰ প্ৰচলনৰ যোগেদি প্ৰত্যেকজন যোগ্য ব্যক্তিক গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচন কৰি সকলোকে সমান আসনত ঠিয় হ'ব বাবে উপযোগী কৰিলে। বিৰিঞ্চি কুমাৰ বৰুৱাই আখ্যা দিয়া " জাতীয় নাটশালত" অসমীয়া জন জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাৰ আখৰা চলিল। যি আখৰা গৃহত ঠাই পালে গাঁৱৰ আইসকলৰ সুৱদি সুৰীয়া কণ্ঠই। অতদিনে এলাগি হৈ থকা আইসকলে ভাদ মাহৰ দীঘলীয়া দিনত অলপ সময়ৰ বাবে হ'লেও সত্ৰ বা নামঘৰলৈ গৈ ধৰ্মচৰ্চা কৰাৰ সুযোগ পালে। লগে লগে তেওঁলোকে পালে অন্য এখন জগত। য'ত হাঁহি মুখেৰে, ভক্তিভাবেৰে ঈশ্বৰৰ গুণানুকীৰ্তন কৰাৰ লগতে গতানুগতিক যান্ত্ৰিকতাৰ ওৰ পেলাই জীৱনৰ সাৰ্থকতাক উপলব্ধিকৰণৰ সুযোগ ওলাল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বহুমূলীয়া অৱদানৰ বিষয়ে যদিও কৈ শেষ কৰিব নোৱাৰি তথাপি এটি কথা ক'ব পাৰি যে তেওঁৰ সহায়ত অসমবাসীয়ে সমগ্ৰ পৃথিৱীৰ আগত নিজৰ পৰিচয় দিবলৈ সক্ষম হৈছে। কিন্তু পৰিতাপৰ বিষয় এই যে বৰ্তমান সভ্য মানুহে শঙ্কৰদেৱৰ আদৰ্শ পাহৰি পেলাইছে, শঙ্কৰদেৱৰ সমাজ সংস্কাৰৰ সবল পদক্ষেপে অসমৰ জনগণক যি আদৰ্শ দি থৈ গৈছে সেই আদৰ্শৰে আমি এখন সুস্থ সবল সমাজ গঢ়াৰ পৰিকল্পনা হাতত ল'ব পাৰো। শেষত গুৰুজনালৈ ভক্তিভাৱেৰে সেৱা জনাই সমগ্ৰ অসমবাসীক গুৰুজনাৰ মহান আদৰ্শ অনুকৰণ কৰিবলৈ বিনয়েৰে আহ্বান জনালো।

মাধৱদেৱৰ ভাষাৰে কওঁঃ—

" জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ
যাক এৰি নাহিকে উপাম
তোহাৰি চৰণ ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।"

দীপালি টায়ে
স্নাতক তৃতীয় বৰ্ষ

# মিচিংসকলৰ ঐনিতমৰ গীতিশৈলী

অসমৰ অন্যতম ভুমিপুত্ৰ মিচিংসকলৰ সাংস্কৃতিক ভঁৰাল ঐনিতমকে ধৰি অনেক লোকগীতে একোপদ অমূল্য সম্পদ হিচাপে জকমকাই আছে। এই প্ৰত্যেকবিধ লোকগীতৰ সুকীয়া সুকীয়া মৰ্যদা আছে। সেইবোৰ হৈছে দঃব নিতম, কাগন, মেঃব নিতম, মিদাং নিতম, চীলুং নিতম, চেন্নাই নিতম, বীন আদি। এই সকলোবোৰৰ ভিতৰত ঐনিতমৰ মৰ্যদা ওপৰত। ঐনিতমবোৰক একাষৰীয়া কৰি থৈ অসমৰ অন্যতম ভূমিপুত্ৰ মিচিংসকলৰ সাংস্কৃতিক জীৱনৰ ৰূপচৰ্চা কল্পনাই কৰিব নোৱাৰি। ইয়াৰ মাদকতা অন্যবোৰতকৈ ওপৰত। বৰ্তমান ঐনিতমবোৰ অসমীয়া ভাষীসকলৰ মাজতো ক্ৰমবৰ্ধমান জনপ্ৰিয়তা পৰিলক্ষিত হৈছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ 'কাৰপুনপুলি' অনুষ্ঠানটিৰ শ্ৰোতাৰ সংখ্যাটো অথবা বজাৰত বিক্ৰী হোৱা শ্ৰব্য আৰু চিডি কেছেটৰ গ্ৰাহকৰ সংখ্যাটো বিশ্লেষণ কৰিলে বিষয়টো অনুধাৱন কৰিব পৰা যায়।

ঐনিতমৰ এনে বিপুল জনপ্ৰিয়তা আৰু সমাদৰৰ মূলতে হ'ল ইয়াৰ অপূৰ্ব শ্ৰুতি, মধুৰ মেলডী আৰু ইয়াৰ লগতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা মিচিং নৃত্যানুষ্ঠান চঃমান । নিৰ্দিষ্ট তাল - মাল-লয় ৰক্ষা কৰি ঐনিতমৰ লগত পৰিৱেশন কৰা চঃ ান মিচিংসকলৰ অন্যতম সুন্দৰ কলা কৃষ্টি। তথাকথিত গ্লেমাৰ দাবী নথকা মিচিং কবিসকলে ৰচনা কৰা এই গীতিকবিতাসমূহৰ কাব্যগুণ আৰু গীতি ধৰ্মিতা অতিশয় প্ৰশংসনীয়ই নহয় উচ্চখাপৰো। লোক জীৱনৰ দুখ-বেদনা, আশা-নিৰাশা, হৰ্ষ-বিষাদক বাঙ্ময় ৰূপ দিছে আনাধৰী কবিৰ এই মৌলিক কাব্যই।

সাধাৰণতে নদী, পথাৰ আৰু অৰণ্যতে জীৱনৰ ৰহঘৰা বিচাৰি পোৱা মিচিংসকলৰ প্ৰকৃতিৰ নৈসৰ্গিত পৰিবেশৰ লগত ওতঃপ্ৰোত সম্পৰ্ক আছে। এনে পৰিৱেশত অৰ্জিত ঘটনা পৰিঘটনাৰ অভিজ্ঞতা প্ৰাঞ্জল হৈ উঠে ঐনিতমসমূহৰ গীতিশৈলীৰ। সেয়ে একোটা ঐনিতমৰ প্ৰথমাৰ্ধিত কোনো নৈসৰ্গিত অভিজ্ঞতা বা ঘটনা-পৰিঘটনা প্ৰতিফলিত হোৱাৰ বিপৰীতে দ্বিতীয়াৰ্ধত প্ৰেম-প্ৰণয়, ভাল লগা বেয়া লগা মান-অভিমান, ঠেহ-পেছ প্ৰাণৱন্ত হৈ ওঠে। মৌখিক লোককাব্য হিচাপে পৰম্পৰাগতভাৱে চলি অহা ঐনিতমবিলাকৰ সৌন্দৰ্য অধিক মাধুৰ্যমণ্ডিত আৰু কাব্যৰসো অধিক আবেদনময়ী। যিদৰে বিহুৱান সমূহো লিখিত ৰূপতকৈ চেনাই চেনেহীৰ নিমজ কণ্ঠনিগৰিত আচল সুৰতহে অধিক, অধিক আবেদনময়ী হয়।

প্ৰসিদ্ধ মিচিং ভাষা বিশেষত তথা শিক্ষাবিদ টাবু টাইদৰ মতে লিখিত ৰূপত একোফাঁকি ঐনিতমত চৈধ্যটা অক্ষৰযুক্ত শাৰীৰ একোটা কাপ্লেৰ হিচাপে অথবা সাতটা অক্ষৰযুক্ত শাৰীৰ একোটা কাপ্লেট হিচাপে অথবা সাতৰা অক্ষৰযুক্ত শাৰীৰ একো কোৱাট্ৰেইন হিচাপে পৰিৱেশন কৰিব পাৰি। হিমালয় পৰ্বত শ্ৰেণী আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ

সুস্পষ্ট প্ৰভাৱ থকা পাঁচটা মাত্ৰা স্বৰস্বলিত ঐনিতমসমূহৰ পাহাৰ পাহাৰ গোন্ধ এটা অনৱৰত বিদ্যামান। ইয়াৰ আৰোহণ দুই প্ৰকাৰৰ ঃ

ক। আৰোহণ ঃ

সা ৰে গা পা ধা

(ভূপালী ৰাগৰ সুৰ)

অৱৰোহণ ঃ

সা ধা পা গা ৰে

খ। আৰোহণ ঃ

সা গা মা পা নি

( গা আৰু নি কোমৰ)

অৱৰোহণ ঃ

সা নি পা মা গা

এনেদৰে পাঁচটা স্বৰৰ আৰোহণ-অৱৰোহণৰ সাংগীতিক লয়ৰ লগত সংগতি ৰাখি অনাঘৰী কবসকলে নিৰ্মাণ কৰা ঐনিতমসমূহৰ কাব্যিক ব্যঞ্জনা অতিশয় শ্ৰুতিমধুৰ। তাল-মানৰ লগতে ঐনিতমসমূহৰ নৈসৰ্গিক বৰ্ণনা, অভিজ্ঞতা, ঘটনা আদিৰ দিশত বিহুনামৰ ওচৰা চপা অঘৰী চহা, গ্ৰাম্য কবিয়ে ৰচনা কৰা বিহুনামসমূহতো প্ৰথম দুটা শাৰীত প্ৰকৃতিৰ নৈ মৰ্গিক শোভা, অভিজ্ঞতা, ঘটনা আদি প্ৰকাশ পোৱাৰ বিপৰীতে পিছৰ দুশাৰীত প্ৰণয় বিহ্বল ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, ভাল পোৱা আকৰ্ষণ বিকৰ্ষণৰ শাশ্বত ৰূপ এটা প্ৰতিফলিত হয়।

ঐনিতমৰ যাদুকৰী কাব্যিক মেলডী শুনিলে শুনি থাকিবৰ মন যায়।

*মিনদাগ গমচিন মুৰছদীম তিদাগ*
*তীমনা মীয়কা, আগম কীককি*
*লুয়াদ্‌লা*
*লুগাপপীমনা মীয়কা।*

(পকা জলকীয়া মিঠা বুলি নাভাবিবা কথাৰ পাকেৰে পাক খুৱাম বুলি নাভাবিবা।)

অৰ্থাৎ পকা জলকীয়া এটা মিঠা হ'ব এনে কথা ভাবিৱেই নোৱাৰি। ঠিক সেইদৰে দুখন হৃদয়ৰ প্ৰকৃত মিল নহলে পৰস্পৰৰপ্ৰতি আকৰ্ষণ নাথাকিলে, কেৱল কথাৰে কাৰোৱাক পাক খুৱাই প্ৰেমাসক্ত কৰিব পৰা যায় বুলি ভবাটো ভুল। কবিতা ফাঁকিৰ পকা জলকীয়াৰ ছালৰ লগত প্ৰেমৰ তিতা-মিঠাৰ উপমা দেখিবলৈ পোৱা যায়।

সেইদৰে ঃ

*চব জুমীম ৰাকিভাগ*
*আঅ'দ য়গয়ীম মাদাককু*
*আয়াঙ বিলা কাঙ কৃৰাগ*
*আমীম কায়ীম চব দদাগ*
*লামাবাট কাবেগয়ীমূল গুয়্মাপ্লা গৃদাগ।*

(এপাল গৰু ৰাখি পাইছো পোৱালি হেৰালে বিচাৰো, মৰম দি পাইছো বিদায় জনালে কান্দিছো
ধান দেখিলে গৰুৱে খায়
বাটত দেখিলে তলমূৰ কৰি যায়।)

ইয়াত একে লয়যুক্ত আইকলি হিচাপে শেষৰ দুশাৰী যোগ দিয়া হৈছে। কৃষিজীৱী মিচিংসকলৰ গৰু-মহৰ লগত থকা নিবিড় সম্পৰ্কৰ অভিজ্ঞতাৰ লগতে কবিতাফাঁকিত পোৱা-নোপোৱাৰ হিলদল ভঙা দুখ-বেদনাই কোমলাকান্ত কবিৰ ইন্দ্ৰিয়ানুভূতি প্ৰৱল জোকাৰণিৰ সৃষ্টি কৰিছে।

*কাঙ্ কাননী*
*আপুন দীম পুনয়ক*
*মকান মাঙ*
*আয়পী য়ীনাম ঐয়ীমী*
*কায়কতালা দুলামাঙ।*

(ধুনীয়া ফুলপাহী
সৰিবলৈ দিব নোৱাৰি।
ভালপোৱা চেনাইক
চকুৰ আঁৰ হবলৈ দিব নোৱাৰি)।

সাংগীতিক লয়যুক্ত শব্দৰ মিতব্যয়ী চয়ন আৰু বয়ন ভাৱৰ ঘনত্বই কবিতা ফাঁকিৰ নিতান্তই ৰসোত্তীৰ্ণ কৰি তুলিছে। ঐনিতমৰ দৃশ্য-শ্ৰাব্য পৰিৱেশন উপভোগ কৰাসকলেহে উক্ত কবিতাৰ যাদুকৰী সংবেদনশীলতা হৃদয়ঙ্গম কৰিব পাৰে।

ঐয়ী নলুক লভাদ ঃ অৃচৃঙ
আমমৃ দুয়ামূল
পীতাপী বাদলা ন, অদঃ দুদঃদ।
অৃচৃঙ আমমীদ দুঙগেলা, ঐয়কঃ
কাপবিপায়।

(তোৰ চোতালত এজোপা গছ
থকাহেঁতেন চৰাই হৈ
তই তাত বওঁতে গচ প্ৰৰি
গান গালোহেঁতেন)

এইফাঁকি কবিতাতো চহা কবিয়ে সুন্দৰ চিত্ৰকল্প তৈয়াৰ কৰিবলৈ সক্ষম হোৱা দেখা যায়। জীৱন যুঁজৰ বিচিত্ৰ অভিজ্ঞতাপুষ্ট নদীপৰীয়া মিচিং চহা কবিসকলে তেওঁলোকৰ দ্বাৰা সৃষ্টি ঐনিতমত এইদৰে প্ৰেম-প্ৰীতি জীৱন আৰু জীৱিকাৰ একাকাৰ কৰি ব্যৱধানিক সীমাৰেখাৰ আঁচবোৰ মচি পেলাব পাৰিছে। ঐনিতমক কৰিছে জীৱনৰ আয়ুস ৰেখা। জনপ্ৰিয় কবি জীৱন নৰহৰ ভাষাত 'এই প্ৰেমৰ কবিতাবোৰৰ মাজেদি প্ৰকাশ হৈছে মিচিং সমাজৰ ডেকা-গাভৰুৰ অকৃতিম মৰম-চেনেহ, বেদনা, সুখ-দুখ আৰু পোৱা নোপোৱাৰ দৈনন্দিন জীৱনগাঁথা।' ❧

মিচ ৰাহানা বেগম
স্নাতক তৃতীয় বৰ্ষ

# ৰংপুৰ ৰংপুৰ



'ৰংপুৰ'। বুৰঞ্জীয়ে গৰকা এটি চিৰন্তন নাম। শিৱদৌল, দেৱীদৌল, বিষ্ণুদৌল আদি ৰজাদিনীয়া ঐতিহ্যৰে পৰিৱেষ্ঠিত অসম -গৌৰৱ ৰঙৰ নগৰ ৰংপুৰ। অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ এটি গৌৰৱোজ্বল অধ্যায় এই ৰংপুৰ। অসমীয়া জাতীয় জীৱনলৈ অনবদ্য উপহাৰ আগবঢ়োৱা ৰংপুৰ অসমবাসীৰ প্ৰাণৰো প্ৰাণৰ হেঁপাহৰো হেঁপাহৰ। অসমীয়া জাতিসত্বাক বিশ্বৰ দৰবাৰত জিলিকাই ৰখাৰ সিংহভাগ কৃতিত্ব এই ৰংপুৰৰে । কিন্তু জাতীয় জীৱনৰ বিশ্বস্ত সংগী ৰংপুৰৰ বিষয়ে আমি কিমান জানো? ৰংপুৰৰ গৌৰৱেৰে গৌৰান্বিত হোৱা আমিবোৰে ৰংপুৰৰ পৰা কি পালো ? ৰংপুৰক আমি কি দিলো? সতী জয়মতীৰ তেজেৰে ৰং সনা ঐতিহাসিক জেৰেঙা পথাৰৰ যাউতিযুগীয়া কিৰিটি ৰাখি জগতলৈ চানেকী ৰাখি যোৱা ৰংপুৰ কেৱল ৰাজনীতিৰ বাবেই চিনাকি নাছিল, ই আছিল কৃষ্টি সংস্কৃতিৰ লগতে ভাষা, সাহিত্য চৰ্চাৰো কেন্দ্ৰ।

সেয়া আছিল ১৬৯৬ শকৰ কথা। স্বৰ্গদেউ গদাধৰ সিংহৰ ডাঙৰ সন্তান লাই কোঁৱৰে ৰুদ্ৰসিংহ নাম লৈ ৰাজসিংহাসনত বহে। ৰজা ৰুদ্ৰসিংহৰ খেলা ধুলাৰ প্ৰতি বিশেষ আকৰ্ষণ আছিল। ৰজাই নিজেও ৰং ধেমালি কৰি খুব ভাল পাইছিল। জেৰেঙা পথাৰৰ মাজে মাজে যিবোৰ ভোবা আৰু হোলা আছিল, তাত থকা মাছ আৰু অন্যান্য পোক খাবলৈ কনুৰাবোৰে উথপথপ লগাইছিল। কনুৰাৰলগত শেন চৰাইক যুঁজাবলৈ ৰুদ্ৰসিংহই জেৰেঙা পথাৰৰ মেটেকা তলীত বাহৰ পাতি আছিল। এই শেন আৰু কনুৰাৰ যুঁজ ইমানেই আকৰ্ষণীয় আছিল যে ৰজাই এই যুঁজ চাই আনন্দত আত্মহাৰা হৈ পৰিছিল। আৰু তাতে এখন নগৰ সজাই ১৬৯৯ চনত ৰজাই এই নগৰৰ নাম দিলে ৰংপুৰ।
ৰজাই সেই সময়ত ইয়াৰ নাম ৰাখিছিল 'চে মুন' অৰ্থাৎ চে মানে নগৰ আৰু মুন মানে ৰং আনন্দ।

সময় বাগৰিল। সময়ৰ কুটিল গতিত ৰংপুৰৰ ৰং বহুত সলনি হ'ল। ৰংপুৰৰ বুকুৰেদি কেইবাটাও শতিকা গৰকি গ'ল। অসমীয়া জাতিক উচ্চতম শিখৰত স্থাপন কৰিবলৈ সক্ষম হোৱা ৰংপুৰে কেইবাটাও কলা অধ্যায় বুকুত সাৱটিব লগা হয়। ৰংপুৰৰ এই অন্ধকালৰ সময়টো আছিল ১৭৮২ চনত। গৌৰীসিংহ তেতিয়া দেশৰ শাসনত। মোৱামৰীয়াসকলে সেই সময়তে বিদ্ৰোহ ঘোষণা কৰে। বিদ্ৰোহৰ সূচনা হিচাপে গড়গাঁৱৰ শিঙৰি ঘৰত জুই লগাই দিয়ে। ১৭৮৭ চনত ৰংপুৰ নগৰত প্ৰৱেশ কৰি সমগ্ৰ ৰংপুৰ নগৰত জুই লগাই দিয়ে। ৰজা তিষ্ঠিব নোৱাৰি নগাঁৱলৈ গুচি যায়। প্ৰজাসকলো পলাবলৈ ধৰিলে। ৰংপুৰ কলা ধোঁৱাৰে আৱৰি ধৰিলে। সেই সময়ত ৰংপুৰত যেন মেঘে ঢকা এখন কলীয়া আকাশ। দেশত দুৰ্ঘোৰ আকাল হ'ল। মাৰি মৰক হ'ল। অৱশেষত কেপ্টেইন ৱেলছৰ সহযোগত ১৭৯৪ চনত ৰংপুৰ উদ্ধাৰ হ'ল। ১৮২৪ চনত ইংৰাজে অসম দখল কৰালৈকে ৩০ টা বছৰ এটা বৃহৎ কলা অধ্যায় ৰংপুৰে অতিক্ৰম কৰিবলগীয়া হ'ল।

যি সি নহওক দেশ তথা ৰাজ্যৰ উত্থান পতন আছেই। সেয়েহে নানান উত্থান পতনেৰে বেষ্টিত হ'লেও ৰংপুৰ আজি ৰঙেৰে ৰঙীণ। ইয়াত গঢ় লৈ উঠিছে উচ্চ শিক্ষাৰ বিভিন্ন প্ৰতিষ্ঠান। অসমীয়া জাতিৰ খ্যাতি ৰাখিবলৈ মহযুঁজ, হাতীযুঁজ, মাঘ বিহু, বহাগ বিহুৰ উৎসৱৰ থলী ৰংপুৰ আজিও ৰজন্ জনাই থাকে, ঢোল টকা পেঁপাৰ শব্দই, বাট-পথ,আলি, পদূলি বিজুলী বাতিৰ চমকেৰে ৰংপুৰ আজি ৰঙীণ। ৰংপুৰৰ জয়দৌল, জেৰেঙাই আজিও অসমবাসীক মনত পেলাই ৰংপুৰৰ অসমী আইৰ চেনেহৰ জী সতী জয়মতী লৈ । প্ৰাকৃতিক সৌন্দৰ্যয়ো ৰংপুৰক মহীয়ান কৰিছে। কেৱল সেয়াই নহয়, সোণত সুৱগা চৰোৱা চৰাই চিৰিকতিৰ কল-কাকলি আদিয়ে শ শ বছৰ ধৰি বিশ্ববাসীক আজিও ৰিঙিয়াই মাতে ৰংপুৰলৈ।

---

বাৰলী গগৈ
স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

# বৰ্তমানৰ ৰাজনীতিত
# ভাল মানুহৰ উপস্থিতিৰ প্ৰয়োজনীয়তা



ৰাজনীতি হ'ল জনসাধাৰণে দেশৰ শাসন ব্যৱস্থাৰ লগত প্ৰত্যক্ষ ভাৱে জড়িত হোৱাৰ এক সুবিধা। ব্যক্তিজনে শাসনৰ দায়িত্বত থাকি নিজ দেশৰ আইন-কানুনৰ লগত জড়িত হোৱাৰ লগতে জনসাধাৰণ তথা দেশৰ বিভিন্ন সমস্যা আৰু এইবোৰৰ সমাধানৰ বিভিন্ন কাৰ্য-কলাপৰ লগত সম্পৰ্কীত হৈ পৰে। বৰ্তমান ৰাজনীতি কিন্তু এক অৰ্থ উপাৰ্জনৰ আহিলা হিচাপেহে পৰিগণিত হৈ পৰিছে আৰু ইয়াত জনসাধাৰণৰ প্ৰকৃত সমস্য তথা দুখ বুজা নেতাৰ পৰিৱৰ্তে ধনী আৰু সমাজৰ বেয়া কামৰ লগত জড়িত থকা ব্যক্তিহে শাসনৰ গাদীত বহিছে। যাৰ ফলত জনসাধাৰণৰ কোনো উন্নতি সাধন হোৱা নাই। তাৰ বিপৰীতে দেশত হত্যা, হিংসা, সন্ত্ৰাসবাদ আদি বিভিন্ন ধৰণৰ অসামাজিক কাৰ্যকালাপৰ পৰিমাণ বৃদ্ধি পাইছে আৰু বৃদ্ধি হৈছে নেতা সকলৰ সম্পত্তিৰ পৰিমাণ। সেয়েহে ৰাজনীতিত ভাল মানুহৰ উপস্থিতিৰ প্ৰয়োজনীয়তা আহি পৰিছে।

বৰ্তমানৰ ৰাজনীতিত ধূৰ্ত, দগাবাজ লোকৰ সংখ্যা বৃদ্ধি হৈছে ভাল মানুহৰ তথা নেতাৰ অভাৱত। আজি কালি প্ৰত্যেকজন শিক্ষিত লোকেই ৰাজনীতিৰ পৰা আঁতৰত থাকিব বিচাৰে বদনামী হোৱাৰ ভয়ত। কিন্তু প্ৰত্যেকজন ভাল নাগৰিকেই যদি ৰাজনীতিৰ পৰা আঁতৰত থাকে তেন্তে দেশ এখনৰ উন্নতি হ'ব নোৱাৰে। কাৰণ বেয়া মানুহ খিনিয়ে কেৱল নিজৰ স্বাৰ্থৰ কাৰণে কাম কৰিব আৰু দেশখনৰ উন্নতিৰ চিন্তা পিচপৰি ৰ'ব। অৱশ্যেই ৰাজনীতি বুলি ক'লেই কেৱল বেয়া মানুহৰ গোট বুলি ভাবিব নোৱাৰি, কাৰণ বেয়া মানুহ বিভিন্ন প্ৰতিষ্ঠানৰ লগত জড়িত থাকিব পাৰে উদাহৰণস্বৰূপে এজন চৰকাৰী বিষয়া, যিজনে ৰাজনীতি নকৰাকৈও দেশৰ স্বাৰ্থত আঘাত দিব পাৰে। এজন মানুহ ভাল-বেয়া বুলি পৰিচিত হয় নিজৰ কামৰ দ্বাৰা। ৰাজনীতি বেয়া মানুহে কৰে বুলি চিন্তা কৰি ভাল মানুহবোৰ যদি দেশৰ সমস্যাৰ পৰা আঁতৰত থাকে তেন্তে দেশৰ আইন-কানুন অন্যান্য প্ৰতিষ্ঠানবোৰ বেয়া মানুহৰ নিৰ্দেশত পৰিচালিত হ'ব আৰু প্ৰত্যেকজন নাগৰিকে তেওঁলোকৰ তলত কাম কৰিব লাগিব। অৰ্থাৎ কেইজনমান মানুহৰ কাৰণে দেশখনৰ গোটেই

উন্নতিৰ ব্যৱস্থাটো নিম্নগামী হ'ব। তাৰ বিপৰীতে ভাল মানুহবোৰ ৰাজনীতিৰ ক্ষেত্ৰত থাকিলে তেওঁলোকে দেশখনৰ উন্নতিৰ কাৰণে চিন্তা কৰি কাম কৰিব। দেশ এখনৰ ভাল নাগৰিক অৰ্থাৎ সমাজকৰ্মী, ভাল খেলুৱৈ, বিজ্ঞানী আদি। এনে লোক সকল ৰাজনীতিৰ লগত জড়িত হ'লে জনসাধাৰণৰ সমস্যাবোৰৰ বিষয়ে বেছি চিন্তা কৰিব পাৰে কাৰণ দেশ এখনৰ ভাল নাগৰিকবোৰ তথা প্ৰসিদ্ধ লোক সকল সাধাৰণতেই মধ্যবিত্ত পৰিয়ালৰ হয়। গতিকে তেওঁলোকে যোগ্যতা থকা মধ্যবিত্ত লোকসকলক সুযোগ দিবলৈ চেষ্টা কৰে। ভাৰতক উন্নয়নশীল দেশ বুলি কোৱা হয় যদিও ইয়াত দুখীয়া লোকৰ সংখ্যাই সৰ্বাধিক। দেশৰ কিছু সংখ্যক নাগৰিকৰ বাহিৰে প্ৰায় ভাগৰে আৰ্থিক অৱস্থা নিম্নগামী। সেয়েহে জনসাধাৰণৰ দুখ বুজিব পৰা ভাল মানুহে দেশৰ ৰাজনীতিত প্ৰৱেশ কৰিলে দেশৰ অৰ্থনৈতিক অৱস্থা বহু পৰিমাণে উন্নত হ'ব। কাৰণ তেওঁলোকে মানুহৰ অভাৱ-অভিযোগৰ ওপৰত গুৰুত্ব দিব আৰু সেইবোৰ সমাধানৰ কাৰণে চেষ্টা চলাব। এটোপ দুটোপকৈ পানী পৰি সাগৰ সৃষ্টি হোৱাৰ দৰে এজন-দুজনকৈ ভাল মানুহে ৰাজনীতিৰ ক্ষেত্ৰত প্ৰৱেশ কৰিলে আমাৰ দেশৰ ৰাজনীতি দুৰ্নীতি মুক্ত হ'ব। অৰ্থাৎ বৰ্তমানৰ ৰাজনীতিত ভাল মানুহৰ অতিকৈ প্ৰয়োজন হৈছে। যদি বেয়া মানুহে ৰাজনীতি কৰে বুলি ভাল নাগৰিকসকল ৰাজনীতিৰ ক্ষেত্ৰৰ পৰা আঁতৰত থাকে তেন্তে আমাৰ ভৱিষ্যত প্ৰজন্মৰ জীৱন সুৰক্ষিত হোৱাৰ সম্ভাৱনা নাইকিয়া হৈ পৰিব। কাৰণ চৰকাৰৰ হাতত দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে। চৰকাৰ পৰিচালনা কৰা লোকসকলে অৰ্থাৎ আইন-কানুনৰ দায়িত্বশীল লোকসকলেই যদি দুৰ্নীতিত পোত গৈ থাকে, সাধাৰণ জনসাধাৰণৰ জানো তেনে ব্যৱস্থাৰ প্ৰতি আস্থা থাকিব। গতিকে ক'ব পৰা যায় যে চৰকাৰ তথা দেশৰ প্ৰশাসন যন্ত্ৰ পৰিচালনা কৰা লোকসকল ভাল আৰু জ্ঞানী হ'ব লাগিব।

তদুপৰি ভাল নেতা এজনে জনসাধাৰণৰ অভাৱ অভিযোগৰ সমাধান কৰাৰ লগতে দেশখনক আন্তৰ্জাতিক ক্ষেত্ৰত উচ্চ আসন দিবলৈ চেষ্টা কৰিব। এজন মানুহক সু-নাগৰিক বুলি তেতিয়া ক'ব পাৰি যেতিয়া তেওঁৰ ব্যক্তিগত, গোষ্ঠীগত আৰু দলীয় স্বাৰ্থ পৰিত্যাগ কৰি দেশৰ স্বাৰ্থৰ কাৰণে কাম কৰিব। এজন ভাল চিন্তাশীললোকে ৰাজনীতিৰ পৰা আঁতৰত থাকিও অন্যায়ৰ বিৰুদ্ধে থিয় দিব পাৰে যদিও, শাসনৰ মুৰব্বী সকলেই যদি দুৰ্নীতিক আশ্ৰয় দিয়ে তেন্তে ভাল নাগৰিকজন জানো কেতিয়াবা দুৰ্নীতিৰ মেৰপাকত সোমাই নপৰিব। গতিকে বৰ্তমান ৰাজনীতিত ভাল নাগৰিকৰ প্ৰয়োজন হৈছে। কিন্তু ইয়াৰ মূল কাৰণ ভাল নাগৰিকে ৰাজনীতি কৰিবলৈ কৰা অৱহেলা নহয় জানো? আমি নিজেই জানো জানি শুনি দেশৰ ভৱিষ্যত তথা প্ৰশাসনৰ সকলো দায়িত্ব দুৰ্নীতি গ্ৰস্ত লোকৰ হাতত এৰি দিয়া নাই, ইয়াৰ বাবে দায়ী আমি জনসাধাৰণেই। বৰ্তমান মাক-দেউতাকে তথা অভিভাৱক সকলে ল'ৰা-ছোৱালীক সামাজিক ভাৱে শিক্ষিত নকৰি কেৱল চাকৰি মুখী শিক্ষাহে দিবলৈ যত্ন কৰে। তাৰ ফলত শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাইছে কিন্তু এজন সুস্থ, চিন্তাশীল তথা প্ৰকৃত ব্যক্তিৰ অভাৱ ঘটিছে।

গতিকে, ক'ব পৰা যায় যে ৰাজনীতিৰ ক্ষেত্ৰখন ধূৰ্ত দগাবাজ লোকৰ হাতত অৰ্পণ নকৰি ভাল নাগৰিকেও ৰাজনীতিত যোগদান কৰিব লাগে। আমি স্বাধীনতাৰ ষাঠি বছৰৰ পাছতো পৰাধীন হৈ থাকিম নিজৰ দেশৰ নেতাৰ হাতত, যদি আমি সৎ আৰু চিন্তাশীল লোকসকলক ৰাজনীতিৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায়ৰ হাত আগনবঢ়াও। আমাৰ ভৱিষ্যত প্ৰজন্মৰ জীৱন যাতে সুৰক্ষিত হয় আৰু তেওঁলোকে এখন সুস্থ দেশৰ নাগৰিক হিচাপে নিজৰ চিনাকি দিব পাৰে তাৰ বাবেও দেশৰ প্ৰশাসন যন্ত্ৰটো ভাল হ'ব লাগিব। সেয়েহে প্ৰত্যেকজন ভাল নাগৰিকে আত্মকেন্দ্ৰিক নহৈ সমাজমুখী হৈ দেশৰ প্ৰশাসন যন্ত্ৰত সহায়ৰ হাত আগবঢ়াই ভাল চৰকাৰৰ গঠন কৰিব পাৰে আৰু দেশৰ উন্নতি সাধন কৰিব পাৰে। অৰ্থাৎ এক কথাত ক'বলৈ গ'লে এখন ভাল আৰু উন্নত দেশৰ কাৰণে দেশখনৰ ৰাজনীতিৰ ক্ষেত্ৰত ভাল মানুহৰ অতি প্ৰয়োজন। যিটো বৰ্তমান আমাৰ দেশৰ ৰাজনীতিৰ ব্যৱস্থাটোত অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে।

আমাৰ দেশখন সুন্দৰ হওক সমাজখন সুন্দৰ হওক আৰু ইয়াৰ প্ৰত্যেক জন নাগৰিকৰে জীৱন যাত্ৰা সুন্দৰ হওক। প্ৰত্যেকজন নাগৰিকে নিজৰ স্বাধীনতা তথা অধিকাৰৰ প্ৰতি সচেতন কৰি তোলাত সমাজৰ শিক্ষিত তথা ভাল নাগৰিকে প্ৰতি মুহূৰ্ততে সহায় কৰিব লাগে। ◗◗

# আজিৰ যুৱ সমাজ আৰু আধ্যাত্মিকতা

**মিতালী শইকীয়া**
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ



যুৱসমাজ বুলিলে আমাৰ মনলৈ আহে এটা শক্তিশালী সংগঠনৰ কথা। যাৰ লগত জড়িত হৈ আছে এখন সমাজৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ কথা, সমাজৰ উন্নতিৰ কথা, সমাজক কটকটীয়া কৰি ৰখাৰ দায়বদ্ধতাৰ কথা, শিক্ষা সংস্কৃতিৰ উজ্বলাই ৰখাৰ কথা ইত্যাদি। সমাজ এখনৰ যুৱচামটোক সমাজৰ মেৰুদণ্ড ৰূপে আখ্যা দিয়া হয়।

বৰ্তমান সময়ত সমাজৰ এই মেৰুদণ্ডস্বৰূপ যুৱচামটো উশৃংখল হোৱা পৰিলক্ষিত হৈছে। এনে উশৃংখলতাৰ বাহ্যিক কাৰণ হৈছে দেশৰ ৰাজনৈতিক বা অৰ্থনৈতিক দিশ আৰু নৈতিক তথা আধ্যাত্মিক জ্ঞানৰ অভাৱ। ইয়াৰ ফলস্বৰূপেই যুৱসমাজ হিংসা, হত্যা, লুণ্ঠন, ধৰ্ষণ তথা সাম্প্ৰদায়িক সংঘৰ্ষত লিপ্ত হৈ পৰিছে। এইখন সমাজৰে এসময়ত একোণত খোল মৃদংগৰ শব্দই আকাশ বতাহ কঁপাই যোৱা, হৰি নাম গাই আত্মসন্তুষ্টি লাভ কৰা ভকত আৰু তাৰ বিপৰীতে সেইখন সমাজতে এতিয়া চলি আছে হিংসা, হত্যা, ভোগ লালসাৰ প্ৰৱল যজ্ঞ। বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ প্ৰভাৱত যুৱপ্ৰজন্মই দিক্-বিদিক হেৰুৱাই নিজকে বিজ্ঞানৰ ধ্বংসাত্মক দিশলৈ লৈ যোৱা পৰিলক্ষিত হৈছে। বহুক্ষেত্ৰত যুৱসমাজে আধুনিকতাৰ নামত অশ্লীলতাক আঁকোৱালি লোৱা দেখা গৈছে। এনেবিলাক অৱনতিৰ মূলতে হৈছে যুৱসমাজৰ মাজত মূল্যবোধৰ অভাৱ বা নৈতিক তথা আধ্যাত্মিক জ্ঞানৰ অভাৱ।

অধুনা বহু ডেকাই ঈশ্বৰক বিশ্বাস কৰিবলৈ টান পায়। তেওঁলোকৰ মতে ঈশ্বৰ নাই। বহুতো ঈশ্বৰবিহীন কিতপ্ পত্ৰ পঢ়ি তেওঁলোকৰ মন ঈশ্বৰৰ প্ৰতি উদাসীন হৈ পৰা সততে দেখা যায়। তেওঁ লোকৰ মতে, এই বিজ্ঞানৰ যুগত ধৰ্ম বা ঈশ্বৰ নামে কোনো শক্তি বা মহিমা নাই। জগতত যি হৈছে সেয়া সকলো মানুহ বা বিজ্ঞানৰ জৰিয়তেহে হোৱা। তেওঁলোকে ভাৱে যে বিজ্ঞান আৰু ঈশ্বৰ দুয়োটা পৃথক বিষয়। এটাৰ সৈতে আনটোৰ সম্পৰ্ক নাই। কিন্তু, প্ৰকৃতাৰ্থ ই এটা সম্পূৰ্ণৰূপে ভুল মনোভাৱ। 'ঈশ্বৰ' আৰু 'বিজ্ঞান' বিষয় দুটা এটা আনটোৰ ইপিঠি-সিপিঠি। ড° এ পি জে আব্দুল কালামে তেখেতৰ গ্ৰন্থত উল্লেখ কৰি গৈছে যে বিজ্ঞানে মানুহক ঈশ্বৰৰ পৰা পৃথক নকৰি বৰঞ্চ কাষ চপাইহে নিয়ে। গতিকে, সমাজৰ সামূহিক কল্যাণৰ বাবে সমাজৰ দেশৰ ভৱিষ্যত স্বৰূপ যুৱ প্ৰজন্মৰ মনৰ পৰা ঈশ্বৰ তথা আধ্যাত্মিকতাৰ প্ৰতি উদাসীনতা ভাৱ দূৰ কৰিব পাৰিব লাগিব।



যুৱসমাজক শৃংখলাবদ্ধ কৰি এখনি সুন্দৰ সমাজ গঠনত সমাজৰ প্ৰতিজন লোকৰে কৰণীয় আছে। এই ক্ষেত্ৰত অগ্ৰজ সকলেই আদৰ্শ ৰাখি যাব লাগিব। আৰু সেই আদৰ্শৰে অনুপ্ৰাণিত কৰি তুলিব লাগিব। সন্তানক সৎ পথত পৰিচালনা কৰাত এগৰাকী মাতৃৰে গুৰুত্ব বেছি। মাতৃগৰাকীয়ে প্ৰথমে নিজকে সৎ আদৰ্শৰে গঢ়ি তুলি, সন্তানক মৌ, মকৰা আদিৰ দৰে ক্ষুদ্ৰ জীৱবিলাকৰ সুশৃংখলিত কৰ্ম পদ্ধতিৰ শিকনি দি নীতি শিক্ষাৰে শিক্ষিত কৰি, ঈশ্বৰ বিশ্বাসী কৰি গঢ়ি তুলিব লাগিব। অমৃতৰ সন্তান মানৱ অমৃতত পৰিণত হোৱাই প্ৰকৃতাৰ্থত মানৱ জীৱনৰ চৰম সাৰ্থকতা। গতিকে অমৃত প্ৰাপ্তিত, সমাজৰ শুদ্ধিত দ্বিতীয় মুখ্য ভূমিকা আহি পৰে 'গুৰু' অৰ্থাৎ শিক্ষকৰ ওপৰত। শিক্ষকসকলে কেৱল পাঠ্যপুথিৰ শিক্ষাকে শিক্ষা বুলি নলৈ ছাত্ৰৰ বৌদ্ধিক, মানসিক, শাৰীৰিক উন্নতিৰ বাবে প্ৰয়োজনীয় শিক্ষা নীতিশিক্ষাৰ মাজেৰে দিবলৈ যত্নপৰ হ'ব লাগে। এনে কৰিলে ছাত্ৰ বা যুৱকসকলে নিশ্চয় নিজকে কুকৰ্মৰ পৰা বিৰত ৰাখি, সৎকৰ্মত লিপ্ত হৈ সমাজক সুন্দৰ কৰি গঢ়ি তোলাত সহায়ক হ'ব।

যুৱসমাজক শৃংখলাবদ্ধ কৰি সমাজখন সুন্দৰ ৰূপত গঢ়ি তুলিবলৈ হ'লে এই যুৱচামটোক আধ্যাত্মিকতাৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। যুৱক-যুৱতীসকলক নৈতিক, মানৱীয় গুণ আদিৰে দীক্ষিত কৰি তুলিব লাগিব। পুৱা গধূলি ঈশ্বৰ স্তুতি কৰোতাজনৰ অন্তৰ আপোনা-আপুনি শুদ্ধ হয়। যুৱকসকলৰ মনত ঈশৰ ভক্তি থাকিব লাগিব। এই ক্ষেত্ৰত আমি 'প্ৰাৰ্থনা'ক এক মাধ্যম ৰূপ ল'ব পাৰো। 'প্ৰাৰ্থনা'ৰ যোগেদি আমি নিজকে ভগৱানৰ কাষ চপাই নিব পাৰো। 'প্ৰাৰ্থনা' সমন্ধে স্বামী গকুলানন্দই কৈছিল ' ই মনৰ এক প্ৰশান্তি। ঈশ্বৰৰ ওচৰত জ্ঞানী লোকৰ প্ৰকাশ্যে আত্মসমৰ্পণৰ এক পৰম্পৰা। 'প্ৰাৰ্থনা'ই আকৌ আকাংক্ষা আদিবোৰ মমৰ দৰে গলাই আৰু তাৰ চাৰিওফালে আত্মবিশ্লেষণৰ এক শীতল বতাহ বোৱায়। প্ৰাৰ্থনাই বঢ়ায় আত্মবিশ্বাস, গঢ়ে প্ৰেমৰ সম্বন্ধ। ই মানুহক আত্মবিশ্লেষণৰ শক্তি যোগায় উৎসাহ যোগায় সৃষ্টিমূলক কৰ্মৰ বাবে। মানসিক অৱসাদ দূৰ কৰণতো 'প্ৰাৰ্থনা'ৰ প্ৰভাৱ শক্তিশালী। Dr Larry Dossey ৰ সদ্য গ্ৰন্থ Prayer is a good madlicine ত উল্লেখ আছে যে প্ৰাৰ্থনা বা ধ্যানে তিনিটা মহান উপকাৰ সাধন কৰে মানুহৰ মনৰ অস্থিৰতাক ষাঠি শতাংশ সুস্থিৰ কৰে যদিহে একাত্ম হ'ৰ পৰা যায় 'প্ৰাৰ্থনা' বা ধ্যানৰ মুহুতত। শ্বাস প্ৰশ্বাসৰ হাৰ সুদৃঢ় কৰি তোলে। শৰীৰৰ তেজ চলাচল স্পষ্ট আৰু পূৰ্ণগতিত হয়। আজিৰ যুৱ প্ৰজন্মক এইবিলাক গুণৰ খুবেই প্ৰয়োজন। সমাজৰ, দেশৰ ভৱিষ্যত যুৱচামটোক এনেধৰণে আধ্যাত্মিক ভাৱে দীক্ষিত কৰি তুলিলে নিশ্চয় এদিন আমাৰ সমাজখন সৰ্বাংগ সুন্দৰ হৈ



উঠিবা ▶▶

সীমা কাকতি
স্নাতক প্ৰথম বৰ্ষ

# বৈপ্লৱিক আৰু সাংস্কৃতিক দিশত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা



অসম মাতৃৰ সুসন্তান চিৰবিপ্লৱী, কবি, সাহিত্যিক, চিত্ৰকৰ, নাট্যকাৰ , শিল্পী,প্ৰবন্ধ লেখক আদি হৈও সাংস্কৃতিক সাৰ্বজনীনতাৰ বিভিন্ন জনগোষ্ঠীৰে গঠিত বিশাল অসমীয়াৰ সমাজৰ হিয়াৰ আমঠু সদৃশ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আজি আমাৰ মাজত নাই সঁচা। কিন্তু তেওঁৰ নানা ৰহণীয়া কৰ্মময় জীৱনটোৰ আদৰ্শ প্ৰতিজন অসমীয়াৰ মানস পটত।

সুদূৰ ৰাজস্থানৰ পৰা আহি অসমত বসতি স্থাপন কৰা আগৰৱালা পৰিয়ালত ১৯০৩ চনৰ সোতৰ জুনৰ দিনা ডিব্ৰুগড় নগৰত তেওঁৰ জন্ম হয়। তেওঁৰ মাক কিৰণময়ী আৰু দেউতাক পৰমানন্দ আগৰৱালা আছিল। ডিব্ৰুগড় আৰু তেজপুৰত তেওঁৰ স্কুলীয়া জীৱন আৰম্ভ আৰু শেষ হয়। ইয়াৰ পাচত তেওঁ কলিকতাত কলেজ জীৱন শেষ কৰে আৰু লগে লগেই ১৯২৬ চনৰ চেপ্তেম্বৰ মাহত উচ্চ শিক্ষাৰ বাবে বিলাতলৈ যায় আৰু এডিনবাৰ বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়। কিন্তু তেওঁৰ সঙ্গীত পিপাসু মনে কিতাপৰ মাজত সোমাই থাকিবলৈ ভাল নাপালে। সেয়ে এডিনবাৰত এম-এ পঢ়া এৰি সঙ্গীত বিদ্যা শিকিবলৈ লয়। ইয়াৰ পাছত তেওঁ কথাছবি শিল্প অধ্যয়ন কৰিবলৈ জাৰ্মানীৰ বাৰ্লিন নগৰলৈ যায় আৰু সৌভাগ্যক্ৰমে তাতে বম্বে টকীজৰ প্ৰতিষ্ঠাতা হিমাংশু ৰায়ৰ তত্বাৱধানত কথা ছবিৰ প্ৰযোজনা আৰু পৰিচালনাৰ জ্ঞান লাভ কৰে। ইয়াৰ উপৰিও তেওঁ এছিয়া আৰু ইউৰোপৰ বিভিন্ন ঠাই ঘূৰি-ফুৰি নানান জ্ঞান আহৰণ কৰি, স্বদেশলৈ ঘূৰি আহি নিজৰ কৰ্মময় জীৱন পাতনি মেলে। তেওঁ জীৱনটোক বৈপ্লৱিক আৰু সাংস্কৃতিক হিচাবে দুভাগত ভগাব পাৰি।

প্ৰকৃত পক্ষে ক'বলৈ গ'লে তেওঁ আছিল এজন বিপ্লৱী মনোভাৱ শিল্পী। সেয়ে ইংৰাজৰ দুশ বছৰীয়া পৰাধীনতাৰ শিকলি ছিঙি নিজ জন্মভূমিক স্বাধীনতাৰ বেশত চাবলৈ লিখনীৰ দ্বাৰাই তেওঁ নিজৰ বিদ্ৰোহী মনোভাব

অসমবাসীৰ আগত দাঙি ধৰিছিল, আৰু মুক্তকণ্ঠে গাইছিল ঃ

*"সাজু হ'বৰে হ'ল ডেকা লৰা*
*সাজু হ'বৰে হ'ল,*
*তোৰ তপ্তৰ বিষ ঢালি আয়েৰক*
*শক্তি দিবৰে হ'ল।"*

তেওঁ ১৯২১ চনতে ছাত্ৰাৱস্থাতেই অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৩২ চনত গান্ধীজীৰ নেতৃত্বত হোৱা লোণ আইন অমান্য আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। তাৰ বাবে চৰকাৰে তেওঁক পোন্ধৰ মাহ কাৰাদণ্ড দিয়ে আৰু ৫০০ টকা জৰিমনা কৰে। জেলত থকা অৱস্থাত তেওঁৰ অসুখ হয়, সেয়ে চৰকাৰে তেওঁক ভৱিষ্যৎ আন্দোলনত যোগ নিদিওঁ বুলি লিখি দি ওলাই আহিবলৈ দিছিল। কিন্তু তেওঁ দেশ প্ৰেমিক আৰু দৃঢ় মনৰ আছিল বাবেই কাৰাদণ্ডৰ সম্পূৰ্ণ সময় শেষ কৰিহে জেলৰ পৰা ওলাই আহিছিল। সেই সময়ত তেওঁ ইমানেই আন্দোলনৰ কামত ব্যস্ত আছিল যে ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ আমন্ত্ৰণ পাই অসুখীয়া পত্নী আৰু নাবালক ল'ৰা-ছোৱালী এৰি আহি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আন্দোলনৰ কামত ব্যস্ত আছিল। ঠিক সেই সময়তেই তেওঁক হেম বৰুৱাই অসমৰ শান্তিবাহিনীৰ অধিনায়ক পাতে। তেওঁ নিজে যিদৰে দেশক ভাল পাইছিল, সেইদৰে অসমীয়া ডেকা গাভৰুৰো নিজ শৰীৰক তুচ্ছ জ্ঞান কৰি দেশৰ বাবে জীৱন আহুতি দিবলৈ তেওঁলোকক আহ্বান জনাই কৈছিল " শিল্পী, সাহিত্যিক, কবি, দাৰ্শনিক হে আজি দেশক এই সংস্কৃতিক ভ্ৰষ্টাচাৰৰ পৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্তব্যৰ প্ৰতি আওহেলা, নিজৰ ৰাইজৰ প্ৰতি কৰ্তব্য উপলব্ধি নকৰিব, মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ, দেশৰ জীৱনৰ বেমেজালিৰ পৰা আঁতৰি সপোনৰ মায়াজালৰ বুলনি চৰাতেই থাকিব খুজিব সেইসকল নিশ্চয় আজি বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্তব্য পালন নকৰাৰ দোষত পৰিবই লাগিব। মই শিল্পী হৈ সংঘাটৰ কথা কওঁ, সংগ্ৰামৰ কথা কওঁ, সপোন দেখি ছবি আঁকা শিল্পীৰে আজি আমাৰ কাম নহয় আজি নিজৰ তেজেৰে পুৰাৰ ৰঙা বেলিৰে ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে। বিপ্লৱে যদিও আমাৰ মাজত এটা ভয়াবহতাৰ সৃষ্টি কৰি এক ধ্বংসাত্মক মনোভাৱ জগাই নানান বিপৰ্যয় সংঘটিত কৰে এটা দৈত্যকাৰ ৰূপেৰে, কিন্তু তথাপি সি তাৰ মূৰত ভাৰ বৈ আনে এক নৱ সংস্কৃতিৰ নতুন সৃষ্টিৰ মণিসম্ভাৰ।

বিপ্লৱী মনোভাৱেই যে তেওঁৰ জীৱনৰ মুল উদ্দেশ্য আছিল এনে নহয়। প্ৰত্যেক অসমীয়াকে 'সেউজী সেউজী' অ' বুলি গাইছিল। ৰাজনৈতিক জীৱনতকৈ তেওঁৰ সাংস্কৃতিক জীৱন আছিল বেছি উজ্বল আৰু গৰিমাময়। কিন্তু শিল্পীৰ কেৱল ৰং চৰোৱা সুৰ সৃষ্টিতে তেওঁ আৱদ্ধ নাছিল। তেওঁ গভীৰভাৱে উপলব্ধি কৰিছিল যে শিল্প কলা সাহিত্য কলা এই সকলোবোৰ সমাজ জীৱনৰ সাধনাৰ বস্তু।

অসমীয়া সাহিত্য সংস্কৃতিলৈ তেওঁ বহুতো দান দি থৈ গৈছে। সাহিত্য সংস্কৃতিলৈ তেওঁ বহুতো দান দি থৈ গৈছে। সাহিত্যিক জীৱনত ভাষাৰ ক্ষেত্ৰত তেওঁ এখন উচ্চ আসন লাভ কৰিছিল। ভাষা সম্পৰ্কে তেওঁৰ বিষয়ে কব পাৰি যে তেওঁ গল্প আৰু উপন্যাসৰ ভাষাতেই আটাইতকৈ বেছি পৰিমাণে তত্ভৱ শব্দৰ ব্যৱহাৰ কৰিছিল। আনহাতে কবিতাৰ ভাষাত তত্ভৱ শব্দৰ ব্যৱহাৰ তুলনামূলক ভাৱে কম পৰিমাণে কৰিছিল। কাৰণ জনজীৱনৰ লগত তেওঁৰ আত্মীয়তা আছিল আৰু জনজীৱন শব্দ ভাণ্ডাৰ সুন্দৰকৈ আয়ত্ব কৰিছিল। সেয়ে তেওঁৰ লিখনী সমূহ এনে মনোগ্ৰাহী আৰু সহজে এৰিব নোৱাৰা আৰু সকলোৰে অন্তৰ স্পৰ্শ কৰে।

তেওঁৰ দ্বাৰা ৰচিত শিশুৰ উপযোগী পুথি' জ্যোতিৰামায়ণ' গল্পপুথি 'সাতসৰি' প্ৰবন্ধ পুথি', 'জ্যোতিধাৰা' আৰু নানা গীত অসমীয়া সাহিত্য জগতলৈ এক অমূল্য অৱদান।

সংস্কৃতি সম্বন্ধে তেওঁ কৈছে যে " যি কথাই, যি কামে, যি চিন্তাই, যি প্ৰয়াসে, যি প্ৰচেষ্টাই মানুহক মানুহৰ বাস্তৱ জীৱনক সুন্দৰ আৰু মহান কৰে, মানুহৰ বৰ্বৰ প্ৰকৃতিৰ পৰা, মানুহক তাৰ আদিম পৰিবেশৰ পৰা ওপৰলৈ তুলি নি দিব্য প্ৰকৃতি দিয়ে। এই পৃথিৱীৰ বাস্তৱ জীৱন ধুনীয়া কৰি, মনোময় কৰি, মানুহক মানুহ জীৱনৰ সুখ শান্তি আৰু আনন্দ পাবলৈ যোগান ধৰি আনন্দৰ পৰা আনন্দলৈ যায় সিয়েই হৈছে সংস্কৃতি।"

এই সংস্কৃতিৰেই অন্তৰ্ভূক্ত অসমীয়া সংস্কৃতি জগতত তেওঁ আছিল এজন নিপুণ খনিকৰ। কাৰেঙৰ লিগিৰী, নিমাতী কন্যা, ৰূপালীম, লভিতা, তাৰ শ্ৰেষ্ঠ নিদৰ্শন। তেওঁ তেজপুৰৰ বাণ ষ্টেজৰ এজন বিখ্যাত অভিনেতা আছিল। 'শোণিত কুঁৱৰী' নাটখনত তেওঁ তেজপুৰৰ বাণ থিয়েটাৰৰ যোগেদি পশ্চিমীয়া বাদ্য

যন্ত্ৰৰ সমাবেশ ঘটাই, গ্ৰামফোন ৰেকৰ্ড যোগে অসমীয়া অৰ্কেষ্ট্ৰা গঢ়ি তোলে। তেওঁৰ প্ৰবন্ধ চিৰ বিদ্ৰোহী, পোহৰলৈ, শিল্পীৰ পৃথিৱী', নতুনৰ পূজা' আদি উল্লেখযোগ্য। অসমীয়া কথাছবি জগতৰ তেওঁ আছিল এজন পথ প্ৰদৰ্শক। ভাৰতীয় চলচ্চিত্ৰ ইতিহাসত তেওঁৰ জয়মতী এক অনন্য অৱদান। অসীম কষ্ট কৰি তেওঁ ১৯৩৫ চনত প্ৰথম অসমীয়া কথাছবি 'জয়মতী' আৰু দ্বিতীয় কথা ছবি ' ইন্দ্ৰমালতী' নিজৰ ভোলা গুৰি চাহ বাগিচাত নিজে ষ্টুডিঅ' খুলি উলিয়ায়। তাকে কৰিবলৈ যাওঁতে তেওঁ অৰ্থনৈতিক আৰু মানসিক কষ্টৰ সন্মুখীন হয়। কিন্তু তেওঁ দৃঢ় মনৰ আছিল বাবে এজনৰ সুখতকৈ বহুজনৰ সুখত সুখ আছে বুলি ভাবি দহৰ হকে কাম কৰি গৈছিল। জীৱনৰ শেষ সময়ত তেওঁ অসমৰ গাঁৱৰ ছবিৰে 'আমাৰ গাঁও' নামৰ কথাছবি এখন উলিয়াবলৈ যো-জা কৰিছিল। কিন্তু সেয়ে হোৱাৰ বহু আগেয়ে ১৯৫১ চনৰ সোতৰ জানুৱাৰী তাৰিখে আবেলি তিনি বজাত তেওঁৰ পৰলোক প্ৰাপ্তি হয়। কিন্তু সেয়া হ'লেও তেওঁৰ অৱদানেৰে আজিও জীয়াই আছে প্ৰতিজন অসমীয়াৰ কোনো এক নিভৃত কোণত এজন মহান শিল্পীৰূপে।

তেওঁ আছিল এজন শিল্পী, আৰু সেয়ে তেওঁৰ এই শিল্পীজনে সুখী দুখী, শোষিত, লাঞ্চিত, অৱনমিত হোৱা লোকসকলৰ কথা বৰকৈ অনুভৱ কৰিছিল আৰু সেয়ে তেওঁলোকৰ জীৱনৰ এই দুখ কষ্টবোৰ এজন বিশ্বনাগৰিক হিচাপে আঁতৰ কৰিবলৈ বিচাৰি তেওঁ কৈছিল ঃ

*"মই কিন্তু শিল্পী মন*
*গাঁৱৰ গণ্ডিতে থাকি*
*উপজিয়ে হৈ আহো*
*বিশ্ব নাগৰিক।"*

তেওঁৰ সকলো লোককে ভাল পাইছিল। সেয়ে তেওঁ সকলো জনতাৰ প্ৰাণত চিৰ বিৰাজমান হৈ থাকিবলৈ বাস্তৱ জীৱনত কৈছিল এই বুলি —

*"জনতা তোৰ মনবো মনত*
*প্ৰাণৰো প্ৰাণত*
*শিল্পী যে মই লুকাই লুকাই*
*আছো।"*

"অসমীয়া ভাষাক এদিন জগত সভালৈ নিবই লাগিব। অসমীয়া ভাষাক, সংস্কৃতিক, শিল্পক এদিন জগতলৈ জিলিকাই তুলি আনিব লাগিব। অসমীয়া সংস্কৃতিক নৱ প্ৰকাশ ৰচনা কৰিব লাগিব আৰু ইয়াক অসমৰ পৰ্বতীয়া, ভৈয়ামীয়া, অসমীয়া আৰু অসমলৈ অহা নৱাগতসকলৰ মাজত ৰূপ লৈ ভৱিষ্যতত এদিন ফুলে-পাতে জাতিস্কাৰ হৈ মহাভাৰতীয় ভৱিষ্যতৰ মহা সংস্কৃতিক এক নৱতম বিচিত্ৰতাৰে সুন্দৰ কৰি তুলিবই লাগিব।" এয়ে আছিল তেওঁৰ আশা। সেয়ে আজি আমি তেওঁৰ আশাত অনুপ্ৰাণিত হৈ দেশৰ উন্নতিৰ অৰিহণা যোগালেহে তেওঁৰ জ্যোতি যুগমীয়া হ'ব। ▶▶

# অসমীয়া সমাজ, সংস্কৃতি আৰু বিষ্ণু প্ৰসাদ ৰাভা



হিমাদ্ৰী কটকী
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিছত অসমত আবিৰ্ভাৱ হোৱা মহৎলোক সকলৰ অন্যতম আছিল আধুনিক অসমৰ পৰম বিস্ময় শিল্পী সৈনিক বিষ্ণু প্ৰসাদ ৰাভা। বহুমুখী প্ৰতিভা সম্পন্ন ব্যক্তি ৰাভা আছিল একাধাৰে গীতিকাৰ, গায়ক, নাট্যকাৰ, অভিনেতা, চিত্ৰ পৰিচালক, শিল্পী, বাদক, গৱেষক, চিত্ৰকৰ, বুৰঞ্জীবিদ, ভাষাবিদ, নৃত্যকলা বিশাৰদ, লেখক, খেলুৱৈ, সুবক্তা, দুখীয়াৰ বন্ধু, কবি, ৰাজনীতিজ্ঞ আৰু দেশপ্ৰেমিক। তেখেতৰ অফুৰন্ত কৰ্মপ্ৰেৰণা আৰু অসাধাৰণ দক্ষতাৰে কাম কৰি অসমৰ কলা সংস্কৃতিৰ জগতক এটা নতুন মাত্ৰা প্ৰদান কৰি বহু ওপৰলৈ লৈ গ'ল। এই গৰাকী পুৰ্ণ মানৱ সংহতি আৰু সম্প্ৰীতিৰ জীৱন্ত প্ৰতীক ৰাভাৰ জন্ম হৈছিল ১৯০৯ চনৰ ৩১ জানুৱাৰীত বৰ্তমান বাংলাদেশৰ ঢাকা নগৰত। পিতৃৰ নাম গোপালচন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম গেঠীবালা ৰাভা। ৰাভাই আঠ বছৰ বয়সত পিতৃ আৰু সোতৰ বছৰ বয়সত মাকক হেৰুৱাইছিল।

সাম্প্ৰতিক সময়ত বিষ্ণু প্ৰসাদ ৰাভা 'কলাগুৰু' হিচাপেহে খ্যাতিমান। এইজনা বহুমুখী প্ৰতিভাধৰ ব্যক্তিৰ জীৱনাদৰ্শ সম্পৰ্কত অসমীয়াই বিভিন্ন ধৰণে বিচাৰ বিশ্লেষণ কৰিছে। জীৱন কালতে কিম্বদন্তিত পৰিণত হোৱা ৰাভাক মৃত্যুৰ পিচতহে ৰজাঘৰ আৰু প্ৰজাঘৰত বিশেষভাৱে স্মৰণ কৰা হৈছে।

জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা অসমীয়া সংগীত জগতত প্ৰতিভাৰ বলত চিৰস্মৰণীয় হৈ থাকিব। জনগণৰ শিল্পী ৰাভাই অসমীয়া সাহিত্য সংস্কৃতিলৈ 'বাঁহী' আৰু 'আৱাহন'ৰ

যোগেদি যথেষ্ট অৱদান আগবঢ়াইছিল। তেখেতে 'পঞ্চায়ত' কাকতখন সম্পাদনা কৰিছিল। ৰাভাই ভালে সংখ্যক নাটক, প্ৰবন্ধ, উপন্যাস, গল্প, গীত আদি লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। কলিকতাত ছাত্ৰাৱস্থাতে ১৯৪০ চনত কাশী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত ৰাভাই মহাদেৱৰ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু ভাৰতৰ বিখ্যাত নৃত্য শিল্পী উদয় শংকৰৰ প্ৰশংসা লাভ কৰিছিল; তাতে তেওঁ সোণৰ পদক আৰু 'কলাগুৰু' উপাধি লাভ কৰিছিল। শিল্পী হিচাপে আৰু শিল্প কলা জগতত ৰাভাৰ এখন বিশিষ্ট আসন আছে।

অসমৰ নাট্য জগতত ৰাভাৰ নাম চিৰ স্মৰণীয় হৈ থাকিব। তেখেতে ৰচনা কৰা নাট আৰু নাটক সমূহত কৰা অভিনয়ৰ বাবে। তেখেতৰ প্ৰথম প্ৰকাশিত পুথি আছিল অসমীয়া কৃষ্টিৰ চমু আভাস, সোণপাহি, ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে, মোহ, জীৱন নৈৰ সিপাৰে, জনজাতীয় সংস্কৃতিত শিৱ, সুৰৰ দেউল, বড়ো কৃষ্টি, আত্মকথা, দেউতাৰ জীৱনী আদি পুথি লিখিছিল।

ইতিহাসৰ গৱেষক ৰাভাই অসমৰ বিভিন্ন ঠাইৰ জনগোষ্ঠী, ব্ৰহ্মপুত্ৰ নদীৰ নাম, কলা, সংস্কৃতি নৃত্য আদিৰ বহু নতুন তথ্যৰ সন্ধেদ দি থৈ গৈছে।

শংকৰী সংস্কৃতিৰ গৱেষক ৰাভাই শংকৰী কলা সংস্কৃতিৰ বিকাশৰ কাৰণে এখনি পৰিকল্পিত আঁচনি প্ৰস্তুত কৰি তেতিয়াৰ চৰকাৰক দাখিল কৰিছিল। বৃহত্তৰ অসম গঢ়াৰ সপোন দেখা ৰাভাই অসমত বসবাস কৰা জাতি, জনগোষ্ঠীসমূহৰ নিজ নিজ কৃষ্টি-সংস্কৃতি, সভ্যতা বিকশিত হৈ উমৈহতীয়া অসমীয়া সংস্কৃতি হিচাবে শংকৰদেৱৰ সংস্কৃতি গ্ৰহণৰ পোষকতা কৰিছিল।

জনগণৰ বন্ধু ৰাভাই অন্ন, বস্ত্ৰ আৰু সংস্থাপনৰ সমস্যা নথকা এখন শোষণহীন নতুন সমাজ গঢ়াৰ সপোন দেখিছিল আৰু তাৰ কাৰণে বিপ্লৱ কৰিছিল। তেওঁ বৈপ্লৱিক গীত ৰচনা কৰি সেই গীত সমূহক তেওঁৰ সংগ্ৰামৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। ৰাভাই পৈত্ৰিক সম্পত্তি হিচাপে পোৱা হাজাৰ বিঘা মাটি দুখীয়া খেতিয়কৰ মাজত ভগাই দিছিল।

ৰাভাই এবাৰ নিৰ্দলীয় প্ৰাৰ্থীৰূপে অসম বিধান সভাৰ এজন বিধায়ক হৈছিল। ভাষাবিদ ৰাভাই অসমীয়াৰ ওপৰিও সোতৰটা ভাষা জানিছিল। অসমৰ জাতি-উপজাতিৰ ভাষাও তেওঁ ক'ব পাৰিছিল।

ছাত্ৰাৱস্থাত সুদক্ষ খেলুৱৈ হিচাবে প্ৰশংসা লাভ কৰা ৰাভা আছিল এজন চিত্ৰশিল্পী আৰু ভাস্কৰ্য শিল্পী। তেখেতে মহাপুৰুষ শংকৰদেৱৰ ছবি আঁকি আৰু বিভিন্ন জনগোষ্ঠীৰ বাদ্য-যন্ত্ৰৰ চিত্ৰ আঁকি চিত্ৰকৰ হিচাপে খ্যাতি লাভ কৰিছিল। কলেজত চিত্ৰ আঁকি চিত্ৰকৰ হিচাপে খ্যাতি লাভ কৰিছিল। কলেজৰ ছাত্ৰ হৈ থকা অৱস্থাত বীণাপাণি সৰস্বতীৰ প্ৰতিমা সাজি কলেজৰ সকলোকে মোহিত কৰিছিল।

অভিনেতা হিচাপে তেওঁ 'কাৰাগাৰ', চিৰাজ, আলিবাবা, মিচৰ কুমাৰী আদি নাটকত 'এৰাবাটৰ সুৰ' 'প্ৰতিধ্বনি, চিৰাজ আদি কথাছবিত কৰা অভিনয়ৰ দ্বাৰা ৰাইজক মোহিত কৰিছিল।

চিত্ৰ পৰিচালক ৰাভাই 'জয়মতী, প্ৰতিধ্বনি, চিৰাজ আদি কথাছবিৰ পৰিচালনা কৰি নিজৰ দক্ষতাৰ পৰিচয় দিছিল।

কি নাছিল ৰাভাদেৱ ? তেখেত আছিল অসমৰ পৰ্বত-ভৈয়ামৰ বিভিন্ন জাতি জনগোষ্ঠীৰ সম্প্ৰীতিৰ সেতু আৰু সমন্বয়ৰ প্ৰতীক। ডেকা বয়সত চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা উচ্চ পদস্থ চাকৰিৰ প্ৰতিও অনীহা প্ৰকাশ কৰি জনগণৰ কামত দেহে-কেহে খাটি, এটা যাযাবৰী জীৱন যাপন কৰি যাঠি বছৰ বয়সত জীৱন নাটৰ সামৰণি মাৰিলে। এইজন সৰ্বগুণাকৰ ৰাভা সদায় অসমীয়াৰ প্ৰেৰণাৰ উৎস হৈ জিলিকি থাকিব। ▶▶



# N.C.C.-ৰ বিষয়ে দুআষাৰ....

**দিপীকা গগৈ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আজি কালি শিক্ষানুষ্ঠান সমূহত বিভিন্ন ধৰণৰ কাৰ্যসূচী যেনে স্কাউট, গাইড, এন চি চি ইত্যাদি সমূহ সময়ে সময়ে ৰূপায়ন কৰিবলৈ লৈছে। এই বিলাকৰ ভিতৰত NCC অন্যতম। NCC ৰ সম্পূৰ্ণ নামটো হ'ল National Cadet Corps । বৰ্তমান ভাৰতবৰ্ষত তেৰ লাখ NCC কেডেট আছে। NCC ত বিভিন্ন ধৰণৰ কেম্পৰ আয়োজন কৰা হয়। এইবোৰ হৈছে C.A.T.C, T.A.C, P.R.D. R.D আৰু N.I.C । এই প্ৰতিটো কেম্পত ভাগ ললে একোখনকৈ প্ৰমাণ পত্ৰ দিয়া হয়।

NCC য়ে কেৱল ড্ৰিল বা মাৰ্চ পাষ্ট কৰিবলৈকে শিকাই তেনে নহয়, N.C.C. য়ে এগৰাকী কেডেটক Discipline,Medical, Independent আদিৰ সম্পৰ্কে জ্ঞান দিয়ে। যিহেতু সময় অমূল্য ধন গতিকে NCC ত সময়ৰ কাম সময়ত কৰাতো বাধ্যতামূলক। তাৰোপৰি NCC ত সৰুসুৰা চিকিৎসাৰ জ্ঞানো দিয়া হয় অৰ্থাৎ হঠাতে আঘাত পোৱা মানুহ এজনক পৰিস্থিতি সাপেক্ষে কেনেকৈ সেই আঘাতৰ পৰা ৰক্ষা কৰিব পাৰি এই বিষয়ে জ্ঞান দিয়া হয়। চিকিৎসা বিষয়টোক কেন্দ্ৰ কৰি NCC ত ৰক্ত দানৰ এটা নিৰ্দিষ্ট দিনত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ইচ্ছুক কেডেট সকলে ৰক্ত দান কৰিব পাৰে আৰু এই ৰক্ত কিছুমান পিছপৰা গাঁৱৰ চিকিৎসালয়লৈ পঠিওৱা হয়। ইয়াৰ উপৰিও এন চি চিও কেডেট সকলক ফায়াৰিং, পেৰাচুট আদি শিকাৰ সুবিধা দিয়া হয় আৰু ইয়াত মনোৰঞ্জনৰ বাবে বছৰটোত এটা নিৰ্দিষ্ট অনুষ্ঠান পতা হয়। ইয়াত নৃত্য গীত, নাট ইত্যাদি প্ৰদৰ্শন কৰি কেডেটসকলে আমোদ লাভ কৰাৰ উপৰিও খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়।

যিহেতু প্ৰতিজন কেডেট এন চি চিত দুই বা তিনি বছৰহে থাকিব পাৰে গতিকে এই দুই বা তিনি বছৰত কেডেটসকলে বি আৰু চি Certificate ৰ বাবে প্ৰতি বছৰে এটা পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে। এই পৰীক্ষা কেইটাত উত্তীৰ্ণ হলে NCC ৰ B আৰু C চাৰ্টিফিকেট লাভ কৰিব পৰা যায়। যদিহে কলেজীয়া শিক্ষাৰ লগতে এই চাৰ্টিফিকেট কেইখন পাব পাৰি তেন্তে ই বিভিন্ন ধৰণৰ চাকৰিৰ ক্ষেত্ৰত সকলোকে সহায়ৰ চানেকি আগবঢ়াব।

শেষত কবলৈ বিচাৰিছো যে মইও এগৰাকী N.C.C. কেডেট। N.C.C য়ে মোৰ সুপ্ত প্ৰতিভা জাগ্ৰত কৰি তোলাত সহায় কৰিছে। ▶▶

**Miss Plabita Das**
Lecturer
Dept. of Political Science

# CRIME AND PUNISHMENT



It is one of the most important function of a modern state to protect the citizens from anything that harm peaceful and smooth running of the administration of the country.But sometimes insecurity to life and property become prominent and pose threats to the entire society. Such threats can be termed as crimes. Crime may be explained as an act of commission or omission which is baneful to the society in general.It can be stated here that there is nothing which by itsef is a crime, unless it has been declared by the legislature as punishable.One of the cardinal, principle of the ' English Criminal Law' is that there must be guilty mind behind that act which is sought to be labelled as criminal.Without the mind of the person commiting the act being guilty, the person is not guilty.

To prevent crimes, all the countries of the world has taken national policies.
aiming to protect the society.So,various measures were evolved to prevent people from committing crimes.Punishment is one of such measures.The object of the punishment must not be to wreak venegeance but so to reform the criminal as to prevent him from further crime. Crime is like a disease and it should be properly diaganised and then treated scientifically. There are four different theories of punishment viz. [Deterrent, reventive, retributive and reformative.]

According to the Deterrent theory' the object of punishment is to deter people from committing crime. Because the inflication of punishment serves as a check on others who are evil minded. It however fails to achieve the end in view. A hardened criminal becomes accustomed to the severity of the aim to prevent a repat of deterrence therefore prevents him from indulging in crime. The " Preventive theory" refers to the aim to prevent a repeation of the offence by the offender by such penalties as imprisonment, death and exile.Punishment also fails to achieve the desired end. Persons who visit jail once are behabituated to it, It is now generally recognised that, with the advent of civilisation, death penalty has become inccongrous According to the "Retributive theory", the offender should be made to suffer in proportion to the injury caused to the victim, viz. a tooth for a tooth or and eye for an eye. It is a barbarous form of punishment and betrays an utter ignorance of the theory of reformation. The object of punishment must not be to wreak venegenace but so to reform the criminal as to prevent his from furhter crimes. The message of Mahatma Gandhi " Hate the sin and not the sinner" should guide the reformer in adopting a judicial penalty. So there is imperative need for taking into account individual treatment of the prisoner.

Punishment should be of the shortest possible duration and correction oriented. There should be a humane and sympathetic approach towards criminals by investigators, prosecutors, judges and jail authorities. Jail authorities should not adopt repressive methods which would dehumanise the criminal and leave him with no alternative but to return to his former activities after discharge from jail. The punishment to which offenders are liable under the provision of Indian penal Code (Section 53) are -1) death 2) inprisonment for life, 3) imprisonment which is of two descriptions namely a) rigorous that is with hard labourm b) simple, 4) forfeiture of property and 5) fine. Then juvenile offenders sentenced to imprisonment for life or imprisonment may be detained in refromatory School. Lastly, warning and sureties for good behaviour are other forms of punishment.

The determination of the right measure of punishment is often a point of great difficulty and no hard and fast rule can be laid down, it being a matter of discretion which is to be guided by a variety of consideation; but the court has always to bear in mind the necessity of proportion between an offence and the penalty. For eg. in imposing a fine it is necessary to have as much regard to the pecuniary circumstance of the accused persons as to the character and magnitude of the offences and where a substantial term of imprisonment is inflicted, an exceptinal cases. In judging the adequacy of sentence the nature of the offence, the circumstances of its commission, the age and character of the offender, injury to individuals or to society, effect of the punishment on the offender, eye to correction and reformation of the offender are some amongst many other factors which would be ordinarily taken into consideration by courts.

It has been brought out that modern economic conditions have greatly contributed to the increase in crime.The volume of crime depends upon social,political & cultural factors also.It is essential that the problem of crime should receive careful attention at the hands of legislators and reformers,for human happiness is directly depentdent on it.So we can conclude by saying that there is always an apprehension of danger to life and property if crime is not properly put under control. ▶▶

(Source : INDIAN PENAL CODE)

# *Report on*

# "A STUDY OF THE SOCIO-EDUCATIONAL IMPACT ON THE DAILY LIFE OF THE PEOPLE OF NAKATANI, SIVASAGAR. 7th Sept, 2008"

On behalf of Department of Education. HISTORY and ASSAMESE
prepared by Salma Sultana. T.D.C. 3 rd year Edu. (Major)

A monotonous atmosphere of regular studies in the college within the four walls is not the sufficient learning experience in the modern educational system. Inspite of the theoritical, bookish learning a parctical observation of a region is a necessary part of education. To visit on area and to interact with the inhabitants, to investigate and to analyse are the form of real spirit and joy of field work. Community study or survey offers the chance to such studies and to carry out a wide variety of practical experiments which can be adopted for students over their whole ability range. Morover, face to face interaction with a certain group of people, knowing about the living conditions, sharing their emotions etc. are not matter of humour, rather they are smaller discoveries for a students' curious mind.

In regard to these matters, we the students of TDC 2nd and 3rd year of 'The Sibsagar Girls' College' were favoured by fortune when we got the opportunity to visit an outskirt village of Sivasagar district through the 'Extention Survey Programme', sponsored by UGC.

All total 35 students from 3 departments —— History, Eucation and Assamese along with our honourable principal Dr. Hemanta Kumar Phukan sir and ever respected teachers who guided us were — Mrs. Kusum Phukan, Mrs. Anu Sarmah, Mrs. Mukuta Das Borkakoty, Mr. Prabin Sarmah, Mr. Ranjit Ranjan Tamuli and Dr. Roshmi Rekha Gogoi. All the teachers accompanied, guided and inspired us all the time. It was 9 th of September 2008, Sunday when we started our journey to the village — Nakatani. I, on behalf of all the students extend my hearted by gratitude to our principal, Dr. H.K. Phukan Sir along with other teachers for making this endeav our a grand success.

**A. SHORT DESCRIPTION OF THE VILLAGE – NAKATANI :-**

As a sample village, we selected the village named Nakatani for our survey. The village is situated in the south western side of Sivasagar district near the Jorhat Sivasagar border. The village, with a distance of 13

kms. from the Sivasagar town is situated on the bank of Dikhow river, can be reched by a sub-road from the NH 37 which is connected near the Gemon bridge. The road transportation system is not well developed. The common type of transportation, except the private cars, generally seen there is a type of 3 wheeler ' Tempo'. A less influence of urbarisation was seen in the village. The place is rich in flora and agriculture.

The economic condition of the village is average. People mainly follows Hinduism. A local High School is seen in the certe place of the village known as Nakatani high School. An L.P. School - Na-Katani L.P. School was also seen on the opposite side. Any data of the schools could not be collected as it was Sunday.

**IMPORTANCE OF THE STUDY :-**

We the Students of degree course need to collect more and more knowledge about our comunities, Societies and the environment of our surrounding places so that an effective assimilation can be possible with the dynamic society. On the other hand, the effect of education and the other social issues on the life of villagers and to guide the survived people of the charging situations available to them for improving their socia-educationnal condition was the main objective of the study.

There here comes the necessity of a social-educational survey. To provides the opportunity to gather data sheets relating to various aspects of the socio-educational problems of the people of a particular society.

Hence, with this insertion, we started our journey at about 10 am along with our teachers by hired 'Tempo' top our destination Nakatani village.

**FINDINGS OF THE STUDY :-**

For our investigation, an 'interview schedule' was prepared as a tool. As the respondents were directed by very useful in collection of accurate information.

For the study total 71 houses were surveyed within the village. The findings of the study are classified into two groups —

1. Educational status. 2. Social status.

## 1. Educational status :-

Literally, literate includes those who are educated and have the minimum knowledge of three Rs– Reading, Writing and Arithmctic. The educational status of the village is shown with the help of the Table no. 1 and Table no. 2 below —

| Total population | Male | Female |
|---|---|---|
| 321 (100%) | 172 (53.58%) | 149 (46.42%) |

## TABLE 2

Distributionof population according to their educational level :-

| Educational level | Male | Female | Total |
|---|---|---|---|
| Below HSLC | 14 | 16 | 30 ( 22.07%) |
| HSLC – HS | 39 | 46 | 82 ( 60.29%) |
| Graduation | 10 | 9 | 19 ( 13.97%) |
| Post Graduation | 2 | 3 | 5 (3.67%) |
| Total in % | 65 (47.79%) | 72 (52.93%) | 136 (100%) |

The above table 1 shows that out of total population of 321 ( only 71 families), 53.58%

are male members and 46.42 % are female members. Male population is higer than female population.

Again the Table 2 shows that highest no. of educational qualification of the population was between 'HSLC and Higer Secondary' ( 60.29%) and the lowest number is 'post graduation' (3.67%) Morover most of the population inspite of three two are 'Below H.S.L.C '. However, the whole date collected are on the basis of the respondents face to face interaction. Another important thing is that the whole data collected includes all living men and women i.e; from school going children to older persons.

From the table we found that female literacy is higher than male literacy level.

During our survey. it was seen that, proper educational facilities are lacking in the village. But the younger generation is interested in studies but in the survey we found some people who left school for financial difficulties while some others manage to attend schools and colleges for several kilometre distances. Most of the Higher Secondary passed and Graduate ladies are engaged in household works. Most of the men in the village are engaged in agricultural activities, some have joined service and others managed to grow a business of their own. Two men and three women were seen who have completed their Masters Graduation. Again, all total 19 had completed the graduation from different streams.

## 2. Social status :-

In our present survey, althrough we could not include all the social aspects but much importance was laid on inclusion of the major aspects such as — presence of freedom fighter in family (living or dead), use of daily newspaper, Cultural environment in the family, health and hygenic awarness, etc. From all total 71 families and their houses it happened to find only 22.53% using a newspaper, 30.95% of families have a cultural environment and only 50.70 % families are conscious about their health and hygenic living. Morover, if is a good aspect that 38.02% of families are proudly having their ancestors and forefathers joined as freedom fighters. Although almost half of the people have an urban effect like having bikes, mobile phones and television etc. It was seen that much of the populations use a pond for drinking water and a few have used a filtre for pure drinking water. Over and above those there is no better provision of permanent hawker service for a daily newspaper. There fore interested people manage to receive a newspaper from long distances.

**SUGGESTIONS :-**

After, a very brief description about the findings of the survey, some measures can be suggested as —

(a) To improve the economic condition of the village they should lay stress more on scientific techniques of agriculture and productive work as the village is rich in bamboo and cares.

(b) In school, children should be given proper education along with co-curricular activities and also some vocational education should be imparted to them.

(c) To improve the hygenic and living condition people should be concerned and awarness meetings and camps should be organised by Government and Non Government Organisations of Sivasagar district.

(d) Most important suggestion is that the local Government, Panchayat and state

(b) In school, children should be given proper education along with co-curricular activities and also some vocational education should be imparted to them.

(c) To improve the hygenic and living condition people should be concerned and awarness meetings and camps should be organised by Government and Non Government Organisations of Sivasagar district.

(d) Most important suggestion is that the local Government, Panchayat and state Government should lay more importance on improvement of infra-structure, roads and communication, organising health fair etc.

(e) The educated elders of the village should present themselves as social welfare server so that the illiterate people can get encouragement to gather knowledge of living and create a sound society.

**CONCLUSION :-**

The "Education Commission of 1964-66" laid emphasis on the need to reale education to life. There is an urgent need to relate education with the requirements and aspirations of the citizens of a community. Our present study reveals that as the village Nakatani is a few kilometres away froms the Sivasagar town, variour types of impediments are there in the village. Similarly, there are hundeds of such villages in Assam. It may be mentioned that thwe investigation of the present survey is not the actual picture of a remote village because it is mainly based on a few number of samples i.e; 71 houses. Again our study comprised only a few educational and social aspects and their influence on life, However, this study can be done with large samples collected and compared from other parts of Sivasagar district toelicit information about socio-educational status and its impact on the community.

---

# WHITHER INDIAN ECONOMY- BULLISH OR BEARISH?

## *Article on current Global Economic Crisis. Its: Origins and Effects*

**Mrs. Ajanta Borah**
Lecturer in Economics
Sibasagar Girls' College
Sivasagar

**Introduction** : 'Wall Street', the heart of World's financial system has been hurt in an unprecedented manner in the recent times. This is sometimes described as a beginning of another great Depression. The Global financial crisis, the worst since the depression of the 1930's, that started a year ago has entered a new phase, with a series of financial bankruptcies. Around the world Stock Markets have fallen, large financial Institutions have collapsed, and governments in even the wealthies nations have come up with rescue packages to boil out their financial system. Former U.S Federal Reserve Chairman Alan Greenspan has called the current crisis in United States, "the most wrenching since the end of the Second world war." The dimension and intensity of the present US financial crisis is so severe that it leads to the collapse of world's large financial Institutions i.e. Lehman brothers, etc. Many Lynch etc. Many Government of the developed nations in the world have resorted to extensive bailout and rescue packages for the remaining large banks and financial Institution.

The Global financial crisis did not develop suddenly. They had accumulated over several years. In fact, the origin of the crisis is directly related with superpower of the world 'USA'. Slowly the problem has been transmitted to the entire world. Most of the present Economists are now convinced that this crisis was the wrost that the world has experienced since the great depression of 1930's

**Origin of the crisis :**

The origin of this crisis can mostly be attributed to large sub prime lending. Sub prime mortgages are residential loans that do not confirm to the criteria for prime mortgages. in the US, home mortgage institutions

huge volume following securitization of housing loans. The recent sub prime crisis; the consequence of sub prime lending, which deteriorated in quality following the fall in housing prices and rise in interest rate, has landed the US economy in a recessionary phase. Analysts blame the loose Monetary Policy of the US Fed for this crisis. Sub prime crisis is a factor directly linked to life styles and burgeoning ambitions in a world where everyone expectes what they are aspiring for to happen right now. No one is prepared to wait. So, around mid 2007, young people in the US were borrowing money heavily from banks and finance companies to buy homes. The size of this housing loan Market (mainly for low income or sub prime US households) was $1.4 trillion. A very large segment of these borrowers were defaulting heavily on their debt obligations. And now we have seen what happened to even some of the biggest US Banks. Thus the present crisis is the outcome of the sub prime Blow out causes by defaulting mortgage payments in housing loans.

(2) Another cause of the recent crisis is the growing (soaring) commodity prices all over the world. The US dollar has been losing its value very fast. It fell below 100 against Japanese yen. It lost quite a lot of ground against the Euro and the Swiss France. With the falling dollar, the prices of commodities denominated in the dollars have Jumped, especially those of oil and gold.

(3) Increasingly restrictive monetary policies adopted by a number of countries for controlling inflation and maintaining financial stability and also stock market volatility are held responsible for the current financial crisis in the world.

(4) Many Economists believed that the US is currently on the brink of recession, together with Japan and the European Union. The downturn in the developed economies has had an impact on other countries growth in most developing countries slows down.

(5) On the financial side, bank credit growth in the US contracted at an annualized 5.8% in April to June Quarter which resulted in dampening economic activity at all levels and around the world.

(6) Many have blamed the greed of Wall Street, bacause it is in the US that most influential banks, institutions that pushed for the policies caused the crisms.

(7) Schumpeter and Karlmarx believes that capitalism has itself the seeds of its own destruction and ultimately it will come to an end. The very success of capitalism will bring about its decay. Like Schumpeter and Marx we also say that the very success of the US economy will bring about its decay. Like Schumpeter and Marx we also say that the very sucess of the Us economy will bring about its decay.

(8) Joseph Stiglitz, Nobel laureate and Linda Bilmes in their famous book titled, " The Trillion Dollar war" stress that the cost of war should include among other things, not only conventional items like replacing military equipment, but also the huge cost of earning for thousands of wounded veterans. The

financial, Economic and social cost of the war is to over $3 trillion.

(9) The combination of cheap labour and advance technologies in china and India may be one cause of US crisis.They offer their products at low cost and low price.

10) Acc prime Minister Monmohan Singh, the failure of regulation and supervision in major develoved countries, risk management in private financial institutions and the market discipline mechanism were largeley responsible for the current crisis. He further said,the sad truth is that in the age of globalization,we have a global economy of sorts but it is not supported by a global polity to provide effective Governance.

These are the main causes of current financial crisis.

IMPACT OF CURRENT CRISIS:

Historical experiences show that whenever,the gigantic US economy went through recessions, the global Growth also stalled. And this time also, there seems to be no expection to the history. The US crisis will have global implications for two reasons: (1) The US is an enormous market for the rest of the world. A decline in exports to the US, which will be the result of both a recession and a lower dollar, will dampan growth in the rest of the world.

(2)The slowdown in the US will affect the rest of the world in that much of the debt going bad now has been sold throughout the world. Investors in both the developed and developing world did not understand the securities that they were sold by wall street. As a result, they bought assets , that were much riskier than they realized with hundreds of billions of dollers of this debt going bad over the next two years, many investors in the rest of world will take big hits.

Conuntries in Asia are very much worried about what is happening in the west. Many Asin countries have seen their stock markets and currency values going on a downwards trend. There is also increased foreign investment, mostly from the west in Asia, Asian products and services are also global, and a slowdown in developed Nations means increased chances of slowdown in Asia and the risk of job losses.

**The Impact of the current global crisis on Indian economy--**

The impact of the crisis on India will depend on policies implemented by our Government. The Indian economy is passing through a critical phase with high rate of inflation accompanied with slowdown in economic Growth. Indian economy seems to be less affected at least at the initial stage but our economy may very well be affected in the long run. As the US economy is facing recession, this is transmitted to the Indian Economy,because many of the booming sectors of the economy have a clear trade connection with the US economy.

Another unfavorable impact of the crisis on the stock market, the sensex of which is going down in an abrupt manner causing a lot of uncertainties and confusion among the investors and depositors. As of now three things appear to happen. First, foreign funding will reduce due to Global liquidity crunch, secondly, interest rates aboard will rise, thirdly, the rupee will depreciate. This will affect our investment and the cost of imports that are essential for our export industries.Thus, our Growth is likely to be ongoing world financial crisis. Fortunately, the securities and Exchange board of India and the RBI have taken some measures to regenerate confidence among the investor

and Depoitos.

There has also been capital flight on account of the crisis. The Global financial crisis has triggered massive capital outflows, with foreign institutional (FIIs) pulling out fund.

The cause of the failure of global financial architecture may be in the western world, but the impact is going to be felt by the Indian youth in terms of loss of jobs. In the organized and unorganized secto the no of Jobs lost in the last one year at nearly 1 Million. 7,00,00 jobs lost in the textile sector and garments sector alone indicate the High cost of credit and global business out look is perhaps the biggest slash in staffing seen this decade. Real estate,retail,IT, automobiles, hospitality and textiles are clearly the worst affected sectors. Domestic slowdown and global meltdown combine to hit output, incomes, employment and investments, forcing companies to shed for survival. Prime Minister Monmohan singh has already assurd in the look Sabha that our banks, both in the public secto and in the private sector, are financially sound, well capitalized and well regulated. There should be no fear of a failure of any bank. The deposits made in the banks are safe, The government and the RBI would ensure that enough liquidity is pumped into the economy so that interbanking credits are not affected. Moreover, The RBI has recently cut its short term (repo) rate for lending to banks to induce cheaper credit.

Globalization has interlinked all nations and economies to the extent that no single country can sustain immunity for long in the wake of a global crisis, In some sectors such as IT and in the overall corporate scenario, the impact of the turmoil is already visible.

In fact, all macroeconomic indicators show a market deterioration. Industrial output for the first six months of this fiscal, as measured by index of industrial production,(IIP) stood at 4.9% compared to 9.5% a year ago and manufacturing which accounts for 80% of the index,grew by 4.8% in sept,from 7.4% a year ago. Exports for october dipped by 15% and excise ollections dropped by 8.7%. the automobiles sector, already battered by the domestic slowdown, reported negative growth across segments for October opposite to the previous year with goods carriers the barometer for cross-country movement of goods-performing the worst.

India's largest employer (Textile Sector) has been hit hardest by high interest rates, low domestic consumption and cancelled export orders. The sector has already seen lay offs to the tune of 7,00,000 jobs,both in the organized and unorganized sector.

It enabled services hit hard by global meetdown, the sector may survive on domestic demand.

Banking and Financial sector saved by the fact that 80/- of banking is the public sector banks but the downturn has hit them all. The Tourism and hospitality fears the worst following the global meltdown as both tourists and business travelers drop off the radar. The blood bath on the bourses has wiped off a whoping RS 1.50 trillion from maket valuations of country's of 10 most valued firm in the past week with reliance industries suffering the worst blow.

With the Global crisis getting worse everyday, there seems to be no end in sight to the Bloodbath on wall street or Dalal street. Describe as the worse banking crisis of the last century, the curmt financial crisis is ever being compared with the great Depression of 1930. The duration of the

downturn depends on the problems in the credit Markets. The problems is so severel that even the wealthiest nations have come up with rescue packages to bail out their firancial system .

We hope the Government of India will take necessary corrective steps so that the negative impact of the global crisis can be minimized. The RBI and SEBI have serious responsibility to discharge to the investing public by way of controlling a serious melt-down in India as well. It will require astute political leadership. The first step is to accept that there is a problem. The ongoing situation is termed rightly as a global crisis and as such countering the same calls for global co-opeation at an unprecedented. Prevention of large scale bank collapses is a must.

Reference :-


1. Professional Banker :- July 2008
2. The Analyst :-March 2008
3. India Today :- November 2008
4. Prantik 1-15th December 2008
5. Competition Success Review November 2008
6. Various articles in Amar Asom, The Assam Tribune, Th Sentinel, The Telegraph. ▶▶



# কবিতাৰ কৰণি.......





•••••••শিক্ষক সাময়িকী



# পূব আকাশৰ মিউজিয়াম


## কিশোৰ কুমাৰ দেউৰী
বিভাগীয় প্ৰধান, ৰাজনীতি বিজ্ঞান বিভাগ


প্ৰস্তৰ মূৰ্তি হৈ মোক শুবলৈ কোৰা হৈছিল
হাত ভৰি মেলি মুখত মিচিকিয়া হাঁহিৰে
মই শুই পৰিছিলো।
কোনোবাই মোলৈ চাইছিল তন্ময় হৈ
শিল্পীলৈ ধন্যবাদ— এই ভাবেৰে.
এইদৰে এজাক যুগ উৰিছিল
সিহঁতে মাজে মাজে মোৰ চুলিত
পাখি গুজি দিছিল, মই গম পোৱা নাছিলো।
লাহে লাহে মই সাৰ পাইছিলো
কিন্তু কোনো এক যুগৰ বতাহে
মোৰ নাকটো মচি থৈ গৈছিল
(এতিয়া মোৰ হেনো লাজ নায়েই)
পথৰুৱাই চাইছিল শিল্পীলৈ পুতৌ লাগে
এনে এক ভাবত।
এদিন সমগ্ৰ শক্তিৰে
মই উঠিবলৈ চেষ্টা কৰিছিলো
লগেলগে মোৰ মূৰটো খহি পৰিছিল!





# মই এজনী গাঁৱৰ ছোৱালী


## ত্ৰিবেণী দত্ত
অসমীয়া বিভাগ


মই এজনী গাঁৱৰ ছোৱালী
ধূলি আৰু বোকা পানীৰে লুতুৰি পুতুৰি
মোৰ শৈশৱ সোণালী।

দিখৌৰ বাঢ়নি পানী
বহাগৰ কপৌ ফুল পাহি
শৰতৰ নিয়ৰ শেৱালি মোৰ যৌৱনৰ আমনি।

ঢেঁকীৰ চেৰত জিলিকি উঠা ঘামৰ টোপাল
জকাই বাই আঁহোতে ফুলা গধূলি গোপাল
নামঘৰত বজা সন্ধ্যাৰ ডবাত মোৰ আইৰ ভকতি।
মাহ-হালধি বিয়ানাম উৰুলিৰে
নোৱাই তোলনি বিয়া পতা
মই এজনী গাঁৱৰ ছোৱালী।

# অন্তৰা-আত্মলিপি

**কাকলি সোণোৱাল**
প্ৰৱক্তা, অসমীয়া বিভাগ

বুকুৰ চাকনৈয়াত
ৰৈয়া ৰৈয়া ৰৈয়া কৈ বাজে,
প্ৰতীক্ষাৰ আকুলতা
জিৰি জিৰি কৈ বৈ যোৱা
অফলা ফাগুনী জাকে,
মচি নিয়ে ঃ
দুখ আৰু ভাগৰ।
ফৰকাল মন আকাশে আঁকি দিয়ে
কিমান যে প্ৰতিশ্ৰুতি।
ৰামধেনু বৰণীয়া ....
ডাৱৰ আৰু নাই
নীলিম আকাশৰ শুভ্ৰতা
আজিও অটল,
মেঘবোৰো তেনেকৈয়ে ৰ'ল। ❖

# য'ৰ পৰা আৰম্ভ হয়...

**মনিকা চুতীয়া**, প্ৰাক্তন ছাত্ৰী
অসমীয়া বিভাগ

(১)

য'ৰ পৰা আৰম্ভ হয় এখন নদীৰ ইতিহাস ;
শুই থাকে তাতে এখিলা সৰাপাত হৈ
নিয়ৰৰ টোপাল সৰা এটা শীতৰ আবেলি।

(২)

আঘোণৰ চোতালৰ পৰা
দাৱনীবোৰ উভতি আহে।

কোলাত কঢ়িয়াই আনে দিনটোৰ ক্লান্তি
আশাবোৰ মুঠি মুঠি কৰি বন্ধাৰ উচাহত
শিথিল হয় খোজৰ গতি।

শুই থাকে দাৱনীৰ খোজৰ তলৰ মাটিখিনিত
এটা শীতৰ আবেলি।

(৩)

"হুৰ হুৰ বটা চৰাই,
মোৰ ধান নেখাবি,
তোক দিম গোটা কৰাই ............"
........চম্পাৱতীজনী এতিয়াও আছ নেকি
টঙীঘৰত অকলে ?
নেথাকিবি,
নেথাকিবি,
নাগ কোঁৱৰে নিলেও
ধৰি নিব তোক কেঁকোৰা চেপা দিয়া
কোনোবা হাতে ..........

(৪)

মই নীড়মুখী হওঁ যন্ত্ৰণাৰ মকৰাজাল ভেদি।
পদুলিৰ পৰাই শুনো
ককা দেউতাৰ কাহৰ ৰেৱাজ।

অ' পিতাই, জুই কুৰা বৰকৈ জ্বলাই দে।
কুমলীয়া বাঁহৰ চুঙা চাউল আৰু
কলপাতৰ গোন্ধেৰে কেতিয়াকৈ নো
খাবি ন-মুঠি ?
আই; নালাগে ৰুব তই আঁচলত চকুলো।
তোৰ সৰল পৃথিৱীত
হেৰাবলৈ দে মোৰ যন্ত্ৰণাৰ আকাশ।

(৫)

মোৰ বুকুত বৈ আছে এখন নদী।
হেৰ' যাযাবৰী শৰালি জাক;
শীতৰ আবেলিৰ সমস্ত স্নিগ্ধতা সিঁচি
ইয়াতে পানী খেদালিবি আহি।
সোঁৱৰণী মোৰ বুকুত বৈ আছে এখন নদী।

(৬)

য'ৰে পৰাই আৰম্ভ হয় এখন নদীৰ ইতিহাস
শুই থাকে তাতে
এখিলা সৰাপাত হৈ
নিয়ৰৰ টোপাল সৰা এটা শীতৰ আবেলি। ❖

# আঘোণ

**ময়ূৰী দত্ত**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

সূৰুযৰ হেঙুলী আভাই ৰৌদ্ৰস্নাত
কৰি তুলিছে প্ৰতিটো পুৱা
সেউজৰঙী পথাৰখনো সোণোৱালী
হৈ পৰিছে ক্ৰমশঃ
ন জীয়ৰীৰ দৰে বাঢ়ি অহা সূৰ্যটোৰ তপত স্পৰ্শই
সকলোকেই সোঁৱৰাই দিছে আঘোণ আকৌ আহিল...
কান্ধত বিড়িয়া লৈ ধান কঢ়িওৱা ডেকাৰ
কেঁচা ঘামৰ টোপালত
পথাৰ জীপাল হৈ উঠাৰ বতৰ আঘোণ,
উষ্ণ স্পৰ্শৰে দাৱনীৰ গাল মুখ
সুমথিৰাৰঙী কৰি তোলা অবাধ্য সূৰ্যটোৰে
দাৱনীৰ সতে চুপতি মৰাৰ সময় আঘোণ,
খেতিয়কে পথাৰৰ বুকুত
ভৱিষ্যতৰ সপোন ৰচাৰ সময় আঘোণ।
নীড়মুখী বিহংগৰ কিৰিলিৰ শব্দই
বাঙ্ময় কৰি তোলে আঘোণৰ প্ৰতিটো আবেলি
ফৰকাল আকাশৰ জোনাকৰ জেউতিয়ে
নিস্তব্ধতা ভংগ কৰে আঘোণৰ প্ৰতিটো সন্ধ্যাৰ।
এনে এক বৰ্ণময়, স্বপ্নময়, সুখময় সময় আঘোণ
কল্পনাৰ সোণালী কাৰেং সাজি ভৱিষ্যতৰ
সপোন ৰচাৰ সময় আঘোণ...

# খহি পৰা মমডালৰ অস্তিত্ব বিচাৰি

**ত্ৰিবেণী কোঁৱৰ**
পদাৰ্থ বিজ্ঞান বিভাগ

লাহে লাহে জ্বলি জ্বলি খহি যোৱা মমডাল
সন্মুখতে খহি খহি নিঃশেষ হৈ যায়
জগত পোহৰ কৰাৰ কি যে এক তীব্ৰ প্ৰয়াস।
জগত ছানি ধৰা ঘোৰ অন্ধকাৰক
সি মচিব খোজে, মাথো তাৰ
টিমিক ঢামাক পোহৰেৰে।
নিজকে উলংগ কৰি;
তুলি ধৰিব খোজে সি
মাথো কাৰোবাৰ বাবে অকণি উজ্জ্বলতা
অমাৱস্যাৰ কাল অন্ধকাৰক
নাশ কৰাৰ মানসেৰেই
সি হৈ পৰে আপোনঘাতী।
খহি পৰা প্ৰতি টুকুৰা মাংসপিণ্ডৰ বিনিময়ত
সি পালে জানো কিবা প্ৰতিদান ?
পাৰিলে জানো নাশ কৰিব
আন্ধাৰৰ কালিকাসনা বৰ্বৰতা ?
বিচাৰো অস্তিত্ব মই
তাৰ শৰীৰ পৰা খহি পৰা
প্ৰতিটো জীৱন্ত মাংসপিণ্ডৰ
প্ৰতি টোপাল ৰক্তৰ।
গঢ়ি তুলিব খোজো মই তাক
নতুন ৰূপেৰে।
সজাই তুলিব খোজো নতুন সাজেৰে
দিব খোজো নিৰ্ভয়তাৰ অকণি আশ্বাস
দেখুৱাব খোজো যাত্ৰাৰ এটি নতুন পথ।
সেই আশাৰে সাৱটি ধৰোঁ তাক
মই মোৰ দুবাহুত
এইবাৰ মই তাক
পুনৰ আপোনঘাতী হ'ব নিদিওঁ ......

# সেউজী পথাৰ

**আকাশ জ্যোতি দাস**
অসমীয়া বিভাগ, স্নাতক তৃতীয় বৰ্ষ

এখনি আকাশ এই যে বতাহ
কেঁচা কেঁচা মাটিৰ গোন্ধ
চিৰলগৰী মোৰ
চিৰলগৰী মোৰ
কেঁচা মাটিৰ সেই চিনাকি গোন্ধত
মতলীয়া হওঁ

নাঙলৰ সীৰলুত মোৰ
সেউজী ধৰণীৰ সেন্দুৰৰ ফোঁট
যেন ন কইনাৰ কপালৰ পূৰ্ণিমাৰ জোন
মোৰ বাসনাৰ ঔৰসত জন্মা ভ্ৰূণে
জীয়াই তোলে ভৱিষ্যত
জীৱনৰ বহুতো সপোন

তাইৰ উমাল বুকুতে আছে
মোৰ শৈশৱৰ মুঠি মুঠি সুবাস
আছে বহু স্মৃতিৰ হিচাপ
আৰু আছে কত হাড়েৰে নিৰ্মিত
সেন্দুৰীয়া বিগ্ৰহ (ভঁৰাল)
আছে তাইৰ বুকুও
আবেলি হিন্দলৰ তলত
খাপ পিটা প্ৰেমিকৰ
মৌ মালিৰ মুখৰ হেজাৰ বিজাৰ গুণ গুণ
দলনি পথাৰত কুৰুৱাই কান্দিছে
যুৱীয়া হিন্দলৰ ডালত
চেৰেক চেৰক মাৰি কলিজা ফাটিছে
পৰিছে তোমালৈ মনত।
হেৰোৱা হৃদয়ৰ ঠিকনা বিচাৰি
আকৌ উভতি যাওঁ তাইৰ বুকুলৈ সংগোপনে;
কিজানিবা পাওঁ সঠিক ঠিকনাক
হে আজলী চেনেহী পথাৰ
তইয়ে মোৰ হৃদয়ৰ
আকুল ধন।

# কুঁহিপাত বাজে হীমসনা আবেলিৰ গান....

**সংগীতা বৰুৱা**
স্নাতক তৃতীয় বৰ্ষ
গণিত বিভাগ

চাইৰেনৰ ভীষ্ম কম্পনত,
বুধুৱা চামেলীহঁত অবধাৰিত হ'ল
নৈপুণ্য হাতৰ পৰিমাপন কৰিবলৈ।
দেহৰ প্ৰতিডাল সিৰাতে বিয়পি আছে সিহঁতৰ
এটি কলি দুটি পাতৰ সুগন্ধি ......।।
একাপ কফি হাতৰ মুঠিত,
বাৰান্দাত হেলান দি তৃপ্তিৰ আমেজত নিমগ্ন
এক তৃপ্ত মনৰ হীমসনা আবেলিত
প্ৰতিধ্বনিত হয় অদূৰত
বুধুৱাহঁতৰ উভতনি খোঁজ ......।
সুখবোৰ ঢালি দিব এবাটি সুৰাত
মাদলত কম্পিত হ'ব সিহঁতৰ জীৱনৰ গান।
পখীৰ কলকলনিত
মগ্ন হ'ব শীতৰ মৰম আবেলিত
আৰু আদিত্যৰ কোমল ৰেঙণিত
সপোন ৰচিব সিঁহতি।
উৰি যাব কুণ্ডলী পকাই
মোৰ কফিকাপৰ পৰা তৃপ্তিত মন
এক গভীৰ প্ৰশান্তিত ............।

# সময়বোৰ বাগৰোতে...

**বৰ্ণালী দাস**
স্নাতক প্ৰথম বৰ্ষ

নিশব্দে বাগৰি যায় সময়বোৰ
এক সীমাহীন জীৱনৰ;
ধূসৰিত হৈ পৰিছে ক্ৰমে দুখৰ পৃষ্ঠাবোৰো
শব্দৰ সিপাৰে যিদিনাই অনুভৱ শিপাইছিল
সেইদিনাই বাছি লৈছিলো
জীৱনৰ সঠিক ঠিকনা।।
ভুমুকি মৰাহি নাছিল তেতিয়া
আজিৰ দৰে
নতুন কাহিনীবোৰে।।
শেষ হৈছিল এটা এটা নিশা,
একেদৰেই পাৰ হয় সময়বোৰ;
এনেকৈ শেষ হয় সপোন
জীৱন গঢ়াৰ।।
হৃদয় সন্ধান কৰিছে আজি গোপনে
আধৰুৱা সপোনক,
য'ত অনুভৱে এতিয়াও আঁকিব বিচাৰে
সৃষ্টিৰ নতুন প্ৰতিচ্ছবি .......।

# কোনোবাই কুৰুলিয়াই দুপৰ নিশা....

**অঞ্জলি শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ

কোনে কুৰুলিয়াই দুপৰ নিশা
মোৰ হৃদয়ত কপনি তোলি।
মাজৰাতি নিস্তব্ধতা ভাঙি
কাৰোবাৰ মাতৰ
হৃদয়ে সাঁকো তৰে।
কাৰোবাৰ হাঁহিৰ
উচপ খোৱা আন্ধাৰবোৰে
কঢ়িয়াই আনে গোপন যন্ত্ৰণা।
মেটেকা ফুলৰ ৰঙবোৰ আন্ধাৰতো
জিলিকে .......
পোৱা নোপোৱাৰ হিচাপৰ মগ্ন হৃদয়
তেতিয়া মাতাল হয়,
এবুকু উলাহ লৈ জোনৰ হালধীয়া
বিচাৰি ...........
জোনটোৰে লুকাভাকু খেলি থাকে ....
হৃদয় মাতাল হয়, কোনেও নুবুজে
কোনেও নাজানে
অচিন পখী এটাই তেতিয়া ধৰফৰাই
জোনে মিচিকিয়াই হাঁহে
হৃদয়ে সাৰ পাই
কোনোবাই কুৰুলিয়াই
পোহৰৰ লাজৰ জোন আতৰি যায়
হৃদয়ত কঁপনি তুলি।



# ৰাগিণী


**ৰাহানা বেগম**
স্নাতক তৃতীয় বৰ্ষ


জীৱন প্ৰহৰত কোন তুমি ৰাগিণী;
আশাৰ ফুলনিত হোৱা মালিনী।
ক্ষত বিক্ষত হিয়াৰ আকুলত,
মুক্তিৰ ক্ষণ গণি গণি,
প্ৰেৰণাৰ শ্লোগান গাই,
জয়ধ্বনি প্ৰতিধ্বনিত হৃদয় কঁপোৱা।।
ঠুনুকা কাঁচৰ প্ৰতি বিন্দুত,
অসংখ্য প্ৰতিছবি দেখা,
ঠিক আশাৰ প্ৰতিবিম্বত
জীৱনৰ অসংখ্য চানেকী সজোৱা।।
ভগ্ন হৃদয় যোৱা লগাই
তোমাৰ প্ৰহৰত হ'বনে ? .....
হ'বনে হে মহা ৰাগিণী;
পূৰ্ণ আশাৰ কানন।।
বিষাদে অৱসাদৰ ওৰণি গুচাই,
ক্লেশ ক্লান্তৰ সাজ সলাই,
প্ৰতি ক্ষণ প্ৰতিমুহূৰ্ত,
গুছিবনে বাৰু বিষাদৰ কাঁইট।।

# আধৰুৱা ছবি


**মুনমী চেতিয়া**
স্নাতক তৃতীয় বৰ্ষ


পুৰাৰ বেলিৰ কুমলীয়া ছবি
জিকমিকাই থকা তিতা ফুলনিখনতে
ভাবিছিলো কম বুলি আজি
কোৱা নহ'ল যে মোৰ
তুমি গ'লটো নিয়ৰৰ কণিকা বুটলি।

দুপৰীয়া তেজ ৰঙা ছবিখন কঁপিছিল যেতিয়া
পখিলা খেদি খেদি
ভাবিছিলো কেঁচা কাজিনেমুৰ গন্ধ বিয়পি পৰাত
ভাল লগা বহুত কিবা কিবি।
তুমি যে গ'লাগৈ শুকান পাতবোৰ খৰখৰ কৰি।

আবেলিটোৰ এখিনি ৰং সানি
যেতিয়া হালধীয়া কৰিছিল ঠোঁট শালিকাজনীৰ
জুমি চাইছিলো সেউজীয়াৰ ফাঁকেৰে ক'ম বুলি
গ'লাগৈ তুমি তাইৰ ডেউকা ভাঙি
চুঁচৰি চুঁচৰি স্তব্ধ হ'ল
মোৰ ৰথৰ ঢপ্‌ঢপনি।
এতিয়া ভাঁহেহি সন্ধিয়াৰ আকাশত
কাজল বৰণ তোমাৰ ছবি।
অকলশৰীয়া তৰাটি নভৰাবি
মোৰো বেদনাৰে হিয়া।
ময়ো জানো ৰাতিৰ বুকুত ৰাগী বহিলে
দুখৰ মজিয়াৰ পৰা যে উঠিব নোৱাৰি।

# মৰু সদৃশ পৃথিৱী

**ৰিতামণি ৱেইন**
স্নাতক প্ৰথম বৰ্ষ

এই মৰুভূমি সদৃশ পৃথিৱীখনত
জীৱন কটামনো কেনেদৰে
দিনৰ পাছত আহে ৰাতি
ৰাতিৰ পাছত আকৌ দিন।
প্ৰভাতৰ মলয়া বতাহজাক
হেৰাই যায় নিমিষতে
দিনৰ ভাগত ওলাই আকাশত
বেলি ফুলৰ সূৰ্য্যদেৱতা।
নাই ক'তো বিশেষ সুখৰ ৰেখা
মৰু সদৃশ এই মৰতত,
য'তেই দেখো দুখ যন্ত্ৰণাৰ
এচাম লোকৰ বেজাৰৰ চকুপানী।
নীলা বৰণৰ সাগৰৰ পানীৰ
কাষৰ বালিত,
কোনে বাৰু সজালে ?
সেই,
পুৰণি কলীয়া বালিঘৰ
ঢৌ খেলুৱা পানীৰ গভীৰ সোঁতত
হেৰাই গ'ল সেই পজাঁঘৰ।
মাজ সাগৰৰ পানীৰ মাজত
আছো যে ওমলি,
সিপাৰৰ চিনচাবকে নেদেখি
পানীৰ গতিৰ ধাৱৰ মাজত।



# মই আজিও নুবুজো

**জিনামণি শইকীয়া**
স্নাতক প্ৰথম বৰ্ষ

থাউনি নোপোৱা ভাৱনাৰ নদীখনত
এজাক দুখৰ বৰষুণে কিৰিলিয়াই কৰিলিয়াই
গীত জুৰিলেই
সোঁৱৰণীৰ কেঁচাপাতৰ বেঙুনীয়া ৰঙে
মোৰ বুকুত ফাকু খেলে
ৰঙা, হালধীয়া নানা ৰঙৰ।
এক অবাঞ্ছিত পৰিস্থিতিত
জ্বলি থকা চাকিটো নুমাই গ'ল।
অতৃপ্তিৰ বাসনাত ডেই পুৰি মৰো মই
মই আজিও নুবুজো।
অপোনাতকৈ কিহত বেলেগ
মই ভালপোৱা তৰাবোৰ
আৰু আপুনি ভাল পোৱা আকাশখন।

# মোৰ স্বপ্নৰ সেন্দুৰীয়া আলিটোৱে...

**বৰ্ণালী দত্ত**
স্নাতক দ্বিতীয় বৰ্ষ

এৰা, বহুদিনেই হ'ল
মোৰ স্বপ্নৰ সেন্দুৰীয়া আলিটোৱে দি গৈ থকা।
বহাগৰ এনে এটি অনুপম সন্ধিয়াতেই
মোৰ কাব্যময় যাত্ৰা আৰম্ভ কৰিছিলো।
বহাগ গৈ আকৌ আহিলে,
এইবাৰো গৈ আকৌ পালেহি
তথাপি মোৰ যাত্ৰাৰ অন্ত নপৰিল।
কুলিজনীয়ে সেউজ আঁহত জোপাৰ
ফেৰেঙণিত বহি সুধো বুলিও মোক সোধা নাই তুমি
তোমাৰ সপোনৰ সৈতে মুখামুখি হোৱাই নাই নেকি ?
বৰদৈচিলাজনীয়ে বাউলি হৈ
চঞ্চলতাৰে কেতিয়াবা কয়
অ' তুমি মানে এতিয়াও
গৈ থাকা গৈ থাকা ভাগৰি মাত্ৰ নপৰিবা।
কপৌফুলবোৰে কেতিয়াবা পিছ ফালৰ পৰা ৰিঙিয়াই
তোমাৰ খোপাত আমি বাঁহ সাজিম।
তথাপি মই গৈয়ে আছো গৈয়ে আছো
মোৰ স্বপ্নৰ সেন্দুৰীয়া আলিটোৱে
বহাগৰ কোনোবা সেউজীয়া আবেলিত
তোমাক লগ পাম বুলি
যদিও মোৰ স্বপ্নৰ সেন্দুৰীয়া আলিটো
ক্ৰমাৎ জৰাজীৰ্ণ হ'বলৈ ধৰিছে।

# 'ফাগুন' তোমালৈ বহু অপেক্ষাৰে...

**আশাশ্ৰী দুৱৰা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

তুমি আহিবা বুলি
বাট চাই আছো মই
এবুকু আশা আৰু প্ৰত্যয়েৰে।
তুমিটো মোক প্ৰতিশ্ৰুতি দিছিলা
তুমি আকৌ আহিবা বুলি,
আৰু সজাই তুলিবা
প্ৰকৃতিক ন-ন ৰূপেৰে।
তুমি আহিলে
পলাশ, শিমলু, মদাৰৰ ডালত
ৰঙাফুলে উপচি পৰে,
বিৰিষৰ শুকান পাত
পছোৱা লাগি
নাচি নাচি ধৰালৈ আহে।
পখিলাজাকে ফুলে ফুলে
ফুলৰ মৌ চুহে,
আনন্দত মোৰ মনটো
কহুঁৱা তুলা যেন হৈ পৰে।
তুমি আহি জনাই দিয়াহি
বসন্তৰ বতৰা,
গাঁৱৰ গাঁৱলীয়াৰ উল্লাসত
উখল মাখল হিয়া।
'ফাগুন' তোমাক স্বাগতম জনাইছো
সেউজী ধৰালৈ,
বহু অপেক্ষাৰে বাট চাই আছো
তুমি অহালৈ।

# মোৰ শৈশৱ

**জোনটি গগৈ**
স্নাতক তৃতীয় বৰ্ষ

থুনুক থানাক মাত
থুপুক থাপাক ভৰি,
মাৰ আচলত ধৰি
ধুপুচ ধুপুচ পৰি।
অ, আ, ক, খ শিকিবলৈ
স্কুললৈই যাওঁ লৰি ধৰি
ছুটিত আহি ঘৰ পাওঁ
ৰাতি হ'লে টোপনি যাওঁ।
লগৰ সমনীয়া লগত
দেনা-পানী দেনা খেলি,
ৰাতি হ'লে পঢ়া টেবুলত
টোপনীৰ বৰশী বাওঁ।
গছৰ তলে তলে আম, বগৰী
বিচাৰি খাওঁ।
ঘৰলৈ বুলি ফ্ৰগত
টোপোলা বান্ধিলৈ যাওঁ।
দিনৰ পিছত দিন, ৰাতি পিছত ৰাতি
মাহৰ পিছত মাহ, বছৰ পিছত বছৰ
কেনিনো বাগৰ সলাই সময়ে
গমকে নেপাও যে ভাই।
শৈশৱৰ লগৰীয়া ধেমেলীয়াবোৰ
অতীতৰ বুকুত যে এৰিলো,
ক'ত যে হেৰুৱালো
মোৰ সোণালী দিনবোৰ।
আজিও বিচাৰো মোৰ শৈশৱৰ
লগৰীয়াবোৰক
বিচাৰিলেনো কি হ'ব
কোনে ঘূৰাই দিব?
এবাৰ গুলাই যোৱা বাণ
নাহে যে উভতি।
আজিও জিলিকি আছে
মোৰ দুচকুত সেই সোণালী শৈশৱ,
মিঠা মিঠা মোৰ শৈশৱৰ স্মৃতিবোৰে
আজীৱন সোঁৱৰাই থাকিব মোৰ মনত।

# তোমাক পোৱাৰ বাবেই

**পল্লৱী বড়া**
স্নাতক তৃতীয় বৰ্ষ
ভূগোল বিভাগ

আঁউসীৰ ৰাতি হয়তো
তোমাক লগ পোৱাৰ বাবেই
মোৰ মনৰ মানসপটত ফুলি উঠিল
এপাহি খৰিকাজাঁই
সেউজীয়া শস্যৰ সোণোৱালী গন্ধই
ভৰি পৰিল মোৰ মনৰ পথাৰ
আঁউসীৰ ৰাতিও ফুলি উঠিল
তোমাক পোৱাৰ বাবেই
এমুঠি জোনাকৰ ফুল
হৃদয়ত অজস্ৰ বেদনাৰ মাজতো জ্বলিল
এগছি আশাৰ চাকি
মোৰ ম্লান পৰি যোৱা সপোনবোৰক
তোমাৰ প্ৰেৰণাই জগাই তোলা
আশাৰ সঞ্জীৱনী ঢালি
তোমাক পোৱাৰ বাবেই
মোৰ হৃদয়ত বসন্তৰ শিহৰণ জাগে
মোৰ চকুলোবোৰ হাঁহি হৈ নিগৰি আছে
দেহৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে
নামি আহে নতুন প্ৰেৰণাৰ
এমুঠি মিঠা সুবাস।

# চৰ্ত নিৰপেক্ষ


## মাইনু গগৈ

অসমীয়া বিভাগ


ক'ৰ পৰা আৰম্ভ কৰিম য'ত শেষ হৈ
নাযায় বুলি
শেষ হলেও য'ত হয় পুনৰাবৃত্তি আৰম্ভৰ।

প্ৰেমৰ দুৱাৰ বুলি ক'ত সীমনা খুলি
গচকি যাম মৰীচিকা শেষ হ'ল বুলি,
হয় য'ত আৰম্ভ এপিটাফ প্ৰেমৰ।

শুকান চুলিক মৰ আঁউসীৰ জোন বুলি ভবাজনে,
ঘোলা চকুত সৃষ্টিৰ প্ৰসৰ দেখাজনে।
বিবৰ্ণ দেহৰ প্ৰাচুৰ্যতাত বুৰ যোৱাজনে
জানিব আত্মিক মিলনৰ সুবাসক।

তুমি যদি তেওঁক নাজানা তেন্তে তেওঁত
নোপোৱা তোমাৰ উদ্দাম মানসিকতাৰ জোৱাৰ
হাঁহিত যদি বাগৰে নিৰ্দোষিতা, হয় তোমাৰ ব্যৱহাৰত
অপ্ৰকৃতিস্থ, তেন্তে জানিবা তেওঁ অযোগ্য তোমাৰ।

আৰম্ভ হ'ব শেষৰ কিন্তু শেষৰ পৰা তেওঁ
আৰম্ভ হৈ শুনিব বিচাৰিব তোমাৰ বাক্যবাণত
বিদ্ৰূপসূচক মন্তব্য তেওঁৰ অক্ষমতাৰ
কাৰণ তেতিয়াই তোমাক তেওঁ পাহৰিব
বুজি পাব তোমাৰ নিপোটল চৰিত্ৰ।

হোৱা যদি পথাৰৰ ছাল শুকালে তুমি দুখী
যদি কবিতাত প্ৰকাশ হয় সিদ্ধান্তৰ আবেগ
বা যদি হয় দেহবিমুখ জীৱন প্ৰেমৰ আদি পাঠ
তেন্তে জানিবা তেওঁ তোমাৰ সহৃদয়তাৰ সংগী
দেখিবা মাজত তেওঁৰ এক নৱ অৰণ্যৰ উকমুকনি।



# এদিন আহিবানে?


## জিণামণি শইকীয়া

স্নাতক প্ৰথম বৰ্ষ
অসমীয়া বিভাগ


বাৰিষাৰ বলীয়া বাণৰ দৰে
তুমি আহিলা।
গুচি গ'লা।
হাঁহি হাঁহি মোৰ বুকুৰ তাণ্ডৱ লীলা চাই।
কেনে পালা ?
তৃপ্ত হ'লনে তোমাৰ অতৃপ্ত হিয়া।
আৰু কিমান দুখ দিবলে বাকী থাকি গ'ল।
বিষাদৰ কুটুহা কাঁইটবোৰে মোৰ আলসুৱা বুকুত
তেজৰ ল'ৰা ধেমালি খেলিলে।
সোঁৱৰণীৰ কেঁচাপাতৰ ৰঙে আজি ছাই বৰণ ললে।
কেনেকৈ বুজিবা মৰম কি।
যাক এবাৰ দিলে অলপ দিলে এদিন দিলে তৃপ্ত
হৈ নাযায়।
এদিন আহিবাচোন
বহুত দিন আলাপ কৰা নাই তোমাৰ সৈতে
হাঁহি কান্দোন, পোৱা নোপোৱা আশা-নিৰাশাৰ
অভিমানৰ মিচিল
এদিন আহিবা দেই।

# তুমি সুখী হোৱা

**ৰুবী ফুকন**
অসমীয়া বিভাগ

তুমি দি যোৱা মোক
পৃথিৱীৰ সকলোবোৰ
দুখ, বেদনা, কান্দোন।
লৈ যোৱা কৈশোৰৰ সেই
নষ্টালজিয়া
লৈ যোৱা যৌৱনৰ
ঈষৎ হাঁহি
আৰু দি যোৱা
বুকুত সহিব নোৱাৰা
এটুকুৰা বিষাদৰ ঘা।
লৈ যোৱা প্ৰেৰণাৰ বৰষুণ
এচমকা বিজুলী আশাৰ।
দি যোৱা ধূসৰ বৰণীয়া
এখন পৃথিৱী আৰু
তামৰঙী এখন আকাশ।
লৈ যোৱা মোৰ
প্ৰাণ আত্মা ভালপোৱা।
দি যোৱা অসম্ভাৱনাৰ একোটা
সপোন।
এই সকলোবোৰ লৈ তুমি সুখী হোৱা।

বিঃ দ্ৰঃ "কবিৰ আত্মা হেনো কলিজাত।" মই তোমাক মাত্ৰ মোৰ কলিজাটো লৈ যাবলৈ ক'ব নোৱাৰো।



# স্বপ্ন ভঙ্গ

**পল্লৱী ভূঞা**
স্নাতক তৃতীয় বৰ্ষ

বুকুত এজাক সপোন লৈ
আহিছিলো আগুৱাই
তোমাৰ দুহাত খামুচি
ভাবিছিলো দুয়ো মিলি দিম সিহঁতক
বাস্তৱত গঢ় ....।
মোৰ কপালত জিলিকিছিল
আবেলিৰ সেন্দুৰীয়া বেলি....।
আৰু কাণত ৰৈ ৰৈ বাজিছিল
আয়ে কোৱা কথাষাৰি
মা, ৰঙা মূগা ৰিহা জোৰে
তোক বৰ সুন্দৰ দেখি।"
কিন্তু,
মোৰ সপোন মনতে ৰ'ল
ভাবোঁ মনে মেন
মই হয়তু বৰ বেছিকৈয়ে
সপোন দেখিছিলো তোমাক লৈ .....
নহ'লেনো তুমি আঁতৰি যোৱা নে
এনেকৈ মোক আধৰুৱা কৰি .....?
য'ত আজি স্থবিৰ
তুমিবিহীন মোৰ সপোন বিহীন পৃথিৱী
য'ত কেৱল মই মোৰ নিসংগতা
আৰু এক
মৰিশালীৰ নিৰ্জনতা....।

# এজাক সপোনৰ আশাত....

**মুনমী চেতিয়া**
স্নাতক দ্বিতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

ৰচিবলৈ এৰাৰে পৰা বহুদিনেই হ'ল
সপোন নেদেখা
এখন সুজলা সুফলা পৃথিৱীৰ সপোন।'
অস্তমিত সূৰুযে অলীক স্বপ্ন ৰচা অৰণ্যতে
সেই সপোন হেৰাই গ'ল দিকবিদিকত।
সেই অৰণ্যতে য'ত সেউজীয়া স্বপ্ন নেদেখা
মানুহবোৰে
অহৰহ ৰচি আছে
বাৰুদৰ গোন্ধ থকা কজলাপতীয়া তেজৰ গান।
যি বাধা দিয়ে
মাটিৰ প্ৰেমিক মানুহকেই, মাটিৰ
সপোন দেখাত।
শিল পথাৰৰ দলিচাত শোৱা পুত্ৰবোৰে
নেদেখেনে কেতিয়াবা বাৰু,
জীৱনৰ মিঠা সপোন ? হয়তো নেদেখে।
অথচ বাধাহীন ভাবেই উটি গৈছে
ক'ত মাতৃৰ গাৰু তিতা সপোন !
এইদৰেই বহুদিন হ'ল সপোন নেদেখা।
হেৰা অৰণ্যৰ মানুহ
আৰু কিমান বাধা দিবা সোণৰ সপোন দেখাত ?
সকলোৱে অপেক্ষাকৃত আজি
এজাক সপোনৰ আশাত
'হয়তো এদিন বৈ আহিব আমাৰ ধুনীয়া
ধৰাৰ সপোন, নিৰৱধিহে .....।'



# ধূসৰিত এমুঠি জোনাক

**সেৱীকা দাস**
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

তোমাৰ অনুভৱবোৰে
বাকৰুদ্ধ কৰে মোৰ সন্ধিঃক্ষণ
সেউজীয়া আশাবোৰে
দপদপাই উঠে মোৰ হৃদয়ৰ মানস বুকুত
মইটো নাজানিছিলো
আশাবিহীন জীৱন, জীৱন হ'ব নোৱাৰে।।
নাই মোৰ হাতত আকাংক্ষাবোৰ
জ্বলাই পেলাব জোখাৰে মানসিকতা
অথবা
তোমাৰ দৰে আঘাত দিব পৰাকে
এটোপাল কেঁচা তেজ।
মই নিঃস্বাৰ্থতাৰে
সহিছো বেদনাদায়ক প্ৰতিটো ক্ষণ
কাৰণ মইটো ইচ্ছুক....
প্ৰতিটো দুখৰ সমভাগী হ'বলৈ
জীৱন নামৰ প্ৰাণীটোৰ লগত
সংগ্ৰাম কৰিবলৈ।।

# জোনাক জেউতি নিশা

**ডলী বড়া**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জোনাক জেউতি নিশা
সুগন্ধি ফুলৰ সুবাসে,
উপচাই তোলে প্ৰকৃতিৰ বুকু
মানুহৰ অন্তৰলৈ আনে
মলয়াৰ শান্তিৰ নিজৰা।
গুণ গুণ কৈ ভোমোৰাই কৰে
ফুলৰ লগত সন্ধি।
নিশাৰ অন্তত নিয়ৰৰ মুকুতা সৰা
দুৱৰিৰ বুকুত তৰাৰ দীপালী,
ৰজনী গন্ধাৰ মৃদু সৌৰভত
হৃদয় উতলি।
গোলাপৰ মিছিক মাছাক হাঁহিত
মানৱ প্ৰাণ হৈ উঠে
সপোন ৰাজ্যত বিভোৰ।
তিৰ্ বিৰ্ পোহৰ দি
জোনাকী পৰুৱাই নিশা
পাতে জোনাকৰ মেলা,
সকলো ফুলৰ কলি মুকুতাৰ দৰে
জিলিকি উঠে জোনাকৰ স্নিগ্ধতা পাই।
ডালে ডালে বিবিধ বিহগিৰ গীতৰ
তালে তালে হালি জালি
নৃত্য দিয়ে ফুল পাহিয়ে
প্ৰকৃতিৰ ৰূপ-মাধুৰ্যই মানুহৰ
সৌন্দৰ্য পিপাসু মনক
আদৰণি জনাই সুন্দৰ সৌন্দৰ্য্য ৰাজ্যলৈ।

# এবুকু নিৰ্বাক বিষাদ

**সুপ্ৰিয়া গগৈ**
স্নাতক দ্বিতীয় বৰ্ষ
অৰ্থনীতি বিভাগ

মোৰ সেঁওতাৰে বৈ অহা
সেউজীয়া বিষাদবোৰ,
কাণত ৰু-ৰুৱাই বাজি থকা
টুকুৰা-টুকুৰ কথাবোৰ,
বিশাল সমুদ্ৰ
সুনীল সমুদ্ৰ
পাৰাপাৰহীন .......
অনুভৱৰ বাহিৰৰ জগতখনত
কাৰোবাৰ আহ-যাহ
নিৰ্লোভি হেঁপাহ
নিষ্পাপ বৈধতা।
ওন্দোলি অহা আকাশখনৰ
ভাঁজে ভাঁজে স্পন্দিত
হৃদয় আপোন দুখবোৰ,
পাৰ ভাঙি বব খোজা
নিৰ্মল চকুপানীৰ টোপালবোৰ
কাৰোবাৰ আকাংক্ষাত
দৈনিক জমা হয়।
দুটি ওঁঠৰ ফাঁকেৰে
সৰকি আহিব খোজা
অথচ ক'ব নোৱাৰা
অলেখ কথাৰ হাঁহাকাৰ
হৃদয়ৰ আৱেষ্টনীত।
সেউজীয়া বিষাদবোৰ
মোৰ সেওঁতাৰে বৈ আহিছে।

# ৰোমন্থন


## নিকিতা দত্ত

স্নাতক প্ৰথম বৰ্ষ
অসমীয়া বিভাগ


ভাল লাগিছে আজি অতীতৰ স্মৃতিবোৰ
ৰোমন্থন কৰি,
কি যে হাঁহি ভৰা মধুৰ জীৱন
অনবদ্য, অ-নগ্ন ভৰপুৰ
স্বাধীনতাৰ আচ্ছাদন
আমাৰ বন্ধুত্ব।
আচ্ছাদিত
সেই ব্ৰহ্মপুত্ৰৰ বালিচাপৰি
নিজম কঁহুৱা বননি
উৰিছিল বগা ডেউকাৰে
বগলী, দেওহাঁহ আৰু কত যে
হালধীয়া পখিলা শস্যৰ মাজে মাজে।
মনত আছে মোৰ,
সেই ক'লা পাহাৰবোৰ যে
এদিন সেউজীয়া হৈ পৰিছিল,
হালধীয়া ফুলেৰে শস্য-শ্যামলা।
কিযে ভাল লাগিছে আজি
পাহৰা দিনৰ বকুল বুটলি
বুলবুলিৰ লগত কৰা সেই অস্পষ্ট ধেমালি।
ভাগৰত যে জিৰণি লৈছিলোঁ
বালি চাপৰিৰ বগৰীৰ তলত,
মৃদু মলয়া বলিছিল
ব্ৰহ্মপুত্ৰৰ বুকুৰেদি
সিপাৰৰ কঁহুৱা বননিৰ পৰা
আজি মোক ৰিঙিয়াই মাতিছে সি
ব্ৰহ্মপুত্ৰৰ মতলীয়া খহনীয়াৰ পৰা।



# সময়


## জুৰি গগৈ

উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক


সময় এখনি বোৱতী নৈ
অকণমানো নোৰোৱাকৈ
প্ৰবাহিত হৈ আছে নিৰবে
ধীৰ এক গতি লৈ।

বিৰতি নোলোৱা সময়ৰ বুকুত
তুমি নিজকে বিলীন কৰা,
সময়ৰ গতিত আগুৱাই নগ'লে
নোপোৱা কেতিয়াও জ্ঞানৰূপী সৰগৰ তৰা।

জীৱনৰ অমূল্য সময়বোৰ তুমি
অবাৰতে নকৰিবা ব্যয়,
সময়ৰ শৰ সময়ত নামাৰিলে
জীৱনটো তোমাৰ নহ'ব সুখময়।

জীৱনৰ লক্ষ্য স্থিৰ কৰি
আগবাঢ়ি যোৱা তুমি,
দেখিবা সফলতাই এদিন নিজেই আহিব
তোমাৰ চৰণ চুমি।

# মৃত্যুৰ শেতেলি

**আকাশজ্যোতি দাস**
প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

জীৰ্ণ শীৰ্ণ হৃদয়
ঠেঁটুৰে ধৰা আঙুলি
পাৰে জানো লৰাব ?
পাৰে পিৰিকাব
নীৰস দুচকুৰে ?
দূৰৈত ৰু-ৰুৱাই
গৰখীয়াৰ বাঁহী.....
বগা ঝপোৰেৰে ঢাকি
মৃত্যুৰ ভাস্কৰ্য্য সাজি
আস্ সি যে কি শান্তি
দেহৰ বিভুতি
দূৰৈত শগুনে
পাতিছে সভা
মোৰ শৰটো প্ৰথমে
চেলেকিব কোনে,
যমদুতে বান্ধিছে
চিত্ৰ গুপ্তই খেলিছে
খচৰাৰ বহী
শান্তিৰ নৰক নে?
শান্তিৰ সৰগ ?

মৃত্যুৰ শেতেলীত শুই
ভাবিছোঁ আজি
এৰা, কিটোনো কৰিলো
কি দিব পাৰিলো কাক
কিমান বা কি .....

বাৰু, পালো জানো হৃদয়ৰ
সঁচা আন্তৰিকতা
দূৰৈত ৰু-ৰুৱাই
গৰখীয়াৰ বাঁহী

ধূসৰ আবেলিটোৱে ৰিঙিয়াই কয়
মই ক্ৰমাৎ মৃত্যুৰ শেতেলীত”
মৃত্যু আজি মোৰ দেহৰ বিভুতিৰ .....
আত্মীয় কুটুম্ব
বন্ধু-বান্ধৱী
দিবলৈ বিদায়ৰ
এফেৰী মাত
মুখত শেষ টোপাল
পিয়াহৰ পানী
এচামুচ গাখীৰ
কিজানিবা শাওপাত
নপৰে গীত
কি যে আড়ম্বৰ
অস্তমিত জীৱনৰ
ধন্য ধন্য মৃত্যুৰ শেতেলী
“ওঁম অসতো মা সদ গময় ঃ
তমসো মা জ্যোতি গময়ঃ
মৃত্যোং মা অমৃতং গময়ঃ
ওঁম শান্তি শান্তি হিঃ”
হে মৃত্যু তোমাৰ সুগন্ধি সৌৰভ
সুশোভিত জীৱন
মৰণ আমৰণ ....

# কাঞ্চন

**কাকলী চাংমাই**
স্নাতক দ্বিতীয় বৰ্ষ

কাঞ্চন তুমি মোৰ হৃদয়ৰ কল্পনা,
তোমাৰ ৰাঙলী ওঁঠৰ মাজেৰে
বৈ গৈছে লাজুকীয়া
মিচিকিয়া হাঁহিটো।
তোমাৰ শীতল সুমধুৰ গীতেৰে
মোৰ মন আকৰ্ষণ আৰু
যন্ত্ৰণা নিৰ্মূল কৰিছে।।
তোমাৰ আধাবন্ধা কলডিলীয়া খোপাটি
মোৰ মনত জোনৰ
দৰে তিৰ্‌বিৰ্ কৰিছে।
তোমাৰ তেজাল সেন্দুৰৰ ফোঁটটোৰে
শ্যামলী সুৰুযৰ ৰাঙলি
আভাৰ দৰে মোৰ মনক
পোহৰাই তুলিছে।
তোমাৰ লিহিৰি হাতৰ পৰশত
প্ৰাণ পাই উঠিছে
মোৰ প্ৰাণহীন জীৱন
উদ্বিগ্ন হৈছে মোৰ যৌৱন।
কাঞ্চন তুমি বাৰু জানানে ;
তোমাৰ হৃদয়খন কিহেৰে গঢ়া
সঁচায়ে, তোমাৰ হৃদয়খন তুলাৰে গঢ়া।
সেইবাবে তুমি মোক মৰমে
মৰমৰ সুগভীৰ জৰীৰ মালাৰ
গাঠাৰে বান্ধি ৰাখিছা।
তুমি মোৰ জীৱনলৈ আহা
কঠুৱা হৃদয়ক কৰিছা সুকোমল
বিযাদেৰে ভৰি থকা জীৱনক
কৰিছা আনন্দ।
তোমাৰ পদুমৰ কলি যেন চকুজুৰিয়ে
কৰিছে মোক আকুল।।
থাকিবানে তুমি মোৰ চিৰ জীৱন
লগৰীয়া হৈ
জন্ম-জন্মান্তৰে সঙ্গীনী হৈ।
আহা; কাঞ্চন, মোৰ উদ্বিগ্ন যৌৱন
অলকানন্দৰে ভৰাই তোলা।।



# জোনাক

**কৃপাক্ষী চাৰুকীয়া**
স্নাতক তৃতীয় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

জোনাক, জানা তোমাক খুউব ভাল পাওঁ
মোৰ নিসঙ্গতাৰ সঙ্গী তুমি,
আৰু সুখ দুখত সমভাগী তুমিয়েই।
তুমিতো মোৰ লগত চিৰদিন
থাকিম বুলি কথা দিয়া
তথাপি, কিয় বাৰু গুছি যোৱা
এবুকু তম্‌সাৰ লগত বিলীন হৈ
কিয় পাহৰি যোৱা তুমি
মোক দিয়া প্ৰতিশ্ৰুতিৰ কথা।
তুমিয়েইতো মোক নতুন আশাৰ
কিৰণ দেখুওৱা,
জীয়াই থকাৰ উদ্যম দিয়া
প্ৰেৰণা আৰু আত্মবিশ্বাসেৰে
ভৰাই দিয়া মোৰ মনত এক বিক্ৰম
তথাপি, প্ৰতিশ্ৰুতি পাহৰি
তুমি গুছি যোৱা , মোক নিসঙ্গ কৰি
অচিনাকি বাটেৰেই
কোনোবা দূৰ দিগন্তলৈ .....

# দেৱদাসী

**অঞ্জলি শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ
বুৰঞ্জী বিভাগ

মন্দিৰৰ দেৱালত তুমি খোদিত কৰা
মোৰ উদ্দাম যৌৱন।
হয়তো
তোমাৰ শোৱনিকোঠাত ওলমি আছে
মোৰ নগ্ন দেহ।
তোমাৰ ইচ্ছামতে মই হাঁহো, নাচো অথবা
কান্দো।
মোৰ উন্মুক্ত দেহত তুমি সৰীসৃপৰ দৰে বিচৰণ কৰা।
তুমি তাতেই তৃপ্ত।
আৰু মই ....।
তুমি নাজানা, মই অতৃপ্তিৰ সীমনাত বৈ
কিদৰে ছটফটাঁও।
অভিনয়ৰ সংজ্ঞা তোমাৰ বাবে অচিনাকি
কিন্তু
মই যে নাৰী।
জোনাকৰ পোহৰত বিচাৰোঁ মই
উত্তৰণৰ সোণালী সপোন।
ৰিক্ত মৰুৰ মাজত সিক্ততা বিচাৰোঁ।
পদলেহনৰ অভিনয় কৰো।
মই দেৱদাসী হৈ ৰওঁ।
তথাপিও
বাৰে বাৰে তোমাৰ কঠিন হাতৰ পাশৱিকতাত
মূৰ্চ্ছা যায়
মোৰ দুচকুত জোনাকে আঁকি থোৱা
উত্তৰাৰ সোণালী সপোন
ভাসমান হৈ উঠে মোৰ অতৃপ্তিৰ চুড়ান্ত সীমনা।

# সূৰ্যাস্ত চাই ভালপোৱা ছোৱালীজনী

**পিকুমণি গগৈ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

তুমি ছাগে সেই সময়টোলৈ খুউব আগ্ৰহেৰে বাট চোৱা
সূৰ্যাস্ত চাই ভালপোৱা ছোৱালীজনী !
সেই নিৰ্দিষ্ট সময়টোত
তুমি যে দৌৰি আহা
য'ৰে কাম ত'তে পেলাই
পথাৰৰ বাঁকিয়াইদি
তোমাৰ ৰিহাৰ আঁচলে সোণালী ধানৰ থোক্ চুমি যায়
মেখেলাৰ ঝতপ্ ঝতপ্ শব্দত পথাৰৰ বাঁকিয়া কঁপে
সূৰ্যাস্ত চাই ভালপোৱা ছোৱালীজনী !
কি কথা থাকে তোমাৰ ?
সেন্দুৰীয়া পথাৰৰ মাজৰ সেই ওখ ঢাপটোত
তুমি যে আকাশলৈ ৰ' লাগি চাই ৰোৱা।
তোমাৰ গালে মুখে বিয়পি পৰে
ৰঙা, নীলা, হালধীয়া, সোণালী পোহৰ ।
সূৰ্যাস্ত চাই ভালপোৱা ছোৱালীজনী।
তোমাৰ আবেগবোৰ উথলি পৰে নেকি ?
অস্তাচলত যে বেলি লহিয়ালে
তোমাৰ দুচকু ভৰি আহে
(সি যে নিজৰ সৰ্বস্ব উজাৰি পোহৰ বিলাই
নিজেই দিশহাৰা হয়)।
সন্ধ্যা এখোজ দুখোজকৈ আগবাঢ়ি আহে
তুমিও ধীৰে ধীৰে উভতি আহা,
আকৌ অহাৰ প্ৰতিশ্ৰুতিৰে ....
সূৰ্যাস্ত চাই ভালপোৱা ছোৱালীজনী।
তোমাৰ খোজবোৰ তেতিয়া খৰ হয়
গালে মুখে যেন বসুন্ধৰাৰ সমস্ত দুখবোৰ
বিয়পি পৰে
তোমাৰ পাছে পাছে আহে তমসা।

# আজিৰ সভ্যতা

**মুনমী বৰঠাকুৰ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জ্ঞানৰ আলোকেৰে
রূপৰ জেউতীৰে
আজিৰ পৃথিৱীয়ে
সভ্যতা বিচাৰে
বিচাৰে আন্ধাৰ আঁতৰক
পোহৰ আহক
চিৰ সুন্দৰে বিৰাজ কৰক
সুবিশাল বিশ্বক
সভ্যতাৰ উচ্চ শিখৰত উপনীত পৃথিৱীয়ে
কি ৰূপ পাইছে ?
ই সঁচায়ে জানো সভ্যতা
বিজ্ঞানে আনে নৱ দিগন্ত
সূচনা হয় নতুন দিনৰ
আৰু .....
দৰিদ্ৰতাই আনে অন্ধকাৰ
আজিৰ মানৱে বিচাৰে প্ৰকৃততে স্বাৰ্থ
হিংসা, বিদ্বেষেই যেন প্ৰকৃত জীৱন
নোৱাৰে সহিব আনৰ ভাল
পাহৰে মানৱে ঃ
মানৱ যে এজন ঈশ্বৰৰে সন্তান।
পৰ কোন?
সকলোৰেইতো আপোন
তেন্তে ...
বিভেদ কিয় লাগে ?
এয়ে জানো সভ্যতা?
এয়ে জানো সংস্কৃতি?



# হৃদয়ৰ অনুভূতি

**ঝৰ্ণা গগৈ**
স্নাতক প্ৰথম বৰ্ষ

তোমাৰ আহত শব্দবোৰে
মোক আঘাত কৰিবলৈ নিবিচাৰিবা
মই যেনেদৰে আছো
তেনেদৰেই থাকিবলৈ দিয়া
তোমাৰ মৰমৰ দাবাগ্নিত
জ্বলিব নোখোজো
মোৰ জীৱনৰ সৌন্দৰ্য্যৰ মাজতে
মোৰ হৃদয় বহ্নি জ্বলাই ৰাখিম।
তুমি মোক নকবাহি
"তোমাৰ হাঁহিত ৰ'দৰ তাপ সৰে
দুখৰ বৰফ খহি পৰে
তোমাৰ কথাত
আৰু উৰঁলি যোৱা আশাৰ পঁজাত
পোহৰ পৰে বুলি।
মই এনেকৈয়ে আগুৱাম
সীমাহীন সৌন্দৰ্য্যৰ
এখনি সেউজ বনৰ সন্ধানত
য'ত থাকিব পখীৰ কলৰৱ
খন্তেক নিৰ্জনতা , নিৰৱতা
আৰু
ডুবাই ৰাখিম সেউজীয়া মতলীয়া
মোৰ কণমানি হিয়াখন...

# শান্তি

**কাঞ্চনা কোঁৱৰ**
স্নাতক প্ৰথম বৰ্ষ
অসমীয়া বিভাগ

শান্তিৰ বাহিৰত
অশান্তিৰ এই মেদিনীত,
কেনেকৈনো বোৱাম
গঙ্গাৰ ধাৰা।
সুখ বিচাৰি আছিলো য'ত
ওলাল বিষাক্ত
অগ্নেয় ধাৰা ত'ত।
আশ্ৰয় স্থল বিচাৰি,
কৰিছো হাঁহাকাৰ,
শুনিবলৈ নাই
কোনো এই ক্ৰন্দন।
চকুলো ঢাকিলো,
শোকে খুন্দা মৰা।
কলিজা ঢাকিলো,
মুখ ঢাকো কিদৰে।
জীৱন যুঁৰি ঘূৰিলো
সুখ বিচাৰি নাপালো,
পামনো ইয়াক কিদৰে।

# প্ৰাৰ্থনা

**শিখামণি ফুকন**
স্নাতক প্ৰথম বৰ্ষ

হে' হৰি কৰুণাময় অনন্ত ঈশ্বৰ
তুমিহে পৰম সখা বিশাল বিশ্বৰ
জ্ঞান দিয়া,শক্তি দিয়া
দিয়া দিব্য চকু
আন্ধাৰ ফালি পোহৰ চাওঁ
দিয়া পদৰেণু
অবুজ মনৰ চঞ্চল প্ৰাণৰত
দিয়া অমৃত ঢালি
ওৰে জীৱন লৈ থাকিম
তোমাৰ চৰণ ধুলি।
অবাটে নাযাওঁ আমি
তোমাৰ গুণকে গাম
পিতা মাতাক ভক্তি কৰি
শিক্ষা গুৰুক প্ৰণাম।



# মন প্ৰজাপতি

**অঞ্জলী পাদুন**
স্নাতক প্ৰথম বৰ্ষ

মই জানো,
তুমি আকৌ আহিবা উভতি।
মই শুনিছো,
ফুল-তৰা-গানৰ
জোনাক নিশাৰ আৰতি।
মই জানো,
জীৱনলে আহিবা নামি
সপোন বিভোৰ ৰাতি।
মোৰ বিশ্বাস
তুমি আহিবা উভতি
মোৰ মন বৃন্দাবনৰ
আৰতি ৰাতি।
স্মৃতিৰ পঁজাটি খুলি
আলফুলে দুহাত মেলি
ধৰিবা মোক সাৱটি।



# গল্প শিল্প...



# মন প্ৰজাপতি

[illegible]

[illegible]

[illegible]
সপোন সিঁচাৰ বাবে।
মোৰ বিশ্বাস
তুমি আহিবা উৰি
[illegible]



[illegible]

# শীতৰ পথাৰত
# নৰানিৰ ৰ'দৰ পম খেদি



যেতিয়া কুঁৰলীবোৰ উভতি যায় ক'ৰবালৈ / যেতিয়া মেঘালী পথেৰে মাঘ আহে শুকান শীতৰ সুঁহুৰি বজায় / মই বৰ উদাস হৈ পৰোঁ / আকাশৰ বিষন্ন চৰাইবোৰে / মোক অচিন ঠিকনা এটা দি যায় / কঁপা কঁপা হাতেৰে লেফাফা ফালি / মই পঢ়ো মৃত্যুৰ চনদ । ('মাঘৰ কবিতা ' প্ৰণৱ কুমাৰ বৰ্মন।)

শীত ঃ তেতিয়া সাত বছৰীয়া। পখিলা খেদি ফুৰাৰ বয়স। ফাগুণত চিলা উৰুওৱাৰ বয়স। আইতাৰ সৈতে সাধু শুনো আমি ... মাঘৰ ঠাণ্ডাত বৰচোতালত বৰঢাৰি পাৰি লগত থাকে জোন, তৰালি, অভিনৱ, সপোনহঁত আৰু থাকো মই। শীতহঁতৰ চোতালত আইতাই সাধু কোৱাৰ সময়খিনিত আমি বৈ থাকো কেতিয়াবা হাড় কঁপোৱা ঠাণ্ডাতো, মুৰলৈকে আয়ে গায়ে মূৰে মেৰিয়াই দিয়া এৰীচাদৰখন লৈ কোনোমতে মুখখন দেখাকৈ। শীতৰ ওচৰত সদায় মই। শীতে মোৰ এখন হাত ধৰি থাকে। আইতাৰ কাষত গাত গা লগাই থাকে শীত ঃ মই থাকো শীতৰ সৈতে গাত গা লগাই মাঘৰ শীতত। আইতাৰ ফুলকোঁৱৰ মণিকোঁৱৰৰ সাধুত তন্ময় হৈ পৰো আমি। মাজে মাজে দুচকু বহলকৈ মেলি দিও আটাইকেইটাই ঃ মণিকোঁৱৰক চাৰিদঁতীয়া ৰাক্ষসে তাৰ ডাঙৰ হাতখনেৰে মুঠি মাৰি ধৰিলে। তাৰ পাছত ? তাৰ পাছত আইতা ? কি হ'ল ঐ মণিকোঁৱৰক মাৰি পেলাব নেকি চাৰিদতীয়া ৰাক্ষসে ? মণিকুঁৱৰী চম্পাৰ কি হ'ব আইতা ? যন্ত্ৰণাত


* পিকুমণি গগৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

চটফটাই উঠে টিপটিপকৈ মাৰি থকা কণমাণি ।

"হে ভগৱান বচাবা আৰু তুমি মণিকোঁৱৰক। নেদেখাজনৰ ওচৰত গভীৰ ভাৱে বৰ আন্তৰিকতাৰে প্ৰাৰ্থন কৰো। শেষত যেতিয়া আইতাই ৰাক্ষসৰ মৃত্যু ঘোষণা কৰে দুচকু উজ্জ্বল হৈ পৰে আমাৰ। তাৰ পাছত ? চম্পা আহে। চম্পা ........ চকু জলক তবক হয়। সৌ আকাশৰ পৰা জোনটো নামি আহি আইতাৰ মুখখনত উলমি ৰয় । জোনাকী পৰুৱাবোৰে আইতাই কোৱাৰ দৰে 'লুকাভাকু' খেলি থাকে জোনাকৰ সতে, কোন কাৰ কোলাত ঢলি পৰে ? মই কিন্তু নিশ্চিন্তকৈ শুই পৰিছিলো শীতৰ কান্ধত — বৰ ভৰসাৰ আশ্ৰয় মোৰ ঃ মই চাগে তেতিয়া পাঁচ বছৰীয়া। আইতাই শীতৰ মাকক চিঞৰে, বোৱাৰী, পৰীক লৈ যোৱাচোন বিচনালৈ বেচেৰী। আমাৰ সোণটোৰ কান্ধতে মূৰ থৈ টোপনি গ'ল। নাপাওঁ, একো গম নাপাওঁ মই, শীতৰ মাকে ক'লৈ লৈ যায় মোক। দাং কোলালৈ বিচনালৈ চাগে। পুৰা দেউতাৰ বোকোচাত উঠি ঘৰ পাওঁহি শীতে তেতিয়া পঢ়িবলৈ আৰম্ভ কৰে পুৰাৰ পোহৰ ওঁলাও ওঁলাও আন্ধাৰ আঁতৰি গ'ল। অথবা মই গান্ধীজীৰ দৰে হ'ম সদায় সত্য কথা কম .......। সেই শীত এতিয়াও বৰ চোতালত। অৰশ্যে এতিয়া সেই ঠাণ্ডা ঠাণ্ডা লগা অথবা ভাদ মাহৰ অসহ্য গৰমৰ সন্ধ্যা নহয়। এয়া সন্ধ্যা নামো নামো হৈছে। বৰচোতালৰ সোমাজত এখন চাঙীৰ ওপৰত শুৱাই থোৱা হৈছে এখন বগা কাপোৰেৰে ঢাকি গুলীৰে থকা-সৰকা হোৱা শীত ওৰফে অভিমেষ ওৰফে অনুভৱ বুঢ়াগোহাঁইক ...... মোৰ ভৰসাৰ শীতহেৰাই গ'ল জীৱনৰ বাটত ....। সূৰ্যটোৱে মেলানি মাগিবলৈ লৈছে। কি যে কৰুণ এই সূৰ্যাস্তৰ দৃশ্যটো। শীতে সূৰ্যাস্ত চাই ভাল পাইছিল। কিন্তু আন্ধাৰৰ ওচৰত শিৰনত কৰিব বিচৰা নাছিল। সেই শীত আজি স্পন্দনহীন .... কোনো অচিন বাটৰ বাটৰুৱা।

কি অভিশপ্ত দিন আছিল সেই সন্ধিয়াটো। সোণালীপুৰ নামৰ গাঁওখনৰ হিয়াখন যে চুৰ্চমৈ হৈ গৈছিল। থাকে, এখন গাঁৱৰো হিয়া এখন থাকে, অনুভৱ থাকে। কিন্তু সিহঁতৰ নাছিল এখন হিয়া এমুঠি সপোন এমুঠি অনুভৱ মানৱৰূপী দানৱ আছিল সিহঁত। যাৰ হাতত দেশৰ চৰকাৰে তুলি দিছিল দেশমাতৃৰ সেৱা। কেইগৰাকী মাতৃক সেৱা কৰিলে সিহঁতে। কোনে ভাবিছিল ? কোনে জানিছিল? খন্তেক আগলৈকেতো কোনেও ভবা নাছিল, জনা নাছিল গাঁৱৰ হালধীয়া বৰণ লোৱা পথাৰখনে গাওঁৰ তিনি আলিৰ সেই শিমলুজোপাই। কোনেও নাছিল ভবা ধুমুহাজাক যে আহিব। কিন্তু আহিছিল। মোৰ সৈতে, শীতৰ সৈতে, তৰালিৰ সৈতে একেলগে বৰচোতালত ঢাৰি পাৰি সাধু শুনা জোন, অভিনৱ, সপোনহঁতক বিচাৰি দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত হৈ কেইবাটাও অপৰাধ সংঘটিত কৰাৰ অভিযোগত ঘৰে ঘৰে সোমাইছিল নৰৰূপী পশুবোৰ।

ঃ পৰী দুৱাৰ কেতিয়াও খুলি নিদিবি। দুৱাৰত টোকৰ পৰিলেই জানিবি সিহঁত আহিছে। পিছদুৱাৰেদি পলাবি তহঁত। এই মুহূৰ্ত্তত তহঁতক সহায় কৰিব পৰাকৈ আমাৰ সময়ৰ অভাৱ । ফোঁপাইছিল অভিনৱ।

ঃ কিয়, কি হ'লনো ? কোন সিহঁত ? .....তই ইমান ফোঁপাইছ কিয় ? আচম্বিত হৈছিলো মই।

ত....তই একো নাজান ? অভিনৱো আচৰিত হৈছিল। মই নঞাৰ্থত মোৰ জোকাৰিছিলো।

ঃ আমাক বিচাৰি ফুৰিছে সেনাই। আমাক ধৰিবলৈ সিহঁতৰ ......

ঃ আমাক, আমাক মানে ? আৰু আচৰিত হৈছিলো মই।

ঃ চা, মোৰ একদম সময় নাই। কুকুৰবোৰ গাঁওত লাহে লাহে সোমাইছেই। তোক মই তথাপি কৈ যাওঁ । কৈ গৈছিল সি চমুকৈ। অলপো খোকোজা নলগাকৈ সন্ত্ৰাসবাদীৰ সৈতে জড়িত থকাৰ কথা। ভয়ত নহয়, কিন্তু, কিবা এটাই যেন চেপি-খুন্দি আনিছিল মোৰ বুকুখন। ঠাণ্ডাপানী কেইগিলাচমান একেলগে খাই দিছিলো। অভিনৱ গুচি গৈছিল। সিহঁতক নিবলৈ কোনোবা বৈ আছে দিচাঙৰ পাৰত।

নিশা দহ কি এঘাৰমানত দুৱাৰত টোকৰ পৰিছিল আমাৰ ঘৰৰ।

ঃ ঐ কুকুৰচব, দুৱাৰ খোল। ক'ত লুকুৱাই থৈছ সেই ... (অশ্লীল) কেইটাক।

এটা কঠোৰ শব্দ বাৰাণ্ডাত লগে লগে বুট জোতাৰ কেইটামান গোৰ। গিৰিপ গাৰাপ শব্দবোৰ চোতালত উঠি ভাহি ফুৰিছিল। জাপ মাৰি উঠিছিলো আমি বিচনাৰ পৰা। মায়ে একপ্ৰকাৰে চোচৰাই লৈ গৈছিল পিছদুৱাৰলৈ। মান্তি হোৱা নাছিলো মই। কিন্তু মায়ে নি মোক পিচফালৰ খেৰ থোৱা ঘৰটোলৈ ঠেলা মাৰি দিছিল। পুনৰ উভতি গৈছিল মা

দেউতা ঘৰত অকলে আছে। ভিতৰত কিহৰ কথা বতৰা হ'ল নুশুনিলো। কিন্তু অলপ পিছতে উচপ খাই উঠিলো মই । সেয়া দেউতাৰ মাত। আৰু শীতহঁতৰ ঘৰতো চাগে। খন্তেক পিছতে দেখিলো চৰচৰকৈ চোচৰাই আনিছে বাৰাণ্ডাইদি মাক। আৰু সেয়া ..... মোৰ পৰা পাঁচ-ছয়হাতমান আঁতৰত এগৰাকী নাৰীৰ ওপৰত জপিয়াই পৰিছিল এদল মানৱৰূপী পশু। বৈ থাকিব পৰা নাছিলো মই চিঞৰি দিছিলো গগণফালি যোৰাকৈ। ওচৰৰ কলগছজোপাৰ পৰা নে নাৰিকলৰ গছজোপাৰ পৰা ধপধপাই উৰি গৈছিল কিবা এটা । মৰিছিল নেকি ? মৰি পৰিছিল নেকি গছৰ ডালত লাগি থকা জীৱনৰ পৰিসমাপ্তি ঘটা কেইটিমান হালধীয়াপাত ? অনুভৱ কৰিছিলো মোৰ চুলিখিনি কোনোবাই জোৰেৰে মুঠি মাৰি ধৰিছে। চিঞৰি উঠিছিলো মই পুনৰ ।

ঃ তা........তাইক নামাৰিব। নামাৰিব মোৰ সোণক .......মোৰ বুকুৰ কুটুমজনীক । মাই চিঞৰি উঠিছিল ভঙা ভঙা মাতটোৰে ঘৰৰ একমাত্ৰ ছোৱালী আছিলো মই । কোনোবাই মোক দাং কোলাকৈ লৈ দৌৰিছিল পিছে পিছে কিৰিলি পাৰিছিল এজাক পশুৰে। হায় আকাশ । মোৰ মুখত কিহৰ টোপাল এইবোৰ তুমিও কান্দিছা ছাগে একেখন আকাশৰ তলতে হোৱা এনে মহাপাপত ।

পুৱা নিজকে বিচাৰি পাইছিলো মুকলি পথাৰত, সেমেকি আছিল পথাৰখন। উৰে ৰাতি কান্দিছিল নেকি পথাৰখনে। মই কান্দিছিলো কেৱল কান্দিছিলো বিষণ্ণ গাঁওখন দেখি, আৰু মালৈ মনত পৰিছিল মোৰ ....। খেৰীঘৰটোৰ ওচৰত মাক পৰি থকা দেখিছিলো অজ্ঞান হৈ মাৰ জ্ঞান ঘূৰাই আনিছিলো। মই কান্দিছিলো, মায়ে খুউব কান্দিছিল নিজলৈ চাই নে মোৰ ঊনৈশৰ যৌৱন হেৰুৱা দেখি। আগফালৰ বাৰাণ্ডাত দেউতা পৰি আছিল তেজৰ ডোঙাত শৰীৰত বুট জোতাৰ চাপ। বৰ অৱশ লাগিছিল মোৰ । বহি পৰিছিলো চোতালত আৰু সেয়া সমুখত শীত। আউল বাউল চুলি। বাচি গৈছিল সি। সিহঁত আহোতেই সোমাই পৰিছিল সি পিচফালৰ এশ মিটাৰমান দূৰৈত থকা এৰাবাৰীখনত মাকে ঠেলি হেঁচি পঠাইছিল তাক। ( আমাক যে আইতাই এৰাবাৰীৰ ভূত, নামৰ সাধুটো কৈছিল)।

উচপ খাই উঠিছিলো মই শীতক দেখি। মোৰ দুচকুলৈ চাই সি আঙুলিটোৰাই দেখাইছিল সিহঁতৰ পিচচোতাললৈ। সৌ, কোন? ? বৰষা, শেৱালি হয়নে ? নে দুটা মূৰ্ত্তি। দুচকুত সেয়া বৰফ নে চকুপানী।

ঃ তয়ো শেষ হৈ গলি পৰী

ঃ শেষ হৈ গ'লি তয়ো। শীতৰ মাতটো যেন বহুদূৰৰ পৰা ভাঁহি আহিছিল।

আৰু .... আৰু কি বাকী থাকিল জীৱনটোৰে পাবলৈ। মোৰ সপোন ভাঙিছিল, গাওঁখন মৰিশালী হৈ পৰিছিল যেন নেদেখাজনে অভিশাপ একেলগে জাপি দিছিল গাঁওখনৰ ওপৰত। হেৰাই গৈছিল শীত। বহু বছৰ লাগিছিল গাঁওখনে সাৰ পাবলৈ। মৰি শেষ হোৱা এখন গাঁও। চৰকাৰী টকাৰে কোনেও কিনি লোৱা নাছিল সতীত্ব ..... কাৰোবাৰ ঘূণীয়া পিতৃ অথবা ভাতৃক।

ঃ ৰাক্ষকো যেতিয়া ভক্ষক হয় তেতিয়া কৰিবলৈ মাত্ৰ এটা কামেই থাকে পৰী, বিদ্ৰোহ। যাক অহিংসাৰে আনিব নোৱাৰি। শেষ কৰি দিম এই গণতন্ত্ৰ। জনগণক ডিঙি মোচৰি তেজ খোৱা এনে গণতন্ত্ৰই কোনো দেশক জগাব নোৱাৰে। ভাষা নাছিল মোৰ প্ৰতিবাদ কৰিবলৈ। কি কাৰণে নাজানো শীতৰ দুহাতত হাত থৈ ময়ো মানি লৈছিলো তাৰ সিদ্ধান্ত গুছি গৈছিল শীত। তাৰ পাছত ইটোৰ পিছত সিটো হত্যাকাণ্ডৰে চৰকাৰৰ মূৰৰ কামোৰণি হৈ পৰিছিল শীত ওৰফে অনুভৱ বুঢ়াগোহাঁই। হাজাৰ বাধা অতিক্ৰমি হ'লেও শীত আহিছিল কেতিয়াবা মোৰ ওচৰলৈ সাহস বিচাৰি আশ্ৰয় বিচাৰি সঁচা বন্ধুত্বৰ। আৰু শীত মোৰ বাবে আছিল সাহস। গাঁওখনক জাগ্ৰত কৰিছিলো। পুনৰ যেন জী উঠিছিল গাঁৱৰ জীয়াৰী-বোৱাৰীবোৰ । আমাৰ লক্ষ্য আছিল একেটাই কিন্তু পথ ভিন্ন আছিল।

ঃ তুমি হয়তো বিপথে গৈছা শীত । চকুত চকু থৈ সুধি পেলাইছিলো এদিন। কিয় জানো পাছলৈ মোক খুলি খুলি খাইছিল এটা চিন্তাই শীত যেন হেৰাই যাব।

ঃ কোনটো পথক তই সৎ বুলি ভাব পৰী ? কোনো পথেই অসৎ নহয়। কথা এটা তই কাৰোবাক কোৱাৰ পাছত সঁচা নে মিছা শুনোতাজনে নাজানিব পাৰে, নাজানিব পাৰে কোনটো প্ৰকৃততে সত্য। কিন্তু নিজকটো ফাঁকি দিব নোৱাৰি। নিজেটো জানিব প্ৰত্যেকে কোনটো কথা সঁচা, কোনটো মিছা। তেনেদৰে, মোৰ পথটো মোৰ দুচকুত সৎ হৈ

ধৰা দিছে। জানো, আনৰ বাবে সৎ নহ'বও পাৰে। মই সকলোকে সৎ পথেৰে গৈছো বুলি মানি ল'বলৈ বাধ্য কৰি লোৱা নাছিলো পৰী। কৈ গৈছিল শীতে দৃঢ়ভাৱে মন কৰিছিলো শীতৰ দুচকু তেতিয়াও উজ্জ্বল পূৰ্ণিমাৰ জোনটোৰ দৰে।

ঃ মই তোমাক হেৰুৱাব নিবিচাৰো। আশা হেৰুওৱা নাছিলো মই।

ঃ মইয়ো নিবিচাৰো তোক হেৰুৱাবলৈ। কেৱল তোকেই নহয় কাকো নিবিচাৰো হেৰুৱাবলৈ মোৰ গাওঁখন, মোৰ মৰমৰ মানুহবোৰ মূৰৰ ওপৰৰ তাহানিৰ নীলা আকাশখন । কিন্তু পৰী, ভাবিছ নেকি আকাশখন এতিয়াও নীলা হৈ আছে বুলি ?

আচৰিত ধৰণে ওন্দোলাই আহিছিল আকাশখনলৈ এজাক কলীয়া ডাৱৰ। এজাক আবতৰীয়া বৰষুণ। কৈ গৈছিল সি, চা বৰণ সলাইছে আকাশখনে। আমাৰ হৈ থকা নাই এই আকাশ বৰষুণজাকো নহয় আমাৰ বাবে। হুকুমৰ তলতীয়া আমি । হুকুম পালেহে উশাহ ল'ব পাৰি বৰষুণত তিতিব পাৰি, আকাশখনলৈ মূৰ তুলি চাব পাৰি। পদে পদে লাঞ্ছিত, বঞ্চিত, শোষিত হ'ব হাজাৰ হাজাৰ মোৰেই হয়তো কোনোবা পৰী, মাতৃ, ভগ্নী, পিতৃ অথবা ভাতৃ । সেইখন এই বলীয়া আকাশখন । উত্তৰৰ ভাষা নাছিল মোৰ। পুৱা গুচি গৈছিল শীত। সেয়া হয়তো শীতৰ সৈতে শেষ দেখা মোৰ ....।

যন্ত্ৰণা আৰু বিষণ্ণতাৰে, ৰাতি কাটি যায় / চকুপানীত ডুবি থাকে আন্ধাৰবোৰ ওৰে ৰাতি / সেই সেমেকা আন্ধাৰেই ছাগে / শীতক গাঁৱে গাঁৱে মেলি দি যায় / ল'ৰালিৰ ৰ'দত যন্ত্ৰণা আৰু বিষণ্ণতা / শুকাই সুখ হওক বুলি। (মাঘৰ কবিতা' প্ৰণৱ কুমাৰ বৰ্মন)

শীত দেশৰ বাবে ওলাই গৈছিল, মই ওলাই গৈছিলো স্বাধীনভাৱে মোৰ গাঁওখনৰ বাবে। কিন্তু প্ৰস্তুত নাছিলো মই শীতক হেৰুৱাবলৈ । কালি নিশা নাহৰণিত সৈন্যবাহিনীৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষত প্ৰাণ হেৰুৱালে শীতে। মৃতদেহটো চাওঁতে গম পালো শীতল মস্তিষ্কৰে নিচেই ওচৰৰ পৰা হত্যা কৰা হৈছে শীতক । সংঘৰ্ষ আছিল ভেকোভাওনা। অথচ কোনেও মুখ নুখুলিলো আমি।

তথাপি শীত জীয়াই আছে মোৰ হৃদয়ত মোৰ সাহস হৈ, ভৰসা হৈ, এজন বিশ্বস্ত বন্ধু হৈ, যাৰ সৈতে কল্পনাত এতিয়াও আলাপ কৰো মই বিচাৰো কোনো জটিল সমস্যাৰ সমাধান। জানো শীত অবাটে গৈছিল, কিন্তু সিহঁতো অসৎ পথৰ যাত্ৰী নাছিল। এটা পথৰো যাত্ৰী নহও মই কিন্তু জগাই তুলি এনে মৰিশালীত তুলিম মানৱতাবোধ মানুহৰ অনুভৱবোৰ। আকৌ যাতে নিৰ্ভয়ে পৰম ভৰসাৰে কোনোৱে শুনিব পাৰে কাৰোবাৰ কান্ধত মূৰ থৈ ফুলকোঁৱৰ, মণিকোঁৱৰৰ সাধু। সন্ধ্যা কোনোৱে জোনাকবোৰ ধৰিবলৈ যাতে হাঁহি হাঁহি নিৰ্ভয়ে দৌৰিব পাৰে অথবা দৌৰিব পাৰে এজাক ন'ৰানিৰ ৰ'দৰ পম খেদি।

❖❖❖❖❖❖❖❖

নাই, নাই .....। নম্ৰতাই সেইবোৰ কথা কেতিয়াও মানি ল'ব নোৱাৰে। আনে সহজে ল'ব পাৰিলেও, নম্ৰতাৰ বাবে সেইটো সম্ভৱ নহয়। সমস্যাটো হয় সদায়ে সেইখিনিতে। তাইৰ মাকো বৰ দোধোৰ মোধোৰ অৱস্থাত পৰে তাইক লৈ। এতিয়া তাইৰ সহকৰ্মী প্ৰতিজনৰে মুখৰ লাগি ৰোৱা বিৰক্তিৰ চাপ দেখিয়ে বুজিছে। সকলোৱে কৈছে নম্ৰতাই নলগা জেঙত লাগি ফুৰিছে। আৰে, সেইষাৰ কিবা কথা হ'ল নেকি? এইখন কলেজৰে এগৰাকী ছাত্ৰী অসহায় অৱস্থাত পৰিছে, বিনাদোষত বদনামৰ বোজা বহন কৰিবলগীয়া হৈছে আৰু তেনেস্থলত সেই ছোৱালীজনীক সহায় কৰিবলৈ যোৱাটো নলগা জেঙত লাগিবলৈ যোৱা কথা নেকি ? কলেজৰ চল্লিশজন সহকৰ্মীৰ মাজৰ আৰু কোনোৱেই সেই লম্পট মানুহজনৰ বিৰুদ্ধে এষাৰ কব নোৱাৰেনে ? এই কাৰণেই নোৱাৰে নেকি যে তেওঁ এইখন চহৰৰ আটাইতকৈ ধনী ব্যৱসায়ী ..... অজস্ৰ সম্পত্তিৰ মালিক। নম্ৰতাই এইবোৰ কথা নুবুজে ভালদৰে। হয়তো হ'ব পাৰে ..........।

আজি অলপ দিনৰ পৰা নম্ৰতা যেতিয়াই ক্লাছ কৰিবলৈ ওলাই যায়, তেতিয়াই আৰম্ভ হৈ যায় ফুচফুচীয়া কাৰবাৰ। কেতিয়াবা নম্ৰতাৰ উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হয়। তাইৰ নিজকে আচৰিত যেন অনুভৱ হয়। ৰিয়া, সুনন্দাহঁতেও যেন তাইৰ সতে কথা পাতিবলৈ নাপালেই ৰক্ষা পায়। নম্ৰতাৰ আটাইতকৈ আচৰিত লাগিছে, যিকেইজন প্ৰফেছৰৰ সতে একে শাৰীতে বহিবলৈ হলে তাই অপৰাধবোধ কৰে, যিকেইজনক তাই অতি বেছিকৈ সমীহ কৰি চলে তেওঁলোকেও নম্ৰতাৰ প্ৰতি এক অবাঞ্চিত আচৰণ কৰি দেখুৱাইছে।

# আই হেভ টু ছে' ইউ ছামথিং...

**অঞ্জলি শইকীয়া**

স্নাতক তৃতীয় বৰ্ষ, বুৰঞ্জী বিভাগ



নম্ৰতাই মেজৰৰ শেষৰ ক্লাচটো কৰিয়েই কলেজৰ পৰা ওলাই আহিল। তাই পোনে পোনে ঘৰলৈ নগৈ সেই মনামী নামৰ ছোৱালীজনীৰ ঘৰলৈ যোৱাটোকে ঠিক কৰিলে। তাই ৰিক্সা এখন মাতি ল'লে। অলপদূৰ যাব লাগিব সিহঁতৰ ঘৰলৈ। খোজকাঢ়ি গ'লে বহুত সময় লাগিব। ইপিনে ঘৰতো মাক অকলশৰীয়া, তাই অহালৈ বাট চাই থাকে। নম্ৰতাই ৰিক্সাচালক জনক অলপ সোনকালে লৈ যাবলৈ ক'লে।

মনামী, নম্ৰতাৰ মেজৰৰ ষ্টুডেন্ট। পঢ়াৰ ক্ষেত্ৰত স্ৰিমান বেয়া নহয়। বৰ সহজ সৰল বিধৰ তাই। নম্ৰতাই প্ৰথম কলেজলৈ অহাৰ পিছত প্ৰায়ে সেই ছোৱালীজনীয়ে নম্ৰতাক মাতিছিল। নম্ৰতাৰ অন্তৰত তেতিয়াৰে পৰাই মনামীৰ প্ৰতি কিবা এটা এৰাব নোৱাৰা টান আছে। এবাৰ এডমিশ্যন ফিজ দিব নোৱাৰি তাই কলেজলৈ অহাটো বন্ধ কৰিছিল। নম্ৰতাই মনামীৰ খবৰ সুধি গম পাইছিল দিন হাজিৰা কৰি মাকে যি পায়, তাৰে ভাত কাপোৰৰ যোগাৰকে কৰিবনে এডমিশ্যন ফিজৰ যোগাৰ কৰিব ? কথাষাৰে নম্ৰতাক আঘাত কৰিছিল। এৰা, তাইৰো ..... এই এতিয়া সেইবোৰ নাভাবে নম্ৰতাই। মনামীৰ সেইকণ দায়িত্ব নম্ৰতাই গ্ৰহণ কৰিছিল। মনামীয়ে কান্দিছিল। নম্ৰতাই নিজৰ ভনীয়েকৰ দৰে সাৱটি লৈছিল মনামীক। কিন্তু সেইজনী নিৰ্দোষ ছোৱালীক সেই মানুহ নামৰ অযোগ্য লোকজনে। নম্ৰতাই আৰু ........... ভাবিব নোৱাৰিলে। কিবা কথা বাহিৰত বিয়পি পৰিলে মনামীক প্ৰাণে মৰাৰ ভাবুকিও দিছিল। নম্ৰতাৰ গাত জুঁই লগাৰ দৰে লাগে কথাবোৰ শুনিলে।

"বাইদেউ, আৰু কিমান দূৰ যাব?'

অহ, ৰিক্সাচালকজনৰ কথাতহে নম্ৰতাৰ সম্বিত ঘূৰি আহিল। তাই ভালদৰে চাই দেখিলে মনামীৰ ঘৰচোন কৰবাতে এৰি আহিল। তাই মানুহজনক ৰিক্সাখন আকৌ ঘুৰাই লবলৈ ক'লে। কি যে হৈছে আজিকালি তাইৰ।

মনামীৰ মাক আগফালৰ পিৰালিতে বহি আছিল। নম্ৰতাক দেখি তেওঁ আগবাঢ়ি আহিল। নম্ৰতাই মিচিকিয়াই হাঁহিলে, খুড়ী"

"ভালনে মাজনী তোমাৰ ? আহা, ভিতৰলৈ আহা ..... মনামীৰ মাক ব্যস্ত হৈ পৰিল।

" আছো আৰু কোনোমতে ....মনামী ঠিকেই আছেনে।

" ক'তনো ঠিক, তুমি ভিতৰলৈকে ব'লা।"

নম্ৰতা মনামীৰ ওচৰ পালেহি। নম্ৰতাক দেখি মনামীয়ে সেমেকা হাঁহি এটা মাৰিলে।

" ইয়াতে বহক, মই ভাবিছিলো আপুনি মোৰ কথা পাহৰিয়েই পেলালে।"

ধেৎ পাগলী। মই এই কেইদিন সময় নাই পোৱা অ'। বজাৰ সমাৰ বোৰো কৰিব লগা হৈছে যে ........মায়েনো অকলে কিমান কৰিব ?"

ঃ এ' হয়তো আকৌ। মই আপোনাক মিছাতে দুখ দিছো।"

ঃ "হ'ব, হ'ব ইমান দুখ বুজাজনী ওলাব নালাগে। এতিয়া পানী এগিলাচ লৈ আনা" নম্ৰতাৰ কথাত মনামীয়ে হাঁহি পেলালে।

ঃ পানী গিলাচ দি মনামী নম্ৰতাৰ ওতৰতে বহিল।

ঃ " কি হ'ল, কিবা ক'বা নেকি ?" নম্ৰতাই মনামীলৈ চালে। মনামীৰ চকু দুটা চোন চলচলীয়া হৈ পৰিছে। নম্ৰতাৰ মনটো কিবা লাগি গ'ল। এই ছোৱালী জনীক দিনে নিশাই জ্বলাইছে সেই মানুহজনে। কি দোষ আছিল তাইৰ ? দেখিবলৈ অলপ বেছি ধুনীয়া, সেইটোৰেই দোষ নেকি তাইৰ। মনামীয়ে কৈছে সেই ঘটনাটোৰ পৰাই তাইৰ গা-টো অকণো ভালে নাথাকে। মূৰ ঘুৰাই, খাবলৈও মন নাযায়। খালেও বমি বমি ভাব আহে। নম্ৰতা শিয়ৰি উঠিছিল। এইয়া কি হৈ গ'ল ? নম্ৰতাৰ মনটোৱে চটফটাই উঠিছিল। কি বুলি বুজাব তাইক ? তাইতো এতিয়া সৰু ছোৱালী নহয়।

ঃ " বাইদেউ, কি ভাবি আছেনো?"

ঃ" একো ভবা নাই। তুমি বেছি চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব।"

ঃ বাইদেউ, আপোনাৰ কিবা বিপদ হয় বুলি মোৰ চিন্তা হয়। আপুনি মিছাতে কিয় ইমান কষ্ট কৰিছে ? আইনে জানো দোষীক শাস্তি দিব ? দুখীয়া মানুহৰ কাৰণে আইনৰ কৰিবলৈ কিবা আছে জানো ?"

ঃ" কথাটো নোহোৱা নহয়, কিন্তু মই তাক শিক্ষা দিয়াইহে এৰিম। মহিলা সমিতিৰ মানুহখিনি আগবাঢ়ি আহিছে। সকলোৱে মাত মাতিলে নিশ্চয় কিবা এটা হ'বই। মনামী, তুমি নিজকে অকলশৰীয়া বুলি নাভাবিবা। মই আছো, ৰোহিত আছে .... কোনো নাথাকিলেও তোমাৰ ওচৰত আমি থাকিম।" কথাষাৰ কৈয়ে নম্ৰতা বৈ গ'ল। ৰোহিত, যাৰ সতে আৰু মাত্ৰ দুমাহৰ পাছত নম্ৰতা বিয়াত বহিব। ৰোহিত, আছেনে বাৰু

তাইৰ লগত। ৰোহিতেও যদি ভাৱে তাই নলগা জেগুত লাগি ফুৰিছে। নম্ৰতাই কি কৰিব ? নম্ৰতাই ঘড়ীটোলৈ চালে, বহুত সময় হ'ল। তাই মনামী আৰু মাকক মাত লগাই যাবলৈ ওলাল। মনামীৰ মাকে পদূলিমূৰলৈকে আগবঢ়াই দিলেহি তাইক।

নম্ৰতাই ঘৰ আহি পাইয়ে দেখিলে ৰোহিতৰ বাইকখন চোতালতে আছে। তাৰমানে ৰোহিত আছেহি। নম্ৰতাৰ মনটো ভাল লাগি গ'ল। নম্ৰতাই দেখিলে ৰোহিত মাকৰ সতে পাকঘৰত কথা পতাত ব্যস্ত। মাকে লুচি বনাইছে সি ওচৰতে বহি চাই আছে।

ঃ" নম্ৰতা, আহিলি। আজি বৰ দেৰি কৰিলি। তাই জানেই মাকে এনেকুৱা কিবা এষাৰ ক'বই। তাই একো নকলে। ৰোহিতলৈ চাই সুধিলে, কেতিয়াবা পালাহি।?

ঃ হ'ল, দুঘণ্টাতকৈও বেছি সময় হ'ল। নহয়নে মা ? নম্ৰতাই হাঁহি দিলে। হয়তো খুউব বেছি আধাঘণ্টা। ৰোহিতে কথাবোৰ তেনেদৰেই কয় তাইক। তাই তাক বহিবলৈ কৈ মুখ হাত ধুবলৈ গ'ল।

ৰোহিতে নম্ৰতা যোৱাৰ ফালে চাই থাকিল। কি যে আচৰিত এই ছোৱালীজনী, কেতিয়াবা ৰোহিতৰ বৰ চিন্তা হয়। কি কাণ্ডবোৰ যে কৰি থাকে। মাকে দুয়োটাকে লুচি ভাজি খাবলৈ দিলে।

ঃ"নম্ৰতা ......

ঃ " হুঁ কিবা ক'বা ? তাই ৰোহিতলৈ চালে। সি চকু আঁতৰাই আনিলে। বেলেগ এফালে চাই থাকিল। এই ছোৱালীজনীক সি তাৰ মাক, খুড়ীয়েকহঁতে কোৱা কথাবোৰ কেনেকৈ ক'ব ? সিতো ঘৰৰ পৰা তাইক কথাবোৰ ক'ম বুলিয়েই আহিছিল আৰু মাকেও সেই কাৰণেহে তাক আহিবলৈ দিছিল নম্ৰতাৰ ঘৰলৈ। কিন্তু নম্ৰতাই যে সেইবোৰ কথা নামানে সি নিশ্চিত। আজি অতদিনে নম্ৰতাক সি ভালকৈয়ে চিনি পাইছে। সি তাইৰ মনটোক শ্ৰদ্ধা কৰে। তাৰ মাকে নম্ৰতাৰ কথাবোৰ বেয়া পাইছে। সিতো বেয়া নাই পোৱা অকণো। নম্ৰতাৰ সৎ সাহস আছে। সি নম্ৰতাক অকলশৰীয়া হ'বলৈ নিদিয়ে।

ঃ " একোকে নক'লা যে ।

ঃ " হুঁ কি নো ক'ম। তোমাৰ কিবা বিপদ হয় বুলি মোৰ চিন্তা হয়।"

ৰোহিতৰ কথাত নম্ৰতাই হাঁহিলে। তাই আচলতে ৰোহিতে কি ক'ব বিচাৰিছে, ভালদৰেই বুজিছে। ৰোহিতৰ মুখখন দেখিলেই নম্ৰতাই চব বুজি পায়। ঘৰৰ একমাত্ৰ মৰমৰ পুত্ৰ ৰোহিত। মাঁকহতে কিবা কথাত অসন্তুষ্ট হোৱাটো সি নিবিচাৰে। নম্ৰতাক মাঁকহতে বেয়া পোৱাটো সি সহ্য কৰিব নোৱাৰে। অথচ নম্ৰতাক সি এইবোৰ কথা ক'বও নোৱাৰে। নম্ৰতাই আৰু খোৱাৰ ইচ্ছা নকৰিলে। লাহেকৈ হাতখন ধুই তাই উঠি আহিল।

ঃ " ৰোহিত ........

ঃ " টেল মি" নম্ৰতা ৰোহিতৰ ওচৰতে বহিল। কি ক'বনো তাক? তাইৰনো ক'বলৈ আৰু কি আছে ? ৰোহিত তাইৰ তেনেই কাষত অথচ তাই ৰোহিতলৈ মুৰ তুলি চাব পৰা নাই। অপ্ৰত্যাশিত চকুলোৱে তাইৰ দুগাল তিতি গৈছে।

ঃ "নম্ৰতা, টেল মি। হোৱাট হেপেনড?" ৰোহিতে তাইৰ চকুৰ পানীবোৰ মোহাৰি দিছে। সি নোৱাৰে চাব তাইৰ চকুত চকুপানী। ৰোহিত ক্ৰমাৎ অধৈৰ্য হৈ উঠিছে। নম্ৰতাই একোকে কব পৰা নাই। ৰোহিতৰ মাকহঁতেই নহয়, তাইক সকলোৱে বেয়া পাইছে। কোনেও বিচৰা নাই ধনী ব্যৱসায়ী মিঃ হিতেশ বৰুৱাৰ বিৰুদ্ধে তাই মাত মাতক। মনামী নামৰ নিঃসহায় ছোৱালীজনীলৈ বৰকৈ মনত পৰিছে তাইৰ। কিমান কষ্টত তাইৰ মাকে তাইক ডাঙৰ কৰিছে, সেইটো কথা কোনেও বুজিব নালাগেনে ?

ঃ " ৰোহিত, আই হেভ টু ছে ইউ ছামথিং ....."

ঃ " টেল মি প্লিজ .... নম্ৰতা।" ৰোহিতে নম্ৰতাৰ মুখখন দুহাতেৰে তুলি ধৰিছে। নম্ৰতাৰ মুখৰ পৰা একো এটা শব্দই ওলোৱা নাই। তাইৰ বৰ কষ্ট হৈছে মনামীৰ বাবে, ৰোহিতৰ মাঁকহতে এই নিঃকিন ছোৱালীজনীৰ প্ৰতি নিক্ষেপ কৰা দৃষ্টি নম্ৰতাৰ সহ্য হোৱা নাই। তেওঁলোকেতো নাজানে তাইৰ মাকো মনামীৰ মাকতকৈ কোনো গুণে কম নহয়। তাইকো যে মাকে লোকৰ ঘৰে ঘৰে ধান -চাউল জাৰি ভাতৰ যোগাৰ দিছিলে। লোকৰ ভৰিয়ে হাতে ধৰি কলেজত পঢ়ুৱাইছিলে। জীৱনৰ সৰহভাগেই হাঁহিৰ মুখ নেদেখা সেই নিঃকিন মানুহগৰাকীৰে জীয়েক তাই ..... তেনেস্থলত ............

ঃ "ৰোহিত, ..... ৰোহিত ...." নম্ৰতাই সজোৰে উচুপি উঠিল। ৰোহিতে এইবাৰ একো নুসুধিলে। আলফুলে নম্ৰতাক সাৱটি ধৰিলে।❖❖

# সেঁৱৰণি নিদিবি আমনি

ত্ৰিবেণী দত্ত
অসমীয়া বিভাগ



গা-ধুই আহি কুকিয়ে নিজৰ ৰুমত সোমাই ড্ৰেচিং টেবুলখনত বহি ল'লে। অলপ সময় তাই নিজৰ শুকাই যোৱা চেহেৰাটোলৈ চাই থাকি হঠাৎ উঠি গৈ পৰ্দাখন ভালকৈ টানি ইফালে সিফালে চাই পুনৰ বহিলহি আৰু লৰালৰিকৈ লুকুৱাই ৰখা টেমাটোৰ পৰা অকণমান সেন্দুৰ অনামিকা আঙুলিত লগাই চুলিৰ মাজৰ সেওঁতাটোত পাতলকৈ লগাই ল'লে যাতে সহজে কোনেও ধৰিব নোৱাৰে। সেই কামটো কৰিব পাৰিলেই যেন তাই পাব এক বুজাব নোৱাৰা শক্তি। অনামিকা আঙুলিত লগাই লোৱা সেন্দুৰকণ চুলিৰ মাজত ঘঁহি তাই অলপ সময় দুচকু মুদি বহি থাকে আৰু লগে লগে দুটোপাল চকুলো বৈ পৰে তাইৰ শুকান ৰুক্ষ হৈ যোৱা দুগালেদি। চকুপানী খিনি সঁচাকৈয়ে তাই উঠি যায় গোঁসাই ঘৰলৈ আৰু এগচি বন্তি। দুডাল ধূপ জ্বলাই পৰি থাকে

বহুসময়। মনৰ সকলো ক্ষোভ আৰু বেদনা উজাৰি দিয়ে ভগৱানৰ চৰণত। এয়া কৰিলে তাইৰ মনটো পাতল হয় আৰু তেতিয়া তাই পুনৰ সেৱা কৰে "হে প্ৰভু কু-কুশলে ৰাখা যেন।" কিমান সময় তাই গোঁসাই ঘৰত সোমাই থাকে তাই নাজানে আৰু কোনো দিন সেইকথা ভাবিও চোৱা নাই। কাৰণ তাই আজিকালি ঘৰখনৰ বাবে হৈ পৰিছে এক অদৰকাৰী মানুহ। কোনো কথাতে কোনো কামতে তাইৰ মতামত বা উপস্থিতি কামনা নকৰে, মাথো খাবৰ সময়ত মাকে ভাত খাবলৈ মাতে। সেয়ে তাই আজিকালি নিৰ্জনতা বিচাৰি ঘূৰি ফুৰে। বৰ্তমান তাইৰ বাবে গোঁসাই ঘৰ আৰু পুখুৰী পাৰটোৱেই বেছি আপোন হৈ পৰিছে।

অৱশ্যে আজি দিনটো তাইৰ বাবে কিছু সুকীয়া। কাৰণ তাই আজি গুৱাহাটীলৈ যাব এক নতুন আশাৰ চানেকি বুকুত বান্ধি । জীৱনটো আকৌ এবাৰ নকৈ সজোৱাৰ এক প্ৰয়াসেৰে। আজি ছমাহে কুকিৰ যন্ত্ৰণাদগ্ধ পল অনুপলবোৰ আনে সহ্য কৰিব পাৰিলেও বায়েক সুমনে কেতিয়াও সহ্য কৰিব পৰা নাছিল। বায়েক ভিনিয়েকৰ একান্ত অনুৰোধ পেলাব নোৱাৰি শেষত তাই গুৱাহাটীলৈ যোৱাটো ঠিক হৈছেগৈ। কিন্তু বায়েক ভিনিয়েকৰ অনুৰোধতকৈ তাইৰ একমাত্ৰ ভাগিন গুণগুণৰ কথাতহে তাই যোৱাটো খাটাং কৰিবলৈ বাধ্যা হৈছিল। তাই সকলোৰে কথা অগ্ৰাহ্য কৰিলেও গুণগুণৰ প্ৰতিটো কথা মানিছিল যাতে তাইৰ কোমল মনটোত আঘাট নালাগে। সেয়ে আজি পুৱাৰ পৰা ঘৰৰ সকলো বৰ ব্যস্ত হৈ আছে। বহুদিনৰ মূৰত ঘৰখন লৈ এক জীৱন্ত পৰিৱেশ ঘূৰি অহা যেন লাগিছে। তাতে গুণগুণৰ সৰু সৰু দুষ্টালিবোৰে সকলোকে মুহি পেলাইছে। সেয়ে আজি কুকিয়ে গোঁসাই ঘৰত বেছি সময় সোমাই থাকিব নোৱাৰিলে কাৰণ মাকঁহত নামঘৰলৈ যাবলৈ ৰৈ আছিল। নামঘৰত আজি কুকিৰ হৈ মাকে এখন শৰাই দিছে। ছমাহে চিন্তাত শুকাই যোৱা মানুহজনী আজি এক নতুন আশাত বন্দী হৈ পৰিছে। কিন্তু গোঁসাই ঘৰৰ পৰা ওলাই আহি কুকিয়ে মাকক ক'লে যে নামঘৰলৈ তাই নাযায়। মাক গ'লেই হ'ব কাৰণ তাইৰ অলপ বস্তু সামৰিবলৈ আছে। সেয়ে মাকক তাই বায়েক আৰু বৌৱেকৰ লগত জোৰ কৰি পঠাই দিলে। আৰু লগতে গুণগুণকো পঠাই দিলে কাৰণ তাই থাকিলে কুকিয়ে ভালদৰে কামবোৰ কৰিব নোৱাৰিব। শেষত কুকিৰ কথাকে মানি মাকহঁত যাবলৈ ওলাল আৰু সোনকালে আজৰি হৈ থাকিবলৈ কুকিক সকিয়াই থৈ গ'ল। যাতে মাকঁহত আহি ভাত খাবলৈ তাইৰ বাবে ৰৈ থাকিব নালাগে। মাকহঁত যোৱাৰ লগে লগে তাই নিজৰ ৰুমত সোমাই দৰ্জাখন জপাই দিলে। আজি দুদিনে চেপি ৰখা কান্দোনখিনি তাই আৰু ধৰি ৰাখিব নোৱাৰিলে। বায়েকে বহু আশাৰে আহিছে তাইক গুৱাহাটীলৈ নিবলৈ যাতে তাই ব্যস্ত হৈ থাকি পুৰণি কথাবোৰ পাহৰি থাকে। তাইও ঘৰখনৰ কথা চিন্তা কৰি হাঁহিবলৈ শিকিছে আৰু গুৱাহাটীলৈ গৈ বিউটিচিয়ান কৰ্চ কৰিবলৈ কাপোৰৰ টোপোলা বান্ধি সাজু হৈছে। কিন্তু তাই জানো সঁচাকৈ পাৰিব পাহৰিব সেই ভয়ংকৰ অথচ প্ৰেমাস্পদৰ সান্নিধ্যত গঢ়ি উঠা স্মৃতিবোৰ। কান্দি কান্দিয়েই তাই বহি ল'লে এখন চিঠি লিখিবলৈ .....

অভি

মোৰ অতি মৰমৰ,

কেনে আছা? এতিয়া ক'ত আছা বাৰু তুমি? ভালে আছানে বাৰু? নিজৰ যত্ন লৈছা নে ভালকৈ?, বেয়া নাপাবা আক' তোমাৰ একান্তই নিজৰ কথাবোৰ সোধাৰ বাবে। তোমাৰ একান্তই নিজৰবোৰ মোৰ বাবে যোৱা ছবছৰ ধৰি যেনে আছিল আজি ছমাহেও সেই একেই আছে। সলনি হৈছে সময় আৰু তুমি। কিন্তু তোমাৰ তাহানিৰ কুকিজনী আজিও সেই একেই আছে। মাথো আগৰ সেই হাঁহিবোৰ হেৰালে ক'ৰবাত, বিচৰাও নাই। অৱশ্যে আগতে তুমি বেয়া পোৱা চকুপানীবোৰ মোৰ লগত সদায়েই থাকে আজিকালি। চকুপানীকণ নোহোৱাহেঁতেন যে মোৰ কি অৱস্থা হ'লহেঁতেন। এই খং কৰিছা নেকি ? নকৰিবা আক' তোমাৰ খং উঠিলে মোৰ ভয় লাগে। কান্দিলে তুমি বেয়া পোৱা যদি নাকান্দো বাৰু কিন্তু নাকান্দিলেয়ে মোৰ ৰঙা কলিজা টো কলা পৰি যাব। অৱশ্যে আজি দুদিন কন্দা নাছিলো সেয়ে আজি বুকুখনত বৰ বিষ এটা হৈছে হয়তু কলিজাটো শুকাই গৈছে ছাগে। (বাৰু বাদ দিয়া সেইবোৰ)।

আচলতে কি জানা আজিকালি তোমাৰ বিষয়ে সকলোৱে ইমান বেয়াকৈ কয়। মোৰ বৰ খং উঠে সিহঁতলৈ। কি অধিকাৰত সিহঁতে তোমাক বেয়া বুলি ক'ব। আচলতে তুমি যে মোক বিয়া কৰাই খেদি দিলা সেই বাবে সিহঁতৰ খং

উঠেহেনো। অ' তুমি যে নতুনকৈ ছোৱালী এজনীৰ প্ৰেমত পৰিছা সেই খবৰ মই পালো। তুমি সেইকাৰণে মোক খেদি দিলা নেকি বাৰু ? মোক কথাটো কোৱা হ'লে তোমাক বেয়া নাপালোহেঁতেন নহয়। তুমি তাইক ভালপোৱা বাবেই মোক ৰাতি বিচনাৰ পৰা খেদি দিয়া নহয় ? ধেৎ অকৰাটো তেতিয়া তুমি মোক কিয় নক'লা। তুমি কথা ক'ব নোৱাৰা খোলোচাকৈ সেয়ে মোক ইমান মাৰিলা নহয় ? তুমি মোক মৰা ঠাইবোৰ আজিকালি বৰ বিষ হয়। পেটৰ বিষত মই আজিকালি থাকিব নোৱৰা হৈছো। অৱশ্যে কথাটো মই ঘৰত কাকো কোৱা নাই। নহলে সকলো আকৌ চিন্তাত পৰিব। এই শুনা, তুমি বাৰু তাইকও মানে প্ৰীতিকও মোৰ নিচিনাকৈ মাৰিবা নেকি ? প্লিজ তাইক নামাৰিবা দেই। তুমি মাৰিলে ইমান বিষায়। আজি ছমাহৰ আগতে তুমি মোক মাৰিছিলা অথচ আজিলৈকে বিষাই আছে। কি যে আচৰিত তুমি, বিয়াৰ আগতে মোক ইমান সপোন দেখুৱালা আৰু বিয়াৰ পাছত .... ? তুমি কিন্তু বৰ বদমাচ দেই, মোৰ চুলিকোচাকলৈ আগতে তুমি কবিতা ৰচিছিলা আৰু বিয়াৰ পাচত সেইখিনি চুলিতে ধৰি ইমান মাৰিলা .... জানা, মোৰ আজিকালি মূৰটো ভীষণ বিষায়। গাটো যিমান বিষায় মূৰটো তাৰ তিনিগুণ বেছিকৈ বিষায়। কেতিয়াবা অসহ্য হৈ মই ক'ব নোৱাৰা হৈ যাওঁ। এয়া চোৱা আকৌ বিষাইছে। আৰু নিলিখো দেই। তুমি সুখী হোৱা মনে বিচৰা ধৰণেৰে । মইও সুখ বিচাৰি গুলাইছো, নহয় নহয় সোঁৱৰণিৰ আমনি সহ্য কৰিবলৈ নোৱাৰা হৈছো সেয়ে আজি যামগৈ বহু দূৰলৈ। তোমাৰ লগত কটোৱা ছটা বছৰৰ প্ৰেমৰ স্মৃতিয়ে মোক খাব শুব নোৱাৰা কৰিছে। আজি ভাল লাগিছে মনটো বহুদিনৰ মূৰত। কিবা যেন মুক্তিৰ বাট আজি বিচাৰি পাইছো।

সামৰাৰ আগতে আৰু অকণমান লিখো দেই। তুমি মোক খেদি দিয়াৰ পাছতো মই তোমাৰ দীৰ্ঘায়ু কামনা কৰি সেন্দুৰ লৈয়েই আছো সদায়। ঘৰত কোনেও নজনাকৈ। আজি মাঁহতে ভাবিছে মই গুৱাহাটীলৈ যাম এটা নতুন জীৱন সজাবলৈ। কিন্তু তেওঁলোকেতো নাজানে তেওঁলোকৰ মৰমৰ কুকিজনীয়ে আজি সকলো পাহৰি সকলো এৰি থৈ যাবগৈ কোনোবা এক অজান পুৰীলৈ। বিচাৰি এমুঠি প্ৰশান্তিৰ গান। এই চোৱাচোন মোৰ উশাহবোৰ ইমান চুটি হৈ গৈছে, বুকুখনো বিষাইছে ৰ'বা দেই শেষ বাৰৰ বাবে আৰু অলপ সৰহকৈ সেন্দুৰ আঁকি লওঁ সকলোৰে দেখাকৈ তোমাৰ দীৰ্ঘায়ুৰ বাবে।

শেষত
বহু মৰমেৰে
তোমাৰ মৰমৰ কুকি

চিঠিখন সামৰিয়েই বিষাই থকা বুকুখন লৈয়েই কুকিয়ে এবাৰ আকাশলৈ চাই পি দিলে যতনাই থোৱা এগিলাচ মুক্তিৰ জল। যিয়ে দিব আজি কুকিক চিৰ নিদ্ৰাৰ এখন কোমল বিচনা। হয়তু আৰু অলপ সময় পাছতে আহিব নামঘৰৰ পৰা কুকিৰ মাক, বায়েক সুমন, বৌয়েক আৰু কণমানি গুণগুণজনী। নীলিম আকাশত উৰি ফুৰা মুক্ত বিহংগিনীৰ ৰূপত কল্পনা কৰা কুকিজনীক পাবহি সেন্দুৰৰ ফোঁট লৈ প্ৰাণহীন হৈ পৰি থকা মৃত শৰীৰ ৰূপত।।



# বাস্তৱত নুবুজা ভাৱনাবোৰ


* মৌচুমী কোঁৱৰ
স্নাতক তৃতীয় বৰ্ষ


বাইদেউ চাকি ল'ব চাকি ? কেইখন দিম ?

এপলক সময়ৰ বাবে মনমীৰ ভাৱনাত আঁত লাগিল। আজি বহু দিনৰ মূৰত? মানে ..... এই বহু দিনটো চাগে এবছৰেই হ'ল নেকি ? শিৱ মন্দিৰলৈ অহা হোৱা নাই। অহাৰ সুবিধাই মিলা নাই। আগতে প্ৰায় সোমবাৰে আহে তাই। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ। কোনে জানো কৈছিল তাইক, শিৱ হেনো সোনকালে সন্তুষ্ট হয়। আজি ৰাতিপুৱাতে বিচনা এৰি গা-পা ধুই ওলাই আহিল মন্দিৰলৈ বুলি। ওলাই আহোঁতে মাকে গাখীৰ অলপ দি পঠালে শিৱ লিংগত ঢালিবলৈ। ভগৱান আছে নে নাই তাই সঠিককৈ ক'ব নোৱাৰে কিন্তু ভগৱানৰ প্ৰতি তাই সৰুৰে পৰা এটা বিশ্বাস আছে । সৰুতে আইতাক লগত 'ব্ৰহ্মা আদি কৰি জীৱ যতৰ.....' পৰা স্কুলত 'তুমি চিত্ত বৃত্তি মোৰ ....." গোৱা দিনতে এই বিশ্বাসটো সোমাই পৰিছিল ভগৱানৰ প্ৰতি। এই বিশ্বাসে আনি দিয়ে এক শক্তি। কিন্তু এই কথাবোৰক লৈ নহয় আন কথা কিছুমানেহে মনমীৰ মনটো আছন্ন কৰি ৰাখিছে। তাই এতিয়া স্নাতকোত্তৰ প্ৰথম

বাৰ্ষিকৰ ছাত্ৰী। পৰহি দিনা ঘৰলৈ আহিছে। অহাৰ আগতেই তাই ভাবিছিল এইবাৰ মন্দিৰৰ পৰা আহিব লাগিব। এই মন্দিৰলৈ আহিলে বহু কথাই মনত পৰে তাইৰ। এই ৰাস্তাটোৰেদি নাইন টেনত চাইকেললৈ টিউচন কৰিবলৈ অহা, স্কুললৈ অহা আৰু মন্দিৰটোৰ কাষতে থকা তাইৰ মৰমৰ সেই কলেজলৈ অহাৰ। সময় যে পাখি লগা কাঁড়। কাঁড় ডালৰ গতে সময়বোৰ কেনি গুচি গ'ল ধৰিবকে নোৱাৰি। ষ্টেচন চাৰিআলিৰ পৰা আহোতে ৰিক্সাৱালাটোৱে সেই কেঁকুৰি কেইটাত টানি টানি উঠাই আনিলে ৰিক্সাখন। ডিচেম্বৰ মাহ। ঠাণ্ডা পৰিছে যথেষ্ট। বৰ পুখৰীটোত হাঁহবোৰ পৰিছেহি। কিছুমান মানুহ মন্দিৰলৈ বুলি গৈছে আৰু আন কিছুমানে ঘূৰি আহিছে। এই সোমাবৰৰ দিনটোত যথেষ্ট ভিৰ মন্দিৰত। ভক্তৰ সংখ্যাও যথেষ্ট বেছি। পুখুৰী পাৰত বহা সৰু বজাৰখন, বজাৰ মানে কেইজনমান বেপাৰীয়ে ঘৰুৱা কিছুমান শাক-পাচলি, দৈ টেকেলী আদি কিছুমান বস্তু উলিয়াই। তাৰে দুজনমানে ঘৰৰ পৰা অনা বস্তুবোৰ উলিয়াইছে। দূৰৰ পৰা দেখিলে মন্দিৰৰ চিৰিডাল মানুহ লানি নিছিগা। বাঁওহাতে দেখিলে শিৱসাগৰ ছোৱালী কলেজ নিজান নিতাল মাৰি শুই আছে। এতিয়া কলেজলৈ ছোৱালীবোৰ অহাই নাই। কলেজ খোলা থাকিলে এই পৰিবেশটো ভৰি থাকে চঞ্চলতাৰে।

ৰিক্সাৱালাটোৱে মন্দিৰৰ চিৰিৰ কাষত ৰখাই দিলে তাই নামি ভাড়াটো দিয়েই ইফালে চাঁওতে চাকিৰ দোকান এখনৰ পৰা এগৰাকী মাইকী মানুহে চিঞৰিলে "বাইদেউ চাকি লাগিব, চাকি। কেইখন দিম। মানুহগৰাকী তাইৰ মাকৰ বয়সৰে হ'ব চাগে। তাই চাকি আৰু ফুল লৈ মন্দিৰৰ ভিতৰলৈ গ'ল। ভগৱান। ইমান ভীৰ ভগৱানক চিন্তা কৰিবলৈও যেন অকণমান সকাহ নাই। মন্দিৰত সোমাই চাকিখন জ্বলাই তাৰ ভিতৰলৈ সোমাই গ'ল আৰু ভিতৰৰ লিংগত গাখীৰ ঢালি লৰালৰিকৈ ওলাই আহিল তাই। বাহিৰত বহি থকা ফকিৰবোৰে হাত বাউল দি মাতিলে। তাই কাৰো ফালে নাচাই ওলাই আহিল বাহিৰলৈ। এই ফকিৰ চকিৰবোৰ সকলো ভণ্ড যেন লাগে তাইৰ। এটা ফোঁট আৰু হাতত এডাল ৰঁচি বান্ধিলেই কি মনৰ কামনা পূৰ্ণ .. পাৰে নেকি কাৰোবাৰ। এজনী অকণমানী ছোৱালীয়ে কাষত কেচুৱা এটা লৈ আগবাঢ়ি আহিল বাইদেউ টকা এটা দিয়ক। তাই বেগৰ পৰা পইচা এটা উলিয়াই দিলে তাইক্। এই অকণমানি শিশুবোৰৰ কি দোষ বাৰু ? মাক দেউতাকবোৰক সুধিবৰ মন যায় কিয় কিয়, বাৰু জন্ম দিয়ে প্ৰতি বছৰে বছৰে এটি এটি শিশু ? যাৰ ভৰণ পোষণ দিবলৈ পইচাৰ অভাৱ। আগতে পঢ়োতে তাই আৰু লগৰ দুজনীমানে ওপৰৰ পৰা চাই থাকে মন্দিৰত থকা ভিক্ষাৰীবোৰলৈ আৰু তাত খেলি থকা সৰু সৰু ল'ৰা ছোৱালীবোৰলৈ। ইহঁতিৰ ভৱিষ্যতবোৰ বাৰু কি হ'ব । হয়তু ইহতিও এনেকৈ হৈ ৰ'ব সিহঁতৰ মাক দেউতাকবোৰৰ দৰে...... ?

❖❖❖❖❖❖❖

# উত্তৰণৰ পথেদি
# শশাংক, কৌশিকহঁত...

**শিৰোমনি দিহিঙীয়া**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

"একেখন নৈৰ একেখিনি পানীকে যিদৰে দুবাৰ খাব নোৱাৰি, ঠিক তেনেদৰে একেজন মানুহক একেদৰে দুবাৰ লগ পাব নোৱাৰি" ঃ জোছেফ কানৰাডৰ এই আপ্তবাক্যশাৰী মোৰ কাণত বৈ বৈ বাজিছে। বোধহয় সঁচা। সময়ৰ নিষ্ঠুৰ কৰাঘাতত যিদৰে একেখিনি নৈৰ পানী যিদৰে দুবাৰ খাব নোৱাৰি ঠিক তেনেদৰে এজন মানুহক এবাৰ লগ পোৱাৰ দৰে পুনৰবাৰ লগ পাব নোৱাৰি। সেয়েহে আজিৰ পৰা দুবছৰৰ আগৰ শশাংক, কৌশিকহঁত আৰু এতিয়াৰ শশাংক কৌশিকহঁতৰ মাজত ইমান প্ৰভেদ।

২০০১ চন। দিন বাৰ ভালদৰে মনত নাই। মই কলেজীয়া জীৱন প্ৰথম আৰম্ভ কৰিছিলো শিৱসাগৰ ছোৱালী কলেজত বিজ্ঞান বিভাগত। শশাংক, কৌশিকহঁত আছিল শিৱসাগৰ কলেজৰ (জয়সাগৰ) বিজ্ঞানৰ ছাত্ৰ। আৰম্ভ কৰিছিলো আমাৰ টিউচন একেজন ছাৰৰ ওচৰত। তাৰ পাছৰ পৰাই আগবাঢ়িবলৈ ধৰিলে আমাৰ বন্ধুত্ব। পূজাৰ পাছৰ পৰা



প্ৰায় ক্লাছ নাইকিয়া হোৱা দিনবোৰত আমি ড০ বিমলেন্দু দে চাৰৰ ওচৰত টিউচন কৰি আহি শিৱসাগৰ পুখুৰীৰ পাৰত বৈছিলো। উপভোগ কৰিছিলো পুখুৰীৰ পানীৰ সৌন্দৰ্য। বিস্তৃত, নীলিম জলৰাশিৰ সৌন্দৰ্য উপভোগ কৰি থাকোতে প্ৰায়ে মনত পৰিছিল দেৱকান্ত বৰুৱাৰ কবিতাৰ সেই বিখ্যাত পংক্তিলৈ .....

সাগৰ দেখিছা, দেখা নাই

মৰো দেখা নাই....... — শশাংকইটো গাইয়েই দিছিল। কবি দেৱকান্ত বৰুৱা তাৰ প্ৰিয়। প্ৰতি দেওবাৰে টিউচনৰ পৰা আহি আমি বৈছিলোহি পুখুৰীৰ পাৰৰ একোণত। কথা পাতিছিলো চিনেমাৰ, গায়কৰ আৰু বহুত কিবা-কিবি। চিৰদিনলৈ স্মৃতিৰ স্বাক্ষৰ বহন কৰিবলৈ আমি ধৰি ৰাখিছিলো কেমেৰাৰ তুলিকাত। কিমান যে অন্তৰংগ আছিল অতীতৰ সেই দিনবোৰ। কিন্তু সময়ৰ লগে লগে আমি আঁতৰি আহিব লাগিছিল ইটোৱে সিটোৰ কাষৰ পৰা। শশাংকৰ লক্ষ্য আছিল এৰনটিকেল ইঞ্জিনীয়াৰ, কৌশিকৰ আছিল ডাক্তৰী পঢ়াৰ ইচ্ছা। সিহঁতৰ সেই আশা পূৰণৰ বাবে অপেক্ষা কৰিবলগা হৈছিল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ বাবে। শশাংক আৰু কৌশিকে লাভ কৰিলে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ক্ৰমে অষ্টম আৰু নৱম স্থানত। গুছি গ'ল সিহঁতৰ কল্পনা পূৰণ কৰিবৰ বাবে। থাকি ৰ'লো মই শিৱসাগৰ ছোৱালী কলেজত পদাৰ্থ বিজ্ঞানক মুখ্য বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ উদ্দেশ্যে। অব্যাহত থাকিল আমাৰ ফোনেৰে হোৱা বাৰ্তালাপ। কিন্তু, কিন্তু কি, সময় বেছি দ্ৰুত হৈ যোৱাৰ লগে লগে সিহঁত হৈ পৰিল আধুনিকতাৰ প্ৰলেপ পৰা সমাজৰ গৰাকী। এদিন ফোন কৰিলো সিহঁতৰ খবৰ জানিবলৈ। কিন্তু সিহঁতৰ কথা পতাৰ ধৰণে মোক পুনৰবাৰ ফোন কৰিবলৈ আগ্ৰহ নকৰিলে। তথাপিও মনটো যেন ক্ষান্ত হোৱা নাই। পূজাৰ বন্ধকত সিহঁত দুয়োটা ঘৰলৈ আহিছিল। ঘৰ শিৱসাগৰ টাউনৰ জয়া নগৰত ইটো সিটোৰ কাষত। শশাংকৰ ঘৰৰ কাষতে কৌশিকহঁতৰ ঘৰ। মনৰ অবুজ ভাৱক সান্ত্বনা দিবৰ উদ্দেশ্যেই হাতত দুটি হেঁপাহৰ উপহাৰ লৈ উপস্থিত হৈছিলো প্ৰথমে শশাংকহঁতৰ ঘৰত। কিন্তু কি ? সেয়া যেন শশাংক নহয়; মনত এনেহে লাগিল। মোক সুধিলে শশাংকই 'ভাল তোমাৰ ?' ষ্টাডি কেনেকুৱা" তুমি মাৰ সৈতে কথা পাতা। ইতিমধ্যে কৌশিকো আহি শশাংকই সোধা কথা দুষাৰকে সুধি ক'লে " আমি কাইলৈ যামগৈ দোকান কৰিব লাগে, তুমি বহা হা।"

মনৰ সপোন খহি পৰিল। উপহাৰ দুটা কাক দিম যেন লাগিলে। বেগত ভৰোৱা ভাগেই সোমাই থলো। শশাংকৰ মাকে মোক ভাত খাবলৈ কৈছিল, যদিও মই নৰলো। চাহ খাইয়ে ওলাই আহিলো।

এইয়াই আমাৰ পৃথিৱী। য'ত সময়ৰ লগে লগে সকলো পৰিৱৰ্তন হয়। অৱশ্যে শশাংকহঁতৰ মানবীয়তাৰ এই নিৰ্দশন ভাবিবলগীয়া। সিহঁতৰ বাবে অতীতৰ সেউজীয়া মুহূৰ্তবোৰ হৈ পৰিল চূৰ্ণ-বিচূৰ্ণ। কিন্তু মোৰ বাবে " বৰপুখুৰীৰ পাৰ" হৈ পৰিল জীৱনৰ সেউজীয়া স্মৃতি। কাৰণ তাতেই আছিল মোৰ প্ৰিয় বন্ধু শশাংক আৰু কৌশিকৰ সৈতে কটোৱা অন্তৰংগ মুহূৰ্তবোৰ। সাক্ষী মাত্ৰ এতিয়া আমাৰ বন্ধুত্বৰ — "বৰ পুখুৰীৰ পাৰ "।

❖❖❖❖❖❖❖❖

মই জী উঠিব খোজে
পুনৰ
তোমাৰ হাতৰ মমতাময়ী
স্পৰ্শত,
মই হ'ব খোজোঁ
পুনৰ সেউজীয়া।"

সংগীতৰ আকুলতাৰে পূৰ্ণ দুচকুৰে যেন এই কথাকে ক'ব খুজিছে ডাক্তৰ মৈত্ৰীয়ী হাজৰিকাক। সংগীত নামৰ এই ল'ৰাটো আজি এসপ্তাহমান হ'ল। এই নাৰ্চিংহোমখনত ভৰ্ত্তি হোৱা, অচেতন অৱস্থাৰ পৰা কালি চেতনা আহিছে। সেইদিনা ডাক্তৰ হাজৰিকাই ডিউটি কৰি উভতি যাওঁতে তাক বাটত পৰি থকা নেদেখা হেঁতেন ছাগে ইতিমধ্যে পৃথিৱীৰ পৰা হেৰাই গ'লহেঁতেন সংগীত নামৰ ল'ৰাটোৰ অস্তিত্ব।

প্ৰখ্যাত ব্যৱসায়ী সপোন বৰুৱা আৰু গীতিমালা বৰুৱাৰ একমাত্ৰ পুত্ৰ হিচাপে পৃথিৱীৰ সৌন্দৰ্য উপভোগ কৰিবলৈ জন্ম হৈছিল সংগীতৰ। কিহৰ অভাৱ আছিল তাৰ। অভাৱ নামৰ অনুভৱৰ সংস্পৰ্শলৈ নহাকৈয়ে সি ক্ৰমে শৈশৱ পাৰ কৰি আহি কৈশোৰত ভৰি দিলেহি। সফল ব্যৱসায়ীৰ পুত্ৰ হিচাপে সি লাগ বুলিলে প্ৰতিটো বস্তুৰে যোগাৰ পাইছিল। সকতে লগৰ বোৰৰ আগত গৰ্ববোধ কৰিছিল বিচৰা সকলো হাততে পাই, কিন্তু ক্ৰমাৎ সি অনুভৱ কৰিবলৈ ল'লে কিবা এক শূণ্যতাই যেন অহৰহ ঘেৰি



# জীৱন, শূন্যতা আৰু এমুঠি সেউজীয়া.....

* মাধৱী শইকীয়া, প্ৰাক্তন ছাত্ৰী
ভূগোল বিভাগ

ৰাখে তাক। তাৰ জন্ম দিনৰ দিনা দেউতাকে দিয়া টকাৰে দামী ৰেষ্টোৰাত ওৱেটোৰে পৰিবেশন কৰা দামী ডিচ্‌বোৰৰ মাজত তাৰ সন্মুখত ভাঁহি উঠে বন্ধু ৰাজ, অচিৎহঁতৰ জন্মৰ দিনত তাহঁতৰ মাকে মৰমৰে পৰিবেশন কৰা ডিচ্‌বোৰলৈ, হ'ব পাৰে কম দামী,কিন্তু তাৰ জন্ম দিনৰ দামী ডিচ্‌বোৰতকৈও যেন বহুগুণে দামী। কাৰণ তাত মিহলি হৈ থাকে বহুত মৰম চেনেহ। পৰীক্ষা দিবলৈ স্কুললৈ ওলাই কাম কৰা ৰামুকাইয়ে বান্ধি দিয়া ভাত খাই "যাওঁ " বুলি ক'বলৈ যেতিয়া বিচাৰে, তেতিয়া ছাগে মাক কোনোবা মহিলা সমিতিৰ কাৰ্যালয়ত উপস্থিত হয়গৈ। ইচ্ছা হয় তাক যেন ৰাজহঁতৰ মাকহঁতৰ দৰে স্কুললৈ ওলোৱাৰ পৰত মাকে কওঁক ঃ " ভালকৈ পৰীক্ষা দিবা ।" কোনোৱে হয়তু উপলব্ধি কৰিব নোৱাৰিছিল সংগীত নামৰ অনবৰতে মিচিকীয়া হাঁহিৰে সকলোকে মোহিত কৰা, নম্ৰ, ফুৰ্টিবাজ ল'ৰাটোৰ বুকুৰ আভ্যন্তৰত চলি থকা শূন্যতাৰ কুঁচ কাৱাজক। লাহে লাহে তাৰ অন্তৰত শূন্যতাৰ ঘৰটোৱে যেন বিস্তৃতি লভিবলৈ ধৰিলে। বন্ধু বান্ধৱে আৱৰি থকা মুহুৰ্তবোৰটো সি যেন ডুবি থাকে এক ভয়ানক নিঃসংগতা। ঘৰত থকা প্ৰতিটো মুহুৰ্তত কাম কৰা মানুহৰে দেউতাক লগ কৰিবলৈ অহা মানুহৰে নতুবা মাকক সভা সমিতিৰ কামৰ বাবে লগ কৰিবলৈ অহা মানুহৰে গিজগিজাই থকা ঘৰখনতে সি অনুভৱ কৰে কোনো যেন নাই তাৰ কাষত। কেৱল শূন্যতাই যেন আৱৰি থাকে চাৰিওফালৰ পৰা ।

সংগীত লাহে লাহে অতিষ্ঠ হৈ উঠিছিল শূণ্যতাৰ এই অবাধ বিচৰণত। তাৰ বুকুৰ মাজত শিপাই যোৱা নিসংগতা আৰু শূণ্যতাৰ স্থান পূৰাবৰ বাবে বিচাৰি ল'লে অন্য এক পথ। যি পথত ভৰি দিয়াৰ পাছত উলটি অহাৰ বাট নিজে নিজে বন্ধ হৈ যায়। কেইজনমান বদ্ স্বভাৱৰ বন্ধুৰ লগ লাগি সি মদ চিগাৰেট খাবলৈ শিকিলে আৰু লাহে লাহে ড্ৰাগচৰ দৰে মাৰাত্মক দ্ৰব্য সেৱন কৰিবলৈ ল'লে। মাক-দেউতাকৰ অগোচৰে । লাহে লাহে যেন সংগীতৰ মাজৰ পৰা হেৰাই গ'ল, নম্ৰ, অমায়িক, ফুৰ্টিবাজ ল'ৰাটো, অনবৰতে কিবা ক্ষোভত ডুবি থাকিবলৈ ধৰিলে। এদিন সাধাৰণ কাম এটাতে দেউতাকৰ ওপৰত খং কৰি ঘৰৰ পৰা ওলাই আহিলে। তেতিয়াৰ পৰা ঘৰলৈ যোৱা নাই সি। মাকৰ মৃত্যুৰ খবৰ পাইও নগ'ল সি ঘৰলৈ। এসপ্তাহৰ আগতে দেউতাকৰ মৃত্যু হোৱাত কোনোবা আত্মীয় এজনে বহুত জোৰ কৰাতহে সি ঘৰলৈ আহিছিল। তেতিয়াহে গম পাইছিল সি। সি ঘৰৰ পৰা ওলাই যোৱাৰ দিনৰ পৰা মাকে পানী এটোপালো মুখত নিদিয়াকৈ থাকিল। আৰু তাৰ নাম উচ্চাৰণ কৰিয়ে মৃত্যুৰ কোলাত ঢলি পৰিল। দেউতাকে মাকৰ মৃত্যুৰ পাছৰ পৰা খুউব মদ খাবলৈ ধৰিলে আৰু ব্যৱসায়ীলৈ পিঠি দিলে। কোনোবা শুভাকাংক্ষীয়ে মদ নাখাবলৈ বুজাবলৈ আহিলে কৈছিল, "কাৰ বাবে জীয়াই থাকিব। কোনে খাব ইমান সম্পত্তি। যি আছিলে তেওঁকো ধৰি ৰাখিব নাজানিলে। পাহৰি থাকিলে ধন সম্পত্তিৰ বাহিৰেও জীয়াই থাকিবলৈ লাগে মৰম চেনেহ।" ঘৰলৈ আহি এইবোৰ পৰিস্থিতিৰ সন্মুখীন হৈ সি দিক্‌বিদিক হেৰুৱাই পেলালে, ভাবি ভাবি পাৰ হেৰুৱাই পেলালে কাৰ ভুল হ'ল তাৰ নে মাক দেউতাকৰ ?? কি পালে সি জীৱনত ? বহুত থাকিও শূন্যতাৰ বোজাক লৈ আহিলে ইমানদিনে। আৰু ভৱিষ্যতেও সেই ভাৰকে বব লাগিব। এটা সুদীৰ্ঘ পথ বৈ আছে তাৰ সন্মুখত। নিঃসংগ সি । পাৰিবনে পৃথিৱীৰ সেউজীয়াবোৰ অকলশৰে উপভোগ কৰিব ? এইবোৰ পাৰাপাৰহীন কথাকে ভাবি ভাবি উদ্দেশ্যেবিহীন ভাৱে ৰাস্তাৰে আহি থাকোঁতে সন্মুখৰ পৰা আহি থকা গাড়ী এখনৰ আগত কেনেকৈনো ৰ'লগৈ ......। তাৰ পাছত আৰু তাৰ একো মনত নাই। কালি চেতনা অহাৰ পাছতহে সি নিজকে দেখা পাইছে এই নাৰ্চিংহোমত। এইয়া ডাক্তৰ মৈত্ৰীয়ী বৰুৱাৰ মমতা আৰু পৰিচৰ্যাত সি যেন ঘূৰাই পাইছে জীৱনৰ ছন্দ।।

❖❖❖❖❖❖❖❖

জিনামনি শইকীয়া
স্নাতৰ্ক প্ৰথম বৰ্ষ

# জোনাকক মৰমে ৰিঙিয়াই

নয়নাভ আহিছিল। সন্ধিয়া সময়ত। জোনাকৰ দুচকু এপলকৰ বাবে চিকমিকাই উঠিছিল। কিয় আহিছে নয়নাভ? তাইক একেবাৰে কথাকে কৈ কৈ বিধ্বস্ত কৰি নোতোলেটো। নয়নাভ তাইৰ নিচেই কাষৰ চকীখনতে বহি আছে। পিন্ধনত এটা নীলা চেক দিয়া চাৰ্ট। ইমান ধুনীয়া গভীৰ তাৰ চকুযোৰ। ইমান শান্ত কোমল তাৰ দুখ। আহঃ নয়নাভক তাই কেনেকৈ বুজাব। তাই পংকিলময় অতীতৰ ইতিহাস। নয়নাভ গ'লগৈ। আজিও তাই নকলে। আচলতে কি ক'ব ভাবিয়ে নাপালে। এফালে নয়নাভৰ মৰমৰ হাত বাউলি আনফালে পৰিচয়বিহীন জোনাকৰ জীৱন। কোনখন কিতাপ মেলি চাব। পোহৰৰ নে আন্ধাৰৰ, আশাৰ নে নিৰাশাৰ। জোনাক আজি দিশহাৰা হৈ পৰিছে। নাই নাই তাই নয়নাভক ফাঁকি দিব নোৱাৰে। মানুহৰ প্ৰতি তাই বিশ্বাস শেষ হৈ যোৱা নাই এতিয়ালৈকে। নয়নাভক তাই মিছাকৈয়ে



কৈ দিব। নয়নাভক তাই ভালপাব নোৱাৰে। তাই আন এজনক হে ভাল পায়। এইবাৰ কথা কোৱা পিছত নয়নাভৰ কেনে অৱস্থা হব। পাৰিবনে চাব তাৰ করুণ চকুযুৰি। তাইওটো ভাল পায় নয়নাভক। কিন্তু সি যদি কেনেবাকৈ জানে কলংকিত জোনাকৰ ইতিহাস। সহ্য কৰিব পাৰিবনে সি। ওহো নকয় তাই কাকো নকয়, আনকি নয়নাভকো। প্ৰয়োজন হ'লে তাই তাৰ কাষৰ পৰা আঁতৰি আহিব। সংগোপনে দূৰে দূৰে থাকিও তাকেই ভাল পায় যাব আজীৱন। তাই ভাৱে অথচ হৰ নোৱাৰে। যদি নয়নাভে তাই মৰমক উপলুঙা কৰি গুচি যায়। সেই দুখ তাই কিদৰে পাহৰিব। যাবৰ পৰত জোনাকক নয়নাভে কৈছিল "ক'বা ক'বা?"

"ওঁহো"। তাই হাঁহিছিল। নয়নাভৰ খং উঠিছিল। জানে জোনাকক খং কৰি লাভ নাই। তাই তেনেকুৱাই অলপ দূৰ গৈ

আন্ধাৰতে ঘূৰি চাইছিল। জোনাকে এতিয়াও তালৈকে চাই হাঁহি আছে। সেই পূৰ্ব পৰিচিত হাঁহিটোৰে পাগলী জোনাকঃ সি মুখেৰে বিৰবিৰাই উঠিল। তাৰ এতিয়াও মনত আছে প্ৰথম লগ পোৱা সন্ধিয়াটোৰ কথা। মুনিচুনি সময়। অকলশৰে খোজকাঢ়ি ঘৰলৈ আহি থকা জোনাকক দেখি মাতিবলৈ তাৰ প্ৰথমে সংকোচ লাগিছিল। মাত্ৰ এদিন মাতি পোৱা ছোৱালীজনীকনো সি কোনো সতৰে তাৰ বাইকৰ পিছত বহিবলৈ কয়। তাই বা কি ভাৱে ? তাই যি ভাবে ভাবি থাকক । বাঘৰ আগত দিবলৈ টো সি লৈ যাব খোজা নাই। মাত্ৰ এজনী অসহায় ছোৱালীক অকণমান আগবঢ়াই আনি সহায় কৰিছে। এইটো তাৰ কৰ্তব্য। সি বাইকখন ৰখাই দিলে। আহা । সেইদিনা জোনাকে কোনো প্ৰতিবাদ নকৰাকৈ বহি পৰিছিল তাৰ কাষত। অগত্যা তাই অনুৰোধত সি তাহাঁতৰ ঘৰত সোমাইছিল। তাৰ পিছত আৰু নয়নাভে উভতি ছোৱা নাই। সিদিনা বহু সময় কথা পাতিছিল। জোনাকৰ সৈতে ; পোৱা নোপাৱা ; হাঁহি কান্দোনৰ।

নয়নাভে নাজানে জোনাকৰ এধানমানি জীৱটোত কিমান বিষাদে ঘৰ সাজিছে। আইতাকৰ তত্বাবধানত ডাঙৰ হৈছে জোনাক। জোনাক বকৰা। এইয়া তাইৰ আচল পৰিচয় নহয়। জোনাকৰ আন এটা পৰিচয়ও আছে। যিদিনা তাই আইতাকৰ মুখৰ পৰা আচল পৰিচয় পাইছিল। সিদিনা তাই স্তব্ধ হৈ পৰিছিল। আইতাকে সকলো কথা উৎসুকতাৰ তল পেলাই কৈ গৈছিল জোনাকক। কাৰণ জোনাক কলা বা বোবা নহয়। তেওঁ নকলেও এদিন আনৰ মুখেদি এই সত্য প্ৰকাশিত হ'ব। তেতিয়া দুখ পোৱাতকৈ জোনাকে এতিয়াৰ পৰাই দুখ পাবলৈ শিকক। জোনাকক কাষতে বহুৱাই আইতাকে কৈ গৈছে কথাবোৰ ....... "জান, জোনাক তেতিয়া তই নিচেই সৰু আছিলি। মই পেহী ঘৰলৈ যাওঁতে তোক পাই লৈ আহিছিলো। তোৰ মা-দেউতা কোন ; আছে নে নাই ? মইয়ে নাজানিলো তইনো জানিবি কেনেকৈ।" আইতাকে পুনৰ হুমুনিয়াহ এটা কাঢ়ি কৈ গ'ল ...... "মই বাচলৈ ৰৈ থকা ঠাইডোখৰ অলপ আঁতৰতে বহি তই ফেকুঁৰি ফেকুঁৰি কান্দি আছিলি। বহুত সময় তোৰ ওচৰত কাকো নেদেখি মই দোকানবোৰত সুধিছিলো। দোকানী বোৰে কৈছিল — যোৱা ৰাতি কোনোবাই এৰি থৈ গৈছে। এনেকৈয়ে বহু কেইটা ল'ৰা এৰি থৈ যোৱাৰ কথা সিহঁতৰ মুখেৰে গম পাইছিল বুঢ়ীয়ে। পিছত ল'ৰাকেইটা কি হ'ল, কলৈ গ'ল কোনোৱে নাজানে। এইয়া আজি পৃথিৱীৰ মানুহ। আহি আছে গৈ আছে। অথচ কাৰো মুখলৈ মূৰ তুলি চাবলৈ আহৰি নাই। "জান জোনাক, কামৰ পৰা আহোঁতে তোৰ ককায়ে কোৱা কথাবোৰ শুনি আচৰিত হৈছিলো।" ভাবিছিলো এনেকৈও কোনোবাই নিজৰ পুত্ৰক এৰি থৈ যাব পাৰেনে এই জনসমুদ্ৰত। কিন্তু সিদিনা নিজ চকুৰে দেখি মোৰ বুকুখন হমহমাই গৈছিল। এনেহেন ফুল কোমল অবুজ শিশুবোৰক নিজৰ মাতৃয়ে কেনেকৈ অন্ধকাৰ পথলৈ থেলি দিব পাৰে বাৰু ? এৰি থৈ যোৱাৰ অন্তমুহূৰ্তত মাতৃৰ মমতাময়ী হৃদয়খন পুত্ৰৰ স্নেহত এবাৰো ব্যাকুল হৈ নুঠিলেনে সিহঁতৰ ? কি দোষ কৰিছিল এই অবুজ শিশুবোৰে। মই তোলৈ চাইছিলো। তই তেতিয়াও কান্দি আছিলি। তোৰ শুকান মলিন দুখনিয়ে মোক তোৰ ওচৰলৈ হাত বাউলি মাতিছিল। আগপিছ নাভাবি মই তোক কোলাত তুলি লৈছিলো। আৰু ৰ'দত জিলমিলাই উঠা তোৰ চকুপানীখিনি মোহাৰি দিছিলো। সিদিনাৰ পৰা তইয়ে মোৰ ককাৰ আৰু পেহীৰ শূন্যতা পূৰাই আহিছ। বহুতে বহু ভাৱে কৈছিল। কিন্তু তোক মই এৰি নিদিলো জোনাক। তই মোৰ আন্ধাৰৰ জোনাক হৈ মন আকাশ পোহৰাই তুলিলি। সেয়েহে তোৰ নাম মই জোনাক ৰাখিলো বুজিছ। সিদিনা সৰু ছোৱালীজনী দৰে তাই কুচি মুচি আইতাকৰ বুকুৰ মাজত সোমাই ভাবিছিল ঃ পৃথিৱীত ভাল মাতৃবোৰ আছে বাবেই। অবুজ শিশুবোৰ ধ্বংস হৈ যোৱা নাই। কিমান ভাল তাইৰ আইতাক জনী। পাৰিবনে এই মানুহজনীক দোষ দি তাই আঁতৰি যাব। তাই নাভাবো বুলিও কথাবোৰ ভাবে। এইবোৰ কথাকে ভাবি ভাবি জোনাকে খাবলৈ শুবলৈ এৰি দিছে। কেনেকৈ ক'ব তাই নয়নাভক এই কথাবোৰ। সি গ'লগৈ । আইতাকেও কথাটো নভবা নহয়। তেওঁ আজি আছে। কিন্তু কালিলৈ মৰমৰ জোনাকক কোনে ছাব। ভাল ল'ৰা এটাক গতাই থৈ যাব পৰা হ'লে। কিন্তু জানি বুজি কোন ল'ৰাই ভুল কৰিবলৈ যায়। এনে এজন পুৰুষ ওলাবনে যি হাঁহি মুখে জোনাকৰ দুখবোৰ আঁকোৱালি ল'ব। অভিজাত্য পৰশৰে প্ৰাণ পাই উঠা নয়নাভে তাইৰ দুখবোৰ হৃদয়ঙ্গম কৰিবনে? পাৰিবনে সি জোনাকৰ মৰমবোৰ উজ্বলাই তুলিব যাউতি যুগীয়াকৈ। পাৰিবনে সি...?

*(শ্ৰদ্ধেয় ৰাইজ, নয়নাভক যদি আপোনালোকে লগ পাই এবাৰ জোনাকৰ কথা ক'বচোন। তাই ৰৈ আছে সি অহা বাটলৈ।)*

❖❖❖❖❖❖❖❖

**স্বপ্না লাহন**
স্নাতক প্ৰথম বৰ্ষ, শিক্ষা বিভাগ

# থমকিব খোজা

# দুভৰি নৰ'ল থমকি



সুভদ্ৰাৰ চকু কেইটা পানীৰে ওপচি পৰিল। সকলো ছবি তাইৰ সন্মুখত এনেকৈ ঘূৰি আছে, যেন সেই সঁচা ঘটনাবোৰ তাইৰ সন্মুখত ঘটি আছে। অসমৰ্থ, অসহায় শিলৰ মূৰ্ত্তিৰ দৰে লৰিব নোৱাৰে, একো ক'বও নোৱাৰে। মাথো তাইৰ হৃদয়ৰ দুখ চকুত প্ৰতিফলিত হৈ সকলো ফালে বিৰিঙি পৰিছে। সেই প্ৰতিফলনত তাই নিজেই কঁপি উঠিছে। কিন্তু পিছমুহূৰ্ততে সেই কম্পনৰ জানো কিবা মূল্য আছে। যিয়ে নেকি হাতদুখন আগবঢ়াই দিবলৈ, দুভৰি চলাই নিবলৈ বিকল কৰাই। তাই হৃদয়ৰ দুখ বাঢ়ি আহিবলৈ ধৰিলে।

তাই ফুচফুচাই ক'লে ‘ মোক আগবাঢ়ি যোৱাত কোনোৱে বাধা দিব নোৱাৰে। মই স্বাধীন । মই যি বিচাৰো তাকে কৰিম। ”

সুভদ্ৰাৰ বিচাৰ শক্তিত আকৌ এটা হেঁচা পৰিল। কাষৰ বিচনাখনতে তাই বহি পৰিল যিখন বিচনাত তাই কণমানি, জীয়েক চুনী শুই আছিল। চুনীৰ সোণালী কেকুৰা চুলি কোচাত আঙুলি ভৰাই মৰম কৰিবলৈ ধৰিলে আৰু ভাবিলে তাই গিৰিয়েকৰ টকাবোৰ কেৱল চুনীৰ কাৰণেহে খৰচ কৰিব। চুনীক ভালদৰে পিন্ধাব। খোৱাব, পঢ়াব ইত্যাদি। খন্তেক সময়ৰ বাবে তাই বিচাৰ শক্তি বতাহৰ লগত বিলীন হৈ গ'ল। কিন্তু পিছমুহূৰ্ততে তাই পুনৰ সজীৱ হৈ উঠিল আৰু মুখেৰে বিৰবিৰাবলৈ ধৰিলে। কালি এইটো সময়তে সুজাতা আহিছিল। তাইৰ আহিয়ে কৈছিল “নবৌ, ভিক্ষা মাগিবলৈ আহিছো।” সুভদ্ৰাই হাঁহিছিল তাই ধেমালি কৰা বুলি ভাবি। ‘ ভিক্ষা কৰিবলৈ আহিছে যদি দুৱাৰ মুখত থিয় হৈ থাকা, এমুঠি চাউল লৈ আহিছো ৰ'বা।' তাই হঁহা নাছিল। আনকি গম্ভীৰ হৈ কৈছিল যে তাইক চাউল নহয় টকাহে লাগে। টকাৰ কথা শুনি সুভদ্ৰাই হাঁহি কৈছিল, “ টকা ঘটাৰ ভাল ধান্দা উলিয়াইছা।' সুভদ্ৰাক আঁচৰিত কৰি সুজাতাই প্ৰত্যুত্তৰ দিছিল। 'মোক এই ধান্দাত সফল হবলৈ আশীৰ্বাদ দিয়ক নবৌ।'

তেতিয়া সুভদ্ৰাই সুজাতাক এই সাঁথৰৰ ভাঙনি কৰি দিবলৈ খাটনি ধৰিছিল। কিছু সময় নিৰৱতাৰ পাছত সুজাতাই বেগৰ পৰা কিছুমান বাতৰি কাকত উলিয়াই মেজৰ ওপৰত মেলি

ধৰিছিল আৰু দেখুৱাইছিল সেই বাতৰি কাকতৰ ছবিবোৰ, যিবোৰে কাকতখনৰ প্ৰথম পৃষ্ঠাটো দখল কৰি ৰাখিছিল।

১। এটা ল'ৰাই কান্দি কান্দি মাকক কৈছে ' মা ভোক লাগিছে।' আৰু সেই মাতৃয়ে তেওঁৰ অন্যটো মৃত সন্তানক কোলাত লৈ হিয়া ঢাকুৰি কান্দি আছে।

২। ৰাস্তাত অচিনাকি মৃতদেহৰ উদ্ধাৰ আশীজনলৈ বৃদ্ধি।

৩। আধাৰকাপ মিছিৰিৰ বাবে মানুহৰ ভিৰ — ভিতৰত কেইবাজনৰো প্ৰাণ হানি।

৪। দুটা ল'ৰাই দেউতাকক অন্তিম নিশ্বাস লোৱা চাই আছে।

৫। এজন বৃদ্ধই অসহায় ভাৱে নিৰৱে চকুলো টুকিছে — ইত্যাদি।

সুভদ্ৰাই আৰু চাব পৰা নাছিল। 'এইবোৰ কি সুজাতা?' 'ভোক' এই বিলাকৰ বাবেই ভিক্ষা খুজি আহিছো নবৌ।' — সুজাতাই কৈছিল। সুভদ্ৰাই শুনিছিল অন্নৰ অভাৱত যে এইবোৰ হৈছে বুলি। খন্তেক সময় তাই ভাবিলে ঃ তাই গিৰিয়েকে পুৰা দৰমহাকেইটাৰে কেইটামান টকা সুজাতাক দিব আৰু এই কথা সোমনৰ লগত পাতিব লাগিব। সেয়েহে সুজাতাক তাই ক'লে যে পিছদিনাখন ৰাতিপুৱাকে তাইক পইচা দিব বুলি।

সুজাতা গুচি গৈছিল। সুমন আহি ঘৰ সোমাইছিল। সুজাতাই সুমনক মানুহ মৰাৰ কথা কৈছিল ঃ বাটে ঘাটে যে পৰি আছিল সেইবোৰৰ কথাও।

"মৃত্যুৰে স্থান, কাল, পাত্ৰ নিবিচাৰে সুভদ্ৰা।" সুমনে শান্ত হৈ কৈছিল।

সুভদ্ৰাই উৎকণ্ঠিত হৈ সুধিছিল, " ইয়াৰ বাবে কোন দায়ী?"

সুমনে হাঁহি কৈছিল "ভগৱানেহে জানে।"

"ভগৱানক কোনে জানে।" সুভদ্ৰাই আকৌ সুধিছিল। "এইবিলাকৰ বাবে কি ভগৱানেই দায়ী" সুমেনে কৈছিল " আৰু ভাগ্য।"

"আৰু" সুভদ্ৰাই চিন্তাক্লিষ্ট মুখেৰে সুধিছিল। সুমেনে আকৌ উত্তৰ দিছিল — "শাসকসকল।" সুমনে এইবাৰ অলপ উৎকণ্ঠিত হৈ পৰিছিল আৰু কৈছিল। " মই বিচাৰো এইদৰে পৃথিৱীখন জহি খহি ধ্বংস হৈ যাওক। এই সকলোবোৰ ভগৱানৰে কাম। তেওঁ যি ইচ্ছা কৰিব। তেওঁৰ কাৰ্যত বাধা দিবলৈ আমি কোন ? দেশত এতিয়া বহুত টকা আছে ঃ কিন্তু এইবোৰ কি হৈছে মই নাজানো। মানুহৰ মানবীয়তা লোপ পাইছে, মানুহৰ আত্মবিশ্বাস হেৰাই গৈছে। কিয় এই ভোকে জনসাধাৰণক গ্ৰাস কৰিছে? আৰু জানা সুভদ্ৰা, এই অনৰ্থবোৰৰ মূল কাৰণ সংঘৰ্ষনে সংঘৰ্ষৰ বাবে এই অনৰ্থ মই বুজিয়ে নাপাও। যিহওক এই পৰিস্থিতিৰ বাবে মই এটকাও নিদিও। চৰকাৰ আছে নহয়।"

সুমনৰ এনেবোৰ কথাই সুভদ্ৰাৰ হৃদয়ত আঘাত কৰি গৈছিল। তাই বিচৰা প্ৰশ্নবোৰৰ উত্তৰ সুমনৰ পৰা সন্তুষ্টি জনক ভাৱে পাব পৰা নাছিল। তাই সুমনক দয়া, পৰোপকাৰৰ কথা কৈছিল। কিন্তু সুমনে তাইৰ কথাবোৰ যুক্তিৰে খণ্ডাবলৈ সমৰ্থ হৈছিল।

সুভদ্ৰাৰ বিচাৰ বুদ্ধিত প্ৰতিবাৰে এটা টোকৰ পৰিছিল। ৰাতিপুৱালৈ সেই আগৰ দৰেই তাই গৃহস্থী জীৱন চম্ভালিছিল। সকলোকে জগাই চাহ দিয়া, ভাত বনোৱা, ঘৰ সৰা..... ইত্যাদি। সুমন আৰু চুনিক স্কুললৈ যাবলৈ সাজু কৰি দিছিল। চুনিক টিফিন বনাই দিছিল। যাবৰ সময় চুনীক আৰু সুমনক এগিলাচকৈ গাখীৰ দিছিল। চুনিয়ে খালে; কিন্তু সুমনে নাখালে। সি ক'লে " আজিৰ পৰা মাত্ৰ গাখীৰ এপোৱাহে ল'বা, কেৱল চুনীকে দিবা, মই নাখাওঁ। পইচা সাচিব লাগিব নহয়। " কথাখিনি কৈ দুয়ো ওলাই গৈছিল। সুমেনৰ কথাখিনি য়ে সুভদ্ৰাৰ হৃদয়ত খোচ মাৰি গৈছিল।

সিহঁত যোৱাৰ প্ৰায় তিনিঘণ্টামানৰ পাছত সুজাতা আহি ওলালহি। সুজাতাক দেখি সুভদ্ৰা শিল পৰা কপৌৰ দৰে হয় পৰিল। এই অস্বাভাৱিক অৱস্থা আঁতৰাবলৈ সুভদ্ৰাক সুজাতাই ক'লে, " এইফালেদিয়ে যাবলৈ আহিছিলো। ভাবিলো আপোনাক ধন্যবাদ দি যাওঁ।"

ধন্যবাদৰ কথা শুনি কৌতুহল দৃষ্টিৰে সুভদ্ৰাই সুধিলে "ধন্যবাদ কিহৰ বাবে ?"

সুজাতাই ক'লে যে সুমনে তাইক লগ ধৰি অলপ টকা দি থৈ গৈছে আৰু কৈছিল সুভদ্ৰাই যি অলপ সাঁচতীয়াকৈ টকা ৰাখিছিল , সেইখিনিকে দি পঠাইছে বুলি। যাবৰ সময়ত সুজাতাই তাইক আকৌ ধন্যবাদ জনাই কৈছিল যে তাইৰ আদৰ্শকে দেখুৱাই অন্য মানুহবিলাকক ঘৰত তাই চান্দা তুলিবলৈ যাব।

সুভদ্ৰাৰ দুচকুত অবুজ বেদনা ভৰি পৰিছিল। এইবাৰ তেনেহলে তাই চুনীৰ বাবে ইউনিৰ্ফম এযোৰ কিনিব নোৱাৰে। কিয়নো ভেনচাৰ স্কুলৰ শিক্ষক সুমনে পোৱা মাহেকীয়া দৰমহা কেইটা সি চোন দি দিলে।

এইবাৰ তাই দুহাতেৰে মুখ ঢাকি হুক্ হুক্ কৈ কান্দি দিলে। সেই কান্দোন বিষাদৰ নহয়, হৰ্ষৰহে আছিল।

❖❖❖❖❖❖❖❖

প্ৰিয়ংকা ৰাজকুমাৰী
প্ৰথম বৰ্ষ, অৰ্থনীতি বিভাগ

# এটা গল্পৰ প্লট বিচাৰি...



হাত দুখনেৰে চুলি কোচা মুঠি মাৰি চকু দুটা মুদি তললৈ মূৰ কৰি ৰ'ল অভিনৱ। বেঁকা চকুৰে সি কাগজৰ দমটোলৈ চালে। লাহে লাহে খং উঠি আহিছিল তাৰ। ভিন ভিন আকৃতিত পৰি আছে কাগজবোৰ। কিছুমান গোটা হৈ, কিছুমানত তাৰ হাতৰ মুঠিৰ চাপ এতিয়াও বিদ্যমান। নিশা আঠ বাজিছে। ইতিমধ্যে গাঁৱৰ সকলো মানুহ শুই পৰিছে। নিজান নিস্তব্ধ হৈ পৰিছে গাওঁখন। মাকো টোপনিত ঢলি পৰিছে ছাগে। পাকঘৰৰ পৰা ভাহি অহা খুটুং খাটাং শব্দৰ পৰা সি অনুমান কৰিছে বায়েক সাৰে আছে। খোৱা-বোৱা হৈ যোৱাৰ পাকঘৰত কাঁহী-বাতিবোৰ থানথিত লগাইছে ছাগে। এনে পৰিবেশত সি এটা গল্পৰ প্লট বিচাৰি হাবাথুৰি খাইছে। বহুত দিনতে সিহঁতৰ কলেজৰ মেগাজিন ছেক্ৰেটৰী তাৰ লগৰে অখিলে এটা গল্প বিচাৰিছিল। গল্প এটা দিম বুলি প্ৰতিশ্ৰুতি দি পাহৰি গৈছিল সি। আজি দুপৰীয়া কলেজত অখিলে গল্পটো বিচাৰতহে তাৰ মনত পৰিছিল কথাটো। কাইলৈ দিম বুলি অখিলক কৈ আহিছিল। সি দিয়া প্ৰতিশ্ৰুতিৰ ফল ভোগ কৰিছে এতিয়া। যিমানেই লিখিবৰ চেষ্টা কৰিছে সিমানেই শব্দবোৰ যেন পলাব বিচাৰিছে তাৰ পৰা।

ঘৰৰ একমাত্ৰ ল'ৰা অভিনৱ। সৰুতেই দেউতাক ঢুকাল তাৰ। বায়েক তেতিয়া দ্বিতীয় শ্ৰেণীত। সি চাৰিবছৰীয়া । দেউতাকৰ মুখখন মনত পেলাবৰ চেষ্টা কৰিলে ভাহি আহে এক শূণ্যতা। অলপো মনত নাই তাৰ দেউতাকৰ মুখখন। তেনেদৰে চকুদুটা মুদি পুনৰবাৰ সি দেউতাকক মনত পেলোৱাৰ নিষ্ফল প্ৰচেষ্টা এটা কৰিলে। মাকে এমাডিমা ল'ৰা-ছোৱালীহালক কোনোমতে তুলি তালি ডাঙৰ দীঘল কৰিলে। বায়েকে মেট্ৰিক পাছ কৰি পঢ়া বাদ দি মাকক ঘৰুৱা কাম-বনত সহায় কৰিবলৈ ল'লে। হাঁহ কুকুৰা পুহি তাত বৈ কাপোৰ বেছি যি পায় তাৰে

কোনোমতে সিহঁতৰ ঘৰখন আৰু তাৰ পঢ়াৰ খৰচ যোগাৰ কৰিছে তাই। সিহঁত সৰু হৈ থাকোতেই অধিক পৰিশ্ৰম কৰাৰ বাবেই নেকি মাকে কঁকাল বিষত বিছনা লবলগীয়া হ'ল। মাজে সময়ে জ্বৰ কাহ থাকেই। বায়েকে কোনোমতে ঘৰখন চলাই আছে। বায়েক নথকাহেঁতেন কিযে হ'লহেঁতেন।

ঃ কি' হ'ল তোৰ ? কাৰোবালৈ প্ৰেমপত্ৰ লিখিছনে কি ? গোটেই ৰূমটো দেখোন ডাষ্টবিন কৰি পেলালি। হে'ৰ নাজান যদি মোকেই ক'চোন। মই লিখি দিম নহয়। হঠাৎ পিছফালৰ পৰা অহা বায়েকৰ মাতত উচপ খাই উঠিল সি।

ঃ যেতিয়াই তেতিয়াই ধেমালি কৰি নাথাকিবি কিন্তু দেই বাইদেউ। খংটো গৈ চুলিৰ আগ পালেগৈ তাৰ।

বায়েক ৰুবীয়ে পিছফালৰ পৰা কাগজখনৰ ওপৰত কিছুসময় চকু ফুৰাই ক'লে ঃ অ' সাহিত্যিক মহাশয়ে গল্প লিখিবলৈ লৈছে। কোনে আজি সুমতি দিলে অ' তোক এইবোৰ লিখিবলৈ। সদায় দেখোন সেই গজেনৰ দোকানত আড্ডা দিওতেই সময় যায়, ভাত খাই চিধা শোৱাহিহে। আজি আকৌ কি হ'ল ? হাইঠা চৰাই মাটিত পৰিল নেকি ?

ঃ কিনো এইজনী ইমান পেক পেক কৰি থাক। যাঃ ইয়াৰ পৰা।' বায়েকক বাহিৰলৈ পঠিয়াই দুৱাৰখন বন্ধ কৰি দিলে সি।

পুনৰ চকীখনত বহি গল্প লিখিবলৈ চেষ্টা কৰিলে অভিনৱে। গল্পৰ নামত বেবেৰিবাং কথাবোৰহে তাৰ মনলৈ আহিছে। টোপনিটোৱেও জোকাবি গ'লহি তাক। তিনি কিলোমিটাৰ দূৰত্ থকা কলেজলৈ চাইকেলেৰে অহা-যোৱা কৰা, টিউচন কৰা, আদি কৰি সি বৰ ভাগৰ অনুভৱ কৰে। সেয়েহে আনকালে সি ভাত খায়েই শুই পৰে। গাঁৱৰ ধনী মানুহ কেইঘৰৰ ল'ৰা-ছোৱালী কেইটামানক পঢ়ুৱাই দুটকামান উপাৰ্জন কৰি পঢ়াৰ খৰচ গোটাই বায়েকক অলপ সকাহ দিছে সি। তাৰোপৰি আজৰি সময়ত গল্প, কবিতা, প্ৰবন্ধ লিখি আলোচনীলৈ পঠিয়াই হাতখৰচৰ যোগাৰ কৰে।

বি. এ. ফাইনেল ইয়েৰৰ ছাত্ৰ সি। পঢ়াত বৰ চোকা ন'হলেও মধ্যমীয়া। গাঁৱৰ আন ল'ৰাতকৈ তাৰ স্বভাৱ চৰিত্ৰ ভাল হোৱাৰ বাবে সকলোৱে মৰম কৰে তাক। তাৰ বন্ধুবোৰো খুউব ভাল। তাক সকলো সময়তে সহায় কৰিবলৈ প্ৰস্তুত থাকে।

ভৱিষ্যতৰ কথাই অভিনৱৰ মনটোৰ আৱৰি ধৰিলেহি। বি এ পাছ কৰি সি কিবা এটা সংস্থাপন বিচাৰিব। সংস্থাপিত হৈয়ে সি প্ৰথমে মাকক ভাল ডাক্তৰৰ ওচৰত দেখুৱাব, তাৰ বায়েকক বিয়া দিব ইত্যাদি কথাবোৰ তাৰ মনলৈ আহিবলৈ ধৰিলে। আজি যদি তাৰ দেউতাক থাকিলেহেঁতেন। কি কি কৰিলেহেঁতেন বাৰু তেওঁ ?

কথাবোৰ চিন্তা কৰি থাকোতে হঠাতে সিহঁতৰ লগৰে গাঁৱৰ বাপুকণলৈ মনত পৰিল তাৰ। তাৰ মনত পৰে তৃতীয় শ্ৰেণীলৈকে বাপুকণ তাৰ সহপাঠী আছিল। বাপুকণক দেউতাকে স্কুলৰ পৰা একেবাৰে নিয়া দিনটো আজিও জ্বল জ্বল পট পটকৈ ভাঁহি আছে তাৰ দুচকুত। স্কুলৰ ভিতৰতেই মেধাৱী বাপুকণৰ শিক্ষা জীৱনৰ সমাপ্তিৰ দিন আছিল সেইটো। কি কি দেখিছিল সি সেইদিনা বাপুকণৰ দুকুত কি এক কাৰুণ্য বিৰাজ কৰিছিল শ্ৰেণীকোঠাটোত। দেউতাকৰ হাতত ধৰি স্কুললৈ অহা বাপুকণে সেই একে ধৰণেই ওলাই যাব খুজিছে স্কুলৰ পৰা। তাৰ এখন হাত দেউতকাৰ হাতৰ মুঠিত। আৰু বাপুকণৰ মুখখন ! ক'লা পৰি গৈছিল দুচকু সজল হৈ পৰিছিল তাৰ। আৰু দেউতাক। দেউতাকৰ বুকুখন বাৰু মোচৰ খাই উঠিছিলনে? নিজৰ অসমৰ্থতাৰ যন্ত্ৰণাত। শৰ্মাচাৰে বাৰু কিয় চোৱা নাছিল সিহঁতলৈ ? তললৈ যে মূৰটো হলাই হাত দুখনৰ ঠেকা দি আছিল তেওঁ। ইমানৰ মাজতো কিন্তু ঠিক দেখিছিল অভিনৱে শৰ্মাচাৰৰ দুহাতেদি বৈ অহা দুফোঁট পানীৰ সোঁত। সেই বাপুকণৰ অৱস্থা এতিয়া আগতকৈও বেয়া, অভিনৱহতঁতকৈও । মাককলৈ গৰ্ববোধ কৰে সি। বাপুকণৰ দেউতাক থাকিও সি পঢ়িব নোৱাৰিলে। অথচ তাৰ মাকে যে কিমান কষ্ট কৰি তাক পঢ়ুৱাইছিল, এতিয়াও পঢ়ি আছে সি। হঠাৎ তাৰ মুখেদি হাঁহি এটা বাগৰি গ'ল। এৰা সি দেখোন তাৰ আৰু বাপুকণৰ জীৱনটোলৈ এটা গল্পই লিখিব পাৰে। ধেৎ তেৰি, ইমান সময়ে সেইটো কথা মনলৈ নাহিল কিয়? চকীখনত পোন হৈ বহি সি লিখা আৰম্ভ কৰি দিলে।

❖❖

# জীৱনৰ সুৰ

✻ ভাগ্যশ্ৰী নেওগ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



খিৰিকীৰ কাষত বহি বাহিৰলৈ চাই আছে ভাস্বতীয়ে। অদূৰত ক্ৰমে ডাৱৰৰ সৈতে লুকাভাকু খেলি হেৰাই যাবলৈ ধৰিছে দিনান্তৰ সূৰ্য। এজাক ঘৰমুৰা পখীৰ ডেউকাৰ শব্দই উত্তাল কৰি ৰাখিছে আবেলিৰ হেঙুলীয়া আকাশ। নিসংগ ভাস্বতীৰ চৌদিশে বিৰাজ কৰিছে কেৱল নিৰ্জনতা। এই নিৰ্জনতাই ভাস্বতীক লৈ গৈছে অতীত অভিমুখে। য'ত তাই লগ পায় তাইৰ সোণালী শৈশৱ, ৰূপালী কৈশোৰ আৰু জোনাকী যৌৱনৰ কিছু স্মৃতি।

আজি অতীতৰ কিছুমান টুকুৰা টুকুৰ স্মৃতিয়ে ভাস্বতীক বৰকৈ আমনি কৰিছে। মানুহৰ জীৱনটো যিমানেই যুক্তিৰে পৰিচালনা কৰাৰ চেষ্টা কৰা নেযাওঁক কিয় জীৱনলৈ কেতিয়াবা এনে কিছুমান মুহূৰ্ত আহে যি মুহূৰ্তত মানুহ নিজৰ ওচৰত হাৰ মানিবলৈ বাধ্য হয়। ভাস্বতীৰো সেয়ে হ'ল। চাৰিওদিশে সেউজীয়া গছ-গছনিৰে আৱৰা নদীৰ পাৰত থকা এখন গাঁৱত ভাস্বতীৰ জন্ম। সৰুৰে পৰা প্ৰাকৃতিক কোলাহল আৰু মোহনীয় ৰূপৰ মাজত থাকি ডাঙৰ হোৱা ভাস্বতীয়ে কোনোদিন বৰ্তমান সমাজখনৰ জটিলতাৰ সৈতে মুখামুখি হোৱা নাছিল। কিন্তু চহৰলৈ ওলাই আহি হঠাতে সন্মুখীন হোৱা এক তিক্ত অভিজ্ঞতাই ভাস্বতীক দলিয়াই দিছিল জীৱনজুৰি শেষ নোহোৱা এক যন্ত্ৰণাৰ অগ্নিকুণ্ডলৈ।

উচ্চ শিক্ষাৰ্থে চহৰলৈ ওলাই আহি যৌৱনৰ কোনো এক ৰঙীণ মুহূৰ্তত তাই লগ পাইছিল অভিৰঞ্জনক। সঘনে কলেজত দেখা দেখি হোৱাৰ পাছত এদিন চিনাকি হৈছিল দুয়োটা ইটোৱে সিটোৰ লগত। চিনাকি হোৱাৰ পাছৰে পৰা সিহঁতৰ মাজত বন্ধুত্বৰ এক সুন্দৰ সম্পৰ্ক গঢ়ি উঠিছিল। এদিন হঠাতে অভিৰঞ্জনে ভাস্বতীক ক'লে এজনী নাৰীক মই আজীৱন বিচাৰি ফুৰিছো আৰু সেই নাৰীক মই আজি লগ পাইছো। সেই নাৰী তুমি ভাস্বতী তুমি! এইবোৰ কথা মই তোমাক ক'ব বিচৰা নাছিলো। এই অনুভৱক জয় কৰিবলৈ মই ইমানদিনে নিজৰ লগতে যুদ্ধ কৰি আছিলো। এই যুদ্ধত আজি মই পৰাজিত হৈছো। সেয়ে তোমাৰ কাষলৈ আহিছো। মোক বিমুখ নকৰিবা ভাস্বতী বিমুখ নকৰিবা। আবেগত ব্যাকুল হৈ পৰিছিল অভিৰঞ্জন। আবেগৰ সেই বন্যস্ৰোতে উটুৱাই লৈ গৈছিল ভাস্বতীক। সমগ্ৰ পৃথিৱীখন তাইৰ হাতত

পোৱা যেন লাগিছিল। অভিৰঞ্জনৰ প্ৰেমৰ প্ৰস্তাৱত সন্মতি জনাইছিল ভাস্বতীয়ে। এনে লাগিছিল যেন সিহঁতৰ সমান সুখী এই পৃথিৱীত আৰু কোনোৱেই নাই।

এনেকৈয়ে বাগৰিছিল দিনৰ পাছত দিন, মাহৰ পাছত মাহ, বছৰৰ পাছত বছৰ। সলনি হৈছিল সময়। এই সলনি সময়ে ভাস্বতীৰ জীৱনটোও সলনি কৰি পেলাইছিল।

*"কিয় আহিছিলা?*
*মোৰ সুখ দুখৰ লগৰী হৈ*
*জীৱনৰ কোন কেকুৰিত হেৰাই গৈছিল*
*মোৰ সেই সুখৰ দিনবোৰ?"*

এদিন নহয়, দুদিন নহয় কেইবাদিনো কোনো খবৰ নিদিয়াকৈ অভিৰঞ্জন কলেজলৈ নহা হৈছিল। হেৰাই গৈছিল সি। তাইলৈ দি পঠিয়াইছিল তাইৰ এজনী বান্ধৱীৰ হাতত এখনি চিঠি।

মৰমৰ ভাস্বতী,

পাৰা যদি মোক ক্ষমা কৰিবা। তুমিতো জানাই মই এজন বিখ্যাত লোক হব বিচাৰো। সেয়ে বহু কথা চিন্তা কৰি মই এটা সংগঠনত যোগদান কৰিলো দেশৰ দহৰ হকে কাম কৰি মোৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যৰে। এনেবোৰ কামত সংসাৰে বহু সমস্যাৰ সৃষ্টি কৰে। সেয়ে পাৰা যদি মোৰ ছবি হিয়াৰ পৰা মচি পেলাবা। অ' তোমাক মই এটা অনুৰোধ কৰিছো তুমি এজন ভাল ল'ৰা চাই বিয়া কৰাবা। তুমি সুখত থকা দেখিলে মই আনন্দ পাম। ....

ইমানতে চিঠিখন সামৰি থলে ভাস্বতীয়ে। ভাল ল'ৰা ....??? তাইৰ হাঁহি উঠি গ'ল। ইমানদিনেতো তাই অভিৰঞ্জনকে ভাল ল'ৰাৰ সংজ্ঞা দি আহিছিল। তাৰ এটা সপোন আছিল বিখ্যাত হোৱাৰ। সেই কথা ভাস্বতীয়ে জানিছিল। কিন্তু তাৰ বিখ্যাত হোৱাৰ বাটত ভাস্বতী বা তাঁহাতৰ হ'বলগীয়া সংসাৰ খনেনো কি বাধাৰ সৃষ্টি কৰিলেহেঁতেন যে সি তাইৰ পৰা আঁতৰি গৈহে সুখী, বিখ্যাত হ'ব পাৰিব। তাইৰ মনত নানা প্ৰশ্নই জুমুৰি দি ধৰিলে।

কিন্তু ইমান দুখতো তাই চকুলো নুটুকিলে। কাৰণ তাইৰ মনৰ মানুহজনে নিজৰ ইপ্সিত লক্ষ্যত উপনীত হ'বৰ বাবেহে তাইক এৰি ওলাই গৈছে। সি যদি তাৰ লক্ষ্য পুৰণত সুখী হ'ব পাৰে তেন্তে তাইয়ো আনন্দ পাব। সেয়ে তাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে যাতে অভিৰঞ্জনে যি লক্ষ্যৰে ওলাই গৈছে, সেই লক্ষ্যত সি উপনীত হয়।

কিন্তু এদিন পুৱাৰ বাতৰি কাকতখনে হঠাতে তাইলৈ বুলি যি বাতৰি কঢ়িয়াই আনিলে তাইৰ নিজৰ চকুকে বিশ্বাস কৰিবৰ মন নগ'ল। তাইৰ মৰমৰ অভিৰঞ্জন একে ৰাতিৰ ভিতৰতে বিখ্যাত হ'ল। তাই কোনোদিন কল্পনা নকৰা এটা কামৰ কাৰণে। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে ফটোসহ প্ৰকাশ পাইছে। " দেশৰ বহুতো বে আইনী কামত লিপ্ত থকা অভিৰঞ্জন বৰুৱাক এটা বোমা কঢ়িয়াই নিয়া অৱস্থাত আৰক্ষীৰ গ্ৰেপ্তাৰ।" এৰা সঁচাকৈয়ে অভিৰঞ্জন বিখ্যাত হৈ পৰিল। ভাস্বতী যেন- মুক হৈ পৰিল। তাই বাতৰি কাকতখন পঢ়ি জানিব পাৰিলে যে অভিৰঞ্জনে বিয়াও কৰাইছিল।

অভিৰঞ্জনে বিয়া কৰালে ভাস্বতীক নহয় আন কাৰোবাক। এই কথাত ভাস্বতীৰ কোনো আক্ষেপ নাই। কিন্তু সি হত্যাকাৰী হ'ল কেনেকৈ? তাই জানে প্ৰেমিক কেতিয়াও হত্যাকাৰী হ'ব নোৱাৰে। আচলতে অভিৰঞ্জন প্ৰেমিক নাছিল। সি হত্যাকাৰী আছিল। আসঃ ভাস্বতীৰ বুকুখন যেন কোনোবা এচুকত বিষাই উঠিল। কিন্তু যি সত্য তাকতো মানি লবই লাগিব। ভাস্বতীয়েও মানি লবলৈ বাধ্য হৈছিল।

তোমাক ভালপোৱাৰ বিনিময়ত মৃত্যু উপহাৰ পাওঁ।।

সেই ঘটনাৰ পৰা ভাস্বতীৰ জীৱনৰ প্ৰতি দৃষ্টিভংগী সলনি হৈ গ'ল। আজি কালি তাইৰ মতে স্মৃতিবোৰ হ'ল চিকাৰী শিঙাৰ শব্দ যিবোৰ বিলীন হৈ যায় বতাহৰ বুকুত। তাইৰ নিজৰ স্মৃতিখিনিও বতাহত বিলীন কৰি দিবলৈ মন গ'ল। তাই ভাবিলে, জীৱনটো থাকে মানে তাই সংগ্ৰাম কৰিব। এদিনতো সফল হ'বই। নিজৰ ভৰিৰ ওপৰত নিজে থিয় হ'বলৈ তাই চেষ্টা চলালে। এক নতুন মনোবল লৈ তাই জীৱনটোক আগুৱাই নিবলৈ সংকল্প ল'লে।

*ডাৱৰেনো আৰু কিমান*
*বাট ঢাকি ৰাখিব*
*আশাৰ বতৰা লৈ*
*এদিনটো আহিবই....।*

সঁচাকৈয়ে ভাস্বতীৰ জীৱনলৈয়ো পুনৰ সুখ ঘুৰি আহিল। যি সংকল্পৰে তাই এদিন আগুৱাই গৈছিল সি সঁচা হ'ল। তাই নিজকে এখন মহাবিদ্যালয়ৰ অধ্যাপিকা ৰূপে গঢ়ি তুলিলে। বৰ্তমান সুখী হ'ব পৰাকৈ মানুহক লগা কোনো বস্তুৰেই তাইৰ অভাৱ নাই।

হঠাতে ঘড়ীটোৰ ছয় বজাৰ সংকেতত ভাস্বতী বৰ্তমানলৈ ঘুৰি আহিল। ইমান সময়ে তাই যে কি কথাবোৰ মনত পেলাই আছিল। ভাবি ভাবি তাই লৰালৰিকৈ হাত মুখ ধুই প্ৰাৰ্থনা কৰিবলৈ গ'ল। তাইৰ মনটো পুৱাৰ সূৰুযৰ ৰাঙলী আভাখিনিৰ দৰেই উজ্জল হৈ পৰিল।

❖❖❖❖❖❖❖❖

# পাৰ্থিৱ বিভীষিকাৰ অন্তত...


**কৃপাক্ষী চাৰুকীয়া**

স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিভাগ


দুৰ্বাৰৰ জীৱনটো জটিলৰ পৰা জটিলতাৰ মাজলৈ সোমাই গৈ আছে । এনে লাগে কেতিয়াবা তাইৰ, মানুহৰ অন্তৰৰ পৰা মৰম, সহানুভূতি, প্ৰেম আদি অনুভূতিবোৰ হেৰাই গ'ল নেকি? ব্যস্ত পৃথিৱীত যান্ত্ৰিকতাৰ লগত খোজ মিলাবলৈ গৈ মানুহবোৰো যন্ত্ৰলৈ পৰিণত হ'ল নেকি? আশা থাকে বাবেইটো জীৱনটোৰ দুখ কষ্টৰ মাজেৰে হ'লেও মানুহৰ জীয়াই থকাৰ বাসনা জাগে। কিন্তু আজি মানুহে কিয় নিজে নিজৰ আত্মঘাতী হ'ব ধৰিছে। হেৰাই গৈছে নেকি সকলো মানুহৰে আশা আকাংক্ষাবোৰ? বাত্তিপুৱা হুকাৰে দি যোৱা বাতৰিখন পঢ়িবলৈ লৈ যেতিয়া দুৰ্বাৰিয়ে প্ৰথম পৃষ্ঠাতে পঢ়িবলৈ পালে 'যৌতুকৰ হেঁচাত আত্মহত্যা কৰিবলৈ বাধ্য হ'ল ন-কইনা" শীৰ্ষক বাতৰি, তেতিয়া এক মুহূৰ্তৰ বাবে হ'লেও তেওঁ অন্তৰত এই কথা অনুভৱ কৰিলে। সঁচায়ে আজিৰ যুগত সকলো মানুহে টকা-পইচাৰ কাৰণে কাৰোবাক হিংসা নালাগে হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰা হ'ল। দুৰ্বাৰিয়ে এনেধৰণৰ বাতৰিবোৰ পঢ়িলে তাইৰ প্ৰতিবাদী মনটো উগ্ৰ হৈ উঠে। আজি কিয় নাৰী জাতিক সকলোৱে ইমান নিম্নখাপলৈ নিব বিচাৰে? ইমান শিক্ষিত, ভদ্ৰ সমাজখনত কি স্বাৰ্থত নাৰীক ইমান ৰক্ষণশীল দৃষ্টিভংগীৰে চায়। সঁচায়ে দুৰ্বাৰিৰ এনেধৰণৰ নাৰী সংক্ৰান্তী কিবা বেয়া বাতৰি পঢ়িলে খুউব ক্ষোভিত হয়। দুৰ্বাৰিৰ আগতে এনেধৰণৰ চিন্তা-ধাৰণাবোৰ মনলৈ নাহিছিল, কিন্তু যেতিয়া তাই নিজে এনে কাৰ্যৰ বাবে লাঞ্ছনা ভুগিছিল তেতিয়াৰ পৰাই তাই মনটো বিদ্ৰোহী হৈ উঠিছিল। তাই সঁচায়ে বহুত প্ৰতিবাদ কৰিব খোজে। তাই কেতিয়াও নিবিচাৰে তাইৰ দৰে লাঞ্চিত হওক নাৰীবোৰ। সঁচায়ে দুৰ্বাৰিৰ আজিও ভাবিবলৈ ভয় লাগে কি অৱস্থাৰ মাজত তাই থাকিব লগা হৈছিল। কেতিয়াও ভবা নাছিল আজি এই অৱস্থা পাবহি। যেন নৰকৰ পৰাহে উভতি আহিছিল। কিমান যে চৰ ভুকু খোৱা নাছিল শহুৰেকৰ ঘৰত। এৰা মাক দেউতাকৰ পছন্দ মতেই দুৰ্বাৰিৰ দূৰ সম্পৰ্কীয় পেহীয়েক এজনীয়ে দেখুওৱা বিজিতৰ লগত বিয়া হৈছিল। প্ৰথম যেতিয়া তাই বিজিতক দেখিছিল, তাই একে মুখেই না কৰিছিল । কাৰণ তাই আৰু বিজিতৰ বয়সৰ ব্যৱধান নাই কমেও বিশ বছৰমান আছিল। কিন্তু দুৰ্বাৰিৰ মাক দেউতাক, যিয়ে কোনো কথা বহল দৃষ্টিভংগীৰে চাব নাজানে, সংকীৰ্ণ মনোভাৱেৰে পৰিপূৰ্ণ তেওঁলোকে বিজিতৰ আৰ্থিক অৱস্থা অলপ উন্নত বাবে বয়সৰ ব্যৱধানলৈ নাচায় তাইক জোৰ জবৰদস্তি বিয়া দি দিলে। পৰম সন্তুষ্টি লাভ কৰিছিল তেওঁলোকে কাৰণ নিজৰ জীয়েকক ধনী মানুহলৈ বিয়া দিছে। তেওঁলোকে, এবাৰলৈ হ'লেও দুৰ্বাৰিৰ মনৰ কথা বুজ নল'লে।



দুৰ্বিৰ নিজৰ মাক দেউতাকে যেতিয়া জোৰ কৰি বিয়া দিলে তাই চিঞৰি চিঞৰি কন্দাৰ বাদে আন উপায় নাছিল। তথাপি তাই বিয়া হৈ ভালদৰে ঘৰখন চলাম বুলি মনতে ভাবি ল'লে। কিন্তু বিধিৰ বিপাক ভবা কথা সফল নহ'ল। তাই বিয়াৰ পাছত লাহে লাহে দেখিবলৈ পালে বিজিত তথা বিজিতৰ ঘৰখনৰ মানুহবোৰৰ আচল ৰূপ। কেৱল টকা-পইচা চিনি পোৱা বিজিতৰ ঘৰৰ মানুহখিনিৰ যেন কোনো মানৱীয় গুণ নাই এনে লাগিল দুৰ্বিৰ। বিজিতৰ মাক আৰু বায়েকে যেতিয়া দুৰ্বিক দিনৰ দিনটো গাধৰ দৰে খটুৱাই চাকৰণী যেন ব্যৱহাৰ কৰে তেতিয়া দুৰ্বিৰ নিজৰ জীৱনটোৰ ওপৰতে খং উঠে। তথাপিও তাই নিজৰ ঘৰ বুলিয়ে ভাবি সকলো সন্তৰ্পণে কৰি গৈছিল। কিন্তু লাহে লাহে দিন বাঢ়ি যোৱাৰ লগে লগে বিজিত, তথা তাৰ মাক আৰু বায়েকে লগ লাগি যেতিয়া তাইক যৌতুক ননাৰ বাবে অত্যাচাৰ কৰিবলৈ ল'লে তেতিয়া তাইৰ আত্মহত্যা কৰিবলৈ মন গৈছিল। তাই কান্দি কান্দি তেওঁলোকক কৈছিল, "আপোনালোকে মোক কিয় এনে কৰিছে, মোৰ আই বোপাইৰ আছে কি ? কি যৌতুক দিব তেওঁলোকে? পাঁচটাকৈ ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰোতেই তেওঁলোকৰ জীৱনটো গ'ল।"

কিন্তু তাই যিমানেই কৈছিল তাইৰ কথা কোনেও শুনা নাছিল, বৰঞ্চ তাইক বেছি অত্যাচাৰ কৰিবলৈ ধৰিলে। তাইক চুলিত ধৰি চুচুৰাইছিল, চৰিয়াইছিল, দিনৰ দিনটো লঘোণে ৰাখিছিল আৰু তাইৰ গিৰিয়েক বিজিতে গিলাছে গিলাছে মদ খাই মাতাল হৈ তাইক গুৰিয়াইছিল। ইমানতো সন্তুষ্ট নহৈ আনকি তাইক ডিঙি চেপি মাৰিবলৈ চেষ্টা কৰিছিল। দুৰ্বিয়ে বহুত সহ্য কৰিলে। অৱশেষত তাই মৰো যেন হ'ল। তাইৰ মাক দেউতাকৰ ওপৰত বহুত খং উঠিছিল। তেওঁলোকেতো নাজানে তেওঁলোকৰ জীয়েকৰ কি অৱস্থা কৰিছে, ভাবিছে চাগে ধনী মানুহৰ ঘৰত খাইছে, সুখত আছে। এইবোৰ অত্যাচাৰৰ কথা ক'লে তেওঁলোকে চাগে মিছা বুলিয়ে ভাবিব। দুৰ্বিৰ সঁচায়ে বৰ দুৰ্ভগীয়া যেন লাগিল নিজকে। তাই জীয়াই থকাৰ মন আৰু এক মুহূৰ্ত্তও নাথাকিল। তাই সেয়ে নিজকে শেষ কৰি পেলোৱাৰ মানসেৰে বিজিতৰ ঘৰৰ পৰা গুছি আহি ওচৰতে থকা নদীখনত জাপ দিব বিচাৰিছিল। কিন্তু তাইৰ কপালত চাগে আয়ুসূৰ চাউল আছিল। সেই গাঁৱৰে এখন হাইস্কুলৰ প্ৰধানশিক্ষক হৰেণ ডেকাই তাইক সেই মুহূৰ্তৰ পৰা ৰক্ষা কৰিলে আৰু ঘটনাটো কি সুধিলে।

তাই তেতিয়া হৰেণ ডেকাকে সবিশেষ বৰ্ণনা দিলে আৰু তাইৰ কথা শুনি হৰেণ ডেকাই ক'লে - চোৱা দুৰ্বি, তুমি আজি যি পৰিস্থিতিৰ সন্মুখীন হ'লা তেনে পৰিস্থিতিৰ আৰু বহুত নাৰী সন্মুখীন হৈছে। এইধৰণৰ পৰিস্থিতিত পৰি যদি তোমালোকে আত্মহত্যাৰ চেষ্টা কৰা তেতিয়া এই সমস্যা সমাধান হ'বনে? তোমাৰ দৰে আজি যদি প্ৰত্যেকজনী লাঞ্চিতা মহিলাই আত্মহত্যাৰ পথহে বাছি লয় তেন্তে এই যৌতুকৰ দাবী হেন অমানৱীয় কাৰ্য অন্ত পৰিবনে ? তাৰ সলনি যদি তোমালোকে ইয়াৰ প্ৰতিবাদৰ ব্যৱস্থা কৰা তেতিয়াহে তোমালোকে সফল নাৰী হিচাপে চিনাকি দিব পাৰিবা। কি নাই তোমালোকৰ? আইনৰ সহায় লোৱা। লাগিলে এই ক্ষেত্ৰতত মই সহায় কৰিম।"

হৰেণ ডেকাই এইক্ষেত্ৰত দুৰ্বিক বহুত সহায় কৰিলে। তাইৰ বাবে তাইৰ যোগ্যতা অনুসৰি স্কুলৰ কেৰাণীৰ চাকৰি এটাও যোগাৰ কৰি দিলে। দুৰ্বিয়ে তাইৰ নিজৰ দুৰ্বল মনটোক সবল কৰি তুলিলে আৰু হৰেণ ডেকাৰ কথামতে তাইৰ প্ৰতি কৰা অন্যায়ৰ বাবে আইনৰ ওচৰত গোচৰ তৰিলে। তাই কেতিয়াও এনে হিংসুক মানুহৰ ওচৰত থাকিব নোখোজে। সেয়েহে তাই আদালতৰ জৰিয়তে বিজিত আৰু তাইৰ বিবাহ বিচ্ছেদ কৰালে।

সেই তাহানিৰ দুৰ্বি আজি সুখী। হৰেণ ডেকাই যোগাৰ কৰি দিয়া কেৰাণী চাকৰিটোৱেই তাইৰ আজি আৰ্থিক সম্বল। তাই তেতিয়াৰে পৰাই ভাড়াঘৰত থাকিবলৈ ললে আৰু এনেধৰণৰ অমানৱীয় কাৰ্য্যবোৰৰ প্ৰতিবাদৰ বাবে আগবাঢ়ি আহিবলৈ ধৰিলে। আনকি তাই মাক-দেউতাকৰ ওচৰলৈও নাযায়। তাইৰ অকলশৰে ভাল লাগে।

সেয়ে তাই আজি পেপাৰত পোৱা বাতৰিটো পঢ়ি এনেকুৱা দিনে দিনে বাঢ়ি অহা যৌতুক তথা অমানৱীয় কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ নিজকে প্ৰস্তুত কৰিলে। লগতে তাই সকলো মহিলাকে সচেতন কৰি দিব বুলি ভাবিলে। লাগিলে তেওঁলোকে মিলি এটা মহিলা গোট সৃষ্টি কৰি ল'ব। দুৰ্বিয়ে এটা স্থিৰ সিদ্ধান্ত ল'লে যাতে ভৱিষ্যতে এনেদৰে কোনো নাৰীয়ে যদি আত্মবলিদানৰ সন্মুখীন হয়, পিছ নুহকি আগবাঢ়ি আহে। নিশ্চয় এদিন সফল হ'ব তেওঁলোক। আজি দুৰ্বি বহুত সুখী, আজি তাই নিসঙ্গ নহয়।

❖❖

# মহানগৰী আৰু তাই

**জয়শ্ৰী দত্ত**
স্নাতক প্ৰথম বৰ্ষ, ইংৰাজী বিভাগ



মাতুৰে চকুকেইটা মেলি চাৰিওফালে এবাৰ চালে। মাক-দেউতাক কোনো কোঠাতেই নাই। দেউতাক ডাক্তৰক লগ কৰিবলৈ গৈছে, আৰু মাক ? মাক কোনফালে গৈছে তাৰ স্পষ্ট ধাৰণা তাইৰ নাই। ...... হয়তো বাথৰুমলৈ। তাই শুৱাৰ পৰা উঠিল আৰু পিছফালে গাৰুটো দি আঁউজি বহিল। বিচনাৰ কাষতে থকা খিৰিকীখনেৰে তাই বাহিৰলৈ চাই পঠিয়ালে। আবেলিৰ ফটফটীয়া নীলা আকাশখন দেখি তাইৰ মনটো সজীৱ হৈ উঠিল। মুহূৰ্ততে তাইৰ মনৰ সেই সজীৱতাক থানবান কৰিলেহি দূৰৰ মছজিদ এটাৰ পৰা ভাঁহি অহা আজানৰ সুৰে। তাইৰ বুকুখন কঁপি উঠিল। তাই শুনিব নোখোজে এই সুৰ। এই সুৰটোৰে তাইক মনত পেলাবলৈ বাধ্য কৰে মহানগৰীত কটোৱা যোৱা দুটা বছৰৰ ৰোমন্থন কৰিব নোখোজা স্মৃতিবোৰ। হোষ্টেলত কটোৱা সেই দিনবোৰত নিতৌ পুৱা গধূলি মছজিদৰ পৰা ভাঁহি আহিছিল 'আজান'ৰ সেই সুৰ। তাই বেয়া পায়, ঘিণ কৰে মহানগৰীখনক। কিন্তু তাতেই থাকে তাইৰ অতি আপোন খুড়াক-খুড়ীয়েকৰ পৰিয়ালটো। কণমানি আইনু আৰু মণিলৈ তাইৰ এতিয়াও মনত পৰে। কিমান হেপাঁহেৰে যে তাহাঁত দুজনীয়ে মাতু যোৱালৈ বাট চাই ৰৈছিল। মহানগৰীৰ লগত জড়িত সেই দুই চাৰিটা ভাল লগা স্মৃতিৰ তুলনাত তাইৰ বেয়া লগা স্মৃতিবোৰ আছিল বহুত অধিক। সেয়ে তাই সমূলি মনত পেলাব নোখোজ সেই স্মৃতিবোৰ।

আজিৰ পৰা দুবছৰৰ আগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মাক দেউতাকৰ আশা মতে বুকুত ভৱিষ্যতৰ অনেক সপোন সাঁচি গুৱাহাটী মহানগৰীত পঢ়িবলৈ গৈছিল। জাকজমকতাৰে পূৰ্ণ অপৰূপ মহানগৰীৰ

ভিতৰখনৰ কদৰ্য ৰূপটো তেতিয়া তাই কল্পনাও কৰিব পৰা নাছিল। তাই আপ্ৰাণ চেষ্টা কৰিছিল সেই পৰিবেশৰ লগত খাপ খাবলৈ, কিন্তু তাই ব্যৰ্থ হৈছিল। মহানগৰীৰ যান্ত্ৰিকতা, কোলাহলপূৰ্ণ পৰিবেশ, ছাঁইবৰণীয়া আকাশ এইবোৰে তাইক অতীষ্ঠ কৰিছিল। প্ৰত্যেকবাৰেই ঘৰৰ পৰা হোষ্টেললৈ উভটোতে তাইৰ অন্তৰখনে হাহাকাৰ কৰি উঠে। তাই যেন মাকক সাৱটি ধৰি চিঞৰি চিঞৰি ক'ব, মা নপঠিয়াবা মোক তালৈ।" তাই যেন এফালৰ পৰা কৈ যাব সেই সমস্ত ঘটনা যিবোৰ মনত পেলালেই তাইৰ গুৱাহাটীৰ প্ৰতি ঘিণত নাকটো কোঁচ খাই যায়। এদিন ৰাতি বাছত উঠিবলৈ বুলি পল্টন বজাৰত ৰৈ থাকোঁতে কিদৰে এজন অজ্ঞাত লোকে তাইৰ হাতৰ মুঠিত এহাজাৰ টকাৰ এখন নোট গুজি দিছিলহি। টকাটো দলিয়াই জ্বৰ উঠা মানুহৰ দৰে কঁপিবলৈ লাগিছিল তাই। আন এদিন, কিদৰে ফুটপাথেৰে গৈ থকা অৱস্থাত তাইৰ লগৰজনীক এজন উলংগ প্ৰায় লোকে পিছফালৰ পৰা আহি জপটিয়াই ধৰিছিল। লগৰজনীৰ সেই অসহায় চিঞৰ এতিয়াও তাইৰ কাণত বাজি থাকে। কি দৰে সৰস্বতী পূজাৰ দিনা কলেজলৈ ওলাই যাওঁতে সিহঁতৰ মুখৰ আগতে ফুটপাথত নিষ্ঠুৰভাৱে চিটি বাচৰ পৰা পেলাই থৈ যোৱা হৈছিল এজনী কিশোৰীৰ মৃতদেহ। গোটেই দিন তেনেদৰেই পৰি আছিল মৃতদেহটো। কৈ পেলাব যেন মাকক সেই ভয়ানক স্মৃতিবোৰৰ কথা। কিন্তু চহৰৰ আও ভাও নোপোৱা তাইৰ আঁজলী মাকজনীয়ে পাৰিব জানো শুনিব সেইবোৰ কথা। তাই যে উভতি যাবই লাগিব। নিজৰ কাৰণে নহ'লেও দেউতাকৰ কাৰণে। তাই যে দেউতাকৰ সমস্ত আশা-ভাৰসাৰ থল। তাই নিজকে বুজাই, আন দহজনীয়ে পাৰিছে যেতিয়া তায়ো পাৰিব লাগিব মিলিব। এইবোৰ কথাৰে তাই মনটোক দৃঢ় কৰে আৰু হাঁহি মুখেৰে মাক-দেউতাকৰ লগতে ঘৰখনৰ পৰা বিদায় লয়।

শাৰীৰিকভাৱে তাই গুৱাহাটীত আছিল যদিও মনটো কিন্তু তাইৰ সেই আপোন গাঁওখনতে এৰি থৈ গৈছিল। মনৰ কথাবোৰ তাই লগৰ কাকো ক'বও নোৱাৰে, ক'লে সিহঁতে তাইক হাঁহে, কেঁচুৱা নেকি তই ? বাৰিষাৰ দিন যেতিয়াই আহে, তাইৰ মনটো উৰা মাৰে গাঁৱত থকা সেই লগৰবোৰৰ কাষলৈ ? সিহঁতৰ লগত আগৰ দৰে আকৌ পথাৰত মাছ ধৰিবলৈ যোৱাৰ ইচ্ছা হয়। আকৌ শীতৰ দিনকেইটাত তলসৰা শেৱালিৰে ভৰি পৰা সিহঁতৰ ঘৰৰ পদূলিটো চোৱাৰ তীব্ৰ হেপাহ হয় আৰু ইচ্ছা হয় সেই বিশেষ সুবাসটো এবাৰ হেঁপাহ পলোৱাই ল'বলৈ। এই তীব্ৰ ইচ্ছাবোৰে তাইৰ মনটোক বৰ শাস্তি দিয়ে। কেতিয়াবা যেন তাইৰ উশাহ লবলৈও কষ্ট হয়। যিজনী ছোৱালীয়ে কলম তুলি ল'লেই উকা কাগজৰ বুকুত নিগৰে অনেক কবিতা, সেইজনী ছোৱালীয়ে আজি দুবছৰে কবিতাৰ এটা শাৰীও লিখা নাই। মনৰ ভিতৰত অহৰহ চলি থকা সেই দ্বন্দখনে তাইক এফালৰ পৰা ঘূণীয়া কৰি আনিছিল। দিনক দিনে দুৰ্বল হৈ আহিছিল তাই। ফাইনেল একজামৰ মাজতে দুই তিনিদিন তাই মূৰ ঘূৰাই পৰিছিল আৰু প্ৰচণ্ড পেটৰ বিষত ভুগিছিল। পৰীক্ষা শেষ হোৱাৰ দিনাই তাই ঘৰলৈ উভটিছিল। পদুলি মুখতে তাইৰ শেতা পৰা দুৰ্বল শৰীৰটো দেখি মাকে কান্দি পেলাইছিল। সেইদিনা ৰাতিলৈ তাইৰ পেটৰ বিষ বেছি হৈছিল আৰু তেজ বমি কৰিছিল। লগে লগে তাইক হস্পিতালত ভৰ্ত্তি কৰোৱা হৈছিল।

এনিমিয়াৰ লগতে গেষ্টিক আলচাৰত ভোগা মাতু আজি এসপ্তাহ ধৰি হস্পিতালৰ সেই সৰু কোঠাটোতে আছে। আজি ৰিলিজ দিয়াৰ কথা। এইবাৰ আৰু মাক দেউতাকে তাই যাওঁ বুলি ক'লেও দূৰলৈ নপঠাই। গাঁৱৰ পৰা কিছু নিলগত থকা ছোৱালী কজেলখনতে তাইক নামভৰ্ত্তি কৰাই দিব বুলি দেউতাকে কৈছে। তেনেতে মাকৰ মাতত তাই উচপ খাই উঠিল, মাতু, মুখ-হাত ধুই ল'বা ব'লা। আমাক নিবলৈ ভিনদেউ পালেহি নহয়। ভিনিহিয়েক আহি তাইৰ কাষতে বহিল আৰু কপালত হাত ফুৰাই সুধিলে, এতিয়া কেনে আছে পিছে আমাৰ ছোৱালীজনী ?" তাইৰ ক'বলৈ মন গল, "চিন্তা নকৰিবা ভিনদেউ এতিয়া আৰু মোৰ অসুখ নহয়, মই আকৌ কবিতা লিখিম।" কিন্তু তাৰ পৰিৱৰ্তে তাই কেৱল হাঁহিলে। আজি বহুত দিনৰ মূৰত এটা তৃপ্তিৰ খোলা হাঁহি মাৰিছিল তাই ।❖❖

# ভাৱনাৰ সিপাৰত মই

**আকাশজ্যোতি দাস,** স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

বিশাল হেৰাই গ'ল। এই সুবিশাল পৃথিৱীত বিশাল বিহীন হৈ ৰৈ গ'লো মই। নিৰ্বিকাৰ হ'বৰ চেষ্টা কৰিলো, অন্তৰ্দাহী যন্ত্ৰণাবোৰ পাহৰি যাবলৈ নিজকে বুজাবলৈ চেষ্টা কৰিলো। যি নিজৰাই পাহাৰৰ মৰম বুজি নাপালে, সেই নিজৰা যদি সমতলত উৎপত্তি হ'বলৈ গুচি যায় তাৰ বাবে আক্ষেপ কৰিবলগীয়া থাকেনে ? অবুজ মনটোৱে চিৎকাৰ কৰি উঠিল। .... মূৰৰ ওপৰৰ আকাশ আৰু ভৰিৰ তলৰ পৃথিৱী হেৰাল যেন লাগিল। সৰ্বস্ব হেৰুওৱাৰ তৃপ্তিৰ পৰা তাই বঞ্চিত হৈ আছে। আত্মাটোৱে ক'লে সৰ্বস্ব হেৰুওৱাৰ কি যে সীমাহীন তৃপ্তি। সেই সময়লৈ আৰু বহু বাকী।

আত্মাটোৰ লগত বহুদিন কথা হোৱা নাছিল। বিশালৰ লগত থকাৰ সময়খিনিত তাৰ বাহিৰে আন কাকো সময় দিব নোৱাৰে ভৈৰবীয়ে। পশ্চিমৰ বেলিতে বুঢ়া পাহাৰৰ গাতে লাগি থকা জুৰিটোৰ পাৰৰ শিলৰ চৰা বিলাকত বহি থাকোঁতে সি দুহাতৰ তৰ্জনী আঙুলিটোৱে আকাশলৈ দেখুৱাই কয় "সৌৱা চা তৰংগায়িত মেঘ মল্লাৰৰ কি যে দুৰ্বাৰ বাসনা আদিম স্পৃহা পূৰণৰ।" কেতিয়াবা তৰা ভৰা আকাশক লৈ সুন্দৰ মন্তব্য দিয়ে, "চা চা দেউতাৰৰ জ্যোতিয়ে গোটেই নভোমণ্ডলৰ জ্যোতিকে ম্লান পেলাইছে।" হয়তো গিলি পেলাব ৰাৱণৰ শ খন হাতৰ দৰে তাৰ পাহিয়ে তাৰকা মণ্ডলীক । তাৰকা মণ্ডলীৰ ভিতৰত তাৰ ভোটা তৰাই আটাইতকৈ প্ৰিয়। কিন্তু তাৰকা মণ্ডলীৰ প্ৰত্যেকটো জ্যোতিষ্কৰ নিজা স্বকীয় বৈশিষ্ট্যতাত সি কিন্তু উদাসীন নহয়।

কেতিয়াবা পঞ্চমুখ হৈ পৰে নেজাল তৰাৰ জন্ম যাতনাত। কি যে স্থিতি নেজাল তৰাৰ ঘপহকৈ জ্বলি খপহকৈ তললৈ সৰি পৰে। কিন্তু সেই ক্ষন্তেকীয়া সময়তে কিযে কৌতুহল দি যায় ভৈৰবীৰ মনত। ভৈৰবীয়ে কেৱল ও বুলিয়েই শলাগ লয়। কিয়নো তাৰ ভাৱনাৰ পথাৰত ভৈৰবীৰ প্ৰৱেশ তৰ্কৰ বাহিৰে আন একো নহ'ব।

বিশাল সৃষ্টি প্ৰক্ৰিয়াৰ অৱস্থিতিবাদৰ ওপৰত প্ৰতিষ্ঠিত। সি লয়ৰো পূৰ্ণ বিকাশৰ ওপৰত বিশ্বাসী। সৃষ্টিৰ মৰ্যদা তাৰ ওচৰত যিধৰণৰ, লয়ৰ মৰ্যদাও তাৰ ওচৰত একেই। সি কয় আমি বাৰু লয়ক মানি লবলৈ ভয় কৰোঁ কিয় ? কিয়নো লয়তেই আছে সৃষ্টিৰ মাদকতা। ভুঁইকপে যিদৰে সোণৰ নগৰী ৰসাতললৈ নিব পাৰে। সিদৰে গঢ়িব পাৰে আন এক নগৰী, আন এক লহমাও।

জীৱন মৃত্যুৰ চেতন অৱচেতনৰ প্ৰতিটো কথাকে সহজভাবেই লবলৈ শিকা ভৈৰবীয়ে বিশাল হেৰাই যোৱা ঘটনাটো সহজ ভাৱে লব পৰা নাই কিয়?

এসময়ত বিশাল ৰুক্ষ হৈ গৈছিল। তাৰ দুচকুৱে কেৱল পিৰিকাবহে পাৰিছিল। ইংগিত দিব পৰা নাছিল। তাৰ জীৱ বুলি কেৱল দেহটোৱে আছিল। জড় যেন জীৱ? পাৰেনে থাকিব জীয়াই ?

পাৰে ভৈৰবী, থাকিব পাৰে, আত্মাটোৱে পুনৰ কৈ উঠিল। আত্মাটোৰ উত্তৰত ভৈৰবীয়ে ভাৱনাৰ পৃথিৱীৰ পৰা সাৰ পালে।

বিশাল তাইৰ যৌৱনৰ চিন্তা জগতৰ লগৰী, তাইৰ সপোনৰ বিশাল, দিঠকৰ বিশাল। তাইৰ হেঁপাহৰ বিশাল।

ভৈৰবী বিশালক লৈ বেলকনিৰ পৰা ৰুমলৈ সোমাল। অদূৰত এজাক পখী চোঁ চোঁৱাই উৰি গ'ল।

❖❖❖❖❖❖❖❖



# নিৰাশাৰ মাজত উদ্ভাসিত আশাৰ ৰেঙণি

**সংগীতা বৰুৱা**
স্নাতক তৃতীয় বাৰ্ষিক, গণিত বিভাগ

আদিত্যৰ প্ৰভাতী কিৰণ ভেন্টিলেটৰয়েদি সোমাই কাবেৰীৰ শুৱনি কোঠাটোত পোহৰাই তুলিলে। খক্‌মক্‌কৈ সাৰ পাই তাই ঘড়ীটোলৈ চালে। ছয় বাজিল। আজি তাই আবুৰক নামভৰ্ত্তি কৰাবলৈ নিব। কালি স্কুলৰ পৰা ঘৰলৈ আহোঁতে বাটতে লগ পোৱা তাই অতি মৰমৰ বান্ধৱী নিলাক্ষীৰ ৰূপ আৰু কথা বাৰ্ত্তাই তাইক আতংকিত কৰি তুলিছিল। সেয়েহে বহুত ৰাতিলৈকে তাই টোপনিৰ সৈতে যুঁজিব লগা হৈছিল।

কাবেৰী ৰতনপুৰ জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী। পদাৰ্থ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লোৱা কাবেৰীয়ে চৰকাৰী চাকৰি নাপাই অৱশেষত ব্যক্তিগত শিক্ষানুষ্ঠানত মাহিলী কম পাৰিশ্ৰমিকতে যোগদান কৰিলেহি। এখন কলেজত তাই চাকৰিও পাইছিল। কিন্তু , কোনোদিন বিবেকৰ বিপৰীতে নোযোৱা, আত্মসন্মান লাঘৱ হোৱা কামত সহঁাৰি নিদিয়া নিলাক্ষীয়ে দেউতাকৰ সন্মান বেচিব নোৱাৰিলে। শেষত ঘোচ খাবলৈ বিচৰা অধ্যক্ষক কটু কথা কৈ ব্যক্তিগতভাৱে কিবা এটা কৰাৰ গভীৰ আস্থা লৈ গুচি আহিছিল। হয়তো, সেই আত্মবিশ্বাসেই তাইক আগবঢ়াই

নিছিল। তাই মূলধন হিচাপে দেউতাকৰ পৰা অলপ টকা লৈ সৰুকৈ এখন নাচঘৰী খুলিলে আৰু এদিন ৰতনপুৰ জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ অনুৰোধত শিক্ষয়িত্ৰী হিচাপে যোগদান কৰিলে।

বায়েক ভিনিহিয়েকৰ একমাত্ৰ প্ৰেমৰ স্বাক্ষৰ আবুৰক আকস্মিকভাৱে আঁকোৱালি লৈ মাতৃত্বৰ সমগ্ৰ মৰম ভালপোৱা হিয়া উজাৰি দিব লগীয়া হৈছিল কাবেৰীয়ে তাক। কণমানি ' আবুৰক' ৰ বায়েক ভিনিহিয়েকে তাইৰ লগতে খৈ কৰ্মক্ষেত্ৰলৈ ঢাপলি মেলিছিল। এদিন সেই ওলাই যোৱাৰ পুনৰ আগমন নহৈছিল। বোমা বিস্ফোৰণত ছেদেলি-ভেদেলি হৈ গৈছিল সেই দুটি দেহ। সিহঁতৰ মেট্ৰিজ কাৰখনৰ নাম্বৰ প্লেটৰ পৰাহে সিহঁতি পুলিচক চিনাকি দিব পাৰিছিল। মাক-দেউতাক ভাগি পৰিছিল। তাইও ভাগি পৰিছিল মৰমৰ ভাগিন 'আবুৰক'লৈ। আবুৰক ডাঙৰ মানুহ কৰাৰ বায়েকৰ সপোন বাস্তৱ কৰিবলৈ তাই প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। আবুৰক বৰ কষ্টৰে ডাঙৰ কৰিছিল। ব্যক্তিগত জীৱনৰ সকলো কামৰ মাজতো তাই আবুৰক কেতিয়াও অকলশৰীয়া হ'বলৈ নিদিছিল। প্ৰথমতে মাক-দেউতাকক বিচাৰি আমনি কৰা আবুৰ পিছলৈ নিমাত হৈ গৈছিল। কিবা বুজি পাইছিল ছাগে সি। আবুৰ তাইৰ উশাহ-নিশাহৰ অক্সিজেন যেন হৈ পৰিছিল। আবুৰু জানো কম। কাবেৰী-প্ৰতিটো কামতে কণমানি হাত দুখনেৰে সহযোগ কৰিছিল। ফুলত পানী দিয়া, গছৰ গুৰি ছাফা কৰা ইত্যাদি কামবোৰ কৰিছিল সি।

কাবেৰীয়ে আবুৰক ওচৰৰে ইংৰাজী মাধ্যমৰ স্কুলখনত কে জিত নামভৰ্ত্তি কৰাবলৈ নিয়াৰ কথা। বিচনাৰ পৰা উঠি লগতে আবুৰকো উঠোৱাই তাই বাথৰুম পালেগৈ। দুয়োয়ে মুখ হাত ধুই পাকঘৰত সোমাল আৰু আবুৰে কাবেৰীয়ে শিকাই দিয়াৰ দৰে নিজৰ নাম, গাঁৱৰ নাম আদি চিঞৰি চিঞৰি আওঁৰাবলৈ ধৰিলে। আঠমান বজাত দুয়ো ওলাই গ'ল। আবুৰক স্কুলত নামভৰ্ত্তিত কৰাই তাই নিজৰ স্কুল পালেগৈ। স্কুলৰ ক্লাচকেইটা কৰি তাই কমন ৰুমৰ নিজৰ চকীখনত বহি পৰিল আৰু চকুদুটা মুদি দিলে। বৰ ক্লান্তি অনুভৱ কৰিছে তাই। কিন্তু, তাইৰ যে আৰু বহুত কাম আছে। কামৰ মাজতে তাইৰ মনলৈ বাৰে বাৰে নিলাক্ষীৰ কথাবোৰ আহি আছে।

নিলাক্ষী আৰু প্ৰবালৰ দুয়োখন ঘৰৰ সন্মতি ক্ৰমে প্ৰেম বিবাহ হৈছিল। আজি চাৰি বছৰে নিলাক্ষীৰ কোনো সন্তান নোহোৱাৰ বাবে প্ৰবালৰ মাক-দেউতাকে তাইক মানসিক আৰু শাৰীৰিক আতিশাৰ্য্য চলাই আহিছে। নিলাক্ষীয়ে জানিছিল তাইৰ কোনো দোষ নাই। এইয়া প্ৰবালৰ দোষ। কিন্তু, মাক-দেউতাকৰ কথা পেলাব নোৱৰা প্ৰবালে তেওঁলোকক একো ক'ব নোৱাৰিছিল। সিও মনে মনে মাক-দেউতাকৰ কথা মতে বেলেগ ছোৱালী বিয়া কৰাবলৈ বিচাৰি ফুৰিছিল। কিন্তু তাই এনে হবলৈ দিব নিবিচাৰিছিল। তাইৰ দৰে অন্য এগৰাকীয়েও এইদৰে কষ্ট পোৱাটো তাই সহ্য নকৰিছিল। সেয়েহে, আগতীয়াকৈ গৈ ছোৱালী ঠিক কৰা মানুহ ঘৰত প্ৰবালৰ বিতং বাতৰি দি থৈ আহিছিল। তাই এতিয়া মৰি মৰি জীয়াই থকাৰ দৰে। বেমাৰী মাক-দেউতাকৰ দুখ হোৱাৰ ভয়ত নিৰৱে সকলো সহ্য কৰি আছে।

কাবেৰীয়ে আৰু ভাবিব নোৱাৰিলে। কলেজীয়া দিনৰ আটাইতকৈ সৰল, অনবৰতে ৰসাল কথাৰে সৰস কৰি থকা নিলাক্ষীৰ এনে ৰূপ তাইৰ কেতিয়াও সহ্য নহয়। তাই মনতে ভাবিলে তাইৰ নাচঘৰীখনকে উপাৰ্জনৰ স্থল হিচাপে নিলাক্ষীক দি সহায় কৰিব। তাইও নাচঘৰীৰ সকলো কামতে লাগি ভাগি দিব। কাৰণ, তাইৰ আগৰ হাঁহিমুখীয়া নিলাক্ষীজনীক বিচাৰে। টংকৈ চকীদাৰে মৰা এক বজাৰ বেলত তাইৰ তন্ময়তা ভাগিল। লৰালৰিকৈ উঠি আহি আবুৰৰ স্কুল অভিমুখে এক গভীৰ আত্মবিশ্বাসেৰে আগবাঢ়ি গ'ল। তাই নিজকে মহানগৰীৰ ব্যস্তময় ৰাজপথটোৰ দৰে ভাৰ হ'ল যেন তাইও তাৰ দৰে বহুজনৰ দায়িত্ব ল'ব লগা হৈছে।

❖❖❖❖❖❖❖❖

# এচমকা পোহৰৰ অপেক্ষাত

* ৰিতামণি গ্নেইন
স্নাতক দ্বিতীয় বৰ্ষ



*দিনৰ পোহৰতো উচুপিছে*
*আন্ধাৰৰ আগমনত*
*চটফটাইছে পখীটিয়ে*
*এচমকা পোহৰৰ অপেক্ষাত ...*

দেউতাকৰ চাকৰিৰ অৱসৰৰ পাছৰ পৰা বহুতো অভাবে ৰিতুহঁতৰ পৰিয়ালক জুমুৰি ধৰিছিল। চাকৰিৰ অৱসৰৰ দুবছৰৰ পিছতেই ৰিতুৰ দেউতাক পেৰেলাইছ অসুখত ভুগিব লগাত পৰিল। বহুতো চোৰা চিতা কৰাৰ পিছতো দেউতাকৰ আগৰ অৱস্থালৈ পৰিবৰ্তন নহ'ল। দিনক দিনে অৱস্থা দুখৰ পিনে ঢাল খালে। তেতিয়াৰ পৰা অতি কষ্টৰে ৰিতুহঁতৰ পৰিয়ালটি চলিব লগাত পৰিল। ৰিতুৰ পৰিয়ালত মাক-দেউতাক আৰু তাইৰ ককায়েক। তাইক ঘৰত মৰমতে সোণমণি বুলি মাতিছিল। ৰিতুৰ ককায়েকে কম বয়সতে বৰ কষ্টৰে ঘৰখন চলাইছিল। ৰিতু এইবাৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। তাই যোৰহাটৰ চি কে বি কলেজত পঢ়িছিল। কিন্তু

সময়ৰ পাকচক্ৰই ৰিতুৰ লগত সঁচাকৈয়ে বৰকৈ খেলা কৰিছিল। তাইৰ নামভৰ্ত্তিৰ মাচুলৰো অভাৱ। কিতাপ পত্ৰৰ খৰচৰো অভাৱ। তাইৰ নিজৰ খৰচৰ বাবে ঘৰৰ ওচৰৰে কেইজনীমান ছোৱালীক পঢ়াই দিছিল তাৰ বিনিময়ত কিছু টকা পাইছিল। তাইৰ মনত বহুত দুখ, কিয়নো তাই ঘৰৰ মানুহকো দোষ দিব নোৱাৰে, তাইৰ খৰচৰ বাবে। কিয়নো তাইৰ ককায়েকৰ ভাল উপাৰ্জন নাই। তাইৰ মাক দিনকে দিনে চিন্তাত বিভোৰ হৈ পৰে। কাৰণ মাকৰ বৰ হেঁপাহ আছিল। ল'ৰা-ছোৱালী হালকে পঢ়ুৱাৰ । কিন্তু দৰিদ্ৰতাৰ পাকচক্ৰত পৰি প্ৰতিটো খোজৰ গতি লেহেম হৈ পৰিছে। সেয়েহে ৰিতুৰ কেতিয়াবা বৰ চিন্তা হয়, তাই আৰু আগবাঢ়িব পাৰিবনে? কাৰণ দেউতাক থাকিও নথকাৰ দৰে হৈ পৰিছিল। সেয়েহে আজি তাই কম বয়সতে চিন্তাৰ দোমোজাত নিজকে অৰ্পণ কৰিবলৈ বাধ্য হৈ পৰিছে। তাইৰ সপোন তাইৰ আশা সকলো পথত নাওঁ হৈ উটি ভাঁহি ফুৰিছে হৃদয়ৰ মাজ সাগৰত। তাইৰ চকুৰ বৰষুণজাকে বোৱাই নিছে অন্তৰৰ মাজত স্থিতি লোৱা বহু দুখবোৰক। তাই নিজকে নিঠৰুৱা , দুৰ্ভগীয়া বুলি অনুভৱ কৰিবলৈ বাধ্য হৈ পৰিছে। তথাপি তাই ঈশ্বৰ বিশ্বাসী। তাই কেতিয়াও নিজকে ঈশ্বৰৰ পৰা বিচ্ছেদ বুলি অনুভৱ নকৰে। তাইৰ নিজৰ মনক বুজনি দিয়ে, ভাৱে যে সকলো জীৱই ঈশ্বৰৰ সৃষ্টি । সেয়েহে ভগৱানে এদিন দুখৰ দিনৰ অন্ত পেলাব বুলি তাইৰ আশা।

এদিন সিহঁতৰ ঘৰলৈ দূৰ সম্পৰ্কীয় খুড়াক এজন আহিছিল। উদ্দেশ্য এটা কোম্পানীত কম্পিউটাৰ শিক্ষা থকা এটা ল'ৰাৰ প্ৰয়োজন। ৰিতুৰ ককায়েকৰ এবছৰীয়া কম্পিউটাৰৰ ডিপ্ল'মা আছিল । সেইবাবে খুড়াকে তাক লৈ যোৱাৰ কথা ৰিতুৰ মাকক ক'লে। লগতে ক'লে যে সেই কামটোৰ দৰমহা মাহেকত পঁয়িত্ৰছ শ। কাম কিন্তু বাৰঘণ্টাকৈ দিনত কৰিব লাগিব। কথাটো শুনি ৰিতুৰ মাকৰ চকুহাল পানীৰে উপচি পৰিল। ইমান দিনৰ অন্তত উপাৰ্জনৰ বাট মুকলি হৈছে। অন্ততঃ ঘৰখন আৰ্থিক সমস্যাৰ পৰা অকণমান হ'লেও সকাহ পাব।

কলেজৰ পৰা দুই কিলোমিটাৰ বাট দুখে-ভাগৰে খোজ কাঢ়ি আহি ৰিতুৱে বৰ দুখমনেৰে ঢাৰি এখন পাৰি বহি আছিল। তাইৰ মনত আজি বৰ বেজাৰ; কাৰণ তাইৰ মেজৰ কিতাপ কিনিবলৈ টকাৰ অভাৱ। সেইহে তাই অকলে অকলে উচুপি উচুপি কান্দি আছিল। তাই কেনেকৈ পঢ়িব ইমানবোৰ অভাৱৰ মাজত ? ভাবিয়ে পাৰ নাপায় । ৰিতুৰ মাকে কাঁহীত ভাত কেইটামান; আলুপিটিকাৰ সৈতে লৈ আহি পানীগিলাচ হাতত দি, তাইৰ মুৰত মৰমেৰে হাত ফুৰাই ক'লে “ সোণ, ভগৱান কেতিয়াও ইমান নিষ্ঠুৰ নহয়, তেওঁ সকলোৰে পূজ্য দেৱতা। তেওঁৰ আশীৰ্বাদতহে আমাৰ দুখৰ অন্ত পৰিব। তোমাৰ পঢ়া-শুনাৰ খৰচৰ বাবে আৰু চিন্তা নকৰিবা। তোমাৰ দাদাই কাম পাইছে। নিশ্চয় সি তোমাৰ অভাৱ সমূহ দূৰ কৰিবলৈ চেষ্টা কৰিব। ”

কথাষাৰ শুনি সপোনতে দিঠক যেন লাগিল। তাইৰ বিশ্বাস সত্য, তাই যেন দূৰণিত জিলিকি থকা এচমকা পোহৰহে দেখা পাইছে। তাইৰ মাকক জোৰেৰে সাৱটি ধৰি আনন্দৰ চকুপানী টুকিলে।

❖❖❖❖❖❖❖❖

* লক্ষ্যমণি দত্ত
স্নাতক তৃতীয় বৰ্ষ, বুৰঞ্জী বিভাগ

# অপেক্ষা



'পাহি' দুৱাৰখন খোলচোন। হঠাৎ মাকৰ মাতত তাই উচপ খাই উঠিল। ল'ৰালৰিকৈ চকুপানীখিনি মচি দুৱাৰখন খুলি দিলে।

মাকে বুজিব পাৰিছে পাহিৰ মনৰ অৱস্থাটোৰ কথা। কিন্তু কৰিব কি ? তেওঁৰতো আৰু কোনো উপায় নাই। দেউতাক নোহোৱা ঘৰখনত তিনিজনীকৈ জীয়ৰী ছোৱালীৰে সৈতে থকাটো জানো কম ডাঙৰ কথা। তাতে আজিকালি বিশ্বাস কৰিবই বা কাক। নিজৰ গাৰ নোমেই চোন শত্ৰু।

সেয়ে তেওঁ ডাঙৰ ছোৱালী পাহিক উপযুক্ত পাত্ৰ পাই বিয়া দিবৰ বাবে ঠিক কৰিছে। ল'ৰাজন পাহিৰ জেঠায়েকৰ ছোৱালী গীতিবাৰ ভিনিদেউৰ সৈতে একেখন কলেজত চাকৰি কৰে। চাকৰিত জইন কৰা প্ৰায় ছয়-সাত মাহ মানহে হৈছে। গীতিবাৰ মতে ল'ৰাজন বেছ নম্ৰ, গহীন, গম্ভীৰ। মুঠতে পাহিৰ লগত বেছ মিলিব।

কিন্তু পাহি জানো সুখী হ'ব পাৰিব। আজি অতদিনে যাক তাই হৃদয়ৰ শ্ৰেষ্ঠ আসনখন দি আহিছে সেই প্ৰাণজিৎদাৰ কথা জানো পাহৰিব পাৰিব। প্ৰাণজিৎ! প্ৰাণজিৎ কাকতি পাহিৰ সৈতে একেখন কলেজতে পঢ়িছিল। তাই তেতিয়া স্নাতক প্ৰথম বৰ্ষৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী। নতুনকৈ এড্‌মিছন লৈছিল কলেজত। প্ৰাণজিৎ সেইখন কলেজৰ ছাত্ৰ আছিল। কিন্তু সি পাহিতকৈ দুবছৰ চিনিয়ৰ আছিল। তেতিয়াই সিহঁতৰ মাজত সংগোপনে বাঢ়ি আহিছিল ভালপোৱাবোৰ। কিন্তু সেই প্ৰেম ভালদৰে অংকুৰিত হ'বলৈ নৌপাওঁতেই প্ৰাণজিৎ গুচি গৈছিল উচ্চ শিক্ষাৰ বাবে অসমৰ বাহিৰলৈ ....।

সেই যে গ'ল। তাৰ পাছৰ পৰা আৰু পাহিয়ে তাৰ কোনো খবৰেই

নাপালে । তায়ো কলেজীয়া শিক্ষা সাং কৰি ইউনিভাৰচিটিত এড্‌মিচন ল'লে। এনেদৰেই দিনবোৰ ক্ৰমান্বয়ে পাৰ হ'বলৈ ধৰিলে। কিন্তু তাই হলে প্ৰাণজিতক কোনোপধ্যেই পাহৰিব পৰা নাছিল। প্ৰতিমুহূৰ্ত্ততে তাইক প্ৰাণজিৎৰ স্মৃতিয়ে আমনি কৰিবলৈ ধৰিলে। ইউনিভাৰচিটিত পঢ়ি থাকোতে বহুতে তাইক ভালপোৱাৰ প্ৰস্তাৱ দিছিল কিন্তু তাইৰ হৃদয়ত প্ৰাণজিৎদাৰ বাহিৰে আন কাকোৱেই সেই স্থান দিব নোৱাৰে।

কিন্তু প্ৰাণজিৎ, তাৰতো একো খবৰেই নাই, আজি অতদিনে। সি যদি তাইক পাহৰি গ'ল। নাঃ তাই আৰু ভাবিব নোৱাৰিলে।

তাই যে তাক লৈ কিমান সপোন দেখিছে। কত জল্পনা-কল্পনা তাক লৈ । পাহিয়ে সদায় ভগৱানক প্ৰাৰ্থনা কৰে ' হে প্ৰভু, প্ৰাণজিৎ যতেই আছে তেওঁক কুশলে ৰাখা।'

কিন্তু এতিয়া খন্তেকৰ ভিতৰতে আজি অতবছৰে দেখা সপোনবোৰ অথলে যাব। কিয়নো কালি গীতিয়ে ফোন কৰিছে বিশ তাৰিখে অৰ্থাৎ কাইলৈ সেই ভিনিয়েকৰ লগৰ ল'ৰাজন হেনো তাইক চাবলৈ আহিব। কিয়নো গীতিবাৰ মতে লৰাৰ পাহিক অপচন্দ কৰাৰ কোনো কাৰণেই থাকিব নোৱাৰে।

সঁচাকৈ পাহিৰতো সকলো গুণেই আছে। এজন পুৰুষে বিচৰা সকলোখিনি । ৰূপ-লাৱণ্যৰ লগতে এজনী উচ্চ শিক্ষিতা গাভৰু। তাৰোপৰি তাই স্থানীয় হায়াৰ চেকেণ্ডৰী স্কুলখনত শিক্ষকতা কৰি আছে। গতিকে পাহিকতো আৰু অপছন্দ কৰাৰ কোনো কথা নাই। মাত্ৰ সকলোবোৰ পাহিৰ ওপৰতে নিৰ্ভৰ কৰিছে।

অৱশেষত পাহিয়ে জীৱনৰ আটাইতকৈ ডাঙৰ সিদ্ধান্তটো লৈ পেলালে। তাই অন্ততঃ মাকজনীৰ মুখলৈ চাইয়ে সেই বিয়াত বহাৰ সিদ্ধান্ত ল'লে।

কিন্তু তথাপিও তাই সেইদিনা ৰাতি নীৰৱে উচুপি উঠিছিল প্ৰাণজিৎতলৈ মনত পৰি। এনেদৰে প্ৰথম প্ৰেমক হেৰুৱাই তাই মনত খুউব দুখ লাগিছিল। তাই মাথো কান্দিছিল ...... কেৱল কান্দিছিল।

ৰাতিপুৱা মাক-ভনীয়েকহঁত ব্যস্ত হৈ পৰিছে । যিহেতু সেইদিনাই সেই নিৰ্দিষ্ট আলহীজন অহাৰ কথা। কিন্তু তাই ভিতৰতে সোমাই কান্দিয়েই থাকিল। এনেতে বাহিৰত কলিং বেলৰ শব্দ শুনি তাই চকুৰ পানীখিনি মচি কিছু স্বাভাৱিক হৈ দৰজাখন খুলিবলৈ বুলি ওলায় গ'ল। কিন্তু কি আচৰিত। দৰজাখন খুলিয়েই তাই ভিনিহিয়েকৰ লগত যিজন ল'ৰাক থিয় হৈ থকা দেখিলে সেয়া তাইৰ বাবে সপোন যেন লাগিল। তাই মনে যেন ভগৱানক প্ৰাৰ্থনা জনালে হে প্ৰভু তুমি মোৰ মনৰ কামনা পূৰণ কৰিলা। তাইৰ অজানিতেই দুচকুৰে দুটোপাল অশ্ৰু ববলৈ ধৰিলে। প্ৰাণজিতে তাইৰ চকুলো মচি দি ক'লে জানা পাহি, তোমাক এনেদৰে থৈ ময়ো বৰ কষ্টৰে দিন কটাইছিলো। এতিয়া আৰু নহ'ব। হেৰুৱা মাণিক হাতত পাই আৰু এৰি থৈ নাযাওঁ। আনন্দতে পাহিয়ে প্ৰাণজিতক সাৱটি ধৰিলে।

সিফালে মাক-ভনীয়েক, ভিনিয়েকহঁতে একো উৱাদিহ নাপাই অকঁৰাব দৰে সিহঁতৰ মুখলৈ চাই থাকিল। প্ৰাণজিতে সমস্ত ঘটনা বিৱৰি কোৱাত সকলোৰে মনত খুউব আনন্দ পালে। সেইমাহতে এটি শুভদিন চাই প্ৰাণজিৎ আৰু পাহিৰ বিয়াখন অতি ধুম-ধামেৰে পাতি দিলে। সঁচাকৈয়ে অপেক্ষাৰ ফল সদায় মিঠা ......।

❖❖❖❖❖❖❖❖

# বিশ্বাস অবিশ্বাসৰ মাজত হেৰাই যোৱাৰ সপোন

চিত্ৰলেখা গগৈ
স্নাতক প্ৰথম বৰ্ষ



আজি পুৱাৰে পৰা বৰষুণ। কিনকিনীয়া বৰষুণ জাকৰ মাজেৰে দিনটো অতিবাহিত হ'ল, অবিনাশে গমকে নাপালে। শাৰী শাৰী দেৱদাৰু গছবিলাকে হালি জালি যেন নৃত্য কৰিছে। ডিচেম্বৰ মাহৰ ফেৰফেৰীয়া বতাহজাকে তাৰ শৰীৰটো কঁপাই তুলিলে। অবিনাশৰ কিন্তু সেই বিলাকলৈ মুঠেই ভ্ৰূক্ষেপ নাই। তাৰ মনটো আজি কিয় জানো ভাৰাক্ৰান্ত হৈ পৰিছে। বাৰাণ্ডাৰ গ্ৰীলৰ ফাঁকেৰে নীলিম আকাশখনলৈ চাই কিবা চিন্তাত সি তন্ময় হৈ পৰিছে। প্ৰকাণ্ড অট্টালিকা যেন সু-দৃশ্য ঘৰটোত তাৰ অকলশৰীয়া জীৱনটোৱে কিবা বিচাৰি হাঁহাকাৰ কৰি উঠিছে। অবিনাশৰ মানসপটত এটাৰ পাছত এটাকৈ ভাঁহি উঠিল আজিৰ পৰা দহবছৰৰ আগৰ তেওঁৰ মৰমৰ পত্নী নীলাৰ কথা।

নীলা মানে মিছেছ নীলাঞ্জনা চৌধুৰী। সু-প্ৰতিষ্ঠিত ব্যৱসায়ী মিঃ অবিনাশ চৌধুৰীৰ পৰিবাৰ আছিল। ঘৰ তেজপুৰ চহৰত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়ি থকাৰ অৱস্থাতে এদিন খুবেই আকস্মিক ভাৱে অবিনাশ আৰু নীলাৰ সৈতে পৰিচয় ঘটে। ঠিক যেন পুৱতি নিশা দেখা এটি মধুৰ সপোন। প্ৰথম দৰ্শনতে নীলাৰ প্ৰতি তেওঁ ইমান আকৃষ্ট হ'ল সেইটো অবিনাশৰ বাবে আজিও সাঁথৰ হৈয়ে ৰ'ল। অৱশ্যে নীলাৰ দৰে এজনী শিক্ষিতা ৰূপে-গুণে থকা স্মাৰ্ট ছোৱালীৰ প্ৰতি কোনো এজন ল'ৰা আকৃষ্ট হোৱাটো স্বাভাৱিক। কিন্তু অবিনাশৰ ক্ষেত্ৰত কিছু ব্যতিক্ৰম। তেওঁ এই গুণ বিলাকতকৈ পত্নীৰ পৰা প্ৰকৃত ভালপোৱা আৰু মৰমহে আদায় কৰিব বিচাৰে। দুয়োখন ঘৰৰ সন্মতি ক্ৰমে অতি উলহ মালহৰ মাজেৰে দুয়োৰে বিবাহ কাৰ্য সম্পন্ন হ'ল। ঘৰখনৰ একমাত্ৰ বোৱাৰী ৰূপে নীলাই সকলোকে আদৰ যত্ন আৰু অমায়িক ব্যৱহাৰে মুগ্ধ কৰিলে। সকলোৰে মুখে মুখে কেৱল ৰূপৱতী,গুণৱতী নীলাৰহে প্ৰশংসা।

এনেদৰে এটি বছৰ অতিক্ৰম কৰিবলৈ নৌপাওঁতেই অবিনাশ আৰু নীলাৰ জীৱনলৈ দুখৰ কালিমা নামি আহিল। এদিন হঠাতে অবিনাশে ব্যৱসায়ৰ বাবে গুৱাহাটীলৈ গৈ থাকোতে মটৰ এক্সিডেণ্টত দুয়োখন ভৰি হেৰুৱাই

পেলাব লগা হ'ল। ডিব্ৰুগড়ৰ মেডিকেলত অবিনাশক ভৰ্ত্তি কৰা হ'ল। বহু চিকিৎসা কৰিও ভৰি দুখন ভাল কৰিব নোৱাৰিলে। তেওঁৰ দুয়োখন ভৰি সম্পূৰ্ণ ৰূপে পঙ্গু হৈ পৰিল। তিনিমাহ মানৰ পাছত অলপ সুস্থ হ'লত ঘৰলৈ উভতি আহিল। কিন্তু তেওঁৰ ভৰি দুখনৰ পৰা বৰ যান্ত্ৰনা ভুগিব লগা হ'ল। যন্ত্ৰণাত দুচকুৰে কেৱল চকুলো বাগৰি আহে। স্বামীৰ এই কৰুণ দৃশ্য দেখি নীলাৰ হৃদয়খন বিষাদেৰে ভৰি পৰে। তাই নিৰৱে চকুলো টোকে। ভগৱানক প্ৰাৰ্থনা কৰে । কিন্তু ভগৱানে জানো নীলাৰ প্ৰাৰ্থনা শুনিব ? অবিনাশৰ ভগা ভৰি দুখন কেতিয়াও সুস্থ নহয়। তথাপিও নীলাই ভগৱানক তেওঁৰ স্বামী ভাল হ'বলৈ কাতৰ প্ৰাৰ্থনা কৰে। অবিনাশৰ ভৰি ভাল কৰিবৰ বাবে নীলাই ক'ত যে কি কৰিলে তথাপি ভাল হোৱা কোনো লক্ষণে দেখা নিদিলে। কেতিয়াবা কেতিয়াবা অবিনাশে জীৱনত জীয়াই থকা আশা হেৰুৱাই পেলায়। আত্মহত্যা কৰিবলৈ খুউব মন যায়। কিন্তু নীলাৰ এই কৰুণ মুখখন দেখি আৰু তাইৰ একান্ত ভালপোৱাৰ উৎসাহেৰে জীয়াই থকাৰ নতুন প্ৰেৰণা যোগাই।

কিন্তু এদিন হঠাতে আবেলি সময়ত এজন মানুহ নীলাহঁতৰ ঘৰলৈ আহিল। তেওঁ নিজকে এজন তান্ত্ৰিক বুলি পৰিচয় দি অবিনাশৰ ভৰিদুখন ভাল কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। নীলাই তান্ত্ৰিকজনক সিহঁতৰ ঘৰতে থাকি তন্ত্ৰ-মন্ত্ৰ কৰিবলৈ ক'লে। কিন্তু অবিনাশে এই কথা সমূলি বিশ্বাস কৰিব নোৱাৰিলে। কিন্তু নীলাৰ কথা প্ৰতিবাদ নকৰিলে। এইদৰে এদিন দুদিনকৈ প্ৰায় এমাহ কি দুমাহ মান তন্ত্ৰ-মন্ত্ৰ কৰিলে। কিন্তু ভৰি ভাল হোৱাৰ কোনো লক্ষনেই দেখা নিদিলে। লাহে লাহে অবিনাশৰ মনত নীলাৰ প্ৰতি সন্দেহৰ বীজে খোপনি পুতিলে। নীলাক যেন তান্ত্ৰিক জনে তেওঁৰ জীৱনৰ পৰা আঁতৰাই নিছে। দিনে দিনে নীলাও যেন অবিনাশৰ প্ৰতি অৱহেলিত হৈ আহিছে। কেতিয়াবা কেতিয়াবা নীলাক অবিনাশে এই কথা কৈ থাকে আৰু তান্ত্ৰিক জনক তেওঁলোকৰ ঘৰৰ পৰা পঠাই দিবলৈ কৈ থাকে। কিন্তু নীলাই অবিনাশৰ কথাত মান্তি হ'ব নোখোজে। তান্ত্ৰিকৰ তন্ত্ৰ-মন্ত্ৰৰ বলতে স্বামীৰ ভৰি ভাল হৈ নুঠালৈকে নীলাই সেই আশা এৰি দিয়া নাছিল। কিন্তু লাহে লাহে অবিনাশৰ মনত সন্দেহৰ বীজ দকৈ শিপাই গ'ল আৰু তেওঁ নীলাক অবিশ্বাস কৰা হ'ল। পতি-পত্নীৰ মাজত যদি সন্দেহৰ বীজে খোপনি পোতে তেনেহ'লে সেই সুখৰ সংসাৰখন এদিন ধ্বংস হৈ যায়। অবিনাশেও নীলাক সন্দেহ কৰিবলৈ ধৰিলে। তেওঁ নীলাৰ অবিহনে অকলশৰীয়া অনুভৱ কৰিলে।

এদিন সেই কাল নিশাটো আহিছিল। যিদিনা অবিনাশে নিজৰ মনক বহু বুজনি দিও বুজাব নোৱাৰিলে। তাৰ ফলত তেওঁৰ গাত থকা সিংহ পশুটো যেন সাৰ পাই উঠিল। ৰাতি প্ৰায় এঘাৰমান বজাত সকলো খাই বৈ শুই পৰিল। নীলাও দিনটোৰ ব্যস্ততাৰ মাজত থাকি অতি সোনকালে নিদ্ৰাৰ কোলাত ঢলি পৰিল। সেই সময়তে অবিনাশে তাৰ বিচনাখনৰ তলত আগৰ পৰা লুকাই ৰখা এডাল ৰডেৰে প্ৰচণ্ড জোৰেৰে নীলাৰ মুৰত আঘাত কৰিলে। নিদ্ৰাৰ কোলাত ঢলি পৰা নীলাই একো টলকিবই নোৱাৰিলে। এটা বিকট শব্দ কৰি নীলা মৃত্যু মুখত ঢলি পৰিল। তাৰ পাছত অবিনাশে আত্মহত্যা কৰাৰ কথা ভাবিছিল যদিও ঘৰৰ সকলো মানুহ নীলাৰ আৰ্তনাদ শুনি লৰি আহিলত সি আত্মহত্যা কৰা সুযোগ নাপালে। কিন্তু সি পাগলৰ দৰে ভ্ৰম বকি কান্দিবলৈ ধৰিলে। পিচদিনা অবিনাশক পুলিছে জেললৈ প্ৰেৰণ কৰিলে। তান্ত্ৰিক জনেও অবিনাশে নীলাক হত্যা কৰা বুলি ভাবি দাবী কৰিলে। সি মাথো চিএৰি চিএৰি এটা কথাই কৈ গ'ল। নীলা মোৰ পৰা কিয় আঁতৰি যাব ? তাই মোৰ মৰমক কিয় বঞ্চিত কৰিব ? অবিনাশে বাৰ বছৰ জেলৰ ভিতৰত আবদ্ধ হৈ থাকিব লগা হ'ল।

মানুহৰ জীৱনলৈ যেতিয়া বিপদ আহে তেতিয়া সকলো ফালৰ পৰা দুখে জুমুৰি ধৰে। অবিনাশৰো তেনেই হ'ল। অনুশোচনাত দগ্ধ তেওঁৰ মন। কিন্তু মানুহৰ মনলৈ যেতিয়া অনুশোচনা আহে তেতিয়া ভুল শুধৰোৱাৰ আৰু সময় নাথাকে। অবিনাশ এতিয়াও হুইল চেয়াৰতে আবদ্ধ। যেতিয়া সি বিচনাত পৰি আছিল তেতিয়া নীলাৰ সহানুভূতিয়েহে যেন মৃতপ্ৰায় জীৱনটোক সঞ্জীৱনী ৰূপে জীয়াই ৰাখিছিল। অবিনাশে নিজৰ জীৱনটোৰ শূণ্যতাখিনি উপলব্ধি কৰি জেলৰ পৰা ওলাইয়ে তেওঁৰ ঘৰটোৰ ফালে চাই হিয়া ধুনি কান্দিলে। কিন্তু তেওঁক এই মুহুৰ্ত্তত শান্তনা দিব কোনে ? নীলাক নিজ হাতেৰে হত্যা কৰি ইহ সংসাৰৰ পৰা বিদায় দিলে। অবিনাশৰ সেই কান্দোন প্ৰকাণ্ড অট্টালিকাটোৰ দেৱালত ঠেকা খাই ভয়াবহ ৰূপহে ধাৰণ কৰিলে।❖❖



# প্ৰেমৰ পোচাক


তনুশ্ৰী গগৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ


পুহ মাহৰ ঠেটুৰৈ ধৰা ঠাণ্ডা। দিনটোৰ কৰ্মব্যস্ততাৰ শেষত ৰূপালীয়ে শেঁতেলীখনত পৰি চকু দুটা মুদিছেহে। হঠাৎ গুৰুমকৈ হোৱা দুটা কাণতাল মৰা বিকট শব্দ তাইৰ মুখৰ পৰা অজানিতে ওলাই আহিল " হে প্ৰভু মৃন্ময়ক যেন কুশলে ৰাখা।"

মৃন্ময়। ৰূপালীৰ সন্তান। গহীন গম্ভীৰ, দেখিলেই মৰম লগা মেধা শক্তিসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী। লগতে অমায়িক আচাৰ-ব্যৱহাৰৰ বাবে সি জাৰজ যদিও সকলোৰে প্ৰিয়। কিন্তু সময়ৰ পৰিৱৰ্তনৰ সোঁতত আগবাঢ়ি গৈ সি ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে তাইৰ অজ্ঞাতে হাতত বন্দুক তুলি লোৱা দিনাৰে পৰা আজি পৰ্যন্ত ৰূপালীয়ে তাৰ ছাঁটোকে দেখা নাই। বিভিন্নজনৰ মুখত মৃন্ময়ে এই পথ লোৱাৰ খবৰ তাই লাভ কৰিছিল যদিও বিশ্বাস নকৰিছিল। কাৰণ যিটো ল'ৰাই হাঁহ এটা মৰা দেখিলেও সাতজাপ মাৰি উঠে, তেনে এটা লৰাই ....। সেয়ে তাই ভাবিছিল যে মৃন্ময়ে তাইৰ পৰা পিতৃৰ পৰিচয় নাপাইহে অভিমান কৰি আঁতৰি গৈছে। অৱশ্যে ৰূপালীৰ এই ভুল ভাগিছিল সেইদিনাহে যিদিনা থানাৰ তিনিজন উপ পৰিদৰ্শক আহি তাইক কৈছিল, " আপোনাৰ ল'ৰা মৃন্ময়, ৰাষ্ট্ৰৰ বিৰুদ্ধে হাতত বন্দুক তুলি লোৱা এজন নিষিদ্ধ সংগঠনৰ কৰ্মী। তাক মুল সুঁতিলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰক। অন্যথা তাৰ ডেডবডি চম্জি ল'বৰ বাবে প্ৰস্তুত থাকক।

একবিশং শতিকাৰ জীৱশ্ৰেষ্ঠ মানৱে এনেকৈও কথা ক'ব পাৰেনে ? তাকো নিজ মাতৃৰ আগত। কিছু সময় উপপৰিদৰ্শকজনৰ ফালে থৰ হৈ চাই থাকি তাই চকুলো টোকাৰ পৰিৱৰ্তে ভাবিছিল হৃদয়ত লৈ ফুৰা একুৰা জলন্ত অগ্নিশিখাৰ উপৰি আৰু একুৰা জলন্ত শিখা ল'বৰ বাবে প্ৰস্তুত হ'বৰ হ'ল।

মৃন্ময় ডাঙৰ হোৱালৈকে অতীতৰ স্মৃতিয়ে তাইৰ মনৰ দাপোণত কোনো দিন দোলা দিয়া নাছিল। কিন্তু

মৃন্ময়ে তাইৰ বুকু উদং কৰি যোৱা দিনাৰে পৰা তাৰ কথা মনত পৰিলেই তাইৰ মন উৰা মাৰে ত্ৰিদিবক লগ পোৱা স্মৃতিবোৰলৈ। আজিও মৃন্ময়লৈ মনত পৰাত বাস্তৱ পৃথিৱীৰ পৰা তাই উভতি গৈছিল সুদীৰ্ঘ ত্ৰিশ বছৰ আগৰ পলবোৰলৈ।

অত্যন্ত কঠোৰ, নিয়মানুব্ৰতী, কৃৰ্তি শিক্ষকৰ সন্মানেৰে বিভুষিত বিকাশ বৰুৱাৰ দ্বিতীয় সন্তান ৰূপালী। হাইস্কুল শিক্ষান্ত পৰীক্ষাত দুটা বিষয়ত লেটাৰ নম্বৰ লৈ তাই উত্তীৰ্ণ হৈছিল। পঢ়া-শুনাত যিহেতু তাই ঘৰখনৰ অন্য কেইটা ল'ৰা-ছোৱালীতকৈ ভাল, বোধকৰো সেইবাবে কঠোৰ দেউতাকে তাইৰ ইচ্ছাৰ বিপক্ষে থিয় নিদিয়ে। পঢ়া-শুনাৰ লগতে অভিনয় জগতখনৰ প্ৰতি দুৰ্বলতা থকা ৰূপালীয়ে ইয়াৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰি অসমীয়া ছবিৰ নায়িকা বিচাৰি কাকতত দিয়া এটা বিজ্ঞাপন দেখি ফোনৰে যোগাযোগ কৰিছিল। পিছতে দেউতাকে কথাটো জানিব পাৰি তাইক মাথো কৈছিল, 'ৰূপা, অভিনয় জগতখনক মই শ্ৰদ্ধা কৰো। কিন্তু একেদৰে ঘৃণাও কৰো। সেয়ে মই ভাৱো এই জগতত তই সাৱধানে আগবাঢ়িবি।

দেউতাকৰ এই কথা কোনো দিন উলংঘন নকৰাৰ দৃঢ় সংকল্প লৈ তাই নায়িকাৰ বাবে সাক্ষাৎকাৰত অৱতীৰ্ণ হ'ল আৰু যথা সময়ত ছবিত অভিনয় কৰি ৰাইজৰ পৰা প্ৰশংসাও লাভ কৰিবলৈ ধৰিলে। ইমানলৈকে সকলো ঠিকে-ঠাকেই আছিল। কিন্তু একেজন পৰিচালকৰে দ্বিতীয়খন ছবিত অভিনয় কৰিবলৈ গৈ ৰূপালীৰ লগত পৰিচয় হয় এজন যুৱকৰ। নাম ত্ৰিদিব গগৈ। সুন্দৰ সুঠাম দেহৰ ত্ৰিদিবৰ লগত হোৱা সাধাৰণ পৰিচয় পৰ্বৰ পিছৰে পৰা দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হয়। সময়ৰ লগে লগে ৰূপালী আৰু ত্ৰিদিবৰ মাজত গঢ়ি উঠা সম্পৰ্ক বহু আগবাঢ়ি যোৱাত এদিন দুয়োটাই মুক্ত আকাশৰ তলত সেউজীয়া ধৰণীক সাক্ষী কৰি গঢ়ি উঠা সম্পৰ্ক স্থায়ী কৰাৰো সংকল্প লৈ পেলালে।

কিন্তু বিধিয়ে দিলেও বিধাতাই নিদিয়ে। এই আপ্ত বাক্যশাৰী প্ৰয়োগ হৈছিল সিহঁতহাল প্ৰেমৰ চূড়ান্ত পৰ্যায়ত উপনীত হোৱাৰ মুহূৰ্ত্ততে। কাৰণ যিদিনাই সিহঁতে সংকল্প লৈছিল সেইদিনাৰ ৰাতিলৈ ত্ৰিদিবে খবৰ পাইছিল যে তাক এটা ইণ্টাৰভিউ দিবৰ বাবে দিল্লীলৈ মাতিছে।

ৰূপালীৰ শৰীৰত ত্ৰিদিবৰ তেজৰ সোঁত বোৱাৰ বাবেই হয়তু তাই ভাবিছিল যে ত্ৰিদিবে কেতিয়াও তাইৰ মৰমক বিশ্বাসঘাতকতা কৰিব নোৱাৰে। সেয়ে ত্ৰিদিব, দিল্লীলৈ তাইক অকলে এৰি যাবলৈ অমান্তি হোৱা স্বত্বেও তাই জোৰ কৰি তাক পঠাইছিল।

অনিচ্ছা সত্বেও ত্ৰিদিব দিল্লীলৈ যোৱাৰ পিছৰে পৰা ৰূপালীৰ জীৱনলৈ নামি আহে অমাৱস্যাৰ আন্ধাৰ। কাৰণ ত্ৰিদিব যোৱাৰ পিছৰে পৰা ঘুৰি অহাতো দূৰৰে কথা আজি পৰ্যন্ত তাইৰ লগত কোনো যোগাযোগ কৰা নাই ইফালে সিহঁতৰ প্ৰেমৰ সাক্ষী স্বৰূপে তাইৰ কোলালৈ আহিল মৃন্ময়। আৰু তেতিয়াৰ পৰাই তাই হ'ল সমাজৰ ঘৃণিত, লাঞ্চিত আৰু অৱহেলিত। কিন্তু তাই হতাশ হোৱা নাছিল। তাই প্ৰতিজ্ঞা কৰিছিল যে ত্ৰিদিবে তাইৰ মৰমক বিশ্বাসঘাতকতা কৰিলে যদিও তাই নকৰে। তাই মৃন্ময়ক মানুহ হিচাপে গঢ়িব।

সেইমতে গঢ়িছিলও। কিন্তু নিশ্চয় ক'ৰবাত ভুল হৈ গ'ল। সেইবাবেই সি তাইক এৰি .....। নাই নাই তাই আৰু ভাবিব নোৱাৰে। চিগাৰেটৰ ধোঁৱাৰ দৰে কুণ্ডলী পকাই আহি থকা পুৰণি স্মৃতিবোৰ পুনৰ পাহৰি যাবৰ বাবে চকুহাল তাই জোৰ কৰি মুদি দিলে।

এনেতে দৰ্জাত কাৰোবাৰ টোকৰ শুনি তাই শেঁতেলীৰ পৰাই মাত দিলে, " কোন ?"

ঃ আমি আৰক্ষীৰ মানুহ। দৰ্জাখন খোলক, প্ৰত্যুত্তৰ আহিল।

মাতটোচোন ৰূপালীৰ চিনাকি চিনাকি লাগিছে। কাৰ মাত হ'ব পাৰে বাৰু এইটো। তাই মনত পেলাবলৈ চেষ্টা কৰিলে। কিন্তু বাহিৰৰ পৰা পুনঃ ক'লে- দৰ্জাখন খোলক, অন্যথা ....। আৰু কিবা কৈছিল যদিও ৰূপালীৰ কৰ্ণগোচৰ নহ'ল। তৎক্ষণাৎ তাই উঠি গৈ দৰ্জাখন খুলি দিয়াৰ লগে লগে তাই চিনাকি চিনাকি লগা মাতৰ আৰক্ষীৰ লোকজনে ক'লে, " আপুনি আমাৰ লগত যাব লাগে।" প্ৰচণ্ড ঠাণ্ডাত তাইৰ শৰীৰটো গৰম হৈ গৈছিল যদিও পৰিস্থিতিটো মোকাবিলা কৰি ধৈৰ্য্যৰে ক'লে — ক'লৈ।

ঃ মৃতদেহ চিনাক্তকৰণৰ বাবে।" কথাষাৰ শুনি আৰক্ষীৰ লোকজনৰ ফালে চোৱাত তাই চকুৰে সৰিয়হ ফুল দেখিব ধৰিলে। কাৰণ যিজন আৰক্ষীৰ লগত তাই কথা পাতিছে সেইজনচোন তাইৰ এসময়ৰ দুৰন্ত প্ৰেমিক ত্ৰিদিবেই হয়। হয় ত্ৰিদিবেই হয়.....। তৎক্ষণাত তাই ঢলি পৰিল।

❖❖❖❖❖❖❖❖❖

# পৰিত্যক্ত হৃদয়

* নয়নমনি বুঢ়াগোহাঁই
শিক্ষা বিভাগ



ৰাতিপুৱাৰ কোমল ৰ'দজাকৰ হেঙুলী ৰহনে নমিৰ ৰূমটোতো ভুমুকি মাৰিছেহি। নমি তেতিয়াও বিচনাত। সাৰ পাই আছে যদিও উঠা নাই। সিহঁতৰ পদুলিমূৰত হকাৰটোৱে বজোৱা বেলৰ মাত শুনি তাই সচকিত হৈ উঠিল। পেপাৰখন পঢ়াৰ মানসেৰেই তাই বিচনাৰ পৰা নামি শীঘ্ৰেই বাথৰূমৰ পিনে অগ্ৰসৰ হ'ল।

নমি অৰ্থাৎ নমিতা বৰুৱা। ঘৰ শিৱসাগৰৰ কোনোবা এখন অখ্যাত গাঁৱত। হায়াৰ ছেকেণ্ডৰী পাছ কৰি তাই ডিব্ৰুগড়লৈ গ'ল। তাত তাই হোষ্টেলত থাকে। সম্পূৰ্ণ এবছৰৰ পিছত তাই ঘৰলৈ আহিছে। ভনীয়েক আৰু ভায়েকৰ কি যে স্ফূৰ্তি। তাইক যেন কথা কৈ সিহঁতৰ অন্তই নহ'ব। কিন্তু নমিৰ অন্য ৰূপ দেখি মাক অলপ আচৰিত হৈছে। আগতে অনবৰতে লাগি থকা মুখৰ হাঁহিটোও যেন ক'ৰবাত হেৰাই গৈছে। তাই অহাৰে পৰা অন্যমনস্ক হৈ থকাৰ দৰে থাকে। অকলে থাকিবলৈ বিচাৰে।

ঃ শুনিছেনে, নমি যেন অলপ সলনি হৈছে। মাকে দেউতাকক উদ্দেশ্যি ক'লে।

ঃ কি হ'লনো ?

ঃ তাই আগৰ দৰে চঞ্চল নহয়। কথা-বতৰাও খুব কমকৈ কয়।

ঃ তাই এতিয়া ডাঙৰ হৈছে। তাইটো এতিয়া সৰু হৈ থকা নাই। তাতে এইটো বয়সত এনেও পৰিৱৰ্তন আহে।

ঠিকেই কৈছে কিজানি দেউতাকে। কিন্তু তাইৰ কোমল অন্তৰত যি বিষ হৈছে সেই বিষ সহ্য কৰাটো জানো তাইৰ পক্ষে সম্ভৱ? তাইৰ যে আশাৰ পাপৰিবোৰ কাহানিবাই মৰহি গ'ল আৰু সপোনবোৰ .......

হায়াৰ ছেকেণ্ডৰী পাছ কৰি তাই এখন সম্পূৰ্ণ অচিনাকি কলেজত ভৰি দিছে। লগ পাইছিল বহু চিনাকি-অচিনাকী মুখ। নমি ছোৱালীজনী সৰল মনৰ হোৱা হেতুকে বহুতৰে লগত বন্ধুত্ব গঢ়ি উঠিছে। কলেজতেই লগ পাইছে প্ৰণামীক। দুয়োজনী কম দিনৰ ভিতৰতে পৰস্পৰৰ সুখ-দুখৰ সমভাগী হৈ পৰিল। প্ৰণামীয়ে খুব কম কথা কয় যদিও নমিৰ লগত হিয়া উজাৰি কথা পাতে। তাইৰ এই ৰূপ দেখি নমিয়ে হাঁহি ধৰি ৰাখিব নোৱাৰে। প্ৰণামী এদিন ফোনত চিনাকি কৰি দিছিল তাইৰ জেঠায়েকৰ লৰা সঞ্জীৱক । সঞ্জীৱক তাই দেখা নাছিল যদিও তাৰ সহজ

সৰল কথা বতৰাই নমিৰ হৃদয়ৰ গোপন কোণত স্পৰ্শ কৰিছিল। হয়তো সকলোৰে জীৱনলৈ এইদৰে প্ৰেম আহে নিঃশব্দে। লাহে লাহে নমি আৰু সঞ্জীৱৰ মাজত ফোনৰ মাত্ৰা বাঢ়ি আহিবলৈ ধৰিলে। খুব কম দিনৰ ভিতৰতেই সঞ্জীৱে নমিৰ হৃদয়ত খোপনি পুতি ল'লে আৰু সঞ্জীৱৰ হৃদয়ত নমি ...........।

প্ৰেমৰ কথাটো আনক ক'ব নোৱাৰি, যিদৰে এখন সাগৰৰ ভাৱ বুজি শেষ কৰিব নোৱাৰি। নমিৰ হৃদয়ৰ ভাষা প্ৰণামীয়ে অতি সহজে আয়ত্ব কৰিছিল। এখিলা এখিলাকৈ পঢ়ি পেলাইছিল সঞ্জীৱৰ প্ৰতি থকা তাইৰ ভালপোৱাৰ পৃষ্ঠাবোৰ। প্ৰত্যেকজনী ছোৱালীয়ে আশা কৰে ল'ৰাজনে ভালপোৱাৰ প্ৰস্তাৱ দিয়াৰ কথা ক'লে। কিন্তু ল'ৰাজনৰ নিৰ্লিপ্ততা কেতিয়াবা ছোৱালীজনীৰ বাবে বেদনা দায়ক হৈ পৰে। নমিয়ে কেতিয়াবা নিজে অন্তৰৰ কথাবোৰ সঞ্জীৱক খুলি কব খোজে। কিন্তু ক'ব খুজিও তাই থমকি ৰই। কিজানি বা তাইক ভাল নাপাওঁ বুলি স্পষ্ট ভাৱে কৈ দিয়ে। তাই জানো তেনে দুখ সহ্য কৰিব পাৰিব ? নিশ্চয় নোৱাৰিব। কলেজলৈ গ'লেও ক্লাচত মন নবহা হ'ল। তাই প্ৰণামীক সঞ্জীৱৰ বিষয়ে সুধিবলৈ কুণ্ঠাবোধ কৰে। কিজানিবা ইয়াৰ ফলস্বৰূপে সিহঁত দুই বান্ধৱীৰ মাজলৈ বিচ্ছেদ নামি আহে। সি বাৰু তাইক কিয় ইমান দিনে বুজিবলৈ চেষ্টা নকৰিলে ? তাই হিয়াৰ ভাষা বুজি পাবলৈ ইমান দিন লাগেনে ? নে সি অন্য কাৰোবাক ভাল পায় ? নে তাই তাৰ সপোন কুঁৱৰীজনীৰ দৰে নহয়। এই কথাবোৰ ভাবিয়ে তাই সময়বোৰ পাৰ কৰিলে।

এদিন বুকুত সাহস বান্ধিয়েই তাক কৈ পেলাইছিল তাইৰ হৃদয়ৰ সমস্ত ভাষা। কিন্তু তাই পালে কি ..... কেৱল নিৰাশা। সেইদিনা সঞ্জীৱেই স্পষ্টকৈ দিছিল যে সি তাইক ভাল নাপায়। তাইৰ লগত তাৰ সম্বন্ধ মাথো বন্ধুত্ব। তাৰ হৃদয়ৰ গৰাকী হ'ল যোৰহাটৰ এটি অভিজাত পৰিয়ালৰ জীয়াৰী ৰীমা। সেইদিনা তাই হিয়া উজাৰি কান্দিছিল। তাইক সান্ত্বনা দিবলৈ প্ৰণামীয়েও ভাষা বিচাৰি পোৱা নাছিল।

দিনবোৰ যিমানে পাৰ হৈ গৈছিল ঠিক সিমানেই সঞ্জীৱ তাইৰ কাষৰ পৰা আঁতৰি গৈছিল ; কিন্তু মনৰ পৰা ..... হয়তু সি মনৰ পৰা কেতিয়াও আঁতৰি নাযাব। যিহেতু সঞ্জীৱ তাইৰ প্ৰথম প্ৰেম। প্ৰথম প্ৰেম জানো কোনোবাই পাহৰিব পাৰে। সঞ্জীৱ তাইৰ কাষৰ পৰা আঁতৰি গ'লেও তাৰ প্ৰতি তাইৰ যি ভালপোৱা আছিল সেই ভালপোৱা অলপো কমি যোৱা নাই। হয়তো এইয়াই সঁচা ভালপোৱা।

ঃ নমি ............ মাকৰ মাতত তাই উচপ খাই উঠি

ঃ অ' গৈছো মা।

ঃ তোৰ বাবে বৰ ভাল খবৰ এটা আছে।

ঃ কি খবৰনো মা ?

ঃ তোমাক দেখোন বৰ স্ফূৰ্তিত থকা যেন লাগিছে।

ঃ তোৰ বাবে বৰ ভাল মানুহ এঘৰৰ পৰা বিয়াৰ প্ৰস্তাৱ আহিছে - মাকে কথাষাৰ কৈ হাঁহি মাৰি তাইৰ কাষৰ পৰা আঁতৰি গ'ল।

নমি শিল পৰা কপৌ জনীৰ দৰে থৰ হৈ ৰ'ল। দুগালে দুধাৰি চকুলো বৈ আহিল। তাই কি কৰিব এতিয়া। তাই যেন উপায়হীন। সঞ্জীৱক তাই পাহৰিব পৰাই নাই আৰু তাইতো ওৰে জীৱন বিয়া নোসোমাই বুলি প্ৰতিজ্ঞাবদ্ধ।

ৰাতিপুৱাৰে পৰা তাই মাকৰ পিছে পিছে ঘূৰিও মনৰ কথাটো খুলি ক'ব পৰা নাই। তাই এনেদৰে ঘূৰি ফুৰা দেখি মাকেই সুধিলে

ঃ কি হ'ল নমি ? কিবা ক'বি হ'বলা।

ঃ মা, মই বিয়া হ'ব নোখোজো।

ঃ কিন্তু কিয় ? এনে এঘৰ মানুহৰ ল'ৰা পোৱাটো তোৰ ভাগ্য বুজিছ। প্ৰত্যেক মাক-দেউতাকেটো বিচাৰে যে তেওঁলোকৰ লৰা-ছোৱালী সুখত থাকক আৰু ল'ৰা ছোৱালীৰ সুখেইটো তেওঁলোকৰ সুখ।

ঃ নহয় মা, ধনেই সৰ্বস্ব নহয়। মনে প্ৰাণে যাক ভালপোৱা হয় তেওঁৰ অবিহনে জীয়াই থকাটো কঠিন। তাইৰ উচুপি উঠিল।

মাকে একো বুজিব নোৱাৰি বোবাৰ দৰে তাইৰ মুখলৈ ভেবা লাগি চাইৰ'ল। তাই এইবাৰ চকু পানী মোহাৰি গাম্ভীৰ্যভাৱে কৈ গ'ল তাইৰ হেৰাই যোৱা সপোনবোৰ, আশাবোৰ .......। মাকে তাইক বহুত বুজাইছিল। কিন্তু কোমল হৃদয়ৰ নমিৰ বাবে এই বুজনি অৰ্থহীন। তাই বুজে দুখন হৃদয়ৰ সহাৰি অবিহনে প্ৰেম মূল্যহীন। নাজানে, কিয় তাই এইষাৰ কথা জানিও সঞ্জীৱলৈ আশা কৰে। সঞ্জীৱৰ মুখৰ পৰা শুনিব বিচাৰে সেই মধুৰ কথাষাৰ। হয়তু নমিৰ এই আশা সুদূৰ অসীমৰ ....। ❖❖

# এপাহ তল সৰা শেৱালি


✻ ৰিজু বৰগোহাঁই
স্নাতক প্ৰথম বৰ্ষ


কুলু কুলু কৈ বৈ যোৱা নৈখন এটা নিৰ্দিষ্ট দূৰত্বলৈ যায়, তাই চিনাকি নৈখন, য'ত ওমলি পাৰ কৰিছে কেইবাটাও বসন্ত। যিয়ে নিৰ্দিষ্ট দূৰত্বলৈ গৈ পূৰ্ণতা পাইছে। তাইও বিচাৰিছিল নৈখনৰ দৰে এনে নিৰ্দিষ্ট দূৰত্বৰে পূৰ্ণতা পাবলৈ। কিন্তু নিৰ্দিষ্ট দূৰত্ব নাপাঁওতেই নিয়তিৰ নিষ্ঠুৰ পৰশত তাই অন্তৰখন ক্ষত বিক্ষত কৰি তুলিলে। আগবাঢ়িব খুজিও থমকি ৰ'ল দুৱৰি। আস ....... কি যে বিষময় বাট । ওহোঁ নোৱাৰিলে। কি দোষ কি যন্ত্ৰণা । আকৌ হাৰি গ'ল, পুনৰবাৰ হাৰি গ'ল নভবাকৈ। কিয় এনে হয় ? কিয় .... ? আকাশলৈ চাবলৈও ভয় লগা হ'ল, জানোচা জগৰ লাগি গুজৰি গুমৰি উঠে তাইৰ ওপৰত। বৰষাই যেন কলহৰ মুখেৰে ঢল ঢলকৈ ঢালি দিব তাইৰ প্ৰিয় বৰষুণ। উস ..... ইমান তীব্ৰ আঘাত নালাগে। বহুত আঘাত সহ্য কৰিছে, আকৌ প্ৰকৃতিৰ নিষ্ঠুৰ আঘাত পাব নোখোজে। ও .... তাইৰ এটা ছাতিৰ প্ৰয়োজন খুবেই। মা-দেউতাৰ চেনেহৰ ছাতিটো ....।

আন্ধাৰো কেতিয়াবা দুখৰ
সমভাগি হ'ব ধৰে
বিপদত যেতিয়া
ছাটোঁৱেও প্ৰতাৰণা কৰে।।

আচলতে তাই কি দেখিছে বুজিবই পৰা নাই। মাথোঁ দেখিছে একুৰা প্ৰকাণ্ড জুই। তাৰ পৰা ওলাই যোৱা ক'লা ছাইবোৰ ....। এনে এখন প্ৰতিচ্ছবি ধুৱলি কুঁৱলিকৈ তাইৰ আগত ধৰা দিছে। প্ৰতিধ্বনি হৈ একেষাৰ কথা বাৰে বাৰে কাণত বাজি আছে। কেৱল শুনিছে .... আস ঃ কি যন্ত্ৰণা, কেৱল যন্ত্ৰণা। যেন এটা নিৰ্দিষ্ট দূৰত্ব অতিক্ৰম কৰিলে অনাবিল সুখ হ'ব। বিমল সুখ! আস .....। এইয়া চকুৰ কোণত এটুপি দুটুপি বৰষুণ। দেউতা থকা হ'লে ক'লেহেঁতেন হাতেৰে চকুলো টুকি মুঠি মাৰি থাকা। অবাবত তোমাৰ মুকুটা মণি খৰচ নকৰিবা। আৰু মায়ে



ক'লেহেঁতেন " আইজনী, অমূল্য সম্পদখিনি সাচি থোৱা পাছলৈ দৰকাৰ হ'ব।"কিন্তু কিয় মা ? তুমি এতিয়া মোৰ কাষত থকা হ'লে মই ক'ব পাৰিলোহেঁতেন এইটো চকুলো টুকাৰ সময়। আৰু দেউতাক ক'লো-হেঁতেন, দেউতা চোৱা, হাতৰ মুঠিত তুমি কোৱা মণি মুকুতা। কিন্তু তাই এইবোৰ মুখ ফুটাই ক'ব নোৱাৰে, কাৰণ এইবোৰ অভিমান কৰিবলৈ আৰু সেইবোৰ ভাঙি নিচুকাবলৈ কোনো নাই তাৰ কাষত। সৌৱা খুড়া, আগফালৰ চকীত বাতৰিয়ে মূৰ ঢাকি বহি আছে। হয়তো সেই কাকতৰ প্ৰায়বোৰ পৃষ্ঠাই বিষাদৰ বৰষুণত তিতিলে আৰু সেই পাকঘৰৰ ভিতৰৰ পৰা অহা উচুপনি কিমান হেঁচি ৰখাৰ পাছত ওলাই পৰিছে সেই উচুপনি। কিয় বাৰু নিয়তি ইমান নিষ্ঠুৰ। কিয় তাইক জীৱনত দোষ দিলে। যাওকগৈ চকুৰ কোণেৰে এটুপি দুটুপি কৈ মোৰ বিষাদৰ বৰষুণে ধুই লৈ যাওক অন্তৰৰ ঘাঁ। নিৰ্দিষ্ট দূৰত্বত .....।

*"ভৱিৰ তলোৱাৰ পৰা যদি ধৰাখন*
*পৰা যেন লাগে,*
*তিল তিলকৈ যদি নিজৰে ঘৰখনৰ*
*কাৰোবাৰ দোষতে ভাগে*
*পুনৰ গঢ়িবা সেই বান্ধৰ ; পুনৰ*
*গঢ়িবা তুমি।"*

ক'ত জানো শুনিছিল নতুনকৈ ভঙা ঘৰ পুনৰ সাজিবলৈ। নাই তাই নোৱাৰে। তাই সকলো ফালৰ পৰা হাৰি গ'ল। অৱশেষত জীৱনেও তাইক প্ৰতাৰণা কৰিলে। সকলোবোৰটো থিকেই আছিল, যদিও মাক-দেউতাক তাইৰ কাষত নাছিল। খুড়াক-খুড়ীয়েকৰ মাজতেই নিৰাপত্তা পাইছিল। অন্ততঃ ধাৰাসাৰ বৃষ্টিৰ পৰা ৰক্ষা কৰিবলৈ ; জুঁইৰ দৰে গা পোৰা ৰ'দ জাকৰ পৰা দেহ শাত পেলাবলৈ সেই নিৰাপত্তা ছাতিটোৱে যথেষ্ট আছিল। আস ..........কিমান মৰমৰে আঁকোৱালি ৰাখে খুড়ীয়েকে। মৰমতে 'মৌ' বুলি মাতে। সেইয়ে কোনেও মাক-দেউতাকৰ কথা সুবিধাই নাপাইছিল। তেওঁলোকক নৰম মানতে মটৰ দুৰ্ঘটনাত হেৰুৱাই তাই অন্তৰখন কিমান হাহাকাৰ কৰিছিল। সেই কথা খুড়াক-খুড়ীয়েকৰ বাহিৰে বুজিবলৈ এই পৃথিৱীত কোনোৱে নাই। হেৰাই গৈছিল তাইৰ মাক-দেউতাক নামৰ ছাতিটো। গুটি গ'ল বহু দূৰলৈ। উভতি নহাৰ প্ৰতিশ্ৰুতি দি। সৰুৰে পৰা চঞ্চল মৌজনী ভাবুক হৈ পৰিল। তাইৰ দুচুকত বিষাদৰ ছাঁ। ছাঁ লাগি ৰ'ল চিৰদিনৰ বাবে। অৱশ্যে তাইৰ দুৰ্ঘটনাবোৰ পাহৰি পেলাবলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। এতিয়াটো তাইৰ খুড়াক-খুড়ীয়েক ভণ্টি জানক লৈয়ে তাইৰ ঘৰখন। খুড়াকৰ মৰমৰ আৱেষ্টনীত থাকিয়ে ভবাতকৈ বহু ভাল ৰিজাল্ট হ'ল তাইৰ। সকলোৱে তাইৰ এনে ফলাফলত আনন্দিত হ'ল। সকলোৱে আশীৰ্বাদেৰে ওপচাই তুলিলে। তাই সেইদিনা মাক-দেউতাকৰ অভাৱ অনুভৱ কৰিলে। কাৰণ এনে ফলাফল দেউতাকে তাইৰ পৰা আশা কৰিছিল। সৰুৰে পৰা কেৰিয়াৰ সম্পৰ্কত সচেতন হৈ আগবাঢ়িবলৈ কৈছিল। ক'ত সেই আশা দেখুৱা মোৰ দেউতা, ক'ত ? তাই চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল ? কিয় তুমি আশা দেখুৱাই আঁতৰি গ'লা ? কিয় ? চোৱাচোন কিমান আগ্ৰহে তোমাৰ হাতৰ পৰশ মূৰত লবলৈ বৈ আছো ? ওহো তাই একোকে নক'লে, নকয় কেতিয়ায়ো। মাথো এডাল ধূপ জ্বলাই তেওঁৰ ফটোৰ সন্মুখত সেৱা জনালে। অজানিতে দুটোপাল মুকুতা সৰি পৰিল তাই দুহাতত মুঠি মাৰি থলে। আৰু মা তুমি কোৱাৰ দৰে অবাবত মোৰ চকুলো খৰচ নকৰো, বুলি তাই মাথো উচুপিলে। তাই নাকান্দে, কান্দিলে খুড়ীয়েকে দুখ পাব; তাই অন্ততঃ খুড়ীয়েকৰ বাবেই নাকান্দে কিমান যে মৰম-চেনেহেৰে তুলিছে তাইক। কান্দি দুখ দিব নোখোজে। তেওঁলোকৰ বুকুৰ ওমতেই থাকি ভৱিষ্যতৰ অজস্ৰ সপোন পূৰৰ দেখিব লৈ ধৰিছে। তাই খুড়াকৰ সপোনৰ মাজতেই একাত্ম হ'ব বিচাৰে। তাই এতিয়া ভৱিষ্যতৰ পৰিকল্পনা খুড়াকৰ মাজেৰে কৰিব খোজে। সেয়ে খুৰাকে যেতিয়া সুধিছিল

ঃ মৌ তই ক'ত পঢ়িবলৈ ইচ্ছা কৰিছ, মই তাতেই পঢ়াম।

নাই তাই মন থাকিলেও খুড়াক-খুড়ীয়েকক এৰি দূৰলৈ যাব নুখুজে ইয়াতে পঢ়িব। ......

সেয়ে ঘৰৰ পৰাৰ এক কিমি দূৰত্বৰ জুনিয়ৰ কলেজত পঢ়িবলৈকে ঠিক কৰিলে। আৰম্ভ হ'ল তাইৰ জীৱনৰ দেবদাৰুৰ দৰে ওখ সপোন বোৰৰ, যিবোৰ খুৰাকে চাবলৈ শিকাইছিল।

---

এটা নতুন পৰিবেশ, নতুন মুখবোৰ, বন্ধু-বান্ধৱীৰ লগত কিদৰে এডজাষ্ট কৰিব লাগিব তাকে ভাবিয়ে ছাগে ৰাতি পুৱাৰে পৰা মনটো খেলি-মেলি লাগি আছিল। এনে দুৰ্ভাৱনাতে কিজানি বুকুখন কঁপি আছিল সকলো সময়তে। এনেকুৱাই তাই; ইনট্ৰভাৰ্ট টাইপৰ। নতুন পৰিৱেশৰ লগত এডজাষ্ট হ'ব নোৱাৰে। কাকো একোকে মুখ খুলি ক'ব নোৱাৰে। সেয়ে তাইৰ বন্ধু-বান্ধৱী কম। কম

মানে নায়েই । যি এজনী বান্ধৱী সুকন্যা আছিল তায়ো কেইদিনমানৰ পাছতহে কলেজলৈ আহিব। তাই বৰ অসহজবোধ কৰিলে। লগৰ দুজনীমানে কথা পাতি গৈ আছে। তাই সিহঁতৰ লগতো সহজ হ'ব পৰা নাই। তাই বাৰু ভয় লাগিছে নেকি ? ৰেগিংৰ ভয়। নাই তাই ইমান ভয় কৰিব লগা নাই, এইখন কলেজত ৰেগিং নাই বুলিয়েই শুনিছো। তেন্তে কিয় ইমান ভয় খাব .....। আস্ দিলে নহয় খুন্দা মাৰি । ওহ কি দৰকাৰ আছিল ৰাস্তাত এইবোৰ ভাবি আহিবলৈ। ছেহ ল'ৰাটোৱে বাইকৰ ব্ৰেক নমৰা হ'লে সিপুৰী পালেগৈহেঁতেন। এনেয়ে খুড়ীয়েকে অহাৰ পৰত কোৱা নাছিল।

ভাবুক হৈ অন্যমনস্কতাৰে চাইকেল চলাই নাযাবি। ৰাস্তাৰ গাড়ী মটৰবোৰলৈ মন দিবি। আস্ সেইবোৰ তাই আগতেই মনত পেলাই আহিব লাগিছিল। কিযে ভাবি থাকে নহয়। লৰাটোৱে পৰাৰ পৰা উঠাই দি তাইলৈ চাই মিচিকিয়া হাঁহিলে। বৰ কোমল মিচিকিয়া হাঁহি। লাজতে তাই তাৰফালে চাবই নোৱাৰিলে। বৰ অসহজবোধ কৰিলে।

ঃ দুখ পালা নেকি ?

ঃ নাই, নাই পোৱা। ....মিছাকৈয়ে ক'লে, দুখটো পাবই যিহে জোৰেৰে পৰিলে ভাল খালত নোসোমালে। ছেহ কলেজৰ প্ৰথম দিনটোতে .......

ঃ তুমি কিবা কৈছা ? জানা, তুমি কিবা ভাবি চাইকেল চলাইছিলা ছাগে ইমান হৰ্ণ মাৰিলো নুশুনিলাই। ভাল ব্ৰেক মাৰিব পাৰিলো সময়ত। বৰ স্পীডটত আহিছিলো আকৌ মই।

..... মানে মই ভাবি ভাবি আহি থকা বুলি গম পাই গ'ল। কি যে মই ! কিয় ইমান অন্যমনস্ক হৈ থাকো অনবৰতে, আৰু আজি...

ঃ চাইকেল চলাই যাব পাৰিবাতো ? ৰাস্তাটো বৰ বেয়া, ভালদৰে চলাবা। ধেৎ তেৰি, থৎ মৎ খালো। কিযে ভাবো আৰু .....

ঃ ওঁ, বুলি কথাষাৰহে তাইৰ মুখৰ পৰা ওলাইছিল। লাজতে যে তাৰ মুখলৈ চাবই পৰা নাছিল। প্ৰথম চিনাকিতে কি যে আপোনতাৰে কথাবোৰ কৈছিল। ঠিকেই ৰাস্তাতো বৰ খলা-বমা। খুড়াকৰ গাড়ীত আহোতে গমেই পোৱা নাছিল। এতিয়া চাইকেল চলাওঁতে এই পৰিম এই পৰিম কৈ যাব লগা হৈছে। উস হাত ভৰিৰ ক'ৰবাত মাখি ছাল ছিগিল যেন পাওঁ এতিয়াহে দুখ পোৱা যেন অনুভৱ হৈছে। কিহে পাইছিল তাই ইমান অন্যমনস্ক হ'বলৈ? এই চাইকেল চলাওতে। নাই তাই এনেকুৱাবোৰ এৰিব লাগিব। সুকন্যাৰ লগত এবাৰ চিনেমা চাবলৈ যাওঁতেই তাই যে ডাঙৰ হৰ্ডিং এখনত খুন্দিয়াইছিল। ইস্ সুকন্যাই তাইক চাৰিওফালে মন কৰি খোজ কাঢ়িবলৈ দঢ়াই দঢ়াই কৈছিল। তাই অলপ লাজ আৰু খঙৰ ভমকত সুকন্যাক গালি পাৰিছিল কিন্তু সুকন্যাই ঠিকেইটো কৈছিল। অন্ততঃ বন্ধুত্বৰ খাতিৰত তাইক ভুলটো দেখুৱাই দিছিল। সেইকাৰণে সুকন্যাক ভাল লাগে তাইৰ। তাইৰ কথাবোৰ কেৱল সুকন্যাইহে বুজি পায়। সৰুৰে পৰা দুয়োজনী একেলগে থকা। আজিও থকাহেঁতেন ..... ক'লেহেঁতেন "তই যে কি নহয় মৌ, খুন্দাও দিলি, সহানুভূতিও লগতে আদায় কৰিলি।" এনেকৈ এষাৰ কৈ অৰ্থপূৰ্ণ চাৱনি মাৰি ল'ৰাটোলৈ তাইক জোকালে হেঁতেন। এনেকুৱাই সুকন্যা, সকলো সময়তে মোক আনন্দত ৰাখিব বিচাৰে। তাই নিজেও আনন্দত থাকে। ইস্ ৰাম আকৌ ভাবুক হৈ গ'ল, কলেজ পাবলৈ বেচি পৰ নাই। তাই মনে মনে কামনা কৰিলে দিনটো যেন ভালে কুশলে যায় আৰু খুন্দা মৰা ল'ৰাটোৰ যেন মুখামুখি নহয়। সিটো কলেজৰ ল'ৰা যেন লাগিল ইউনিফৰ্ম যোৰ পিন্ধি আছিল। মনলৈ দুৰু দুৰু ভয় সোমাল জানোচা সি লগৰ বোৰক তাইক খুন্দিওৱাৰ বাতৰি দিছে।

oooo

কিন্তু তাই ভবাৰ দৰে একো নঘটিল। কলেজত তাই মুকলি মূৰীয়াকৈ সহজে সকলোৰে আপোন হ'ল আৰু অভিনৰ মানে খুন্দিওৱা ল'ৰাটো যে তাইৰ বন্ধু হৈ পৰিল। বন্ধুৱেই নে ? নে তাত আন কিবাও আছিল ক'ব নোৱাৰে তাই, মাথো তাৰ অস্তিত্ব কল্পনা কৰিলেই এটা অনামী লাজে আগুৰি ধৰে। বহুতো বন্ধু-বান্ধৱীৰ মাজত তাইক সুকন্যাৰ উপস্থিতিয়েহে বেছি আনন্দ দিয়ে। সুকন্যাইটো তাইৰ মনৰ কথা বুজি পায়।

oooo

সঁচাকৈয়ে বুজি পাইছিল নে সুকন্যাই। ওহো কোনেও বুজি নোপোৱাৰ দৰে সুকন্যাও নাপালে। কেৱল বুজাৰ অভিনয় কৰিলে। কাৰণ বুজাহেঁতেন সুকন্যাই ইমান দুখ নিদিলেহেঁতেন। সুকন্যাৰ পৰা ইমান গভীৰ আঘাত কল্পনাই কৰা নাছিল। সকলোবোৰ ভালপোৱা তাইৰ পৰা আঁতৰি গ'ল। সঁচাকৈয়ে সকলোবোৰ নাইকিয়া হ'ল তাইৰ পৰা। পাই হেৰুৱা যন্ত্ৰণা কিমান বেদনাদায়ক, তাই সৰুৰ পৰাই তেনে অভিজ্ঞতা

পাইছে। সেয়ে তাই ইমান আঘাত পোৱা স্বত্বেও মৰি যাব নোৱাৰে। তাই জীয়াই থাকিব। খুড়াক-খুড়ীয়েকৰ মৰমৰ মাজত। তাই হেৰুৱাব লাগে সকলোকে কিয় বাৰু ? ভালপোৱা সকলোবোৰ পোৱাহেঁতেন দুখ, জৰা, ব্যাধি নথকাহেঁতেন গৌতমে এদিন হয়তু বুদ্ধ নহ'লহেঁতেন। তাই এইবোৰ ভাবিয়ে আঁতৰি আহিব। কাৰণ পূৰ্ণিমাৰ বহল জোনটো, জোনাকত তিতা সপোনটো, নীলা আকাশখন, তিৰ বিৰাই থকা তৰাবোৰ কোনে ভাল নাপায়। কিন্তু সকলো জানো নিজৰ কৰি পাব পাৰি। নিৰ্দিষ্ট দূৰত্বতে সীমাবদ্ধ হৈ থাকিব এনে দুৰ্বলতাবোৰ। কেতিয়াও ভালপাওঁ বুলি আকোঁৱালি লব নোৱাৰি আৰু তাই কোনো দিনেই এনেকুৱা ভালপোৱাক প্ৰকাশ নকৰে। কোনো দিনে নকৰে।

*"মিলনৰ মধুৰতাতকৈ*
*বিদায়ৰ ক্ষণ*
*বেছি মধুৰতম।"*

আস্ কি যে যন্ত্ৰণা বিদায়ৰ ক্ষণত। এৰি দিলে তাই সকলোবোৰ নিয়তিৰ ওচৰত। তাই এৰি দিলে মনৰ পৰা অভিনৱক। যিয়ে অন্তৰৰ গভীৰ কোঠাত সোমাই পৰিছিল। যাক প্ৰথম চিনাকিতেই আপোন আপোন লাগিছিল। যিয়ে তাইৰ প্ৰত্যেকটো খবৰ ৰাখিছিল বুলি ভাবিছিল । তাই কিয় ইমান ভাল পাই পেলাইছিল ইমান নিঃস্বাৰ্থ ভাৱে ? কল্পনাৰ কাৰেঙত তাৰ প্ৰথম প্ৰৱেশে মনটো যিদৰে উতলা কৰিছিল আজি বিষাদে ভৰি পৰিল। তাৰ উপস্থিতিত সকলো সময়তে তাৰ কাষতে কামনা কৰা মৌজনীয়ে তাৰ কথা ভাবিয়েই ভাবুক স্বভাৱ এৰিছিল। ওহো এইবোৰ সকলো মিছা আছিল; তাই ইমান আগবাঢ়িবই নালাগিছিল। অ' দলিয়াই দিব তাৰ সকলো স্মৃতি। কিয় ভাল পালে জোন, তৰা ভালপোৱাৰ দৰে একপক্ষীয়ভাৱে। হঠাতে যাবৰ বাবেহে আহে তাইৰ কাষলৈ সকলো। আহে আৰু গুচি যায় কোনো আগজাননী নিদিয়াকৈ আস্ .... কিমান যে কষ্টকৰ সেই বন্ধুত্ব এনাজৰীডাল চিঙি পেলোৱা। বহু যন্ত্ৰণা থাকে তাত। তথাপিও পাৰিব লাগিব ছিঙিবলৈ।

00000000

ৰাতি পুৱাৰ শাৰদীয় শেৱালী সুবাসত তাই কেৱল বিষাদৰ কল্পনাহে কৰিব পাৰে, কেৱল বিষাদ। সৌ সিদিনাৰ দৰে কথাবোৰে মনৰ মাজত আহি ভৱাই তুলিছেহি। সুকন্যা আৰু তাই বিয় একেবোৰকে ভালপোৱা হয়। সৰুতে একে ড্ৰেচ, একে জোতা, একেটা বস্তুৰে লৈছিল। সকলোতে ধৰিছিল দুয়োজনীয়ে। হঠাতে আহে খবৰবোৰ একো আগজাননী নিদিয়াকৈ। ঠিক যেনেদৰে এজাক আৱৰ্তৰীয়া বৰষুণ পৃথিৱীলৈ আহি পৰে। সেইদিনাও এজাক আৱৰ্তৰীয়া বৰষুণকে চাই কেন্টিনৰ খিৰিকীয়ে মুখেৰে মৌচুমীয়ে কেৱল চাইছিল তাইৰ আকাশখন। তাই গমনোপোৱাকৈ তাইৰ আগত বহিলহি অভিনৱ।

ঃ এই কি চাই আছা । থত মত খালে মৌচুমীয়ে।

ঃ অহ, একো নাই। এনেয়ে ওপৰলৈ ......

..........কিয় জানো ইমান লাজ লাগে তাৰ ফালে চাবলৈ, এয়াই প্ৰেম নেকি। তাৰ দুচকুলৈ চাবলৈ গৈয়ে চকুযোৰ টেবুলতে লাগি ৰ'ল। কৈ দিব নেকি আজি, নাই নকয়। কিয় ক'ব? সিটো পুৰুষ। সিহে প্ৰথম ক'ব লাগে। ক'ব নেকি আজি। ......

ঃ জানা মৌচুমী, মই বহু কথাই কাৰোবাক ক'ম বুলি ভাবি আছো, কিন্তু সদায়ে ক'ম বুলি ভাবিও ক'ব নোৱাৰো। কিন্তু .....

...........আস্ ৰৈ গ'লা কিয়? কোৱা কি কথা আছে কৈ দিয়া অতদিনৰ মোৰ অপেক্ষাৰ কথাকেইটা। যিবোৰ শুনিবলৈ সম্পূৰ্ণ এবছৰ অপেক্ষা কৰিছো। জানানে মই তোমাক বন্ধু বুলি কোনো দিন ভাবিব পৰা নাই সদায় সেই নিৰ্দিষ্ট কল্পনাৰ মানুহজন বুলি ভাবি আহিছো। কিয় দেৰি কৰিছা কৈ দিয়া ......

ঃ জানা মৌচুমী মই বহুদিনৰ পৰা ভাবি আছো কিন্তু কেনেকৈ কওঁ ভাবি পোৱা নাই। ভালপোৱা কাক কয় তুমি জাননে বাৰু ?

...... কিয় নাজানিম, হঠাতে তুমি সুধি দিলা। জানানে, ভালপোৱা মই তোমাৰ পৰাই শিকিছো। .....

ঃ মই এজনী ছোৱালীৰ প্ৰেমত পৰিছো।

.............কিয় নপৰিবা। তায়োতো তোমাৰ প্ৰেমত পৰিছে, প্ৰথম বাটত খুন্দা খোৱাৰে পৰা। .............

ঃ জানানে সুকন্যাই একোকে বুজি নাপায় মোৰ মনৰ কথা। তাইক দেখিলে মোৰ প্ৰতি অকনো দুৰ্বলতা নথকা যেন লাগে। কিন্তু মোৰ বিশ্বাস তাই মোকেই ভালপায়। মই তাইক সুধিম আজি, সুধিমেই। মৌচুমী, সহায় কৰিবানে। প্লিজ। এবাৰ সুধি চাবাচোন মোৰ বাবে, তাইৰ হৃদয়ত প্ৰেম আছেনে।

.........আস্ আকৌ যন্ত্ৰণা। আগতেই জানিব লাগিছিল। বেছিকৈ

ভালপালে ভালপোৱাবোৰে কেৱল তাইক দুখ দিয়ে। এয়া সি কৈ দিয়ে তাৰ মনৰ কথাটো। নাই তাই আঁতৰি যাব বহুদূৰলৈ, এই দুখবোৰে চুব নোৱাৰা দূৰত্বলৈ। তাই কেৱল হেৰুৱাবলৈকে ভালপায় সকলোকে। আইতাকক হেৰুৱালে প্ৰথমে, যি আইতাই আকাশলৈ চাবলৈ কৈছিল, মনটো বিশাল আৰু উদাৰতা হবৰ বাবে আৰু সেই মৰমীয়াল আইতা হেৰাই গ'ল সৰুতে। দ্বিতীয়তে, মাক-দেউতাকক হেৰুৱালে যিয়ে জীৱনটো চাবলৈ শিকালে আৰু এতিয়া ভালপোৱা চিনি পাবলৈ শিকোৱা সিয়ো হেৰাই গ'ল তাইৰ পৰা। নাই তাই আঁতৰি যাব সকলোৰে পৰা অন্ততঃ সুকন্যাৰ বাবে। সুকন্যাই তাইৰ বাবে অভিনৱক আকোঁৱালি ল'বও পাৰে। সেয়ে সিহঁতক মুক্ত কৰি দিব। মৰমৰ বান্ধৱী সুকন্যাও আঁতৰি থাকক। কাৰণ তাই ইমান স্বাৰ্থপৰ হ'ব নোৱাৰে। ওচৰত থাকিলে স্বাৰ্থপৰ হৈ যাবও পাৰে। আইতাই ঠিকেই কৈছিল আকাশখন চালে মনটো উদাৰ আৰু বিশাল হয় সেয়ে ইমান মুক্তমনে আঁতৰি আহিবলৈ তাই চেষ্টা কৰিছে।

মৌচুমী আঁতৰি আহিছিল সকলোবোৰ এৰি থৈ। নাই তাই সেইবোৰ নাভাৱে কিন্তু অতীতক এৰি জানো কোনোবাই বৰ্তমানত থাকিব পাৰে। সেয়ে তাই স্মৃতিৰ এলবামবোৰ কেতিয়াবা লুটিয়াই চায়। খুড়াক-খুড়ীয়েকৰ সপোনৰ মাজেদিয়ে আহি এম এ কৰিছেহি গুৱাহাটীত। তাই সপোন বহু দূৰলৈ আগবাঢ়ি যোৱা। খুড়াকে দেখুওৱা দেবদাৰু গছতকৈ ওখ বিশাল আকাশখন চুব খোজে। তাই সমাজখনৰ চিন্তাহে বেছিকৈ কৰে। কৃষ্ণচুড়াৰ ৰঙা পাহিবোৰ দৰে তাই ৰঙীণ হৈ যাব নোখোজে; বৰ্ণহীনভাৱে সমাজৰ কল্যাণৰ হকে কাম কৰিব বিচাৰে। অভিনৱক পাহৰি যাব খুজিও মনৰ পৰা এৰাব পৰা নাছিল যদিও এতিয়া সেইবোৰৰ পৰাও সম্পূৰ্ণ মুক্ত। আচলতে তাই সকলো নতুনকৈ ভাবিবলৈ লৈছিল । জীৱনটো নতুনকৈ চাবলৈ বিচাৰিব তাই।

তুমি যদি কোৱা

*"জোনবাইৰ দেশলৈ যাওঁ"*
*লৈ যাম তোমাক তালৈ;*
*কোনেও নেদেখাকৈ*
*কোনে গম নোপোৱাকৈ*
*তৰাৰ দেশত ওমলিবাগৈ।*

সৰুতে দেউতাকে তাইক আকাশৰ তলত জোনাক ৰাতি কবিতা শুনাইছিল। ঠিকেই কৈছিল তাইক লৈ যাব দেউতাক মাক, আইতাকে আৰু মৰমৰ সুকন্যাই। সুকন্যাওটো আঁতৰি গ'ল তাইৰ পৰা বহুদূৰলৈ, তৰাৰ দেশলৈ। তাই বাৰু অভিমান কৰিয়েই গুচি গ'ল নেকি মৌৰ ওপৰত ? যাবও পাৰে; তাইক যে এৰি আহিছিল অভিনৱৰ লগত সেইবাবে ছাগৈ। নে তাই নিজৰ ভুল বুজি পালে ?

সিদিনাও হঠাতে তাইলৈ খুড়াকে ফোন কৰি বাতৰি দিলে, দুঘটনাৰ বাতৰি

ঃ মৌ, সুকন্যা নাই আৰু আমাৰ মাজত, তাই বাছ এক্সিডেণ্টত ..... উহঃ কিমান অসহ্যকৰ, কিমান দুখ দিবা মোক ? সকলোকে মোৰ পৰা কাঢ়ি নি এতিয়া মোকো তোমাৰ দেশলৈ মাতিছা। যাম, যাবতো লাগিবই তোমাৰ আদৰণিক উপেক্ষা কৰিব পাৰিম জানো। মাথো ভালদৰে পৃথিৱীৰ সৌন্দৰ্যবোৰক হেপাঁহ পলাই চাই ল'বলৈ দিয়া। অন্ততঃ ক'ব পাৰিম তোমাৰ দেশলৈ গৈ, পৃথিৱীত কিমান মোহনীয় ৰূপ আছে। এইবোৰ ভাবিয়েই তাই শেৱালীৰ তললৈ গ'ল এপাহ আগতীয়া শেৱালী পৰি আছে। সেয়া যেন শেৱালী নহয় সেয়া তাইহে। এপাহ তলসৰা শেৱালী। কাৰোবাৰ নিষ্ঠুৰ খোজত মৰহি যাব চিৰদিনলৈ।

০০০০

কাইলৈ তাই সোনকালে উঠিব লাগিব। খুড়াক-খুড়ীয়েকৰ লগত মেডিকেললৈ যাব লাগিব। পৰিহলৈ অপাৰেচন; গতিকে মনটো দৃঢ় কৰিছে তাই এতিয়াৰে পৰা। সকলোৰেইতো এদিন যাব লাগিব এই পৃথিৱী এৰি। সকলোবোৰ মায়া মোহ বান্ধোন এৰি। হয়তো কোনোবা দুদিন আগতে আৰু কোনোবা দুদিন পাছত তৰাৰ দেশলৈ যাব লাগিব। কিন্তু তাৰ বাবে তাইৰ কোনো ধৰণৰ দুখ, খেদ নাই, দুখ লাগিছে মাথোন খুড়াকৰ সপোনবোৰ, সমাজৰ কামবোৰ কেৱল তাইৰ মাজতেই পৰিকল্পনা হৈ ৰ'ল। তাই নোৱাৰিলে জীৱনটো সাৰ্থক কৰিবলৈ। ওহো নোৱাৰিলে। সকলো আধৰুৱা হ'ল।

এইবোৰ ভাবিয়েই তাই বিচনাত পৰিল। সিটো কোঠাৰ পৰা ৰাতিৰ নৈ শব্দত চেপা উচুপনিবোৰ ক্ৰমান্বয়ে ভাহি আহি নিৰ্জনতা বোৰ চঞ্চল কৰি তুলিলে। নিউ, নিউ কৈ বাৰীচুকৰ ফেঁচাটোৱে চিঞৰেও ৰাতিৰ আন্ধাৰক জগাই তুলিলে। অন্ধকাৰ নৈশব্দত মাথো ফেঁচাৰ নিউ নিউ শব্দ, তাৰ মাজতেই তাই শুনা পালে মৃত্যুৰ পদধ্বনি।

❖❖❖❖❖❖❖❖

# মৃত্যুৰ সিপাৰে...

মুনমী বৰঠাকুৰ
স্নাতক প্ৰথম বৰ্ষ
শিক্ষা বিভাগ

বাৰাণ্ডাৰ চকীখনেত বহি নীলিমাই সন্ধিয়াৰ কাচি জোনটোলৈ চাই পঠিয়ালে। লাহে লাহে ফুলিবলৈ ধৰা গোলাপ কলিটোৰ দৰে যেন লাগিল জোনটোক। ভাৱত তন্ময় হৈ তাইৰ মন উৰি গ'ল দহ বছৰ আগৰ সেই দিনটোলৈ ।

তেতিয়া তাই ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী। কলেজ সপ্তাহৰ উখল মাখল সকলোৱে গাত। তাইৰ গীতে মুগ্ধ কৰিছিল আন বহুতৰ দৰে শ্যামলকো। ষ্টেজৰ পৰা নামি অহাৰ পাছত শ্যামলে নীলিমাৰ লগত চিনাকি হৈছিল আৰু দুয়ো দুয়োৰে প্ৰতি আসক্ত হৈছিল। সুন্দৰ ব্যৱহাৰ, পৰিপাটি সাজ সজ্জাৰে প্ৰথম দৃষ্টিতে শ্যামলৰ প্ৰতি নীলিমাৰ এক বুজাব নোৱৰাৰ মৰমৰ বান্ধোনেৰে বান্ধ খালে। সাধাৰণ চিনাকিৰ পিছতে শ্যামলে কৈছিল " সন্ধ্যা হ'লেই, বেয়া নোপোৱা যদি মই কিছু দূৰ আগবঢ়াই দিওঁ।" শ্যামলে কথাষাৰ ইমানেই আন্তৰিকতাৰে কৈছিল যে তাই ' না' কোৱাৰ কোনো অৱকাশে নাথাকিল।

আকাশত তেতিয়া কাঁচিজোন ওলাইছিল। ঠিক যেন ফুলিবলৈ ধৰিছিল সিহঁতৰ সপোনবোৰ আৰু বাঢ়ি গৈছিল আশাবোৰ জোনটোৰ দৰে। সিহঁতৰ বন্ধুত্ব দিনক দিনে অতি গাঢ় হৈ উঠিছিল। শ্যামল সন্ধিয়া প্ৰায়ে আহিছিল তাইৰ গান শুনিবলৈ লগতে সুন্দৰ গীটাৰ মূৰ্চ্ছনা তুলি প্ৰাণ দিছিল তাইৰ গানত।

সিহঁতি একেলগে ফুলিছিল যেন সিহঁত একেটা ডালৰে দুপাহি গোলাপ। শ্যামলে কেতিয়াবা জীৱন আৰু মৃত্যুৰ বিষয়ে কিছুমান বৰ আঁচৰিত কথা কৈছিল। নীলিমাই তেতিয়া ধেমালি কৰি কৈছিল, তোমাৰ কথাবোৰ শুনিলে তোমাক এটা অবুজ সাঁথৰৰ দৰে লাগে।

আৰু সঁচায়ে সি এদিন তাইক বিমোৰত পেলাই ঘৰৰ পৰা নোহোৱা হ'ল। সিহঁতৰ ঘৰত মাক-দেউতাকে চকুৰ পানীৰে বাট নেদেখা হ'ল। এটি সন্তান শ্যামল আছিল মাক-দেউতাকৰ চকুৰ মণি। হঠাৎ শ্যামল নোহোৱা হোৱাত নিজৰ কপালকে দুষিলে মাক-দেউতাকে।

তিনিমাহ মানৰ মূৰত নীলিমাই শ্যামলৰ পৰা এখন চিঠি পালে। সি হেনো কোনোবা এটা বিদ্ৰোহী সংগঠনত যোগ দিলে। দেশৰ মুক্তিৰ বাবে সি নিজৰ জীৱনক তুচ্ছ কৰি তেজ ৰঙা গোলাপৰ দৰে গীটাৰত সুৰৰ ঝঙ্কাৰ তোলা আঙুলিকেইটাৰে টিপিবলৈ ল'লে বন্দুকৰ ট্ৰিগাৰ। নিলিমাই ভাবি নাপালে সি কিয় বাচি ল'লে এই পথ ? কিহৰ অভাৱ আছিল তাৰ ? অজস্ৰ সা-সম্পত্তিৰে একমাত্ৰ সন্তান আছিল মাক-দেউতাকৰ। সুখেৰে থাকিব পাৰিলেহেঁতেন সি। তথাপিও শ্ৰদ্ধাত নীলিমাৰ শিৰোনত হৈ যায় তাৰ প্ৰতি।

দুটা বছৰ পাৰ হৈ গ'ল। ইতিমধ্যে নীলিমাই বি এ পাছ কৰিলে। এদিন ৰাতি বাৰ বজাত হঠাৎ তাইৰ দুৱাৰত কোনোবাই টোকৰ মাৰিলে। খোলো নোখোলোকৈ দুৱাৰখন খুলি সন্মুখত শ্যামলক দেখি তাই অবাক হৈ ৰ'ল। সি লৰালৰিকৈ ভিতৰলৈ সোমাই আহিল আৰু তাইক দুৱাৰখন বন্ধ কৰি দিবলৈ ক'লে। তাই ভালদৰে দুৱাৰখন বন্ধ কৰি তাৰ কাষতে বহিল।

"এতিয়া কোৱা" তাই ক'লে।

জানা নীলি, মই তোমাক ভালপাওঁ। কলেজীয়া জীৱনৰ পৰা আজিলৈকে তোমাক এৰি একো চিন্তা কৰিব পৰা নাই। কিন্তু বৰ্তমান আমাৰ ৰাজ্যখনত যি অত্যাচাৰী শাসন চলিছে, মানুহ হিচাপে জীয়াই থকাটোৰে টান হৈছে। বাক্ স্বাধীনতা ৰুদ্ধ হৈ কিমান সহ্য কৰিম ? আৰু কিছু দিনৰ পিছত আমি নিজে আলহী হ'ব লাগিব। বহুত কথা চিন্তা কৰি মই এই সংগঠনটোত যোগ দিলো। তুমি পাৰা যদি মোক ক্ষমা কৰি দিবা। তোমাক ভালপোৱাৰ অধিকাৰ

মোৰ আছেনে নাই নাজানো, কিন্তু তথাপিও মই তোমাক ভালপাওঁ। তোমাক লৈ এখন সুখৰ সংসাৰৰ সপোন দেখো। কিন্তু ই বাস্তৱ হ'ব তেতিয়াহে। যেতিয়া মোৰ দেশখন পুঁজিপতি দালালিবোৰৰ পৰা স্বাধীন কৰি ল'ব পাৰিম। তুমি নিশ্চয় মোৰ বাবে অপেক্ষা কৰিবা।

নীলিমাই সৰগ পৰা মানুহৰ দৰে তাৰ কথাবোৰ শুনি থাকিল। তাই কি ক'ব একো ভাবি নাপালে।

বাৰু এতিয়া মই ৰাতিখন ক'ৰ পৰা ওলালাহি। "আজি চাৰিবছৰ মান মা-দেউতাক দেখা নাই। চাওঁ বুলি আহিছিলো। কিন্তু কুকুৰহতেঁ পিছ লৈছে। মাত্ৰ আধাঘণ্টা সময় ঘৰত থাকিবলৈ পালো। আৰু তাৰ পৰা আহি এইয়া তোমাৰ ওচৰত। "

হঠাৎ বাহিৰত হুলস্থূল শুনি নীলিমা চক্ খাই উঠিল আৰু লৰালৰিকৈ শ্যামলক তাই শোৱা ডিভানখনত সোমোৱাই বিচনাখন ভালদৰে পাৰি থলে। এনেতে দুৱাৰত টোকৰ শুনি তাই গৈ দুৱাৰ খোলে। আৰু দেখে যে পুলিচৰ দল এটাৰ লগত শ্যামলৰ মাক-দেউতাক।

ক্ষমা কৰিব, আপুনি শ্যামল বৰুৱাক চিনি পাইনেকি ? নীলিমাই ক'লে "শ্যামলৰ কি হ'ল ? আমি কলেজত থাকোতে ভাল বন্ধু আছিলো। এতিয়া পাঁচবছৰ মান হ'ল তাৰ একোখবৰে নাপাওঁ। কি হ'ল শ্যামলৰ ?" তাই পুনৰ সুধিলে পুলিচ ইন্সপেক্টৰজনে ক'লে " বৰ্তমান তেওঁ এজন দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী। আজি ঘৰৰ পৰা এইফালে পলাইছে। দেখিছিল নেকি ক'ববাত ?" "পাঁচবছৰমান দেখা নাই বুলিলে কি বুজে ? " ভাল যাওঁ বাৰু। কিবা গম পালে খবৰ দিব। দলটো গলগৈ। মাক-দেউতাকে ভুৰভুৰালে। " ভাল বলীয়াবোৰ হ'ল। সময় নাই কোনো মানুহকে শান্তিৰে থাকিব নিদিয়ে।"

তেওঁলোক যোৱাৰ পিছত নীলিমাই লৰালৰিকৈ দুৱাৰখন বন্ধ কৰি শ্যামলক উলিয়াই আনিলে।" উঃ নিলি ভাল বচালা। মোৰ পথটোত জীৱনৰ একো নিৰাপত্তা নাই । কোনে জানে আকৌ তোমাক লগ পাওঁ বা নাপাওঁ।"

"শ্যামল বুলি নিলিমাই তাৰ মুখত সোপা দি উচুপি উঠিল।"

"তেনেকৈ নক'বা শ্যাম। তুমি নহ'লে মই কেনেকৈ জীয়াই থাকিম ? তুমি জয়ী হ'বই লাগিব। "

শ্যামলে তাইক সাৰটি কপালত চুমা এটি খালে। "মই তোমাৰ বাবে আৰু মোৰ দেশৰ বাবে জীয়াই থাকিম নীলি।"

ৰাতি পুৱাৰ আগে আগে নীলিমাই শ্যামলক বিদায় দিলে অশ্ৰু নদী বোৱাই। এসপ্তাহৰ পাছত গম পালে অসমৰ সীমামুৱীয়া কোনোবা এখন ঠাইত পুলিচৰ লগত হোৱা সংঘৰ্ষত শ্যামল বৰুৱা নামৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীজনৰ মৃত্যু হয়।

নীলিমাই কান্দিছিল। বলীয়াৰ দৰে চিঞৰি উঠিছিল। " সন্ত্ৰাসবাদী কোন ? শ্যামল নে তহঁত ? কাপুৰুষৰ জাত। তহঁতে নিজৰ দেশৰ কাৰণে কেতিয়াবা কিবা এটা কৰি পাইছনে ? নিৰ্দোষী লৰাবোৰ মাৰি মাৰি বীৰত্ব দেখুৱাইছ। ধিক পাগলচব।" কান্দি কান্দি এটা সময়ত তাই অজ্ঞান হৈ পৰিছিল। তাই সৰু অন্তৰখন কাঁচৰ টুকুৰা ভঙাৰ দৰে চূৰ্ণ বিচূৰ্ণ হৈ পৰিছিল। তাই জীৱনৰ সকলো সপোন শেষ হৈ গ'ল। তাই প্ৰতিজ্ঞা কৰিলে শ্যামলৰ আধাৰুৱা কাম তাই সম্পূৰ্ণ কৰিব। তাই যোগ দিলে সেই একেটা সংগঠনতে। লাৱনি হাতত তুলি ল'লে এ কে ৪৭ । বুকুত জ্বলি থকা জুই কুৰা হয়তো কোনো দিনে নুনোমাব। তাই জীৱনটো কাঁচি জোন হৈয়ে ৰ'ল।

হঠাৎ এটা চিঞৰ শুনি তাই বাস্তৱলৈ ঘূৰি আহিল। " বাইদেউ পুলিচ "। তৎমুহূৰ্ত্ততে তাই জেকেট পিন্ধি পিছফাললৈ দৌৰ মাৰিলে। বন্দুকটো ঠিক মতে ধৰি সন্মুখলৈ চাৰি জাই মান গুলী এৰিলে। কোনোবা এটাৰ গাত গুলী লাগিছে। পুলিচ কেইটাই পুনৰ গুলীয়াবলৈ ধৰিলে। হঠাৎ এটা গুলী তাইৰ বুকু ভেদ কৰি ওলাই গ'ল। তাই বাগৰি পৰিল। যন্ত্ৰণাত কেঁকাই চিঞৰিলে ঃ ' শ্যামল মোক ক্ষমা কৰিবা। তোমাৰ আশা মই পূৰণ কৰিব নোৱাৰিলো। মই তোমাৰ ওচৰলৈ গৈ আছো। আমি মৃত্যুৰ সিপাৰে এখন সুখৰ সংসাৰ কৰিম। তাত এই মানুহৰ তেজ খোৱা নৰ পিশাচবোৰ অন্তত নাই। শ্যামল মই .........।"

" শ্যামল" বুলি চকু স্থিৰ হৈ ৰ'ল। সিহঁতৰ প্ৰেমৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰি পুলিচ কেইজনৰো চকু পানী ওলাল। এজনে ক'লে " আমি সঁচায়ে কাপুৰুষ হে মহান শ্বহীদ, তোমালোকে আমাক ক্ষমা কৰি দিবা। ওপৰৱালাৰ আদেশ নামানিলে আমাৰ ল'ৰা-ছোৱালীৰ মুখত দিবলৈ ক্ষুদকণ এটাও নাই। আমি নিৰুপায় । আমাক ক্ষমা কৰি দিয়া। হে বীৰঙ্গনা! হয় তুমি ঠিকেই কৈছা আমি সঁচায়ে এটা এটা নৰপিশাচ, সচাঁয়ে তোমালোকে মৃত্যুৰ সিপাৰে এখন সুখৰ সংসাৰ গঢ়া, এখন সুখৰ সংসাৰ .......।❖❖

# অনুভৱৰ আঁচোৰ



# হারাঁত চরকুট



# পথৰ লগৰী...

**যমুনা বৰগোহাঁই**
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা

এৰা ক'ব খুজিছো কলেজত অধ্যাপনা কৰা আঠত্ৰিশটা বছৰত লগ পোৱা সৰু সৰু মানুহৰ কথা। সেইসকল সৰহ ভাগ ৰিস্কাচালক আৰু গাড়ীৰ ড্ৰাইভাৰ। তেওঁলোক মোৰ জীৱনত কৰ্মস্থলীলৈ যোৱা পথ ছোৱাৰ পথৰ লগৰী। একান্ত নিষ্ঠাসহকাৰে নিজৰ কৰ্তব্য সম্পাদন কৰা লোক সকলে মোৰ জীৱনত বহুল প্ৰভাৱ পেলাইছিল। পুৱা আঠ বজাতেই আহি ৰঞ্জিত ৰাভা, চামচুল আৰু বিভিন্ন সময়ত বিভিন্ন ৰিক্সাচালক মোৰ গেটৰ সন্মুখত উপস্থিত হয়হি। তেওঁলোক এদিনো কামত গফিলতি কৰা নাই। মই একোজন ৰিক্সাচালকক মাহেকীয়া ভাড়া দিয়াৰ বন্দোৱস্তিত বন্দোৱস্ত কৰি লওঁ। তেওঁলোকেও সেই বন্দোৱস্তিতে মোক অনানিয়া কৰে। মই তেওঁলোকক প্ৰথমেই মোৰ কৰ্মৰ গুৰু দায়িত্বৰ কথা বুজাই দিওঁ য'ত ঘড়ীৰ কাঁটাৰ লগত আমি ঘূৰিব লাগিব। এদিনৰ কথা মোৰ বন্দোৱস্তি কৰা ৰিক্সাচালক জনৰ ঘৰুৱা বিশেষ অসুবিধাৰ বাবে সেইদিনা মোক নিবলৈ নাহিল। মই ঘৰৰ পৰা যাওঁতে এজনৰ ৰিস্কাত আৰু ঘূৰি আহোঁতে আন এজনৰ ৰিস্কাত আহিব লগা হৈছে। এই দ্বিতীয়জন বৰ কথা চহকী। কলেজৰ পৰা ঘৰমুৱাকৈ ওলাই আহোঁতেই এখনি ইংলিছ মাধ্যমৰ বিদ্যালয় পোৱা যায়। বিদ্যালয়খনৰ ওচৰ পোৱাৰ লগে লগে সি ক'বলৈ আৰম্ভ কৰি দিলেই 'বাইদেউ, এইখন স্কুলৰ সৰু সৰু ল'ৰা-ছোৱালী বোৰেও ফৰাফৰ ইংৰাজী ক'ব পাৰে। মই ক'লো 'সিহঁত ইংলণ্ডত জন্ম হোৱানে অসমত জন্ম হোৱা' অৰ্থাৎ অসমৰ নে ইংলণ্ডৰ'। সি টপৰাইউত্তৰ দিলে- 'অসমীয়া ল'ৰা ছোৱালীয়েই। মই তাক বুজাবলৈ যত্ন কৰিমনে বহু গৰ্বিত অভিভাৱকৰ কথা মনত পেলালোঁ। তাক মাত্ৰ মই কেইটিমান কথা ক'লো। অসমত জন্ম হোৱা ল'ৰাছোৱালীয়ে প্ৰথমে অসমীয়া ভাষাটোহে শিকিব। সেইটো তেওঁলোকৰ মাতৃভাষা। প্ৰথমে চৰাই জনীক 'চৰাই' শব্দটোৰে পৰিচয় কৰাই দিব লাগিব। তাৰ পিছতহে বেলেগ বেলেগ ভাষাত ইয়াক কি বুলি কয় শিকাব লাগিব-যেনে ছিৰিয়া,বাৰ্ড ইত্যাদি। সি তেতিয়া বিনম্ৰহৈ ক'লে বাইদেউ আপুনি সঁচা কথাকেই কৈছে''। মই তাৰ সঁহাৰি পাই, সি কথাষাৰ হৃদয়ঙ্গম কৰাৰ বাবে আৰু অলপ আগবাঢ়ি গ'লো। 'চোঁৱা মাতৃভাষাই হ'ল মাতৃ মন্দিৰৰ স্বৰ্ণ দুৱাৰ'। সি মূৰ দুপিয়ালে। সি বিহাৰৰ পৰা আহি অসমত ৰিক্সা চলাই পেটৰ ভাত মোকোলাইছে। তাৰ ল'ৰাছোৱালী কেইটাই ইংৰাজী বা অসমীয়া ভাষাতকৈ নিজৰ মাতৃভাষাতহে সুন্দৰ বাৰ্তালাপ কৰিব পাৰে-ভয়-দ্বিধা নোহোৱাকৈ সৰ্কলোৰে লগত কথা পাতিব পাৰে একেবাৰে অনুন্নত অঞ্চলত থকা বৃদ্ধ বৃদ্ধাসকলৰ কথাও বুজিব পাৰে। বৰ্ত্তমান আমাৰ সকলোৱে মাতৃভাষালৈ পিঠি দিছে। অভিভাৱক সকলেও 'অসমীয়া নাজানে' বুলি গৰ্ব অনুভৱ কৰে। গ্ৰন্থমেলা বিলাকতো 'অসমীয়া নজনা' অসমীয়াই ভিৰ কৰি থাকে। ইংৰাজী ফৰাফৰ কওক, হিন্দী, বাংলা-পৃথিৱীৰ সকলো ভাষাই ফৰাফৰ কওক কিন্তু নিজৰ মাতৃভাষাক আগস্থান দিবই লাগিব। আমাৰ ল'ৰা-ছোৱালীয়ে বানানা খাওঁ, মেংগু খাওঁ এইষাৰ কথা প্ৰথমে নকৈ কল খাওঁ, আম খাওঁ-বুলি ক'লেহে নিজৰ অসমীয়া ভাষা উদ্ধাৰৰ সহায়ক হ'ব। তাৰ লগত এই কথাখিনি পাতি আহোঁতে কেতিয়ানো ঘৰৰ পদুলি পালেহি গমকেই নাপালো। সি ৰিস্কাখন ৰখাই মোক এটা সেৱা জনালে। এই সাধাৰণ ৰিক্সাচালক জনক ভাষা এটাৰ দৰে গভীৰ বিষয় এটাৰ লেকচাৰ দিলো নেকি বুলি মই নিজকে নিজে প্ৰশ্ন কৰিলো। মনে মনে ভাৱ হ'ল এৰা আভিজাত্যগৰ্বী সকলক মোৰ কথাই জানো ৰেখাপাত কৰিব?

আন এদিনৰ কথা মোৰ মাহিলী বন্দোৱস্তিত ৰিক্সাচলোৱা ৰঞ্জিতৰ পত্নী প্ৰসৱ বেদনাত ভুগী আছে। মই টকা এহেজাৰ দি তাক

লৰালৰিকৈ পঠাই দিলো। দ্বিতীয় দিনাও তাক নাহিবলৈ ক'লো। তৃতীয়দিনা গম পালো তাৰ বোলে এজনী সুস্থ কন্যা সন্তান জন্ম হৈছে। মোলৈ কেইটামান মিঠাই উপহাৰ স্বৰূপে আনিছে। প্ৰথমা সন্তানতো। মাহেকৰ মূৰত সি মোৰ পৰা মাহিলী ভাড়াটো নলয়। কিয় ? কন্যাজনী জন্ম হওঁতে মোৰ পৰা যে এহেজাৰ নিছিল সোঁৱৰাই দিছে। মই ক'লো মোৰ সোঁৱৰণিত সকলো উজ্জলহৈ আছে তোমাৰ গধুৰ মুখখন পিছদিনাৰ পিতৃ হোৱাৰ গৰ্বিত মুখখন। মই মাহিলী ভাড়া আদায় দিয়া নাছিলো। দিছিলো তোমাৰ আহিব ধৰা সন্তানটিলৈ আৰ্শীবাদ। তাৰ চকুত তেতিয়া মই লোতক দেখিছিলো।

কলেজৰ পৰা ঘৰলৈ আহিবৰ হৈছে- ৰিক্সাৱালাজন ক'ত আছে ঠিক ইফালে সিফালে চকুৰে পিটপিটাই আছো। এনেতে, দ'লৰ কাষত থকা এজনী পাগলী মোৰ ওচৰলৈ দৌৰি আহিছে- আহিয়েই তাই এমুঠি বিড়ি মোৰ আগত দেখুৱাই কৈছে-'এই মুঠি বান্দৰ বিড়িনে মনোহৰ বিড়ি চালা সেইঁ দোকানীটোৱে 'মনোহৰ বিড়ি' বুলি কয়'। মই কি উত্তৰ দিম অবাক। এনেয়ে পাগলী বুলিয়ে গা শিঁয়ৰি উঠে। দূৰৰ পৰা মোৰ ৰিক্সাচালক ৰাভাই সকলো চাই আছিল। সি খৰখোজে আহি মোক ক'লেহি 'পাগলীয়েনো কি ক'লে'। মই পাগলীয়ে কোৱা কথা বোৰ ক'লো। সি ৰিক্সাৰ গতিবেগ কিছু ক'মাই মোক 'পাগলী' সম্পৰ্কীয় কিছুমান কথা বুজাবলৈ যত্ন কৰিছে। মইও কৈছো মানুহেই মানুহক পাগল কৰে। সি তেতিয়া আৰু সাহসেৰে ক'লে' এই চাৰিওপাশৰ মানুহবোৰেই সিহঁতক পাগলী কৰিছে। মই পুৱা ৫ বজাতেই ৰিক্সালৈ আহোঁ আৰু ৰাতি ৯ বজাতহে ঘৰলৈ উভতো। ঠিক আমাৰ ঘৰ পোৱালেকে সি মোক যথেষ্ট কথা ক'লে। তাৰ কথা আৰু মোৰ কল্পনাৰে মই পাগলীহঁতকলৈ 'পষ্টমৰ্টেম' বুলি এখনি একাঙ্কিকা নাট লিখি পুৰস্কাৰো বুটলিছিলো।

তেতিয়া মোৰ মাহেকীয়া বন্দোৱস্তি নাই, তেনে এদিনৰ কথা- মই এখন ৰিক্সাৰ বাবে হাবাথুৰি খোৱাৰ দৰে গৈ আছো। মোৰ আগে আগে মোৰ দৰেই ৰিক্সা বিচৰা এগৰাকী মহিলাও গৈ আছে। বিপৰীত ফালৰ পৰা এখন ৰিক্সা আহি আছে। মোৰ আগে আগে যোৱা মহিলা গৰাকীয়েতো হাতেৰে নিচান দিলেই। মই ঘড়ীটোত কিমান সময় হৈছে প্ৰায় নেদেখা হৈ গৈছো। এনেতে দেখো ৰিক্সাচালকজনে মোৰ কাষত ৰখায় উঠিবলৈ ক'লে। মই ক'লো সিগৰাকী মানুহে যদি বেয়া পায়। 'নাই নাপায়, মই বাইদেৱে আগতেই কৈ থৈছো বুলি তেওঁক মিছাকৈ কৈ দিছো। তেওঁলোকে ৰিক্সাত উঠে অথচ পইছা দিবলৈ টান পায়, এটকা বুলিলে পঞ্চাশ পইচা দিয়ে- আপুনি কিন্তু পঞ্চাশ পইছা বেছিকৈহে দিয়ে'। মই তেতিয়া তেল আৰু প্ৰকৃতিক গেছ আয়োগত প্ৰথমে যোগদান কৰা ৰাছিয়ান সকলৰ কথা ক'লো। তেওঁলোকে মানুহে টনা ৰিক্সাত নুঠে। অসমীয়া মানুহকো ঠাট্টা কৰিছিল। আমি বাৰু উপায় নাই উঠিছো কিন্তু উচিত মূল্যটো দিব লাগে। সেইবাবেই নেকি মোৰ চাকৰি কালটো যদিও ৰিক্সাযুগতেই গ'ল মই ৰিক্সা বিচাৰি হাবাথুৰি খাব লগা নাছিল।

চাকৰি কালছোৱাৰ ভিতৰত মোৰ এটা অপাৰেশ্যন হোৱা বাবে মই প্ৰায় আঠ, দহবছৰ কাল গাড়ীৰে অহা যোৱা কৰিলো। মোৰ ড্ৰাইভাৰ জন বৰ শান্ত- শিষ্ট আৰু অমায়িক ল'ৰা আছিল। তেওঁ মোক যিখিনি সেৱা আগবঢ়ালে মই জীৱনত পাহৰিব নোৱাৰো। কলেজৰ বাহিৰেও বিয়া-সবাহ বা মেল-মিটিং ইত্যাদিলৈও তেওঁ মোক নিছিল। তেওঁ আনৰ ঘৰত আহাৰ খাব নোখোজে, লাজ কৰে বা ড্ৰাইভাৰ বুলিলে তথাকথিত লোকৰ যিটো হেয়জ্ঞান সেইটো ভাবি হয়তো হ'ব পাৰে। সেইবাবে যাত্ৰাৰ আগতেই মই তেওঁক ভালদৰে ভাতকিতা খাবলৈ দিওঁ। তেওঁৰ ঘৰুৱা জঞ্জাল বাঢ়িলত খেতি-বাতিত মনোনিবেশ কৰিলে। আন ড্ৰাইভাৰৰ ওপৰত দায়িত্ব নিদি মই গাড়ীখন বেচি আক' অৱসৰলৈকে ৰিক্সাত অহা যোৱা কৰিলো। মই মাহে মাহে দি থকা টকা কেইটাৰ পৰা তেওঁ হঠাৎ বঞ্চিত হ'ল। মোৰ প্ৰাণেও নসহিল। মই তেওঁক মাহৰ দুই তাৰিখে নিৰ্দিষ্ট পাণদোকান খনত দিনৰ দুই বজাত লগ পোৱাৰ প্ৰতিশ্ৰুতি দিলো। মইও কেইমাহ মান তেওঁক দুশ টকাকৈ হাত খৰছ দিলো। অৱশ্যে পিছত তেওঁ নহা হ'ল- হ'লেও লগ পালেই কিবা বিপদ হ'লেই মই তেওঁক সহায় কৰো। মোৰ মৃত্যুত কোনোও এটোপাল চকুলো নুটুকিলেও তেওঁলোকেই হয়তো এটুপি চকুলো টুকিব। ❖❖

# হৃদয়ৰ সেউজীয়াত
# অনুভৱৰ টোপাল টোপাল বৰষুণ


## পিকুমণি গগৈ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ, কলা শাখা






হেঁপাহৰ এটি ৰাতিপুৱা-পোহৰে আন্ধাৰৰ সৈতে লুকা-ভাকু; দৌৰা-দৌৰি খেলা এটি ৰাতিপুৱা।'তোমাক ধৰিলে আজি দিনটো মোৰ হ'ব'- কয় চাগে পোহৰে আন্ধাৰক। খিৰিকীখন খুলি দিলে সুন্দৰকৈ দেখি 'ৰংপুৰ ছাত্ৰী নিবাস'ৰ ওপৰতলা আঠ নং ৰুমৰ পৰা শিৱসাগৰ টাউনৰ কাঁহ পৰি জীণ যোৱা ৰাতিপুৱাটো। হোষ্টেলৰ সন্মুখৰ দেৱদাৰু জোপাত কেইটিমান বিযুৰীয়া শালীকি। সেউজীয়া বগা ৰঙৰ আঁচটনা ডাঠ পৰ্দাকেইখন যিমানলৈকে পাৰি কোচাই দিওঁ। দৃষ্টি বাগৰি যায় মোৰ.......বাগৰি যায়.......মাজে মাজে ক'ৰবাত থৰ হৈ ৰয়......... তন্ময় হৈ ৰয়........চকু ফুৰাই চাই যাওঁ.............ছোৱালী হোষ্টেলৰ ওখ ওখ দেৱাল.........বৃহৎ আকাৰৰ গেটখন; আস, ছোৱালী হোৱাৰ সীমাহীন যন্ত্ৰণা.....। কাৰ সৈতে? কাৰ সৈতে মিল এই নিৰৱ ৰাতিপুৱাটো; বুকুখন বিষাই উঠে মোৰ.... মোৰ মৰমৰ ঘৰখন; ঘৰৰ সন্মুখৰ মুকলি বিশাল পথাৰখন; পথাৰৰ মাজে মাজে ওখ ওখ টিপ। টিপবোৰৰ ওপৰত ঔ-টেঙা, বগৰী,মধুৰী, কণা শিমলু, বন-তিয়ঁহ, লাজুকী লতা আৰু চিনাকি অচিনাকি কিছুমান সেউজীয়া...।

উৰি গুচি যাব বিচাৰে মনটো... সেউজীয়াবোৰৰ মাজলৈ কেনে আছে ডিব্ৰুগড়ৰ মোৰ আপোন টিংখাংখন। মোৰ গাওঁখন.... এতিয়াতো পথাৰ সেউজীয়া হোৱাৰ বতৰ।।।

অৱচেতন মনটোৰ সৈতে বৰ লাগি থকা ৰাতিপুৱাটো উপভোগ কৰি থকা 'মই' জনী উচপ খাই উঠে। কৃত্ৰিম ব্যস্ততাৰে আৰম্ভ হয় দিনটো। বাথৰুমৰ ছিট বিচাৰি দৌৰা-দৌৰি... চাহ-ভাতৰ

বেলত থকা-সৰকা হয় ৰঙীন সেউজীয়া সেউজীয়া অনুভৱবোৰ....। কলেজত ব্যস্ততা। কলেজৰ পৰা আহি পঢ়াত ব্যস্ত হয় ৰূমে ৰূমে কিছুমান 'চিৰিয়াছ' ছোৱালী। ব্যস্ত আৰু ব্যস্ত। কল্পনা লুকাই...... অনুভৱ হেৰায়.... সপোনবোৰ পাখি ভগা পক্ষীৰ দৰে ছটফটাই থাকে.......। বুকত ধূ ধূ শূন্যতা।। কেতিয়া ? কেতিয়া আহিব সন্ধ্যা???

অনুভৱবোৰ জীপাল হয় সন্ধ্যাত। অনুভৱৰ বৰষুণত তিতি কাগজৰ নাও সাজি উটুৱাও আমিবোৰে। হোষ্টেলৰচাদঁত ভাগে ভাগে বহা আড্ডাত চিপচ, মিস্কাৰৰ পেকেটৰ পৰিৱৰ্তে ঠাই দিওঁ কালুগাওঁৰ চেৰা দিয়া ভাত আৰু হাঁহৰ মাংস, ধেমাজিৰ নাৰিকলৰ লাড়ু, অৰুণাচলৰ চুঙাত দিয়া গাহৰি মাংস, নামৰূপৰ বেছিকৈ পিয়াজ দি ভাজি অনা বুট, গেলেকীৰ বুন্দিয়ালাড্ডু.......আৰু? আৰু কি কি।।। হেঁপাহেৰে খাওঁ,....... মৰমেৰে খাওঁ......আলুফুলকৈ খাওঁ......খোৱাৰ আগতে দীঘলকৈ উশাহ এটা লওঁ.....'মা'ৰ গোন্ধটো লাগি আছে নেকি ক'ৰবাত। 'মা'ৰ চিনাকী গোন্ধটো। চাদৰ বৃত্তাকাৰে বহি থকা কিছুমান আড্ডাত কোনোৰে উচুপে...... ডাঙৰ হ'লো ছাগে আমি। হোষ্টেলত থাকিব পৰাকৈ। তথাপি মাৰ আচল এৰিবলৈ নিশিকিলো। কি যাদু আছে? কি যাদু আছে সেই শব্দটিত। কি সোমাই থাকে সেই হৃদয়খনিত। যাৰ মমতাময়ী স্পৰ্শই হিয়া জুৰাই আমাৰ। যাৰ পৰা আঁতৰত থাকিলে আমাৰ দুচকু সজল হয়। হৃদয়ত আঘাত নিদিলে যাৰ নাম আমি প্ৰথমে আমি উচ্চাৰণ কৰো। যাৰ কথা এদিনো আমি নভবাকৈ থকা নাই। কি যাদু আছে 'মা' শব্দটিত? 'মায়াবি শব্দ'। পাগল কৰি দিব পৰা শব্দ। মমতাৰ শব্দ আৰু বৰ মৰমৰ শব্দ আমাৰ।

হেঁপাহেৰে কাৰোবালৈ দি পঠিওৱা চেৰা দিয়া ভাত আৰু গৰুৰ গাখীৰ নতুবা চুঙা চাউল এচামুচ হ'লেও পাওঁ সকলোৱে। অকলে খোৱাতকৈ ভগাই খোৱা তৃপ্তি বেছি— কাৰোবাৰ মাকে কাৰোবালৈ হেঁপাহেৰে দি পঠিওৱা এসাঁজ। কিমান মৰম বান্ধি দিছে সেই টোপোলাত? ইমান তৃপ্তি কিয় লাগে? হোষ্টেলৰ ধান মিহলি ভাত..... দাইলৰ পানী ভোকৰ এসাঁজ। কিন্তু মন ভৰাব পৰাকৈ মাৰ এগৰাহ ভাতেই যথেষ্ট। পাৰে নেকি ? পাৰে নেকি ইয়াৰে কোনোৱে হুমুনিয়াহ-মাক নোহোৱা কোনো দুৰ্ভগীয়াই-মাকৰ মৰমসনা হাতৰ এসাজ খাবলৈ নোপোৱাৰ হতাশাত?

মাহৰ দিনকেইটা হিচাব কৰাত ব্যস্ত হয় কোনোৱে। কেই তাৰিখে আহিছিল মা? কেতিয়া আহিব আকৌ। যোৱাবাৰ আহোতেতো ভালকৈ কথা পতাই নহ'ল হেঁপাহ পলুৱাই চাই লোৱাই নহ'ল সেই মমতাময়ী মুখখন- কোলাত এবাৰ বহাই নহ'ল-আৰু......? এইবাৰ আহিলে কোলাত এবাৰ হ'লেও বহি চাম- মুখখনি হেঁপাহ পলুৱাই চাম। মায়ে কপালে মূৰে হাত ফুৰাই দিব জানো এতিয়া? কেতিয়া দিছিল মায়ে কপালে-মূৰে হাত ফুৰাই। যোৱাবছৰ? যোৱাবছৰ ঘৰলৈ যাওঁতে-নৰীয়া পাটিত পৰি থাকোতে? দুদিনতে অসুখ ভাল হৈছিল। আৰু এসপ্তাহমান অসুখ হৈ থকা হ'লে।।। ইয়াত অসুখ হ'লে দেখোন গাতেই নালাগে। ঘৰত থাকিলে কিয় কামনা কৰো অসুখ হওক বুলি- সেই স্পৰ্শ বিচাৰি চাগে বিচনাত পৰি থাকিলে যে কপালত ,খনি স্পৰ্শত সজীৱ হৈ পৰো দুচকুৰ কোণত চাগে সজল হয় অশ্ৰু।

নিশা ভাত খোৱাৰ পাছত মাধৱীৰ ভায়োলিনৰ সুৰে মালৈ মনত পেলাব.......মোৰ গাওঁখনলৈ মনত পৰিব। অত্যাধুনিক ষ্ট্ৰিট লাইটে শিৱসাগৰ টাউনখন পোহৰ কৰাৰ এই সময়খিনিত চাগে কেৰাচিনৰ অথবা মিঠাতেলৰ চাকি নুমুৱাই শেতেলীত পৰিছে গাওঁৰ কেঁচা মাটিৰ গোন্ধ থকা কোনোৱে নামঘোষাৰ এফাকি ঘোষা আওৰাই। মাধৱীৰ ভায়োলিনৰ সুৰটো বিয়পি পৰিব.... হোষ্টেলৰ ছাঁদত, প্ৰত্যেকটো কোঠাত, হোষ্টেলৰ সন্মুখৰ দেৱদাৰু জোপাত কলাঘুমটীয়া টোপনিত থকা সৰু চৰাইকেইটিৰ হৃদয়ত, সন্মুখৰ সেউজীয়াখিনিত...... পাৰ হৈ যাব হোষ্টেলৰ ওখ দেৱাল,গেট...... আৰু ব্যস্ত নগৰখনিত। সুৰটো বিলীন হৈ গ'লেও কিন্তু ৰৈ যাব কাৰোবাৰ হৃদয়ৰ এচুকত হোষ্টেলীয়া ছোৱালীৰ। ভায়োলিনৰ তাঁৰকেইডাল হৃদয়ৰ এচুকত কঁপি থাকিব..... কোনোৱে মগ্ন হ'ব সপোন ৰচাত কোনোৱে আবেগত ৰব নোৱাৰি উচুপি উঠিল.......। আন্ধাৰত বুৰ গৈ থকা হোষ্টেলটোত ভাঁহি ফুৰিব আড্ডাৰ হাঁহিৰ টুকুৰাবোৰ... তাৰ পাছত।।। মোৰ বুকুৰো হয়তো কোনোবা এডোখৰ বিষাই উঠিব...... প্ৰতীক্ষা। আকৌ কেতিয়া সন্ধ্যা নামিব।

❖❖❖❖❖

# সময় অমূল্য ধন

**মামুন বড়া**
স্নাতক প্ৰথম বৰ্ষ

সময় অমূল্য ধন বোলা কথাষাৰ সঁচা। সময় পাখি লগা কাঁড়ৰ দৰে উৰি যায় অনন্তগতিৰে, অবিৰতভাৱে। কালৈকো উলটি চাবলৈ আজৰি নাই, ৰ'বৰ প্ৰয়োজনো বোধ কৰা নাই আৰু ভ্ৰূক্ষেপো নাইৰ সময়ৰ গতিক যদি মানুহে ৰোধ কৰিব পাৰিলেহেঁতেন, তেতিয়া হয়তো মানুহৰ জীৱনো সময়ৰ দৰেই অন্তহীন হ'লহেঁতেন। কিন্তু সেয়া যে সম্ভৱ নহয়। কিয়নো সময় নিৰৱকাল আৰু মানুহৰ জীৱনটোও তেনেই চুটি। তথাপি মানুহৰ আশা অশেষ আৰু এই নিচেই চুটি জীৱনতে মানুহে বহুতো কাৰ্য্য পৰিচালনা কৰি অন্তহীন আশা পূৰণ কৰিবলৈ বিচাৰে। সেই কাৰণে সময় মূল্যৱান সম্পদ।

অমূল্য সময়ে কাৰো পৰাই মূল্য নিবিচাৰে। নদীৰ অবিৰত সোঁতৰ দৰে সময়ৰ সোঁত কালৰ বুকুত মিলি গৈ আছে। সময়ৰ মূল্য সীমাহীন। আজিৰ দিনটোৰ দৰে অস্তিত্ব আমি ভৱিষ্যতৰ কোনো দিনতে আৰু বিচাৰি নাপাওঁ। যেনেকৈ কৈশোৰৰ অস্তিত্ব যৌৱনত নাই আৰু যৌৱনৰ অস্তিত্ব বৃদ্ধ কালত নাই। যৌৱন যেতিয়া যায় তেতিয়া বৃদ্ধকাল আহে। বৃদ্ধকালৰ হেজাৰ অভিপ্ৰায় সত্বেও সি ঘূৰি নাহে আৰু মৃত্যুৰ পাছত বৃদ্ধকালৰ পৰিচয় নাই। সেয়েহে আমি কেৱল আমাৰ কামৰ দ্বাৰা সময়ৰ মূল্য নিৰূপণ কৰিব পাৰিম। অৰ্থাৎ কৰ্মইহে সময়ক ধৰি ৰাখিব পাৰে। সময় মতে শৰ মাৰিব নাজানিলে শৰ পছুৰ মঙহ খাবলৈ আশা কৰা মিছা, তাৰ পৰিণাম 'চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি'। এই কথাষাৰ মনত ৰাখিয়েই আমি আমাৰ কাম সময়মতে কৰা উচিত। যি সময়ত যিটো কাম সম্পাদন কৰা হয়, সেয়াই তাৰ মূল্য। সময়ক মূল্য দিব নাজানিলে জীৱনত বিপদ ঘটে আৰু জীৱনটোলৈ ব্যৰ্থতা আহে। শৈশৱ আৰু কৈশোৰত যদি আমি বিদ্যাৰ্থী শিক্ষা গ্ৰহণ নকৰো, কৰ্মৰ অনুশীলন নকৰো, তেন্তে বৃদ্ধ বয়সত সৰ্বাঙ্গ সুন্দৰ জীৱন যাপন কৰিবলৈ আশা কৰিব নোৱাৰি। যি সময়ৰ মূল্য নুবুজে তেওঁৰ জীৱনৰ মূল্যও নাই। উপযুক্ত সময়ত দি আমি সময় উপযোগী কাম নকৰো তেন্তে জীৱনত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰো।

ছাত্ৰ জীৱনত সময়ৰ মূল্য আটাইতকৈ বেছি। জীৱনটোক সৰ্বাঙ্গসুন্দৰ কৰি গঢ়ি তুলিবলৈ হ'লে বহুতো অধ্যয়ন কৰাৰ প্ৰয়োজন। জীৱনৰ সকলো দিশ সুন্দৰ কৰি গঢ়ি তুলিবলৈ সকলো দিশৰে শিক্ষাৰ প্ৰয়োজন। কিন্তু সময় তাকৰ, অধ্যয়ন কৰিবলগীয়া বহুতো। আনহাতে, জীৱনৰ বাট বহুতো বাধা-বিঘিনি, বিপদ-আপদেৰে ভৰা। সেইবাবে ছাত্ৰ জীৱনতে যদি আমি ঐকান্তিক চেষ্টা আৰু অধ্যৱসায়েৰে বিদ্যা অৰ্জন কৰি সক্ষম আৰু উপযুক্ত হৈ নলওঁ তেনেহ'লে পাছৰ জীৱন আমাৰ বাবে কষ্টকৰ হ'ব। 'বহুদূৰ আছে গতি, সময় তাকৰ অতি'। গতিকে সময়মতে কাম কৰি নগ'লে গতিৰ শেষ আমি কোনোদিনেই নাপাম। সেয়েহে সময়ৰ কাম সময়ত কৰি যোৱাটো নিতান্তই প্ৰয়োজন। ছাত্ৰাৱস্থাতে যদি জীৱনটো গঢ়ি নলওঁ, বুঢ়া কালত ই কেতিয়াও গঢ় নলয়।

শৈশৱেই কৰ্ম জীৱন ঘাটৰ প্ৰৱেশ-দ্বাৰ। ই জীৱনৰ প্ৰস্তুতিৰ সময়। গতিকে এই অমূল্য সময় অবাবতে, অৱহেলাত নকটাই শিক্ষা গ্ৰহণৰ কামত একান্তমনে ব্ৰতী হ'ব লাগে। সময়ৰ মূল্য বুজি সময়মতে কাম কৰি যোৱাটোৱেই হৈছে- সময়ানুৱৰ্ত্তিতা। সময়ানুবৰ্তিতাই কামত শৃংখল আনে আৰু জীৱনলৈও পৰিপাটি আনে।গতিকে আমিও সময়ানুৱৰ্ত্তিতা হৈ কৰ্তব্যৰ পথত আগবাঢ়ি যাওঁ। ফলাফল সময়েই নিৰ্ণয় কৰিব।

গতিকে আমি মনত ৰাখিব লাগিব- 'যোগ্য-ভোগ্য বসুন্ধৰা'- এই যুগ প্ৰতিযোগিতাৰ যুগ। পদে পদে প্ৰতিযোগিতা, পদে পদে জ্ঞানৰ প্ৰতি আহ্বান। গতিকে বৰ্তমান জগতত আমি নিজৰ স্থান সু-প্ৰতিষ্ঠিত কৰিবলৈ হ'লে প্ৰতিটো মূহুৰ্তক কামত নিয়োগ কৰি আমাৰ কৰ্মৰে জীৱনৰ মূল্য প্ৰতিপন্ন কৰিব লাগিব। সেয়েহে অবিৰত গতিৰে কৰ্ম অনুশীলন কৰি গৈ থাকা। নিশ্চয় এদিন আমাৰ জয় সুনিশ্চিত হ'ব। ❖❖

# শৰতৰ পদূলিত...

জিণামণি শইকীয়া

স্নাতক প্ৰথম বৰ্ষ



*শ্যামলিমা ধৰণীৰ অঙ্গে অঙ্গে শোভে*
*মনোহৰা,মনোৰমা, হাজাৰ কুসুম*
*তাৰ মৃদু সৌৰভেৰে চঞ্চলা চপলা সিক্ত।*
*মৃদু-খন্দ মলয়াৰ ৰিবৰিব নাচোনত*
*প্ৰকৃতি ব্যাকুল;*

অনুপম অপাৰ সম্ভাৰৰ মোহনীয়তাত মাধুৰীসনা চন্দ্ৰমাৰ স্নিগ্ধ ৰমণীয় কান্তিয়ে যমুনাৰ জিলিমিলিৰ বক্ষত তোলা মাধুৰ্য্যৰ মহাকৰ্ষণত বিমুগ্ধ হৈ এসময়ত ব্ৰজাঙ্গণা সকলে নৃত্য লালিমাৰে বৃন্দাবনত ছন্দৰ ঝঙ্কাৰ তুলিছিল। যমুনাৰ পাৰৰ প্ৰস্ফুটিত কদম্বৰ সৌৰভে ৰঞ্জিত মৃদু মলয়াৰ বাত। মধু লহৰিত ডালত বহি বংশীৰ বুকুত পঞ্চম সুৰৰ মূৰ্ছণা তুলি বিপিন বিহাৰী বনমালীয়ে পশু-পক্ষী, নৰ-নাৰী সকলোকে বিস্ময়-বিমুগ্ধ কৰি সুৰে সুৰে, তালে-তালে নচুৱাইছিল। দ্বাপৰৰ কোনোবা এটা মধুময় শৰতৰ এই স্বপ্নময়, ৰূপময়, প্ৰাণ-প্ৰাচুৰ্য্যময় গৰিমা ধৰাৰ বুকুৰ চিৰন্তন সজৰে প্ৰকাশ।

ঋতুৰাণী শৰতৰ স্থাণ ঋতু চক্ৰত তৃতীয় আৰু সেই অনুসৰি ভাদ আৰু আহিন মাহত এই ঋতুপৰে। কিন্তু প্ৰাকৃতিক কক্ষৰ স্বাভাৱিক অৱস্থালৈ লক্ষ্য কৰি বহুতে আহিন আৰু কাতি মাহকে শৰৎকাল বুলি ধৰে। বৰ্ষাৰ মৌচুমীৰ আগমণত সজীৱ হৈ উঠে গ্ৰীষ্মৰ প্ৰখৰ তাপত দগ্ধা প্ৰকৃতিৰ নিৰুদ্বেগ, নিস্প্ৰাণ, পৰিৱেশ। প্ৰকৃতিৰ সকলোলৈ মৌচুমীয়ে আশাৰ স্বপ্ন কঢ়িয়াই আনে। আৰু শৰতৰ সেই স্বপ্নত বাস্তৱত ৰূপায়িত হৈ আশা, সুখ, শান্তি, প্ৰেম, তৃপ্তিৰে প্ৰাণী জগতক জীয়াই থকাৰ মধুৰ মোহনীয়তা আনি দিয়ে।

সেউজৰ কোমল বোল সানি প্ৰকৃতি শ্যামলী হয়। সুনিৰ্মল নীলাঞ্জণা। তাত প্ৰতিভাত হয় স্নিগ্ধ চন্দ্ৰমাৰ ৰূপোৱালী জ্যোতি; হৃদয় টতে কৰা পৰণৰ ধীৰগতি, মুক্ত আকাশৰ তলত। ধৰাৰ বুকুত চন্দ্ৰমাৰে শুভ্ৰ জোণালী জ্যোতিয়ে চিত্তহৰণকাৰী এক স্বপ্ন ৰাজ্যৰ সৃষ্টি কৰি সকলোকে আনন্দ বিভোৰ কৰি তোলে। পূৰ্ণ চন্দ্ৰমাৰে ৰূপালী জ্যোৎস্নাই ধৰাৰ বুকুত দীপালী পাতি চিৰ-প্ৰশান্তি অমিয়া বোৱায়। ৰজনী,শেৱালীয়ে দূৱৰীৰ সেউজ দলিচাত সৰগৰ ফুল বাচে। পুৱা আদিত্যৰ হেঙুল আভাই দুৱৰীৰ আগে আগে তৰু লতিকাৰ সেউজীয়া পাতে পাতে মুকুতা আঁৰে। মুঠতে প্ৰতিটো ক্ষেত্ৰতে এটি সুন্দৰ পৰিৱেশ; হয়তো এইবাবে শৰৎ ঋতুৰাণী হিচাপে বিভূষিতা।

শৰৎ সামাজিক উৎসৱমুখৰ এক পবিত্ৰ ঋতু। এই শৰততে শ্ৰী ৰামচন্দ্ৰই লংকাৰ ৰাৱণক নিধন কৰিবলৈ শক্তিদেৱী দুৰ্গাদেৱীক পূজা কৰিছিল। ইয়াৰোপৰি ভাদ মাহৰ শুক্লা পঞ্চমী তিথিত মহাপুৰুষ শ্ৰীহৰি দেৱৰ আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰ্বিভাৱ হয়। এই শৰততে কৃষ্ণ অষ্টমী তিথিত ভগৱান শ্ৰীশ্ৰী কৃষ্ণই অৱতাৰ গ্ৰহণ কৰে।

সন্ধিয়াৰ নিলাক্ষীত নীৰমুখী বিহংগৰ শাৰীবোৰে দিগন্তৰ বুকুত আঁকি যায় স্মৃতিৰ ৰেখা। শৰৎ এনে বাবেই সুখৰ শান্তিৰ আধাৰ।

শৰত অসমীয়া জাতিৰ আশাৰ স্বপ্ন। লহ পহীয়া সেউজীয়া ৰূপেৰে শস্যৰ কৃষকৰ আশাভৰা আৰু ছন্দ স্পন্দনৰ আশাৰ কাৰেং ৰচে। মাধৰী ৰাতিত অখণ্ড মণ্ডপ শলীৰ ৰূপালী জ্যোৎস্নাৰে বিধেৰি বীণণিৰ বুকুত লখিমীৰ সুকোমল হাতৰ পৰশ পৰি ফল ধৰে।

প্ৰকৃতিৰ বুকুৰ এনে চিন্তাবৰ্ষক সৌন্দৰ্য্যত মুগ্ধ হৈয়ে ইংৰাজ কবি কীটছে কৈছিল, ‘সুন্দৰৰ আৰাধনা জীৱনৰ খেল। ❖❖

# দুখ যেন সুখতকৈ অধিক শক্তিশালী

**ময়ুৰী শৰ্মা**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ



বিচিত্ৰ এই জগত আৰু তাতোতকৈ বিচিত্ৰ এই জগতৰ মানৱ জীৱন। সুখ দুখ, হাঁহি-কান্দোন, আনন্দ-বিষাদ, ভাল-বেয়া, মিলন-বিচ্ছেদ এই সকলোবোৰ মানৱ জীৱনৰ অপৰিহাৰ্য অংগ। এই বোৰৰ অবিহনে মানৱ জীৱনত সুখ আছে বাবে দুখ আছে, মিলন আছে বাবে বিচ্ছেদ, হাঁহি আছে বাবে কান্দোন, আনন্দ আছে বাবে বিষাদ, সৎ আছে বাবে অসৎ, সৌন্দৰ্য আছে বাবে কদৰ্য, শুৱনি আছে বাবে অশুৱনি, শান্তি আছে বাবে শান্তি আৰু জন্ম আছে বাবেইতো মৃত্যু আছে.....। অৰ্থাৎ, পৃথিৱীত অলেখ শব্দ আৰু লগতে শব্দবোৰৰ একোটা বিপৰীত শব্দ আছে। সুখ কি বস্তু, সেই কথা মানুহে অনুভৱ কৰিব পৰা বাবেই দুখ কি, অনুভৱ কৰিব পাৰিলে। ঠিক সেইদৰে মানুহৰ হৃদয়ৰ বিচ্ছেদৰ যন্ত্ৰণা অনুভূত হয় বাবেই মিলনৰ আনন্দও অনুভূত হয়। দুখ পীড়া নথকা হ'লে জানো সুখ শান্তিৰ কিবা অস্তিত্ব থাকিলেহেঁতেন।

অনেক লোকে 'জীৱনৰ ভিন ভিন সংজ্ঞা দিছে। মানুহে আচলতে জীৱনটোক যেনেদৰে অনুভৱ কৰে, তেনেদৰেই জীৱনটোৰ প্ৰতি সংজ্ঞা আগবঢ়ায়। কোনোৱে কয়, জীৱন এক সংঘৰ্ষ' আন কোনোৱে কয়, জীৱন এক অনন্ত ৰহস্য'.........। এনেদৰে অনেক সংজ্ঞাই অশুদ্ধ নহয়। প্ৰত্যেক লোকৰে নিজা নিজা অনুভৱেৰে, নিজা নিজা অভিজ্ঞতাৰে 'জীৱন'ৰ সংজ্ঞা হয়তো প্ৰত্যেকটোৱেই সত্য। 'জীৱন' যে সুখ দুখৰ, আনন্দ-বিষাদৰ, সফলতা বিফলতাৰ, পোৱা নোপোৱাৰ সংমিশ্ৰণ'-এয়াওতো জীৱনৰ এক সত্য সংজ্ঞা। আমি সকলোৱে জানো যে কেৱল সুখ আৰু সুখৰ সমাহাৰ বা কেৱল দুখ আৰু দুখৰ সমাহাৰেইতো 'জীৱন' নহয় পৃথিৱীত হয়তো এনে কোনো মানুহ নোলাব, সি দুখৰ কণমানো ছাঁয়া নোহোৱাকৈ কেৱল সুখৰ আৱৰণতে সমগ্ৰ জীৱনৰ সমাপ্তি কৰিছে। জীৱনত কোনোবাই হাজাৰ সুখৰ গৰাকী হ'লেও দুখৰ সতে এবাৰলৈও পৰিচিত বা মুখামুখি নোহোৱাকৈ থকা নাই। অৱশ্যে দুখৰ মাজতে সুখৰ সন্ধান কৰিব জনা সকলৰ বাবে এই কথা সুকীয়া। তেনে লোকে জীৱনত দুখৰ সৈতে বহুবাৰ মুখামুখি হ'লেও কোনোদিন দুখৰ ওচৰত পৰাজয় বৰণ নকৰে।

দুখক জয় কৰি তেওঁলোকে দুখ লাভ কৰে। এই সুখ দুখ জীৱনৰ অবিচ্ছেদ্য অংগ বুলি জনাৰ পিছতো মানুহৰ বাবে দুখ কিয় হয় ইমান অনাকাংক্ষিত, অনাদৰণীয় আৰু অবাঞ্চিত। তাৰ পৰিৱৰ্তে সুখ হয় সকলোৰে বাবে আকাংক্ষিত, গ্ৰহণীয় আৰু বঞ্চিত। সুখৰ আগমনে মানৱ হৃদয়লৈ কঢ়িয়াই আনে আনন্দৰ হিল্লোল, হৃদয়ত আমাৰ সঞ্চাৰ কৰে, অন্তৰ ভৰাই তোলে সতেজতাৰে, প্ৰশান্তিৰে। অন্যহাতে, দুখৰ আগমনত মানুহৰ অন্তৰ হয় বিষাদগ্ৰস্ত, হৃদয় হয় ক্ষত বিক্ষত আৰু দুচকুত বয় অশ্ৰুৰ ঢল।

'সুখ দুখৰ সমষ্টিয়েই জীৱন', 'দুখৰ অনুভৱ বিষাদময় হয় বাবেই সুখৰ অনুভৱ আনন্দময়, মধুময় হয়'- এনে সত্যবোৰক আমাৰ হৃদয়ে কেতিয়াবা মানি ল'বলৈ টান পায় আৰু তেতিয়াই হৃদয়ৰ দুখৰ ধুমুহাই প্ৰৱল ৰূপ লয়। দুখৰ অৱস্থিতিয়ে হৃদয়ৰ প্ৰৱল ৰূপ ল'লে সুখ হৈ পৰে অস্তিত্বহীন। কেতিয়াবা দুখবোৰ বৰ শক্তিশালী যেন ভাব হয়। এটা মাথো তীব্ৰ দুখৰ ওচৰতো কেতিয়াবা জীৱনৰ প্ৰতিটো সুখ ম্লান পৰি যায় আৰু তেতিয়াই মানুহে হৃদয়ত সেই দুখৰ যন্ত্ৰণাৰ বাদে একো অনুভৱ কৰিব নোৱাৰা হৈ পৰে। চকুৰ সন্মুখত ধূসৰ হৈ পৰে সুখৰ ক্ষণবোৰ আশাবোৰ হেৰাই যায় জীৱনৰ প্ৰতি মোহ আৰু মৃত্যুয়েই হৈ পৰে কাৰোবাৰ বাবে আটাইতকৈ শ্ৰেষ্ঠ। কিন্তু মৃত্যুক আকাংক্ষা কৰিলেই জানো সহজে মৃত্যু কাৰোবাৰ জীৱনলৈ আহিব পাৰে। জীৱনৰ প্ৰতি বিতৃষ্ণা উপজিলেও, মৃত্যুক একান্তই বাঞ্চা কৰিলেও পৃথিৱীলৈ মানুহ যিমান দিনৰ আয়ুস হৈ আহে সিমান দিন জীয়াই থাকিবই। মানুহৰ জন্ম আৰু মৃত্যু ভগৱানৰ হাতত। তথাপিও কিছুমান মানুহে কেতিয়াবা ভগৱানৰ অধিকাৰ যেন কাঢ়ি লয়। অৰ্থাৎ কিছুমানে যেতিয়া দুখত অতিষ্ঠ হৈ জীৱনৰ ঘৃণা কৰিবলৈ ধৰে, তেতিয়াই বাছি লয় আত্মহত্যাৰ দৰে ঘৃণিত পথ। তেনে বহু উদাহৰণো পোৱা যায়। উদাহৰণস্বৰূপে- এজনী ছোৱালীয়ে সঁচা অন্তৰেৰে, তাইৰ জীৱনৰ সমস্ত ভালপোৱাৰে ভালপায় এজন ল'ৰাক। তাইৰ মতে তাইৰ প্ৰেমিকক নাপালে তাইৰ জীৱনৰ কোনো অৰ্থ নাথাকিব। কিন্তু তাইক যদি ঘৰৰ মানুহে জোৰ কৰি অন্য এজন ল'ৰাৰ লগত বিয়া দি দিয়ে, তেন্তে সেই ছোৱালীজনীৰ বাবে তাতকৈ ডাঙৰ দুখ আৰু একো নাথাকে। বিয়াই দিনা আৰম্ভ হয়, এজনী ছোৱালীৰ এক নতুন জীৱন। সেইদিনাই মনে বিচৰাজনৰ লগত তাই এখন সুখৰ সংসাৰ গঢ়াৰ সপোন দেখে। কিন্তু সেই বিয়া যদি তাই হৃদয়েৰে বিচৰাজনৰ লগত নহয়, তেতিয়াই তাইৰ সপোন ভাঙি থান বান হৈ পৰে, বিয়াৰ হোমাগ্নিত তাই জীৱনৰ সমস্ত সুখৰ চিতা জ্বলাই, সমুখতে দেখে তাই দুখময় ভৱিষ্যত। হৃদয়ৰ আপোনজনৰ চকুত চকুৰে ৰচা তাইৰ ৰঙীণ সপোনবোৰ কেনেকৈ দেখিব অন্য কোনোবা অচিনাকি এজনৰ চকুত।

এনে তীব্ৰ দুখৰ যন্ত্ৰণাত যেতিয়া ছটফটাব লগা হয়, জীৱনৰ সমস্ত আশা যেতিয়া হেৰাই যায়, তেনে পৰিস্থিতিতে কিছুমানে বয়স তো বাছি লয় আত্মহত্যাৰ পথ।

ঠিক তেনেদৰে অন্য এটা উদাহৰণমতে, সমাজৰ এজন নামী, প্ৰতিপত্তিশালী লোকে আটাইতকৈ ভয় আৰু ঘৃণা কৰে বদনাম বা কলংকলৈ। কিন্তু দুৰ্ভাগ্য ক্ৰমে তেওঁৰ জীৱনত যদি আকস্মিকভাৱে কলংকৰ দাগ বহে, তেন্তে তেনে অৱস্থাত তেওঁ লজ্জিত হয়, মানুহৰ আগত ওলাবলৈ ভয় কৰে আৰু চৰম হীনমন্যতাত ভুগি বাছি ল'ব পাৰে আত্মহত্যাৰ পথ।

এনে বহুতো উদাহৰণ আছে। সচাঁকৈ, অসহনীয় মানসিক যন্ত্ৰণাই মানুহৰ অন্তৰ ভাঙি চুৰমাৰ কৰি দিয়ে আৰু এনে অসহনীয় যন্ত্ৰণাৰ উপশম বিচাৰি মানুহে আত্মহত্যাৰ দৰে মহাপাপ কৰিবলৈও কুণ্ঠাবোধ নকৰে। এনে কিছুমান ক্ষেত্ৰতে দুখ সুখতকৈ অধিক শক্তিশালী যেন ভাৱ হয়।

❖❖❖❖❖

# ভ্ৰ ম ণ





# শ্বিলং, চেৰাপুঞ্জী ভ্ৰমণৰ মিঠা অভিজ্ঞতাবোৰ



**মিনতি খনিকৰ**

বুৰঞ্জী বিভাগ, স্নাতক ৩ য় বৰ্ষ

ভ্ৰমণ এক মন পুলকিত কৰা, আনন্দদায়ক, আমেজভৰা অভিজ্ঞতা লাগিলে ই দুৰ ভ্ৰমণেই হওঁক বা ওচৰ ভ্ৰমণেই হওঁক। বৰ্ত্তমান সময়ৰ যান্ত্ৰিকতাই ৰহণ সনা ব্যস্তময় জীৱনত সুৰুঙা উলিয়াই কেইমুহুৰ্তমানৰ কাৰণে কৰা এনে ভ্ৰমণে নিৰস জীৱনটোকো প্ৰাণ প্ৰাচুৰ্য্যময় কৰি তোলে।

উক্ত কথাষাৰ মনত ৰাখিয়েই আমিও এইবছৰ এটা সৰু ভ্ৰমণ কৰিছিলো। সেইয়া আছিল আমাৰ কলেজৰ 'শিক্ষা বিভাগ'ৰ ফালৰ পৰা মেঘালয়ৰ ৰাজধানী প্ৰাকৃতিক শোভা পূৰ্ণ শ্বিলংলৈ যাক 'প্ৰাচ্যৰ স্কটলেণ্ড' নামেৰে জনা যায়। যদিও মই 'শিক্ষা বিভাগ'ৰ ছাত্ৰী নহয়, তথাপি শিক্ষা বিভাগৰ ছাৰ-বাইদেউসকলৰ কৃপাত মোৰ এই শ্বিলং ভ্ৰমণৰ সৌভাগ্য ঘটিছিল। সৰুৰে পৰা ইচ্ছা আছিল শ্বিলং চোৱাৰ আৰু এইবাৰ মোৰ এই ইচ্ছা ভগৱানে পূৰণ কৰাত সঁচায়ে বহুত আনন্দ লাগিছিল, ধন্যবাদ জনাইছিলো ভগৱানক।

অসমৰ আকাশে-বতাহে শাৰদী ৰাণীক আদৰাৰ প্ৰস্তুতিৰ বতৰতে অক্টোবৰ মাহৰ ২৬ তাৰিখে আমি আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো শ্বিলং অভিমুখে। আগতে ছাৰ-বাইদেউসকলে দি থোৱা সময় অনুসৰি সন্ধিয়া প্ৰায়৭.৩০ মান বজাত আমি ২৫ জনীয়া ছাত্ৰীৰ দ'লটো কলেজত লগ লাগিছিলো। শিক্ষা বিভাগৰ কুসুম ফুকন বাইদেউ, অণু শৰ্মা বাইদেউ, ৰণ্টু গোঁহাই ছাৰ ইংৰাজী বিভাগৰ শিৱপ্ৰসাদ মিলি ছাৰ আৰু গাইড দুজন সকলো আহি সময়মতে উপস্থিত হৈছিলহি। আটাইখিনি গোট খোৱাৰ পাছত এটা সময়ত বাছ আহিল আৰু সকলোৱে প্ৰিয়জনৰ পৰা বিদায় লৈ বাছত উঠিলো। প্ৰায় ৮.৪৫ বজাত বাছ ষ্টাৰ্ট হ'ল। ভগৱানৰ নাম লৈ বহি ল'লো।

গাড়ী আগবাঢ়িছিল। ছোৱালীবোৰে নিজৰ নিজৰ চিটৰ পৰাই চিঞৰি চিঞৰি কথা পাতিছিল। কোনোবাই কোনোবাই মোবাইলত গান বজাইছিল। খিৰিকিৰে বাহিৰলৈ চালো। শৰতৰ কুৱঁলিসনা আন্ধাৰৰ মাজেৰে ৰাস্তাৰ কাষৰ ধাননি পথাৰ, ঘৰ-দুৱাৰ, গছ-গছনিৰে সৈতে আকাশখনৰ দৃশ্য অপূৰ্ব হৈ পৰিছিল। চিনাকি ঠাইবোৰ যেন অচিনাকি হৈ পৰিছিল। সেই মুহূৰ্ত্তত অনুভৱ হৈছিল সঁচায়ে অসমখন বৰ ধুনীয়া। বাছৰ শেষৰ ফালে বহাৰ কাৰণে যথেষ্ট থেকেচনি খালো। শেষ নিশালৈ টোপনি আহিছিল আৰু সেয়ে গাড়ীৰ থেকেচনিকও আওকান কৰি শুই পৰিলো।

পুৱা প্ৰায় ৫ মান বজাত সাৰ পালো। গম পালো গুৱাহাটী পাবলৈ আৰু বেছি দুৰ নাই। ছোৱালীবোৰ এজনী দুজনীকৈ সাৰ পাইছিলো। সকলোৱে মুখত ৰাতি টোপনি ধৰা-নধৰাৰ কথা -

- " মোৰ যে একেবাৰে টোপনি নধৰিলে, তই কিন্তু আজি ভাল শোৱন দিলি। দেই, কেইবাৰ মাতিলো গমকে নাপাব হাঃ হাঃ ইত্যাদি ইত্যাদি।" সকলোৱে মুখৰ চুলি আঁচু ৰি, কাপোৰ কানি থিক কৰি ললে। ৫.৩০ মান বজাত গুৱাহাটীত আমাৰ বাছ ৰখালে। গাড়ীৰ পৰা নামি সকলোৱে এঠাইত মুখ হাত ধুই ফ্ৰেচ হৈ ল'লো। ইতিমধ্যে লগত যোৱা গাইড দুজন আৰু ছাৰহঁতে তিনিখন চুমু যোগাৰ কৰিলে গুৱাহাটীৰ পৰা শ্বিলং যাবলৈ। সকলোৱে সুবিধামতে ছুমু তিনিখনত উঠিলে। আমাৰ ছুমুখনত ৰণ্টু গোহাঁই ছাৰ, মিলি ছাৰ, মোৰ লগৰ পুনম, বিজয়লক্ষ্মী, শিখা, ত্ৰিবেণী, চিত্ৰালী, পল্লৱী, প্ৰিয়ংকা আৰু মই, ড্ৰাইভাৰ জনৰে সৈতে ১১ জন যাত্ৰী আছিলো।

তিনিখন ছুমুৱে আমাৰ দলটো আগবাঢ়িছিল গুৱাহাটীৰ পৰা শ্বিলং অভিমুখে। ইতিমধ্যে পুৱাৰ ব'দজাকে খিৰিকীৰ গ্লাচ ভেদি গাত পৰিছিলহি। গুৱাহাটীৰ পৰা শ্বিলং পাবলৈ ৩/৪ঘণ্টা সময় লাগে বুলি আগতে শুনিছিলো। সেয়ে মনটো ভাল লাগিছিল শ্বিলং পাবলৈ আৰু বেছি সময় নাই বুলি ভাবি। লগৰকেইজনীৰ মাজত শেহতীয়া চিনেমা 'ভোল-ভোলাইয়া', 'ছাৱৰীয়া' চিনেমাৰ কাহিনী, গান, হিৰ' হিৰয়নিৰ বিষয়ে আলোচনা চলিল। গুৱাহাটীৰ পৰা অকোৰা পকোৰা ৰাস্তাৰে মেঘালয়ৰ মাজেদি আমাৰ গাড়ী আগবাঢ়িল। যিমানে গাড়ী আগবাঢ়িছিল। সিমানে সুন্দৰ হৈ আহিছিল মেঘালয়ৰ দৃশ্য। একাষে পাহাৰ আৰু আনটো কাষে থিয় গড়াৰ মাজেৰে আগবঢ়া ৰাস্তাৰ কাষৰ পাইন গছৰ শাৰী, পাহাৰত গাত লাগি থকা নাম নজনা বনৰীয়া গছ লতিকা পাহাৰৰ বুকুৰেদি বৈ অহা জানজুৰিৰে সৈতে সচাঁয়ে বহুত ধুনীয়া মেঘালয়ৰ প্ৰাকৃতিক দৃশ্য। ইটোতকৈও সিটো সুন্দৰ দৃশ্য দেখি আমাৰ গা মন নাচি উঠিছিল, সকলোৰে মুখত কেৱল বাঃ, বা ....... ও, শব্দ। চিত্ৰালী আৰু ত্ৰিবেণীয়ে আবেগতে চিঞৰি দিছিল। ৰণ্টু গোঁহাই ছাৰে আনকি কবিতা এফাঁকি ৰচি লৈ গাই শুনালে। ৰাস্তা কাষৰ খাচী মানুহৰ চাপৰ চাপৰ ঘৰবোৰ দেখিবলৈ বৰ ধুনীয়া, একেবাৰে আঁকি থোৱা যেন লাগে। গৈ থাকোঁতে ৰাস্তাত কিছুমান খাচী মানুহ বিশেষকৈ মহিলা মানুহবোৰক ব্যস্ততাৰে ঘূৰি ফুৰা দেখিছিলো। আমাৰ গাড়ীৰ ড্ৰাইভাৰজনে তেতিয়া কৈছিল যে শ্বিলঙতহেনো ল'ৰাই - ছোৱালীক বিয়া কৰোৱাৰ পৰিবৰ্তে ছোৱালীয়েহে ল'ৰাক বিয়া কৰায়। ঘৰৰ মতা মানুহজনতকৈ মানুহগৰাকীয়েহে হেনো উপাৰ্জন কৰে, মতা মানুহজনে হেনো ঘৰ চম্ভালে। কথাষাৰ শুনি সঁচায়ে আচৰিতো লাগিছিল, হাঁহিও উঠিছিল। আটায়ে নিজকে শ্বিলংৰ বাসিন্দা ৰূপত কল্পনা কৰি হাঁহিত ফাটি পৰিছিল। এইদৰে কিছুদূৰ যোৱাৰ এখন হোটেলৰ সন্মুখত গাড়ী ৰখালে। তাত আমি সকলোৱে নামি দুপৰীয়াৰ আহাৰ খাই ললো। তাৰ পাছত পুনৰ যাত্ৰা। এইবাৰ আমি পালোগৈ বৰাপানী হ্ৰদৰ দৃশ্য সঁচাকৈয়ে বৰ্ণনাতীত। দুপৰীয়াৰ ৰ'দজাকে হ্ৰদৰ পানীৰ লগত খেলা কৰি সেই ঠাইৰ ৰূপ অধিক মোহনীয়া কৰি তুলিছিল। গাড়ী ৰখাই আমি সেই ঠাইৰ ফটো ল'লো। সুন্দৰ সুন্দৰ দৃশ্যৰ মাজেৰে আমাৰ তিনিওখন গাড়ী আগা পিছাকৈ আগবাঢ়িছিল। প্ৰায় ১২.৪৫ মান আমি শ্বিলং চহৰ পালোগৈ।

আমাৰ লক্ষ্যস্থান শ্বিলং পালোহি বুলি ভাবি মনটো ভাল লাগিছিল। কল্পনাৰ শ্বিলংখন এতিয়া চকুৰ আগত পাই খুব আনন্দ লাগিছিল। আমি যোৱা ছুমুকেইখন ড্ৰাইভাৰে পাৰ্কিং ষ্টেণ্ডত ৰখালে। তাৰ পৰা আমি আগতীয়াকৈ বুক কৰি থোৱা হোটেল 'হোটেল এলগিন'লৈ গলো। পাঁচ মহলাৰ এটা ৰূমত আমি থাকিবলৈ পালো। ৰূমমেট পুনম, বিজয়লক্ষ্মী, শিখা, ত্ৰিবেণী আৰু চিত্ৰালী। ৰূমত সোমায়েই গা-পা ধুই ফ্ৰেচ হৈ ল'লো। অলপ সময় জিৰণি লৈ আমি পুনৰ ওলাই আহিলো আৰু ভাত -পানী খাই-ল'লো।

প্ৰায় ৩ মান বজাত আমি এইবাৰ শ্বিলং পিকলৈ বুলি ৰাওনা হ'লো আগৰ ছুমু তিনিখনেৰেই। শ্বিলংৰ ব্যস্তময় চহৰ এৰি গাড়ী আগবাঢ়িল শ্বিলং পিক অভিমুখে। গাড়ীৰ ডেকত হিমেশ ৰেছমিয়াৰ 'আপকি কাচিচ' ....... গানটো বাজিছিল। আমি সকলোৱে ডেকৰ লগে লগে চাপৰি বজাই গালো। পাহাৰ কাটি কাটি ওলিওৱা ৰাস্তাৰে গৈ গৈ আমি এটা সময়ত পিকত উপস্থিত হৈছিলোগৈ। তেতিয়া প্ৰায় ৪ বাজিছিল। পিকত সেই সময়ত বহুত মানুহ আছিল। পিকৰ পৰা তললৈ চালে গোটেই শ্বিলং চহৰখন আৰু ইয়াৰ আশে পাশে থকা অঞ্চলবোৰ দেখা পোৱা যায় বুলি আগতে কিতাপত পঢ়িছিলো। এতিয়া নিজ চকুৰে সেই দৃশ্য দেখা পাই খুব আনন্দ লাগিছিল। কুঁৱলিৰ আৱৰণৰ মাজেৰে পিকৰ পৰা শ্বিলংখন সঁচায়ে মায়াপুৰী যেন লাগিছিল। আমি সকলোৱে তাত ফটো ললো। শ্বিলংৰ ঠাণ্ডাই যেন তেতিয়াই সকলোকে আক্ৰমণ

কৰিছিলোঁ। খুব চেঁচা বতাহ বলি আছিল। পিকত দুখনমান দোকানো আছিল। তাত বাইদেউহঁতে ঠাণ্ডাত চাহ খালে। প্ৰায় ৪.৪৫ বজাত আমি পিকৰ পৰা উভতিলো হোটেললৈ বুলি। সকলোৱে গান জুৰিলে। তাৰ মাজতে খিৰিকিৰে দেখিছিলো পাহাৰ কাটি-কাটি উলিওৱা ক্ৰমান্বয়ে তললৈ গৈ আছে এডাল ক'লা সাপৰ দৰে। এটা সময়ত আহি আমি শ্বিলং চহৰ পালোহি। ইতিমধ্যে সন্ধ্যা লাগিছিল। গাড়ীৰ পৰা নামি আমি মাৰ্কেট কৰিবলৈ বুলি আগবাঢ়িলো। সন্ধ্যাৰ শ্বিলং নগৰীৰ অপৰূপ সৌন্দৰ্য্য বৰ্ণনাতীত। ওখ ওখ দোকান পাহাৰ বিলাকত বিভিন্ন ৰঙী লাইটৰ বাহাৰ, বিভিন্ন বিজ্ঞাপনৰ ডাঙৰ ডাঙৰ পষ্টাৰ অমৃত পাল, জুবিন গাৰ্গৰ ডাঙৰ ডাঙৰ পষ্টাৰ, গাড়ী মটৰ লামিৰ সৈতে ব্যস্তপূৰ্ণ শ্বিলং চহৰখন কোনোবা বিদেশী চিটি যেন লাগিছিল। আমক এখন মাৰ্কেটত মাৰ্কেট কৰিবলৈ দিয়া হ'ল। তাতে আমি সকলোৱে মাৰ্কেট কৰি প্ৰায় ৪.০০ বজাত আমি হোটেল সোমালোহি। অলপ সময়ৰ পাছতে হোটেলতে ভাত খাবলৈ দিলে। ভাত খাই অলপ সময় টি.ভি. চালো। দুদুনীয়া ভাগৰত সেইদিনা সোনকালে টোপনি ধৰিছিল। কথা পাতি হাঁহি হাঁহিয়েই আটাইকেইজনী কেতিয়া শুই পৰিলো গমকে নাপালো।

২৪ তাৰিখ, দেওবাৰ। পুৱা ৫.৩০ বজাত সাৰ পালো। আগদিনা ছাৰহঁতে ৭ বজাত ৰেডি হ'ব লাগিব বুলি কৈছিল। সেই কাৰণে আটাইকেইজনীয়ে চিএৱৰ-বাথৰ কৰি থকা খুন্দাকৈ গা-পা ধুই ওলালো। ইতিমধ্যে হোটেলত ব্ৰেকফাষ্ট দিলে। ব্ৰেকফাষ্ট কৰি ৰুমৰ পৰা ওলাই আহিলো। ৭.৩০ মান বজাত ছুমুকেইখন আহিল। আটায়ে নিজৰ নিজৰ চিটত বহি লচলো। এইবাৰ আমাৰ যাত্ৰা চেৰাপুঞ্জীলৈ।

চেৰাপুঞ্জী, যি পৃথিৱীৰ ভিতৰতে বেছিকৈ বৰষুণ হোৱা ঠাই। শ্বিলংৰ পৰা চেৰাপুঞ্জীলৈ দূৰত্ব প্ৰায় ৫৫কি.মি.। শ্বিলংৰ পৰা চেৰাপুঞ্জীলৈ যোৱা এই সুদীঘ বাটছোৱাৰ প্ৰাকৃতিক সৌন্দৰ্য্য শ্বিলংতকৈও সুন্দৰ। ৰাস্তাৰ কাষতে যেন পাহাৰবোৰ লাগি আছে। সেউজীয়া পাহাৰবোৰে ইটোৰ গাত সিটো যেন লাগি আছে। পাহাৰৰ নামনি ভাগেদি বৈ যোৱা জান-জুৰি, আকৌ হঠাতে সেউজীয়া মসৃণ সমতল ভূমি যেন দলিচাহে পাৰি থোৱা আছে। মাজে মাজে কোনো কোনো ঠাইত মানুহৰ বসতি আছে যদিও সেৰেঙা। গাড়ীত বাজি থকা গানৰ তালে তালে আমাৰ গাড়ী আগবাঢ়িছিল। ১০.৪৫ বজাত আমি আমাৰ লক্ষ্যস্থলী মৌছমাই গুহা পালোগৈ। আমি গুহাৰ ভিতৰলৈ সোমালো। ভয় লাগিছিল যদিও লগৰ কেইজনীৰ সাহসতে পাছে পাছে আগবাঢ়িছিল। গুহাৰ ভিতৰখন সঁচাই আশ্বৰ্য্যজনক। ঠাইতে খুব ঠেক আকৌ অলপ বহল। মেটুৰা মেটুৰি বেৰৰ সুৰংগৰ মাজেদি আমি খুপি খুপি আগবাঢ়িলো। মাজে মাজে লাইট দিয়া আছিল। সেইবোৰ ঠাইতে আমি ফটোত উঠি ল'লো। লগত যোৱা ৰণ্টু ছাৰে বিহুগীত জুৰি আমাৰ ভয় ভাৱবোৰ নোহোৱা কৰি দিছিল। গুহাৰ ভিতৰৰ আমাৰ এই যাত্ৰা সঁচাই বৰ আনন্দদায়ক আছিল। সেই সময়ত নিজকে একো একোজন দুঃসাহসিক অনুসন্ধানকাৰীৰ দৰে অনুভৱ হৈছিল।

মৌছমাই গুহাৰ পৰা আহি আমি এইবাৰ বাংলাদেশ বৰ্ডাৰ চাবলৈ গ'লো। ভাৰতৰ সীমান্ততে থকা বাংলাদেশখন নিজ চকুৰে এপৰৰ পৰা দেখা পাই এক বুজাব নোৱাৰা অনুভূতি হৈছিল। অলপ সময় তাত বৈ পুনৰ আমাৰ যাত্ৰা আৰম্ভ কৰিলো।

এই বাৰ আমাৰ গাড়ী আগবাঢ়িছিল এলিফেন্ট জলপ্ৰপাতৰ অভিমুখে। চেৰাপুঞ্জীৰ প্ৰাকৃতিক শোভাপূৰ্ণ পৰিবেশৰ মাজেদি আমাৰ চেৰাপুঞ্জীৰ পৰা এই উভতনি যাত্ৰাও আছিল খুব আনন্দদায়ক। অলপ সময় অহাৰ পাছত এঠাইত আমাৰ গাড়ী ৰখালে। খাচী মহিলাই দিয়া ৰাস্তাৰ কাষৰ দুখন সৰু হোটেলত আমি সকলোৱে ভাত খাবলৈ বুলি বহিলো। আলু ভজা, তিতা কেৰেলাৰ ভজা আৰু দাইলে আৰু খাচী মহিলা সকলে নিজে বনোৱা আচাৰে ভাত খাই সঁচায়ে বৰ তৃপ্তি পালো, একেবাৰে ঘৰত খোৱা নিচিনা লাগিলে। ভাত খাই বৈ আমি কাষতে থকা নামৰ সুন্দৰ দলংখনত অলপ সময় ফুৰিলোঁ। ইতিমধ্যে চেৰাপুঞ্জীৰ স্বভাৱগত ভাৱেৰে আহি সেই ঠাই আৱৰি ধৰিছিলহি, ঠাণ্ডা লাগিছিল। আমি পুনৰ গাড়ীত উঠিলো আৰু যাত্ৰা আৰম্ভ কৰিলো।

এলিফেন্টা জলপ্ৰপাত, যি শ্বিলংৰ এটা বিখ্যাত সুন্দৰ ডাঙৰ জলপ্ৰপাত। এলিফেন্টা জলপ্ৰপাত চাবলৈ বুলি আমি গাড়ীৰ পৰা নামিলো। টিকট কাটিব লাগেএই জলপ্ৰপাত চাবলৈ। নামি গ'লো তললৈ জলপ্ৰপাত চাবলৈ বুলি। এই জলপ্ৰপাতটো তিনিটা ষ্টেপত শেষ হৈছে। প্ৰথম ষ্টেপটোৰ পৰা অলপ তললৈ গৈ দ্বিতীয়টো ষ্টেপ আৰু তাৰ পৰা অলপ তললৈ গৈছে তৃতীয় ষ্টেপটো দেখা পোৱা যায়। আটাইকেইটাই দেখিবলৈ খুব সুন্দৰ।

# মোৰ দিল্লী ভ্ৰমণৰ অভিজ্ঞতা





**মিছ ববিতা জ্যোতি নেওগ**
স্নাতক প্ৰথম বৰ্ষ

২০05 চনৰ অক্টোবৰ মাহৰ৭ তাৰিখ। সেই সময়ত মই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী আছিলো। উচ্চতৰ মাধ্যমিক শ্ৰেণীলৈ উত্তীৰ্ণ হওঁতেই শিক্ষামূলক ভ্ৰমণৰ প্ৰতি মনত এটা অদম্য হেঁপাহ জাগি উঠিছিল। অৱশেষত সেই হেপাঁহ পূৰ্ণ হোৱাৰ দিন আহিল্। আমাৰ বিদ্যালয়ৰ পৰা শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্যে দিল্লীলৈ যাবলৈ সিদ্ধান্ত ল'লো।

নোপোৱাক পোৱা আৰু নেদেখাক দেখাৰ অফুৰন্ত আশা বুকুত বান্ধি আমি যাত্ৰা আৰম্ভ কৰিলো। আমাৰ ৰেল আছিল গুৱাহাটীৰ পৰা দিনৰ ১০ বাজি ৩০ মিনিটত। সেই কাৰণে আমি ৭ তাৰিখে নিশা ৮ বাজি ৩০ মিনিটত গুৱাহাটী অভিমুখে ৰাওনা হ'লো। ৮ তাৰিখে পুৱা ৬ বাজি ৩০ মিনিটত আমি সকলো গৈ গুৱাহাটী ৰেল ষ্টেচনত উপস্থিত হ'লোগৈ।

আমাৰ লগত বিদ্যালয়ৰ চাৰিগৰাকীমান শিক্ষক শিক্ষয়িত্ৰীৰ লগতে কেইবাজনো অভিভাৱকো আছিল। আমি সঠিক সময়তকৈ বহুত আগতেই ষ্টেচনত উপস্থিত হোৱাৰ কাৰণে নাথ চাৰে আমাক যাত্ৰী জিৰণি কোঠাতে বহিবলৈ কলে। আমি সকলোৱে মুখ হাত ধুই কিবা-কিবি অলপ খাই ল'লো। কিন্তু আমি হঠাৎ জানিব পাৰিলো যে নাথ চাৰৰ লগত অহা টিকটৰ বেগটো তেওঁৰ লগৰ মানুহ এজন যোৱা ৰেলখনত গুচি গ'ল। মানুহজন আছিল নাথ চাৰৰ বন্ধু। তেওঁ বঙাইগাঁৱলৈ গৈছিল। আমি সকলো বিমুৰত পৰিলো। অলপ সময়ৰ পাছত চাৰে বেগটো অনাৰ সুবিধা উলিয়ালে। আকৌ এটা খবৰ পালো যে আমি যাব লগা ৰেলখন ৰচ বজাতহে আহিব। অৱশেষত ১২ বাজি ৩০ মিনিটত ৰেল আহি পালেহি আৰু ১২ বাজি ৪৫ মিনিটত ৰেলখনে দিল্লী অভিমুখে গতি ললে। আমি যাত্ৰা কৰা ৰেলখনৰ নাম আছিল 'সম্পৰ্ক ক্ৰান্তি'।

আগতে কেতিয়াও ৰেলত উঠি পোৱা নাছিলো। জীৱনত প্ৰথমবাৰৰ বাবে ৰেলত উঠাৰ অভিজ্ঞতা হ'ল এই শিক্ষামূলক ভ্ৰমণটোৰ কাৰণেই। মই কম্পাৰ্টমেণ্টৰ একেবাৰে তলৰ বিচনাখন ল'লো। আমাৰ লগত নাথ চাৰৰ লগতে অৰুণা, স্মৃতি, মৌচুমী আদিকে ধৰি ৬ জনী ছোৱালী আছিলো। আমাৰ দলটোত মুঠতে ২৫ জনী ছোৱালী আছিলো। প্ৰত্যেকৰ কম্পাৰ্টমেণ্টতে

একোজনকৈ চাৰ-বাইদেউ বা অভিভাৱকক ৰখা হৈছিল। যাওঁতে আমি ৰেলত ফুৰ্ত্তি কৰিলো। কোনোৱে অন্তাক্ষৰী খেলিলে। কোনোৱে আকৌ অভিনয় কৰিলে।

প্ৰায় দুপৰীয়া সময়তে আমাক ভাত দি গ'লহি। ভাতৰ লগত থাকে দাইল, চবজি, আচাৰ আৰু লগত এটাকৈ পানীৰ পেকেট থাকে। প্ৰথমবাৰৰ কাৰণে ৰেলত ভাত খোৱাৰ আমেজ অনুভৱ কৰিলো। ভাত, চবজি বিলাকৰ সিমান সোৱাদ নাছিল যদিও গৈ থকা ৰেলত খোৱাৰ বাবে সোৱাদটো নিজেই আহি গৈছিল।

আবেলি সময়ত প্ৰায় ৩ মান বজাত আমি 'পঞ্চৰত্ন' দলং পাৰ হ'লো। তাৰ পিছত ক্ৰমে অভয়াপুৰী, চিলিগুৰি, বিহাৰ, জবলপুৰল, মৌকামা-মকাঁমাজ, বাড়, টিকা, ফটুহাপুৰ, পাটনা, ফুলবাৰী, দানাপুৰ, বিহতা, আঁৰা, বতাহি, বক্সাৰ, চৌসা, কৰমনা সা, মাৰাকাল, ভদৌৰা, ঘীনা, সকলদিহা, কুচমালী, মুগলচৰাই, মিৰ্জাপুৰ, বিন্ধ্যাচল, ভীৰপুৰ, সুবেদাৰগঞ্জ, ৰসুলাবাদ, ফটেহপুৰ আদি বিভিন্ন ষ্টেচন অতিক্ৰম কৰিলো। এনেদৰেই আমাৰ যাত্ৰা অব্যাহত থাকিল।

পাটনা ষ্টেচনত ৰেলখন অলপ দেৰী ৰাখিছিল। ইয়াতে এটা ডকাইতে আমাৰ লগত যোৱা এগৰাকী বাইদেউৰ ডিঙিৰ পৰা এপাত সোণৰ চেইন কাঢ়ি নিলে। চেইনপাত হাততে হেৰুৱাব লগা হোৱাত বাইদেউ দুখতে ভাগি পৰিল। মই কিন্তু কোনো সোণৰ বস্তু পিন্ধা নাছিলো। এইবিলাক কথাত মই ঘৰতেই সতৰ্ক হৈ গৈছিলো। অলপ সময়ৰ পাছত বাইদেউৰ কম্পাৰ্টমেণ্টটোত থকা কেইজনীমান ছোৱালীয়ে 'বাইদেৱে তোক মাতিছে' বুলি অকস্মাতে মোক লৈ গ'লহি। বাইদেউৰ ওচৰত গৈহে গম পালো যে সিহঁতে মোক বাইদেউৰ মনটো ভাল লগাবৰ কাৰণে কিবা কিবি ৰসিক কথা ক'বলৈ মাতি নিছে। মই কোনোবা এজনৰ অভিনয় কৰি দেখুৱালো আৰু বাইদেৱে খুউব হাঁহিলে। মোৰো মনটো ভাল লাগিল বাইদেউক অকণমান আনন্দ দিব পৰা বাবে। বাইদেউৰ ঘটনাটোৰ পৰাই সকলো সতৰ্ক হৈ পৰিলো পিছত যাতে এনে কোনো ঘটনা নহয়।

ৰেলত যাওঁতে মই একেবাৰে খিৰিকিৰ কাষতে বহিছিলো। যাতে মই বাহিৰৰ প্ৰাকৃতিক দৃশ্যৰ লগতে বিভিন্ন ঠাই, বিভিন্ন বস্তু তন্ন তন্নকৈ চাই যাব পাৰো। ফটেহপুৰ মানলৈকে ঘৰবোৰ আছিল চাপৰ চাপৰ, কিছুমান ঘৰত দেখিবলৈ পালো ঘৰবোৰৰ দেৱাত জুই জ্বলাবৰ কাৰণে ঘুৰণীয়াকৈ হাতৰ চাপ বহুৱাই গোবৰ লগাই থয়। ইয়াত শাৰী শাৰীকৈ বহুত খেজুৰ গছ আছে। তাত কিছুমান মাটিৰে সজা ঘৰও আছে। আমাৰ অসমৰ ঘৰ সজা পদ্ধতি আৰু তেওঁলোকৰ ঘৰ সজা পদ্ধতিৰ মাজত যথেষ্ট পাৰ্থক্য আছে।

আমি যিমান দূৰলৈ গৈ আছো সিমানে আমাৰ ছোৱালীবিলাকৰ মনত হিজৰা বিলাকক লৈ ভয় বাঢ়ি গৈ আছে। আনৰ মুখত শুনিছিলো যে বাহিৰৰ ঠাইবিলাকত হিজৰা বিলাকৰ প্ৰভাৱটো বেছি। আমাৰ মাজৰ কোনেও আগতে হিজৰা দেখা নাছিল। প্ৰায় আবেলি সময়ত আমাৰ ডবাটোত এটা হিজৰা উঠিল। আমাৰ সকলোৱে বিৰাট ভয় লাগিল। ওচৰতে দুজন চি.আৰ.পি. এফৰ জোৱানো বহি আছিল। হিজৰাটোৱে প্ৰথমে তেওঁলোককেই পইচা খুজিলে। প্ৰথমে দুটা হাত চাপৰি মাৰে আৰু তাৰ পিছত পইচা খোজে। এইবাৰ আমাৰ পাল। সি আমাৰ ফালে আহিল আৰু আমাক ক'লে 'বাইদেউহঁত নহী দেংগে?' সি সম্ভৱ আমি কোনো স্কুল কলেজৰ পৰা অহা বুলি গম পালে নে কি নাজানো। সি আমাৰ চাৰ ক'ত আছে সুধিলে। সেইসময়ত ভাগ্যক্ৰমে চাৰ আমাৰ কম্পাৰ্টমেণ্টটোত নাছিল। সেইকাৰণে আমি একো দিবলগীয়া নহ'ল আৰু তাৰ পৰা সোনকালেই হাত সাৰিলো।

আমি দুপৰীয়া যাত্ৰা আৰম্ভ কৰাৰ কাৰণে ব্ৰেকফাষ্টৰ সোৱাদ লব পৰা নাছিলো। পিছৰদিনাখনেই ইয়াৰ সোৱাদ লবলৈ পালো। ৰাতিপুৱা ৭মান বজাত আমাৰ কাৰণে ব্ৰেকফাষ্ট দি গ'লহি। ব্ৰেকফাষ্টত থাকে আলু চ'প, ব্ৰেড, টমেট'চচ আৰু এটা পানীৰ পেকেট থাকে।

যেতিয়া কোনো ষ্টেচনত ৰেলখন ৰখায় তেতিয়া কোনোবাটো ষ্টেচনত এটা বা দুটা ল'ৰা বা ছোৱালী প্ৰত্যেক কম্পাৰ্টমেণ্ডতে ঝাড়ু মাৰিবৰ কাৰণে উঠে আৰু তাৰ বাদ সিহঁতক কিবা দিব লাগে (পইচা, যিকোনো খোৱা বস্তু)। ৰাতি ১০ মান বজাত আমাক ভাত দিছিলহি। সেইটো সময়তে ঝাড়ু দিবৰ কাৰণে এটা সৰু ল'ৰা আমাৰ কম্পাৰ্টমেণ্টটোত সোমাল। ঝাড়ু দিয়াৰ পাছত তাক পইচা লাগে। সেইদিনাখন আমাক ভাতৰ লগত চুজিৰ বাতি একোটাকৈ দিছিল। আমি আটাইকেইজনীয়ে চুজিৰ বাতি কেইটাকে দি দিলো। ল'ৰাটোৱে মনত বৰ আনন্দ পালে। অলপদূৰ যোৱাৰ পাছত আমাৰ

ডবাটোত এগৰাকী মহিলা উঠিল। তাইৰ হাতত এটা বেগ আৰু বেগটোৰ ভিতৰত নীলা পলিথিননেৰে মেৰিওৱা কিবা বস্তু আছিল। তাই আহি আহি আমাৰ কম্পাৰ্টমেণ্টৰ কাষৰ চিট এটাৰ তলত বেগটো থৈ ৰেলখনে লাহে লাহে গতি লোৱাৰ লগে লগে ৰেলৰ পৰা জপিয়াই দিলে। আমি সকলোৰে বেগটোক লৈ চিন্তাত পৰিলো। কিজানি বেগটো বোমা-বাৰুদ আছে। ওচৰৰ মানুহ বিলাকৰ মাজত হুলস্থুল লাগি গ'ল। অলপ দেৰীৰ পাছত চি.আৰ.পি.এফৰ জোৱান এজনে বেগটো ৰেলৰ বাহিৰলৈ পেলায় দিলে। তেতিয়াহে আমাৰ মনটো অলপ পাতল লাগিল। পিছতহে গম পালো যে বেগটো দলিয়াই থৈ যোৱা মানুহজনী মানসিক বিকাৰগ্ৰস্ত আছিল।

৯ তাৰিখে পুৱতি নিশা ১ বাজি ৩০ মিনিটত ৰেলখন আমাৰ গন্তব্য স্থান নতুন দিল্লীত উপস্থিত হ'লগৈ। আধা ঘণ্টামান সময় আমি যাত্ৰী জিৰণি কোঠাত কটোৱাৰ পাছত আমি সকলো 'কেৰণ পেলেচ' নামৰ হোটেলখনলৈ যাবলৈ ওলালো। আমাৰ বস্তু বাহানিবোৰ কমেও ৫খন মান বিক্সাত উঠাই দিয়া হ'ল আৰু আমি ২ বাজি ১৫ মিনিটমানত হোটেল পালোগৈ। আমি 'পাহাৰ গঞ্জ' নামৰ ঠাইত আছিলো।

পিছৰ দিনা অৰ্থাৎ ১০ তাৰিখে সকলোৰে ব্ৰেকফাষ্ট কৰি Touristৰ গাড়ীত দিল্লীৰ দাঁতি কাষৰ অঞ্চলবিলাক চাবলৈ গ'লো। সেইদিনা আমাক দেখুৱালে, ৰাষ্ট্ৰীয় আধুনিক কলা সংৰক্ষণ কেন্দ্ৰ, নিৰ্মলা দেশপাণ্ডে ভৱন, গান্ধী স্মৃতি, নেহৰু ভৱন — এই ভৱনত আছে, বৃটেইনৰ মহাৰাণীৰ মুকুতৰ প্ৰতিকৃতি, নেহৰুৰ পোছাক, এযোৰ গ্ৰাউন, ছবি ঘৰ, অধ্যক্ষ বহা কোঠা, কিতাপ বিক্ৰী কেন্দ্ৰ ইত্যাদি। নেহৰু ভৱনত এইবিলাক দেখাৰ পিছত আমি দেখিলো বিৰলা মন্দিৰ-- এই মন্দিৰটো সাজিছিল ৰাজা বলদেৱ ৰাজ পীল্লনে, এই মন্দিৰটো চোৱাৰ পিছত ক্ৰমে লক্ষ্মীনাৰায়ণ মন্দিৰ, বৌদ্ধ বিহাৰ, ইন্দিৰা গান্ধী স্মৃতি ভৱন, ৰাষ্ট্ৰপতি ভৱন, বিৰলা ভৱন, বিজয় চৌক, ইন্দিয়া গেট, সৰ্বভাৰতীয় হস্ততাঁতশাল সংস্থা, কুটুবমিনাৰ আৰু সৰ্বশেষত আমাক দেখুৱালে 'জামপুৰ শিৱ মন্দিৰ' ইয়াত বহুতো সৰু সৰু মন্দিৰ আছে। একেবাৰে শেষৰটোৰ নাম ভোলভোলয়া। সেইদিনাখন আমাৰ যাত্ৰা সিমানতে সামৰিলো।

১১ তাৰিখে পুনৰ আমি পৰ্যটন সংস্থাৰ গাড়ীত সেইদিনাৰ যাত্ৰা আৰম্ভ কৰিলো। প্ৰথমে আমাক লৈ গ'ল 'যন্তৰ মন্তৰ' চাবলৈ— এইটো জয় সিংএ সাজিছিল। ইয়াৰ পিছত আমাক লৈ গ'ল Latous Temple চাবলৈ-- এইটো এপাহ পদুম ফুলৰ আকৃতিত সজা আৰু দেখিবলৈও অতি মোহনীয়। চালে চকু ৰোৱা এই টেম্পুল টোৰ ভিতৰত এটা বৃহৎ প্ৰাৰ্থনা কৰা ঘৰ আছে। এই ঘৰটো অনবৰতে নিজান হৈ থাকে। কাৰণ ইয়াত কাকো কথা পাতিবলৈ দিয়া নহয়। ইয়াত কেৱল সকলোৰে নিজৰ ইচ্ছামতে প্ৰাৰ্থনা কৰে আৰু লোকবিশ্বাস মতে ইয়াত বিচৰামতে সকলোৰে মনোবাঞ্ছা পূৰণ হয়। Temple টোৰ ভিতৰলৈ যাওঁতে টিকট ঘৰত দিয়া নিৰ্দিষ্ট কুপন অনুসৰি সকলোৰে জোটা, চেণ্ডল এঠাইত গোটাই থৈ যাব লাগে।

দুপৰীয়া আহাৰৰ কাৰণে আমি সকলো 'সংসদ সদস্য ভোজনালয়লৈ' গ'লো। ইয়াৰ খাদ্যবিলাক আমাৰ একেবাৰে ভাল নালাগিল। আমাক দিয়া খাদ্যবিলাকৰ ভিতৰত আছিল ভাত অকনমানি বাটি ওটাত এবাটি, পাপৰ এখন, ৰুটী ছয়-সাতটামান, গাখীৰ আৰু বুনীয়া, ভেন্দি ফ্ৰাই একপ্লেট, দাইল অকনমান, কেঁচা পিয়াজ অলপ। বহুতে ভোকত অলপ অলপ খালে কিন্তু বেছিভাগেই আধাপেটেৰে থাকিবলগীয়া হ'ল।

দুপৰীয়া আহাৰৰ পিছত আমাক তাৰকাগৃহ দেখুৱাবলৈ সকলোকে লৈ গ'ল। ইয়াত সৌৰজগতৰ সম্বন্ধে বিভিন্ন বিষয় আলোচনা কৰি যোৱাৰ লগতে চিত্ৰৰ প্ৰদৰ্শন কৰিলে। এই সকলোবিলাক এখন পৰ্দাত দেখুওৱা হয়। ইয়াতেই আমাৰ দ্বিতীয় দিনাৰ যাত্ৰা সামৰণি মাৰিলো। নিশা প্ৰায় ৬টা মান বজাত হোটেল পালোহি। সকলোৰে খাই বৈ উঠাৰ পাছত নাথ ছাৰে আমাক পিছদিনাখন আগ্ৰালৈ নিব বুলি জনালেহি। আমাৰ মনটো তাজমহল দেখা পোৱাৰ আশাত আনন্দতে নাচি উঠিল।

১২ তাৰিখে পুৱা ৮ বজাতে হোটেলৰ পৰা পৰ্যটন সংস্থাৰ গাড়ীত আগ্ৰা অভিমুখে সকলো ৰাওনা হ'লো। ৰাতিপুৱা একো নোখোৱাৰ কাৰণে হাৰিয়ানাৰ এখন হোটেলত সকলোকে কিবা এটা খাই ল'বলৈ ক'লে। আমি ভাবিলো ভাতটো নাপামেই যেতিয়া ৰুটীকে খাই লওঁ। কিন্তু তাত ৰুটীও নাই। অলপ দেৰীৰ পাছত প্ৰত্যেককে একোখনলৈ থালত ইডলি, চাটনি, চ'চ আদি

সজাই দিছেহি। এইবিলাকৰ একো সোৱাদ নাপালো আৰু গোটেই দিনটো ভোকতেই থাকিবলগীয়া হ'ল। তেতিয়া ঘৰৰ ভাতকেইটালৈ খুউব মনত পৰিছিল।

হাৰিয়ানাত এনে কিছুমান মানুহ আছে যিবিলাকে কেৱল নিজৰ পোহনীয়া জীৱ জন্তুৰ জৰিয়তে কিবা উপাৰ্জন কৰি দিন কটাইছে। কিছুমান ঠাইত বাছ বিলাক ৰখাবলগীয়া হয়। তেতিয়া সেই মানুহবিলাকে ভালুক, বান্দৰ আদি জন্তুৰ নাচ দেখায় আৰু বাছৰ যাত্ৰী সকলৰ পৰা পইচা লয়।

হাৰিয়ানাৰ পিছত মথুৰা, কাঁশী, কানপুৰ, পেটানগৰ আদি বিভিন্ন ঠাই পাৰ হৈ আগ্ৰাত উপস্থিত হলোগৈ। তাত উপস্থিত হবলৈ আমাক ৫ ঘণ্টামান সময় লাগিল। প্ৰথমতে আমাক দেখুৱালে আগ্ৰা ফৰ্থ। এইটো এটা বৃহৎ অট্টালিকা। ইয়াত আছিল জাহাংগীৰ ভৱন। জাহাংগীৰৰ ৩৫৪ গৰাকী দাসী আছিল। এই অট্টালিকাৰ চাৰিসীমাৰ ভিতৰতে ৰাজকুমাৰীৰ কাৰণে এখন বজাৰ বহিছিল। য'ত কেৱল ছোৱালীয়েহে প্ৰৱেশ কৰিব পাৰিছিল। ইয়াৰ উপৰিও ইয়াত 'আদৰী' নামৰ এখন বাগিছা আছিল। বজাৰখনৰ নাম আছিল মীনা বজাৰ। ইয়াত এবিধ আম পোৱা গৈছিল। আমবিধৰ নাম 'দীবানে' আম। এই আম বিশেষভাৱে মহম্মদ ইচা খানে ইৰাণৰ পৰা আনিছিল।

ইয়াৰ পিছত আমি গ'লো তাজমহলৰ অভিমুখে। তাজমহলৰ সৌন্দৰ্য দেখি ছাহজাহানৰ প্ৰেয়সীৰ প্ৰতি থকা অপৰিসীম ভালপোৱাক অনুভৱ কৰিব পাৰি যিটো প্ৰেয়সীৰ প্ৰতি থকা ভালপোৱাৰ প্ৰতীক স্বৰূপে আজিও জিলিকি আছে। তাজমহলৰ পৰা ঘূৰি আহোঁতে আমাৰ আৰু এটা অভিজ্ঞতা হ'ল। সেইটো হৈছে আমি আহোঁতে ঘোঁৰা গাড়ীত আহিলো। এই ঘোঁৰা গাড়ীত মুঠতে ৬ জন ব্যক্তি উঠিব পাৰে। ইয়াত উঠি খুউব ভাল লাগে। তাজমহলৰ পৰা উভতি আহি আমি 'আকবৰ' নামৰ হোটেলত ভাত খালোহি। ৭ বাজি ৩০ মিনিটমানত আমি হোটেললৈ বুলি ৰাওনা হ'লো। ঘূৰি যাওঁতে বাটত মথুৰা পৰিদৰ্শন কৰাৰ কথাও ক'লে। সেয়েহে আমি মথুৰা দৰ্শনৰ বাবে গ'লো। মথুৰা হৈছে শ্ৰীকৃষ্ণৰ জন্মস্থান। ইয়াত দেখিবলৈ পালো কৃষ্ণই গোপীসকলৰ লগত কৰা মহাৰাসৰ যি নৃত্য সেই নৃত্যৰ চিনস্বৰূপে কৃষ্ণ আৰু গোপীসকলৰ মূৰ্ত্তি, নৃত্যৰত অৱস্থাত সজাই থোৱা আছে। এনে লাগে যেন সন্মুখতে কৃষ্ণৰ সৈতে গোপীসকলে নৃত্য কৰি আছে। মথুৰাৰ পৰা আমি আহিলো বৃন্দাবনলৈ। এই বৃন্দাবনৰ কাষতে থকা ঠাইখনৰ নাম গোশালা নগৰ। বৃন্দাবনৰ পৰা আমি পোনে পোনে হোটেল অভিমুখে ৰাওনা হ'লো। ইতিমধ্যে আমাৰ সকলো যাত্ৰীয়েই টোপনিত ডুব গৈছিল। ইয়াৰ লগতেই আমাৰ শিক্ষামূলক ভ্ৰমণৰ যাত্ৰা সামৰণি মাৰিছিল।

১৩ তাৰিখে সকলোৰে মিলি সৰোজিনী বজাৰলৈ গ'লো। এই বজাৰখনৰ বস্তুবিলাকৰ দাম কম আছিল যদিও প্ৰত্যেক বস্তুৰে এটা নিৰ্দ্ধাৰিত দাম আছিল। মই মোৰ বান্ধৱীসকলৰ বাবে আৰু ঘৰৰ কাৰণে কিছুমান বস্তু কিনিলো। নিশা ৬ মান বজাত আমি হোটেল পালোহি আৰু শেষবাৰৰ কাৰণে ফুৰ্ত্তি কৰিলো। লগতে দিল্লী এৰি অহাৰ দুখেও জুমুৰি দি ধৰিলেহি। ১৪ তাৰিখে আমি ৰাতিপুৱা ৫ বজাত হোটেল ত্যাগ কৰি ৰেল ষ্টেচনলৈ ৰাওনা হ'লো। ৬ বাজি ১০ মিনিটত আমাৰ ৰেল আছিল। ৰেলখন মাত্ৰ ৫ মিনিট সময় ষ্টেচনত ৰাখিছিল। সেয়েহে সকলোৰে খৰধৰকৈ গৈ নিজৰ নিজৰ ঠাইত বহিলো।

আমাৰ কম্পাৰ্টমেণ্টটোৰ কাষতে 'সৰু বোৱাৰী' বোলছবিত অভিনয় কৰা কৰা ডাঙৰ বোৱাৰী মুনমুন হাজৰিকাৰ পৰিয়ালটো লগ পালো। তেওঁলোকে বাঙ্গালোৰৰ পৰা নিজা ঘৰ অভিমুখে আহি আছিল। তেওঁলোকক লগ পাই খুউব ভাল লাগিল। আহোঁতেও আমি খুউব ফুৰ্ত্তি কৰিলো। আমাৰ লগত মুনমুন হাজৰিকাইও যোগদান কৰিলে। গান গালে লগতে নাচিলেও। ৰপ্ত তাৰিখে আমৰ ৰেল আহি গুৱাহাটীত উপস্থিত হ'লহি। এখন বাছত আমাৰ বস্তু বাহানিবোৰ থৈ সকলোৰে হোটেলত ভাত খালোগৈ। খাই বৈ পুনৰ বাছত উঠি শিৱসাগৰ অভিমুখে ৰাওনা হ'লো। ১৬ তাৰিখে আমি নিজা স্থান শিৱসাগৰত উপস্থিত হ'লোহি। কোনোৰে ঘৰলৈ ফোন কৰি জনাই থোৱাৰ বাবে তেওঁলোকৰ অভিভাৱকে আহি লৈ গ'লহি। মই ঘৰলৈ ফোন কৰি জনোৱাৰ বাবে মোকো ঘৰৰ মানুহে লৈ গ'লহি।

এই শিক্ষামূলক ভ্ৰমণটোৰ পৰা আমি বহুতো জ্ঞান অৰ্জন কৰিবলৈ সুযোগ পালো। এই ভ্ৰমণে বহু নজনা কথা শিকালে। চাবলৈ নোপোৱা বস্তু দেখুৱালে। ৭ তাৰিখৰ পৰা ১৬ তাৰিখলৈকে এই ১০ দিনৰ অভিজ্ঞতা সদায়েই স্মৰণীয় হৈ ৰ'ব।❖❖

# দক্ষিণ ভাৰতৰ এভূমুকি

**প্ৰাৰ্থনা ভূঞা**
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)



"নানা দেশ দেখে যি /
নানা কথা শিকে সি"

সঁচাকৈয়ে দেশ বিদেশৰ ভৌগলিক আৰু সাংস্কৃতিক বৰ্ণনা বিভিন্ন কিতাপত পঢ়ি বা আনৰ মুখত শুনি যি জ্ঞান লাভ কৰিব পাৰি সেইয়া সম্পূৰ্ণ হয় নিজে সেই দেশবিলাকৰ চাক্ষুস অভিজ্ঞতা লাভ কৰাৰ সুবিধা পালে। দূৰ অতীতৰ পৰা ভ্ৰমণে মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি আহিছে। স্বভাৱতে জ্ঞানপিপাসু আৰু কৌতুহল প্ৰৱণতাৰ বাবে হাজাৰ বাধা-বিঘিনিকো নেওচি মানুহে মনৰ আনন্দত ভ্ৰমণ কৰে। সৰুৰে পৰাই নানা ঠাই ভ্ৰমণ কৰাতো মোৰ এটা স্বপ্ৰীতি। মাজে সময়ে ভ্ৰমণকে অগ্ৰাধিকাৰ দি মা-দেউতাই কৰা ভ্ৰমণৰ সংগী হোৱাৰ মোৰ সৌভাগ্য ঘটিছে বহুবাৰ।

সাগৰ আৰু পৰ্বত দুয়োটাই মোক বিশেষভাৱে আকৰ্ষণ কৰে। সাগৰৰ বিশালতা আৰু গভীৰতাই যেনেদৰে মনত দোলনি তোলে, পৰ্বতৰ উচ্চতা আৰু গম্ভীৰতাই তেনেদৰে প্ৰশান্তিৰ পৰিবেশ গঢ়ি দিয়ে। সেয়ে অৱসৰ পালেই মনোভিৰাম দৃশ্যৰাজি দৰ্শন কৰিবলৈ আৰু বিভিন্ন জনগোষ্ঠীৰ পৰিচয় বিচাৰি সময় পালেই ভ্ৰমণলৈ ওলাওঁ।

২০০৮ চনৰ ১৭ আগষ্ট তাৰিখে সংগীত নাট একাডেমী অসমৰ হৈ, অসমৰ প্ৰতিনিধি হিচাপে কেৰেলাৰ ত্ৰিবান্দ্ৰমত অক্টেভ (Octave) নামৰ অনুষ্ঠানটিত গীত পৰিৱেশন কৰিবলৈ মোৰ সৌভাগ্য ঘটিছিল। সেই উদ্দেশ্যে অযুত আশা কল্পনা সপোন বুকুত বান্ধিলৈ ১২ আগষ্ট তাৰিখে প্ৰয়োজনীয় বস্তু-বাহানি সামৰি মোৰ শ্ৰদ্ধাৰ শ্ৰীযুত ৰাতুল কাকতি চাৰৰ তত্ত্বাবধানত অসমৰ ১৬ জনীয়া দলটো একগোট হৈ নিশা ৯-০০ বজাত শিৱসাগৰৰ পৰা গুৱাহাটী অভিমুখে বাছেৰে ৰাওনা হওঁ। পুৱা ৫ মান বজাত গুৱাহাটী পাই অলপ পাতলীয়া আহাৰ গ্ৰহণ কৰি ৭ মান বজাত গোপীনাথ বৰদলৈ বিমান বন্দৰত (বৰঝাৰ) উপস্থিত হওঁ। বিমান বন্দৰত উপস্থিত হৈ অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ দুটা দলক লগ পাই কথা-বতৰা হওঁতে জানিব পাৰিলো যে, সেই একে অনুষ্ঠানতে গীত পৰিৱেশন কৰিবলৈ তেওঁলোকো আহিছে। সহজ, সৰল, নম্ৰ, অমায়িক, বিভিন্ন গুণৰ অধিকাৰী সেই শিল্পীসকলৰ কুংজেং, ৰিংঝিং, জুম, লামা, উজেন, দৰ্জী, ডেভিদ, চেং নৰবো, কাজী, ফেমা, সুখ, প্ৰিল লালু, ৰিমেক, আৰবৌ আদি নামবোৰৰ উচ্চাৰণে মোৰ মনত বাৰুকৈয়ে প্ৰভাৱিত কৰিলে। সেই শিল্পীসকলৰ প্ৰথম পৰিচয়তে তেওঁলোকৰ গভীৰ ব্যক্তিত্বৰ উমান অনুভৱ কৰিবলৈ চেষ্টা কৰিলো। কাৰণ এজন শিল্পীৰ শক্তিশালী ব্যক্তিত্বই এটা জাতিৰ অস্তিত্বৰ পৰিচয় দিয়ে।

পৰমপিতা পৰমেশ্বৰক সেৱা জনাই পুৱা ৯ বজাত গোপীনাথ বৰদলৈ বিমান বন্দৰৰ পৰা দিল্লী

অভিমুখে অযুত আশাৰ ৰেঙনি লৈ আকাশী যানে উৰা মাৰিলো। আকাশমাৰ্গেৰে গৈ থাকোতে হিমালয়ৰ সৌন্দৰ্যৰাশি, নৈ জাত, জুৰি, সেউজীয়া গছ-গছনিৰ সুন্দৰ মনোমোহা দৃশ্যৰ, সৌন্দৰ্যৰাশিয়ে মোৰ মনত গুণগুণনি তুলিলে—

আকাশত কোনে দিলে
ইমান নীলা নীলা
পথাৰত কোনে দিলে
ইমান সেউজীয়া
মোৰো হিয়াৰ পাৰ ভাঙি
নামি আহিল ধীৰে ধীৰে হাঁহি
হাঁহি
মৰম আকাশী গংগা।।

নীলিম আকাশৰ শুকুলা ডাৱৰ ফালি উৰি উৰি যেতিয়া দিল্লী মহানগৰীৰ কাষ চাপিলেগৈ পথেৰে অহৰহ গৈ থকা বাৰে ৰহনীয়া গাড়ীবোৰ, বৃহৎ বৃহৎ অট্টালিকাবোৰ দেখি মোৰ মনত এনে ভাৱ হৈছিল। ৰান্ধনি ঘৰত খাদ্যৰ অনুসন্ধানত আপোন মনেৰে বিচৰণ কৰি ফুৰা এশাৰী গুড়ি পৰুৱাৰহে যেন লানি।

এনেদৰে আবেলি প্ৰায় ২-৩০ বজাত দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰিবলৈ পাই নিজকে পৰম সৌভাগ্যৱৰ্তী যেন অনুভৱ কৰিছিলো। ইয়াৰ পাছত আমাক নিবলৈ আগৰে পৰা সাজু হৈ থকা এখন গাড়ীৰে দিল্লীৰ কেৰলবাগত স্থিত 'পল ৰিজেন্সি' নামৰ হোটেলখনলৈ গৈ গা-পা ধুই প্ৰয়োজনীয় আহাৰ গ্ৰহণ কৰি অলপ বিশ্ৰাম ললো। এসময়ত ডিব্ৰুগড়ত চাকৰিসূত্ৰে কিছুদিন থকা M.C. Mishra ই অসমৰ বুলি গম পায় আমাক সুন্দৰভাৱে আপ্যায়িত কৰিলে হোটেলখনৰ মালিক হিচাবে। ইতিমধ্যে আমাৰ লগৰীয়াসকল ব্যস্ততাপূৰ্ণ মহানগৰখনত দোকানবোৰলৈ, ঘৰলৈ ফোন কৰিবলৈ ওলাই গ'ল।

মই আমাৰ হোটেলৰ আগফালে থকা ৰং বিৰঙৰ কেঁচা ফুল সজাই থোৱা দোকানখনৰ ফালে আগবাঢ়ি গৈ ফুলৰ সৌন্দৰ্যপান কৰিলো। প্ৰকৃতিয়ে জন্ম দিয়া সৌন্দৰ্যৰ ৰাণী ৰংচঙীয়া ফুলবোৰলৈ চাই চাই মোৰ মনটোৱে হাঁহাকাৰ কৰি উঠিল— ইমান ধুনীয়া ফুলবোৰ বাৰু কোনে ছিঙি পেলালে? বহুত সময় ভাবি ভাবি গীত এটি মনলৈ আহিল—

এপাহ সুৰভীৰে ভৰা
ফুল যদি সৰি পৰি
সাৰতি লয় ধৰণী ধূলি
কোনেও নলয় তাক চেনেহেৰে
বুটলি
গছকিহে যায় তল সৰা বুলি।।

হাঁহিমুখীয়া, চেঙেলীয়া, অমায়িক বিজয় নামৰ দোকান দিয়া লৰাটোক ইমানবোৰ ফুল কিয় সজাইছে বুলি সোধাত গম পালো যে ভেলেণ্টাইন দেৰ কাৰণে গোটেই ৰাতিটো উজাগৰে থাকি সজোৱা ফুলবোৰ পুৱাই শেষ হৈ যাব।

সেইদিনা ৰাতি ৯ বজাত হোটেলত কাম কৰা ডেভিদ, কাৰ্তিক, অনিলহঁতে অতি সুন্দৰভাৱে কমেও বাৰ-তেৰবিধমান ব্যঞ্জনেৰে খাদ্য সজাই খাবলৈ দিয়াৰ পিছত ৰাতি ১২.০০ মান বজাত শুবলৈ যাওঁ। পিছদিনা ৪.৩০ মান বজাহে উঠি গা-পা ধুই পুৱাৰ আহাৰ গ্ৰহণ কৰি সকলোবোৰ নতুন দিল্লী ৰেল ষ্টেচনলৈ গৈ ১০ মান আমি নিজৰ নিজৰ ডবাত উঠো।

অনুসন্ধিৎসু আলফুলীয়া মন এটা লৈ দক্ষিণ ভাৰত ভ্ৰমণ কৰিবলৈ যোৱা এয়া মোৰ প্ৰথম অভিজ্ঞতা। আমি থকা ডবাটোত সত্তৰ-পয়সত্তৰ বছৰ বয়সতো অকলে ভাৰত ভ্ৰমণ কৰিবলৈ সাহস কৰা কানাডাৰ এজন বৰ মৰমলগা ককাক লগ পালো। তেখেতৰ লগত মত বিনিময়ৰ দ্বাৰা বুজিব পাৰিলো যে মানুহৰ মনটো যদি শক্তিশালী হয় বয়সে কেতিয়াও কোনো কামতে হেঙাৰৰ সৃষ্টি কৰিব নোৱাৰে। আমাৰ ডবাটোত দক্ষিণ ভাৰতলৈ অৱসৰ বিনোদনৰ কাৰণে অহা লৰা দুটাৰে সৈতে কাশ্মীৰৰ এটি সৰু পৰিয়ালৰ লগত চিনাকী হৈ তেওঁলোকৰ ঠাইৰ কৃষ্টি সংস্কৃতি, উৎসৱ পাৰ্বনৰ বিষয়ে নানান কথা বতৰা পাতিলো। ৰেলত সংগীত নাটক একাডেমীত চাকৰি কৰা গহীন-গম্ভীৰ, মৰমিয়াল, চিন্তাশীল দাৰ্শনিক, মনোভাৱাপন্ন, সহজ সৰল খুড়া এজনক লগ পাই তেখেতে নিজে লিখা নাটক, সংগীত আদিৰ বিষয়ে কথা পতাৰ উপৰিও নৃত্য, খেল-ধেমালি, চিত্ৰকলা ইত্যাদিৰ বিষয়ে আলোচনা কৰিলো। আমাৰ কাষৰ ডবাৰ মানুহখিনিৰ লগত চিনাকী হোৱাৰ পিছত সকলোৱে মোক, মোৰ প্ৰিয় গীত লতা মঙ্গেচকাৰ জীৰ 'এ মেৰে ৱতন কে লোগো' জৰা আঁখ মে ভৰ ল সনী, জো শ্বহীদ হোৱে হে উনকী, জৰা য়াদ কৰো কুৰ্বাণী" অসমীয়া গীত নৱ নৱ বহাগ আহে, শৈশৱ কালৰে পৰা নৃত্য আৰু সংগীতৰ গুৰু মোৰ মায়ে লিখা কেইবাটাও ভিন্নসুৰীয়া গান, জয়ন্ত হাজৰিকাৰ "যদি জীৱনে কান্দে নাই নাই বুলি", জ্যোতিপ্ৰসাদৰ

"যাউতিযুগীয়া ধনে মোৰ অ', বিষ্ণুৰাভাৰ আজি মন্দিৰ দুৱাৰ খোলা, বৰগীত, ভজন আদি গাই শুনাওঁ। প্ৰত্যেকটো গীত গাই উঠিয়েই অৰ্থবোৰ হিন্দীত ভঙাই যাবলগীয়া হৈছিল যিহেতু তেওঁলোকে অসমীয়া বুজি নাপাইছিল; অৰ্থ বুজি তেওঁলোকে এইবোৰৰ প্ৰশংসা কৰিছিল।

ইতিমধ্যে লাহেকৈ গধূলি হৈ আহিছিল আৰু একাপ চাহৰ প্ৰয়োজন বোধ কৰিছিলো। আমি সকলোৱে চাহ হাতত লৈ মায়ে বনাই দিয়া তিলপিঠা, ঘিলা পিঠা, নাৰিকলৰ লাডুৰ টোপোলাটো উলিয়াই সকলোকে বিলাই দিলো আৰু পিঠা খাই সকলোৱে ইয়াৰ তৃপ্তি লাভ কৰে। দিল্লীৰ পৰা কেৰালালৈ ভ্ৰমণ যথেষ্ট দীঘলীয়া। তালৈ যাওঁতে মথুৰা, আগ্ৰা, গোৱালিয়ৰ, যানিজ, বীনা, ভূপাল, ইটাৰশ্ৰী, নাগপুৰ, শিৱগ্ৰাম, কালহাৰছা, ৰামগুন্দাম, বাৰংগল, বিজয়বাৰা, নিলোৰ, গোদুৰ, ৰেনিগুণ্টা, কাওপাদী, জলাৰপিট্টাই, চালেম, ইৰোদ, তিৰোহৰ, কইমবেতৰ, পলকদ, অলোভা, এৰনাকুলাম, বালকাম ৰোড, কটায়াম, ছংগনাছিৰি, তিৰোবালা, ছেনগুনুৰ, মভেলিকাৰা, কায়ানকুলাম, কুলাম, ভাৰকালা, ত্ৰিবান্দ্ৰম আদি জংছনসমূহ পাৰ হব লাগে।



ইতিমধ্যে সন্ধিয়ালৈ অলপ মৃদু ঠাণ্ডা বতাহ গাত লগাত বেগৰ পৰা এখন গৰম কাপোৰ উলিয়াই গাত ললো। কাষৰ ডবাটোৰ পৰা কেইবাজনো সংগীতত ৰাপ থকা খুড়া মোৰ ওচৰ পালেহি। মোৰ গীত শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰাত মই বৰ আনন্দ পালো যিহেতু মৰুময় সংসাৰত সংগীতেই মোৰ প্ৰাণ। প্ৰথমতে মই জগজিৎ সিঙৰ গজল 'হোথে সে ছো ল, তুম, মেৰা গীত অমৰ কৰ দো, গোলাম আলিৰ 'চুপকে চুপকে ৰাতি দিন, আছু বহানা য়াদ হে, শুনাওঁ আৰু সেই সময়ত বিখ্যাত হোৱা 'চাৰৰিয়া' নামৰ চিনেমাখনৰ 'জম চে তেৰী নেইনা', মেৰী নেইনো সে লাগে ৰে', ইত্যাদি শুনাওঁ।

ওচৰতে বহি থকা এজন প্ৰবক্তাই (যিজন দক্ষিণৰে) শাস্ত্ৰীয় সংগীত শুনিবলৈ বৰকৈ ইচ্ছা কৰাত মই তিলককামোদ, ভূপালী, য়মন, বেহাগ, মালকেচি, দুৰিয়া ধানেশ্ৰী, ভৈৰৰ, বাগেশ্ৰী আদি ৰাগসমূহ তানেৰে সৈতে গাই শুনাওঁ। এই সকলোবোৰ তেওঁলোকে মোবাইলত ৰেকেডিং কৰিলোৱাৰ পিছত মন কৰিলো কেইবাটাও ডবাৰ মানুহ আহি আমাৰ ডবাটো ভৰি পৰিছেহি। কিছুমানে নিজৰ নিজৰ ঘৰলৈ ফফান কৰি ঘৰৰ মানুহক শুনাইছে।

ইতিমধ্যে ৰেলখন আহি এটা জংচনত অলপ দেৰী ৰৈছিলহি। তেতিয়াই সকলোৱে খাবলৈ পানী বটল, চকলেট, মৰ্টন, ফুলমূল আদি কিনি লৈছিল। প্ৰথম শ্ৰেণীৰ প্ৰথম ডবাৰ পৰা শেষৰ ডবালৈকে জুনিয়ৰ লতাজী বুলি সম্বোধন কৰি মোক নিমন্ত্ৰণ জনাইছিল গীত গাবলৈ। প্ৰথমতে নিজৰে বৰ লাজ লাগিছিল, কিন্তু পিছলৈ সকলোৰে লগত হাঁহি মাতি কথা বতৰা পাতোতে আমি সকলো একেখন ঘৰৰে যেন অনুভৱ হৈছিল। শেষত মই সকলোকে অলপ অলপ হলেও সময় দিবলগীয়া হৈছিল। সেই সময়ত ইমানেই আনন্দ লাগিছিল, মই দুখ ভাগৰ সকলোবোৰ পাহৰি পেলাইছিলো আৰু সকলোৱে যি গীতকে গাবলৈ কয় সেই গীতকে গাইছিলো। আনকি ৰেলত আমাক

খোৱা বস্তু যোগান ধৰা, লেপ কম্পল দিয়া একাশজী, ৰাজী জীহঁতৰ লগতো সুপৰিচয় ঘটিছিল। তেতিয়া ৰাতি ১০-০০ মান বাজিছিল। ৰাতিৰ আহাৰ খাবলৈ নিজৰ নিজৰ ডবালৈ আহি খাই বৈ আকৌ অৰুণাচলৰ দলটোৰ লগত বিহুগীত, বিহু নৃত্য আৰম্ভ কৰিলো। ১২-০০ মান বজাত সকলোৱে নিজৰ নিজৰ ঠাইত শুই পৰিছিলো।

১৫ তাৰিখে পুৱা ৭ মান বজাত উঠি মুখ হাত ধুই বিস্কুটেৰে সৈতে কফি একাপ খাওঁ ইতিমধ্যে ৰেলৰ বাকীবোৰ মানুহো সাৰ পাইছিল আৰু বগা কেঁচাফুল লৈ এগৰাকী মহিলা ডবালৈ আহিছিল। ফুলৰ সুবাসে মোৰ মন প্ৰাণ হৰি নিছিল আৰু তাৰে এডাল মালা কিনি মই চুলিত গুজি লৈ নিজকে আয়নাত এবাৰ চালো। যিহেতু দক্ষিণভাৰতত সৌন্দৰ্য বৰ্ধনৰ বাবে মহিলাই খোপাত ফুলৰ মালা মৰাতো নিয়ম।

মন প্ৰাণ হৰি দিয়া ৰিবৰিব মলয়া এচাটি যেন মোৰ দেহত লাগিল। প্ৰভাতী পখীৰ সুৰীয়া কলৰব, দূৰ দিগন্তলৈ উৰি যোৱা নীড় মুখী চৰাইজাক, প্ৰভাতী সুৰুযৰ জুইৰঙী শোভাই মোৰ মন ক্ষন্তেকৰ কাৰণে হলেও পুলকিত কৰি তুলিলে। সুজল সুফল শস্য, শ্যামলা পথাৰ, শাৰী শাৰী পৰ্বত, নৈ-জান-জুৰিৰ সৌন্দৰ্য্য, বিভিন্ন ঠাইৰ মানুহৰ ধৰণ কৰণ, পোছাক পৰিচ্ছদ, বিভিন্ন ঠাইৰ ঘৰবিলাকৰ নামা ধৰণৰ কাৰু কাৰ্য্য দেখি নানা ভাৱত আপ্লুত হৈ পৰিছিলো।

এনেদৰে ১৬ তাৰিখে ২.৩০ বজাত ত্ৰিবান্দ্ৰম ৰেল ষ্টেচনত উপস্থিত হলো আৰু 'অষ্টকম' অনুষ্ঠানটোৰ কমিটিৰ মানুহে সূৰ্য্য টুৰিষ্ট হোমলৈ গাড়ীৰে আমাক লৈ গ'লহি। ত্ৰিবান্দ্ৰমত যথেষ্ট গৰম অনুভৱ হৈছিল বাবে আমি আটায়ে গৰম কাপোৰ বেগত ভৰাই থলো।

বিশাল এলেকাটোত আয়োজিত এই অষ্টকম অনুষ্ঠানটোৱে সকলোৰে মন প্ৰাণ মোহিত কৰিলে। পৰিষ্কাৰ চহৰখনত গছ-গছনিত লাইটৰ ব্যৱস্থা, ৰাস্তাৰ ঠায়ে ঠায়ে বিভিন্ন ঠাইৰ পৰা অহা অতিথিসকললৈ অভিনন্দন জনোৱা বেনাৰ, বিভিন্ন ষ্টাইলৰ বেশভূষাৰে উলিওৱা শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। বিশেষকৈ এই অনুষ্ঠান পাতিবলৈ সকলো ৰাইজৰ সহায় সহযোগিতা দেখি তবধ মানিলো, ক্ষন্তেক সময়ৰ বাবে এনেহে লাগিছিল যেন স্বৰ্গপুৰীলৈহে আহিলো।

আমাক সকলোকে খোৱা বোৱা কৰা ঠাইডোখৰলৈ লৈ গ'ল। একেলগে এহেজাৰমান মানুহে খাব পৰা এটা বিস্তৃত এলেকা। প্ৰায় ৫০ জনমান মানুহে বিলনিয়াৰ কাম কৰি আছে। আমাৰ শিল্পীসকললৈ অতি কমেও ২৫ বিধ মান খাদ্যৰ আয়োজন কৰিছিল। ইয়াৰ ভিতৰত ভাত, পোলাও, নাৰিকল তেলত ৰন্ধা মুৰ্গীৰ মাংস, ছাগলীৰ মাংস, মাছৰ টেঙা আঞ্জা, নাৰিকলৰ পকৰী, নাৰিকল তেল আৰু ভাতেৰে বনোৱা ভিন্টা নামৰ তেওঁলোকৰ এক বিশেষ খাদ্য।

চাৰিবিধমান বিভিন্ন ধৰণৰ ভাজি, পাপৰ, চালাদ, নেমু, বুটৰ তৰকাৰী, পনীৰ তৰকাৰী ইত্যাদি। এইবোৰ দেখি ক্ষন্তেক সময় চিন্তা কৰিলো। মোৰ চিৰ চেনেহী মাৰ ঔটেঙা ঢেকীয়াৰ লগত ৰন্ধা মাছৰ জোল, কল খাৰণিৰে নহৰু দি তেল মৰা মাটি দাইলৰ খাৰ, কেঁচা জলকীয়া, পিয়াজ আৰু নহৰু দিয়া মোৱা মাছৰ পিটিকা, কচু থোৰৰ জালুকীয়া, আফুগুটি সৰিয়হ, নহৰু কেঁচা জলকীয়া বটা দি ভাপত ৰন্ধা ইলিছ মাছৰ চকল কেইটা, ওখোৰা চাউল আৰু জহা চাউলৰ ফো-ফো ধোঁৱা বলি গোন্ধাই থকা জৰজৰীয়া ভাত কেইটালৈ বৰকৈ মনত পৰিল।

মই মন কৰিলো তেওঁলোকৰ মানুহবোৰ অতি অতিথিপৰায়ণ। আমাৰ সকলে সুবিধা অসুবিধাৰ ওপৰত তেওঁলোকে চকু ফুৰাইছিল। খাই উঠি আমি সকলো মঞ্চলৈ গৈ জ্যোতি সংগীত, ৰাভা সংগীত, পাৰ্বতি সংগীতবোৰ পৰিশীলন কৰিলো কিয়নো দ্বিতীয় দিনাৰ 'সাংস্কৃতিক সন্ধিয়াক্ষ অসমৰ দলটোৰ গীতেৰে আৰম্ভ হব। ১৭ তাৰিখে পুৱা সকলো শুই উঠি গা-পা ধুই পুৱাৰ আহাৰ খাবলৈ লৈ গ'ল। যাওঁতে বাটত চাফ চিকুণতা, মহিলাসকলে মূৰত একাষে বগা কেচাফুলৰ মালা লগোৱা, পুৰুষসকলে মেখেলাৰ দৰে পিন্ধা ধুতীৰ শৈলী, কপালত লগোৱা তিলক, সকলোৰে ব্যস্ততাপূৰ্ণ জীৱন দেখি আপ্লুত হলো। কথা বতৰা পাতি এনে লাগিল যেন তেওঁলোক আমাৰ বহুত দিনৰে চিনাকী, আমাৰ অসমলৈ তেওঁলোকক আমন্ত্ৰণ জনালোঁ আৰু আহিম বুলিও প্ৰতিশ্ৰুতি দিলে।

এইদৰে দিনটো যোৱাৰ পিছত আমি অসমৰ সোণালী সুতাৰে তৈয়াৰী বাচকবনীয়া মুগাৰ সাজত পিন্ধি মঞ্চত অনুষ্ঠান পৰিবেশন কৰিবলৈ ওলালো। আমি মঞ্চত

উপস্থিত হোৱাৰ লগে লগে আমাৰ মুগা সাজযোৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে। যিহেতু অসমৰ মুগা শিল্প পৃথিৱী বিখ্যাত। বিভিন্ন ঠাইৰ পৰা অহা মানুহে আমাৰ লগত বহুত ফটো তুলিলে।

বিশেষকৈ মঞ্চটো অতি সুন্দৰকৈ আটকধুনীয়াকৈ সজোৱা হৈছিল। মঞ্চৰ ওপৰলৈ যাবলৈ কেইবাটাও ৰাস্তা দিছিল, বিভিন্ন মুখা লগাইছিল, বাঁহগছেৰে বনোৱা প্ৰাকৃতিক দৃশ্য অতি মনোৰম আছিল।

সন্ধ্যা মুখ্যমন্ত্ৰীৰ আগমনৰ লগে লগেই আমাৰ গীতেৰে অনুষ্ঠান আৰম্ভ হৈছিল। হাজাৰ হাজাৰ দৰ্শকে আমাৰ অনুষ্ঠান উপভোগ কৰিছিল। কেৱল ভাৰতৰে নহয় বিদেশৰ পৰা অহা বিভিন্ন পৰ্য্যটকেও আমাৰ অনুষ্ঠান উপভোগ কৰা দেখি মই অভিভূত হৈ পৰিছিলো। ইণ্টাৰনেটতো আমাৰ অনুষ্ঠান উপভোগ কৰিছিল। দৰ্শকৰ জাউৰিয়ে জাউৰিয়ে হাত চাপৰিৰ পিছত মুখ্যমন্ত্ৰীয়ে মোক এটি বঁটাৰে আদৰণি জনায়। এই সন্মান লবলৈ পাই নিজকে বহুত সৌভাগ্যৱতী যেন অনুভৱ হয় আৰু সেই স্মৃতি মোৰ মানসপটত সদায়েই সজীৱ হৈ ৰব।

বিভিন্ন অনুষ্ঠানৰ মাজতে বিশেষকৈ কেৰালাৰ, হাতত জুই লৈ খেলা এবিধ লোকনৃত্যই মোক বিশেষ আকৰ্ষিত কৰে। এই সকলোবোৰ চাই মেলি আহি পিছদিনা পুৱাৰ আহাৰ গ্ৰহণ কৰি আবেলি ৩.০০ বজাত পদ্মনাভে স্বামী আৰু নেপিয়েৰ মিউজিয়াম চাওঁ। তাৰ পিছত অৰুণাচলৰ দলটোৰে সৈতে কন্যাকুমাৰীলৈ ৰাওনা হলো। বাটত যাওঁতে লানি লানিকৈ থকা নাৰিকলৰ গছ, বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি, প্ৰাকৃতিক দৃশ্য হেঁপাহ পলুৱাই উপভোগ কৰিলো। কন্যাকুমাৰী পাই সাগৰৰ ঢৌৰ নাচোন দেখি দেৱকান্ত বৰুৱাদেৱৰ 'সাগৰ দেখিছা?' কবিতাটোলৈ মনত পৰিল। লগৰীয়া সকলেৰে সৈতে সাগৰৰ ঢৌৰ লগত খেলি থাকোতে বিদেশৰ পৰা অহা বিভিন্ন পৰ্য্যটকৰ লগত চিনাকী হলো, মোৰ গাত থকা মুগাৰ সাজযোৰেই মই অসমৰ বুলি চিনাকী দিলে। সাগৰৰ ঢৌৰ লগত খেলি থাকোতে ভূপেন হাজৰিকাৰ গীত এটি মনলৈ আহিল।

*সাগৰ সংগমত কত না*
*সাতুৰিলো*
*তথাপিতো হোৱা নাই ক্লান্ত*
*সেয়েহে মনত মোৰ অশান্ত সাগৰ*
*উৰ্মিমালা অশান্ত।।*

ইতিমধ্যে বেলি লহিয়াবলৈ ধৰিছিল। আকাশখন লাহে লাহে ৰঙা হৈ ইয়াৰ প্ৰতিবিম্ব সাগৰত পৰাত সোণতে সুৰগা চৰিছিল। কন্যাকুমাৰীৰ ওচৰে পাজৰে থকা দোকানবিলাকৰ পৰা উপহাৰ দিবলৈ বুলি মুক্তাৰ গহণা অলপ কিনি ললো। ওচৰতে থকা মন্দিৰত সেৱা জনালো। অলপ ভোক লগাত দোকানৰ পৰা চেৰী, বাদাম, কমলা আদি কিনি লৈ খালো। মৌৰাত উঠি কেইবাজনো পৰ্য্যটকে আবেলি সময় সাগৰৰ পাৰত কটোৱা দৃশ্য উপভোগ কৰি বৰ আনন্দ লাগিল। সন্ধ্যা হোৱাত আমি সকলোবোৰ পুনৰ কন্যাকুমাৰীৰ পৰা ত্ৰিবান্দ্ৰমলৈ (প্ৰায় ১০০ কিঃমিঃ ৰাস্তা) আহিলো। গাড়ীত আহোঁতে ৰাস্তাত নৃত্য, গীতেৰে বিভিন্ন ধৰণৰ ৰং ৰহইছ কৰিলো।

পিছদিনা পুৱা ১১.৩০ বজাত সেইকেইদিন থাকি থাকি নিবিড় সম্পৰ্ক গঢ়ি উঠা বন্ধু-বান্ধৱীসকলৰ পৰা বিদায় লোৱাৰ সময়ত দুয়োপক্ষৰে নিৰধাৰে চকুলো বাগৰি আহিছিল। বিদায়ৰ ক্ষণটো অতি দুখজনক হলেও, সেই ঠাইৰ স্মৃতি আৰু মৰম চেনেহ বুকুত বান্ধি বিদায় ললো।

ঘূৰি আহোঁতেও ৰেলৰ ভ্ৰমণটো আনন্দদায়ক হৈছিল। ত্ৰিবান্দ্ৰমৰ পৰা এখন ৰাজনৈতিক মিটিঙত অংশগ্ৰহণ কৰিবলৈ অহা মহিলাৰ দল এটিৰ লগত সুপৰিচয় ঘটিল, তেওঁলোকক মই মালয়ালম ভাষা এটি শিকাই দিবলৈ কোৱাত এটি ভক্তিমূলক গীত গাই শুনালে আৰু শিকাইছিল। গীতটিৰ ভাষাবোৰ, শব্দবোৰ শুনিবলৈ অতি শুৱলা। গীতটি আছিল এনেকুৱাধৰণৰ-

*তেদি বাইৰুম কন্নুকলিল*
*উদি য়েকুম স্বামী*
*তিৰুৱেলাকিন কাদিৰৌপ্লিল*
*উদি ইদিকম স্বামী*
*আয়াপচামি,*
*চকাম্ আয়াপচামি।।*

অৰুণাচলৰ দলটোৰ পৰাও তেওঁলোকৰ দুটা লোকগীত শিকিলো। কলিকতাৰ এজন বয়োজেষ্ঠ সাংবাদিকৰ অসমীয়া গীতত ৰাপ থকা দেখি বনগীত, ওমলা গীত, নিচুকণি গীত, বিয়ানাম, কেইবাটাও ন-পুৰণি আধুনিক গীত তেওঁৰ অনুৰোধক্ৰমে গাই শুনাওঁ। শ্বিলঙৰ ৰিমেকে গীটাৰখন বজাই গান গাই আছিল আৰু মোকো এটি গীত গাবলৈ কোৱাত এটি ৰোমাণ্টিক গীত গাওঁ। আমাৰ লগতে কেৰালাৰ পৰা অহা এগৰাকী মহিলা প্ৰবক্তাই ঘৰতে বনাই অনা বিভিন্ন ধৰণৰ খাদ্য

সম্ভাৰ মোক খাবলৈ দিছিল। তাৰপিছত তেওঁলোকে লোৱা শৈলীৰ চন্দনৰ ফোঁট আৰু কাজল (অঞ্জন) সানি দিছিল। দেখাত মই তেওঁলোকৰ দৰে হৈ পৰাত সকলোৱে মোক দক্ষিণৰ বুলি বিভ্ৰান্তিত পৰিছিল। এনেদৰে ধেমালি ধুমুলাৰ মাজেদিয়েই দিনটো পাৰ হ'ল। সন্ধ্যা নামি অহাৰ লগে লগে দৈনন্দিন কৰাৰ দৰে সকলোৱে মংগল কামনা কৰি ক্ষন্তেক সময় ভগৱানক প্ৰাৰ্থনা জনালো। ড° নিৰ্মল প্ৰভা বৰদলৈৰ এটি গীত অজানিতে মনলৈ আহিছিল-- কিয়নো ঘৰলৈ বৰ মনত পৰিছিল--

*সন্ধিয়াৰ আকাশত বগলী উৰে*
*আইৰে ঘৰলৈ মনত পৰে।*
*বাঁহৰে আগতে ৰদালি ডোলে*
*ক'ত কি কথা মোৰ মনতে খেলে*
*ইমান যে দুৰণিত চকুলো মোৰ সৰে।।*

একাপ চাহ হাতত লৈ ইফালে সিফালে যাওঁতে ৰেলৰ ডবাত এজন এংমেলা ইণ্ডিয়ান লোকৰ অসমীয়া লোকগীতৰ ওপৰত বিশেষ আগ্ৰহ দেখি আচৰিত হ'লো। তেওঁৰ অনুৰোধক্ৰমে কামৰূপীয়া আৰু গোৱালপৰীয়া, 'মোহন মুৰুলী বেণু', এতিয়া পাণ্ডৱ 'হস্তীৰ কন্যা' আৰু কেইবাটিও লোকগীত শুনালো। এইদৰে হাঁহি ধেমালিৰ মাজেৰে পুনৰ দিল্লীত পদাৰ্পন কৰি 'পল ৰিজেন্সি' হোটেলত বস্তু বাহানি ৰাখি গা-পা ধুই খাই বৈ সকলোৱে ভাগে ভাগে বজাৰ কৰিবলৈ বুলি ওলাই আহিছিল মইও উপহাৰ দিবলৈ বুলি পিতাই দিয়া পইচাৰে দুই চাৰিপদ সৰু সৰু বস্তু কিনিলো। কাৰণ নিজৰ বহুত বস্তু থাকিলেও আনে উপহাৰ দিয়া বস্তুৰ প্ৰতি সকলো ব্যক্তিৰেই বুজাব নোৱাৰা তৃপ্তি অপৰিসীম। পিছদিনা পুৱা শুই উঠি গা-পা ধুই খাই বৈ এয়াৰপৰ্টলৈ আহিলো।

বিদায়ৰ ক্ষণ সঁচাকৈয়ে বেদনাদায়ক। সকলোৱে চকুলো বাগৰিল। শ্বিলং, অৰুণাচল আৰু আমাৰ দলটো আকাশীযানেৰে আহি গুৱাহাটী এয়াৰপৰ্ট পালোহি। তাৰ পিছত তেওঁলোকৰ পৰা বিদায় লৈ ৰাতিলৈ বাছেৰে সকলোৰে মৰম চেনেহ আৰ্শীষ, স্মৃতিৰ টোপোলাবোৰ আলফুলকৈ সযতনে বুকুৰ মাজত বান্ধি লৈ উৰা মাৰিলো মোৰ অতি মৰমৰ, অতি চেনেহৰ, হিয়াৰ আমঠু, মোৰ মাতৃভূমি এধানমানি শিৱসাগৰখনিলৈ।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ মনৰ কথাৰে মইও যে কৈ যাম--

অ মোৰ ওপজা ঠাই
অ মোৰ অসমী আই
চাই লওঁ এবাৰ মুখনি তোমাৰ
হেঁপাহ মোৰ পলুৱা নাই।

ঃঃঃঃঃঃঃঃঃ

*(বিঃদ্ৰঃ- এই ভ্ৰমণকাহিনীটোত মোৰ অজানিতে নকবলগীয়া কথা যদি কেনেবাকৈ লিখা হৈছে সকলো পাঠকৰ ওচৰত ক্ষমা প্ৰাৰ্থনীয়)।*

# নষ্টালজিয়া





বিতুমণি নাওহলীয়া
স্নাতক দ্বিতীয় বৰ্ষ

# স্মৃতিৰ সেউজীয়া পৃষ্ঠা...

মানুহৰ জীৱনত নানা ধৰণৰ তিঁতা-মিঠা অভিজ্ঞতাই স্মৃতিৰ মণিকোঠালী সজীৱ কৰি ৰাখে। কেতিয়াবা সেই স্মৃতিয়ে অতীতক সোঁৱৰি প্ৰৱেশ কৰে আবেগৰ পদুলিত। আৰু তেতিয়াই অজানিতে কিছুমান স্মৃতিয়ে কাৰোবাৰ দুই ওঁঠলৈ আনে হাঁহি আৰু কাৰোবাৰ দুচকুলৈ আনে চকু-পানী। তথাপিও স্মৃতি সদায় স্মৃতিয়েই। তেনে এটি সৰু স্মৃতিয়ে আজিও মোক হঁহোৱাই আৰু মোক আনমনা কৰি সেই দিনটোলৈ হৈ যায়।

স্কুলত পঢ়ি থাকোতেই। মই তেতিয়া পঞ্চম শ্ৰেণীত। আমাৰ স্কুলখন আছিল শিৱসাগৰ মেলাচকৰত। এদিন মই আৰু মোৰ এগৰাকী বান্ধৱী (মঞ্জুৰীমা) য়ে স্কুলৰ 'টিফিন'ৰ সময়ত টিফিন খাই উঠি ক্লাচৰ পৰা বাহিৰলৈ উলাই আহিলো। আমাৰ স্কুলৰ সন্মুখতে এখন মুকলি খেল পথাৰ আছিল। আমি ছাত্ৰ-ছাত্ৰীবোৰে 'টিফিন টাইম'ত বা খেল ধেমালীৰ দৰে অনুষ্ঠানবোৰ পাতিলে তাতে খেলা ধূলা কৰো। সেইদিনাও আমি দুয়োজনীয়ে আন দিনৰ দৰে 'টিফিন'ৰ সময়ত তালৈকে খোজ ল'লো। তাতে এজোপা গছৰ ছাঁত বহি আমি ইটো-সিটো কথা পাতি আছিলো। কথাৰ মাজতে তাই মোক সুধিলে,- 'ঐ, তোৰ ৰাশি কিনো?' মই কথাটো একো বুজি নাপালো। আৰু মনে মনে অবাক হৈ তাইৰ মুখলৈকে চাই থাকিলো। মোৰ পৰা একো উত্তৰ নাপাই তাই নিজেই গ'ল----'কালি আমাৰ ঘৰলৈ বিমল দা আহিছিলে। সি কালি মোৰ ৰাশি চাইছিলে। মোৰ চোওৰা নাম অমুক- তমুক। বা হৰ্তঁৰও চালে। তাইৰ ৰাশি অমুক.....' আদি ধৰণৰ

কথাবোৰ। কিন্তু মই তাই কিহৰ কথানো কৈ আছে একো বুজিবই পৰা নাছিলো। তাই আকৌ মোক সুধিলে—'তোৰ কি ৰাশি ঐ, তোৰ ভাগৰ চোওৰা নাম আছে নে নাই'। সেই সময়ত মোৰ 'ৰাশি'ৰ সমন্ধে একো জ্ঞান নাছিল। তাই কি 'ৰাশি'ৰ কথা কৈ আছে একো বুজি পোৱা নাছিলো। তথাপিও এবাৰ ভাবিলো 'ৰাশি'টোৰ কথা সুধিছে নেকি? এনে নাশ্ৰুত-নাভূত প্ৰশ্ন শুনি তাইকে মই ওলোটাই সুধিলো—'তোৰনো কি ৰাশি কচোন?' তেতিয়া তাই ক'লে—'মোৰ মিথুন ৰাশি'। উত্তৰ শুনি মই ভাবিলো, অ', মানে 'চিনেমাৰ' নায়ক 'মিথুন' যেতিয়া তাইৰ ৰাশি মোৰ 'গোবিন্দ' ৰাশি বুলি তপৰাই ক'লো। 'চোওৰা' নামও মোৰ ভাল লগা কেইবাটাও নামৰ কথা ক'লো। কিন্তু সেই সময়ত মোৰ বান্ধবীৰো 'ৰাশি'ৰ সমন্ধীয় একো জ্ঞান বা ধাৰণা নাছিল গতিকে তাইও মোৰ কথা বৰ মনোযোগেৰে শুনি আছিলে।

সেইদিনাই স্কুলৰ পৰা ঘৰলৈ আহি ৰাতি মাক মোৰ 'ৰাশি'ৰ সমন্ধীয় কথাটো কলেহি আৰু 'ৰাশি' মানেনো কি সুধিলো। লগতে মোৰ 'ৰাশি' যে 'গোবিন্দ' বুলি ক'লো তাকো ক'লোহি। অৱশেষত মাৰ মুখৰ পৰা ইমান জোৰেৰে এটা হাঁহি বাগৰি আহিল যে মায়েনো কিয় এনেকৈ হাঁহিছে একো গম পোৱা নাছিলো। পিছত মায়ে 'ৰাশি'ৰ বিষয়ে সবিশেষ বুজাই কোৱাত কথাষাৰ বুজি পাই মইও খন্তেকৰ বাবে হাঁহিৰ বলি হ'লো।

পিছদিনা সেই একে। আনদিনৰ দৰে স্কুললৈ ওলালো। গৈয়ে দেখিছো মোৰ বান্ধবীয়ে মোলৈ চাই অকলে অকলে হাঁহি আছে। কি হ'লনো সুধাত তাই হাঁহি ৰখাব নোৱাৰি কেৱল হাঁহিয়ে আছে। মনে মনে মোৰ খংও উঠিল। এইজনীৰনো আকৌ কি হ'ল। অৱশেষত তাই নিবা ক'বলৈ সক্ষম হ'ল- মোৰ ঘটনাটোৰ কথা। মানে, আগদিনা মই কোৱা মোৰ 'ৰাশি'টোৰ কথা তাইও সিহঁতৰ ঘৰত গৈ কোৱাত সিহঁতৰ ঘৰৰ মানুহেও হাঁহিত বাগৰ সলাই ঘূৰি ফুৰিছিলে। আনকি তাইও যে শুনি আছিলে। কিন্তু আচল কথাটো যেতিয়া আমি দুয়োজনীয়ে জানিলো তেতিয়া কিন্তু আমাৰ দুয়োজনীৰ অৱস্থা চাব লগা আছিল। সেইদিনা গোটেই দিনটো এটাও ক্লাচ শান্তিৰে পাৰ নহ'ল। অকল দুয়োজনীয়ে হাঁহি থাকোতেই গ'ল। দুয়োজনীয়ে চকুত চকু পৰিলেই সেইদিনা হাঁহিটো অজানিতে ওলাইয়ে আহে। তাৰ পিছৰ পৰা তাই মোক 'গোবিন্দ গোবিন্দ বুলি জোকাবলৈ ধৰিলে।

এতিয়াও তাই মোলৈ বা মইও তাইলৈ প্ৰায়ে ফোন কৰো। বহুদিন তাইৰ সৈতে মোৰ দেখা-দেখিও হোৱা নাই যদিও ফোনেৰে কথা-বতৰা চলি থাকে। ইজনীয়ে সিজনীৰ খবৰ লওঁ। আৰু মই ফোনটো 'ৰিচিভ' কৰিলে প্ৰথমে তাই মোক 'ঐ গোবিন্দ' বুলিহে মাতষাৰ দিয়ে। তেতিয়া মোৰ খঙে চুলিৰ আগ পাইগৈ। দিনটো মনত পৰিলে আজিও মোৰ মনত এক অনুভূতিয়ে দোলা দি যায়। এক বুজাব নোৱাৰা আনন্দই মনটো সেই আৱৰি ধৰে। সেই দিনটোৰ কথা ভাবিলে কেতিয়াবা স্কুলৰ সেই সোণালী দিনবোৰলৈ মনত পৰি দুচকু সিক্ত হৈও পৰে। ইমান যে সুন্দৰ এটা অতীত...... আজি স্মৃতি হৈ ৰ'ল।

❖❖❖❖❖

গায়ত্রী খাৰঘৰীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

# শৈশৱ— এক ৰঙীন স্কেচ



শৈশৱ-এক যুগমীয়া স্মৃতি, সকলোৰে বাবে। যাক ধৰি ৰখাৰ প্ৰয়াস সকলোৱে কৰে সামান্য ভাৱে হ'লেও। যত নিস্পাপ-নিৰ্দোষ হৈ থাকে, নাথাকে দুখ, কুৰ্চুট-কপট ভাৱ। সকলোফালেই মাত্ৰ ৰঙৰ সমাহাৰ। এদেও দুদেওকৈ চিতপখিলীজনীৰ দৰে ঘুৰি ফুৰা সেই 'মই'জনী আজিও মোৰ চকুৰ আগত নাচি থাকে। এতিয়া এনে লাগে বহু ডাঙৰ হ'লো, তেতিয়াৰ ৰঙৰ সমাহাৰ দেখা পৃথিৱীত আৰু বহুতো বস্তু দেখিবলৈ পালো, কিন্তু এনে কেতিয়াও নালাগে যে শৈশৱক কোন কাহানিবাই এৰি থৈ আহিছো। কেতিয়াবা খুব মন যায় সেই দিনকেইটালৈ উভতি যাবলৈ আৰু যিমান মন যায় সিমান হাঁহি-ধেমালী কৰিবলৈ। সোণাৱালী শৈশৱ'- শব্দাতে বহুতো আকৰ্ষণ সোমাই থাকে, যাৰবাবে মই য'তে শৈশৱ সম্পৰ্কীয় কোনো বিজ্ঞ লোকৰ কথা পাওঁ গোগ্ৰাহে পঢ়ো। আৰু তাতে নিজক বিচাৰি চাবলৈ চেষ্টা কৰো। মনতে ভাৱো তেওঁলোকে কৰাৰ দৰে কি কি ধেমালী কৰিছিলো। কেতিয়াবা বহুত মিল পাওঁ, ঐনে শৈশৱৰ বৰ্ণনাত মোৰ শৈশৱৰ। তেতিয়া নিজকে মোৰ বৰ ভাগ্যৱান যেন লাগে আৰু ক'বৰ মন যায় তেওঁলোকে ভাৱ দৰে তাহানি শৈশৱৰ নিস্পাপ ধেমালিবোৰ এতিয়াও হেৰাই যোৱা নাই। ঠায়ে ঠায়ে বিশেষকৈ গাঁৱত ই এতিয়াও বিদ্যামান।

স্কুলৰ সেইদিনা প্ৰথম দিন মোৰ.......। কাপোৰৰ মোনাত কিতাপ, চিলট......, লগতে চিলটত লিখিবলৈ বাঁহৰ সৰু চুঙাত মাটি পেঞ্চিল......। আৰু লগৰ কোনোবাই শিলিখা, বগৰী, আমলসি আনিলে সেই বাঁহৰ চুঙী বা মাটি পেঞ্চিলৰ লগত বদলা-বদলি....। মোৰ মনত পৰে এবাৰতো মই ৰঙ্গা টা লিচুৰ লগত এখন কিতাপো দি দিছিলো। নিস্পাপ মনৰ নিৰ্দোষ ধেমালি। আবেলি স্কুলৰ পৰা আহি নতুবা বন্ধ দিনত লোকৰ বাৰীয়ে-বাৰীয়ে, পথাৰে-পথাৰে

গৰুবিচ, লেচেৰী, চেচুৰ বিচৰা, কাঁচিখন লৈ গৈ পথাৰৰ পৰা কেঁচা নৰা অনা লগতে দুটামান নৰাৰ পেঁপা আৰু ছাঁতি বনোৱা। আৰু সেই পেপাঁৰ মাতত সকলোৰে কাণফলা। কেনেকুৱা যে দিন গৰকি আহিলো মই শৈশৱতে......।

ফুটকলা খাই ক'লা কৰা মুখখনত দাঁতকেইটা নিকটাই ভয় খওৱা, কাঁইটৰ আঁচোৰ খাই হ'লেও জেতুলীপকা অনা, আনে বিচাৰে বুলি মুখত ভৰোৱা বা দাঁত কামোৰ বহোৱা বগৰী, আমলখি, জলফাই, অমৰা কেইটা এতিয়াও চকুৰ আগত ভাঁহি থাকে। আবেলি লগৰ সমনীয়াৰ লগত ৰবাব টেঙাৰ বল নতুবা চাইকেলৰ টিউবেৰে আঁটি আঁটি বন্ধা বল আৰু ভঙা বেটৰ খেল খনৰ লগতে 'ঢকুৱা' গাড়ীত ভ্ৰমণ, হেতালি, কাবাড়ি, টাংগুটিৰ লগত হোৱা কাজিয়াখন....। আবেলিৰ সেই সময়খিনি মোৰ মানস পটত আজিও সজীৱ হৈ আছে। যেন সৌ সিদিনাৰহে কথা সেইবোৰ। বাৰীৰ পুখুৰীত সাঁতুৰ কোনে কিমান দ'লৈ গৈ কিমানদেৰি বুৰ মাৰি থাকিব পাৰে, খাল-পুখুৰী সিঁচিলে কোনে কিমান মাছ ধৰিব পাৰে, খাল-পুখুৰী সিঁচিলে কোনে কিমান মাছ ধৰিব পাৰে এনে অনেক প্ৰতিযোগিতা হয় আমাৰ মাত। শাওনৰ পথাৰত বোৱা হালখনৰ পিছে পিছে দৌৰ মাৰি চালনীখন বা ভঙা জাকৈখন পতা আৰু তাত উঠা সৰু দৰিকণা মাছটোকে চবকে দেখুৱাই আত্মগৌৰৱেৰে খালৈও ভৰোৱা এক অতি মিঠা স্মৃতি। ফুট গধূলিত বৰচোতালত ঢাৰি পাৰি আইতাৰ সাধু......। সন্ধ্যা প্ৰাৰ্থনাৰ পিচত পঢ়া টেবুলত বৰশী টোপোৱা আৰু মাৰ বকনিৰ ভয়ত অলপ দেৰিৰ মূৰে মূৰে হ'লেও আওৰোৱা ভগৱানেও নজনা শব্দৰ ধাৰ। স্কুলল যাওঁতে পিতাদেউৰ ঢাৰি তলৰপৰা চুৰি কৰি নিয়া এটকাৰে ৫০ পইচাৰ চানা আৰু ৫০ পইচাৰ টেঙা মৰ্টন কিনি খোৱাৰ হেঁপাহ........। আস; কি মধুৰ স্মৃতি হৈ জীপাল হৈ আছে মোৰ হৃদয়ত......., শৈশৱ।

মই এতিয়াও বহু ডাঙৰ নহয়। তথাপিতো সেই তুলুঙা দিনৰ তুলনাত এজনী বুজন ছোৱালী। এতিয়াও মোৰ মনত পৰে দাদাৰ লগত কাজিয়া কৰি প্ৰচণ্ড বতাহ বৰষুণৰ মাজতো কান্দি কান্দি ঘৰলৈ অহা আৰু বৰষুণত তিতাৰ বাবে খোৱা মাৰ গালি। কিন্তু সেই অভিমানতো যে সোমাই আছে সম্বন্ধৰ সঞ্জীৱনী। বৰদেউতাৰ লগত ন পুখুৰীৰ পাৰত বহি মাছৰ লগত কথা পতা, ওপৰেৰে উৰি যোৱা ঘৰমূখী পখীজাকক সিহঁতৰ ঘৰ ক'ত, মাকে মৰম কৰেনে নকৰে সোধা সেই কণমানি ছোৱালীজনীক মোৰ এতিয়াও স্পষ্টকৈ মনত আছে। সদা-ৰাতি ভাত খোৱাৰ আগত আইতাৰ আৰু পিছত পিতদেউৰ সাধু শুনা আৰু নক'লে পতা ঠেহৰ বাবে ওফন্দোৱা মুখখন মোৰ চকুৰপৰা ক'তো বিলীন হ'ব নোৱাৰে।

কেতিয়াবা ভাৱো কিয় ডাঙৰ হ'লো, সেই কণমানী চিত পখিলীজনী হৈ থকা হ'লেই ভাল আছিল, কোনো চিন্তা নাই, নাই কোনো ভাৱনা.......যেন এক যুক্ত বিহংগ। সেয়ে কেতিয়াবা এটা অসম্ভূত চিন্তা মনলৈ আহে আৰু ভাৱো যদি এনেকুৱা এটা ব্যৱস্থা থাকিলেহেঁতেন বা যন্ত্ৰ থাকিলেহেঁতেন যিয়ে সকলোকে ল যাব পাৰে অতীতলৈ আৰু পুনৰ সকলোৱে সেই শৈশৱৰ ধেমালিৰ স্বাদ ল'ব পাৰে। তেতিয়া কিজানি মই দস্তুৰমত উভতি গ'লোহেতেন। শৈশৱৰ বৰষুণত তিতিবলৈ কাৰণ মোক যে শৈশৱে ৰিঙিয়াই মাতে। আপোনালোকও নিশ্চয়। কাৰণ-শৈশৱ যে এক ৰঙীন স্কেছ আৰু ই যে সদায়ে সোণোৱালী।।

❖❖❖❖❖

# ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ প্ৰতিবেদন

## ২০০৭-০৮

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



"স্মৃতিৰ গুহাত ক'ত আদিম মানৱে কান্দে
জীৱনৰ মন্বন্তৰ ভাবি
যাযাবৰী বুৰঞ্জীত সিহঁত হেৰাই যায়
ৰচি সাধু হেজাৰ যুগৰ।"
— (মন্বন্তৰ) বীৰেণ বৰকটকী

মোৰ কাৰ্যকালৰ খতিয়ান দাঙি ধৰিবলৈ যোৱাৰ আগতে একাজঁলি শ্ৰদ্ধাঞ্জলি যাঁচিছো স্বদেশ আৰু স্বজাতিৰ হকে জীৱন আহুতি দিয়া বীৰ বীৰাঙ্গনা সকলৰ পবিত্ৰ স্মৃতিত। শত সহস্ৰ প্ৰণাম যাঁচিছো সেইসকল মহামানৱলৈ যিসকলৰ প্ৰচেষ্টাত আলোকিত হৈ উঠিছে শত সহস্ৰ জ্ঞান পিপাসুৰ শিক্ষা জীৱন।

জীৱনৰ সোণালী সপোনবোৰ বাস্তৱত পৰিণত কৰাৰ মানসেৰে শিৱসাগৰৰ মাজমজিয়াত অৱস্থিত ঐতিহ্যৰ আগশাৰীৰ শিক্ষা অনুষ্ঠান শিৱসাগৰ ছোৱালী কলেজত এদিন ভৰি দিছিলো। এই কলেজৰ সাধাৰণ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰি মোৰ ওপৰত যি বিশ্বাস আৰু আস্থা প্ৰকাশ কৰিছে আৰু মোৰ সপোনবোৰ বাস্তৱ ৰূপ দিয়াৰ বাবে মই সমূহ ছাত্ৰী আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ হিয়াভৰা অভিনন্দন তথা কৃতজ্ঞতা যাচিছোঁ। মহাবিদ্যালয়ৰ "সাধাৰণ সম্পাদিকা"ৰ দৰে এটা গুৰু দায়িত্বলৈ অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নতিৰ হকে নিজকে সম্পূৰ্ণৰূপে উৎসৰ্গা কৰাটো খুবেই কঠিন যদিও মই তথা আমাৰ ছাত্ৰী একতা সভাৰ সমূহ সদস্যই এই জ্ঞান মন্দিৰটিৰ উন্নতিৰ হকে নিজকে আত্মনিয়োগ কৰাত কোনো ত্ৰুটি ৰখা নাছিলো। এই ক্ষেত্ৰত আমাৰ একতা সভাখন কিমানদুৰ সফল হ'ল সেইয়া আপোনালোকৰ বিচাৰ্য।

সময়ৰ ফালৰ পৰা এটা বছৰ কম সময়। মাহ হিচাপে বাৰটা মাহ। আৰম্ভ হোৱাৰ লগেলগে বছৰ বাগৰি শেষ হয়। ভাল বেয়া মাথো সোঁৱৰণী হৈ ৰয়। এই সময়ক প্ৰকৃতাৰ্থত ধৰি ৰাখিব নোৱাৰি কামৰ দ্বাৰাহে বান্ধি ৰাখিব পাৰি সময়ক।

মোৰ এবছৰীয়া কাৰ্যকালৰ ভিতৰত নিৰ্বাচনত জয়ী হৈয়ে ২০০৭ চনৰ প্ৰাক্তন ছাত্ৰী মঞ্চৰ সৌজন্যত অনুষ্ঠিত কৰা তৰ্ক প্ৰতিযোগিতাখনিত শিক্ষাগুৰুসকলক বিভিন্ন কামত সহায় সহযোগ আগবঢ়াইছিলো আৰু তাৰ পাছতেই কাৰ্যভাৰ গ্ৰহণ কৰি সকলো ছাত্ৰীয়ে আগ্ৰহেৰে আপেক্ষা কৰি থকা বাৰ্ষিক কলেজ সপ্তাহটিৰ আয়োজন কৰা হয়। সকলোৰে সহযোগত বাৰ্ষিক কলেজ সপ্তাহটো সুকলমে অনুষ্ঠিত হৈ যায়। সংস্কৃতি এটা জাতিৰ মেৰুদণ্ড স্বৰূপ সাহিত্য মানুহৰ জীৱনৰ ছন্দোময় ধাৰা আৰু ক্ৰীড়া হৈছে মানৱ সভ্যতাৰ বিচিত্ৰ চানেকি। ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা জাগ্ৰত কৰাৰ অনুপম সুবিধা হৈছে "বাৰ্ষিক কলেজ সপ্তাহ"। গতিকে সমূহ ছাত্ৰী বান্ধৱীলৈ অনুৰোধ জনালো তেওঁলোকে যেন নিজ নিজ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত পিছ হুহকি নগৈ আগুৱাই আহে যেন।

ইয়াৰ পিছৰ পদক্ষেপ আছিল 'সৰস্বতী পূজা'। প্ৰত্যেক বছৰৰ দৰে এইবছৰো আমাৰ অতিকৈ আদৰৰ "শ্ৰীশ্ৰী সৰস্বতী পূজা" ভাগি আহি পৰিছিল। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকলৰ সহযোগত বিগত বছৰ কেইটিৰ দৰে এইবাৰো অতি আনন্দ উল্লাসেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। পূজাৰ কাম সুকলমে সমাপন কৰাৰ বাবে মই ছাত্ৰী একতা সভাৰ সমূহ সদস্যৰ লগতে উৎসৱ ও সাংস্কৃতিক বিভাগৰ সম্পাদিকালৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

ইয়াৰ পিছতেই অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মনোৱাৰা বেগম বাইদেউ, গ্ৰন্থাগাৰিকা মায়াশীল হাজৰিকা চলিহা বাইদেউ, কলেজ কৰ্মচাৰী যোগেশ্বৰ কাই আদিৰ বিদায় সভা আয়োজন কৰা হয় যদিও দ্বাদশ আৰু স্নাতক

তৃতীয় বৰ্ষৰ ছাত্ৰী সকলৰ বিদায় সভা আয়োজন কৰিব নোৱাৰা বাবে সমূহ ছাত্ৰীৰ ওচৰত মই ক্ষমা প্ৰাৰ্থনা মাগিছো।

ইয়াৰ পাছতেই ছাত্ৰী একতা সভাই অনুষ্ঠিত কৰা অন্য এটা কাৰ্যসূচী হৈছে নৱাগত আদৰণী সভা, যাৰ মাধ্যমেৰে নৱাগতাসকলক আনুষ্ঠানিক ভাৱে আদৰণী জনোৱা হয়।

ছাত্ৰী সকলৰ মানসিক উৎকৰ্ষ সাধন কৰিবৰ বাবে বিভিন্ন কাৰ্যসূচী যেনে কুইজ, তৰ্ক, বক্তৃতা আদি সময়ে সময়ে অনুষ্ঠিত কৰি থকাৰ বাবে মই তৰ্ক বিভাগৰ সম্পাদিকা লগতে বিভাগীয় উপদেষ্টালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এই বছৰটিত অসমৰ জনসাধাৰণ বাৰুকৈ বান সমস্যাৰ সন্মুখীন হ'ব লগা হয়। এইবাৰ ছাত্ৰী একতা সভাৰ প্ৰচেষ্টাত ছাত্ৰীসকলৰ সামৰ্থ্য অনুযায়ী এক বান সাহাৰ্য পুঁজি সংগ্ৰহ কৰি মাজুলীলৈ এক বান সাহাৰ্য প্ৰদান কৰা হয়।

শেষত পুনৰবাৰ মোৰ কাৰ্য শেষ কৰা হয় ২০০৮ চনৰ প্ৰাক্তন ছাত্ৰী মঞ্চৰ সৌজন্যত অনুষ্ঠিত কৰা কুইজ প্ৰতিযোগিতা খনিৰ জৰিয়তে।

মহাবিদ্যালয়ৰ জন্মলগ্নৰ পৰা বৰ্তমানৰ যি এক উন্নত অৱস্থাত পৰিণত হৈছেহি তাৰবাবে আমি সকলো শিৱসাগৰ ছোৱালী কলেজৰ কৰ্তৃপক্ষৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'ম। তথাপি ইয়াৰ মাজতে কিছুমান অভাৱ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীয়ে উপলব্ধি কৰিছে যেনে–

১। ছাত্ৰী জিৰণী কোঠাত ছাত্ৰী অনুপাতে চকীৰ সংখ্যা কম।
২। ছাত্ৰী একতা সভাৰ এটা স্থায়ী কাৰ্য্যালয়ৰ বিশেষ প্ৰয়োজন।
৩। কলেজত এটি শ্বহীদ বেদীৰ অভাৱ।
৪। কলেজৰ গ্ৰন্থাগাৰত ছাত্ৰীৰ প্ৰয়োজন অনুপাতে কিতাপৰ সংখ্যা কম।
৫। মহাবিদ্যালয়খনিত খোৱাপানীৰ অভাৱ।

ওপৰোক্ত দিশ কেইটাৰ প্ৰতি গুৰুত্ব দিব বুলি ছাত্ৰী একতা সভাৰ বিশ্বাস। আশা ৰাখিছো কৰ্তৃপক্ষই বাকী সমস্যাসমূহ সমাধান কৰাৰ দৰে এই সমস্যা সমূহো সমাধান কৰিবৰ বাবে বিশেষ পদক্ষেপ হাতত লব।

আমাৰ এই মহাবিদ্যালয়খনি পূৰ্বৰে পৰা বহু দিশত আগবঢ়া। ইয়াতেই শিক্ষা গ্ৰহণ কৰা ছাত্ৰী হৈছে সু-সাহিত্যিক, সু-কবি, সু-খেলুৱৈ আৰু বহুতো। আশা ৰাখিছো অদূৰ ভৱিষ্যতেও যাতে এনে সুনামৰ ধাৰা অব্যাহত থাকে। যাৰ নাম বিশ্ব বুৰঞ্জীত সোণালী আখৰেৰে খোদিত কৰিব পৰা যাব।

সময় হৈছে পাখি লগা কাঁড়ৰ দৰে। সময় কাৰো বাবে ৰৈ নাথাকে। প্ৰতি বস্তু তথা কালৰো নিৰ্দিষ্ট সময় থাকে। সেইদৰে আমাৰো কাৰ্যভাৰ ত্যাগ কৰাৰ সময় হ'ল। মই এই পদত দায়িত্বভাৰ লোৱাৰ পাছত নানা সমস্যাৰ সন্মুখীন হৈছিলো। সমস্যাৰে জৰ্জৰিত কণ্টকময় পথত বাট দেখুৱাই প্ৰেৰণা যোগোৱা অধ্যক্ষ মহোদয়ক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। লগতে সমূহ অধ্যাপক-অধ্যাপিকা সকলক এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোৰ কাৰ্য্যকালত নানা কামত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে কলেজ কাৰ্য্যালয়ৰ কৰ্মচাৰীবৃন্দ তথা সমূহ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

শেষত মোৰ কাৰ্য্যকালত জ্ঞাতে-অজ্ঞাতে অনিচ্ছাকৃত ভুল ক্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো আৰু মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**মৃদুস্মিতা বড়া**
সাধাৰণ সম্পাদিকা
শিৱসাগৰ ছোৱালী কলেজ

# খেল বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিভাগীয় প্ৰতিবেদন লিখাৰ আগমুহূৰ্তত মহাবিদ্যালয়ৰ সমূহ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, বান্ধবী তথা ভণ্টীসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদন কৰিছো।

ক্ৰীড়া হ'ল জীৱনৰ এটি অনুপম কথা, য'ত শাৰীৰিক আৰু মানসিক সাফল্যক অসীমৰ বিজয়ৰ স্তম্ভত অৱতৰণ ঘটায়। ই হৈছে এটা জাতিৰ গৌৰৱৰ হ'ল তথা উন্নতিৰ সপোন। এই সপোনক বাস্তৱত ৰূপায়িত কৰিবলৈ হ'লে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলো যত্নপৰ হোৱা উচিত আৰু ইয়াৰ বাবে সকলো সুপ্ত প্ৰতিভাসমূহক আলোকিত কৰি তুলিবলৈ এটি গুৰুত্বপূৰ্ণ প্ৰচেষ্টা হাতত লোৱাটো সকলোৰে কৰ্তব্য।

"কাৰ্যকাৰিতা দায়িত্ববোধৰ প্ৰধান লক্ষ্য।" উক্ত বাক্যশাৰীৰ যথাৰ্থ উপলব্ধি কৰি শিৱসাগৰ ছোৱালী কলেজৰ দৰে মহাবিদ্যালয়ত খেল বিভাগৰ সম্পাদিকাৰ দায়িত্বভাৰ বহন কৰিবলৈ সক্ষম হৈছিলো। এই দায়িত্ব বহন কৰি মই বহুতো অভিজ্ঞতা লাভ কৰিছিলো। যিটো মোৰ কাৰণে সদায়ে চিৰস্মৰণীয় হৈ ৰ'ব। অৱশ্যে মই এই পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলো।

খেলবিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভ হৈছিল। বাৰ্ষিক ক্ৰীড়া সপ্তাহত অনুষ্ঠিত কৰা ক্ৰীড়া প্ৰতিযোগিতাৰ বিভিন্ন খেলসমূহ আছিল এনেধৰণৰ-- দৌৰ প্ৰতিযোগিতা, ১০০, ২০০, ৪০০, ৪X৪০০) হাইজাম্প, লংজাম্প, ডিচ্কাচ থ্ৰ', জেভেলিন থ্ৰ', শ্বট ফুট, ৰছী টনা, কাবাদী। উক্ত খেলসমূহৰ ফলাফল আছিল এনেধৰণৰ--

দৌৰ প্ৰতিযোগিতা ঃ

| | | | |
|---|---|---|---|
| ১০০ মিটাৰ ঃ | প্ৰথম | ঃ | শ্ৰী স্বপ্না বৰুৱা (স্নাতক ১ম বাৰ্ষিক) |
| | দ্বিতীয় | ঃ | শ্ৰী জয়ামণি গগৈ (স্নাতক ২য় বাৰ্ষিক) |
| | তৃতীয় | ঃ | শ্ৰী আশাপূৰ্ণা দত্ত (স্নাতক ১ম বাৰ্ষিক) |
| ২০০ মিটাৰ ঃ | প্ৰথম | ঃ | শ্ৰী মানসী বড়া (স্নাতক ২য় বাৰ্ষিক) |
| | দ্বিতীয় | ঃ | শ্ৰী আশাপূৰ্ণা দত্ত (স্নাতক ১ম বাৰ্ষিক) |
| | তৃতীয় | ঃ | শ্ৰী জ্যোতি দাস (উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ) |
| | | | শ্ৰী পিংকী গগৈ (স্নাতক ৩য় বৰ্ষ) |
| ৪০০ মিটাৰ ঃ | প্ৰথম | ঃ | শ্ৰী ৰাশি বড়া (স্নাতক ১ম বাৰ্ষিক) |
| | দ্বিতীয় | ঃ | শ্ৰী প্ৰদশিনা মহন্ত (স্নাতক ৩য় বাৰ্ষিক) |
| | তৃতীয় | ঃ | শ্ৰী পিংকীমণি গগৈ (স্নাতক ৩য় বাৰ্ষিক) |
| ৪ X১০০ মিঃ ৰিলে ঃ | প্ৰথম | ঃ | প্ৰদক্ষিণা মহন্তৰ দল। |
| | দ্বিতীয় | ঃ | অত্ৰেয়ী দেৱীৰ দল। |
| | তৃতীয় | ঃ | আশাপূৰ্ণা দত্তৰ দল। |

হাইজাম্প ঃ

| | | |
|---|---|---|
| প্ৰথম | ঃ | শ্ৰী পিংকীমণি গগৈ (স্নাতক ৩য় বাৰ্ষিক) |
| দ্বিতীয় | ঃ | শ্ৰী ৰিংকী ভূঞা (উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ) |
| তৃতীয় | ঃ | শ্ৰী মানসী বড়া (স্নাতক ২য় বাৰ্ষিক) |

লং জাম্প ঃ

| | | |
|---|---|---|
| প্ৰথম | ঃ | শ্ৰী মানসী বড়া (স্নাতক ২য় বাৰ্ষিক) |
| দ্বিতীয় | ঃ | শ্ৰী পিংকীমণি গগৈ (স্নাতক ১ম বাৰ্ষিক) |

তৃতীয় ঃ শ্ৰী ৰ'জি বৰগোহাঁই (উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ)

**ডিচ্কাচ্ থ্ৰ' ঃ**

প্ৰথম ঃ শ্ৰী মানসী বড়া (স্নাতক ২য় বৰ্ষ)
দ্বিতীয় ঃ শ্ৰী টিনামণি কোঁৱৰ (স্নাতক ১ম বৰ্ষ)
তৃতীয় ঃ শ্ৰী ৰিংকী ভুঞা (উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ)
শ্ৰী পল্লৱী বৰকাকতি (স্নাতক ২য় বৰ্ষ)

**জেভলিন থ্ৰ' ঃ উদ্‌গণি বঁটা**

শ্ৰী কিৰণ দেৱী (স্নাতক ৩য় বাৰ্ষিক)

**শ্বট ফুট ঃ**

প্ৰথম ঃ শ্ৰী পিংকীমণি গগৈ (স্নাতক ৩য় বৰ্ষ)
দ্বিতীয় ঃ শ্ৰী মানসী বড়া (স্নাতক ২য় বৰ্ষ)
তৃতীয় ঃ শ্ৰী প্ৰদক্ষিণা মহন্ত (স্নাতক ৩য় বৰ্ষ)

**ৰছী টনা ঃ**

প্ৰথম ঃ তছ্লিমা বেগমৰ দল
দ্বিতীয় ঃ শ্ৰী ৰিংকী ভুঞাৰ দল।

**কাবাদী ঃ**

প্ৰথম ঃ শ্ৰীআশাপূৰ্ণা দত্তৰ দল।
দ্বিতীয় ঃ শ্ৰী ৰিংকী ভুঞাৰ দল।

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছে—
শ্ৰীপিংকীমণি গগৈ (স্নাতক ৩য় বৰ্ষ)

**DIBRUGARH UNIVERSITY YOUTH FESTIVAL, 2008, D.R. College, Golaghat**

***Prizes won by Sibsagar Girls' College.***

| | | | | |
|---|---|---|---|---|
| 1. | Borgeet | : 1st. Prize | : | Bitopi Kakaty |
| 2. | Tabala Badan | : 2nd Prize | : | Ankita Baruah |
| 3. | Kheyal | : 3rd Prize | : | Hrishi Keshi Lahan |
| 4. | Dhole Badan | : Judges Special Prize | : | Ankita Baruah |
| 5. | Group Dance | : 2nd Prize | | |
| 6. | Group Song | : 2nd Prize | | |

শেষত মোৰ বিভাগৰ কাৰ্যকাল সুচাৰুৰূপে সম্পন্ন কৰাত সহায় আগবঢ়োৱাৰ বাবে তত্বাৱধায়ক ফণিন চন্দ্ৰ মাউত, বিমল দত্ত ছাৰ আৰু লগতে সঞ্জয় দাস ছাৰ, ৰণ্টু গোহাঁই ছাৰ, শিৱ প্ৰসাদ মিলি ছাৰলৈ লগতে মোৰ বান্ধৱী স্বৰ্ণালী দিহিঙ্গীয়া, পিংকী চেতিয়া, পূৰবী দত্ত, তুচমিতা দিহিঙ্গীয়া, মণিষা দত্ত, হিৰুমণি বৰগোহাঁই, অনুদিতা বেজবৰুৱা, পৰী দত্ত, নয়নমণি দত্ত, ইন্দ্ৰানী শৰ্মা, প্ৰাৰ্থনা ভুঞা, চাবিৰা বেগম, মামু গগৈ, মৃদুস্মিতা বৰা আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষক- শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰ একতা সভা

ইতি

**জোনমণি দত্ত**
খেল বিভাগৰ
সম্পাদিকা

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ২০০৭-০৮



*"সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা*
*উন্মনা বাসনা আমাৰ নাই। আমি*
*বুৰঞ্জীৰ শিলাখণ্ডৰ জীৱন্ত ফছিল।"*
*(হেম বৰুৱা)*

ঐতিহ্যমণ্ডিত শিৱসাগৰৰ মাজমজিয়াত অৱস্থিত ঐতিহ্যৰ "শিৱসাগৰ ছোৱালী কলেজ"। বহুতো নিস্বাৰ্থ আদৰ্শবান সমাজকৰ্মীৰ চেষ্টা আৰু ত্যাগৰ ফলত ১৯৬৪ চনত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে প্ৰাণ পায় উঠে।

এবছৰীয়া কাৰ্য্যক্ৰমণিকাৰ খতিয়ান সন্নিবিষ্ট তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকাৰ প্ৰতিবেদন যুগুতোৱাৰ প্ৰাক্ মুহূৰ্তত যিসকল মনিষীৰ অপ্ৰাণ চেষ্টা আৰু ত্যাগৰ ফলত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিলে, সেইসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰিলো আৰু যিসকলৰ ইতিমধ্যে পৰলোক প্ৰাপ্তি হৈছে সেই সকলৰ বিদেহী আত্মাৰ চিৰশান্তিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। লগতে আদৰণি জনাইছো সেইসকললৈ, যিসকলে বুকুত ৰঙীন সপোন বান্ধি আমাৰ মহাবিদ্যালয়ত অধ্যয়নত মনোনিবেশ কৰিছে লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

বহু আশা, স্বপ্ন আৰু সীমাহীন কল্পনা হাতত লৈ ভৰি দিছিলো এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত। বহু হেঁপাহ আছিল কলেজ উন্নয়নৰ বাবে কিবা এটা কৰাৰ। সেই উদ্দেশ্যেই ২০০৭-০৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ বাবে মনোনয়ন আগবঢ়াইছিলো। এই পদত মোক বিনা প্ৰতিদ্দিতাৰে বিজয়ী হোৱাৰ সুবিধাকন দিয়াৰ বাবে অগ্ৰজ-অনুজ তথা সতীৰ্থসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যাহে মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ বিষয়।

২০০৭-০৮ বৰ্ষৰ তৰ্ক বিভাগৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই মই ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগহৈ মহাবিদ্যালয়ৰ কামত আত্মনিয়োগ হৈছিলো। মহাবিদ্যালয়ত পৰম্পৰাগত ভাৱে চলি অহা বাৰ্ষিক ক্ৰীড়া সপ্তাহ সুচাৰুৰূপে সম্পন্ন কৰাত কোনো কৃপণালি নকৰাকৈ পূৰ্ণ সহযোগিতা আগবঢ়াইছিলো। ইয়াৰ লগতে শ্ৰীশ্ৰী সৰস্বতী দেৱীৰ পূজাভাগ সুচাৰুৰূপে পালন কৰাত সহায়ৰ হাত আগবঢ়াইছিলো। কলেজ সপ্তাহৰ লগত সংগতিৰাখি মোৰ বিভাগত তৰ্ক প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহৰ ভিতৰত তৰ্ক প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা যথেষ্ট কম আছিল। এই ক্ষেত্ৰত সমূহ ছাত্ৰীসকললৈ এটা অনুৰোধ-- তৰ্ক হৈছে বাক্পটুতাৰ পৰিচয়। তেওঁলোকে যেন অন্য প্ৰতিযোগিতা সমূহৰ দৰে তৰ্ক প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ মানদণ্ড উন্নত কৰে।

বাৰ্ষিক ক্ৰীড়া সপ্তাহ অন্ত হোৱাৰ পাছতো মোৰ উপদেষ্টা বাইদেউসকলৰ দিহা পৰামৰ্শ অনুসৰি মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশৰ লগত সংগতি ৰাখি এখনি তৰ্ক আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰি যথেষ্ট সফল হৈছিলো। তাৰোপৰি মোৰ কাৰ্য্যকালতে দুবাৰকৈ প্ৰাক্তন ছাত্ৰী মঞ্চৰ সৌজন্যত দুখনকৈ

প্রতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰাক্তন ছাত্ৰীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত হোৱা তৰ্ক আৰু কুইজ প্ৰতিযোগিতা দুয়োখনে সুচাৰুৰূপে সম্পন্ন হোৱাত পূৰ্ণ সহযোগিতা আগবঢ়াইছিলো।

মোৰ কাৰ্য্যকালত অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতালৈ মহাবিদ্যালয়ৰ পৰা ছাত্ৰী নিৰ্বাচন কৰি পঠিয়াই মহাবিদ্যালয়ৰ মানদণ্ড উন্নত কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিলো। মোৰ ধাৰণা, এইক্ষেত্ৰত মই অলপ হ'লেও সফল হৈছিলো। তৰ্ক বিভাগৰ সম্পাদিকা হিচাপে কিমানদূৰ সফল হলো সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

প্ৰতিবেদনৰ শেষস্তৰত উপনীত হৈ পোনপ্ৰথমেই কৃতজ্ঞতা জ্ঞাপন কৰিলো সেইসকললৈ, যিসকলে আমাৰ প্ৰতিটো পদক্ষেপত সহায়ৰ হাত আগবঢ়ালে।

মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শ, সহায় সহযোগৰ লগতে উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, মোৰ বিভাগীয় উপদেষ্টা ড° জিমলি বৰা ভৰালী বাইদেউ আৰু শ্ৰীযুক্তা গৰিকা দেৱী বাইদেউ প্ৰমুখ্যে জাকিৰ হুছেইন চাৰলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। যিসকল বিশিষ্ট অতিথি, বিচাৰকবৰ্গ আৰু শুভাকাংক্ষী ৰাইজে আমাৰ বিভিন্ন অনুষ্ঠানৰ নিমন্ত্ৰণ ৰক্ষা কৰি আমাক কৃতাৰ্থ কৰিলে তেখেতসকললৈও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

তাৰোপৰি, মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰী একতা সভাৰ সমূহ সদস্যাকে আদি কৰি মোৰ অতিকৈ মৰমৰ বান্ধৱী সকলকো আন্তৰিক ধন্যবাদ জনালো।

মোৰ কাৰ্য্যকালত মই সকলো কাম-কাজ নিষ্ঠা সহকাৰে পালন কৰিছিলো যদিও কৰ্তব্যৰ তাড়নাত যদি কাৰোবাক কিবা কঠিন বাক্য প্ৰয়োগ কৰিছিলো আৰু জ্ঞাতে-অজ্ঞাতে কৰা সকলো দোষ-ত্ৰুটিৰ বাবে সমূহ শিক্ষাগুৰু তথা সমূহ ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিলো।

সদৌ শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ লগতে উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা"

ধন্যবাদেৰে—

**পূৰবী দত্ত**

তৰ্ক বিভাগৰ সম্পাদিকা

***তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ***

প্ৰথম ঃ জিমি চেতিয়া

দ্বিতীয় ঃ অনামিকা গগৈ

উদগণি পুৰস্কাৰ ঃ

প্ৰণতি বৰুৱা

অনামিকা বুঢ়াগোহাঁই

***বক্তৃতা প্ৰতিযোগিতা ঃ***

প্ৰথম স্থান ঃ প্ৰিয়ংকা ৰাঘৱ

দ্বিতীয় স্থান ঃ লক্ষীমণি দত্ত

অনামিকা বৰুৱা

তৃতীয় স্থান ঃ ডলী দাস

***কুইজ প্ৰতিযোগিতা ঃ***

প্ৰথম স্থান ঃ দেৱাশী বৰগোহাঁই

ইন্দ্ৰাণী শৰ্মা

দ্বিতীয় স্থান ঃ আৰমিন আজিজা

চুমী হাজৰিকা

তৃতীয় স্থান ঃ যুটীয়া দল

(১) চিতুমণি গগৈ, পৰিণীতা মজিন্দাৰ

(২) পিউচময়ী দুৱৰা, ড্ৰিমলী দত্ত

***আকস্মিক বক্তৃতা ঃ***

প্ৰথম স্থান ঃ ডলী দাস

দ্বিতীয় স্থান ঃ জিমি চেতিয়া

তৃতীয় স্থান ঃ প্ৰণতি বৰুৱা

উদ্গণিমূলক পুৰস্কাৰ ঃ অনামিকা গগৈ

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

# ২০০৭-০৮



প্ৰতিবেদনৰ প্ৰাক্ বুলনিতে সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছো যিসকলৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ে জন্ম লাভ কৰি আজিৰ এই স্থানত উপবিষ্ট হৈছেহি। লগতে এই বৰ্ষত যিসকল সুযোগ্য পুৰুষ- মহিলা পৰলোকগামী হৈছে সেইসকললৈ ভক্তিভৰা প্ৰণিপাত জনাই তেখেতসকলৰ আত্মাৰ সদ্গতি তথা চিৰশান্তিৰ বাবে ভগৱন্তৰ শ্ৰীচৰণত অশ্ৰুঅঞ্জলী যাচিছো। আৰু বিনা প্ৰতিদ্বন্দিতাৰে ২০০৭-০৮ বৰ্ষৰ আলোচনী বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰা সকলো শুভাকাঙ্খীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ সমূহ কাম-কাজৰ লগত জড়িত হবলৈ চেষ্টা কৰিছিলো। বিগত বছৰৰ দৰে এইবছৰো বাৰ্ষিক কলেজ সপ্তাহ আয়োজন কৰা হয়। কলেজ সপ্তাহৰ প্ৰথমদিনাই সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ আয়োজন কৰা হৈছিল। আৰু এই সকলোবোৰ কাম নিয়াৰিকৈ কৰিবলৈ সক্ষম হলো শ্ৰদ্ধেয়া সংগীতা বাইদেউ আৰু প্ৰবীন শৰ্মা চাৰ আদি শিক্ষাগুৰুসকলৰ দিহা পৰামৰ্শৰ জৰিয়তে। কিন্তু অতি পৰিতাপৰ বিষয় যে সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতা বিলাকত প্ৰতিযোগীৰ সংখ্যা আছিল তেনেই তাকৰীয়া। বিশেষকৈ, ইংৰাজী কবিতা আবৃত্তি আৰু চিত্ৰাঙ্কন প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা আছিল তেনেই দুখলগা। আশা ৰাখিছো, অনাগত দিনবোৰত যেন ছাত্ৰীসকলে প্ৰতিভা বিকাশৰ বাবে নিজ কলেজৰ যোগেদি সুবিধা গ্ৰহণ কৰি যোগ্যতা প্ৰদৰ্শন কৰে।

সাহিত্য বিভাগৰ প্ৰতিযোগিতা সমূহৰ বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰাৰ বাবে শ্ৰদ্ধাৰ ৰঞ্জিত তামুলী চাৰ, আব্দুল হামিদ চাৰ, ৰণ্টু গোহাঁই চাৰ, শিৱ প্ৰসাদ মিলি চাৰ, অজন্তা বাইদেউ, কাকলি বাইদেউ, কৃতাঞ্জলী বাইদেউ প্ৰমুখ্যে সকলো চাৰ বাইদেউলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে, সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সমূহ প্ৰতিযোগীলৈ আন্তৰিক অভিনন্দন জনালো আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

এখন মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ দৰে এটা গধুৰ দায়িত্ব কান্ধপাতি লৈ যথেষ্ট সমস্যাৰ সন্মুখীন হব লগা হ'ল। দেখা যায় যে, এখন আলোচনী প্ৰকাশ কৰিবলৈ হলে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ পূৰ্ণ সহযোগিতা তথা অধ্যাপক-অধ্যাপিকাসকলৰ প্ৰেৰণা তথা সহযোগিতা লাগিবই। তাতোতকৈ ডাঙৰ কথা ইয়াৰ বাবে এক বৃহৎ সংখ্যক পুঁজিৰ প্ৰয়োজন। দেখা গ'ল ২০০৬ বৰ্ষত প্ৰকাশ পাবলগীয়া আলোচনীখন ২০০৭-০৮ বৰ্ষত একেলগে প্ৰকাশ পাইছে। যিটো নেকি আগৰ কেইটামান বছৰতো একেলগে প্ৰকাশ পাই আহিছে। এই কাৰ্যই আমাক বাৰুকৈ আঘাত হানিছে। কাৰণ প্ৰত্যেকগৰাকী সম্পাদিকাৰে নিজস্বতা আছে, হাবিয়াস আছে। এখন আলোচনী নিজস্ব হেপাহেৰে প্ৰকাশ কৰিবলৈ সম্পাদিকাৰ আগ্ৰহ জন্মে। তেনেস্থলত ২০০৬-০৭ বৰ্ষৰ আলোচনীখন এই বছৰত কিয় একেলগে প্ৰকাশ কৰিবলৈ লোৱা হ'ল সেয়া যথেষ্ট দুখলগা বিষয়। কিন্তু শ্ৰদ্ধাস্পদ উপদেষ্টামণ্ডলীয়ে যেতিয়া এই কথাত সহমত প্ৰকাশ কৰিলে তেতিয়া বিনা মতবাদে আমিও এই সিদ্ধান্ত গ্ৰহণ কৰিলো। আলোচনীখন প্ৰকাশ কৰাত বিভিন্ন সমস্যাৰ সন্মুখীন হলেও সুকলমে আলোচনীখন প্ৰকাশ কৰি

আপোনালোকলৈ আগবঢ়াবলৈ পাই আমি লাভ কৰিছো এক বিমল প্ৰশান্তি।

সাহিত্য আৰু আলোচনী বিভাগৰ দৰে এটা গুৰু দায়িত্ব সুকলমে পৰিচালনা কৰাত আৰম্ভণিৰে পৰা শেষলৈকে বিভিন্ন দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মই শ্ৰদ্ধাৰ উপদেষ্টামণ্ডলী সংগীতা হাজৰিকা বাইদেউ আৰু প্ৰবীন শৰ্মা চাৰলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। লগতে, বিভিন্ন পৰ্য্যায়ত সহায় কৰি মোক কৃতাৰ্থ কৰা শ্ৰদ্ধাৰ ৰঞ্জিত তামুলী চাৰ, কিশোৰ দেউৰী চাৰ, গিতালী বাইদেউ আৰু শ্ৰদ্ধাষ্পদ শিক্ষাগুৰুসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ইয়াৰ উপৰিও মোক প্ৰতিটো পদক্ষেপতে সহায়ৰ হাত আগবঢ়োৱা সহযোগী বান্ধৱী ময়ুৰী, প্ৰণতি, আশাশ্ৰী, ৰূপজ্যোতি আৰু ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এই এবছৰীয়া কাৰ্যকালত মই মোৰ সামৰ্থ্য অনুযায়ী কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু কিমান দূৰ সফল হব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। কাৰ্যভাৰ পালন কৰি থাকোতে হয়তো কেতিয়াবা কাৰোবাক অলপ টানকৈ কবলগাত পৰিছিলো। বিশেষকৈ মোবাইল ফোন ব্যৱহাৰ কৰাৰ প্ৰসংগত। কলেজত মোবাইল ফোন ব্যৱহাৰ নকৰিবলৈ বাৰে বাৰে জাননী দিয়া স্বত্বেও যিসকল ছাত্ৰীয়ে কলেজৰ ক্লাচৰুমত মোবাইল ফোন ব্যৱহাৰ কৰিছিল। সেইসকলক টান কথা কোৱাত কিবা ভুল হৈছে বুলি আমি বিবেচনা কৰা নাই। তথাপিও প্ৰতিবেদনৰ শেষ মুহূৰ্তত আমি তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত মহাবিদ্যালয়খনিৰ উজ্জ্বল ভৱিষ্যত তথা সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

**বিনীতা চেতিয়া**
সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা

---

## সাহিত্য বিভাগৰ ফলাফলসমূহ

মৌলিক কবিতা
১ম পুৰস্কাৰ লাভ কৰিছে
ঃ অঞ্জলী শইকীয়া
স্নাতক ২য় বৰ্ষ ( বুৰঞ্জী বিভাগ)
(দেৱদাসী)
২ম পুৰস্কাৰ লাভ কৰিছে
ঃ পিকুমণি গগৈ
উঃমাঃ ১ম বৰ্ষ
(সূৰ্যাস্ত চাই ভালপোৱা ছোৱালীজনী)
৩ম পুৰস্কাৰ লাভ কৰিছে ঃ
ঝৰ্ণা গগৈ
উঃ মাঃ ২য় বৰ্ষ
(আজিৰ সভ্যতা)

নিচুকণি বঁটা লাভ কৰিছে ঃ যুটীয়া ভাবে
ত্ৰিবেণী দত্ত
স্নাতক ৩য় বিভাগ (অসমীয়া)
(মই এজনী গাঁৱৰ ছোৱালী)
ঃ পল্লৱী বড়া
স্নাতক ২য় বৰ্ষ (ভূগোল )
(তোমাৰ প্ৰেমত পৰিব পৰাকৈ মোৰ একোৱেই নাছিল)

মৌলিক গল্প ঃ
১ম পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী আকাশজ্যোতি দাস
(ভাৱনাৰ সিপাৰত মই)
স্নাতক ৩য় বৰ্ষ ( অসমীয়া)

২য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী ত্ৰিবেণী দত্ত
(সোঁৱৰণি নিৰ্দিবি আমনি)
স্নাতক ৩য় বৰ্ষ
(অসমীয়া বিভাগ)

৩য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী কৃপাক্ষী চাৰুকীয়া
(সততাৰ পৰিচয়)
স্নাতক ২য় বৰ্ষ
(ৰাজনীতি বিজ্ঞান বিভাগ)

## থলিতে লিখা গল্প প্ৰতিযোগিতা

(বিষয় ঃ মানৱতাবাদ)

১ম পুৰস্কাৰ লাভ কৰিছে ঃ
শ্ৰী সুপ্ৰিয়া গগৈ
(একোজন মানৱৰ সন্ধানত)
স্নাতক ২য় বৰ্ষ ( অৰ্থনীতি বিভাগ)

২য় পুৰস্কাৰ লাভ কৰিছে ঃ (যুটীয়া ভাৱে)
শ্ৰী পল্লৱী বড়া
(উদিত সুৰুয)
স্নাতক ২য় বৰ্ষ (ভুগোল বিভাগ)
শ্ৰী জিনামণি শইকীয়া
(তৰা)
স্নাতক ১ম বৰ্ষ (অসমীয়া বিভাগ)

৩য় পুৰস্কাৰ লাভ কৰিছে ঃ (যুটীয়া ভাৱে)
শ্ৰী অঞ্জলী শইকীয়া
(সিদ্ধান্ত)
স্নাতক ২য় বৰ্ষ (বুৰঞ্জী বিভাগ)
শ্ৰী গংগোত্ৰি গগৈ
(মানৱীয়তাৰ আঘাত)
স্নাতক ২য় বৰ্ষ

নিচুকণি বঁটা লাভ কৰিছে ঃ
শ্ৰী লক্ষীমণি দত্ত
(সহায়)
স্নাতক ২য় বৰ্ষ (বুৰঞ্জী বিভাগ)

**থলিতে লিখা কবিতা ঃ**

"প্ৰেম আৰু বিৰহ"

১ম পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী মিনতি খনিকৰ
(যুটীয়া ভাৱে) ঃ (তুমি কাঢ়ি নিয়া দিনবোৰ)
স্নাতক ৩য় বৰ্ষ
(বুৰঞ্জী বিভাগ)
শ্ৰী আকাশজ্যোতি দাস
(স্মৃতিয়ে মেলিছে বেহা)
স্নাতক ৩য় বৰ্ষ ( অসমীয়া বিভাগ)

২য় পুৰস্কাৰ লাভ কৰিছে ঃ (যুটীয়া ভাৱে)
শ্ৰী ত্ৰিবেণী দত্ত
(আহিনত মইও ভাবিছিলো)
স্নাতক ৩য় বৰ্ষ (অসমীয়া বিভাগ)
শ্ৰী সুপ্ৰিয়া গগৈ
(এবুকু মৰম বিচাৰি)
স্নাতক ২য় বৰ্ষ ( অৰ্থনীতি বিভাগ)

৩য় পুৰস্কাৰ লাভ কৰিছে ঃ
শ্ৰী কৃপাক্ষী চাৰুকীয়া
(নিসংগ হৃদয়ৰ উচুপনি)
স্নাতক ২য় বৰ্ষ (ৰাজনীতি বিভাগ)

**অসমীয়া প্ৰবন্ধ**

**"সমাজত নাৰী নিৰ্য্যাতন বিৰোধী মানসিকতা গঢ়ি তোলাত মহিলাৰ ভূমিকা।"**

১ম পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী জাহ্নৱী কোঁৱৰ
স্নাতক ২য় বৰ্ষ (ইংৰাজী)

২য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী আকাশজ্যোতি দাস
(যুটীয়া ভাৱে) স্নাতক ৩য় বৰ্ষ ( অসমীয়া)
শ্ৰী ৰিমঝিম দাস
স্নাতক ১ম বৰ্ষ (ৰাজনীতি)

৩য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী মুনমী চেতিয়া
(যুটীয়া ভাৱে) স্নাতক ২য় বৰ্ষ ( ৰাজনীতি)
শ্ৰী ত্ৰিবেণী দত্ত
স্নাতক ৩য় বৰ্ষ (অসমীয়া)

**ইংৰাজী প্ৰবন্ধ**

নিচুকণী বঁটা লাভ কৰিছে ঃ (যুটীয়া ভাবে)
শ্ৰী প্ৰজ্ঞাশ্ৰী কটকী
স্নাতক ২য় বৰ্ষ (অৰ্থনীতি)
শ্ৰী সংঘমিত্ৰা দে
স্নাতক ২য় বৰ্ষ (অৰ্থনীতি)

**চিত্ৰাংকণ প্ৰতিযোগিতা**

১ম পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী পল্লৱী বুঢ়াগোঁহাই
স্নাতক ১ম বৰ্ষ

২য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী বিপাশা হাজৰীকা
স্নাতক ১ম বৰ্ষ

৩য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী ডলি বড়া
( উঃমাঃ ১ম বৰ্ষ)

(যুটীয়া ভাৱে) শ্ৰী অবিস্মিতা দত্ত ( „)

**অসমীয়া কবিতা আবৃত্তি**

**(বিষয় ঃ "পথাৰ" — ৰাম গগৈ)**

১ম পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী প্ৰণতি বৰুৱা

২য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী নলিনীবালা গগৈ

(যুটীয়াভাৱে) শ্ৰী অনন্যা বৰা

৩য় পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰী ৰাজশ্ৰী চাংমাই।

নিচুকণি পুৰস্কাৰ লাভ কৰিছে ঃ শ্ৰীশিল্পীশিখা চেতিয়া

(যুটীয়াভাৱে) ঃ শ্ৰী জ্যোতিস্মৃতা হাতীবৰুৱা

**ইংৰাজী কবিতা আবৃত্তি**

নিচুকণি বঁটা লাভ কৰিছে ঃ শ্ৰী ডলি দাস

স্নাতক ২য় বৰ্ষ (বুৰঞ্জী)

**প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা**

শ্ৰেষ্ঠ সম্পাদকীয় ঃ পল্লবী বড়া

সঞ্চাৰিণী দিপশিখা

শ্ৰেষ্ঠ গল্প ঃ ত্ৰিবেণী দত্ত ( হেৰুৱা স্বপ্ন)

(যুটীয়াভাৱে) (চুপহী)

অঞ্জলী শইকীয়া

(ক্ষণভংগুৰ)

(প্ৰত্যাহ্বান)

**শ্ৰেষ্ঠ প্ৰবন্ধ ঃ**

(Paradox of the time (English)

জ্যোতি চন্দ্ৰ

অসমীয়া জাতীয় জীৱনত বাঁহ (চুপহী)

**শ্ৰেষ্ঠ কবিতা ঃ**

'নিয়ৰসিক্ত এটি নিশা তোমাৰ প্ৰেমৰ দলিচাত"

(প্ৰৱাহিনী)

ঃ পিকুমণি গগৈ

শ্ৰেষ্ঠ অলংকৰণ ঃ সমন্বয় (অৰ্থনীতি বিভাগ)

শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা ঃ সঞ্চাৰিণী দীপশিখা

(ৰংপুৰ ছাত্ৰী নিবাস)

২য় শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা ঃ সমন্বয় ( অৰ্থনীতি বিভাগ)

৩য় শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা ঃ চুপুহী

(অসমীয়া বিভাগ)

**এইবছৰৰ শ্ৰেষ্ঠ লেখিকা বঁটা লাভ কৰিছে —**

আকাশজ্যোতি দাস

স্নাতক ৩য় বৰ্ষ (অসমীয়া বিভাগ)

# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ২০০৭-০৮



"শিৱসাগৰ" যাৰ নামেই সোঁৱৰাই দিয়ে নগৰখনৰ পৰিচয়। অসমৰ এখন অন্যতম ঐতিহ্যমণ্ডিত নগৰ যাৰ বুকুত এতিয়াও জিলিকি আছে আহোম যুগৰ ভাস্কৰ্যৰ নিদৰ্শন। এনেকুৱা এখন বুৰঞ্জী প্ৰসিদ্ধ নগৰৰ মাজমজিয়াত ১৯৬৪ চনত স্থাপিত হৈছিল "শিৱসাগৰ ছোৱালী কলেজ"।

শিৱসাগৰ নগৰৰ এখন উল্লেখযোগ্য কলেজ হিচাপে ইয়াৰ এজন অভিন্ন সদস্য হোৱাৰ হাবিয়াস মনতে সাঁচি ৰাখিছিলো। আশা আছিল কলেজৰ উন্নয়ণৰ বাবে কিবা এটা কৰাৰ। কিন্তু কোনো দিনে ভবা নাছিলো কলেজখনৰ এক সক্ৰিয় সদস্যৰূপে অংশগ্ৰহণ কৰাৰ সুযোগ পাম বুলি।

২০০৭-০৮ বৰ্ষৰ শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰূপে নিৰ্বাচিত কৰি যিসকল মোৰ অনুজ; অগ্ৰজ তথা সতীৰ্থসকলে এই গুৰু দায়িত্ব বহন কৰিবলৈ সৌভাগ্য প্ৰদান কৰিলে তেওঁলোৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মোৰ কাৰ্যকালত মোক সকলো সময়তে সুপৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱা অধ্যক্ষ তথা সভাপতি মহোদয় ড° হেমন্ত কুমাৰ ফুকন, বিভাগীয় উপদেষ্টা অজন্তা বৰা বাইদেউ, ইনামুল হুচেইন, কিশোৰ কুমাৰ দেউৰী চাৰ, ইয়াৰ উপৰিও ৰঞ্জিত তামুলী চাৰ, শিৱকুমাৰ মিলি চাৰ, প্ৰণৱ ভৰালী চাৰ, ৰণ্টু গোহাঁই চাৰ, বিমল দত্ত চাৰকে প্ৰমুখ্য কৰি আন আন শিক্ষাগুৰুসকলৰ প্ৰতি অকৃত্ৰিক শ্ৰদ্ধাৰে ভৰা কৃতজ্ঞতা যাচিলো। অফিচৰ কৰ্মচাৰীসকলৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আৰু কলেজৰ কেন্টিনৰ কৰ্মচাৰীয়ে বিভিন্ন সময়ত আগবঢ়োৱা সহায়ৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মহাবিদ্যালয়খনৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকা ৰূপে মই কিমানখিনি কাম কৰিব পাৰিলো সেইখিনি নিৰ্ভৰ কৰে আপোনালোকৰ বিচাৰৰ ওপৰত।

বিগত বছৰবোৰৰ দৰেই এইবছৰো ২০০৭-৮ চনৰ ৭ ডিচেম্বৰ শুক্ৰবাৰৰ পৰা ১৩ ডিচেম্বৰ বৃহস্পতিবাৰলৈ সাতদিনীয়া কাৰ্যসূচীৰে কলেজ সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়খনত সংস্কৃতিৰ লগত জড়িত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক বিভাগত অন্তৰ্গত বিষয়সমূহ হ'ল- বিহু নৃত্য, হুচৰি, শাস্ত্ৰীয়, দলীয়, একক আধুনিক নৃত্য, দিহানাম, বিয়ানাম, একাংকিকা নাট আৰু একক অভিনয় প্ৰতিযোগিতা। এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে মোৰ উপদেষ্টা অৰ্থাৎ অজন্তা বৰা বাইদেউৰে পোন প্ৰথমবাৰৰ বাবে সাংস্কৃতিক বিভাগৰ বিষয়সমূহৰ লগত ৰজিতা খুৱাই লোক সংস্কৃতিৰ আধাৰত অনুষ্ঠিত অন্য এক অনুষ্ঠান পাতিবলৈ মন কৰিলে। ভবামতে তেওঁ অনুষ্ঠানটিৰ বিষয় সহকৰ্মীসকলৰ আগত ব্যক্ত কৰিলে আৰু মোকো বুজাই ক'লে। বাইদেৱে লোক সংস্কৃতিৰ আধাৰত অনুষ্ঠিত কৰিব বিচৰা এই অনুষ্ঠানটিৰ নাম থলে "শুৱনি গাঁৱৰ চিনাকী ছবি।" এই অনুষ্ঠানটিৰ বিষয়ে জানিবলৈ পায় ছাত্ৰীসকলো নথৈ আনন্দিত হ'ল আৰু আগ্ৰহেৰে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে। সকলো বিষয়তে ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ আৰু উৎসাহ লেখত লবলগীয়া।

এই বিভাগৰ আন এক উল্লেখযোগ্য বিষয় হৈছে "শ্ৰীশ্ৰী সৰস্বতী পূজা"। ১১ ফেব্ৰুৱাৰী ২০০৮ চন, সোমবাৰে শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সৌজন্যত লগতে সকলো চাৰ-বাইদেউ তথা

কর্মচাৰীবৃন্দৰ সহযোগত পৰম্পৰাগতভাৱে চলি অহা বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী বাগ্‌দেৱী বীণাপানিৰ চৰণত এপাহি গন্ধ পুষ্পেৰে পূজাৰ অৰ্চনা উলহ মালহেৰে আয়োজন কৰা হয়।

মোৰ কাৰ্যকালত মোৰ বিভাগৰ পৰা বহুতো কাম সম্পাদন কৰোতে অজানিতে কিছুমান ভুল হ'ব পাৰে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

শেষত কাৰ্যকালৰ প্ৰতিটো কামতে প্ৰতিটো খোজতে সহায়ৰ হাত আগবঢ়োৱাৰ বান্ধৱী পল্লৱী, জেবিন, পূৰবী, কৰবী, জোনমণি, চুইটি, টুটুমনি, ৰাহিদা, বন্তি, অংকিতা, আকাশজ্যোতি, মামু, ৰূপা, দিপালী, নৱমল্লিকা, চবিতা, বিতপি, পৰী, পৰিস্মিতা আৰু মোৰ মৰমৰ ভন্টি বিনীতা, প্ৰাৰ্থনা, প্ৰণতি, মামু, বিপাশা, বিতু, পয়াক্ষী, চোজাতালৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। বিশেষকৈ মোৰ বান্ধৱী তথা মহাবিদ্যালয়ৰ ২০০৭-০৮ বৰ্ষৰ সাধাৰণ সম্পাদিকা মৃদুস্মিতা বৰালৈ আন্তৰিক ধন্যবাদ জনাইছো।

সদৌ শেষত অজানিতে যদি মোৰ কিবা ভুল হৈছে তাৰ বাবে পুনৰবাৰ ক্ষমা বিচাৰিছো। লগতে শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰনি মাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

**শ্ৰীমতী ছবিৰা বেগম**
সাংস্কৃতিক বিভাগৰ সম্পাদিকা
২০০৭-২০০৮ বৰ্ষ
শিৱসাগৰ ছোৱালী কলেজ

---

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ২০০৭-০৮

বিভাগীয় প্ৰতিবেদনৰ প্ৰথম কালতেই মই সেইসকল মহান ব্যক্তিক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰিছো। যিসকলৰ অশেষ ত্যাগ আৰু কষ্টৰ ফলত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ দৰে এটি জ্ঞানৰ মন্দিৰ প্ৰতিষ্ঠা হ'ল। ইয়াৰ লগতে বৰ্তমান শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সোণালীবৰণ সনাত সক্ষম হোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া সমূহ শিক্ষাগুৰু আৰু সমূহ কৰ্মচাৰী তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

উজনি অসমৰ এখনি অন্যতম লেখত লবলগীয়া শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত পঢ়াৰ এটি সপোন সৰুৰে পৰা আছিল। এই সপোনকেই বাস্তৱ পৰিণত কৰিবলৈ এই মহাবিদ্যালয়ৰ মাটিত ভৰি দিলো। ছাত্ৰী একতা সভাৰ এগৰাকী বিষয়ববীয়া হৈ এখন মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ পোৱাটো সকলো ছাত্ৰীৰ বাবে পৰম সৌভাগ্যৰ কথা। মই ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা হিচাপে ছাত্ৰী সকলক যিমান সুবিধা দিব লাগিছিল সিমান সুবিধা দিব নোৱাৰিলো। এই কথাই প্ৰমাণ কৰে যে মোৰ অক্ষমতাৰ। ছাত্ৰী জিৰণি চ'ৰাৰ উন্নতিৰ পৰিবৰ্তে অৱনতি হোৱাৰ অন্তৰালত কেৱল মোক জগৰীয়া কৰিলে নহব। ছাত্ৰীসকলৰ দায়িত্বহীনতাও ইয়াৰ বিকৃত ৰূপৰ অন্যতম কাৰণ। নিজৰ ভৰিত কুঠাৰ মাৰি নিজৰে ক্ষতি কৰাৰ দৰে ছাত্ৰী কিছুমানে অজ্ঞানতাৰ পৰিচয় দাঙি জিৰণি কোঠাৰ ভিতৰখন লেতেৰা কৰা, চানা খাই ভিতৰতে কাগজ পেলোৱা; জিৰণি কোঠাৰ দুৱাৰ, বেৰত আখৰ লিখা, খিৰিকীৰ পৰ্দাত হাত মোহৰা, আৱশ্যকতাৰ বাবে ৰখা চকী-বেঞ্চ কেইখনো এলাগী কৰা, জাবৰ-জোথৰ পেলোৱা, ডাচবিন ভাঙি দিয়া, প্ৰৱেশ নিষেধ বুলি লিখা পিছতো ছাত্ৰী একতা সভাত কোঠাত সোমাই কাপোৰ সলোৱা, মবাইল চাৰ্জ কৰা আদি অসৎ কাম কৰি নিজৰ প্ৰয়োজনীয় সম্পত্তি ধ্বংস কৰে।

মোৰ কাৰ্যকালৰ আৰম্ভণিতেই প্ৰতিযোগিতাৰ ৰণক্ষেত্ৰ সদৃশ ২০০৮ বৰ্ষৰ বাৰ্ষিক কলেজ ক্ৰীড়া সপ্তাহ আৰম্ভ হ'ল। তাৰ লগত সংগতি ৰাখি মোৰ বিভাগৰ খেল সমূহ নিয়ম আৰু শৃংখলাবদ্ধভাৱে আয়োজন কৰা হ'ল; মোৰ বিভাগৰ খেলৰ পৰিমাণ বেছিল নাছিল যদিও কমো নাছিল, মোৰ বিভাগৰ খেলসমূহ আছিল বেডমিণ্টন, টেবুল টেনিচ, চাইনিজ চেংকাৰ, দবা, কেৰম, মেহেন্দী পুংডি, হালোৱা, পিঠাপনা, ফুলসজ্জা, অঙ্কনা, পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতা ইত্যাদি। তাৰবাবে মোক সহায়ৰ প্ৰয়োজন হৈছিল। মোৰ বিভাগীয় উপদেষ্টাদ্বয় শ্ৰীমতী দীপজোনালী বৰুৱা বাইদেউ আৰু কাকলী বাইদেউৱে মোক বিশেষভাৱে সহায় কৰিছিল আৰু মোৰ কেইগৰাকীমান শুভাকাংক্ষীয়ে বিশেষ সহায় কৰিছিল, ৰিণিকি ৰিণিকি মনত থকা কেইগৰাকী ভিতৰত আছিল তমজিকা, উৰ্বশী, পৰিমিতা আৰু পাহৰণিৰ গহ্বৰত থাকি যোৱা বহুতো ব্যস্ততাৰ কাৰণতেই হওঁক অথবা অন্য কাৰণতেই থাকি যোৱা সকলক মই ধন্যবাদ জনাবলৈ পাহৰি থকা মোৰ সহকাৰী সকলক এই সুযোগতে শলাগৰ শৰাই খন আগবঢ়ালো।

সদৌ শেষত মোৰ অজানিতে হৈ যোৱা ভুল ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাগীন উন্নতি আৰু উজ্বল ভৱিষ্যত আশা কৰি মোৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয় ছাত্ৰী একতা সভা

ধন্যবাদেৰে–

**শ্ৰীমতী সুজাতা দত্ত**

---

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ২০০৭-০৮



বহু আশা, স্বপ্ন সীমাহীন কল্পনাৰে আপ্লুত অন্তৰ লৈ ভৰি দিছিলোহি ঐতিহ্যমণ্ডিত তথা বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ মাজমজিয়াত অৰ্থাৎ আহোম ৰজাসকলৰ ভাস্কৰ্য্যৰ নিদৰ্শন শিৱদ'লৰ কাষতে অৱস্থিত "শিৱসাগৰ ছোৱালী কলেজ"ত। এই শিক্ষানুষ্ঠানটোৰ প্ৰতি কিবা এটা কৰাৰ সপোন দেখিছিলো সৰুৰেপৰাই। কিন্তু ভবা নাছিলো এনে এটা সুযোগ পাম বুলি। আপোনালোকে যি উৎসাহেৰে মোৰ প্ৰতি বিশ্বাস ৰাখি এই পদৰ বাবে উপযুক্ত বুলি ভাবি সৰ্বোচ্চ ভোটত জয়যুক্ত কৰিলে তাৰ বাবে মই মোৰ অনুজ, অগ্ৰজ তথা সতীৰ্থ সকলৰ ওচৰত চিৰ কৃতাৰ্থ।

বিগত বছৰৰ দৰে ২০০৭ বৰ্ষৰ "বাৰ্ষিক কলেজ সপ্তাহ" খনে ৭ডিচেম্বৰৰ পৰা পাতিবলৈ ধাৰ্য্য কৰা হৈছিল। সকলো আগ্ৰহেৰে বাট চাই থকা এই বাৰ্ষিক কলেজ সপ্তাহখনৰ লগত বহুৰে কল্পনা জল্পনাৰ অন্ত নাথাকে। সময়ৰ লগে লগে পৰিবৰ্তনৰ প্ৰয়োজন তেতিয়াহে সময়ৰ লগত খোজ মিলাব পৰা যাব। এই কথালৈ লক্ষ্য ৰাখিয়েই প্ৰতিভাবান ছাত্ৰীসকলক তেওঁলোকৰ প্ৰতিভাসমূহ সমাজত প্ৰদৰ্শন কৰিবলৈ সুবিধা প্ৰদান কৰা হয়। এইবাৰ বাৰ্ষিক কলেজ সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠান সমূহত অংশ গ্ৰহণকাৰীৰ সংখ্যা অধিক হোৱাৰ লগতে অতি সুন্দৰ হৈছিল। সংগীত বিভাগত যথেষ্টখিনি প্ৰতিযোগী হৈছিল।

বিগত বছৰ কেইটিৰ দৰেই অতি আনন্দ উল্লাহেৰে বিভাগীয় উপদেষ্টা সকল তথা সম্পাদিকাৰ প্ৰচেষ্টাত সৰস্বতী পূজা উদ্‌যাপন কৰা হয়।

তাৰ পিছত আহিছিল 'নৱাগতা আদৰণী সভা"। এই শুভ অনুষ্ঠানটোত নৱাগতা সকলক আদৰণি জনোৱাৰ লগতে তেওঁলোকৰ মাজৰ কৃৰ্তি ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয়। বিভিন্ন ধৰণৰ গীত নৃত্যৰে এই অনুষ্ঠান সামৰণি মৰা হয়।

বৰ্তমান প্ৰায় সকলো দিশৰ পৰাই শিৱসাগৰ ছোৱালী কলেজ এক উচ্চ মানদণ্ডৰ প্ৰতিস্থিত কলেজ।

সময় পাখি লগা কাড়ৰ দৰে উৰা মাৰে। কোনো এটি পৰ্য্যায়ৰ আৰম্ভণি হলে তাৰ এদিন পৰিসমাপ্তি ঘটে। ঠিক সেইদৰে নানা সফলতা-বিফলতা, হাঁহি-কান্দোন, সুখ-দুখেৰে ভৰা ক্ষন্তেকীয়া কাৰ্য্যকালৰো অন্ত পৰিছিল ৰৈ গৈছিল মাথো স্মৃতি...........।

নাজানো মই, মোৰ এই এবছৰীয়া কাৰ্যকালত কিমান সফল হব পাৰিলো। তথাপি মহাবিদ্যালয়খনিৰ উন্নতিৰ বাবে সেৱা আগবঢ়োৱাত চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। যিখিনি কাম কৰিলো, তাৰ ভিতত অনিচ্ছাকৃত ভাৱে যদি বহুতো ভুল ৰৈ গৈছিল বা কাৰোবাক অন্তৰত লগাকৈ কথা কৈছিলো তাৰ বাবে মই এই প্ৰতিবেদনৰ যোগেদি ক্ষমা ভিক্ষা মাগিছো।

মোৰ এই এবছৰীয়া কাৰ্যকালত মোক সকলো ক্ষেত্ৰতে আন্তৰিকতাৰে সু-পৰামৰ্শ তথা সহায় আগবঢ়োৱা মোৰ উপদেষ্টা উৎপলা বাইদেউ তথা ভাস্কৰ দত্ত চাৰ আৰু ছাত্ৰী একতা সভাৰ সভাপতি ড০ হেমন্ত কুমাৰ ফুকন চাৰৰ ওচৰত চিৰ কৃতজ্ঞ।

কৰ্তব্যৰ দাস হৈ কেতিয়াবা পৰম আৰাধ্য শিক্ষাগুৰুসকল, বান্ধৱীসকল, অফিচ কৰ্মচাৰীসকলৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আৰু কলেজৰ কেণ্টিনৰ কৰ্মচাৰী সকলক যদি জানিও বা অজানিতভাৱে কিবা কৈছিলো,

এই পৰত তেখেত সকলৰ ওচৰত মই নতশিৰে অপৰাধ মাৰ্জনা বিচাৰিছো। আৰু তেখেতসকলে বিভিন্ন সময়ত আগবঢ়োৱা সহায়ৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো।

কাৰ্যকালৰ প্ৰতিটো কামতে সহায় কৰা বান্ধৱী তথা বাইদেউ মামু, মৃদুস্মিতা, বিপাশা, পূৰবী, জোনমণি, চাবিবা, বিনীতা ছাত্ৰী একতা সভাৰ সমূহ সদস্যসকলে যি সহায়ৰ হাত আগবঢ়ালে তেওঁলোকলৈও এই প্ৰতিবেদনৰ দ্বাৰা ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"।

## প্ৰাৰ্থনা ভূঞা

*খেয়াল প্ৰতিযোগিতা ঃ*
প্ৰথম পুৰস্কাৰ ঃ ঋষিকেশী লাহন
দ্বিতীয় পুৰস্কাৰ ঃ প্ৰাৰ্থনা ভূঞা
তৃতীয় পুৰস্কাৰ ঃ পৰী চাংমাই

**ভজন প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ প্ৰাৰ্থনা ভূঞা
দ্বিতীয় পুৰস্কাৰ ঃ মৃদুস্মিতা মহন
তৃতীয় পুৰস্কাৰ ঃ ঋষিকেশী লাহন
পৰী চাংমাই

**গজল প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ মৃদুস্মিতা মহন
দ্বিতীয় পুৰস্কাৰ ঃ প্ৰাৰ্থনা ভূঞা
তৃতীয় পুৰস্কাৰ ঃ ঋষিকেশী লাহন

**জ্যোতি সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ ঋষিকেশী লাহন
দ্বিতীয় পুৰস্কাৰ ঃ পৰী চাংমাই
তৃতীয় পুৰস্কাৰ ঃ বিতপী কাকতি

**ৰাভা সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ পৰী চাংমাই
দ্বিতীয় পুৰস্কাৰ ঃ মৃদুস্মিতা মহন
তৃতীয় পুৰস্কাৰ ঃ প্ৰাৰ্থনা ভূঞা

**পাৰ্বতী সংগীত প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ পৰী চাংমাই
দ্বিতীয় পুৰস্কাৰ ঃ মৃদুস্মিতা মহন
তৃতীয় পুৰস্কাৰ ঃ গায়ত্ৰী বৰুৱা

**লোকগীত প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ মৃদুস্মিতা মহন
দ্বিতীয় পুৰস্কাৰ ঃ প্ৰাৰ্থনা ভূঞা
তৃতীয় পুৰস্কাৰ ঃ বিটপী কাকতি

**বৰগীত প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ বিটপী কাকতি
দ্বিতীয় পুৰস্কাৰ ঃ পৰী চাংমাই
তৃতীয় পুৰস্কাৰ ঃ প্ৰাৰ্থনা ভূঞা

**বনগীত প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ মৃদুস্মিতা লাহন
দ্বিতীয় পুৰস্কাৰ ঃ ঋষিকেশী লাহন
তৃতীয় পুৰস্কাৰ ঃ বিতপী বৰঠাকুৰ
পৰী চাংমাই

**আধুনিক গীত প্ৰতিযোগিতা ঃ**
প্ৰথম পুৰস্কাৰ ঃ প্ৰাৰ্থনা ভূঞা
দ্বিতীয় পুৰস্কাৰ ঃ মৃদুস্মিতা মহন
তৃতীয় পুৰস্কাৰ ঃ গায়ত্ৰী বৰুৱা

**শ্ৰেষ্ঠা গায়িকা ঃ মৃদুস্মিতা লাহন**

# SOCIAL SERVICE

## SECRETARY'S REPORT- ON THE ACTIVITIES PERFORMED 2007-08



At the outset, I thank my Principal, the college faculty and the students who are the asset of this institution. As a social service secretary, first of all I would like to thank those students who elected and valid for me. My sincere thanks to my in-charges- Shiv Prasha Mili and Sanjoy Das, who guided and sailed one in performing my duty. My sincere gratitude and appreciation to the Union Body. who really worked hard throughout the year.

Engrossing the power in hand, I fulfilled my every promise. I tried to make the campus by giemetic in every possible ways.

***To mention a few of my activities carried out were as follows :-***

1. I requested our Principal to arrange fine more dustbins in our college campus. And, I would like to thank him as he fulfilled my requisite.
2. As a part of the Union Body. I was always present in the meeting, cultural shows, deminar and other get-together programms, helped in also rations. Arrangements, invitations etc.
3. Students toilet were being cleaned and sufficient water taps with running water were being arranged.
4. The roadside of our college to the Scene Board has always been a problem for our students. I forwarded this problem to the principal and meaoures, were seem to be taken to improve that.
5. 8 days before the college week, the whole campus was cleaned. My In-Charge, 27 no. of students and a few of the college-workers helped in cleaning the campus. Those 27 students were certified along with a medal for their contribution in Social Service.
6. The History Department of our college has been under taking the Peoli Phukan Park since last 5 years, as a part of Social Service. Those students were also cetified for their work in college week programme. They also continued their work this year too, supported by my In-Charge- Sir S.P. Mili.
7. I used to warned the students for Loitering arround the campuss.
8. I also warned the students to put on proper uniform along with the college badge.

9. Students loittering around the I shops near the college during class hours were also warned and brought to the Principal Office.

10. Two days before the Freshers' Social, the whole campuss was cleaned again by workers.

11. In the month of September, due to flood in Majuli and Dhakuwa Khana, we supported on N.G.O who contributed our donation to the flood victims.

I tried to be very sincere about my duty and responsibilities and also maintained a regular file which contains all my activities performed throughout the year.

A popular slogan of the international ecology movement is :

"Think Globally act locally."

Focussing on this quotation, I initiated individually a lot to ensure our college environmental quality. And, I hope the next student to be elected in my post would perform better and enrolled the campus into a developed and cultivated learning institution.

Thanking You.

**Bipasha Hazarika**

B.Sc. IInd Year

Social Service Secretary

2007-2008

# FACULTY MEMBERS

***Principal :***

Dr. H.K. Phukan, M.Sc. L.L.B. Ph.D.

***Deptt. of English :***

Dr. Leela Mahanta Borchetia, M.A., Ph.D. (HOD)

Abdul Hamid, M.A.

K.K. Konwar, M.A., M. Phil

S.P. Mili, M.A.

Mrs. I. Bhattacharjyya, M.A.

***Deptt. of Assamese :***

Ranjit Ranjan Tamuly, M.A. (HOD)

Dr. Rashmi Rekha Gogoi, M.A. Ph.D.

Sangeeta Hazarika, M.A. M. Phil

Kaloli Sonowal, M.A.

Santana Duwarah Handique, M.A.

***Deptt. of Political Science :***

Kishore Kumar Deuri, M.A.M.Phil (HOD)

Dr Jimli Bora, M.A. Ph.D.

Dr. Salma Nasreen,M.A.M.Phil, Ph.D.

Ms. Plabita Das, M.A.

***Deptt. of Economics :***

Tripti Mallika Baruah, M.A. M. Phil (HOD)

Budhin Misra, M.A. L.L.B. M. Phil

Sorifa Begum, M.A.

Ajanta Borah, M.A.

***Deptt. of Education :***

Kusum Phukon, M.A. (HOD)

Anu Sharma, M.A.

Gairika Devi, M.A.

Rantu Gohain, M.A. B. Ed.

***Deptt. of Geography :***

Kiran Baruah, M.Sc. (HOD)

Dugdha Sharma, M.Sc.

Phanin Ch. Mout, M.A.

Sanjay Kumar Das, M.Sc. B.Ed.

***Deptt. of History :***

Mukuta Das Borkakoty, M.A. (HOD)

Utpala Gohain, M.A.

Deepjonali Bhuyan, M.A.

Prabin Sarma, M.A.

***Deptt. of Home Science :***

Dr. Monideepa Borthakur Chakravarty, M.Sc. Ph.D. (HOD)

Nazreen Ahmed, M.Sc.

Reeta Borkotoky, M.Sc., B.Ed.

***Deptt. of Physics :***

Bhaskar Dutta, M.Sc. (HOD)

Pranjal Pankaj Baruah, M.Sc.

Gayatri Mohan, M.Sc.

***Deptt. of Chemistry :***

Marjiana Begum, M.Sc. (HOD)

Pranabjyoti Bharali, M.Sc.

Pranjal Rajkhowa, M.Sc., M. Phil.

***Deptt. of Mathematics :***

Samarjit Chowdhary, M.Sc. (HOD)

Bidyut Baruah, M.Sc.

Ranjan Das, M.Sc.

***Deptt. of Botany :***

Bimal Dutta, M.Sc. (HOD)

Inamul Hussain, M.Sc.

Nibedita Baruah, M.Sc.

***Deptt. of Zoology :***

Deepsikha Dutta Bhuyan, M.Sc.(HOD)

Zakir Hussain, M.Sc.

Ms. Chitra Lekha Gogoi, M.Sc.

***Deptt. of Computer Sc.***

Geetali Chetia, M.Sc.

***Non-Teaching Staff.***

1. Rohit Ch. Borah, Supervisory Asstt.
2. Gagan Ch. Kakoti, U.D.A
3. Promod Gogoi, U.D.A.
4. Chitralekha Saikia Neog, B.A. L.L.B. (LDA)
5. Gitanjali Borthakur, B.A. (L.D.A.)
6. Biren Gogoi, B. Com. PGDCA, (LDA)
7. Rajkumar Sree Koncheng. B.A., (L.D.A.)
8. Angkur Hazarika, B.A., L.D.A.
9. Achinta Borah, B.A., L.D.A.

***Library Staff :***

Librarian : Abhijeet Borpujari B.A.,M.Lib,M.Phil

Sangeeta Baruah, B.A.,B.Lib.Sc. (Library Asstt.)

**Candidates obtaining Star (*) Marks in 2007 H.S. 2nd Year.**

1. Munmi Borgohain (Arts)
2. Mahmuda Khanam (Sc.)

**TDC IIIrd yers 1st class Arts & Science- 2007 :**

**Roll No. and Name of the candidates obtaining First Class :**

| | Arts | Position | Marks |
|---|---|---|---|
| 73. | Ms. Shabarna Bhattacharjee (Eco) | 8th | 556 |
| 81. | Ms. Baby Sahu (Edu) | 16th | 553 |
| 98. | Ms. Rijuana Rahman (Edu) | 13th | 557 |
| 161. | Ms. Mainu Gogoi (Geog.) | 21th | 615 |
| 163. | Ms. Madhabi Saikia (Geog) | 11th | 644 |
| 164. | Ms. Momi Saikia (Geog) | 28th | 600 |
| 178. | Ms. Parinita Bhuyan (Hist) | 4th | 547 |
| | | | |
| 07. | Ms. Gayatri Pathak (P.Sc.) | 4th | 574 |
| 125. | Ms. Mahfuga Ahmed (P.Sc.) | 7t | 565 |
| 149. | Ms. Subhamoni Arandhara (P.Sc.) | 6th | 569 |

**SCIENCE :**

| | | | |
|---|---|---|---|
| 505 | | | |
| *2002 | Ms. Anupa Agarawal (Zool) | 8th | 693 |
| *2003 | Ms. Binita Agarwalla (Math) | 11th | 608 |
| 2005 | Ms. Mafruja Sultana (Zool) | 37th | 614 |
| *2006 | Ms. Mickey Tamuly (Botany) | 27th | 626 |

**H.S. FINAL- 2008**

**CANDIDATES OBTAINING STAR(*) MARKS :**

**(ARTS)**

*10067- Lipi Borah (Eco., P.Sc.)
*10105- Nirmali Borkakoty (Mass, Edu, Eco)

**(SCIENCE)**

* 20001- Arpana Chetia (Phy, Bio, Maths)
* 20002- Archana Chetia (Phy, Bio, Maths)
*20003- Attri Devi (Phy, Maths)
*20017- Madhusmita Phukan (Eng. Chem, Bio)
*20022- Pooja Teshniwal (Phy, Chem, Maths)
*20026- Roshmi Gogoi (Phy, Maths, Bio)
*20033- Warisha Rahman (Eng, Alt. Bio)

## TDC (III) YEAR 1st. Class Arts/Science : 2008

## ROLL NO. &NAME OF THE CANDIDATES OBTAINING 1st CLASS (ARTS)

| | Arts | | Position | Marks |
|---|---|---|---|---|
| 83. | Anjumoni Dutta | (Eco) | 23rd | 540 |
| 84. | Ashma Ara Ahmed | (Eco) | 23rd | 540 (D) |
| 86. | Chitralekha Gogoi | (Eco) | 9th | 566 |
| 95. | Nilakhi Goswami | (Eco) | 1st | 594 (*) With (D) |
| 104. | Sivanee Lahan | (Eco) | 7th | 569 (*) With (D) |
| 114. | Jury Gohain | (Edu) | 21st | 540 |
| 123. | Sumi Borgohain | (Edu) | 13th | 559 |
| 125. | Abarnima Gogoi | (Geog) | 34th | 604 |
| 127. | Hrishikeshi Lahan | (Geog) | 11th | 676 |
| 128. | Jahnabi Gogoi | (Geog) | 34th | 604 |
| 131. | Karabi Gogoi | (Geog) | 26th | 627 |
| 134. | Namrata Hazarika | (Geog) | 36th | 601 |
| 140. | Sunayana Gogoi Swarnakar | (Geog) | 19th | 638 |
| 143. | Suzan Ahmed Saikia | (Geog) | 5th | 720 |
| 148. | Minati Khanikor | (Hist) | 1st | 564 (*) with (D) |
| 51. | Dipanjali Nath (P.Sc.) | 2nd | 567 (*) with (D) | |
| 155. | Prativa Sarmah | (P.Sc.) | 11th | 543 |

## TDC (III) YEAR 1st. Class Science : 2008

## ROLL NO. & NAME OF THE CANDIDATES OBTAINING 1ST CLASS (Science)

| | Science | | Position | Marks |
|---|---|---|---|---|
| Roll- 71 | | | | |
| 02 | Binita Gogoi (Zool) | | 26th | 632 |
| 03 | Bulbuli Dowarah (Maths) | | 19th | 600 |
| 04 | Dolimoni Phukon (Botany) | | 7th | 685 |
| 05 | Debajani Dutta | (Chemistry) | 8th | 612 |
| 07. | Gayatri Sarmah | (Chemistry) | 30th | 607 |
| 08. | Momina Khannom | (Chemistry) | 8th | 677 (*) with (D) |
| 09. | Moftab Ara Rahman | (Botany) | 6th | 690 (*) with (D) |
| 10. | Pari Gogoi (Botany) | | 30th | 630 |
| 12. | Rajashree Baruah | (Botany) | 15th | 658 (*) with (D) |
| 13. | Syeda Tahshina Begum (Chemistry) | | 14th | 649 |



Meeting held on the occasion of the Alumni Association Establishment Day




Opening of PGDRD Programme by the Sibsagar Girls' College




Swapan Duwarah in the Workshop on Spoken English organised by the Deptt. of English



Bannana Plantation in Boniabari by the Sibsagar Girls' College



Students in the Library Reading Room





Ronguli made by the Students on the occasion of College Annual Sports Week



Wall Magazines of the Students